অতীজৰ দিন

আদান-প্ৰদান

অতীজৰ দিন

কে. পি. কেশৱ মেনন

অনুবাদ

ড° হেমেশ্বৰ দিহিঙ্গীয়া

নেশ্যনেল বুক ট্ৰাষ্ট, ইণ্ডিয়া

ISBN 81-237-2896-4

1999 (শক 1921)

মূল © কে. পি. কেশৱ মেনন, 1972
অসমীয়া অনুবাদ © নেশ্যনেল বুক ট্ৰাষ্ট, ইণ্ডিয়া, 1999

Original Title - *Kazhinja Kalam* (Malayalam)

Asamiya Translation - *Atijar Din*

মূল্য ঃ 75.00 টকা

সঞ্চালক, নেশ্যনেল বুক ট্ৰাষ্ট, ইণ্ডিয়া, এ-5 গ্ৰীণ পাৰ্ক,
নতুন দিল্লী - 110 016ৰ দ্বাৰা প্ৰকাশিত

সূচীপত্ৰ

ভূমিকা

1. ল'ৰাকালৰ সোঁৱৰণ 1
2. অধ্যয়নৰ কাৰণে 8
3. মাদ্ৰাজত ছাত্ৰ জীৱন 15
4. ইউৰোপত 20
5. ওকালতি আৰু সামাজিক জীৱন 25
6. হোমৰুল আন্দোলন 31
7. সংগঠিত ৰাজনৈতিক কাৰ্যকলাপ 35
8. শ্ৰমিক দল 38
9. এটা নতুন আন্দোলন 43
10. ওকালতিৰ সমাপ্তি আৰু সাৰ্বজনিক জীৱনৰ পাতনি 47
11. অসহযোগ আন্দোলন 50
12. বিপদৰ সংকেত 55
13. মালবাৰ হাঙ্গামাৰ সূত্ৰপাত 59
14. হাঙ্গামা লগা ঠাইবোৰত 64
15. হাঙ্গামাৰ বিস্তাৰ আৰু তাৰ আতিশয্য 69
16. হাঙ্গামাৰ পিছত 75
17. সাৰ্বজনিক কামত উদাসীনতা 80
18. 'মাতৃ-ভূমি'ৰ জন্ম 87
19. সাংবাদিকতাত প্ৰশিক্ষণ 94
20. ভৈকম সত্যাগ্ৰহ 100
21. পূজপুৰাত জিৰণি 108
22. আকস্মিক দুৰ্ঘটনা 113
23. মৃত্যুৰ পিছত জীৱন 119
24. মালয়া যাত্ৰা 124
25. এটা নতুন জীৱন 129
26. গণ্ডগোলৰ সূত্ৰপাত 135
27. মালকাৰপৰা চিঙ্গাপুৰলৈ 139
28. কেইটামান মোকৰ্দমা 140

29. নিৰাশাৰ অন্ধকূপত 147
30. কিছুমান বিশ্বাস আৰু সিদ্ধান্ত 153
31. পুনৰ সাৰ্বজনিক জীৱন 158
32. অন্ধকাৰময় পৰিৱেশ 162
33. যুদ্ধ আৰু তাৰ পিছত 166
34. জাপান আৰু বেঙ্ককত 171
35. সচিৱৰ পদ 175
36. জাপানীৰ বন্দী 179
37. জেলৰপৰা মুক্তি 184
38. স্বদেশত তিনিমাহ 189
39. মালয়াৰপৰা বিদায় 193
40. পুনৰ সম্পাদকৰ কাৰ্যভাৰ 199
41. অন্যান্য ক্ষেত্ৰত 207
42. লঙ্কাত উচ্চ আয়ুক্ত 210
43. লঙ্কাৰপৰা পুনৰাগমন 216
44. মা আৰু আম্মু 221
45. সংযুক্ত কেৰালা আন্দোলন 225
46. মোৰ কল্পনাৰ কেৰালা 232
47. এটা সঙ্কটাপন্ন পৰিস্থিতি 238
48. কিঞ্চিৎ প্ৰয়াস 241
49. চকু-চিকিৎসাৰ কাৰণে লণ্ডনত 246
50. লণ্ডনৰপৰা পুনৰাগমন 251
51. পৰিৱৰ্তিত পৰিস্থিতিত 254
52. ৰাজহুৱা জীৱনৰ দুটা দিশ 259
53. অশান্তিৰ উদ্বেগ 263
54. বুঢ়া বয়সৰ বৰ আৰু শাও 266
55. জীৱনৰ সন্ধিয়াপৰৰ অনুভূতি 270
56. বিচাৰৰ বেদীত 275

ভূমিকা

এটা সুস্পষ্ট সাহিত্যৰ ৰূপত আত্মজীৱনীৰ বিশেষ সাহিত্য সম্বন্ধীয় অধ্যয়ন সুলভ নহয়। তাৰ অৰ্থ এইটো নহয় যে এই ৰূপটো আলোচনাত্মক অৱহেলাৰ যোগ্য। আচলতে, আন্দ্ৰে মাৰিয়োয়ে কোৱামতে 'আত্মজীৱনী সাহিত্যৰ এটা মনোৰম ৰূপ।' তেওঁৰ এই কথাষাৰ হয়তো সচৰাচৰ সমালোচকসকলে সমৰ্থন নকৰিব। কিন্তু পাঠকৰ ওপৰত আত্মজীৱনীয়ে যি মোহনীয় প্ৰভাৱ বিস্তাৰ কৰে ইতিহাস বা আন গ্ৰন্থই সেই প্ৰভাৱ বিস্তাৰ কৰিব নোৱাৰে। তাৰ কাৰণ আত্মজীৱনীৰ কেন্দ্ৰবিন্দু লেখক নিজে— যি তেওঁৰ জীৱনৰ ঘটনাবোৰ ৰহণ নসনাকৈ পাঠকৰ আগত দাঙি ধৰে আৰু সুখ-দুঃখৰ সেই ঘটনাবোৰে পাঠকৰ মন স্পৰ্শ কৰে। কিন্তু ইতিহাসে তেনেকৈ স্পৰ্শ নকৰে আৰু কৰিবও নোৱাৰে। সেই কাৰণে আমি এই সিদ্ধান্তত উপনীত হ'ব পাৰোঁ যে আনে লিখা জীৱনী আৰু ইতিহাসত থকা সত্যতাতকৈ আত্মজীৱনীৰ সত্যতাই পাঠকৰ মনত বেছিকৈ সাঁচ বহুৱায়। সেই সত্যতা মৰ্মস্পৰ্শী আৰু পাহৰিব নোৱৰা। সেই কাৰণে ডঃ জনচনে কৈছিল এজন মানুহে নিজৰ জীৱনী যিমান ভালদৰে লিখিব পাৰে আনে নোৱাৰে কাৰণ সেই লেখাবোৰ তেওঁৰ অভিজ্ঞতা আৰু অনুভূতিৰ ভিত্তিত প্ৰতিষ্ঠিত। গতিকে আমি মানিব লাগিব যে সকলো ধৰণৰ সাহিত্যত 'স্ব' অৰ্থাৎ 'নিজে' শব্দটোৰ নিজস্ব এটা শক্তি আছে। মহান সাহিত্যৰ প্ৰতিধ্বনি প্ৰায়েই আত্মজীৱনীত হয়। সম্ভৱতঃ সৰ্বোত্তম সাহিত্য সেই সাহিত্যই য'ত শিল্পীৰ ব্যক্তিত্ব নিজৰ কলাৰ যোগেদি প্ৰকাশিত হয়। কলেৰিজে কৈছিল জীৱনী সুন্দৰ হয় যদি সত্য কথা লিখা হয়। নিজৰ জীৱনক সত্যভাৱে বৰ্ণনা কৰিবৰ কাৰণে জীৱনত সৰল মহত্ত্বৰ আৱশ্যক। কেৱল জীৱনৰ সত্যতাই নহয়, জীৱনীৰ সত্যতায়ে মানুহৰ মহত্ত্ব প্ৰকাশ কৰে। বিশ্ব সাহিত্যত মহান আত্মজীৱনী মহাপুৰুষসকলৰেই হয়, যেনে চেণ্ট অগষ্টিন, গ্যাটে, ৰুচো, টলষ্টয় আৰু গান্ধীজী। তেওঁলোকৰ আত্মজীৱনীৰ কোনো সমালোচক নাই। গ্যাটেৰ আত্মজীৱনী "কবিতা আৰু সত্য" নামৰ গ্ৰন্থখন এনেকুৱা এখন মহান আত্মজীৱনী। ব্যক্তিৰ মহত্ত্ব আৰু আত্মজীৱনীৰ মহত্ত্বত এনে অদ্ভুত সামঞ্জস্য অতি বিৰল।

যদি মোক সোধে মালয়ালম ভাষাত সৰ্বশ্ৰেষ্ঠ আত্মজীৱনীখনৰ নাম কি, মই ন দি ক'ম গ্ৰন্থখনৰ নাম কে. পি. মেননৰ "কজিএঞা কালম"। যদি আৰু সোধা হয় কিয় আপুনি কিতাপখনক সৰ্বশ্ৰেষ্ঠ বুলি আখ্যা দিছে, তাৰ উত্তৰত ক'ম—তাৰ কাৰণ এটা নহয়, অনেক। সেইবোৰৰ ভিতৰত আটাইতকৈ প্ৰধান কাৰণটো হ'ল— লেখক কেৰালাৰ অতি বিদ্বান, অতি বুদ্ধিমান, বলিষ্ঠ লেখক আৰু নিজৰ ৰাজ্যখনলৈ

যশস্যা আৰু গৌৰৱ অনাসকলৰে এজন। গ্যাটেৰ গ্ৰন্থখনৰ অনুৰূপ তেওঁৰ কিতাপখনৰ নামও "ৰাজনীতি আৰু সত্য" ৰাখিব পৰা গ'লহেঁতেন। যদি 'কাব্য'ৰপৰা গ্যাটেৰ উদ্দেশ্য কল্পনাৰ উচ্চ জীৱন আছিল তেন্তে সামাজিক আৰু ৰাজনৈতিক সম্বন্ধক পাৰ্থিৱ জগতৰ বুলি ক'ব লাগিব। এইটো এনে এটা সম্বন্ধ যি জীৱনত তিক্ততা আৰু বেদনা ভৰাই দিয়ে। জীৱনৰ সমীকৰণত যেনেকৈ ৰাজনীতি আৰু সত্যতাক একেলগ কৰা টান, কবিতা আৰু সত্যতাৰ মাজত সমন্বয় সাধন কৰাও সহজ নহয়।

মোৰ দৃষ্টিত কেশৱ মেননৰ আত্মজীৱনীখনৰ মহত্ত্বৰ কাৰণ হ'ল, তেওঁ তেওঁৰ ব্যক্তিত্বৰ মহত্ত্বক সত্যতাৰ উচ্চতম মূল্যেৰে প্ৰতিবিম্বিত কৰিছে। সেই কাৰণে এই আত্মজীৱনীখন জগতৰ শ্ৰেষ্ঠতম আত্মজীৱনীবোৰৰে অন্যতম। ইয়াৰ প্ৰকাশ ভঙ্গীত ক্ষমা-প্ৰাৰ্থনা বা আত্ম-প্ৰৱঞ্চনাৰ সুৰ নাই, আছে আত্মস্বীকৃতি। ইয়াৰ বিশেষ গুণ হ'ল, নম্ৰতা, সততা আৰু সৰলতাৰ মূৰ্ত প্ৰকাশ। আজি-কালি আমি লেখাৰ মাধ্যমত আত্মপীড়ন পৰ্যাপ্তৰূপে দেখিবলৈ পাওঁ আৰু সেই কাৰণেই তাত সত্যতা প্ৰতিবিম্বিত নহয়। মেননৰ লেখাত বৰ্ণনা আৰু চিন্তাৰ গভীৰতাৰ সুন্দৰ মিলন দেখিবলৈ পাওঁ। মেননে ইচ্ছা কৰিয়েই তেওঁৰ ৰচনাক অসাধাৰণ কৰি তুলিবলৈ চেষ্টা কৰা নাই আৰু সেই কাৰণেই এজন সূক্ষ্ম সমালোচকৰ দৃষ্টিতো তেওঁৰ আত্মজীৱনীখন মালয়ালম গদ্য সাহিত্যত এটা অতি উত্তম নিদৰ্শন।

আত্মজীৱনী লেখকসকলৰ সম্মুখত যিবোৰ বাধা থিয় হয় সেইবোৰৰ ভিতৰত প্ৰধান বাধাবোৰ হ'ল—দোষপূৰ্ণ সোঁৱৰণ, আত্ম-প্ৰদৰ্শনৰ স্বভাৱ, ওপৰে ওপৰে দেখুওৱা সৌন্দৰ্যবোধ আৰু দম্ভ। দম্ভ প্ৰকাশ কৰি মানুহে জীৱনৰ কষ্টপূৰ্ণ আৰু লজ্জাজনক ৰূপটো ঢাকিবলৈ চেষ্টা কৰে। ৰুচো, জৰ্জ্জ চেণ্ড আৰু আন্দ্ৰেৰো এই দোষটো কিঞ্চিৎ আছিল। কিন্তু তেওঁলোকৰ এই দোষটো থাকিলেও, তেওঁলোক খ্যাতিৰ উচ্চ শিখৰত উঠিও নিজকে এজন সাধাৰণ মানুহ বুলি ভাবিছিল যাৰ জীৱনত সফলতা আৰু অসফলতা দুয়োটা জড়িত থাকে। মেননৰ আত্মজীৱনীখন সৰল আৰু শুদ্ধ ভাষাৰে প্ৰকাশ কৰা তেওঁৰ সুখ-দুখ ভৰা জীৱনটোৰ কাহিনী। সেই কাহিনী বৰ্ণনা কৰোঁতে তেওঁ ক'তো ৰহণ সনা নাই।

'কজিএৰা কালম' (অতীজৰ দিন)ৰ শেষটোও অতি সৰল। "যদিও মই নাজানো জীৱনীটোৱে মোক ক'লৈ লৈ গৈছে তথাপি জীৱনটোৰ প্ৰতি মোৰ মোহ অলপো কমা নাই।" এই উক্তিত সেই সৰলতা প্ৰকাশ পাইছে। এতিয়া তেওঁৰ বয়স অষ্টাশী বছৰ। তেওঁ জীৱনৰ অজ্ঞাত পথৰ যাত্ৰী হ'লেও সেই পথটো যেন তেওঁৰ অপৰিচিত নহয়।

কেশৱ মেননৰ জীৱন কেৰালাৰ স্বাধীনতা লাভৰ আগতে ৰাষ্ট্ৰীয় আন্দোলনৰ ইতিহাসৰ লগত অবিচ্ছিন্নভাৱে যুক্ত আছিল। স্বাধীনতা লাভৰ পিছত তেওঁ কেৰালাৰ ৰাজহুৱা জীৱনৰ নৈতিক পুনঃস্থাপনৰ নেতৃত্ব দি এটা মহৎ আৰু গুৰুত্বপূৰ্ণ কাম সম্পাদন কৰিছিল। তেওঁ প্ৰায় নব্বৈ বছৰ বয়সৰ আছিল যদিও তেওঁৰ মনটো এজন

যুৱকৰ মনৰ নিচিনা আছিল—যাৰ ওচৰত সকলো পাৰ্থিৱ দুৰ্বলতা পৰাভৱ হৈছিল। চেতনাৰ এই তৎপৰতাৰ কাৰণে মানুহে তেওঁৰ অতীতৰ ঘটনাবোৰলৈ নিস্পৃহভাৱে দৃষ্টিপাত কৰিব পাৰে আৰু সেই কাৰণে জীৱনৰ ঘটনাবোৰ অতিৰঞ্জিত কৰি দেখাৰ আৱশ্যকতাবোধ নকৰে। যেতিয়া তেওঁ 1957 চনত তেওঁৰ আত্মজীৱনীখনৰ নাম 'কজিএগ কালম' (অতীজৰ দিন) ৰাখে, তেওঁৰ মনত এইটো ভাব নাছিল যে জীৱনটো পূৰ্ণ হ'ল আৰু জীয়াই থাকিবৰ কাৰণে তেওঁৰ বৰ্তমান আৰু ভৱিষ্যৎ নাই। তেওঁ তেওঁৰ আত্মজীৱনীত অতি সুন্দৰকৈ আৰু শিশুৰ কোমলতাৰে জীৱনৰ ঘটনাবোৰ কৈ গৈছে—সেইবোৰ তেওঁৰ ছাত্ৰ জীৱনৰেই হওক বা ব্যৱসায়িক অক্ষমতাৰ কথাই হওক নাইবা জীৱনৰ অতি দুখপূৰ্ণ কথাই হওক। কোৱা বাহুল্য যে জাপানীৰ অমানুষিক অত্যাচাৰ নীৰৱে সহ্য কৰি আৰু চৰকাৰ আৰু সমাজৰ অনীতিৰ বিৰুদ্ধে যুঁজ কৰি তেওঁ যি জীৱন যাপন কৰিছিল সেই কষ্টপূৰ্ণ জীৱনৰ ঘটনাবোৰে স্বাভাৱিকতে পাঠকৰ অন্তৰ স্পৰ্শ কৰে। আধুনিক মালয়ালমত আত্মজীৱনী লেখক কেশৱ মেনন আটাইতকৈ উপযুক্ত আৰু উৎকৃষ্ট লেখক আছিল। তেওঁক মহাপুৰুষসকলৰ জীৱনীয়ে সদায় আকৰ্ষণ কৰিছিল। সেই কাৰণে তেওঁৰ আত্মজীৱনীখনৰ অধিকাংশত তেওঁলোকৰ জীৱনীবোৰৰ সম্বন্ধ আছে। জীৱনী লেখকৰ ৰূপত নিজৰ সাহিত্যিক জীৱনৰ আগছোৱাতেই তেওঁ স্বাধীনতা সংগ্ৰামৰ বিখ্যাত নেতা লালা লাজপত ৰায়, গোখলে, তিলক আৰু গান্ধীজীৰ জীৱনীৰ মূল্যৱান ৰত্নৰাজি দেখুওৱাৰ কাম কৰিছিল। তাৰ পিছত তেওঁ "নৱভাৰত শিল্পীকল" (আধুনিক ভাৰতৰ নিৰ্মাতা) লিখে য'ত তেওঁ ৰাষ্ট্ৰীয় নেতাসকলৰ সম্পূৰ্ণ দিগন্ত প্ৰকাশ কৰিছিল।

জীৱনী লেখাৰ এই পূৰ্বাভাসৰ লগতেই আত্মজীৱনী লেখাৰ ক্ৰম পূৰ্ণ উদ্যমেৰে চলিছিল। যদিও আত্মজীৱনী লেখাত ৰচনাত্মক বিশেষত্ব প্ৰায় অসম্ভৱ, মেননে তাৰ সম্ভৱ প্ৰমাণ কৰিছিল। এজন মালয়ালী লেখকৰ ৰূপত তেওঁ নিজৰ অভিজ্ঞতাৰপৰা "বিলাতী বিশেষত্ব" কিতাপখন লিখে। তেওঁ 1912 চনত ইউৰোপ ভ্ৰমণ কৰিছিল আৰু তেওঁৰ সোঁৱৰণ 1916 চনত লিপিবদ্ধ কৰি প্ৰকাশ কৰিছিল। এই কিতাখন লেখিয়েই তেওঁ সাহিত্যিক জীৱন আৰম্ভ কৰে। তেওঁৰ 'বন্ধনত্তিল নিন্নু" (বন্ধনৰ পৰা)ত 1924 চনৰ ভৈকম সত্যাগ্ৰহৰ ঘটনাবোৰ বৰ্ণনা কৰা আছে য'ত কেৰালাৰ মন্দিৰবোৰত থকা অস্পৃশ্যতাৰ বিৰুদ্ধে আন্দোলন কৰা হৈছিল আৰু মেননে সেই আন্দোলনৰ নেতৃত্ব কৰিছিল। "ভূত্বম ভৱিষ্যম" গ্ৰন্থত তেওঁ দ্বিতীয় মহাসমৰৰ সময়ত মালয়াত জাপানীৰ অত্যাচাৰৰ কথা বৰ্ণনা কৰিছে আৰু "জীৱিত চিন্তকল" গ্ৰন্থত তেওঁৰ দুখ-কষ্টপূৰ্ণ ওখোৰা-মোখোৰা জীৱনৰ বিচাৰ আৰু সোঁৱৰণৰ সাৰাংশ লিখা আছে। এই গ্ৰন্থকেইখনে তেওঁৰ সৰ্বশ্ৰেষ্ঠ আত্মজীৱনী "কজিএগ কালম" লেখাৰ সমল যোগাইছিল।

কেশৱ মেননৰ আত্মজীৱনীখন মালয়ালম ভাষাত লিখা সকলো আত্মজীৱনীতকৈ উৎকৃষ্ট আৰু শ্ৰেষ্ঠ। অৱশ্যে আত্মজীৱনীৰ সংখ্যা বেছি নহয়। তথাপি যিকেইখন আছে

আৰু লগতে অনেক উৎকৃষ্ট জীৱনীৰ ভিতৰত তেওঁৰ "কজিঞা কালম" সৰ্বশ্ৰেষ্ঠ গ্ৰন্থ আৰু সেই কাৰণেই ৰাষ্ট্ৰীয় সাহিত্য অকাডেমিয়ে ৰাষ্ট্ৰীয় পুৰস্কাৰেৰে সন্মানিত কৰিছিল। মালয়ালম ভাষাত যিকেইখন আত্মজীৱনী আছে তাৰ লেখকসকলে সাহিত্য, ৰাজনীতি আৰু সমাজ-সেৱাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰিছিল। কিন্তু অনেক মহাপুৰুষ আছে যিসকলে তেওঁলোকৰ আত্মজীৱনী লেখা নাই বা লেখাৰ কথা চিন্তা কৰা নাই। তেওঁলোকৰ ভিতৰত কুমাৰণ আসান, নল্লত্তীল, উল্লুৰ, পট্টম, থানু পিল্লে, কে কেলপ্পন আৰু শঙ্কৰৰ নাম উল্লেখযোগ্য। লেখকসকলৰ আত্মজীৱনীত উল্লেখযোগ্য হ'ল ই. বি. কৃষ্ণ পিল্লে আৰু পি. বি. নাৰায়ণ পিল্লেৰ 'আত্মজীৱনী'। এই দুখন আত্মজীৱনী কোমল আৰু তীক্ষ্ণ ব্যঙ্গৰ কাৰণে প্ৰসিদ্ধ। আধুনিক প্ৰসিদ্ধ লেখকসকলৰ ভিতৰত প্ৰফেচাৰ জোচেফ মুণ্ডশেৰী আৰু পি. কেশৱদেৱেও এই ক্ষেত্ৰত সফলতা লাভ কৰিছে। ৰাজনীতিজ্ঞ আৰু লোকনায়কসকলৰ আত্মজীৱনীৰ ভিতৰত চি. কেশৱন (এওঁ এসময়ত মুখ্যমন্ত্ৰী আছিল) আৰু চৰ্দাৰ পানিকৰৰ আত্মজীৱনী বিশেষ উল্লেখযোগ্য। চৰ্দাৰ পানিকৰে ৰাষ্ট্ৰদূত হিচাপে বিশিষ্ট স্থান অধিকাৰ কৰিছিল।

কোৱা বাহুল্য যে মহান আত্মজীৱনী লিখা মহান জীৱন যাপন কৰাতকৈ কঠিন। কিন্তু যিজন মানুহে মহান জীৱন যাপন কৰিছে তেওঁ মহান আত্মজীৱনী লিখিব পাৰে। "কজিঞা কালম" (অতীজৰ দিন) গ্ৰন্থখনে আত্মজীৱনী লেখকসকলৰ মনত এই সিদ্ধান্তটো দৃঢ় কৰে যে লেখাৰ মহত্ত্ব বাস্তৱিকতে মহান জীৱনৰ ৰূপান্তৰ।

— **সুকুমাৰ অজীকোড়**

ল'ৰাকালৰ সোঁৱৰণ

পাঁচ বাজোঁ বাজোঁ। আমি ল'ৰাবোৰে শ্ৰেণীত বহি হাতত ফলি আৰু কিতাপ লৈ ছুটীৰ ঘন্টা বাজিবৰ কাৰণে উৎকণ্ঠাৰে অপেক্ষা কৰি আছিলোঁ। সেই দিনটোৰ কথা কেতিয়াও পাহৰিব নোৱাৰোঁ, কাৰণ তাৰ আগদিনালৈকে আমি বহি পঢ়িছিলোঁ আৰু সেইদিনাই বেঞ্চত বহি পঢ়িবৰ অনুমতি পাইছিলোঁ। মাটিত বহি পঢ়োঁতে আমি মাটিৰ ওপৰত থকা বালিত আঙুলিৰে লিখাৰ অভ্যাস কৰিছিলোঁ। আমাৰ সেই পদোন্নতিক যে মই কিমান আনন্দেৰে অভ্যৰ্থনা কৰিছিলোঁ সেইটো এতিয়াও মোৰ মনত আছে। মাটিত বহি পঢ়াতকৈ বেঞ্চত বহি পঢ়া আৰু আঙুলিৰে মাটিত লিখাতকৈ পেঞ্চিলেৰে লিখাত যে কিমান সুখ মনৰ সেই অনুভূতিবোৰ এতিয়াও মোৰ মনত সজীৱ হৈ আছে। সঁচাকৈয়ে নতুন ফলি আৰু পেঞ্চিল পাই আমি যে কিমান আনন্দ পাইছিলোঁ তাক এতিয়া প্ৰকাশ কৰিব নোৱাৰোঁ।

ঘন্টা বজাৰ লগে লগে দৌৰি গৈ ল'ৰাবোৰ কোঠালীটোৰ দুৱাৰ মুখত ভিৰ কৰিছিল আৰু চিঞৰ-বাখৰ কৰি প্ৰত্যেকটো ল'ৰাই কোঠালীটোৰপৰা আটাইতকৈ আগতে ওলাই যাবলৈ চেষ্টা কৰিছিল। হেডমাষ্টৰ গোবিন্দ মেননে ল'ৰাবোৰক হাক দিয়া সত্ত্বেও সিহঁতে তেওঁৰ কথালৈ কটাহি নকৰি গণ্ডগোল কৰিছিল। মই বাটত মোৰ বন্ধু-বান্ধৱ যাকেই লগ পাইছিলোঁ সকলোকে সেই সু-সংবাদটো দিছিলোঁ আৰু সগৌৰৱে মোৰ নতুন ফলি আৰু পেঞ্চিল দেখুৱাইছিলোঁ। ঘৰ পাই মাক সেই নতুন সংবাদটো যে কিমান আনন্দেৰে দিছিলোঁ সেই কথাটো এতিয়াও মোৰ সুস্পষ্ট মনত আছে। মাৰ নাম মীনাক্ষী আছিল ; তেওঁ মোৰ কথাবোৰ বৰ আগ্ৰহেৰে শুনিছিল আৰু মোৰ নিচিনাকৈয়ে মনত আনন্দ পাইছিল। মোৰ ককাই তেওঁৰ পেটটো লৰাই লৰাই হাঁহিছিল ; সেই হাঁহিটো এতিয়াও মোৰ মানসপটত উজ্জ্বল হৈ আছে। ককাৰ ঘূৰণীয়া মুখ, তপা মূৰ আৰু দীঘল আৰু শকত গাটো এতিয়াও মোৰ চকুৰ আগত ভাহি উঠে ; মই ডাঙৰ হোৱাৰ পিছতহে সেই মহান পুৰুষজনৰ উদাৰ মন আৰু স্নেহপূৰ্ণ ব্যৱহাৰৰ কথা বুজিব পাৰিছিলোঁ।

ককাই সদায় বিপদত পৰা মানুহক সহায় কৰিছিল আৰু কেতিয়াও কাকো বিমুখ নকৰিছিল। সেইকাৰণে নিজৰ ক্ষমতাৰ বাহিৰৰ দানশীলতাই তেওঁক ঋণগ্ৰস্ত কৰিছিল আৰু তেনে অৱস্থাতেই তেওঁৰ মৃত্যু হৈছিল।

আজি-কালিৰ মানুহে ককাৰ নীতি-নিয়ম আৰু ধৰণ-কৰণবোৰ বুজিবলৈ টান পাব। তেওঁৰ কিছুমান কথা তেওঁলোকে আনকি ভাবিবই নোৱাৰিব। ককা পালঘাট ৰজা বংশৰ 'সৰু' ৰজা আছিল। তেওঁৰ আচৰণ আৰু কথা-বতৰাত নিজৰ ৰজাৰ বংশৰ

মানুহ বুলি গৌৰৱ কৰাৰ ভাব প্ৰকাশ পাইছিল। 'আমি এইটো মানো', 'আমি এইটো ভালপাওঁ' আদি তেওঁৰ কথাবোৰ ৰজাৰ ভাষাৰ কথা আছিল। তেওঁ আশা কৰিছিল— কোনোবাই তেওঁৰ লগত কথা পাতিলে তেৰোঁ যেন সেই নিচিনা ভাষা ব্যৱহাৰ কৰে। ৰাতিপুৱা গা ধুই ককাই কপালত চন্দনৰ ফোঁট লৈ দক্ষিণা দি মন্দিৰৰ পূজাৰীৰপৰা প্ৰসাদ লৈ ঘৰলৈ আহি চাহ-জলপান খাইছিল। যিদিনা নাপিত আহি তেওঁৰ চুলি কাটিছিল বা ডাঢ়ি খুৰাইছিল, সেইদিনা তেওঁ পুখুৰীত গা ধুইছিল। তেওঁ পুখুৰীত গা ধুই থাকোঁতে তালৈ যাবলৈ কোনো মানুহে সাহ নকৰিছিল আৰু গা ধুবলৈ যাওঁতে তেওঁৰ আগত আৰু পিছত দুজন গা-ৰখীয়া গৈছিল। তেওঁৰ আগমনৰ সূচনা দিবলৈ চিপাহীয়ে অৰ্থাৎ লগত যোৱা গা-ৰখীয়াই এটা অসাধাৰণ চিঞৰ মাৰিছিল আৰু সেই চিঞৰটো বহুত দূৰৰপৰা শুনা গৈছিল। তেওঁ গা ধুবলৈ যাওঁতে তেওঁৰ মূৰৰ ওপৰত তালপাতৰ ডাঙৰ জাপি এটা ধৰি লৈ লগুৱা এটা তেওঁৰ পিছে পিছে গৈছিল আৰু ৰজাৰ সেই স্নান-যাত্ৰাক মানুহে দূৰৰপৰা চাইছিল।

চুলি কটা বা ডাঢ়ি খুৰোৱাৰ আগতে নাপিতক তামোল খাবলৈ দিয়া হৈছিল। অনেক সময় নাপিতক বহুৱাই ৰাখিবলৈ হ'লে তাৰ মনটো ভাল লগোৱা বুদ্ধিমানৰ কাম বুলি ভাবিয়েই হয়তো তাক তামোল খাবলৈ দিয়া হৈছিল।

ককা বছৰটোত এবাৰ বা দুবাৰ আলতুৰ নাইবা পালঘাটলৈ গৈছিল। আমাৰ ঘৰ পালঘাটৰপৰা কুৰি মাইল দূৰত তাৰ দক্ষিণ-পশ্চিম পিনে তৰুৰ নামৰ গাঁৱত আছিল আৰু তাতেই মোৰ জন্ম হৈছিল। পালঘাটত এটা ৰজাঘৰীয়া হাউলি আছিল। হাউলিটোত ৰজাঘৰীয়া অনেক বস্তু আছিল। ককা তালৈ যোৱাটো নিশ্চিত হোৱাৰ পিছত তাত থকা কৰ্মচাৰীসকলে ককাৰ পৰিদৰ্শনৰ কাৰণে তাৰ সকলো বস্তু পৰিপাটিকৈ ৰাখিছিল। হাউলিটোৰ এটা অংশত অস্ত্ৰাগাৰ আছিল। অস্ত্ৰাগাৰত ঢাল, তৰোৱাল, বন্দুক, যাঠি, কাঁড়, ধেনু আদি অস্ত্ৰ-শস্ত্ৰবোৰ ৰখা হৈছিল আৰু পৰিদৰ্শনৰ সময়ত সেইবোৰ বাহিৰ কৰি এঠাইত সুন্দৰভাৱে সজাই থোৱা হৈছিল। ককা ভ্ৰমণলৈ যোৱাৰ আগতে পাল্কী বহন কৰা মানুহে পাল্কী এখন তৈয়াৰ কৰি থৈছিল। গণকে যাত্ৰাৰ শুভমুহূৰ্ত্ত স্থিৰ কৰিছিল আৰু যথা সময়ত যাত্ৰা আৰম্ভ হৈছিল। ককা অৰ্থাৎ ৰজাৰ যাত্ৰা চাবৰ কাৰণে মানুহৰ ভিৰ হৈছিল, কাৰণ যাত্ৰাটো এটা চাবলগীয়া দৃশ্য আছিল। ৰজাৰ লগুৱা-লিক্‌চৌবোৰে নিজৰ নিজৰ পোছাক পিন্ধি অস্ত্ৰ-শস্ত্ৰবোৰ হাতত লৈ যথাস্থানত শাৰী পাতি থিয় হৈছিল আৰু যাত্ৰা আৰম্ভ হোৱাৰ পিছত সিহঁত খোজ কাঢ়ি পাল্কীৰ লগে লগে গৈছিল। এটা লগুৱাই পাণ-তামোলৰ ডাঙৰ টেমা এটা আৰু নাল থকা লোটা এটা লৈ পাল্কীৰ পিছে পিছে গৈছিল। ৰজাই তামোল খাবলৈ ইচ্ছা কৰিলে সি তামোল আৰু পিয়াহ লাগিলে পানীৰ যোগান ধৰিছিল। ৰজাই গোৰোৱালৈকে পৰা গুণাৰ পাৰি থকা এখন চুৰিয়া পিন্ধিছিল, তেওঁৰ গাত এখন পাটৰ চাদৰ আছিল আৰু তেওঁ ডিঙিত এডাল সোণৰ হাৰ পিন্ধিছিল। পাল্কীত উঠাৰ আগতে পাল্কী বহন কৰা মানুহকেইটাক ভালদৰে পৰীক্ষা কৰি লৈছিল। ৰজাৰ যাত্ৰাৰ সূচনা তেওঁৰ লগুৱা-লিক্‌চৌবোৰে গৈ

থাকোঁতে উচ্চাৰণ কৰা কিছুমান বিশেষ শব্দ শুনি মানুহে ৰজা সেই বাটেদি আহিছে বুলি আগতেই জানিছিল।

ৰজাৰ অতিথি সৎকাৰৰ পদ্ধতি বিশেষভাবে উল্লেখযোগ্য। প্ৰথমতে তেওঁলোকক তামোল খাবলৈ দিয়া হৈছিল। অতিথি অনুসাৰে তামোল খাবলৈ দিয়া পদ্ধতিটো বেলেগ বেলেগ আছিল। কিছুমানক হাতেৰে, কিছুমানক বটাত আৰু কিছুমানক ভিতৰলৈ মাতি নি ভালদৰে বহুৱাই বটাত তামোল-পাণ দিয়া হৈছিল। বামুণৰ বাহিৰে আন কোনো মানুহে ৰজাৰ সম্মুখত তামোল নাখাইছিল।

বামুণক সেৱা-শুশ্ৰূষা কৰিবলৈ আৰু দান দিবলৈ ৰজাই বৰ ভাল পাইছিল। ৰজাৰ নিবাসত এটা ভোজনালয় আছিল। তাত বামুণ পথিকে দুয়োবেলা খাইছিল আৰু ৰাতি শুবৰ কাৰণে খাট, সতৰঞ্চি আৰু গাৰুৰ যোগান ধৰা হৈছিল। সেই সময়ত এনে ধৰণৰ ভোজনালয় প্ৰায় সকলো আলহী-ঘৰতে আছিল। সেই আলহী ঘৰবোৰৰ সম্মুখত গা ধুবলৈ একোটাকৈ পুখুৰী আছিল আৰু তাত মাত্ৰ বামুণেহে গা ধুব পাৰিছিল। তেওঁলোকৰ মাজত পণ্ডিত আৰু বিদ্বানলোক আছিল আৰু ৰজাই তেওঁলোকৰ মুখৰপৰা পুৰাণ ভাগৱতৰ কথা শুনিছিল আৰু তেওঁলোকৰ লগত শাস্ত্ৰৰ চৰ্চা কৰিছিল।

ৰজাই পুৰাণ আৰু ভাগৱতৰ কথা বৰ মনোযোগ আৰু আগ্ৰহেৰে শুনিছিল। ৰাতি শোৱাৰ আগতে মোৰ ভনী দুজনীয়ে ককাৰ মুখৰপৰা কাহিনী আৰু সাধুকথা শুনিছিল। সাধুকথা শেষহোৱাৰ আগতেই মই তেওঁৰ কোলাত শুই পৰিছিলোঁ। সাধুকথা কৈ থাকোঁতে তেওঁ মোৰ গাত মৰমেৰে থপৰিয়াই থকাৰ কাৰণে মোৰ টোপনি আহিছিল।

কেতিয়াবা মাষ্টৰে মোক স্কুলত মাৰিলে বা কোনো ল'ৰাই মোৰপৰা পেঞ্চিল কাঢ়ি নিলে নাইবা দেউতাই মোক খং কৰিলে মই ককাৰ ওচৰত ওজৰ দিছিলোঁ। মোৰ সম্পূৰ্ণ বিশ্বাস আছিল—তেওঁ মোৰ সকলো ওজৰ শুনিব আৰু মোৰ সকলো সমস্যাৰ সমাধান কৰিব। মোৰ সেই বিশ্বাস অটল আছিল, কিয়নো যেতিয়াই মই তেওঁৰ ওচৰলৈ কোনো ওজৰ-আপত্তি লৈ গৈছিলোঁ তেতিয়াই তেওঁৰ ওচৰৰপৰা ঘূৰি আহোঁতে হাঁহিমুখেৰে আহিছিলোঁ। কেতিয়াবা মই কিবা এটা ডাঙৰ অপৰাধ কৰিলে ককাই কৈছিল, "ইয়াক শাস্তি আজি নহয় আন এটা উপযুক্ত দিনত নিশ্চয় দিব লাগিব।" কিন্তু সেই উপযুক্ত দিনটো অহাৰ আগতেই ককাই স্বৰ্গলৈ গমন কৰিছিল। সেইদিনা মই মৃত্যুৰ ভীষণ ৰূপ প্ৰথমবাৰ দেখিছিলোঁ। ককাক পাটৰ কাপোৰেৰে ঢাকি চিতাত জ্বলোৱা দৃশ্য মোৰ কাৰণে অসহনীয় আছিল। ককাৰ সুন্দৰ আৰু সুঠাম দেহটো জুইয়ে পুৰি লাহে লাহে ভস্মীভূত কৰাৰ নিদাৰুণ দৃশ্যটো মই স্বৰগ পৰা মানুহৰ দৰে নিৰ্বাক আৰু নিশ্চল হৈ চাই আছিলোঁ। মোক জুলনাত বহুৱাই তেওঁৰ সেই দুখন হাতেৰে মোক যে কিমান জুলাইছিল, তেওঁৰ বহল বুকুখনৰ মাজত মই কিমানবাৰ যে বিশ্ৰাম লৈছিলোঁ ! ককাক পোৰা দেখি মোৰ তৰুণ কোমল হৃদয়ত অসহ্য বেদনা অনুভৱ কৰিছিলোঁ আৰু ককাক ভৱিষ্যতে কেতিয়াও দেখা নোপোৱাৰ চিন্তা মনত উদয় হোৱাত সেই বেদনা বেছি তীব্ৰ হৈছিল। ঘৰলৈ ঘূৰি আহি ককা সদায় বহি থকা ঠাইডোখৰ

শূন্য দেখি মোৰ চকুৰপৰা ধাৰাসাৰে চকুৰ পানী ওলাই আহিছিল। মানুহে মোক সান্ত্বনা দিছিল, কিন্তু মই অলপো সান্ত্বনা নাপাইছিলোঁ।

কোনো মানুহে 'তোমাৰ ককাদেউতা এতিয়া স্বৰ্গত আৰু তাতেই তেওঁৰ পাপ-পুণ্য ঈশ্বৰে বিচাৰ কৰিব' বুলি ক'লে মোৰ ভীষণ খং উঠিছিল আৰু মই ঘোৰ প্ৰতিবাদ কৰি কৈছিলোঁ, "সেইটো একেবাৰে ভুল কথা, ককাই কোনো পাপ কৰা নাছিল।" সেই সময়ত মোৰ শিশুসুলভ মনত এটা অপূৰ্ব দৃশ্য ভাহি উঠিছিল—মৃৰত সোণৰ কিৰীটি, ডিঙিত সোণৰ মালা আৰু গাত পীত বসন পৰিধান কৰি ঈশ্বৰ এখন ওখ আসনত বহি আছে আৰু তেওঁৰ কাষতে গা ধুই আহি কপালত চন্দনৰ ফোঁট লৈ ককা হাত দুখন সাৱটি শান্তভাৱে থিয় হৈ আছে।

মোৰ বুঢ়ী আই যেতিয়া নৈত গা ধুই ঘৰলৈ উভতিছিল দূৰৰপৰাই তেওঁৰ বগা চুলি, ভস্ম সনা কপাল আৰু চন্দনৰ উজ্জ্বল ফোঁটটো দেখা গৈছিল। গা ধুবলৈ যাওঁতে তেওঁ মোকো লগত নিছিল। গা ধুই উঠি তেওঁ নৈৰ পাৰত থকা বৰগছ এজোপাৰ চাৰিওপিনে ঘূৰিছিল আৰু ঘূৰোঁতে 'কাশী বিশ্বনাথ, বিলন্দ্ৰিনাথ, অনাথৰ নাথ' আদি শব্দেৰে গছজোপাক সম্বোধন কৰি ঘৰলৈ উলটিছিল। মই বুঢ়ীআইৰ ভস্মৰ টেমাটো লৈ তেওঁৰ লগত গৈছিলোঁ। বাটত তলজাতৰ মানুহ দেখিলে বুঢ়ীআইয়ে চিঞৰি সিহঁতক বাটটো এৰি দিবলৈ কৈছিল, কিন্তু ঘৰত সিহঁতক তেল, বস্ত্ৰ আৰু পাণ দিছিল। বুঢ়ীআইয়ে তেওঁৰ চন্দুকত নানা ধৰণৰ ঔষধ ৰাখিছিল আৰু অসুখ হ'লে ডাক্তৰক বৰ কমকৈ মাতিছিল। ঘৰৰ মানুহৰ অসুখ হ'লে তেওঁ তেওঁলোকক ঔষধ দিয়াৰ বাহিৰেও ওচৰ-চুবুৰীয়া মানুহকো ঔষধ দিছিল আৰু পথ্য সম্বন্ধে উপদেশ দিছিল। খং উঠিলে তেওঁ বৰ কটু কথা কৈছিল আৰু যাক কৈছিল তাৰ গাটো বেজ্‌বেজাই গৈছিল।

মোৰ মা আৰু মোমাই অপ্পুকুট্টি মেনন মোৰ বুঢ়ীআইৰ প্ৰথম আৰু দ্বিতীয় সন্তান আছিল। মোৰ মোমাইৰ পিছত বুঢ়ীআইৰ এঘাৰটা সন্তান হৈছিল, কিন্তু অতি কম বয়সতে আটাইকেইটাৰ মৃত্যু হৈছিল। চল্লিশ বছৰ বয়সলৈকে বঢ়ী আইৰ কোনো সন্তান হোৱা নাছিল আৰু সেইকাৰণে তেওঁ অন্তৰত বৰ দুঃখ পাইছিল। তেওঁ কেইবাটাও মন্দিৰলৈ গৈ নৈৱেদ্য অৰ্পণ কৰিছিল আৰু তেওঁৰ চল্লিশ বছৰ বয়সত মাৰ জন্ম হৈছিল। সেই সময়ৰ ৰীতি অনুসাৰে মোৰ মাই যোগ্য শিক্ষা লাভ কৰিছিল। তেওঁ ভালদৰে লিখিব আৰু পঢ়িব পাৰিছিল আৰু ৰামায়ণৰ পদবোৰ সুৰ লগাই বৰ সুন্দৰকৈ গাব পাৰিছিল। তেওঁ বৰ ভালকৈ বীণ বজাব পাৰিছিল আৰু চাৰি-পাঁচটা সন্তানৰ মাক হোৱাৰ পিছতো সেই কলাটো চৰ্চা কৰিছিল। মাৰ সংগীতৰ শিক্ষক-জনৰ নাম আছিল পষয়নুৰ শ্ৰী শামু গবৈয়ে। তেওঁৰ চেহেৰাটো এতিয়াও মোৰ মনত আছে। মই যেতিয়া অলপ ডাঙৰ হ'লোঁ তেতিয়াৰপৰা তেওঁ মাক সংগীত শিকাবলৈ সদায় নাহি মাজে মাজে আহিছিল। শিকাওঁতে তেওঁ মাৰ লগত গীত গাইছিল। শ্ৰীশামুৰ ষাঠি বছৰ বয়স আছিল আৰু মুখত মাত্ৰ চাৰি-পাঁচটা মানহে দাঁত আছিল। তেওঁৰ

কথাবোৰ একেবাৰে স্পষ্ট নাছিল, কিন্তু যেতিয়া তেওঁ অষ্টপদী গাইছিল তেতিয়া তেওঁৰ মাতত প্ৰকাশ পোৱা ভক্তি ভাবে শ্ৰোতাৰ অন্তৰ স্পৰ্শ কৰিছিল। আজিকালি প্ৰায়বিলাক গায়কে অষ্টপদী বেলেগ বেলেগ সুৰত গায়, কিন্তু মোৰ ভাল নালাগে। মাই ধলপুৱাতে উঠি প্ৰদীপ জ্বলাই বীণা বজাই যেতিয়া অষ্টপদী গাইছিল তেতিয়া পৰিয়ালৰ সকলো মানুহে তেওঁক বেঢ়ি লৈ গীত শুনিছিল।

মা ঘৰৰ সকলো কামতে নিপুণ আছিল। তেওঁ ঘৰৰ কামবোৰ কৰি ভাল পাইছিল আৰু চাকৰণীৰ কামবোৰ পছন্দ নকৰিছিল। তেওঁ শান্ত আৰু নম্ৰ আছিল আৰু সকলোৰে লগত ভাল ব্যৱহাৰ কৰিছিল। তেওঁ শাক-পাচলিৰ গছৰ গুৰিত পানী দিছিল আৰু ৰাতিপুৱা চাকৰণীৰ লগত বাঢ়নীৰে ঠাই সাৰিছিল। আমাৰ ঘৰত অনেক বছৰ ধৰি ভাত ৰন্ধা এজনী ৰান্ধনী আছিল। তাইক আমাৰ পৰিয়ালৰে মানুহ বুলি ধৰা হৈছিল। মাই তাইক পাকঘৰৰ কামত সহায় কৰিছিল। শিৱৰাত্ৰি, শ্ৰাৱণ উৎসৱ আদিত বামুণক দান-দক্ষিণা, চাউল, বস্ত্ৰ আৰু ফল দিয়া হৈছিল। আমাৰ ঘৰত সকামবোৰ নিয়মমতে সম্পন্ন কৰিছিল আৰু আগৰপৰা কৰি অহা সকামবোৰ কোনো বছৰে নকৰাকৈ নেৰিছিল আৰু সকামবোৰ পৰিৱৰ্তন কৰা নাছিল।

যেতিয়া বাইদেউৰ লগত মোৰ কাজিয়া লাগিছিল মাই সদায় বাইদেউৰ ওপৰত দোষাৰোপ কৰিছিল। 'ই কাজিয়া কৰিবলৈ তোৰ ওচৰলৈ যোৱা নাছিল, তইহে আহিছিলি' বুলি মাই বাইদেউক কৈ মোক হাতত ধৰি বাইদেউৰ ওচৰৰপৰা লৈ গৈছিল। মই যে সদায় নিৰপৰাধ আছিলোঁ এনে নহয়, কিন্তু মাৰ দৃষ্টিত মই সদায় নিৰপৰাধ আছিলোঁ।

মোৰ মোমাই অম্বুকুট্টি মেনন প্ৰায় পঞ্চাশ বছৰমান বয়সত কাশীত তীৰ্থ কৰিবলৈ গৈছিল। তেওঁ তাৰপৰা ঘূৰি অহা নাছিল আৰু তাতেই তেওঁৰ ইচ্ছানুসাৰে মৃত্যু হৈছিল।

দেউতাই আমাৰ পৰিয়ালৰ মূল ঘৰখনৰ বাহিৰত কাষতে যিটো নতুন ঘৰ সাজিছিল আমি তাতেই আছিলোঁ। দেউতাৰ আয় সন্তোষজনক নোহোৱাৰ কাৰণে আমি কষ্টেৰে চলিছিলোঁ আৰু মোমাইদেৱে আমাক সহায় কৰিছিল। তেওঁ দেউতাৰ লগত সমানে কাম কৰিছিল। দুপৰীয়ালৈকে দুয়ো কাম কৰি ঘৰলৈ আহি গা-পা ধুই ভাত খাবলৈ বহিছিল আৰু মাই পৰিৱেশন কৰিছিল। মোমাইদেৱে বৰ লৰালৰিকৈ খাই কম সময়ৰ ভিতৰতে কাঁহী খালি কৰি দিছিল আৰু খোৱাৰ পিছত তামোল খাই দেউতাৰ লগত আকৌ কামলৈ ওলাই গৈছিল।

আমাৰ মূল ঘৰখনত গোটেই পৰিয়ালটোৰ মানুহ থাকিবলৈ ঠাই কম হোৱাৰ কাৰণেই দেউতাই আমাৰ কাৰণে বেলেগ ঘৰ সাজিছিল। তাত খেলিবলৈ মোৰ সমনীয়া ল'ৰা নথকাৰ কাৰণে মই মূৰল ঘৰখনলৈ বাৰে বাৰে গৈছিলোঁ। আমি নানা ধৰণৰ খেল খেলিছিলোঁ। তাৰ ভিতৰত শিক্ষক আৰু ছাত্ৰৰ খেলাটো বেচ আমোদজনক আছিল ; অৰ্থাৎ আমি শিক্ষক আৰু ছাত্ৰৰ মাজত হোৱা দৈনন্দিন কামবোৰৰ অভিনয় কৰিছিলোঁ। মোমাই আৰু ভাগিনৰ খেলাটো আন এটা আমোদজনক খেলা আছিল।

খেলি থাকোঁতে কোনো ডাঙৰ মানুহ আহিলে আমি খেলা এৰি পলাইছিলোঁ। মই মোমাই আৰু আন বয়সীয়া মানুহবিলাকক ভয় কৰিছিলোঁ। মোৰ আন এজন সম্বন্ধীয় মোমাই আছিল। কিন্তু তেওঁক দেখিলে আমি ল'ৰাবোৰে অলপো ভয় নেখাইছিলোঁ। তেওঁক আমি নাৰদ মোমাই বুলি মাতিছিলোঁ আৰু তেওঁ আমাৰ ওচৰলৈ আহিলেই আমি তেওঁক চাৰিওপিনৰপৰা বেঢ়ি ধৰিছিলোঁ। তেওঁ সেই নাৰদ মোমাই নামটো কিয় পাইছিল তাৰ কাৰণটো মই জনা নাছিলোঁ। তেতিয়া নাৰদ মোমাইৰ বয়স পঞ্চাশৰো বেছি আছিল। খীণ আৰু তপা মূৰৰ নাৰদ মোমায়ে খোজ কাঢ়ি গৈ থাকোঁতে ঘনে ঘনে সোঁফালে ঘূৰি চাইছিল আৰু চুৰিয়াখন গোৰোৱালৈকে পিন্ধিছিল। নাৰদ মোমাইৰ চেহেৰা আৰু ধৰণ-কৰণ সম্বন্ধে মোৰ ইমানখিনি কথাই মনত আছে। হাতত এখন বিচনী লৈ আহি থকা নাৰদ মোমাইক দেখিলেই আমি তেওঁৰ ওচৰলৈ দৌৰি গৈছিলোঁ। আমি তেওঁক সুধিছিলোঁ, "মোমাই, ক'লৈ গৈছিলা? অনেক দিন তোমাক দেখা নাই।" আমাৰ কথা শুনি তেওঁ বহি তেওঁৰ বিষয়ে যিবোৰ কথা কৈছিল সেইবোৰ এতিয়াও মোৰ স্পষ্টকৈ মনত আছে। এদিন নাৰদ মোমায়ে কৈছিল "মই ত্ৰিল্লামলা (তিৰুমৰিল্বামলা)লৈ গৈছিলোঁ আৰু তাৰপৰা লক্কিড়িলৈ। তাত দেখিলোঁ ৰেলগাড়ীত বৰ ডাঙৰ ডাঙৰ ছিঁৰালবোৰ আছে। ইমান ডাঙৰ ছিঁৰাল মই ক'তো দেখা নাছিলোঁ। জানিব পাৰিলোঁ সেইবোৰ কোচিন মহাৰজাৰ ঘৰলৈ যাব আৰু তেওঁৰ জন্মদিন পালনৰ উৎসৱত মানুহক ভোজ খুৱাওঁতে খাবলৈ দিব। বামুণ এজনে মোক লগ ধৰাত মই তেওঁৰ লগত কোচিন মহাৰজাৰ ঘৰলৈ গ'লোঁ।" মোমায়ে টেমাৰপৰা তামোল এখন উলিয়াই মুখত সুমুৱাই চোবাই চোবাই ক'লে, "ৰজাই দিয়া ভোজটোৰ কথা তহঁতক কি ক'ম? শুনিলে তহঁতৰ জিভাত পানী ওলাব। যিখন পাতত খাবলৈ দিছিল সেই পাতখন তিনিগজ দীঘল। ভাতবোৰ কপাহৰ নিচিনা বগা, চৌষষ্ঠিখন আঞ্জা, পায়স, মিঠাই আৰু ফল। পায়সবোৰ এটা প্ৰকাণ্ড ৰূপৰ বাচনত থৈছিল। ভাত আৰু আঞ্জাবোৰ খাই শেষ কৰাৰ পিছত এখন ৰূপৰ হেঁতাৰে তুমি যিমান খাব পাৰা সিমান পায়স দিছিল। কোচিনৰ মহাৰজাৰ বাহিৰে তেনে এটা ভোজ আৰু কোনে খুৱাব পাৰে তহঁতেই কচোন। আৰু কেইদিনমান মোক তাত থাকিবলৈ কোৱাহেঁতেন মই অতি আনন্দেৰে থাকিলোহেঁতেন।" নাৰদ মোমাইৰ কথাবোৰ শুনি আমি বৰ আমোদ পাইছিলোঁ। তেওঁক কিয় নাৰদ মোমাই বোলা হৈছিল তাৰ কাৰণটো আশাকৰোঁ পাঠকে এতিয়া বুজিব পাৰিব।

হেডমাষ্টৰ গোৱিন্দ মেনন আমাৰ ঘৰলৈ সদায় আহিছিল। তেওঁ ককাদেউতাৰ চিঠিবোৰ লিখি দিছিল। তেওঁক দেখি মই আৰু মোৰ ভনীয়ে তেওঁৰ দৃষ্টিৰপৰা আঁতৰত থাকিবলৈ প্ৰাণপণে চেষ্টা কৰিছিলোঁ আৰু তেওঁ ককাৰ ওচৰৰপৰা গ'ল নে নাই জানিবৰ কাৰণে দুৱাৰৰ বিন্ধায়েদি জুমি চাইছিলোঁ। হেডমাষ্টৰক আমি প্ৰত্যেকটো দশমী তিথিত দক্ষিণা দিছিলোঁ আৰু তেওঁৰ আশীৰ্বাদ পাবৰ কাৰণে ভৰি চুই প্ৰণাম কৰিছিলোঁ। কেতিয়াবা ঘৰৰপৰা আঁতৰলৈ গ'লে তেওঁৰ আশীৰ্বাদ লৈছিলোঁ। তিৰুৱোনম আৰু

বিষুবতিব্ধবাতিশ মন্দিৰৰ উৎসৱবোৰ আমি বিশেষ দিনত বৰ ধুমধামেৰে পালন কৰিছিলোঁ। উৎসৱৰ কেইবাদিনৰো আগৰেপৰা তাৰ কাৰণে যো-জা কৰিছিলোঁ। ফুল সংগ্ৰহ কৰা, ত্ৰিৰকাক্কৰাঅপ্পনৰ (এজন স্থানীয় দেৱতা) মূৰ্তি প্ৰতিষ্ঠা কৰা, নৃত্যমঞ্চ তৈয়াৰ কৰা আদি কামবোৰ আমি উৎসৱৰ আগতেই সমাধা কৰিছিলোঁ। তিৰুৱোনমৰ দিনা নতুন বস্ত্ৰ পৰিধান কৰা আৱশ্যকীয় আছিল। দেউতা কেট্টুত্তল্লুৰ (ওনমৰ এটা খেল—য'ত খেলুৱৈসকলে পৰস্পৰে প্ৰতিদ্বন্দ্বিতা কৰে) কাৰ্য্যক্ৰমত ব্যস্ত আছিল। সেই খেলাটো চাবৰ কাৰণে মানুহ খেল পথাৰত ৰাতিপুৱাৰপৰাই গোট খাইছিল আৰু খেলাটো আবেলি দুইমান বজাৰপৰা আৰম্ভ হৈছিল। খেলুৱৈসকল উত্তৰ আৰু দক্ষিণ পিনে আৰু দৰ্শকসকল পূব আৰু পশ্চিম পিনে সমবেত হৈছিল। খেলপথাৰৰ মাজতে মোমাইদেউ এখন চকীত বহিছিল। কোনো খেলুৱৈয়ে দুব্যৱহাৰ কৰিলে সিহঁতক তাৰপৰা ধৰি বাহিৰ কৰি দিবৰ কাৰণে দুটা মানুহ দুডাল সৌকা লৈ মোমাইদেউৰ ওচৰতে থিয় হৈ আছিল। যেতিয়া খেলা আৰম্ভ হৈছিল দুই পক্ষৰ খেলুৱৈবোৰৰ মাজৰপৰা চাৰি-পাঁচজনমান মানুহ দুয়োপিনৰপৰা ওলাই আহি মালযুঁজ কৰিছিল। প্ৰথমতে দুয়োপক্ষৰ চাৰিজনে যুঁজ কৰিছিল আৰু তাৰ পিছত লাহে লাহে খেলুৱৈৰ সংখ্যা বাঢ়ি গৈছিল।

খেলুৱৈৰ যোগ্যতা পৰীক্ষা কৰিবৰ কাৰণে পৰীক্ষক নিযুক্ত কৰা হৈছিল আৰু অযোগ্য খেলুৱৈক বহিষ্কাৰ কৰা হৈছিল। যিদিনা প্ৰসিদ্ধ খেলুৱৈয়ে খেলিছিল সেইদিনা মানুহৰ ভিৰ বেছি হৈছিল আৰু দৰ্শকবিলাকক নিয়ন্ত্ৰণ কৰা কঠিন হৈছিল। কেতিয়াবা খেলি থাকোঁতে গণ্ডগোলও আৰম্ভ হৈছিল আৰু তেনে পৰিস্থিতিত দৰ্শকক শান্ত কৰিবৰ কাৰণে মোমাইদেৱে চিঞৰি সৌকাডাল মূৰৰ ওপৰত কেইবাবাৰো ঘূৰাইছিল আৰু তাৰ পিছত পৰিস্থিতি স্বাভাৱিক অৱস্থালৈ ঘূৰি আহিছিল। খেলাৰ শেষদিনা বিজেতাসকলক পুৰস্কাৰ (নতুন বস্ত্ৰ) দিয়া হৈছিল। সঁচাকৈয়ে সেই দৃশ্যটো কিমান সুন্দৰ আৰু উজ্জ্বল আছিল !

অধ্যয়নৰ কাৰণে

মোৰ দেউতা পালঘাটৰ 'নটুৰিলেডম' ৰজাৰ বংশৰ এজন প্ৰধান ব্যক্তি আছিল। দেউতাৰ পৰিয়ালটোত সেই সময়ত প্ৰায় ডেৰশ মানুহ আছিল আৰু পৰিয়ালটোৰ আৰ্থিক অৱস্থা স্বচ্ছল আছিল। পৰিয়ালটোৰ বয়সস্থ মানুহকেইজনৰ ভিতৰত দেউতাৰ স্থান তৃতীয় আছিল আৰু তেওঁ হাউলিটোৰ কাম-কাজবোৰ সম্পাদন কৰাত প্ৰধান অংশ গ্ৰহণ কৰিছিল। তেওঁ মেধাৱী, সুদক্ষ আৰু সকলো কামতে পাৰ্গত পুৰুষ আছিল। সেই কাৰণে কেৱল পৰিয়ালৰ ভিতৰতেই নহয় বাহিৰতো সকলো মানুহে তেওঁক আদৰ আৰু সন্মান কৰিছিল আৰু যিকোনো বিষয়ত তেওঁৰ ওপৰত ভাৰসা ৰাখিছিল।

প্ৰায় ত্ৰিশৰো অধিক কোঠালীৰ হাউলি আছিল 'নটুৰিলেডম'। পৰিয়ালৰ সকলোৰে কাৰণে দুবেলা ভাত একেলগে ৰন্ধা হৈছিল, কিন্তু আঞ্জাবোৰ বেলেগ বেলেগ আছিল। তিৰুওনম, বিষুৱতিৰুৱাতিশ আদি উৎসৱবোৰত খৰচ হোৱা ধন পৰিয়ালটোৰ শাখাবোৰে সমূহীয়াকৈ দিছিল। পৰিয়ালৰ বয়োবৃদ্ধসকলৰ হাত খৰচৰ কাৰণে এক নিৰ্দিষ্ট সংখ্যাৰ টকা ধাৰ্য্য কৰা আছিল। সেই কালত মানুহৰ আৱশ্যকতা কম আছিল আৰু সেই কাৰণে ঘৰখন চলোৱাৰ ব্যৱস্থাপনাত কোনো জটিলতা নাছিল। পৰিয়ালটোৰ কাৰণে দৈনন্দিন আৱশ্যকীয় বস্তুবোৰ থোৱা গুদাম ঘৰটো তদাৰক কৰা কৰুপ্পনেষুত্তচ্চনে সদায় ৰাতিপুৱা দিনটোৰ কাৰণে লাগতিয়াল বস্তুবোৰ তাৰপৰা বাহিৰ কৰি দিছিল। আঁঠুলৈকে পৰা চুৰিয়া এখন পিন্ধি, কঁকালত গামোচা এখন বান্ধি আৰু হাতত কাগজ-কলম লৈ এষুত্তচ্চনে তেওঁৰ আগলৈ বাঢ়ি অহা পেটটো নচুৱাই নচুৱাই দেউতাৰ ওচৰলৈ আহি তেওঁক পাকঘৰলৈ দিয়া বস্তুবোৰৰ তালিকাখন দিছিল। আলহী থাকিলে বস্তুৰ মাত্ৰা বৃদ্ধি কৰা হৈছিল। গুদামঘৰটো তদাৰক কৰাৰ বাহিৰেও এষুত্তচ্চনে হাউলিটোৰ ল'ৰা-ছোৱালীবোৰক পঢ়াইছিল। দুপৰীয়া ল'ৰাবোৰক ৰামায়ণ পঢ়ুৱাইছিল। এই সকলো কামৰ কাৰণে এষুত্তচ্চনক বেতন হিচাপে টকাৰ সলনি এটা নিৰ্দ্দিষ্ট পৰিমাণৰ ধান দিয়া হৈছিল। তেনেকৈয়ে ধোবা, নাপিত আদিকো বছৰটোত দুই-তিনিবাৰ ধান দিয়া হৈছিল। পৰিয়ালৰ সকলো মানুহ আৰু চাকৰ-চাকৰণীৰ মনত সৰ্বদায় সন্তোষ আৰু আনন্দ আছিল আৰু সকলোৰে দিনবোৰ সুখেৰে পাৰ হৈ গৈছিল।

সেই কালত তৰুৰ গাঁৱত এখন প্ৰাইমাৰী স্কুল আছিল। মই তৃতীয় শ্ৰেণীত উত্তীৰ্ণ হোৱাৰ পিছত আলসুৰৰ বোৰ্ডৰ মজলীয়া স্কুললৈ গ'লোঁ। দূৰৰপৰাই স্কুলখন দেখি মোৰ পেটটো পুৰিবলৈ ধৰিলে। বোধকৰোঁ ঘৰৰপৰা দূৰলৈ অহাৰ কাৰণেই তেনে হৈছিল নাইবা নতুন শিক্ষকসকলক দেখি মোৰ ভয় লাগিছিল। সেই সময়ত স্কুলখনৰ হেডমাষ্টাৰ অনংনসুৱ শাস্ত্ৰী আছিল আৰু সুব্ৰমণিয়ম আয়াৰ মোৰ শ্ৰেণীৰ শিক্ষক

আছিল। ল'ৰাবোৰে তেওঁক বৰ ভয় কৰিছিল। গোৱিন্দ মেননে আমাক সংস্কৃত পঢ়াইছিল। তেওঁ পিছত ব্ৰহ্মানন্দ স্বামী নাম লৈ এজন প্ৰসিদ্ধ সন্ন্যাসী হৈছিল। মই সেই স্কুলখনত মাত্ৰ ছমাহ পঢ়িছিলোঁ। তাৰপৰা মই পালঘাটলৈ গ'লোঁ। পালঘাটত মোৰ থকা ঠাই কল্লাত্তী বিশ্বনাথ স্বামীৰ মন্দিৰৰ ওচৰত এজন পূজাৰীৰ মঠত আছিল। স্কুলখন মঠটোৰ ওচৰতেই আছিল। স্কুলখনৰ হেডমাষ্টৰ আৰু গৰাকী আছিল গোপাল আয়াৰ। তেওঁ ছাত্ৰক শিক্ষা আৰু দণ্ড দিয়াত বিখ্যাত আছিল। তেওঁ হাতত সৌকা এডাল লৈ সকলো শ্ৰেণীলৈ গৈছিল আৰু তাক ব্যৱহাৰ নকৰাকৈ উলটি নাহিছিল।

তেতিয়া মোৰ দহ বছৰ বয়স। 1886 চনৰ ছেপ্তেম্বৰৰ পহিলা তাৰিখত মোৰ জন্ম হৈছিল। মই মোৰ সমবয়সীয়া ল'ৰাবোৰৰ লগত খেলিবলৈ বৰ কম সুবিধা পাইছিলোঁ। সেই স্কুলখনত পঢ়ি থাকোঁতে ৰাতিপুৱা চাৰি বজাত উঠি মই মন্দিৰটোৰ দুৱাৰমুখত থিয় হৈ উচ্চৈস্বৰে তিনিবাৰ 'হৰ হৰ মহাদেৱ' উচ্চাৰণ কৰিছিলোঁ। এই শব্দকেইটা উচ্চাৰণ কৰিয়েই পূজাৰীয়ে মোক ৰাতিপুৱা জগাই দিছিল। মোৰ কোঠাটোত এটা লেম আছিল আৰু বহুত ৰাতিলৈকে পঢ়ি লেমটো নুমাই মই শুই পৰিছিলোঁ।

পূজাৰীজনৰ পত্নী বামুণীয়ে মোক মাজে মাজে গালি পাৰিছিল। 'পূজাৰী আহক' তোৰ সকলো কথা কৈ দিম। ধূৰ্ত ল'ৰা, তই পঢ়া-শুনা একো নাজান। খোৱা, শোৱা আৰু খেলা—এইবোৰেই তোৰ কাম। কোনে তোক ৰক্ষা কৰিব? ভগৱান শঙ্কৰেহে যদি কৰে।" এনে ধৰণৰ কটু কথাবোৰ মই নীৰৱে শুনি গৈছিলোঁ আৰু নিজৰ কামবোৰ নিয়মিতৰূপে কৰি গৈছিলোঁ। নৈত গা ধুই আহি মই একো নোখোৱাকৈয়ে ছয় বজাত স্কুললৈ গৈছিলোঁ আৰু আঠ মান বজাত মঠলৈ আহি ভেণ্ডি তৰকাৰিৰে কৰ্কৰা ভাত খাই আকৌ স্কুললৈ ঘূৰি গৈছিলোঁ। স্কুলঘৰটো সৰু আছিল আৰু শ্ৰেণীত ল'ৰাবোৰ হেঁচা-টেপাকৈ বহিছিল। মাষ্টাৰৰ ধমকী, ল'ৰাবোৰৰ চিঞৰ-বাখৰ আৰু সৌকাৰ কোব খাই আৰম্ভ কৰা ল'ৰাবোৰৰ কান্দোনৰ কাৰণে স্কুলখনে প্ৰায়েই এটা কোলাহলপূৰ্ণ ৰূপ ধাৰণ কৰিছিল।

পাঁচ বজাত স্কুলৰপৰা ঘূৰি আহোঁতে নৈত গা ধুই নাহিলে মোক মঠত সোমাবলৈ নিদিছিল। নৈত গা ধুই মই বৰ আনন্দ পাইছিলোঁ। সন্ধ্যা মোক পঢ়াবলৈ এজন ঘৰুৱা শিক্ষক আহিছিল। তেওঁ অহাৰ লগে লগে পূজাৰী আৰু তেওঁৰ পত্নীয়ে মোৰ অপৰাধৰ কথা তেওঁক কৈছিল আৰু কেতিয়াবা শিক্ষকজনে মোক ধমকী দিছিল আৰু চৰো মাৰিছিল।

'বুইছা মাষ্টৰ, মাৰ নাখালে ল'ৰাই নপঢ়ে। ইয়াক চৰ মাৰি ভালেই কৰিলা। ই বৰ দুষ্ট ল'ৰা, ইয়াক ভাল শিক্ষা দিব লাগে' এনে ধৰণৰ কথা কৈ পূজাৰী আৰু তেওঁৰ পত্নীয়ে মোৰ ঘৰুৱা শিক্ষকজনক প্ৰায়েই উত্তেজিত কৰি তুলিছিল। কেতিয়াবা শিক্ষক-জনৰ মাৰ খাই কান্দিছিলোঁ আৰু চকুৰ পানী ওলাই অহাৰ কাৰণে পঢ়ি থাকোঁতে আখৰবোৰ অস্পষ্ট দেখিছিলোঁ।

স্কুলৰ মাচুল আৰু ঘৰুৱা শিক্ষকজনৰ বেতন দুই-তিনিমাহ মানৰ পিছে পিছে

ঘৰৰপৰা কোনোবা মানুহ আহি দি গৈছিল। দেউতাই পালঘাটত থকা তাগুৱন নামৰ দোকানী এজনৰ দোকানৰপৰা মই কিতাপ, বহী, কাগজ-কলম আদি নিয়াৰ ব্যৱস্থা কৰিছিল। আমাৰ স্কুলখনৰ সম্মুখতে এজনী বুঢ়ীয়ে নিমখীয়া বস্তু বিক্ৰী কৰিছিল আৰু মই মাজে মাজে কিনি খাইছিলোঁ। বুঢ়ীৰ বস্তুবোৰ বৰ সুস্বাদু আছিল। মই লোভ সামৰিব নোৱাৰি বুঢ়ীয়ে ভজা নিমখীয়া বস্তু (পিঠা)বোৰ প্ৰায়েই খাইছিলোঁ। যেতিয়া মোৰ হাতত পইচা নাছিল তেতিয়া ধাৰত খাইছিলোঁ। এবাৰ এনেকুৱা হৈছিল—এসপ্তাহ ধাৰ কৰি খোৱাৰ পিছত ঘৰৰপৰা পইচা নহাৰ কাৰণে বুঢ়ীক কথা দি পইচা দিব নোৱাৰি লাজত স্কুললৈ আন এটা বাটেদি যাবলৈ আৰম্ভ কৰিলোঁ। মোক নেদেখি বুঢ়ী এদিন মঠলৈ আহি পূজাৰীক দেখা কৰিলে। তেনে পৰিস্থিতিত মোৰ অৱস্থা কেনে হৈছিল পাঠকে নিশ্চয় অনুমান কৰিব পাৰিব। লাজ, ভয় আৰু অপমানত মই পূজাৰী, তেওঁৰ পত্নী আৰু বুঢ়ীৰ আগত বলিশাললৈ নিয়া ছাগলীৰ দৰে তলমূৰকৈ থিয় হৈ ৰ'লোঁ। শেহত তাগুৱনে ধাৰৰ পইচাখিনি বুঢ়ীক শোধ কৰিলে আৰু মোক ধমকী দিলে। ধাৰ লৈ শোধ কৰিব নোৱাৰিলে ধৰুৱাৰ অৱস্থা যে কিমান হীন আৰু অপমানজনক হয় মই জীৱনত প্ৰথম অনুভৱ কৰিছিলোঁ।

স্কুল বন্ধ হোৱাত মই ঘৰলৈ গৈ মাক মঠৰ সকলো কথা কোৱাত দেউতাই মোক মঠলৈ নপঠিয়াই পঢ়িবৰ কাৰণে কোষিকোট্টলৈ পঠাবলৈ স্থিৰ কৰিলে। কোষিক্কোট্টলৈ যোৱাৰ আগতে দেউতাই মোৰ তালৈ গৈ 'তুমি মনপুতি পঢ়িবা, অনৰ্থক পইচা খৰচ নকৰিবা, সহপাঠীবোৰৰ লগত কাজিয়া নকৰিবা আৰু য'ত থাকিবা তাত আনে বেয়া পোৱা কোনো কাম নকৰিবা' বুলি নানান উপদেশ দিছিল। মোৰ প্ৰতি দেউতাৰ অন্তৰত যিমান মৰম আছিল তাক তেওঁ প্ৰকাশ নকৰিছিল যদিও মই বুজি পাইছিলোঁ, কাৰণ মোৰ ভালৰ কাৰণে তেওঁ যিকোনো কাম কৰিবলৈ যে প্ৰস্তুত আছিল, মই বুজিব পাৰিছিলোঁ। তাৰ পিছদিনাই দেউতাৰ কেৰাণী বাসুপ্পট্টৰৰ (বামুণ) লগত মই কোষিক্কোট্টলৈ ৰাওনা হৈছিলোঁ। সেইটো 1898 চনৰ আগভাগৰ কথা।

ঘৰৰপৰা লক্কিড়ী ৰেল-ষ্টেচনলৈ সাত মাইল দূৰ। পথাৰেদি নৈ এখন পাৰ হৈ খোজ কাঢ়ি যাবলগীয়া হৈছিল। বাসুপ্পট্টৰৰ লগত সাধুকথা শুনি যাওঁতে সাত মাইল বাট সোনকালেই শেষ হৈছিল যেন লাগিছিল আৰু কষ্টও পোৱা নাছিলোঁ। বাসুপ্পট্টৰ বেছি বিদ্বান নাছিল, কিন্তু অনেকদিন কেৰাণীৰ কাম কৰাৰ কাৰণে তেওঁ নিজৰ কামবোৰ পৰিপাটিকৈ কৰিছিল আৰু দেউতা তেওঁৰ ওপৰত সন্তুষ্ট আছিল।

মই তাৰ আগতেই ৰেল-ভ্ৰমণ কৰিছিলোঁ। কিন্তু লক্কিড়ীৰপৰা কোষিক্কোট্টলৈ ৰেলত উঠি যোৱা অভিজ্ঞতাটো নতুন আছিল। গাড়ীৰপৰা নামি ষ্টেচনৰপৰা এখন ঘোঁৰা গাড়ী দেখি মই তাত উঠি যাবলৈ ইচ্ছা কৰাত বাসুপ্পট্টৰে বাধা দিলে, কিয়নো ঘোঁৰা গাড়ীত গ'লে বেছি পইচা খৰচ হ'ব আৰু টোপোলাটো কুলীক দি খোজ কাঢ়ি গ'লে তাৰ চাৰিভাগৰ এভাগহে খৰচ হ'ব। খোজ কাঢ়ি যাওঁতে তেওঁ কোষিক্কোট্ট চহৰখনৰ

বিষয়ে মোক কৈ গৈছিল আৰু ময়ো চহৰখনৰ দৃশ্য চাই গৈছিলোঁ। কেইবামাইলো খোজ কাঢ়ি যোৱাৰ পিছত আমি গধূলি পৰত মোৰ থকা ঠাইত উপস্থিত হৈছিলোঁ।

মই কোষিক্কোট্টৰ 'কেৰল বিদ্যালয়'ত আঠ বছৰ অধ্যয়ন কৰিছিলোঁ। সেই বিদ্যালয়খন পিছত 'সামূতিৰো কলেজ' নামেৰে বিখ্যাত হৈছিল। আজিকালি সেই কলেজখনৰ নাম গুৰুবায়ুশপ্পন কলেজ। কিন্তু আজিও মোৰ পুৰণি নামটোৱেই ভাল লাগে। তেতিয়া স্কুলখনত অস্পৃশ্যৰ ল'ৰা-ছোৱালী ভৰ্তি হ'ব নোৱাৰিছিল অৰ্থাৎ সিহঁতৰ কাৰণে প্ৰৱেশ নিষেধ আছিল। কিন্তু মুছলমান আৰু খৃষ্টিয়ানৰ কাৰণে সেই প্ৰতিবন্ধক নাছিল। অস্পৃশ্যসকলৰ প্ৰৱেশৰ কাৰণে মাজে সময়ে দুই-এখন সভা পাতিছিলোঁ আৰু ছাত্ৰসংঘৰ সম্পাদক হিচাপে মই সেই সভাৰ আয়োজন কৰিছিলোঁ।

স্কুলখনৰ সকলো শিক্ষকতকৈ মই সুব্ৰৰাও মাষ্টৰক বেছি পছন্দ কৰিছিলোঁ। তেওঁ ছাত্ৰৰ আৱশ্যকতাবোৰ বুজিছিল আৰু তেওঁৰ ল'ৰাক বুজোৱাৰ অসাধাৰণ দক্ষতা আছিল। তেওঁ কেতিয়াও দোষী ছাত্ৰক দণ্ড নিদিছিল আৰু সেই দোষক সুন্দৰভাৱে বিশ্লেষণ কৰি ভৱিষ্যতে তেনে দোষ নকৰাৰ দৃঢ়তা ছাত্ৰৰ মনত সুমুৱাই দিছিল। তেওঁ মাজে সময়ে ছাত্ৰক ওচৰৰ গাঁওবোৰলৈ নি অধ্যয়নযাত্ৰা কৰিছিল আৰু গাঁৱত শিক্ষাৰ উপকাৰিতা প্ৰচাৰ কৰিছিল। স্কুলত অধ্যয়ন আৰম্ভ হোৱাৰ আগতে সকলোৱে সমস্বৰে প্ৰাৰ্থনা-গীত গাইছিল। প্ৰাৰ্থনা-গীতত সকলো ধৰ্মৰ ছাত্ৰই যোগদান কৰিছিল আৰু সেই গীত সকলো ধৰ্মৰ অনুকূল আছিল। স্কুলত অনুষ্ঠিত হোৱা সভা-সমিতিত শিক্ষকসকলে বিশেষকৈ নৈতিক বিষয়ত বক্তৃতা দিছিল। সেই বক্তৃতাবোৰত বক্তাই ছাত্ৰৰ চৰিত্ৰ গঠনৰ ওপৰত বেছিকৈ জোৰ দিছিল।

আন এজন শিক্ষক চি. পি. গোবিন্দন নায়াৰৰ কথা মোৰ স্পষ্ট মনত আছে। তেওঁ গণিতৰ শিক্ষক আছিল আৰু লগতে 'কেৰল সংচাৰী' নামৰ মাহেকীয়া আলোচনী এখনৰ সম্পাদকো আছিল। তেওঁ ল'ৰাবোৰক অংক কৰিবলৈ দি তাৰ মাজতে আলোচনীখনৰ সম্পাদকীয় নাইবা আন কথা লিখিছিল। কোনো ল'ৰাই গণ্ডগোল কৰিলে তেওঁ এটা শব্দও উচ্চাৰণ নকৰি চচ্‌মাযোৰ খুলি আমাৰ পিনে চাইছিল আৰু গণ্ডগোল বন্ধ হোৱাৰ পিছত আকৌ লিখিবলৈ আৰম্ভ কৰিছিল। সেই কালত শিক্ষকসকলে পৰিষ্কাৰ বগা পোছাক পিন্ধিছিল। সেই সাধাৰণ শুভ্ৰ ৰঙৰ সাজ-পাৰ সৰল জীৱনৰ নিদৰ্শন আছিল।

আমাৰ তৃতীয় শিক্ষক আছিল দক্ষিণামূৰ্তি। তেওঁক দূৰৰপৰাই আমি চিনি পাইছিলোঁ। স্কুলৰ ওচৰতে তেওঁৰ ঘৰ আছিল। প্ৰথম ঘন্টাটো বজাৰ লগে লগে তেওঁ ধুতিৰ ওপৰত এটা দীঘল কোট পিন্ধি মূৰত ডাঙৰ এটা পাগ মাৰি হাতত এডাল চুটি বেতৰ সৌকা লৈ শ্ৰেণীত সোমাইছিল। সেই সৌকাডাল তেওঁ ছাত্ৰৰ ওপৰত ব্যৱহাৰ নকৰাকৈ এদিনো এৰা নাছিল। শিক্ষকতাৰ বাহিৰেও তেওঁ কিতাপৰ ব্যৱসায় কৰিছিল। ছাত্ৰবোৰৰ মাজত এটা ভুল ধাৰণা বদ্ধমূল হৈছিল যে যিদিনা তেওঁ ডাঢ়ি খুৱাই আহিছিল সেইদিনা তেওঁৰ মেজাজটো বেছি গৰম হৈছিল। এই ধাৰণাটো কেনেকৈ আহিছিল

কোনেও ক'ব নোৱাৰে। যি কি নহওক, দক্ষিণামূৰ্তি চাৰক আমি সকলোৱে ভয় কৰিছিলোঁ, কাৰণ আগতেই কৈ আহিছোঁ—তেওঁ সৌকাডাল প্ৰায়েই প্ৰয়োগ কৰিছিল। তেওঁ ল'ৰাক মাৰিবৰ সময়ত পাগটো খুলি মেজত থৈ যিমান জোৰেৰে পাৰে প্ৰহাৰ কৰিছিল। সেই সময়ত তেওঁৰ মূৰৰ পিছফালৰ বগা চুলিবোৰ নাচি উঠিছিল।

আমাৰ স্কুলখনৰ কাষতে এখন মিঠাইৰ দোকান আছিল। মই মিঠাই ভাল পাইছিলোঁ আৰু প্ৰত্যেক দিনে আধা অনাৰ মিঠাই খাইছিলোঁ। সন্ধিয়া অধ্যয়ন শেষ কৰি মই দোকানখনত উপস্থিত হৈ মিঠাই খাই ঘূৰি আহিছিলোঁ। কিন্তু আধা অনাৰ লাড়ু বা জেলেপি পোৱা নগৈছিল, মাত্ৰ নিমখীয়া ভজা পিঠাহে পোৱা গৈছিল। সেই কাৰণে মই দৈনিক ভজা পিঠা নাখাই চাৰি দিনত দুই অনা পইচা জমা কৰি পঞ্চম দিনা লাড়ু বা 'জেলেপি' খাইছিলোঁ।

মই ফুটবল খেলাটো ভাল নাপাইছিলোঁ, ভাল পাইছিলোঁ অভিনয় কৰিবলৈ। তাৰ লগত সম্বন্ধ থকা এটা ভয়ংকৰ ঘটনা এতিয়াও মোৰ মানস পটত উজ্জ্বল হৈ আছে। স্কুলৰ তৰ্ক-বিতৰ্ক সংঘৰ বাৰ্ষিক উৎসৱ পালন কৰোঁতে এখন নাটকৰ অভিনয়ৰ আয়োজন কৰা হৈছিল। স্কুলৰ উত্তৰ পিনে নতুনকৈ সজা ঘৰটোত সন্মিলন তথা থিয়েটাৰ আয়োজন কৰা হৈছিল। কোঠাটোত মাত্ৰ 500 মানুহ বহিব পাৰিছিল। নাটকখন সন্ধিয়া ছয় বজাত আৰম্ভ হৈছিল। নিমন্ত্ৰিত অতিথি, ছাত্ৰ আৰু ছাত্ৰীবোৰ বহি আছিল। মই এজনী ছোৱালীৰ অভিনয় কৰিছিলোঁ। নাটকৰ অভিনয় চলি থাকোঁতেই এটা প্ৰকাণ্ড শব্দ হ'ল। লগে লগে মানুহৰ চিঞৰ-বাখৰ আৰু কান্দোনৰ ধ্বনি শুনা গ'ল। নতুন ঘৰটোৰ ছাত খনৰ এটা অংশ ভাগি তললৈ পৰাত কেইবাজনো মানুহ গুৰুতৰভাৱে আহত হয় আৰু এজন ছাত্ৰৰ মৃত্যু হয়। ঘৰটো নতুন আছিল আৰু তাৰ নিৰ্মাণ কাৰ্য্যত খুঁত আছিল। এইবাবে মানুহে স্কুল কৰ্তৃপক্ষৰ ওপৰত দোষাৰোপ কৰিছিল। এই দুৰ্ঘটনাৰ কাৰণে স্কুলৰ নাটক-সংঘৰ কাৰ্য্যকলাপ কিছুদিনৰ কাৰণে বন্ধ আছিল।

সেই কালত আৰু এটা অপ্ৰিয় ঘটনা ঘটিছিল। ঘটনাটো মহাৰাণী ভিক্টোৰিয়াৰ মৃত্যুৰ পিছত সপ্তম এডৱাৰ্ডক মুকুট পিন্ধোৱা উৎসৱত ঘটিছিল। ভাৰতৰ সকলো ঠাইতে এই উৎসৱটো পালন কৰিছিল। স্কুল বন্ধ হোৱাত মই ঘৰলৈ ঘূৰি আহিছিলোঁ। আমাৰ গাঁৱতো সেই উৎসৱটোৰ আয়োজন কৰা হৈছিল। সেইদিনা এটা ওখ মঞ্চৰ ওপৰত সপ্তম এডৱাৰ্ডৰ ডাঙৰ ফটো এখন ৰখা হৈছিল আৰু শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰিবলৈ তাত গাঁৱৰ মানুহ সমবেত হৈছিল। সেই ছবিখনৰ বাহিৰেও আন এখন ছবি শোভাযাত্ৰাৰ কাৰণে নিৰ্বাচন কৰা হৈছিল আৰু সেই ছবিখন শোভাযাত্ৰাত ব্যৱহাৰ কৰা হৈছিল। কিন্তু উৎসৱৰ পিছদিনা জনা গ'ল যে যিখন ছবি শোভাযাত্ৰাত লৈ যোৱা হৈছিল সেইখন সপ্তম এডৱাৰ্ডৰ নাছিল—কোনোবা ৰুচ ৰজা এজনৰহে আছিল। সেই ভুলটো ইচ্ছা কৰি বৃটিছ সম্ৰাটক অপমান কৰিবৰ কাৰণে কৰা হৈছিল বুলি অনেকে সন্দেহ কৰিছিল। সেই ভুলটোৰ কাৰণে মই জগৰীয়া আছিলোঁ, কিয়নো কেইবাখনো ছবিৰ মাজৰপৰা সপ্তম এডৱাৰ্ডৰ ছবিখন বাছি উলিওৱাৰ ভাৰ মোৰ ওপৰত ন্যস্ত কৰা হৈছিল। এই ভুলটোৰ

কাৰণে দেউতাই মোক খং কৰিছিল। অৱশ্যে তাৰ বাবে মোৰ কোনো হানি হোৱা নাছিল।

কোষিক্কোট্টত পঢ়ি থাকোঁতে মই মোৰ দেউতাৰ বন্ধু মন্নতু কৃষ্ণন নায়াৰৰ ঘৰত আছিলোঁ। এজন বিচক্ষণ আইনজীৱী হিচাপে তেওঁ খ্যাতি অৰ্জন কৰিছিল। আদালতৰপৰা ঘূৰি আহি তেওঁ ৰাতি বাৰটা বজালৈকে পিচদিনাৰ মোকৰ্দমাৰ কাগজ পত্ৰবোৰ মনোযোগেৰে পঢ়িছিল আৰু তাৰ পিছত গা-পা ধুই ভাত খাইছিল। তেওঁ কেতিয়াও সময়ৰ অপব্যৱহাৰ নকৰিছিল আৰু সময়ৰ সদ্ব্যৱহাৰ কৰাৰ কৰণে তেওঁ সাৰ্বজনিক জীৱনো যাপন কৰিছিল। তেওঁ কিছুদিন মাদ্ৰাজ বিধান সভাৰ সদস্যও আছিল আৰু পিছত নিৰুবিতাংকুৰৰ প্ৰধান ন্যায়াধীশ আৰু দেৱান পদত নিযুক্ত হৈছিল। তাৰপৰা অৱসৰ গ্ৰহণ কৰি কৃষ্ণণ নায়াৰে মাদ্ৰাজ চৰকাৰৰ কাৰ্যকাৰিণী পৰিষদৰ সদস্যপদ স্বীকাৰ কৰি লৈছিল। তেওঁৰ প্ৰধান গুণ আছিল—অসাধাৰণ প্ৰতিভাৰ বাহিৰেও ক্ষমাশীলতা, কঠিন অধ্যৱসায় আৰু মানুহৰ প্ৰতি মৰম আৰু সহানুভূতি।

কম বয়সীয়া ল'ৰা হিচাপে চৰিত্ৰ গঠনত আমি সং পুৰুষৰ দৃষ্টান্ত লওঁ। মন্নতু কৃষ্ণণ নায়াৰৰ ব্যক্তিত্বৰ প্ৰভাৱ মোৰ জীৱনত পৰিছিল। নিজৰ মক্কেল, চাকৰ, অতিথি আৰু অন্যান্য সকলোৰে প্ৰতি তেওঁৰ ব্যৱহাৰ অতি মধুৰ আছিল। তেওঁ মোক নিজৰ পুতেকৰ নিচিনাকৈ ব্যৱহাৰ কৰিছিল আৰু মোৰ উন্নতি আৰু অৱনতি মনোযোগেৰে লক্ষ্য কৰিছিল।

মোৰ মানস পটত 'ইন্দুলেখা'ৰ লেখক ও চংতু মেননৰ স্মৃতি এতিয়াও উজ্জ্বল হৈ আছে। তেওঁ সহকাৰী ন্যায়াধীশ আছিল। তেওঁ দীঘল চুৰিয়া, বগা কামিজ, টুপী আৰু চেণ্ডেল পিন্ধি আৰু গাত এখন পাতল চাদৰ লৈ সদায় ৰাতিপুৱা ফুৰিবলৈ ওলাইছিল। সেই কালত এজন সহকাৰী ন্যায়াধীশক মানুহে বৰ সন্মান কৰিছিল। তেওঁ লাহে লাহে খোজ কাঢ়িছিল আৰু বাটত চিনাকী যাকে পায় তেওঁৰ কুশল-মংগলৰ বিষয়ে সুধিছিল। মানুহে তেওঁক বাটত দেখিলে শ্ৰদ্ধাৰে বাট এৰি দিছিল। তেওঁৰ গম্ভীৰ ভাব, তীক্ষ্ণ দৃষ্টি আৰু গজেন্দ্ৰ গমনে মোৰ মনত তেওঁৰ প্ৰতি গভীৰ শ্ৰদ্ধা আৰু ভক্তি সৃষ্টি কৰাইছিল। কোনো নাটক কোম্পানী বা কথাকলি নৃত্য সংঘ কোষিক্কোট্টলৈ আহিলে তেওঁৰ ঘৰত দেখুৱাৰ কাৰণে নিশ্চয় এটা কাৰ্য্যক্ৰম আচুতীয়াকৈ ৰাখিছিল। ওকালতি কৰি থকা অৱস্থাতেই তেওঁৰ মৃত্যু হৈছিল।

মই পঢ়া-শুনাত বৰ ভাল ছাত্ৰ নাছিলোঁ আৰু এজন সাধাৰণ ছাত্ৰৰ নিচিনাকৈ পৰীক্ষাবোৰত উত্তীৰ্ণ হৈছিলোঁ। অৱশ্যে পঢ়া-শুনা বেছি ভাল নোহোৱাৰ কাৰণে হেডমাষ্টৰে যিবোৰ ল'ৰাৰ অভিভাৱকলৈ অভিযোগ পত্ৰ লিখিছিল সিহঁতৰ ভিতৰত ময়ো আছিলোঁ। কিন্তু মই স্কুল আৰু কলেজৰ তৰ্ক-বিতৰ্ক সংঘত সক্ৰিয় অংশ গ্ৰহণ কৰিছিলোঁ আৰু মোৰ বক্তৃতা আৰু আলোচনীত প্ৰবন্ধ লিখাৰ কাৰণে পুৰস্কাৰো পাইছিলোঁ।

মেট্ৰিক পাছ কৰি মই এফ. এ. পঢ়িবলৈ মাদ্ৰাজলৈ গ'লোঁ। 1900 চন। সেই বছৰত মোৰ বিয়াও হ'ল। শিক্ষা সমাপ্ত কৰাৰ আগতে বিয়া কৰাৰ ইচ্ছা মোৰ একেবাৰেই নাছিল, কিন্তু পৰিয়ালৰ কিবা বিশেষ কাৰণত মই মা-দেউতাৰ ইচ্ছা মানিবলগীয়া হ'ল। অৱশ্যে সেইবাবে মোৰ মনলৈ দুঃখ বা অনুতাপ একো অহা নাছিল।

এজন মানুহৰ দুঃখ-সুখক উপশম কৰা আৰু তাৰ অংশীদাৰ হোৱাত তেওঁৰ পত্নীয়ে এটা গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। মোৰ জীৱনতো পত্নীয়ে সেই ভূমিকা গ্ৰহণ কৰিছিল আৰু দুঃখৰ দিনত মোৰ দুঃখ লাঘৱ কৰিছিল। অৱশ্যে অতি কম ভাগ্যৱান মানুহৰ জীৱনতহে সেইটো সম্ভৱ হয়।

মোৰ পত্নী বিয়াৰ সময়ত এজনী চতুৰ্থ শ্ৰেণীলৈ পঢ়া সৰু ছোৱালী আছিল। লক্ষ্মী অৰ্থাৎ মোৰ পত্নী পালঘাটৰ ৰাজ-হাউলিত আছিল। বেছি লিখা-পঢ়া নাজানিলেও লক্ষ্মী সকলো কামত পাৰ্গত আছিল আৰু ঘৰৰ সকলো কাম নিজে আৰু চাকৰণীৰদ্বাৰা কৰাই ঘৰখন সুন্দৰভাৱে চলাইছিল। তেওঁ ৰন্ধা-বঢ়াত বৰ পাকৈত আছিল আৰু সেই কাৰণে মোৰ নিচিনা এজন ভোজনপ্ৰিয় স্বামীৰ মনত সদায় আনন্দ দিছিল।

মাদ্ৰাজত ছাত্ৰ জীৱন

যেতিয়া মাদ্ৰাজত মোৰ কলেজীয়া জীৱন আৰম্ভ হৈছিল তেতিয়া ভাৰতীয় ৰাজনৈতিক পৰিৱেশত ধুমুহা আৰম্ভ হৈছিল। 1905 চনত বংগ-বিভাজনৰ বিৰুদ্ধে কেৱল বংগদেশৰ জনতাই নহয় গোটেই ভাৰতৰ মানুহ বিক্ষুব্ধ হৈ উঠিছিল। ভাইচৰয় লৰ্ড কাৰ্জনৰ দৰ্পপূৰ্ণ ভাষণে সেই ক্ৰোধৰ মাত্ৰা আৰু বঢ়াই দিছিল। তেওঁ ভাৰতীয় লোকৰ নিষ্ঠা আৰু সততাক নিন্দা কৰি আৰু ভাৰতীয় কংগ্ৰেছক ধমকি দি কৈছিল, "কংগ্ৰেছৰ কবৰৰ ভিতৰত সোমোৱাৰ দিন আহিছে ; মই ভাৰতৰপৰা যোৱাৰ আগতে তাৰ অন্ত্যেষ্টিক্ৰিয়া কৰি যাম।" তেওঁৰ সেই ভাষণত জনতাৰ ক্ৰোধাগ্নি দপ্ কৰে জ্বলি উঠিল। চৰকাৰৰ দমননীতিয়ে ভাৰতবাসীৰ দেশভক্তি আৰু বেছি গভীৰ কৰি তুলিলে আৰু তেওঁলোকৰ মনত স্বাধীনতা লাভৰ আকাঙক্ষা তীব্ৰ হ'ল। সেই সময়ত বংগদেশ স্বাধীনতা আন্দোলনৰ কেন্দ্ৰ আছিল। সুৰেন্দ্ৰ নাথ বেনাৰ্জীৰ অদ্ভুত বাগ্মিতা, বিপিন চন্দ্ৰ পালৰ উত্তপ্ত ভাষণ আৰু অৰবিন্দ ঘোষৰ গম্ভীৰ আৰু শক্তিশালী লেখনীয়ে কাশ্মীৰৰপৰা কন্যাকুমাৰীলৈকে গোটেই দেশখনৰ মানুহৰ মনত দেশপ্ৰেম জগাই তুলিছিল। 1906 চনত কলিকতাত অনুষ্ঠিত কংগ্ৰেছ অধিৱেশনত দাদা ভাই নৰৌজীয়ে 'স্বাধীনতা আমাৰ লক্ষ্য' বুলি ঘোষণা কৰিলে। বংগদেশত আৰম্ভ হোৱা স্বদেশী আন্দোলন বংগদেশত আৰম্ভ হৈ ক্ৰমশঃ গোটেই ভাৰতত বিয়পি পৰিল। 'স্বৰাজ', 'স্বদেশী' 'স্বাধীনতা' শব্দবোৰ ভাৰতৰ আকাশ আৰু বতাহত মুখৰিত হ'ল। সেই সময়তে বিপিন চন্দ্ৰ পালক মাদ্ৰাজত অভ্যৰ্থনা কৰিবৰ কাৰণে দেৰ মাইল দীঘল এটা শোভাযাত্ৰা আৰম্ভ হৈছিল। তেওঁৰ আগমনৰ বাতৰি মাদ্ৰাজবাসীৰ কাণত পৰাত তেওঁলোকৰ উৎসাহ আৰু আনন্দৰ সীমা নোহোৱা হ'ল। সাগৰৰ পাৰত এসপ্তাহ ধৰি তেওঁৰ গাম্ভীৰ্য্যপূৰ্ণ বক্তৃতা চলিল। সেই এসপ্তাহত মাদ্ৰাজৰ কেইবা লাখো শ্ৰোতাই তেওঁৰ বক্তৃতা শুনিলে। সেই অদ্ভুত পুৰুষজনে তেওঁৰ বক্তৃতাৰ যোগেদি প্ৰত্যেক জন শ্ৰোতাৰ অন্তৰত দেশপ্ৰেমৰ পৱিত্ৰ মূৰ্তি স্থাপন কৰিলে।

জি. সুব্ৰামনিয়ামে প্ৰথম সন্মিলনখনৰ সভাপতিত্ব কৰিছিল। দক্ষিণ ভাৰতৰ স্বাধীনতা আন্দোলনৰ নেতাসকলৰ ভিতৰত তেওঁৰ নামটো আগত আছিল। তেওঁ বিপিন চন্দ্ৰ পালৰ নিচিনা শক্তিশালী বক্তা নাছিল যদিও সৰল ভাষাৰে স্বাধীনতা আন্দোলনৰ তাৎপৰ্য্য ব্যাখ্যা কৰি শ্ৰোতাৰ মনত স্বাধীনতাৰ কাৰণে আগ্ৰহ জগাই তুলিছিল। বৰ্তমান "স্বদেশী মিত্ৰ" নামৰ যিখন তামিল বাতৰি কাকত আছে সেইখন তেৱেঁই আৰম্ভ কৰিছিল। এতিয়া নাম কৰা "হিন্দু" ইংৰাজী বাতৰি কাকতখনো তেওঁ স্থাপন কৰিছিল আৰু তাৰ প্ৰথম সম্পাদক আছিল।

এফ. এ. পাঠ্যক্ৰমৰ প্ৰথম বছৰটো মই প্ৰেচিডেন্সি কলেজত কটালোঁ আৰু দ্বিতীয় বছৰটোৰ পাঠ্যক্ৰম শেষ কৰিবৰ কাৰণে কোইম্বাটোৰলৈ গ'লোঁ। তাৰ পিছত, এফ. এ. শেষ কৰি বি. এ. পঢ়িবৰ কাৰণে মই মাদ্ৰাজৰ খ্ৰীষ্টিয়ান কলেজত ভৰ্তি হ'লোঁ। এই দুয়োখন কলেজৰ জ্যেষ্ঠ অধ্যাপকসকল ইংৰাজ আছিল। যিবোৰ ছাত্ৰই এই দুয়োখন কলেজত পঢ়া নাছিল তেওঁলোকে কলেজ দুখনৰ বিভিন্ন পৰিৱেশৰ কথা নাজানিছিল। খ্ৰীষ্টিয়ান কলেজত ছাত্ৰ আৰু অধ্যাপকৰ মাজত যি প্ৰীতিপূৰ্ণ সম্বন্ধ আছিল প্ৰেচিডেন্সি কলেজত সেই সম্বন্ধটো নাছিল। ডঃ সিক্‌ন্নৰ, প্ৰফেচাৰ হগ, প্ৰফেচাৰ পিট্ৰেনবাৰ্গ আৰু প্ৰফেচাৰ মেষ্টনৰ নিচিনা খ্ৰীষ্টিয়ান কলেজৰ প্ৰখ্যাত অধ্যাপকসকলৰ কথা তেওঁলোকৰ কোনো ছাত্ৰই কেতিয়াও পাহৰিব নোৱাৰে। তেওঁলোকে প্ৰত্যেকজন ছাত্ৰৰ প্ৰতি লক্ষ্য ৰাখিছিল। ডঃ সিক্‌ন্নৰ যেতিয়া ক্লাচত সোমাইছিল তাৰ পৰিৱেশটো লগে লগে সম্পূৰ্ণ শান্ত আৰু নীৰৱ হৈ গৈছিল। তেওঁকে লৈ বাকী আটাইকেইজন অধ্যাপকে তেওঁলোকৰ পাণ্ডিত্য, ছাত্ৰৰ প্ৰতি স্নেহ আৰু সুন্দৰ ব্যৱহাৰৰ কাৰণে সকলো ছাত্ৰৰপৰা অকৃত্ৰিম শ্ৰদ্ধা আৰু ভক্তি দাবী কৰিব পাৰিছিল আৰু তাৰ কাৰণে যোগ্যও আছিল।

শ্ৰীমুৰলিয়িল কৃষ্ণ নামৰ এজন অধ্যাপকে খ্ৰীষ্টিয়ান কলেজত আমাক মালয়ালম পঢ়াইছিল। তেওঁৰ কথা কোনোমতেই পাহৰিব নোৱাৰি। পাণ্ডিত্যৰ বাহিৰেও সুন্দৰ ব্যৱহাৰ তেওঁৰ বিশেষ গুণ আছিল। তেওঁ কাকো অসন্তুষ্ট নকৰিছিল আৰু কোনো ছাত্ৰক টান কথা ক'বলগীয়া হ'লেও তাক যিমান দূৰ পাৰে কোমল কৰি কৈছিল—যেন ছাত্ৰজনে মনত আঘাত নাপায়। এবাৰ ছাত্ৰ এজনৰ বহী এখন চাওঁতে অনেক ভুল থকাৰ কাৰণে ৰঙা চিয়াহীৰ ৰেখাৰে ভুলবোৰ কাটি দি কৈছিল, "শব্দ, বানান আৰু বাক্য-গঠনত অনেক ভুল কিন্তু হাতৰ আখৰবোৰ বৰ সুন্দৰ।" তেওঁৰ কথা কোৱাৰ ধৰণ এনেকুৱাই আছিল।

ৰাজনীতি আৰু দেশপ্ৰেমিক নেতাসকলৰ জীৱনী পঢ়িবলৈ মোৰ আগৰপৰাই হেঁপাহ আছিল। তেনেধৰণৰ কিতাপ কেতিয়াবা মোৰ হাতত পৰিলে মই বৰ আগ্ৰহেৰে পঢ়িছিলোঁ। মই সেই সময়তে লালা লাজপত ৰায়ৰ এখন লঘু জীৱনী প্ৰকাশ কৰিছিলোঁ। কলেজত পঢ়ি থাকোঁতে এনে ধৰণৰ কাম কৰাটো উচিত হোৱা নাই বুলি মোৰ ওপৰত কিছুমান মানুহে দোষাৰোপ কৰিছিল। দেউতায়ো খং কৰিছিল। তথাপি মই লিখা প্ৰথম কিতাপখন ছপাৰ আখৰত দেখা পাই গৰ্ববোধ কৰিছিলোঁ।

দেউতাই চৰকাৰৰ বিৰুদ্ধে কোৱা বা লিখা মানুহবোৰক খং কৰিছিল। তেওঁ পুৰণি ৰীতি-নীতি আৰু আচাৰ-ব্যৱহাৰ পৰিবৰ্তন কৰাটো মুঠেই পছন্দ নকৰিছিল। মাদ্ৰাজত পঢ়িবৰ সময়ত মই চুলিবোৰ চুটিকৈ কাটি ঘৰলৈ অহাত দেউতাই মোক তিৰস্কাৰ কৰিছিল। তেওঁৰ মতে এনে ধৰণৰ কামবোৰ ক্ষমাৰ বাহিৰত।

কেশৰী কে. কুঞ্জিৰমন নাথনাৰে মাদ্ৰাজত থকা মালয়ালী ক্লাৱৰ সদস্যসকলৰ ভিতৰত এবাৰ ৰচনা-প্ৰতিযোগিতাৰ আয়োজন কৰিছিল। ৰচনাৰ বিষয় আছিল—'যুটীয়া পৰিয়ালত সম্পত্তিৰ ভাগ হোৱাটো উচিত নে অনুচিত?' প্ৰতিযোগিতাটোত মই

প্ৰথম পুৰস্কাৰ পাইছিলোঁ। খবৰটো শুনি দেউতাই আনন্দ পালে। যেতিয়া ঘৰলৈ আহিলোঁ দেউতাই ৰচনাখন মোক পঢ়ি শুনাবলৈ ক'লে। ৰচনাখনৰ কথাবোৰ শুনি দেউতা গম্ভীৰ হ'ল আৰু তেওঁ অসন্তুষ্ট হৈ ক'লে, "তোৰ চুলি কটা আৰু পৰিয়ালত সম্পত্তিৰ ভাগ হোৱা কথাষাৰি সমৰ্থন কৰা দেখি তই যে কোনটো বাটেদি যাবলৈ ধৰিছ সেই কথা মই আগতে জনা নাছিলোঁ।" অৱশ্যে তেওঁৰ অসন্তুষ্টি খন্তেকীয়া আছিল আৰু দুই-তিনি দিনৰ পাছতে সেই কথা পাহৰি গৈছিল।

এবাৰ গোখ্‌লে মাদ্ৰাজলৈ আহিছিল। সেই সময়ত মই খ্ৰীষ্টিয়ান কলেজত পঢ়ি আছিলোঁ। ভিক্টোৰিয়া পাব্লিক হলৰ কাষতে থকা খেল পথাৰখনত তেওঁ বক্তৃতা দিছিল। তেওঁৰ বক্তৃতা শুনিবলৈ ইংৰাজ শ্ৰোতাও আহিছিল। ভাৰতৰ সেই সময়ৰ ৰাজনৈতিক পৰিস্থিতিৰ কথা তেওঁ বৰ সৰলভাৱে মানুহক বুজাই দিছিল আৰু তেওঁলোকৰ কৰ্তব্যৰ কথা কৈছিল। গোখলে বাগ্মী আছিল আৰু তেওঁৰ বাক পটুতাই শ্ৰোতাক আনন্দ দিছিল। আগতে তেওঁ পুণাৰ কলেজ এখনৰ অধ্যাপক আছিল আৰু সেই চাকৰিটো এৰি দি দেশ সেৱাৰ কামত নিজকে নিয়োগ কৰিছিল। তেওঁ 1905 চনত ভাৰত সেৱা সঙ্গ নামৰ এটা সঙ্গ স্থাপন কৰিছিল আৰু শ্ৰীনিবাস শাস্ত্ৰী, দেৱধৰ, পণ্ডিত কুন্দ্ৰ, কোদণ্ড ৰাও আদি খ্যাতিপূৰ্ণ লোকসকল তাৰ সদস্য আছিল।

এজন নিঃস্বাৰ্থ আৰু ত্যাগী দেশসেৱক হিচাপে গোখলে দেশৰ যুৱকসকলৰ বৰ আদৰণীয় নেতা আছিল। সভাত তেওঁ বক্তৃতা দিয়াৰ সংবাদ পাই তেওঁৰ ওচৰলৈ গৈ তেওঁক স্পৰ্শ কৰিবলৈ মোৰ প্ৰবল ইচ্ছা হ'ল। তেওঁ মঞ্চত উঠাৰ লগে লগে তেওঁক মানুহে চাৰিও পিনৰ পৰা বেঢ়ি ধৰিলে। তেওঁৰ ওচৰলৈ যোৱাটো বৰ কষ্ট সাধ্য আছিল। সভা শেষ হোৱাৰ পিছত তেওঁ মটৰ গাড়ীত উঠিবলৈ ধৰোঁতেই মই দৌৰি গৈ তেওঁৰ হাতখন স্পৰ্শ কৰিলোঁ। লৰ মাৰি যাওঁতে মোৰ টুপীটো মাটিত পৰি গ'ল আৰু মানুহৰ ভৰিৰ গচকত ফাটি ছিটাছিটি হ'ল। তেওঁক স্পৰ্শ কৰাৰ মনোবাঞ্ছা পূৰ্ণ হোৱাত মোৰ আনন্দৰ সীমা নাছিল। আজি ভাৰত গোখলেৰ লক্ষ্যতকৈ কিমান বেছি আগবাঢ়ি গ'ল! কিন্তু যিমানদূৰ আগবাঢ়িছে সেই অগ্ৰগতিৰ মূলত যে তেওঁৰ গভীৰ দেশপ্ৰেম, ত্যাগ আৰু নিঃস্বাৰ্থ দেশ-সেৱাৰ ডাঙৰ বৰঙণি আছিল তাক কোনেও অস্বীকাৰ কৰিব নোৱাৰে।

মাদ্ৰাজত আমি তিনি-চাৰিজনমান ল'ৰাই ঘৰ এটা ভাড়া কৰি লৈ আছিলোঁ। চাৰিওজনৰ খোৱা-বোৱা আৰু থকা-মেলাৰ সুন্দৰ ব্যৱস্থাৰ ভাৰ মোৰ ওপৰত আছিল। একেলগে একেটা ঘৰতে থাকিলে কোনো আত্মীয়তা নথকা মানুহৰ মাজত আপোনা আপুনি ওচৰ সম্বন্ধ গঢ়ি উঠে। মোৰ লগত যিকেইজন আছিল তেওঁলোকৰ ভিতৰত প্ৰিয় বন্ধু কাৰুপত্তু কুট্টিকৃষ্ণ মেননৰ নাম বিশেষকৈ উল্লেখযোগ্য। তেওঁৰ লগত মোৰ বন্ধুত্ব ল'ৰা কালৰপৰাই আৰম্ভ হৈছিল। মাদ্ৰাজত সেই বন্ধুত্ব আৰু বেছি গাঢ় হয়। মই ইংলণ্ডত থকাৰ কালছোৱাতে তেওঁ মাদ্ৰাজত ওকালতি আৰম্ভ কৰিছিল আৰু শেহত তেওঁ মাদ্ৰাজ উচ্চ ন্যায়ালয়ত এডভোকেট জেনেৰেল পদলৈ উন্নীত হৈছিল।

মই কেইবাবাৰো 'মাদ্ৰাজ মালয়ালী ক্লাবৰ সম্পাদক আছিলোঁ। ক্লাবত সুব্ৰৰায়লু নামৰ এজন চাপৰাচী আছিল। সুব্ৰৰালুৰ প্ৰধান কাম আছিল ক্লাবটোৰ আচবাব আৰু অন্যান্য বস্তুবোৰ পৰিপাটিকৈ ৰখা আৰু সদস্যসকলৰ পৰা ক্লাবৰ মাচুল লৈ সম্পাদকক দিয়া। তাৰ বাহিৰেও সুব্ৰৰালুৱে ক্লাবটোৰ আনুষঙ্গিক কামবোৰ কৰিছিল আৰু ক্লাবটোক সদায় চাফ-চিকুণ কৰি ৰাখিছিল। অনেক বন্ধু-বান্ধৱ আৰু আত্মীয়-স্বজনৰ মাজত সুব্ৰৰায়লুৰ চেহেৰাটো এতিয়াও মোৰ মনত আছে।

চাৰ চি. শংকৰণ নায়াৰ, ডাঃ টি. এম. নায়াৰ, উকীল ৰথিৰু নম্বিয়াৰ, চেংকুলনু গোপাল মেনন আৰু কোষিড্ডৰী কৰুণাকৰ মেনন সেই সময়ত মাদ্ৰাজৰ প্ৰসিদ্ধ মালয়ালী আছিল। শংকৰণ নায়াৰৰ মধুৰ ব্যৱহাৰৰ কাৰণে তেওঁ বৰ জনপ্ৰিয় আছিল।

ডাঃ টি. এম. নায়াৰ এজন ধীৰ, স্থিৰ আৰু ব্যক্তিত্বপূৰ্ণ লোক আছিল। তেওঁ 'জাষ্টিচ পাৰ্টী' স্থাপন কৰি তাক পৰিচালনা কৰিছিল আৰু সেই পাৰ্টীটো পিছত এটা ৰাষ্ট্ৰীয় পাৰ্টী হৈছিল।

কৰুণাকৰ মেনন এজন প্ৰখ্যাত সম্পাদক আছিল। তেওঁ 'হিন্দু' আৰু 'ইণ্ডিয়ান পেট্ৰিয়ট'ৰ সম্পাদক আছিল। 'ইণ্ডিয়ান পেট্ৰিয়ট' বেছিদিন নচলিছিল যদিও মাদ্ৰাজৰ জনসাধাৰণৰ ওপৰত কাকতখনৰ ডাঙৰ প্ৰভাৱ পৰিছিল।

বি. এ পৰীক্ষাত উত্তীৰ্ণ হোৱাত মোৰ আনন্দৰ সীমা নাথাকিল। শুনি দেউতায়ো বৰ আনন্দ পালে। তাৰপিছত মই কি কৰিম সেই বিষয়ে আলোচনা চলিবলৈ ধৰিলে। মোৰ একান্ত ইচ্ছা আছিল—বিলাতলৈ গৈ তাত পঢ়ি-শুনি বাৰিষ্টাৰ হৈ ঘূৰি অহা। কিন্তু দেউতাৰ আৰ্থিক অৱস্থালৈ চাই সেইটো সম্ভৱ নহ'ব বুলি মই আশা এৰি দিলোঁ।

মই চৰকাৰী চাকৰি লোৱা উচিত হ'ব বুলি অনেক মানুহে দেউতাক উপদেশ দিলে। কিন্তু চাকৰি কৰিবলৈ মোৰ সমূলি ইচ্ছা নাছিল। সেই সময়ত আমাৰ ঘৰৰ আৰ্থিক অৱস্থা ভাল নাছিল ; কিন্তু দেউতাই মোৰ মনৰ ভাব বুজি পাই মোক বিলাতলৈ পঠাবলৈ স্থিৰ কৰিলে। তাৰ কাৰণে পিছত তেওঁ যি কষ্ট কৰিবলগীয়া হৈছিল সেই কথা এতিয়া স্মৰণ কৰিলে তেওঁৰ প্ৰতি শ্ৰদ্ধাত মোৰ মূৰটো দোঁ খাই আহে। কোনো কোনো পিতৃয়ে তেওঁলোকৰ পুত্ৰৰ কাৰণে কঠোৰ পৰিশ্ৰম কৰে। সেই সকল পিতৃৰ প্ৰতি শ্ৰদ্ধা আপোনা-আপুনি মনত উদয় হয়। কিন্তু এনেকুৱা পুত্ৰও আছে যাৰ কাৰণে সৰ্বস্ব ত্যাগ কৰি কোনো কোনো পিতৃয়ে বুঢ়া বয়সত পুত্ৰৰ গঞ্জনা সহিবলগীয়া হয়। সেই পুত্ৰ সঁচাকৈয়ে কিমান ক্ৰূৰ আৰু কৃতঘ্ন! সু-পুত্ৰ আৰু কু-পুত্ৰৰ ছবি আমি সদায় দেখিবলৈ পাওঁ।

মোৰ বিলাত-যাত্ৰা আমাৰ গাঁওখনত এটা অভূতপূৰ্ণ ঘটনা আছিল। ঘৰৰ পৰা বাহিৰ হোৱাৰ পিছত গাঁৱৰ অনেক মানুহ অনেক দূৰলৈকে মোৰ পিছে পিছে আহিছিল। ওলবোকৰ ৰেল-ষ্টেচনত মোক বিদায় দিওঁতে দেউতাৰ চকুৰপৰা ধাৰাসাৰে চকুলো ওলাই আহিছিল। কোনে জানিছিল—তেওঁৰ লগত সেয়েই মোৰ শেষ দেখা আছিল। 1912 চনৰ আগষ্ট মাহত মই ইংলণ্ডলৈ ৰাওণা হৈছিলোঁ।

সেই সময়ৰ 'মনোৰমা' বাতৰি কাকতখনৰ সম্পাদক পুলিয়ংপোট্টা-কুঞ্চিকৃষ্ণ মেননে মোক অনুৰোধ কৰিছিল যেন মই বিলাতৰপৰা তাৰ খবৰ-বাতৰিবোৰ তেওঁৰ বাতৰি কাকতখনলৈ পঠাই থাকোঁ। তেওঁৰ অনুৰোধ ৰক্ষা কৰিবৰ কাৰণে মই 'মনোৰমা'লৈ নিয়মিতভাৱে বিলাতৰ বাতৰিবোৰ লিখি পঠাইছিলোঁ। পিছত সেই লেখাবোৰ "বিলাতী বিশেষম" নামৰ কিতাপখনত সংকলন কৰা হৈছিল। এনেভাবে 'মনোৰমা'ৰ জৰিয়তে কেৰালাৰ মানুহে মোৰ যি পৰিচয় পাইছিল সেইবাবে 'মনোৰমা' আৰু তাৰ সম্পাদকৰ ওচৰত মই কৃতজ্ঞ।

ইউৰোপত

মই লণ্ডনৰ কাৰণে তেতিয়াৰ লঙ্কাৰপৰা জাহাজেৰে ৰাওণা হৈছিলোঁ। সেই জাহাজখন অষ্ট্ৰেলিয়াৰপৰা লণ্ডনলৈ যাবলৈ আহিছিল। জাহাজখনৰ অধিকাংশ কৰ্মচাৰী ইংৰাজ আছিল। তেতিয়ালৈকে মই ইংৰাজবিলাকক উচ্চপদৰ বিষয়া হিচাপেহে দেখি আহিছিলোঁ আৰু সেই কাৰণে জাহাজত তেওঁলোকক সাধাৰণ চাকৰিয়াল হিচাপে দেখি আচৰিত হৈছিলোঁ। নতুন পৰিস্থিতিত খাপ খুৱাবলৈ মোৰ সময় লাগিল। সাগৰীয়া অসুখে মোক বৰকৈ ভোগালে। মূৰ ঘূৰণি আৰু বমি ইয়াৰ প্ৰধান লক্ষণ। মোৰ এনেকুৱা লাগিছিল—মই যেন বিলাতলৈ আহি ভুলহে কৰিলোঁ। চুৱেজখাল পাৰ নোহোৱা পৰ্য্যন্ত মই অসুস্থ আছিলোঁ। মাৰ্চেইলচত উপস্থিত হৈ জাহাজৰপৰা নামি ফ্ৰান্সৰপৰা যোৱা ৰেলগাড়ীৰে মই লণ্ডনলৈ গ'লোঁ। লণ্ডনৰ ভিক্টোৰিয়া ষ্টেচনত মোৰ কাৰণে মানুহ এজন ৰৈ আছিল। তেওঁৰ লগত মই মোৰ থকা ঠাইলৈ গ'লোঁ।

মোৰ অধ্যয়ন আৰম্ভ হোৱাৰ আগতে কেইটামান দিন মই লণ্ডন চহৰখন চাবৰ কাৰণে ৰাখিলোঁ। চহৰখনৰ সকলো অংশতে স্বচ্ছতা আৰু সৌন্দৰ্য্য চকুত পৰিল। চহৰৰ ভিতৰত যাতায়াতৰ ব্যৱস্থা অতি সুন্দৰ আৰু সুবিধাজনক। মানুহৰ সুন্দৰ ব্যৱহাৰ, আনক সহায় কৰাৰ ব্যগ্ৰতা, পুলিচৰ ভদ্ৰ ব্যৱহাৰ আৰু কাৰ্য্যতৎপৰতা আদি দেখি আচৰিত হ'লোঁ আৰু তাৰ মানুহৰ প্ৰতি এটা ভাল ধাৰণা মনত সোমাই গ'ল। ভাৰতত থকা ইংৰাজবোৰৰ দাম্ভিকতা, কঠোৰ ব্যৱহাৰ আৰু অভদ্ৰ আচৰণৰ সলনি তাত মানুহৰ নম্ৰতা, মধুৰ ব্যৱহাৰ আৰু ভদ্ৰ আচৰণ দেখি অবাক হৈ গ'লোঁ। ইংৰাজসকলৰ কৰ্মব্যস্ত আৰু সুখী জীৱনৰ প্ৰতি অভিলাষ আৰু আচাৰ-ব্যৱহাৰে মোক মুগ্ধ কৰিলে। তেওঁলোকৰ সেৱা, কাৰ্য্যতৎপৰতা, সততা, সহানুভূতি আৰু ভদ্ৰ ব্যৱহাৰ আদি গুণবোৰ যেন আমাৰ দেশবাসীৰ গাতো থাকে মই কামনা কৰিলোঁ। অৱশ্যে এজন মানুহৰ গাত সকলো গুণ থকাটো সম্ভৱ নহয়, কিন্তু যিমান গুণ থাকে, সেইবোৰ নিজৰ গালৈ আনি দোষবোৰ দূৰলৈ ঠেলি দিলে মানুহৰ স্বভাৱ আৰু চৰিত্ৰ ভাল হোৱাটো নিশ্চিত আৰু অনিবাৰ্য্য। ইংৰাজৰ গাত থকা অনেক গুণ আমাৰ দেশবাসীয়ে অনুকৰণ কৰা যে একান্ত আৱশ্যক সেই ধাৰণাটো মোৰ মনত বদ্ধমূল হৈছিল আৰু আজিও তাক দৃঢ়স্বৰে ক'ব খোজোঁ।

মই লণ্ডনত এটা সৰু পৰিয়ালৰ লগত আছিলোঁ। এগৰাকী মহিলা আৰু তেওঁৰ তিনিটা সন্তানেৰে সেই পৰিয়ালটো। মই আৰু মোৰ এজন বন্ধু দুটা বেলেগ বেলেগ কোঠাত আছিলোঁ। আমি পৰিয়ালটোৰ লগত একেলগে বহি খাইছিলোঁ। সেই মহিলা-গৰাকীৰ ঘৰুৱা কামবোৰ কৰাৰ এটা ধৰাবন্ধা নিয়ম আছিল। ৰাতিপুৱা শুই উঠি গোটেই ঘৰটো বাঢ়নীৰে সৰাৰ পিছত তেওঁ চাহ-জলপান তৈয়াৰ কৰি আমাক খাবলৈ দিয়ে। তাৰ পিছত ল'ৰা-ছোৱালীকেইটাক খুৱাই-বুৱাই স্কুললৈ পঠাই আমি ঘৰৰপৰা ওলোৱা

পিছত তেওঁ দিনটোৰ কাৰণে লাগতিয়াল বস্তুবোৰ কিনিবৰ কাৰণে বজাৰলৈ যায়। বজাৰৰপৰা ঘূৰি আহি তেওঁ আমি থকা কোঠা দুটা পৰিষ্কাৰ কৰে আৰু কোঠাত থকা আচ্‌বাব আৰু অন্যান্য বস্তুবোৰ ঠিকঠাক কৰি থয়। গধূলি চাহ তৈয়াৰ কৰি তেওঁ আমাৰ কাৰণে অপেক্ষা কৰি থাকে। ৰাতি খোৱা-বোৱাৰ সম্বন্ধে আমাক সুধি তেওঁ আমি ভালপোৱা বস্তুবোৰ ৰান্ধি আমাক খাবলৈ দিয়ে আৰু নিজেও খায়। এইটোৱেই আছিল তেওঁৰ নিয়ম আৰু দৈনন্দিন কাৰ্য্যক্ৰম। কোনো কাম তেওঁ পিছলৈ পেলাই নথৈছিল আৰু যথাসময়ত সকলো কাম সমাপ্ত কৰিছিল।

তাত দুবছৰ থাকি যেতিয়া মোৰ নিজৰ দেশলৈ ঘূৰি অহাৰ সময় আহিল সেই পৰিয়ালটোৰপৰা বিদায় ল'বৰ সময়ত অন্তৰত বৰ দুঃখ পাইছিলোঁ আৰু অনুভৱ কৰিছিলোঁ—যেন নিজৰ পৰিয়ালটো এৰি বিদেশলৈ যাবলৈ ওলাইছোঁ। সেইদিনা অনুভৱ কৰিছিলোঁ তেজৰ সম্বন্ধ কোনো সম্বন্ধ নহয়, অতি ভাল চৰিত্ৰ, স্নেহ, মমতা, সহানুভূতি আৰু সুন্দৰ আচৰণে এডাল জৰীৰে মানুহক একেলগে বান্ধি থয় আৰু সম্বন্ধটোক চিৰস্থায়ী কৰে। প্ৰফুল্ল মন আৰু আনক সুখ আৰু আনন্দ দিয়াৰ আগ্ৰহে মানুহৰ মনত বিমল আনন্দ দিয়ে আৰু যাক দিয়ে তেওঁৰ মনত তৃপ্তি আৰু সুখ উভৈনদী হয়। কিছুমান মানুহে নিজৰ মধুৰ ব্যৱহাৰেৰে আনৰ অন্তৰ জয় কৰে আৰু কিছুমানে দুৰ্ব্যৱহাৰেৰে তেওঁলোকক শত্ৰু কৰি তোলে। এই চিৰন্তন সত্যটো কোনেও অস্বীকাৰ কৰিব নোৱাৰে।

ইংলণ্ডৰ য'লৈকে গৈছিলোঁ তাতেই স্বাধীনতাৰ নিৰ্মল পৰিৱেশ বিৰাজ কৰা দেখিছিলোঁ। দেওবাৰে মই এজন বন্ধুৰ লগত হাইড পাৰ্কত আবেলি অনেক সময় কটাইছিলোঁ। তাত অনেক ভাল বক্তাই নানা বিষয়ত বক্তৃতা দিছিল আৰু তাকে শুনিবৰ কাৰণে মানুহৰ ভিৰ হৈছিল। ভাল কথা শুনি মানুহবোৰৰ জ্ঞান অৰ্জন কৰাৰ আগ্ৰহ দেখি আচৰিত হৈছিলোঁ আৰু স্বাধীন দেশৰ স্বাধীন পৰিৱেশত থাকি মানুহবোৰৰ বলিষ্ঠ মনোভাবৰ লগত পৰাধীন ভাৰতৰ মানুহৰ দুৰ্বল মনোভাবক তুলনা কৰোঁতে মনলৈ ধিক্কাৰ আহিছিল।

ইংলণ্ডৰ স্থিতি আৰু তাৰ সংস্থাবোৰৰ বিষয়ে ভালকৈ জানি আমাৰ দেশৰ শোচনীয় অৱস্থা আৰু বিভিন্ন সংস্থাবোৰৰ কথা মনত পৰাত লাজ আৰু দুঃখ পাইছিলোঁ। ভাৰত যে এখন পৰাধীন দেশ সেই চিন্তাটোৱে মোৰ মনত বাৰে বাৰে পীড়া দিছিল। মই যে 'স্বাধীন ভাৰতৰ নাগৰিক নহওঁ আৰু বৃটিচ ৰজাৰহে প্ৰজা' এই সত্য কথাষাৰ মোৰ মনত সোঁৱৰাই দিয়াৰ নানা ঘটনা ঘটিছিল। এদিন মোৰ গৃহস্থিনীৰ ছোৱালীজনীয়ে চাহ খাই থাকোঁতে মোক ক'লে, "কালি আমাৰ অধ্যাপিকাই ভাৰতৰ সম্বন্ধে আমাক পঢ়াইছিল আৰু কৈছিল—ভাৰতৰ মানুহে নিজৰ দেশখন শাসন কৰিব নাজানে আৰু মানুহবোৰে নিজৰ ভিতৰতে কাজিয়া কৰি গণ্ডগোলৰ সৃষ্টি কৰে। সেই কাৰণে সেই দেশখন আমি শাসন কৰোঁ আৰু সদায় শাসন কৰিব লাগিব।"

সেই অধ্যাপিকাগৰাকীয়ে সঁচা কথাই কৈছিল। নিজৰ ভিতৰত হাই-কাজিয়া কৰাৰ কাৰণেই আমি পৰাধীন হ'লোঁ। এনেকুৱা পৰিস্থিতিত ভাৰতক কেনেকৈ উদ্ধাৰ কৰিব পাৰি? তাৰ উপায় কি? আমি ছাত্ৰবোৰে কেতিয়াবা কেতিয়াবা এই বিষয়ে আলোচনা কৰিছিলোঁ।

বিভিন্ন দেশবোৰৰ স্বাধীনতা সংগ্ৰামৰ বিষয়ে জানিবলৈ মোৰ প্ৰবল ইচ্ছা হৈছিল। মৰ্সোনী, গেৰিবল্ডি, ৱাচিংটন আৰু ৰাণী লক্ষ্মীবাই আদি দেশপ্ৰেমিক মহান ব্যক্তিসকলৰ জীৱনী পঢ়িবলৈ বৰ ইচ্ছা হৈছিল আৰু নিজৰ দেশক স্বাধীন কৰাৰ কাৰণে চেষ্টা কৰা যিকোনো সংগঠনৰ লগত যোগদান কৰাৰ ইচ্ছা দিনে দিনে বাঢ়ি গৈছিল।

মই তাৰ জনসাধাৰণৰ অনুষ্ঠান আৰু আইনৰ বাহিৰেও অন্যান্য শিক্ষানুষ্ঠানবোৰত যোগদান কৰিছিলোঁ। ইংলণ্ডত থাকি তাৰ অনুষ্ঠানবোৰৰ বিষয়ে ভালদৰে জানিলে তাৰপৰা মোৰ যথেষ্ট লাভ হ'ব বুলি মোৰ একান্ত বিশ্বাস আছিল। তাৰ 'লণ্ডন স্কুল অৱ ইকনমিক্স'ত ভৰ্তি হৈ মই কিছুদিন অধ্যয়ন কৰিলোঁ আৰু কেইবাবাৰো পাৰ্লিয়ামেণ্টলৈ গৈ তাৰ তৰ্ক-বিতৰ্কবোৰ শুনিলোঁ।

মোৰ দেউতাৰ ইচ্ছা আছিল—মই চৰকাৰী চাকৰি কৰোঁ। সেই কথাটো তেওঁ মোলৈ লিখা চিঠিত বাৰে বাৰে উল্লেখ কৰিছিল। তেওঁ ইংৰাজ-চৰকাৰক ভাল পাইছিল আৰু ইংৰাজ-শাসনক প্ৰশংসা কৰিছিল।

ৰবীন্দ্ৰ নাথ ঠাকুৰ, গোপালকৃষ্ণ গোখলে, লাল লাজপত ৰায়, মহম্মদ আলী জিন্না, সৰোজিনী নাইডু, চাৰ শ্ৰীশংকৰণ নায়াৰ, এনি বেছেণ্ট আদি জনপ্ৰিয় আৰু খ্যাতনামা নেতাসকল সেই সময়তে ইংলণ্ডলৈ আহিছিল। তেওঁলোকৰ সন্মানাৰ্থে যিবোৰ সন্মিলন তাত অনুষ্ঠিত হৈছিল সেইবোৰত ময়ো ভাগ লৈছিলোঁ। দেশসেৱা কৰা বিখ্যাত নেতাসকলক দেখা আৰু তেওঁলোকৰ সান্নিধ্য লাভ কৰাৰ ইচ্ছা মোৰ মনত প্ৰবল আছিল। ওপৰত উল্লেখ কৰা নেতাসকলৰ কেইজনমানক মই লগ পাইছিলোঁ। তেওঁলোকক সেৱা, শুশ্ৰূষা কৰাৰ যি অকণমান সুবিধা পাইছিলোঁ তাতেই মই সন্তুষ্ট হৈছিলোঁ আৰু নিজকে ধন্য মানিছিলোঁ।

ইংলণ্ডৰ এজন গাঁৱলীয়া কৃষকৰ ঘৰত থাকোঁতেই মই দেউতাৰ মৃত্যুৰ সংবাদ পাইছিলোঁ। তেওঁৰ ৰোগৰ কথা মই জানিছিলোঁ। কিন্তু ইমান সোনকালে যে তেওঁ মোক এৰি থৈ যাব মই কল্পনাও কৰা নাছিলোঁ। মই কেতিয়াও ভবা নাছিলোঁ যে মই ইংলণ্ডৰপৰা এখন উদং ঘৰলৈ উভতি যাম। দেউতাই মোক এজন বাৰিষ্টাৰ হিচাপে দেখা পাবলৈ আশা কৰিছিল, কিন্তু মোৰেই দুৰ্কপাল—মই তেওঁৰ আশা পূৰ্ণ কৰিব নোৱাৰিলোঁ।

মই যাৰ ঘৰত আছিলোঁ সেই কৃষক আৰু তেওঁৰ পত্নীয়ে মোক যিমান পাৰে সান্ত্বনা দিছিল। কিন্তু মোৰ জীৱনত যি অপূৰণীয় ক্ষতি হ'ল আৰু যাক চিৰদিনলৈ হেৰুৱালোঁ তাৰ বাবে মোৰ অন্তৰৰ দুখ গভীৰ আৰু মৰ্মান্তিক আছিল।

মই আধ্যাত্মিক আশ্বাস নাপাই বিবশ হ'লোঁ। ল'ৰাকালৰেপৰা মোৰ মনত যি বিশ্বাস আৰু ধাৰণা আছিল সেইবোৰেও মোক সান্ত্বনা দিব নোৱাৰিলে। মই কেইবাখনো গভীৰ তত্ত্বপূৰ্ণ গ্ৰন্থ অধ্যয়ন কৰিলোঁ আৰু অনেক ডাঙৰ বক্তাৰ বক্তৃতা শুনিলোঁ। কিন্তু তথাপি মোৰ অন্তৰলৈ দৃঢ় বিশ্বাস নাহিল। মোৰ থমাচ এড্‌কেপৰ 'এপিক্টেটৰ ভাষণ', মাৰ্কচ

অৰিলিথমৰ 'আত্ম-চিন্তা', এডিচন আৰ্নাল্ডৰ 'প্ৰাচ্য দীপ' আদি গ্ৰন্থবোৰ ভাল লাগিছিল। সেইবোৰ আৰু যীশুখৃষ্ট আৰু বুদ্ধদেৱৰ জীৱনী অনেকবাৰ পঢ়িলোঁ, কিন্তু মনলৈ সন্তুষ্টি নাহিল। পঞ্চতন্ত্ৰ আৰু ৰামায়ণেও একো সান্ত্বনা দিব নোৱাৰিলে। বাইবেলৰ অনেক অংশ মোৰ কণ্ঠস্থ আছিল। ইমানবোৰ গ্ৰন্থ অধ্যয়ন কৰা সত্ত্বেও মৃত্যুৰ পিছৰ অৱস্থাৰ লগত সম্বন্ধ থকা মোৰ বিশ্বাস সন্দেহজনক হৈ ৰ'ল।

নিজৰ বিশ্বাসৰ অনুৰূপ জীৱন নিয়ন্ত্ৰণ কৰাৰ ধাৰণা মোৰ মনলৈ আহিল, কিন্তু তাৰ কাৰণে মোৰ ধৈৰ্য্য নাছিল আৰু মোৰ মনোবলেও সহায় নকৰিলে। মোৰ খৰচৰ হিচাপ ৰখাৰ নিৰ্দেশ দেউতাৰপৰা পাই আছিলোঁ। তেওঁৰ মৃত্যুৰ পিছত সেই নিৰ্দেশ কিছুমান দিন পালন কৰাৰ পিছত সেই অভ্যাসো লাহে লাহে নোহোৱা হ'ল। দৈনিক আচৰণক নিয়ন্ত্ৰিত কৰিবলৈ কেইবাবাৰো চেষ্টা কৰিছিলোঁ, কিন্তু সেই চেষ্টা সফল হোৱা নাছিল। যিবোৰ কাম কৰিব নলগীয়া সেইবোৰ কৰা আৰু এটা নিৰ্দিষ্ট সময়ত কৰিবলগীয়া কাম সেই সময়ত নকৰাটো ভাল নহয় বুলি মই বিৱেচনা কৰিছিলোঁ, কিন্তু ঠিকমতে কামবোৰ কৰাৰ ধৈৰ্য্য মোৰ একেবাৰে নোহোৱা হৈছিল।

1914 চনৰ জুলাইত বন্ধু এজনৰ লগত মই ইউৰোপৰ কেইখনমান দেশ ভ্ৰমণ কৰিবলৈ ইচ্ছা কৰিলোঁ। যেতিয়া আমি বাৰ্ণ চহৰত আছিলোঁ তেতিয়া প্ৰথম মহাসমৰ আৰম্ভ হৈছিল। যুদ্ধ আৰম্ভ হোৱাৰ পিছত দুমাহ আমি চুইজাৰলেণ্ডত আছিলোঁ আৰু তাৰপৰা লণ্ডনলৈ ঘূৰি অহাটো আমাৰ পক্ষে অসম্ভৱ হ'ল। আমি ইন্টাৰ্‌লকেন নামৰ ঠাই এডোখৰত এটা বোৰ্ডিঙত আছিলোঁ। তাত কেইটামান দিন থকাৰ পিছত যেতিয়া সুবিধা পালোঁ আমি লৰালৰিকৈ লণ্ডনলৈ ঘূৰি আহিলোঁ। মোৰ সেই ভ্ৰমণৰ অভিজ্ঞতা আৰু বৰ্ণনা মোৰ বিলাতী বিশেষত্ব নামৰ গ্ৰন্থত লিখিছোঁ। সেই কাৰণে ইয়াত বৰ্ণনা কৰিবলৈ মোৰ ইচ্ছা নাই। মাত্ৰ এটা ঘটনা ইয়াত উল্লেখ কৰিম।

আমি ইন্টাৰ্‌লকেনত উপস্থিত হওঁতে আমাৰ হাতত যিমান পইচা থাকিব লাগে সিমান নাছিল। যুদ্ধ আৰম্ভ হোৱাত আমাৰ 'নোট'বোৰ বদলি কৰাত বৰ অসুবিধা হ'ল। অৱশ্যে কেৱল আমিয়েই নহয়, প্ৰায় সকলো যাত্ৰীয়েই এই অসুবিধাৰ সন্মুখীন হ'ল। আমাৰ সেই অৱস্থাৰ কথা জানিও বোৰ্ডিং ঘৰৰ গৰাকীজনে আমাক থাকিবলৈ দিলে। কেইদিনমানৰ পিছত এদিন এজন ইংৰাজে আহি ক'লেহি যে যিবিলাক বৃটিছ নাগৰিক ইন্টাৰ্‌লকেনত আছে তেওঁলাকৰ কাৰণে চৰকাৰে লণ্ডনৰপৰা কিছু পইচা পঠাইছে আৰু সেই পইচাৰ কাৰণে এখন নিযুক্ত সমিতিলৈ আবেদন পত্ৰ পঠাব লাগে। বৃটিছ নাগৰিকে পাব পৰা সুবিধাবোৰ আমাৰো পোৱাৰ অধিকাৰ আছে বুলি আমি আবেদন পত্ৰ দিলোঁ, কিন্তু আমাৰ আবেদন পত্ৰ নাকচ কৰা হ'ল। সেই ইংৰাজজন সেই সময়ত ভাৰতত এজন উচ্চ পদস্থ বিষয়া আছিল। ছুটীত ঘৰলৈ আহি তেওঁ আমাৰ নিচিনাকৈয়ে চুইজাৰলেণ্ডলৈ ফুৰিবলৈ আহিছিল। সেই সময়ত ইন্টাৰ্‌লকেনত প্ৰায় এশজন বৃটিছ নাগৰিক আছিল। তেওঁলোকৰ ভিতৰত আমি দুজন ভাৰতীয় আছিলোঁ।

কমিটীৰ নিৰ্দেশত আমি সেই ইংৰাজ বিষয়াজনৰ ওচৰলৈ গ'লোঁ কিন্তু সেই আৰ্থিক সাহায্য দিয়ক দূৰৈৰ কথা তেওঁ আমাক আৰু আমাৰ দেশখনক নিন্দা কৰিলে

আৰু আমি বৃটিছ নাগৰিকৰ সেই সুবিধা কোনোমতেই পাব নোৱাৰোঁ বুলি খাটাংকৈ কৈ দিলে। আমি তাৰপৰা ঘূৰি আহি কমিটীৰ সম্পাদকলৈ এখন চিঠি লিখিলোঁ। চিঠিত কমিটীয়ে অনুচিত আৰু অন্যায় কাম কৰিছে বুলি উল্লেখ কৰি শেহত লিখিলোঁ—এনে অবিবেচক কমিটীয়ে দিয়া টকা ল'লে আমাৰেই নহয় আমাৰ দেশৰো অপমান হ'ব। আশা কৰোঁ আমাৰ এই কথাষাৰ আৰু সিদ্ধান্তটো কমিটীৰ সকলো সদস্যই জানিবলৈ পায়।'

সেই চিঠিখনৰ উত্তৰ পিছদিনাই পালোঁ। কমিটীৰ সম্পাদকে লিখিলে—'দকৈ চিন্তা নকৰি আপোনালোকক আৰ্থিক সাহায্যৰপৰা বঞ্চিত কৰাৰ কাৰণে আৰু কোনো সদস্যই আপোনালোকৰ প্ৰতি অপ্ৰিয় আৰু অনুচিত মন্তব্য কৰি থাকিলে তাৰ বাবে কমিটী দুঃখিত। আশা কৰোঁ আপোনালোকৰ প্ৰাপ্য টকা কমিটীৰপৰা সংগ্ৰহ কৰিব।'

আমি তেওঁৰ চিঠিৰ উত্তৰ দিলোঁ যে আমাৰ টকাৰ প্ৰয়োজন নাই। লণ্ডনলৈ ঘূৰি যোৱা পাৰপত্ৰখন দিলেই হ'ব।

বোৰ্ডিংঘৰৰ গৰাকীজনে এই কথাটো শুনি আমাক বৰ প্ৰশংসা কৰিলে। তেওঁ ক'লে—তেওঁক তেতিয়াই টকা শোধ কৰিব নলাগে, লণ্ডনলৈ গৈ তাৰপৰা পঠালেই হ'ব। লণ্ডনলৈ আহি আমি তেওঁলৈ তেওঁৰ পাবলগীয়া টকাখিনি পঠাই দিছিলোঁ।

পৰীক্ষাত উত্তীৰ্ণ হৈ বাৰিষ্টাৰ হৈ লণ্ডনৰপৰা ঘূৰি আহোঁতে মোৰ তিনি বছৰীয়া প্ৰিয় বন্ধু আৰু সঙ্গী পুতিথ বোট্ৰিল নাৰায়ণ মেননৰপৰা বিদায় লওঁতে মনত বৰ দুঃখ আৰু বেদনা অনুভৱ কৰিছিলোঁ। তেওঁ লণ্ডন বিশ্ববিদ্যালয়ত ডক্টৰেট ডিগ্ৰীৰ কাৰণে অধ্যয়ন কৰিছিল আৰু তাৰ দুবছৰৰ পিছত ডিগ্ৰী লাভ কৰিবলগীয়া আছিল। কলেজৰপৰা ঘূৰি আহি তেওঁৰ লগত কথা পাতি আৰু বাহিৰলৈ ফুৰিবলৈ গৈ মই বৰ আনন্দেৰে সময়বোৰ পাৰ কৰিছিলোঁ। তাৰপৰা আহিবৰ দিনা বৰ দুঃখেৰে তেওঁৰপৰা বিদায় লৈছিলোঁ, কিন্তু তেওঁৰ লগত সেয়েই যে মোৰ শেষ দেখা আছিল সেই কথা কেতিয়াও কল্পনা কৰা নাছিলোঁ। দুবছৰ শেষ কৰাৰ আগতেই লণ্ডনত তেওঁৰ অকাল মৃত্যু হয়। তেওঁ ধীৰ, শান্ত, অমায়িক আৰু কোমল অন্তৰৰ মানুহ আছিল। তেওঁ জীয়াই থকাহেঁতেন এজন নিঃস্বাৰ্থ জনসেৱক আৰু কলেজ বা বিশ্ববিদ্যালয়ৰ বিখ্যাত আৰু বিদগ্ধ অধ্যাপক হ'লহেঁতেন। কিন্তু ঈশ্বৰৰ ইচ্ছা বেলেগ আছিল।

1915 চনৰ জুলাইত মই লণ্ডনৰপৰা স্বদেশলৈ ঘূৰি আহিলোঁ। তেতিয়াও যুদ্ধ চলি আছিল। জাহাজৰ যাত্ৰা বিপজ্জনক আছিল। বোম্বাই বন্দৰত জাহাজৰপৰা নমাৰ পিছত যাত্ৰীসকলে মৃত্যুমুখৰপৰা বাচি আহিল বুলি স্বস্তিৰ নিঃশ্বাস পেলাইছিল।

বাৰিষ্টাৰ হৈ মইয়েই অকলে লণ্ডনৰপৰা উভতি অহাৰ কাৰণে মোক অভ্যৰ্থনা কৰিবৰ কাৰণে অনেক মানুহ গোট খাইছিল। মই তিনি বছৰৰ আগতে তাৰপৰা গৈছিলোঁ। ইয়াৰ ভিতৰত মোৰ দেউতা আৰু এজনী বাইদেউৰ মৃত্যু হৈছিল। লণ্ডনৰপৰা ঘূৰি আহি আমাৰ ডাঙৰ পৰিয়ালটোৰ সকলো ভাৰ মোৰ বৃদ্ধা মাৰ হাতৰপৰা মই তুলি ল'লোঁ।

ওকালতি আৰু সামাজিক জীৱন

1915 চনৰ আগষ্ট মাহত মই ওকালতি আৰম্ভ কৰিলোঁ। ঘৰৰ কোঠা এটাত ভাল চকী, মেজ আৰু আলমাৰীত আইন সম্বন্ধীয় কিতাপবোৰ থৈ মই মক্কেলৰ কাৰণে অপেক্ষা কৰি থাকিলোঁ। আটাইতকৈ আগতে এজন সমৰ্থ আৰু ভাল গোমস্তা নিযুক্ত কৰাৰ আৱশ্যকতা অনুভৱ কৰিলোঁ। যেতিয়ালৈকে এজন ভাল গোমস্তা নাপাওঁ তেতিয়ালৈকে আদালতৰ কামত মোক সহায় কৰিবৰ কাৰণে এজন মুক্তিয়াৰ সহকাৰী হিচাপে কোৰিস্কোট্রত মোৰ লগত থাকিবলৈ ল'লে। ডাঙৰ ডাঙৰ উকীলবিলাকৰ লগত তেওঁৰ চিনাকী আছিল আৰু আদালতৰ কামৰ বিষয়ে মোক উপদেশ দিছিল। কোনো এটা মোকৰ্দমাত প্ৰমাণবোৰ আদালতত কেনেকৈ দাখিল কৰিব লাগে তাৰ কৌশল তেওঁ ভালদৰে জানিছিল আৰু মোক উপদেশ দিছিল। তেওঁ মোক মাষ্টৰে ছাত্ৰক পঢ়োৱাৰ দৰে পঢ়াইছিল। তেওঁ কিছুমান উকীলৰ কথা কৈছিল যিসকলে বিপক্ষ উকীলৰ অনুপস্থিতিত অৱসৰৰ সময়ত আদালতত জজক কিছুমান কথা লিখাত বাধা দিয়ে আৰু তেওঁলোকৰ কথা নুশুনিলে জজৰ ওচৰলৈ গৈ তেওঁৰ হাতখনত ধৰে। তেওঁ মোক ইমান সাহ কাৰ হ'ব পাৰে বুলি প্ৰশ্ন কৰিছিল আৰু ভাবিছিল—মই তেওঁৰ সকলো কথা মানি লৈছোঁ। মই তেওঁক প্ৰশ্ন কৰিছিলোঁ, "মিছা সাক্ষী দিয়াটো ভাল কথা জানো?" তেওঁ উত্তৰ দিছিল, "কাছাৰীয়ে সত্য নামানে, সাক্ষীয়ে কোৱা কথাৰ ওপৰত বিচাৰ কৰে আৰু ৰায় দিয়ে। মক্কেলবিলাক উকীলৰ ওচৰলৈ যায় মোকৰ্দমাত জিকিবৰ কাৰণে। তেওঁক সঁচা বা মিছা একো নালাগে, লাগে জয়লাভ। যদি মোকৰ্দমাত সত্যৰ সদায় জয় হয়, উকীলৰ ওচৰলৈ কিয় যাব লাগে?" যি কোনো উপায়েৰে তেওঁ মোক মোকৰ্দমাত ওকালতি কৰাৰ প্ৰথম সুবিধাটো দিবলৈ উঠি-পৰি লাগিছিল। মই কেনেকৈ ওকালতি কৰোঁ তেওঁৰ চাবৰ ইচ্ছা আছিল। মই ৰাতিপুৱা গা-পা ধুই চাহ-জলপান খাই মোৰ ঘৰৰ কাৰ্যালয়টোত অলপ সময় বহি ভাত খাই দহ বজাত আদালতলৈ গৈছিলোঁ। এনেকৈ দুমাহ পাৰ হৈ গ'ল।

এদিন ৰাতিপুৱা গা ধুই থাকোঁতে মোৰ সহকাৰীজনে মোৰ ওচৰলৈ আহি সোনকালে কাছাৰীলৈ যাবলৈ ক'লে আৰু এজন মক্কেল আহিব বুলি আশ্বাস দিলে। মই লৰা-লৰিকৈ কাছাৰীলৈ গৈ দেখিলোঁ—মোৰ কোঠাটোত তেওঁ অকলে বহি আছে। সোধাত তেওঁ ক'লে যে মক্কেল এজন আহিছিল, কিন্তু অলপপৰ থাকি আন এজন উকীলৰ ওচৰলৈ গ'ল। "আপুনি কোনো চিন্তা নকৰিব, মোকৰ্দমা পাবই ; মাত্ৰ কেইদিনমান অপেক্ষা কৰিব লাগিব। মোৰ জনা-শুনা মানুহ অনেক আছে" বুলি তেওঁ মন্তব্য কৰি মোক সান্ত্বনা দিলে।

তেওঁ লণ্ডনৰ বাৰিষ্টাৰ এজনৰ লগত সহকাৰী হৈ থাকোঁতে এদিন ঘটা ঘটনা এটাৰ কথা ক'লে। বাৰিষ্টাৰজনে অনেকদিন ধৰি কোনো মক্কেল পোৱা নাছিল। এদিন দৌৰি আহি গোমস্তাজনে তেওঁক এজন মক্কেল আহিছে বুলি কোৱাত তেওঁ ক'লে, "তুমি সোনকালে যোৱা আৰু মক্কেলজনক মোৰ অফিচত বহুৱাই থ'বা। মই এইমাত্ৰ আহিছোঁ।" তেওঁৰ কথা শুনি গোমস্তাজনে ক'লে, "ছাৰ, মক্কেলজনক মই বহুৱাই থৈ কোঠাটোত তলা মাৰি আহিছোঁ। সি নাযায়, যাব নোৱাৰে।" তাৰ কথা শুনি উকীলে আনন্দ পালে। অলপ পিছত দুয়ো গৈ দেখিলে—মক্কেল নাই। কোঠাটোৰ পিছফালৰ দুৱাৰখন বন্ধ কৰিবলৈ পাহৰি আহিছিল আৰু মক্কেল সেই দুৱাৰখনেদি গুচি গৈছিল।

শেহত মোৰ সহকাৰীজনেও এদিন এজন মক্কেল লৈ আহিল। তেওঁৰ এখন প্ৰমাণ পত্ৰৰ কাৰণে এখন আবেদন পত্ৰ আদালতত দাখিল কৰিব লগীয়া আছিল। মই কামটো কৰি দিলোঁ আৰু সেইবাবে পাঁচ টকা মাচুল ল'লোঁ। সেইটোৱেই মোৰ প্ৰথম 'মোকৰ্দমা' আছিল। আবেদন পত্ৰখন আদালতত দাখিল কৰিছিলোঁ ; মিঃ জেকচন সেই সময়ত তাৰ জজ আছিল।

কোষিক্কোট্টৰ 'বাৰ লাইব্ৰেৰী' তেতিয়াৰ দিনত এটা ক্লাবৰ সমান আছিল। কাম নোহোৱা বেকাৰ উকীলৰ সংখ্যা অনেক আছিল। তেওঁলোকে তাত নানা কথা আলোচনা কৰিছিল ; গতিকে আচল অৰ্থত লাইব্ৰেৰীটোক লাইব্ৰেৰী বুলি ক'লে ভুল হ'ব। আইন সম্বন্ধীয় অনেক কিতাপ থাকিলেও নিজৰ যোগ্যতা বৃদ্ধি কৰিবৰ কাৰণে তাত অধ্যয়ন কৰিব পৰা নগৈছিল। এতিয়া কি অৱস্থাত আছে মোৰ একো ধাৰণা নাই।

দুই-চাৰিজন উকীলে মিলিজুলি কাম কৰিলে নিজৰ যোগ্যতা অনুসাৰে মোকৰ্দমা পোৱা যায়। কোনো কোনো ঠাইত এই সুবিধা আৰু নিয়মটো আছিল কিন্তু কোষিক্কোট্টত নাছিল।

এবাৰ মই এটা মোকৰ্দমাৰ কাৰণে কোষিক্কোট্টৰপৰা তিৰুৰলৈ যাবলগীয়া হৈছিল। সেই ঘটনাটো মই কেতিয়াও নাপাহৰোঁ। গধূলি চাৰি-পাঁচজন মানুহ মোৰ ঘৰলৈ আহিল। তাৰ পিছদিনা এটা মোকৰ্দমাৰ কাৰণে তিৰুৰ আদালতত হাজিৰ হোৱাৰ কথা। মই সিহঁতৰ কাগজ-পত্ৰবোৰ চাওঁতে তিনি ঘন্টামান সময় ল'লোঁ। মাচুল স্থিৰ কৰিলোঁ আৰু পিছদিনা তিৰুৰলৈ যাবলৈ সিহঁতক ৰেলষ্টেচনলৈ আহিবলৈ কলোঁ। ৰাতিপুৱা ৰেলষ্টেচনত উপস্থিত হৈ দেখিলোঁ সেই দলটোৰ মাত্ৰ এজন মানুহ আছে, বাকীকেইজন নাই। সেই মানুহজনে বাকীকেইজন মানুহ বজাৰলৈ যোৱাৰ কাৰণে পিছৰ গাড়ীখনত আহিব বুলি কোৱাত ময়েই তাৰ কাৰণে টিকট কিনি গাড়ীত উঠি দুয়ো তিৰুৰ কাছাৰী পালোঁগৈ। কাছাৰীত মোৰ পুৰণি চিনাকী বন্ধু পাৰকাট্টু শংকুন্নি মেননক পালোঁ। তেওঁ তাৰ মুঞ্চিফ। জানিব পাৰিলোঁ সেই মোকৰ্দমাটো স্থগিত হ'ল। ইতমধ্যে মোৰ লগত যোৱা মানুহজনেও পুলুকা মাৰিলে। মেননে ক'লে, "ইহঁতে ডেকা উকীলবোৰৰ লগত এনেকুৱাই কৰে। তুমি আগতেই মাচুলটো লোৱা উচিত আছিল।

তোমাৰ অহা-যোৱাৰ আৰু মানুহটোৰ ৰেলভাড়া তোমাৰ জেপৰপৰা গ'ল ; তদুপৰি তোমাৰ শাৰীৰিক কষ্ট। এই স্থগিত হোৱা মোকৰ্দমাটো সিহঁতে আন কোনো উকীলৰ দ্বাৰা চলাব। ভৱিষ্যতে সাৱধান হ'বা।"

মোকৰ্দমা চলি থকাৰ সময়ত জজৰ প্ৰতি কেইজনমান উকীলৰ ব্যৱহাৰ দেখি মই মনত দুঃখ পাইছিলোঁ। আদালতক সন্মান কৰা সকলোৰে কৰ্তব্য। নিজৰ সন্মান ত্যাগ কৰি আদালতৰ সন্মান খৰ্ব কৰা অতি নিন্দনীয় কাম। জজে তেওঁৰ আসনত বহি থাকে আৰু উকীলে থিয় হৈ নিজৰ নিজৰ কাম কৰে। উকীলে জজক ভয় কৰাৰ প্ৰশ্ন নুঠে আৰু জজেও উকীলক ভয় কৰাৰ কোনো কাৰণেই নাই। এজন নিৰ্ভীক উকীলে নিজৰ মক্কেলৰ প্ৰতি সম্পূৰ্ণৰূপে মনোনিৱেশ কৰিব পাৰে আৰু প্ৰতিপক্ষৰ আচামী বা সাক্ষীক আইন অনুসাৰে নিৰ্ভয়ে জেৰা কৰিব পাৰে। মোকৰ্দমাত পৰাজিত হ'লেও উকীলে নিজৰ সততা ত্যাগ কৰা উচিত নহয়। নিজৰ আত্মসন্মান তেওঁৰ টকাৰ কাৰণে বিক্ৰী কৰা উচিত নহয়।

জনসাধাৰণৰ উন্নতিৰ কাৰণে উকীলে মহত্বপূৰ্ণ কাম কৰিব পাৰে। তেওঁ তেওঁৰ দৃষ্টিকোণ আৰু দায়িত্ববোধক মহান কৰিব পাৰে। ওকালতি কেৱল ধন উপাৰ্জনৰ উপায় কৰা ব্যৱসায় নহয়। আনৰ দুঃখ-কষ্ট কম কৰা আৰু তেওঁলোকক আনন্দ দিয়া উকীলৰ পৱিত্ৰ কৰ্তব্য। আন আন দেশৰ পাৰ্লিয়ামেন্ট, প্ৰশাসন কেন্দ্ৰ আৰু সামাজিক সংস্থাবোৰত উকীলে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। আমাৰ দেশতো উকীলে তেওঁলোকক অনুসৰণ কৰি আইন ব্যৱসায়টোৰ মৰ্যাদা সদায় উৰ্ধত ৰাখিব লাগে। অনেকে কয়—উকীল সমাজৰ শোষক নহয়, আচল অৰ্থত তেওঁ সত্য আৰু ন্যায়ৰ উজ্জ্বল স্তম্ভ।

মোৰ 'বিলাতী বিশেষত্ব' নামৰ কিতাপখন 1916 চনত প্ৰকাশিত হৈছিল। কিতাপখন পঢ়ি মানুহে বৰ ভাল পাইছিল আৰু ময়ো মনত বৰ আনন্দ পাইছিলোঁ।

প্ৰথম মহামসৰৰ পিছত ভাৰতৰ ৰাজনৈতিক পৰিৱেশ সলনি হোৱাত দেশসেৱাৰ কামত যোগ দান কৰাৰ ইচ্ছা মোৰ মনত প্ৰবল হৈছিল। যুদ্ধ চলি থাকোঁতে বৃটেইনে যেতিয়া ঘোষণা কৰিলে যে তেওঁলোকে সৰু সৰু দেশবোৰৰ স্বাধীনতা ৰক্ষা কৰিবৰ কাৰণে জাৰ্মানীৰ বিৰুদ্ধে যুদ্ধ কৰিছে, তেতিয়া ভাৰতবাসীয়ে সুধিছিল—'তেন্তে ভাৰতৰ নিচিনা এখন ডাঙৰ দেশৰ স্বাধীনতাক তোমালোকে গ্ৰাস কৰিছা কিয়?'

এনি বেচেন্টে ভাৰতৰ স্বাধীনতাৰ কাৰণে 'হোমৰুল' আন্দোলন আৰম্ভ কৰাত গোটেই দেশ জুৰি তাৰ সমৰ্থন পালে। কংগ্ৰেছৰ অনেক প্ৰধান প্ৰধান নেতাই মত প্ৰকাশ কৰিলে—বিশ্বযুদ্ধত বৃটেইন বৰ বেয়াকৈ লিপ্ত হোৱাৰ সময়ত ভাৰতে সহায় নকৰিলেও প্ৰশাসনৰ বিৰুদ্ধাচৰণ কৰা উচিত নহয়। কিন্তু এনিবেচেন্টে তাৰ বিপৰীত মত প্ৰকাশ কৰিলে আৰু ক'লে—এই সময়ত ভাৰতে বৃটেইনৰ ওচৰত তাৰ স্বাধীনতা দাবী কৰা উচিত। 67 বছৰ বয়সীয়া সেই বৃদ্ধাই এজনী যুৱতীৰ উদ্যম, উৎসাহেৰে আৰু নিৰ্ভীক সেনানীৰ দৰে ৰণক্ষেত্ৰত পদাৰ্পণ কৰিছিল। তেওঁ ভাৰতৰ জনতাক

কৈছিল—আপোনালোকে হেমাহি এৰক আৰু হোমৰুল আন্দোলনত যোগদান কৰি তাক বাস্তৱত পৰিণত কৰক। ভাৰতবাসীয়ে এনি বেচেন্টৰ নেতৃত্ব স্বীকাৰ কৰি লৈছিল আৰু স্বৰাজৰ প্ৰথম পাঠটো তেওঁৰপৰাই শিকিছিল। এনি বেচেন্টৰ সম্পাদনাত মাদ্ৰাজৰপৰা প্ৰকাশ হোৱা আলোচনী 'নিউ ইণ্ডিয়া' এই আন্দোলনৰ মুখপত্ৰ আছিল। 'হোমৰুল', 'স্বৰাজ' এই দুটা শব্দ দেশৰ কোণে কোণে প্ৰতিধ্বনিত হৈছিল।

হোমৰুলৰ শাখা অনেক ঠাইত খোলা হৈছিল। তাৰে এটা মালবাৰতো আছিল। সেই শাখাটোৰ সম্পাদক হিচাপে মোক নিৰ্বাচন কৰে। তাৰ আগতে কেৰালাত কংগ্ৰেছৰ সম্পাদকৰ পদটো মই গ্ৰহণ কৰিছিলোঁ। মালবাৰত কংগ্ৰেছৰ কাৰ্য্যক্ৰম তেতিয়াৰপৰাই আৰম্ভ হৈছিল।

কোষিক্কোট্টত মোৰ ওকালতি আৰম্ভ হোৱাৰ কিছুদিনৰ আগৰপৰা মাধৱন নায়াৰে মঞ্চেৰীৰপৰা কোষিক্কোট্টলৈ আহি ওকালতি আৰম্ভ কৰিছিল। তেওঁ এজন বিচক্ষণ উকীল আছিল আৰু মালয়ালমত বৰ ভাল বক্তৃতা দিব পাৰিছিল। তেওঁ কবিতাও লিখিছিল আৰু জনহিতকৰ কামত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। গধূলি আমি দুয়ো একেলগে ফুৰিবলৈ ওলাই গৈছিলোঁ। তেওঁ ৰাজহুৱা কামত মোৰ প্ৰধান সঙ্গী আছিল আৰু মানৱ-সেৱা ব্ৰত আজীৱন পালন কৰিছিল।

প্ৰসিদ্ধ মঞ্চেৰী ৰাময়্যৰে মালবাৰত হোমৰুল আন্দোলন শক্তিশালী কৰিছিল। তেওঁ এনি বেচেন্টৰ এজন আচল অনুগামী আছিল আৰু সেই মহিয়সী মহিলাগৰাকীৰ কাৰণে সকলো ত্যাগ কৰিবলৈ প্ৰস্তুত আছিল।

ৰাজনীতিৰ পিনৰপৰা নহয় আনপিনৰপৰা এজন খ্যাতিমন্ত পুৰুষ আছিল জিলা কলেক্টৰ ভাৰ্গিচ। তেওঁ ইংৰাজী আৰু মালয়ালমত সুন্দৰ বক্তৃতা দিব পাৰিছিল। ভাৰ্গিচ যিমান নিষ্ঠাবান আৰু ঈশ্বৰভক্ত পুৰুষ আছিল সিমান জনপ্ৰিয় অধিকাৰী আছিল। তেওঁ ইংৰাজৰ বিৰুদ্ধে গঠন হোৱা সকলো সংস্থাত সম্পৰ্ক ৰাখিছিল। চাকৰিৰপৰা অৱসৰ গ্ৰহণ কৰাৰ পিছতো তেওঁৰ উপদেশ আৰু পৰামৰ্শ ল'বলৈ মানুহ আহিছিল। তেওঁ মোৰ দেউতাৰ এজন অন্তৰঙ্গ বন্ধু আছিল। সেই কাৰণে কোষিক্কোট্টত ওকালতি আৰম্ভ কৰাৰ পিছত মই তেওঁৰ ওচৰলৈ প্ৰায়েই গৈছিলোঁ। মোৰ ৰাজনৈতিক ধাৰণা আৰু মত তেওঁ সম্পূৰ্ণভাৱে সমৰ্থন কৰা নাছিল যদিও সদায় মোৰ শুভ কামনা কৰিছিল। তেওঁ দীঘল, বগা কোট আৰু সেই ৰঙৰেই পটলুং পিন্ধিছিল আৰু মূৰত এটা ডাঙৰ বগা পাগ মাৰিছিল। তেওঁৰ মিচিকিয়া হাঁহিটোৱে সকলোকে আকৰ্ষণ কৰিছিল আৰু তেওঁক যি এবাৰ দেখিছিল তেওঁ কেতিয়াও পাহৰিব নোৱাৰিছিল।

নেন্টুগাড়ী বেঙ্কৰ প্ৰতিষ্ঠাপক টি. এম. অপ্পু নেন্টুগাড়ী সেইকালত কোষিক্কোট্টৰৰ এজন স্বনামধন্য উকীল আছিল। মই ওকালতি আৰম্ভ কৰাৰ সময়ত তেওঁ চৰকাৰী উকীল আছিল। তাৰপৰা অৱসৰ গ্ৰহণ কৰি তেওঁ নেন্টুগাড়ী বেংক স্থাপন কৰে। তেওঁ ইংৰাজ আৰু তেওঁলোকৰ সংস্থাবোৰ ভাল পাইছিল আৰু কংগ্ৰেছৰ লগত তেওঁৰ কোনো সম্বন্ধ নাছিল। ভাৰতীয় যে প্ৰশাসনৰ কাৰণে যোগ্য নহয় সেই কথা তেওঁ

বিশ্বাস কৰিছিল। অধ্যৱসায়, পৰিশ্ৰম, কাৰ্য-তৎপৰতা, নিষ্ঠা আৰু শৃঙ্খলাবদ্ধতা আদি গুণবোৰৰ কাৰণে তেওঁ এজন বিখ্যাত বেঙ্ক অধিকাৰী আছিল আৰু পিছত বেঙ্কৰ মালিক হৈছিল। মালয়ালম ভাষাৰ প্ৰথম উপন্যাসখনৰ প্ৰণেতা অপ্পু নেন্টুগাড়ী আছিল।

চি. কৃষ্ণণ 'মিতবাদী'ৰ এজন সাধাৰণ সম্পাদক আছিল। উকীল আছিল যদিও তেওঁৰ ওকালতিৰ প্ৰতি সিমান আগ্ৰহ নাছিল। তেওঁৰ প্ৰধান লক্ষ্য আছিল—তেওঁৰ তলপৰা জাতিটোৰ উন্নতি কৰা। তেওঁৰ ধাৰণা আছিল যদি তেওঁৰ জাতিটো উন্নত হোৱাৰ আগতে দেশে স্বাধীনতা লাভ কৰে, তেন্তে সেই স্বাধীনতা উচ্চ জাতিৰ মানুহে ভোগ কৰিব আৰু তেওঁৰ জাতিটো তাৰপৰা বঞ্চিত হ'ব। সেই কাৰণে তেওঁৰ লগত মিলিজুলি মই ৰাজনৈতিক আৰু সামাজিক কামবোৰ কৰিবলৈ সুবিধা নাপাইছিলোঁ। অৱশ্যে, অস্পৃশ্যতা বৰ্জন সম্বন্ধীয় কামবোৰত তেওঁ মোক সহায় কৰিছিল। সেইকালত কোষিক্কোট্টৰৰ প্ৰধান প্ৰধান ৰাস্তাবোৰেদি অস্পৃশ্য মানুহবোৰ যাব নোৱাৰিছিল। সিহঁতৰ প্ৰৱেশ বন্ধ কৰা এখন বোৰ্ডো আছিল। এই ঘোৰ অন্যায় দূৰ কৰিবলৈ আমি থিৰাং কৰিলোঁ। এদিন তেনেকুৱা এটা ৰাস্তাইদি চি. কৃষ্ণণক লৈ মই, মঞ্চেৰী ৰাময়্যৰ আৰু কে. মাধৱন নায়াৰ খোজকাঢ়ি গৈ আছিলোঁ। আমাৰ উদ্দেশ্য আছিল—যদি কোনোবাই বাধা দিয়ে তাক প্ৰতিৰোধ কৰিম। কিন্তু সেইদিনা কোনো অপ্ৰিয় ঘটনা নঘটিল। অৱশ্যে, চি. কৃষ্ণণে সেই অবৈধ কামটো পছন্দ নকৰিছিল।

বগা পায়জামা, ক'লা কোট পিন্ধি গুণাৰ পাৰি থকা পাগুৰী মাৰি আৰু কপালত চন্দনৰ ফোঁট লৈ চি. কৃষ্ণণ ঘৰৰপৰা বাহিৰ হৈছিল। তেওঁ 'বাৰ ক্লাব'ত বহি সামাজিক আলোচনাত ভাগ লৈছিল। কংগ্ৰেছ আৰু হোমৰুলৰ প্ৰতি তেওঁৰ ভাল ধাৰণা নাছিল। তেওঁ কৈছিল—যেতিয়ালৈকে জাতিভেদ থাকিব তেতিয়ালৈকে ৰাজনৈতিক স্বাধীনতা লাভ নহ'ব। তৰ্ক-বিতৰ্কত ভাগ লওঁতে তেওঁ সদায় শান্ত আছিল আৰু উত্তেজিত হৈ কেতিয়াও খঙৰ বশৱৰ্তী নহৈছিল। আমাৰ দুয়োৰে মাজত মতৰ ব্যৱধান আছিল যদিও তেওঁ মোৰ এজন প্ৰিয় বন্ধু আছিল।

1916 চনৰ এপ্ৰিলত মালবাৰ জিলা সন্মিলন পালঘাটত হৈছিল। তাৰ সভানেত্ৰী আছিল এনিবেচেন্ট। মই স্বায়ত্বশাসনৰ প্ৰস্তাৱ দাঙি ধৰি বক্তৃতা দিছিলোঁ। মোৰ কোনো কোনো বন্ধুৱে মোক সাৱধান কৰি দিছিল—মোৰ সেই প্ৰস্তাৱ চৰকাৰৰ বিৰোধী আৰু তাৰ প্ৰতিক্ৰিয়া ভাল নহ'ব।

তাৰ পিছৰ বছৰত অৰ্থাৎ 1917 চনত যেতিয়া সন্মিলন কোষিক্কোট্টত অনুষ্ঠিত হৈছিল সেই সন্মিলনৰ সম্পাদকসকলৰ ভিতৰত ময়ো এজন আছিলোঁ। কে. পি. ৰমন মেনন আদৰণি সমিতৰ সভাপতি আছিল। কোষিক্কোট্টৰৰ উকীলসকলৰ ভিতৰত তেওঁ এডোখৰ বিশেষ স্থান অধিকাৰ কৰিছিল। সামাজিক বিষয়ত তেওঁ সক্ৰিয় অংশ গ্ৰহণ কৰা নাছিল যদিও তেওঁ মোক সকলোপিনে সহায় কৰিছিল। মানংচিৰা খেলপথাৰত সভা পাতিবৰ অনুমতি চৰকাৰে নিদিয়াৰ কাৰণে তেওঁৰ ঘৰৰ চৌহদতেই সভা পতা

হৈছিল। চি. পি. ৰামস্বামী আয়াৰ সভাৰ সভাপতি আছিল আৰু এনি বেচেন্ট মুখ্য অতিথি আছিল। এনি বেচেন্টক সভালৈ আদৰি অনা হৈছিল।

এনেধৰণে হোমৰুল লীগৰ গতি-বিধিৰ নেতৃত্ব কৰোঁতে মোৰ অধিকাংশ সময় পাৰ হৈ গৈছিল। ওকালতি কৰি আৰু লগে লগে চৰকাৰৰ বিৰুদ্ধ কামত লাগি থকাৰ কাৰণে বুদ্ধিহীনতাৰ কাম কৰিছোঁ বুলি বন্ধুমহলত আলোচনা হৈছিল। তথাপি ৰাজনৈতিক কামত মোৰ স্পৃহা অক্ষুণ্ণহোৱা নাছিল আৰু মই কাৰো সমালোচনালৈ ভ্ৰূক্ষেপ কৰা নাছিলোঁ।

মন্নতু কৃষ্ণণ নায়াৰে (সেই সময়ত তেওঁ ত্ৰিবাঙ্কুৰৰ দেৱান আছিল) যেতিয়া জানিলে যে মই ৰাজনৈতিক কামত সক্ৰিয় অংশ গ্ৰহণ কৰিছোঁ, তেওঁ মোলৈ এখন চিঠি লিখিলে। "ওকালতিৰ প্ৰথম অৱস্থাত তাৰ ভিত্তি সুদৃঢ় আৰু শক্তিশালী কৰা নিতান্ত আৱশ্যক। মোকৰ্দমাবোৰ মনোযোগেৰে নিৰীক্ষণ কৰিবা আৰু সেইবোৰৰ কাৰণে আৱশ্যকীয় আইনৰ গভীৰতা অধ্যয়ন কৰিবা। মক্কেলৰ লগত ভাল ব্যৱহাৰ কৰিবা আৰু জজক সন্তুষ্ট ৰাখিবা। এই আটাইবোৰ কথাৰ ওপৰত বিশেষ গুৰুত্ব দিলেহে তুমি তোমাৰ ব্যৱসায় তথা জীৱনত উন্নতি কৰিব পাৰিবা। ৰাজনৈতিক আৰু সামাজিক কামবোৰ কৰিবলৈ তুমি পিছত যথেষ্ট সময় পাবা। সেইবোৰ এতিয়া নকৰিবা, কৰিলে তোমাৰ ওকালতিৰ চিনচাব নোহোৱা হ'ব।"

কৃষ্ণণ নায়াৰৰ চিঠিখন পঢ়ি মই মনেমনে অশান্তি বোধ কৰিছিলোঁ।

ওকালতি আৰু সামাজিক কাম একেলগে কৰি যোৱাটো সম্ভৱ হ'ব নে নহয় সেই সময়ত সেই চিন্তা আৰু প্ৰশ্ন মোৰ মনত বাৰে বাৰে উদয় হৈছিল।

হোমৰুল আন্দোলন

যেতিয়াৰপৰা মই ওকালতি আৰম্ভ কৰিছিলোঁ তেতিয়াৰপৰাই ঘৰখনৰ সকলো দায়িত্ব মোৰ ওপৰত পৰিছিল। বিলাতত মোৰ শিক্ষা সমাপ্ত হোৱাৰ আগতেই দেউতাৰ মৃত্যু হোৱাত মোৰ শিক্ষাৰ কাৰণে কিছু টকা ধাৰ কৰিবলগীয়া হৈছিল আৰু সেই ধাৰ শোধ কৰাৰ দায়িত্ব মোৰ ওপৰত পৰিছিল। গতিকে মোৰ আগত এটা ডাঙৰ সমস্যা থিয় হৈছিল। ৰাজনৈতিক কামত ব্যস্ত নাথাকি মোৰ গোটেইখিনি সময় ওকালতিত নিয়োগ কৰিবলৈ বন্ধু-বান্ধৱে মোক উপদেশ দিলে। মোৰ দায়িত্বৰ কথা মই পাহৰি যোৱা নাছিলোঁ, কিন্তু সেই দায়িত্ব পালন কৰোঁতে ৰাজনৈতিক কামৰপৰা নিজকে সম্পূৰ্ণ বিৰত ৰখাৰ চিন্তাটোৱে মোৰ মনত কষ্ট দিলে। মোৰ দৃঢ়বিশ্বাস আছিল যে ৰাজনৈতিক কাম আৰু ওকালতি দুয়োটা মই একেলগে কৰিব পাৰিম আৰু দুয়োটা কৰিলে এটাৰো একো ক্ষতি নহ'ব। সেই কাৰণে মই নিজৰ সময়ৰ ওপৰত নিয়ন্ত্ৰণ ধাৰ্য কৰিবলৈ স্থিৰ কৰিলোঁ।

ৰাতিপুৱা পাঁচ বজাতে উঠি আইনৰ কিতাপবোৰ পঢ়োঁ আৰু গা-পা ধোৱাৰ পিছত মনত প্ৰেৰণা আৰু উৎসাহ দিয়া কিতাপবোৰ পঢ়োঁ। তাৰ পিছত মক্কেল আহিলে তেওঁলোকৰ লগত মোকৰ্দমাৰ বিষয়ে আলোচনা কৰোঁ। মোকৰ্দমা থাকক বা নাথাকক কাছাৰীলৈ সদায় যাওঁ আৰু আবেলি পাঁচ বজাত ঘূৰি আহি ৰাতৰি-কাকত পঢ়ি বাহিৰলৈ ফুৰিবলৈ ওলাই যাওঁ। ৰাতি খোৱাৰ পিছত দুঘন্টামান সাহিত্য, ইতিহাস, ৰাজনীতি, জীৱনী আৰু তত্ত্বশাস্ত্ৰ আদি বিভিন্ন বিষয়ৰ কিতাপ অধ্যয়ন কৰোঁ। এইটোৱেই মোৰ দৈনিক কাৰ্যসূচী আছিল। ক্লাবলৈ যোৱা আৰু তাচ খেলাত কোনোদিনেই মোৰ ৰাপ নাছিল আৰু এতিয়াও নাই।

আমি কেইজনমান বন্ধু আৰু সহকৰ্মী দেওবাৰে এডোখৰ নিৰ্দিষ্ট ঠাইত গোটখোৱাৰ ব্যৱস্থা কৰিছিলোঁ। তাত আগতেই স্থিৰ কৰা এটা নিৰ্দিষ্ট বিষয়ৰ ওপৰত আলোচনা হৈছিল। আলোচনাত ভাগ লওঁতা বেছিভাগেই উকীল আছিল আৰু তালৈ কেইজনমান ডেকা ল'ৰাও আহিছিল। আলোচনাৰ ঠাই পাল পাতি একোজনৰ ঘৰত হৈছিল আৰু চাহ খোৱাৰ পিছত আলোচনা আৰম্ভ হৈছিল। সেই আলোচনা দুঘন্টা মানলৈ চলিছিল। সেই আলোচনাৰ লগত কংগ্ৰেছ কমিটী আৰু হোমৰুলৰ কোনো সম্বন্ধ নাছিল। যুৱক উকীলৰ বাহিৰেও কেইজনমান বয়সীয়া উকীলেও এই আলোচনাত অংশ গ্ৰহণ কৰিছিল। উকীলসকলৰ বাহিৰেও আন মানুহো আহিছিল।

মই প্ৰথমবাৰ লক্ষ্ণৌৰ কংগ্ৰেছ অধিৱেশনত যোগদান কৰিছিলোঁ। 1916 চনৰ সেই অধিৱেশনত অম্বিকাচৰণ মজুমদাৰ সভাপতি আছিল। মহাত্মাগান্ধী, লোকমান্য

তিলক আৰু বাবু সুৰেন্দ্ৰ নাথ বেনাৰ্জীক মই প্ৰথমবাৰ দেখা পাইছিলোঁ। প্ৰথম মহাসমৰ চলি আছিল। সেই কাৰণে কংগ্ৰেছৰ নেতাসকলৰ মনত আনন্দ দিবলৈ উত্তৰ প্ৰদেশৰ গৱৰ্ণৰ ছাৰ জেম্‌ছ মেষ্টন অধিৱেশনলৈ আহিছিল আৰু তেওঁ সভাত ভাষণো দিছিল। তেওঁৰ ভাষণৰ কেইটামান কথা এতিয়াও মোৰ মনত আছে। তেওঁ কৈছিল—যি বছৰত কংগ্ৰেছৰ জন্ম হৈছিল সেই বছৰতেই তেওঁ চিভিল চাৰ্ভিছত ভৰ্তি হৈছিল। সেই কাৰণে তেওঁ কংগ্ৰেছক ভাল পায়। সেই মধুৰ কথাবোৰ তেওঁ কংগ্ৰেছৰ নেতাসকলক আনন্দ দিবলৈ কৈছিল।

এনি বেচেন্টৰ নেতৃত্বত হোমৰুল আন্দোলন দিনে দিনে বেছি শক্তিশালী হৈ উঠিছিল। সেই আন্দোলনে যুদ্ধত ভাৰতে বৃটিছ চৰকাৰক সাহায্য কৰা কোনোমতেই উচিত নহ'ব বুলি ঘোষণা কৰাত এনি বেচেন্ট আৰু আন কেইজনমান নেতাক গ্ৰেপ্তাৰ কৰি জেললৈ পঠিয়াই দিয়া হ'ল। সেই নেতাসকলক মুকলি কৰিবৰ কাৰণে দেশজুৰি আন্দোলন আৰু শোভাযাত্ৰা হ'ল। কোষিক্কোট্টতো সেই আন্দোলন হ'ল। মই কংগ্ৰেছ কমিটী আৰু হোমৰুলৰ সম্পাদক আছিলোঁ। গতিকে তাত হোৱা আন্দোলন আৰু শোভাযাত্ৰাৰ আয়োজন ময়েই কৰিছোঁ বুলি মোৰ ওপৰত চৰকাৰৰ তীক্ষ্ণ দৃষ্টি পৰিল।। তাৰ ফলত মোৰ কিছুমান বন্ধু আৰু চৰকাৰী বিষয়াই মোৰ লগত কথা পাতিবলৈ ভয় কৰিলে। তেওঁলোকে মোক 'পথভ্ৰষ্ট যুৱক' বুলি অভিহিত কৰিলে। এই ধাৰণাটো সুদৃঢ় কৰাৰ এটা ঘটনা মোৰ মনত এতিয়াও আছে।

মাদ্ৰাজৰ গৱৰ্নৰ কোষিক্কোট্টলৈ আহিবলৈ বিচাৰিছিল। উদেশ্য আছিল যুদ্ধৰ কাৰণে ধন সংগ্ৰহ কৰা। সেই কাৰণে কোষিক্কোট্টৰ টাউন সভাঘৰত এখন সন্মিলনৰ ব্যৱস্থা কৰা হ'ল। কোষিক্কোট্টৰ নগৰপালিকাৰ সভাপতি চি. বি. নাৰায়ণ মেননে তেওঁৰ কেইজনমান বন্ধুৰ নিৰ্দেশত সেই সভাখন আয়োজন কৰিছিল। মই নাৰায়ণ মেননক আগতেই স্পষ্টভাৱে কৈছিলোঁ যে যদি সভাত যুদ্ধৰ কাৰণে ৰাইজৰপৰা ধন তোলাৰ প্ৰস্তাৱ উত্থাপন কৰে তেন্তে মই তাৰ বিৰোধিতা কৰিম। মোৰ এই কথাষাৰ প্ৰচাৰ হোৱাত টাউন হলত বহুত মানুহৰ ভিৰ হৈছিল। সভাখনত জিলা কলেক্টৰ ইভান্সে সভাপতিত্ব কৰিছিল। জিলাৰ জজ্ জেক্‌চন আৰু পুলিচ অধীক্ষক আদি ডাঙৰ ডাঙৰ অধিকাৰীসকলৰ বাহিৰেও দেৱান বাহাদুৰ কেলু এৰাটী, কবলপ্পাৰা মুপ্পিল নায়ৰ আদি অনেক স্থানীয় গণ্যমান্য ব্যক্তি মঞ্চৰ ওপৰত বহি আছিল। মই, মঞ্চেৰি ৰাময়্যৰ আৰু কে. মাধৱন মঞ্চৰ তলত প্ৰথম শাৰীটোত বহি আছিলোঁ। যাতে কোনো গণ্ডগোল নহয় তাক নিশ্চিত কৰিবলৈ সৈনিককো মতা হৈছিল।

কলেক্টৰ আহি সভাপতিৰ আসনত বহিল। সভাৰ উৰ্দ্দেশ্যৰ কথা উল্লেখ কৰি তেওঁ এটা লঘু ভাষণ দিলে। সভাপতিয়ে প্ৰথম প্ৰস্তাৱটোৰ কাৰণে কবলপ্পাৰা মুপ্পিল নায়ৰক আমন্ত্ৰণ কৰিলে। সেই প্ৰস্তাৱটো যুদ্ধকালীন ধন সংগ্ৰহ কৰি গৱৰ্ণৰক এটা উপহাৰ হিচাপে দিয়া কথা আছিল। প্ৰস্তাৱটোক সমৰ্থন কৰিছিল দেৱান বাহাদুৰ কেলু এৰাটীয়ে। লগে লগে মই থিয় হ'লোঁ আৰু সভাপতিৰ ওচৰত সেই প্ৰস্তাৱটোৰ বিষয়ে

দুই-এষাৰ কোৱাৰ অনুমতি বিচাৰিলোঁ। সভাপতিয়ে অনুমতি দিলে। মই মঞ্চলৈ গ'লোঁ আৰু লগে লগে উপস্থিত শ্ৰোতাই দুই মিনিটমান হাততালি দিলে। হাততালি বন্ধ হোৱাত মই অলপ উত্তেজিত হৈ মালয়ালমত ক'বলৈ আৰম্ভ কৰিলোঁ, "মাননীয় সভাপতি....!" মোৰ কথা দুআষাৰ শুনা মাত্ৰকে সভাপতিৰ খং উঠিল আৰু তেওঁ মালয়ালমত বক্তৃতা দিব নোৱাৰে বুলি মোক বাধা দিলে। মই ক'লোঁ, "ইয়ালৈ অহা সকলো মানুহে মালয়ালমত কথা পাতে, ইয়াত ইংৰাজী জনা মানুহ অনেক কম। গতিকে তেওঁলোকৰ লগত সম্পৰ্ক থকা প্ৰস্তাৱটোৰ কথা তেওঁলোকে ভালদৰে জনা উচিত আৰু তেওঁলোকৰ জনাৰো অধিকাৰ আছে। সেই কাৰণে মই মালয়ালমত ক'ব খোজোঁ।" মই কোৱাৰ লগে লগে সভাঘৰটোৰ ভিতৰত আৰু বাহিৰত থকা সকলো মানুহে জোৰেৰে হাততালি দিবলৈ ধৰিলে আৰু 'মালয়ালমত কওক', 'মালয়ালমত কওক' বুলি মোক অনুৰোধ কৰিলে। সভাপতিয়ে খঙেৰে ক'লে, "যিয়েই নহওক, মই মালয়ালমত ক'বলৈ নিদিওঁ।" "তেনেহ'লে, এই সভাত উপস্থিত থকা সকলো সন্মানী শ্ৰোতাই সভাখন এৰি থৈ গুচি যাব", বুলি কৈয়েই মই বাহিৰলৈ ওলাই আহিলোঁ আৰু মোৰ পিছতে প্ৰায় সকলো মানুহ সভাঘৰৰপৰা ওলাই আহিল। সভাত মাত্ৰ চৰকাৰী মানুহকেইজন বহি থাকিল। এই সংবাদটোৱে চহৰখনত এটা আলোড়নৰ সৃষ্টি কৰিলে আৰু অতি সোনকালেই মোক গ্ৰেপ্তাৰ কৰিব বুলি মানুহে ক'বলৈ ধৰিলে।

ইংৰাজ অধিকাৰীসকল মোৰ ওপৰত যে ৰুষ্ট সেই কথাটো সকলোৱে বিশ্বাস কৰিলে। গতিকে মোৰ হাতলৈ আহিব-লগীয়া অনেক মোকৰ্দমা নহা হ'ল। সেইকালত প্ৰায় সকলো মুখ্য স্থানত ইংৰাজ অধিকাৰী আছিল আৰু যিমানদূৰ পাৰোঁ মই তেওঁলোকৰ ওচৰলৈ নগৈছিলোঁ। কিন্তু মোকৰ্দমাৰ সংক্ৰান্তত ইংৰাজ জজৰ সংস্পৰ্শত প্ৰায়েই থাকিবলগীয়া হৈছিল।

এটা মোকৰ্দমাৰ কথা এতিয়াও মোৰ মনত আছে। মোকৰ্দমাটো মুছলমান আইনৰ আছিল আৰু প্ৰতিবাদীৰ উকীলজন কম বয়সীয়া আছিল। জজে তেওঁক বাদীৰ এজন সাক্ষীক পুনৰ প্ৰশ্ন কৰাত অনুমতি দিবলৈ অস্বীকাৰ কৰাত তেওঁ মোৰ ওচৰলৈ আহিল। মোকৰ্দমাটো দুদিন ধৰি চলাৰ পিছত সেইদিনা ৰায়টো ঘোষণা কৰাৰ কথা আছিল। ৰায়টো শুনিবৰ কাৰণে আদালতত মানুহৰ ভিৰ হৈছিল। মই কম বয়সীয়া উকীলজনৰ হৈ বাদীৰ সাক্ষী এজনক প্ৰশ্ন কৰাৰ অনুমতি বিচাৰিলোঁ, কিন্তু জজে অনুমতি নিদিলে। মই তেওঁক আকৌ ক'লোঁ সাক্ষীৰপৰা মই কেইটামান আৰবী শব্দৰ অৰ্থ জানিব খোজোঁ। জজে লগে লগে উত্তৰ দিলে—'সাক্ষীয়ে আৰবী শব্দৰ অৰ্থ নাজানে। 'মই ক'লোঁ, "এই কথাষাৰ মই সাক্ষীৰ মুখৰপৰা শুনিব খোজোঁ।" মোৰ কথা শুনি জজে খং কৰি ক'লে, "কেতিয়াও হ'ব নোৱাৰে, অসম্ভৱ।" মই লগে লগে ক'লোঁ, 'তেন্তে আপুনি আপোনাৰ ৰায়ত লিখি দিব প্ৰতিবাদীৰ উকীলে প্ৰশ্ন কৰিবলৈ বিচাৰিছিল' কিন্তু আদালতে সেই অনুমতি নিদিলে।" কৈয়েই মই লগে লগে এখন আবেদন পত্ৰ তেওঁক দিলোঁ। জজে আবেদন পত্ৰখন পঢ়ি ক'লে, "যি প্ৰশ্নৰ উত্তৰ আদালতৰপৰা নোপোৱা

তাৰ কাৰণে আবেদন পত্ৰ ?" "তাৰ বাহিৰে যে আইনসঙ্গত অন্য পথ নাই", মই উত্তৰ দিলোঁ।

মোৰ আবেদন পত্ৰখন লৈ তেওঁ মোক সাক্ষীক প্ৰশ্ন কৰিবলৈ অনুমতি দিলে।

জজৰ লগত হোৱা মোৰ বাক-বিতণ্ডাবোৰ আদালতত উপস্থিত থকা অনেক মানুহে শুনিছিল। সেইদিনা আদালতৰপৰা ওলাই আহোঁতে বাহিৰত জজ মি° হ'লৈ মোৰ কান্ধৰ ওপৰত হাতখন থৈ হাঁহি ক'লে, "মই তোমাৰ মক্কেলক শাস্তি দিম। গতিকে কিয় অনৰ্থক কাজিয়া কৰিছা?"

"সেইটো মই জানো। সেই কাৰণে, গোহাৰিৰ কাৰণে আৱশ্যকীয় প্ৰমাণ সংগ্ৰহ কৰিছোঁ।" মই ক'লোঁ। সেই দিনটো পাৰ হৈ গ'ল।

পিছদিনা মই সাক্ষীক কৰিবলগীয়া প্ৰশ্নবোৰ কৰিলোঁ। জজে কোনো আপত্তি নকৰিলে। তেওঁৰ ব্যৱহাৰ বেচ ভদ্ৰ আছিল।

ৰায়ৰ দিন ঘোষণা কৰা হ'ল আৰু সেই নিৰ্দিষ্ট দিনা আমি সকলো আদালতত উপস্থিত হ'লোঁ।

ৰায় শুনি মই আচৰিত হ'লোঁ। আচামীৰ কোনো অপৰাধ নাই। গতিকে কোনো শাস্তি বিহা নহ'ল। কম বয়সীয়া উকীলজনে আনন্দত আত্মহাৰা হৈ মোক গবা মাৰি ধৰিলে। সেইটো তেওঁৰ মোকৰ্দমা আছিল। মই মাত্ৰ মধ্যস্থতা কৰিছিলোঁ।

সংগঠিত ৰাজনৈতিক কাৰ্যকলাপ

ভাৰতত ৰাজনৈতিক কাৰ্যকলাপবোৰৰ প্ৰৱৰ্তন এনিবেচেণ্টে কৰিছিল। 1921 চনত অসহযোগ আন্দোলন আৰম্ভ হৈছিল আৰু সেই আন্দোলনত মানুহৰ ওপৰত যি জোৰ-জুলুম হৈছিল সেই জোৰ-জুলুম হোমৰুল আন্দোলনত হোৱা নাছিল। কিন্তু সকলোৱে স্বীকাৰ কৰিব যে এনি বেচেণ্টে ভাৰতত ৰাজনৈতিক আন্দোলনৰ গুটি প্ৰথম সিঁচিছিল আৰু তাৰেই ফলস্বৰূপে পিছৰ সকলো আন্দোলন সংঘটিত হৈছিল। সেই সময়ত এনি বেচেণ্টৰ কাৰ্যক্ষেত্ৰ ধৰ্মীয়, শৈক্ষিক আৰু সামাজিক আছিল কিন্তু যেতিয়া তেওঁ ৰাজনৈতিক ক্ষেত্ৰ চম্ভালিবলগীয়া হ'ল, তেতিয়া তালৈ নতুন আশা আৰু উদ্যম আহি গৈছিল। যিসকল পুৰুষ আৰু মহিলাই তেওঁৰ লগত সম্পৰ্ক ৰাখিছিল, তেওঁলোকে সেই মহিয়সী মহিলাগৰাকীৰ শ্ৰদ্ধাপূৰ্ণ ব্যক্তিত্ব, অসাধাৰণ কৰ্ম-শক্তি, বাগ্মিতা আৰু দূৰদৰ্শিতা আদি শ্ৰেষ্ঠ গুণবোৰ তেওঁৰ গাত দেখিবলৈ পাইছিল। মালবাৰৰ হোমৰুল' লীগৰ সম্পাদক হিচাপে মাজে-মাজে তেওঁৰ সান্নিধ্যত অহাৰ সুবিধা মোৰো হৈছিল।

তেওঁ যথাসময়ত সভাত উপস্থিত হৈছিল আৰু কোনো অনাৱশ্যকীয় কথা নকৈছিল। তেওঁ নিৰ্দিষ্ট সময়ত তেওঁৰ বক্তৃতা শেষ কৰিছিল আৰু সৰল ভাষাৰে মানুহৰ অন্তৰ জয় কৰিছিল। তেওঁৰ মাত আৰু ভাষণ আকৰ্ষণীয় আছিল আৰু তেওঁ এটা মিনিটো অপব্যয় নকৰিছিল। তেওঁ ৰাতিপুৱা চাৰি বজাত উঠি গা-পা ধুই উপাসনাত বহাৰ পিছত এটাৰ পিছত এটাকৈ নিজৰ কামবোৰ সমাধা কৰিছিল। তেওঁৰ মতৰ লগত মত নিমিলাসকলেও স্বীকাৰ কৰিছিল যে তেওঁ এগৰাকী প্ৰতিভাশালী, অসাধাৰণ মহিলা আছিল। হোমৰুল আন্দেলনৰ যোগেদি মই তেওঁৰ সংস্পৰ্শত অহাত নিজকে ধন্য মানিছিলো।

1917 চনত ভাৰতত বৃটিছ শাসন সংস্কাৰ কৰিবৰ উদ্দেশ্যে বৃটিছ ৰাজ্য সচিব মণ্টেগু ভাৰতলৈ আহিছিল। এনি বেচেণ্টে হোমৰুল লীগৰ প্ৰতিনিধিত্ব কৰি দিল্লীত তেওঁক সাক্ষাৎ কৰিছিল। বাল গংগাধৰ তিলকো তেওঁক লগ পাবলৈ দিল্লীলৈ আহিছিল আৰু সেই সুবিধা মোৰো হৈছিল।

ৰাজদ্ৰোহ কৰাৰ অপৰাধত ছবছৰ জেলত থাকি 1914 চনত তিলক আকৌ ৰাজনৈতিক ক্ষেত্ৰত অৱতীৰ্ণ হৈছিল। স্বাধীনতা লাভৰ কাৰণে তেৰোঁ এটা হোমৰুল লীগ স্থাপন কৰিছিল। এখন ধুতি আৰু এটা কোট পিন্ধি, এটা মাৰাঠী পাগুৰী মাৰি ডিঙিত এখন গামোচা মেৰিয়াই আৰু হাতত এডাল সৰু লাখুটি লৈ তেওঁ ঘৰৰপৰা বাহিৰ হৈছিল। তেওঁৰ শকত মোচ, ভব্যগব্য চেহেৰা আৰু তীক্ষ্ণ চকুদুটা এজন অসাধাৰণ পুৰুষৰ পৰিচায়ক আছিল। তেওঁ সকলোকে প্ৰেৰণা দিছিল আৰু তেওঁৰ ওচৰলৈ যি আহিছিল তেওঁলোক মনত সাহস আৰু আত্মবিশ্বাস লৈ ঘূৰি গৈছিল। সেই

সময়ত বাল গংগাধৰ তিলক আৰু এনি বেচেণ্ট ৰাজনৈতিক ক্ষেত্ৰত দুগৰাকী মহান ব্যক্তি আছিল।

সেই সময়ত মহাত্মা গান্ধীও দিল্লীত আছিল। তেতিয়া তেওঁ ৰাজনৈতিক ক্ষেত্ৰত সক্ৰিয় অংশ গ্ৰহণ কৰা নাছিল। এখন খদৰৰ চুৰিয়া, এটা খদৰৰ চোলা পিন্ধি মূৰত পাগ মাৰি আৰু গাত খদৰৰ এখন চাদৰ লৈ তেৰোঁ ভাইচৰয়ক সাক্ষাৎ কৰিবলৈ অপেক্ষা কৰি আছিল। সেইবাৰ মই প্ৰথম গান্ধীজীৰ লগত কথা পাতিছিলোঁ।

মই চি পি ৰামস্বামী আয়াৰ, এ ৰঙ্গস্বামী, ৰাজগোপালাচাৰী, সেলম বিজয়ৰাঘবাচাৰী, সত্যমূৰ্তি, নৰসিংহ আয়াৰ আদি দক্ষিণ ভাৰতৰ নেতা সকলৰ সংস্পৰ্শলৈ অহাৰ সুবিধা পাইছিলোঁ।

চি. পি. ৰামস্বামী আয়াৰ হোমৰুল আন্দোলনৰ এজন প্ৰধান নেতা আছিল। তেওঁ এজন বিচক্ষণ উকীল, সাহিত্যিক আৰু ৰাজনীতিজ্ঞ আছিল। পিছত তেওঁৰ মাৰ্গ সলনি হ'লেও স্বাধীনতা আন্দোলনলৈ আগ বঢ়োৱা তেওঁৰ বৰঙণি যথেষ্ট আছিল।

সকেন্তু নৰসিংহ আয়াৰ এনি বেচেণ্টৰ প্ৰধান অনুগামী আছিল। তেওঁ হোমৰুল আন্দোলনত উৎসাহেৰে কাম কৰিছিল। তেওঁৰ দুজনী জীয়েকৰ একেদিনাই দুৰ্ঘটনাত মৃত্যু হোৱাত মৰ্মান্তিক দুঃখ পোৱাত তেওঁৰ চিন্তাধাৰা পিচত আধ্যাত্মিক চিন্তাধাৰালৈ সলনি হৈছিল। শেহত তেওঁ সাইবাবাৰ শিষ্য হৈছিল। তেওঁ নিজৰ নামটো "নৰসিংহ স্বামী" কৰে আৰু 1957 চনত তেওঁৰ মৃত্যু হয়। তেওঁ ৰাজনৈতিক জীৱনত যি শান্তি নেপাইছিল আধ্যাত্মিক জীৱনত সেই শান্তি পাইছিল। কিছুমান মানুহে জীৱনটোক এখন যুদ্ধক্ষেত্ৰ বুলি কৈছিল আৰু কিছুমানে প্ৰয়োগশালা নাম দিছিল।

এজন অতি সুন্দৰ বক্তা আছিল সত্যমূৰ্তি। তেওঁ তামিল আৰু ইংৰাজীত সল্‌সলীয়াকৈ বক্তৃতা দিব পাৰিছিল আৰু তেওঁৰ বক্তৃতা শুনি শ্ৰোতা মুগ্ধ হৈছিল। তেওঁ নিৰ্ভীক আৰু কৰ্মকুশল ব্যক্তি আছিল। তেওঁৰ মৃত্যুত স্বাধীন ভাৰতত এটা ডাঙৰ অভাৱ ৰৈ গ'ল।

মই দিল্লীত চাৰ শংকৰণ নায়ৰক লগ পাইছিলোঁ। তেওঁ ভাইচৰয়ৰ কাৰ্যবাহী সমিতিৰ এজন সদস্য আছিল। তেওঁ কোষিক্কোট্টত জিলাধিপতি ইভান্সৰ লগত হোৱা মোৰ বিবাদৰ কথা শুনি মোক অভিনন্দন জনাইছিল।

মোৰ "বিলাতী বিশেষত্ব" নামৰ কিতাপখনে জনপ্ৰিয়তা লাভ কৰাত তাৰ প্ৰেৰণাত মই গোপালকৃষ্ণ গোখলে আৰু বাল গঙ্গাধৰ তিলকৰ জীৱনী লিখিবলৈ স্থিৰ কৰিলোঁ। ওকালতি কৰি যি ধন পাইছিলোঁ তাৰে গোটেই ঘৰখন চলাব নোৱাৰিছিলোঁ। এই কাৰণে কিতাপ লিখি যি উপাৰ্জন কৰিছিলোঁ সেই উপাৰ্জন বৰ কামত আহিছিল।

সেই বছৰ ত্ৰিবাভকুৰৰ কোলক্কটা নামৰ ঠাইত যি নংপূতিৰিযোগক্ষেম সভাৰ আয়োজন কৰা হৈছিল, সেই সভাত মোক "কেৰালা তিলক" নামৰ 'কীৰ্তিমুদ্ৰা' পুৰস্কাৰ দিছিল। সেই কীৰ্তিপত্ৰখন হেৰাল যদিও দিওঁতাসকলৰ প্ৰতি মই চিৰকৃতজ্ঞ।

'হোমৰুল' আন্দোলনৰ লগে লগে শিক্ষা পদ্ধতিৰো পৰিৱৰ্তন হৈছিল। শিক্ষাৰ

উন্নতিৰ কাৰণে সভা-সমিতিৰ আয়োজন কৰা হৈছিল আৰু ৰাইজক শিক্ষাৰ উপকাৰিতাৰ বিষয়ে সহজ আৰু সৰল ভাষাত কোৱা হৈছিল।

1918 চনত তালশোৰত মালবাৰ অধিৱেশন বহিছিল আৰু সেই অধিৱেশনৰ আদৰণি সমিতিৰ সভাপতি চিৰক্কল ৰাম বৰ্মা ৰজা আছিল। এই সন্মিলনত ভাগ ল'বলৈ চৰকাৰে সামুতিৰো ৰজাক বাধা দিছিল কিন্তু সেই বাধা অগ্ৰাহ্য কৰি তেওঁ আদৰণি সমিতিৰ সভাপতিত্ব গ্ৰহণ কৰিছিল। তেওঁৰ দেশপ্ৰেম আৰু নিৰ্ভীকতাক সকলো মানুহে প্ৰশংসা কৰিছিল।

বৰ্তমান আন্তঃৰাষ্ট্ৰীয় খ্যাতি লাভ কৰা ভি কে কৃষ্ণ মেননে সেই সময়ত হোমৰুল আন্দোলনত এজন উৎসাহী যুৱক কৰ্মী হিচাপে অংশ গ্ৰহণ কৰিছিল। মই তালশোৰলৈ যাওঁতে ভি. কে. কৃষ্ণ মেননৰ দেউতাক কৃষ্ণ কুৰুপৰ ঘৰত আছিলোঁ। তেওঁ এজন নামকৰা উকীল আছিল।

সেই বছৰত যেতিয়া কাছাৰী বন্ধ হৈছিল তেতিয়া মই দেৱান মন্নতু কৃষ্ণণ নায়ৰৰ ঘৰলৈ গৈছিলোঁ আৰু তিৰুৱনন্তপুৰমৰ 'ভক্তিবিলাসম' বঙলাত এসপ্তাহ আছিলোঁ। তেওঁক লগ পাবলৈ অনেক মানুহ আহিছিল আৰু তেওঁ সকলোকে সন্তুষ্ট কৰিছিল।

তেওঁৰ নিৰ্দেশ অনুসাৰে মই ভুলংতিৰুনাল মহাৰজাক সাক্ষাৎ কৰিছিলোঁ। মহাৰজাৰ ওচৰলৈ যোৱাৰ উপযুক্ত সাজ-পাৰ মোৰ নাছিল। কৃষ্ণণ নায়ৰৰ প্ৰাইভেট চেক্ৰেটৰীজনৰ দীঘল কোটটো মোৰ গাৰ জোখাৰে হোৱাত তাক সোনকালে পৰিষ্কাৰ কৰা হ'ল। গুণাৰ পাৰি থকা চুৰিয়াখন আৰু পাগটো কৃষ্ণ নায়ৰৰ আছিল। সেই আটাইবোৰ পিন্ধি যেতিয়া আইনাৰ আগত থিয় হৈছিলোঁ, নিজকে দেখি মোৰ মোহিনী আট্‌টমৰ নিট্‌টুৱনৰ বেশৰ কথা মনত পৰিছিল। দেৱানৰ ঘোঁৰাৰ বাগীত উঠি যেতিয়া মই ৰজাৰ মহললৈ গৈছিলোঁ, ৰাস্তাত মোৰ কৃত্ৰিম আৰু অস্বাভাৱিক পোছাকটো দেখি মানুহে আচৰিত হৈ মোলৈ চাইছিল।

ৰজাৰ এজন বিষয়াই মোক ৰজাৰ ওচৰলৈ লৈ গ'ল। এখন গুণাৰ পাৰি থকা ধুতি পিন্ধি গাত এখন পাতল চাদৰ লৈ ৰজা বহি আছিল। তেওঁক নমস্কাৰ কৰাত তেওঁ হাঁহি মুখে মোক আসন এখনত বহিবলৈ ক'লে। তেওঁক কেনেভাৱে আৰু কি কি কথা ক'ব লাগে মুখস্থ কৰি গৈছিলোঁ যদিও মই সকলো পাহৰি গ'লোঁ। পোন্ধৰ মিনিট ধৰি ৰজাই মোৰ কুশল-মঙ্গলৰ কথা সুধিলে আৰু শেহত তিৰুৱনন্তপুৰমলৈ আহিলেই তেওঁক দেখা কৰি যাবলৈ ক'লে। মই তেওঁৰ নিৰ্দেশ পিছত পালন কৰিছিলোঁ ; কিন্তু তেওঁৰ অতিথি হিচাপে নহয় সত্যাগ্ৰহ আন্দোলনত যোগদান কৰাৰ কাৰণে গ্ৰেপ্তাৰ হোৱাৰ পিচত মহাৰজাৰ এজন কয়েদী হিচাপেহে।

এনেকৈ ওকালতি আৰু জনসেৱা কৰি মই তিনি বছৰ কোষিক্কোট্টত আছিলোঁ। মোৰ কেইজনমান বন্ধুৱে মোক মাদ্ৰাজলৈ গৈ তাত ওকালতি আৰম্ভ কৰিবলৈ পৰামৰ্শ দিলে। ময়ো পৰিৱৰ্তন বিচাৰিছিলোঁ। সেই কাৰণে গৰম-বন্ধৰ পিছত মই মাদ্ৰাজলৈ যোৱাটো স্থিৰ কৰিলোঁ।

শ্ৰমিক দল

কোষিক্কোট্টতকৈ বেছি সন্তোষজনক ভাৱে মাদ্ৰাজত মোৰ ওকালতি চলিবলৈ ধৰিলে। তাৰ কিছুমান কাৰণ আছিল। মোৰ বন্ধু কে. মাধৱন নায়ৰ আৰু অন্যান্য উকীল কেইজনমানে মাজে মাজে কোষিক্কোট্টৰপৰা মোলৈ মোকৰ্দমা পঠাই আছিল। সেই সময়ত মাদ্ৰাজ 'বাৰ'ৰ এজন প্ৰধান সদস্য—আছিল বাৰিষ্টাৰ চি. মাধৱন নায়ৰ। যিবোৰ মোকৰ্দমাত তেওঁ উপস্থিত নাছিল সেই সৰু সৰু মোকৰ্দমাবোৰৰ কাৰণে মোক পঠাইছিল। মোৰ ৰাজনৈতিক কামবোৰৰ লগত সম্পৰ্ক থকা মাদ্ৰাজী বন্ধু বৰ্গয়ো মোক সহায়তা কৰিছিল। এইবোৰৰ বাহিৰেও মই উচ্চ ন্যায়ালয়ৰ ওকালতি বেছি ভাল পাইছিলোঁ। মোকৰ্দমাৰ কাৰণে মই মাদ্ৰাজৰপৰা বাহিৰলৈকো গৈছিলোঁ। উচ্চ ন্যায়ালয়ত ওকালতি কৰাৰ দিনৰপৰা মোৰ নিচিনা এজন নতুন উকীলৰ আয় আন উকীলতকৈ বেচিহে হৈছিল। তথাপিও মোৰ আগৰ ধাৰবোৰ তেতিয়াও শোধ কৰা হোৱা নাছিল।

ৰাইজৰ সেৱাৰ কামত লাগোতে কেইজনমান বন্ধুৰ লগত মোৰ পৰিচয় হ'ল। গতিকে ৰাইজৰ কামৰপৰা মই নিলগত থাকিব নোৱাৰিলোঁ। যেতিয়া মাদ্ৰাজত উপস্থিত হৈছিলোঁ, মোৰ কাৰণে তেওঁলোকে অপেক্ষা কৰি আছিল।

বাৰিষ্টাৰ ই. এল. আয়াৰ আৰু বি. পি. ৰাডিয়া দুয়ো হোমৰুল আন্দোলনৰ সময়ত মোৰ চিনাকি আছিল। শ্ৰমিকৰ প্ৰসঙ্গত ই এল আয়াৰে বেছি আগ্ৰহ প্ৰকাশ কৰিছিল। মই, মঞ্চেৰী ৰাম আয়াৰ আৰু নৰসিংহ আয়াৰ তিনিওজন হোমৰুলৰ প্ৰতিনিধি হিচাপে ভাৰতৰ আৱশ্যকতাবোৰৰ বিষয়ে বৃটিছ কৰ্তৃপক্ষক বুজাবলৈ ইংলণ্ডলৈ ৰাওণা হৈছিলোঁ। কিন্তু জিব্ৰাল্টৰ পোৱাৰ পিছত ইংৰাজ চৰকাৰৰ আদেশমতে তাৰপৰা আমাক ঘূৰাই পঠালে।

ফৌজদাৰী আদালতত ই. এল. আয়াৰে ওকালতি কৰিছিল। তেওঁৰ ঘৰত প্ৰায়েই শ্ৰমিকৰ নেতাসকলক লগ পোৱা গৈছিল। তেওঁলোকৰ প্ৰতি আয়াৰৰ ব্যৱহাৰ বৰ ভাল আছিল। তেওঁলোকেও আয়াৰৰ পৰামৰ্শ লৈছিল আৰু আয়াৰ তেওঁলোকৰ অনেক মোকৰ্দমাত উপস্থিত আছিল। তেওঁ তেওঁলোকৰপৰা তেওঁলোকে যিমান দিব পাৰে সিমান মাচুলহে লৈছিল। ওকালতিতকৈ তেওঁ শ্ৰমিকসকলৰ ভালৰ পিনে বেছিকৈ লক্ষ্য ৰাখিছিল। আয়াৰৰ প্ৰতি মোৰ আন্তৰিকতা থকাৰ কাৰণে শ্ৰমিক সংঘই মোক আকৰ্ষণ কৰিলে।

শ্ৰমিক সঙ্ঘৰ কামবোৰ নিয়মিতৰূপে কৰিবলৈ আমি থিৰাং কৰিলোঁ। বি. পি. ৰাডিয়াই এই সঙ্ঘটোৰ কাৰণে অনেক কাম কৰিছিল। তেওঁ এনি বেচেণ্টৰ 'নিউ

ইণ্ডিয়া' কাৰ্য্যালয়ৰ ব্যৱস্থাপক আছিল। অলপদিনৰ ভিতৰতে আমি ট্ৰাম-পথ শ্ৰমিক, ৰিক্সাচালক, ষ্টেচনৰ কুলী, মেটোৰ, দৰ্জী আৰু তেল কোম্পানীৰ শ্ৰমিক সঙ্ঘ খুলিলোঁ। এই সকলো সঙ্ঘৰ এটা কেন্দ্ৰীয় মণ্ডল স্থাপন কৰিলোঁ। চক্কৰা চেট্টিয়াৰ, শ্ৰীৰামলু আৰু হৰিসৰ্বোত্তমে শ্ৰমিকসকলৰ কাৰণে অনেক খাটিছিল। যি কি নহওক, অতি কম সময়ৰ ভিতৰতে মাদ্ৰাজত শ্ৰমিক দলৰ সংখ্যা বৃদ্ধি হ'ল।

মই ৰিক্সাচালক আৰু মেটোৰ সঙ্ঘৰ সভাপতি আছিলোঁ। ধৰ্মঘটৰ কাৰণে তেল কোম্পানীৰ শ্ৰমিক আৰু ট্ৰাম-পথ শ্ৰমিক সঙ্ঘৰ কিছু ক্ষতি হ'ল। অন্যান্য সংঘবোৰ ধৰ্মঘট কৰিবলৈ দৃঢ় সংকল্প হ'ল। অনেকদিন ধৰি মোৰ এগমুৰ ভৱনৰ সন্মুখত শ্ৰমিকৰ কেইবাখনো সভা পতা হৈছিল। তেওঁলোকে কিছুমান সঙ্ঘৰ কাম-কাজবোৰ সন্তোষজনক নেদেখি নিজে স্বতন্তৰীয়াকৈ ধৰ্মঘট কৰিবলৈ আয়োজন কৰিলে। কিন্তু পিচত সেই মত বদলি হ'ল আৰু সকলো শ্ৰমিক সঙ্ঘই সন্মিলিতভাৱে ধৰ্মঘট কৰাটো উচিত হ'ব বুলি ভাবিলে। শ্ৰমিকসকল যিমান সোনকালে পাৰে ধৰ্মঘট কৰিবলৈ উৎকণ্ঠিত হ'ল। তাকে দেখি চৰকাৰে অতি সোনকালে কিবা এটা কৰা উচিত হ'ব বুলি অনুভৱ কৰিলে।

সেই সময়ত মাদ্ৰাজৰ ৰাজ্যপাল আছিল উইলিংডন। কিছুদিনৰ পিছত তেওঁ ভাইচৰয় হৈছিল। তেওঁ শ্ৰমিকসকলৰ সমস্যাবোৰৰ সমাধান সন্তোষজনকভাৱে কৰিবৰ উদ্দেশ্যে এখন ঘূৰণীয়া মেজ পৰিষদ আহ্বান কৰিছিল।

ওবাড়িয়া, চক্কৰা চেট্টিয়াৰ, ই. এল. আয়াৰ, ডঃ সুব্ৰৰায়ন, হৰিসৰ্বোত্তম ৰাও, শ্ৰীৰামলু আদি নেতাসকলে সেই ঘূৰণীয়া মেজ পৰিষদত অংশ গ্ৰহণ কৰিলে। ময়ো তাত উপস্থিত আছিলোঁ। এখন ডাঙৰ ঘূৰণীয়া মেজৰ চাৰিও পিনে আমি বহিলোঁ। চৰকাৰী প্ৰতিনিধিৰ ভিতৰত ৰাজ্যপাল নিজে আৰু কাৰ্য্যবাহী সভাৰ সদস্য টোৰ হাণ্টাৰ উপস্থিত আছিল। সম্পাদকসকলৰ সঙ্ঘৰ উপসভাপতি আৰু মেটোৰ সঙ্ঘৰ এজন সদস্য ৰাজ্যপালৰ ওচৰত বহিছিল। ৰাজ্যপালে ক'লে শ্ৰমিকসকলৰ অভিযোগ আৰু চাহিদাবোৰ জানি সেইবোৰ দূৰ কৰিবৰ কাৰণে এখন সমিতি নিযুক্ত কৰা যাব আৰু সমিতিৰ সদস্যক প্ৰত্যেক শ্ৰমিক সঙ্ঘৰপৰা নিৰ্বাচন কৰা হ'ব। নিৰ্বাচিত শ্ৰমিকৰ নেতা সকলৰ মাজত মতভেদ হ'ল। এই কাৰণে বৈঠকৰ সকলো কাম নিৰৰ্থক হ'ল। তাৰ পিছত যি ধৰ্মঘট হৈছিল সেই ধৰ্মঘট অনেকদিন ধৰি চলিছিল। সেইকালত ধৰ্মঘট কৰোঁতে সঙ্ঘৰ সদস্য আৰু শ্ৰমিকসকলে যি একতা দেখুৱাইছিল তাক দেখি মানুহ আচৰিত হৈছিল আৰু ময়ো বিস্মিত হৈছিলোঁ।

যেতিয়া ধৰ্মঘট চলিছিল তেতিয়া পুলিচে কিছুমান মানুহক গ্ৰেপ্তাৰ কৰিছিল আৰু অপৰাধ সাব্যস্ত কৰি মুখ্য প্ৰেচিডেন্সি জজৰ সন্মুখত থিয় কৰাইছিল। জজ্‌জন ইংৰাজ আছিল। শ্ৰমিক সঙ্ঘৰ অনুৰোধ মতে মই অপৰাধীসকলৰ হৈ ওকালতি কৰিছিলোঁ। অসংখ্য শ্ৰমিক আদালতত উপস্থিত আছিল। জজৰ শ্ৰমিক সঙ্ঘবোৰক দুৰ্বল কৰিবৰ উদ্দেশ্য আছিল। দুদিন ধৰি চলা সেই মোকৰ্দমাৰ বিশদ বিৱৰণ 'নিউ ইণ্ডিয়া'ত প্ৰকাশিত

হৈছিল। যদিও জজে অপৰাধীবিলাকক দণ্ড দিলে শ্ৰমিক সঙ্ঘ আগতকৈও শক্তিশালী হ'ল।

সেই সময়ত মই দুটা সংস্থা স্থাপন কৰিছিলোঁ। প্ৰথমটোৰ নাম আছিল—নিয়' ফেবিয়ান চোচাইটী (Neo Fabian Socity)। তাৰ বাৰজন সদস্য আছিল। বি. পি. ৰাড়িয়া, কুমাৰী চট্টোপাধ্যায় চেঞ্চমা (শ্ৰীমতী সৰোজিনী নাইডুৰ বায়েক), চক্কৰা চেট্টিয়াৰ, কে. পি. পদ্মনাভ পিল্লায়, বাৰিষ্টাৰ কে. শংকৰ নাৰায়ণৰ নাম বিশেষ উল্লেখযোগ্য। প্ৰত্যেক শুক্ৰবাৰে আমি এজন সদস্যৰ ঘৰত সমবেত হৈছিলোঁ আৰু আগতেই স্থিৰ কৰা এটা বিষয়ৰ ওপৰত আলোচনা কৰিছিলোঁ। সেই আলোচনা দুঘন্টা চলিছিল। আলোচিত বিষয়টোৰ ওপৰত নিৰ্ভৰ কৰি সেই আলোচনা কেতিয়াবা দুমাহ বা তিনি মাহ ধৰি চলিছিল। সেই গোটেই আলোচনাবোৰ লিপিবদ্ধ কৰি প্ৰত্যেক বিষয়টোৰ একোখন গ্ৰন্থ প্ৰকাশ কৰিছিলোঁ। তাৰে দুখন গ্ৰন্থৰ কথা বিশেষকৈ উল্লেখযোগ্য। 'মন্টেগু চেম্‌চফৰ্ড প্ৰতিবেদন' আৰু 'মাদ্ৰাজ প্ৰান্তৰ মতাধিকাৰৰ সমস্যা' নামৰ গ্ৰন্থ দুখন ইংলণ্ডৰ ফেবিয়ান চোচাইটীয়ে প্ৰকাশ কৰিছিল। মই মাদ্ৰাজত থকা পৰ্য্যন্ত নিয়' ফেবিয়ান চোচাইটীৰ কামবোৰ পূৰাদমে চলি আছিল।

দ্বিতীয় সমিতিখন ভাৰতৰ স্বাধীনতা লাভৰ কাৰণে যিকোনো পথ অৱলম্বন কৰাৰ বিষয়ে এখন গোপনীয় সমিতি আছিল। তাৰ সদস্যসকল দুসপ্তাহৰ মূৰে মূৰে কোনো এঠাইত গোট খাইছিল। সেই সমিতিখনৰ আঠ-দহজন মান সদস্য আছিল। কিন্তু এই সমিতিখন বেছিদিনলৈ নাথাকিল। স্বাধীনতাৰ কাৰণে আমি আনৰ অনিষ্ট কৰাটো সঙ্গত বোধ নকৰিলোঁ। এই কাৰণে সমিতিখন ভঙ্গ কৰিলোঁ।

মাদ্ৰাজত ওকালতি কৰি থাকোঁতে এদিন বাৰিষ্টাৰ ডঃ স্বামীনাথন মোৰ ওচৰলৈ আহিল। তেওঁক দেখি মই আচৰিত হ'লোঁ। আইনৰ ডিগ্ৰী লৈ সাধাৰণ এজন উকীল হিচাপে ওকালতি আৰম্ভ কৰি নিজৰ পৰিশ্ৰম আৰু অধ্যৱসায়ৰ বলত তেওঁ এজন নামকৰা উকীল হৈছিল। তেওঁ মাদ্ৰাজ 'বাৰ'ত ফৌজদাৰী বিভাগৰ এজন প্ৰধান সদস্য আছিল। ঘৰৰপৰা কাছাৰী আৰু কাছাৰীৰপৰা ঘৰলৈ অহা তেওঁৰ দৈনিক নিয়ম আছিল। তেওঁ বাহিৰলৈ কেতিয়াও নোলাইছিল আৰু সদায় মক্কেল আৰু মোকৰ্দমাক লৈ ব্যস্ত আছিল। তেওঁক দেখি মইয়ে আচৰিত হ'লোঁ তেওঁ বুজি পাই হাঁহি ক'লে। "তুমি ভাবিছা এই মানুহজন মোৰ ওচৰলৈ আহিছে কিয়? সকলো কথা তোমাক ক'ম। তুমি কোৰ্ট অব বোৰ্ডৰ ল'ৰা দুটাৰ মোকৰ্দমাৰ কথা নিশ্চয় শুনিছা। যদি বিচাৰ ইয়াত হয় সিহঁতক নিশ্চয় দণ্ড দিব। মই এই আদালতৰপৰা আন ঠাইলৈ মোকৰ্দমাটো স্থানান্তৰিত কৰিবলৈ চেষ্টা কৰিছোঁ আৰু সেই কাৰণে আবেদন পত্ৰ তৈয়াৰ কৰিছোঁ। আবেদন পত্ৰখনৰ লগত এই আদলতত ওকালতি কৰা এজন উকীলৰ এখন হলফ্‌নামা অৰ্থাৎ এফিডেৱিটৰ আৱশ্যেক। মই কেইজনমান ডাঙৰ উকীলৰ ওচৰলৈ গৈছিলোঁ' কিন্তু তেওঁলোকে দিবলৈ অস্বীকাৰ কৰিলে। সেই কাৰণেই মই তোমাৰ ওচৰলৈ আহিছোঁ।

সেই মোকৰ্দমাটো সকলোৰে জনাজাত আছিল। নিউ ইঙ্গটন নামৰ এডোখৰ ঠাইত

ধনী জমিদাৰবিলাকৰ ল'ৰা পঢ়িছিল আৰু এজন ইংৰাজ তাৰ প্ৰধান শিক্ষক আছিল। এদিন সেই ইংৰাজ শিক্ষকজনক কোনোবাই গুলী কৰি মাৰিলে আৰু তাত পঢ়ি থকা দুটা ল'ৰাক সন্দেহ কৰি হত্যাৰ অপৰাধত অভিযুক্ত কৰিলে। মাদ্ৰাজ উচ্চ ন্যায়ালয়ত মোকৰ্দমাটো চলি আছিল। জুৰী বোধকৰোঁ মাদ্ৰাজ চহৰৰে আছিল। ডঃ স্বামীনাথনে সেই অপৰাধী ল'ৰা দুটাৰ হৈ ওকালতি কৰিছিল। মোকৰ্দমাটোৰ বিষয়ে চহৰৰ প্ৰায় সকলো মানুহে আলোচনা কৰিছিল। তেনে পৰিস্থিতিত মাদ্ৰাজৰপৰা নিৰ্বাচন কৰা 'জুৰী'ৰ পৰা ন্যায়সঙ্গত ৰায় নাপাবও পাৰে বুলি ডঃ স্বামীনাথনে সন্দেহ কৰিছিল। সেই কাৰণে সেই মোকৰ্দমাটো বোম্বাই বা আন কোনো উচ্চ ন্যায়ালয়লৈ স্থানান্তৰিত কৰাৰ আবেদন পত্ৰ গৱৰ্নৰ জেনেৰেলক দিয়াৰ কথা। সেই কাৰণেই তেওঁ মোক হলফ্‌নামাখনৰ কাৰণে অনুৰোধ কৰিছিল। মই তেওঁক হলফ্‌নামাখন লগে লগে দিলোঁ।

গৱৰ্ণৰ জেনেৰেলে আবেদন পত্ৰখন মঞ্জুৰ কৰি মোকৰ্দমাটো বোম্বাই উচ্চ ন্যায়ালয়লৈ স্থানান্তৰ কৰিলে আৰু শেহত অভিযুক্ত ল'ৰা দুজন নিৰপৰাধী বুলি ন্যায়ালয়ে ৰায় দিলে। ডঃ স্বামীনাথনে এদিন মোৰ ওচৰলৈ আহি ক'লে, "মই তোমাৰ ওচৰত কৃতজ্ঞ। যদি তোমাৰ ঠাইত মই হ'লোহেঁতেন সেই হলফ্‌নামাখন কেতিয়াও নিদিলোহেঁতেন কাৰণ তাৰপৰা মোৰ কোনো লাভ নাছিল বৰং মোৰ ওপৰত আদালতে দোষহে আৰোপ কৰিলেহেঁতেন। তদুপৰি ইংৰাজ জজ মোৰ ওপৰত অসন্তুষ্ট হ'লহেঁতেন। কথাকেইটা কৈ ডঃ স্বামীনাথন উঠিল আৰু তেওঁ মোৰ পিঠিত থপৰিয়াই ক'লে, "তুমি ডেকা উকীল। তোমাৰ উন্নতি কামনা কৰোঁ, তোমাৰ ভৱিষ্যত উজ্জ্বল হওক।"

কেইদিনমানৰ পিছত জমিদাৰৰ সেই দুজন ল'ৰাক লৈ ডঃ স্বামীনাথন মোৰ ঘৰলৈ আহিল আৰু ল'ৰা দুটাক দেখুৱাই তেওঁ ক'লে, "এই দুজনেই ল'ৰা যি তোমাৰ এফিডেৱিটৰ কাৰণে মৃত্যুদণ্ডৰপৰা ৰক্ষা পৰিল। তুমি এওঁলোকক প্ৰাণদান দিলা। মোকৰ্দমাটো বোম্বাই উচ্চ ন্যায়ালয়লৈ নোযোৱা হ'লে এওঁলোকৰ মৃত্যুদণ্ড নিশ্চিত আছিল।" তেওঁৰ কথাকেইটাত যে কিমান আনন্দ আৰু অন্তৰভৰা কৃতজ্ঞতা সোমাই আছিল পাঠকক নক'লেও হ'ব।

বি. বি. এচ. আয়াৰ, সুৰেন্দ্ৰ নাথ আৰ্য্য, এম. দোৰাইস্বামী আদি বন্ধুবৰ্গক মই বাৰে বাৰে লগ পাবলৈ ইচ্ছা কৰিছিলোঁ। সামাজিক কামত তেওঁলোকৰ সহযোগ একান্ত বাঞ্ছনীয় আছিল।

বি. বি. এচ. আয়াৰ আদৰ্শ জীৱন যাপন কৰা ব্যক্তি আছিল। এখন গুৰুকুল স্থাপন কৰি তেওঁ শিষ্যসকলৰ লগত তাত বাস কৰিছিল। তেওঁ 'তিৰুকুৰল' নামৰ তামিল গ্ৰন্থখন ইংৰাজীলৈ অনুবাদ কৰিছিল। তেওঁ যেতিয়াই মাদ্ৰাজলৈ আহিছিল তেতিয়াই মোৰ ওচৰলৈ আহিছিল। অতি দুঃখৰ কথা যে তেওঁ পুতেকক ৰক্ষা কৰিবলৈ নিজে পানীত ডুবি মৃত্যু বৰণ কৰে। পুতেক নদীত গা ধুবলৈ গৈছিল। তেওঁৰ মৃত্যুত তামিল সাহিত্যৰ অপূৰনীয় ক্ষতি হ'ল। গুৰুকুলও কিছুদিনলৈ বন্ধ আছিল।

সুৰেন্দ্ৰ নাথ আৰ্য্যই ব্ৰাহ্ম সমাজ আৰু শ্ৰমিক আন্দোলনৰ উৎকৰ্ষ সাধনৰ কাৰণে কাম কৰিছিল। মোৰ মাদ্ৰাজৰ ভৱনলৈ তেওঁ প্ৰায়েই আহিছিল। ৰাজনীতিৰ ক্ষেত্ৰত তেওঁ প্ৰগতিশীল নেতাসকলৰ ভিতৰত এজন আছিল। তেওঁ মাদ্ৰাজৰপৰা যোৱাৰ পিছত তেওঁক মই অনেকদিন দেখা নাছিলোঁ। তেওঁৰ পাৰিবাৰিক জীৱনলৈ অনেক দুঃখ আৰু অশান্তি অহাত জীৱনৰ শেষভাগত তেওঁ সামাজিক কাৰ্য্য-কলাপত সক্ৰিয় অংশ গ্ৰহণ কৰিব পৰা নাছিল। 1952 চনত মই কোষিক্কোট্টলৈ যাওঁতে তেওঁক শেষবাৰৰ কাৰণে লগ পাইছিলোঁ। তাৰ দুবছৰৰ পিছত তেওঁৰ মৃত্যু হয়।

এচ. দোৰাইস্বামী মাদ্ৰাজ উচ্চ ন্যায়ালয়ৰ এজন বিখ্যাত উকীল আছিল। তেওঁ আনক সহায় কৰাত সদায় তৎপৰ আছিল। এই স্বভাৱৰ কাৰণে তেওঁৰ অনেক বন্ধু আছিল। তেওঁৰ ওকালতি বৰ ভালদৰে চলিছিল, কিন্তু আধ্যাত্মিক কামৰ প্ৰতি তেওঁৰ বৰ আগ্ৰহ আছিল। অনেক মানুহক তেওঁ টকা দি সহায় কৰিছিল। তেওঁ ইচ্ছা কৰাহেঁতেন হাজাৰ হাজাৰ টকা উপাৰ্জন কৰিব পাৰিলেহেঁতেন, কিন্তু টকাৰ মোহ পৰিহাৰ কৰি তেওঁ মানসিক শান্তিৰ কাৰণে পুনুইদেৰী অৰবিন্দ আশ্ৰমত সপৰিবাৰে অনেক দিন আছিল। আশ্ৰমৰপৰা উভতি অহাৰ পিছতো তেওঁ আধ্যাত্মিক জীৱন যাপন কৰিছিল। তেওঁৰ মতে মাত্ৰ আধ্যাত্মিক উন্নতিৰ যোগেদি মানুহে জীৱনত প্ৰকৃত শান্তি পাব পাৰে। ধন, স্থান, যশ, গৌৰৱে মানুহক যি সুখ বা শান্তি দিয়ে সেই শান্তি খন্তেকীয়া।

জীৱন-পথত গৈ থাকোঁতে আমি সৎপুৰুষৰ সান্নিধ্য লাভ কৰোঁ আৰু তেওঁলোকৰ প্ৰভাৱত আমাৰ জীৱনলৈ অনেক পৰিৱৰ্তন আহি যায়। অৱশ্যে তেনেকুৱা সৎপুৰুষৰ সংখ্যা অনেক কম। তেনেকুৱা সৎপুৰুষে আনৰ সুখ-সন্তোষক নিজৰ সুখ-সন্তোষ হিচাপে গণ্য কৰে। তেওঁলোকে সমাজৰ উন্নতিৰ কাৰণে নিজৰ গোটেই জীৱন কটাই দিয়ে। কিন্তু অধিক সংখ্যক মানুহে সমাজৰ ভালটোক নিজৰ ভাল বুলি চিন্তা নকৰে। এচ. দোৰাইস্বামী এজন আদৰ্শ পুৰুষ আছিল। সেই আদৰ্শ পুৰুষক অনুসৰণ কৰিলে মানুহৰ জীৱনলৈ যে সুখ, সন্তোষ আৰু বিমল আনন্দ আহে সেই অনুভৱ মই সদায় কৰি আহিছোঁ আৰু এতিয়াও কৰোঁ।

এটা নতুন আন্দোলন

হোমৰুল আন্দোলনৰ ফলস্বৰূপে ইংৰাজ চৰকাৰে ভাৰতৰ শাসনত কিছু পৰিৱৰ্তন আনিবলৈ স্থিৰ কৰিলে। সেই সময়তে ভাৰত সচিব মন্টেগু আৰু ভাইচৰয় চেম্‌চফৰ্ডৰ তদন্তৰ প্ৰতিবেদন প্ৰকাশ কৰা হ'ল। তাৰ ফলত ভাৰতৰ ৰাজনৈতিক নেতাসকল দুটা ভাগত বিভক্ত হ'ল। প্ৰগতিশীলসকলে সেই শাসন-সংস্কাৰ সন্তোষজনক নহয় বুলি অস্বীকাৰ কৰিলে আৰু সংৰক্ষণশীলসকলে তাৰ কিছু অংশ গ্ৰহণযোগ্য বুলি স্বীকাৰ কৰিলে। তদন্তৰ বিৱৰণ প্ৰকাশ হোৱাৰ পিছত কিছুমান দিনলৈ বাতৰি কাকত আৰু সভা-সমিতিত সপক্ষে আৰু বিপক্ষে অনেক সমালোচনা হ'ল। তেতিয়ালৈকে যিসকল নেতা আৰু কৰ্মীয়ে একেলগে মিলিজুলি কাম কৰিছিল তেওঁলোকৰ মাজত কন্দলৰ সৃষ্টি হ'ল।

মন্টেগু-চেম্‌চফৰ্ড প্ৰতিবেদনখন ভালদৰে পঢ়ি তাৰ বিশেষ অংশ সমালোচনা কৰিবৰ কাৰণে আমি কেইজনমান 'নিউ ইণ্ডিয়া'ৰ কাৰ্য্যালয়লৈ গ'লোঁ। এনি বেচেন্ট আৰু চি. পি. ৰামস্বামী আয়াৰ দুয়ো প্ৰতিবেদনখনৰ মতৰ সপক্ষে আছিল আৰু কোনো কোনো সদস্য তাৰ বিপক্ষে আছিল। মই এনে অনুভৱ কৰিছিলোঁ যেন ময়ো তেওঁলোকৰপৰা লাহে লাহে আঁতৰি গৈছোঁ।

গোটেই ভাৰতত সেই মতান্তৰ প্ৰকট হ'ল আৰু মালবাৰ কংগ্ৰেছো তাৰপৰা বাদ নপৰিল। যদিও মোৰ মাদ্ৰাজলৈ অহা দুবছৰ হৈছিল, মই মালবাৰ কংগ্ৰেছৰ গতি-বিধি নিৰীক্ষণ কৰি আছিলোঁ। 1920 চনৰ এপ্ৰিলত বহিবলগীয়া মঞ্চেৰী জিলা সন্মিলনত উপস্থিত হ'বলৈ কে. মাধৱনে মোক মাতি পঠালে।

সেই সন্মিলনখনৰ সভাপতি আছিল 'হিন্দু'ৰ সম্পাদক কস্তুৰী ৰঙ্গয়্যভকৰ। এনি বেচেন্টো সেই সভালৈ আহিছিল আৰু মালবাৰৰ বিভিন্ন শাখাৰ প্ৰতিনিধিসকলো তাত উপস্থিত আছিল। মোৰ এনেকুৱা লাগিছিল যেন এটা গম্ভীৰ পৰিৱেশত সভাখনৰ কাৰ্য্য আৰম্ভ হৈছে। সভাৰ প্ৰথম দিনা সভাত প্ৰস্তাৱ কৰিবলগীয়া কাৰ্য্যসূচীত মতানৈক্য নহ'বলৈ চেষ্টা কৰা হৈছিল।

যেতিয়া জনা গ'ল যে মন্টেগু-চেম্‌চফোৰ্ড প্ৰতিবেদন অনুযায়ী হ'ব খোজা শাসন সংস্কাৰ একেবাৰে গ্ৰহণীয় নহয় তেতিয়া ৰাজনৈতিক পৰিৱেশ অশান্ত হৈ উঠিল। মঞ্চেৰী সন্মিলনত যি হৈছিল সেয়া প্ৰগতিশীল আৰু ৰক্ষণশীলসকলৰ মাজত হোৱা সংঘৰ্ষ আছিল। প্ৰতিনিধিসকলৰ ভিতৰত অধিক সংখ্যক মুছলমান আছিল। ভূমিৰ মালিক, ভূমিহীন খেতিয়ক, শ্ৰমিক আৰু সাধাৰণ হিন্দু-মুছলমান লোক সভাখনত ভৰি আছিল আৰু সকলোৰে মনত উৎসাহ আৰু উদ্যম আছিল। 28 এপ্ৰিলৰ 12 বজাত

সভাৰ আচল কাম আৰম্ভ হয়। তাৰ আগতে ৰাতিপুৱা এখন সভাত মই আৰু ৰঙ্গস্বামী অয়ঙ্কাৰে বক্তৃতা দিছিলোঁ। আমি মন্টেগু-চেম্‌চফোৰ্ড প্ৰতিবেদনত প্ৰকাশ কৰা লাগতিয়াল অংশবোৰ সহজ আৰু সৰল ভাষাত ৰাইজক বুজাই দিলোঁ আৰু তেওঁলোকৰ মতক আমাৰ মতৰ অনুকূল কৰিবলৈ চেষ্টা কৰিলোঁ।

সভাপতিৰ ভাষণৰ পিছত সেইদিন সভা সমাপ্ত হ'ল। দুপৰীয়াৰপৰা যি বিষয়-নিৰ্ধাৰণ সমিতিৰ আলোচনা চলিছিল, সেই আলোচনা ৰাতি আঠ বজালৈকে চলি থাকিল। সেই আলোচনাত তাৰ পিছদিনা হ'বলগীয়া বাদ-বিবাদৰ সূচনা পোৱা গ'ল।

29 এপ্ৰিলত 11 বজাত সভাৰ কাম আৰম্ভ হ'ল। 13000 জন প্ৰতিনিধি সভাত উপস্থিত আছিল। পৰিৱেশে উগ্ৰমূৰ্তি ধাৰণ কৰিছিল। যিবোৰ প্ৰস্তাৱত বিবাদৰ মাত্ৰা কম আছিল সেইবোৰ লৰালৰিকৈ গ্ৰহণ কৰি সমাপ্ত কৰা হ'ল আৰু সৰ্বশেষত শাসন-সংশোধন প্ৰস্তাৱটো কে. পি. শমন মেননে দাঙি ধৰিলে।

প্ৰস্তাৱটো এনে ধৰণৰ আছিল, "পূৰ্ণ গণতান্ত্ৰিক শাসনৰ কাৰণে ভাৰত সক্ষম। মন্টেগু-চেম্‌চফোৰ্ড প্ৰতিবেদনত থকা শাসন সংশোধনে ভাৰতৰ ন্যায্য অধিকাৰক অৱহেলা কৰিছে। সেই কাৰণে এই প্ৰতিবেদনখন সন্তোষজনক আৰু গ্ৰহণীয় নহয়।" এল. এ সুবু ৰাময়্যৰে এই প্ৰস্তাৱটো সমৰ্থন কৰিলে। এনিবেচন্টে তেওঁৰ সহজ আৰু সৰল ভাষাত ক'লে, "প্ৰস্তাৱটোৰপৰা 'সন্তোষজনক আৰু গ্ৰহণীয় নহয়' কথাষাৰ উঠাই দিব লাগে। নিলম্বুৰৰ ৰাজকোঁৱৰে তেওঁৰ প্ৰস্তাৱটো সমৰ্থন কৰিলে। মই এনি বেচেন্টৰ প্ৰস্তাৱটোৰ বিৰোধিতা কৰিলোঁ। এ. ৰঙ্গস্বামী আয়াৰ, কে মাধৱন নায়াৰ আৰু মঞ্চেৰী ৰাময়্যৰ আদি প্ৰতিনিধিসকলে এই বাদ-প্ৰতিবাদত নিজৰ নিজৰ মত প্ৰকাশ কৰিলে। নিজৰ অনুকূল পৰিৱেশ নেদেখি এনি বেচেন্ট তেওঁৰ অনুগামীসকলৰ সৈতে সভা ত্যাগ কৰি গুচি গ'ল। এনেকৈয়ে ইতিহাস প্ৰসিদ্ধ মঞ্চেৰী সন্মিলন সমাপ্ত হ'ল।

মই এনি বেচেন্টৰ পৰিস্থিতি দুঃখ লগা বুলি ভাবিলেও তেওঁৰ প্ৰতি মোৰ শ্ৰদ্ধা কম হোৱা নাছিল। তেওঁৰ নিঃস্বাৰ্থ মহান সেৱাৰ কাৰণে ভাৰতবাসী তেওঁৰ ওচৰত কৃতজ্ঞ। ভাৰতৰ ইতিহাসত তেওঁৰ নাম অমৰ হৈ থাকিব আৰু ভাৰতবাসীয়ে সদায় স্মৰণ কৰিব। মতভেদ হ'ব পাৰে, দৃষ্টিকোণৰ তাৰতম্য ঘটিব পাৰে, কিন্তু স্বাৰ্থহীন সেৱাতকৈও পৱিত্ৰ সেই মহান ব্যক্তিত্ব, সেই মহিয়সী নাৰীৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন নকৰি নোৱাৰি।

জনতাক উত্তেজিত আৰু ক্ষুব্ধ কৰা ঘটনা প্ৰায়েই ঘটিবলৈ ধৰিলে। বহু বছৰ ধৰি পৰাধীনতাৰ শিকলিয়ে বান্ধি থোৱা জন্মভূমিক মুক্ত কৰাৰ যজ্ঞত প্ৰাণ আহুতি দিয়াৰ সংখ্যা দিনে দিনে বৃদ্ধি হ'বলৈ ধৰিলে। জালিয়ানৱালাবাগৰ নৃশংস নৰহত্যা আৰু তাৰ পিছত সেনাবাহিনীৰ শাসনে বিদেশী চৰকাৰৰ আচল ৰূপটো দেখুৱাই দিলে। জনতাৰ সুপ্ত শক্তি জাগি উঠিল আৰু সেই শক্তিয়ে সকলো বন্ধন ছিঙি দিবলৈ প্ৰতিজ্ঞা কৰিলে।

পঞ্জাৱত সৈনিক শাসন জাৰী কৰাৰ সম্পৰ্কত মতান্তৰ ঘটাত ভাইচৰয় কাৰ্য্যবাহী সমিতিৰ সদস্য চাৰ চি. শংকৰণ নায়াৰে চাকৰিৰপৰা ইস্তফা দিলে। সেই সংবাদটোক দেশবাসীয়ে সাদৰে গ্ৰহণ কৰি তেওঁক ভূয়সী প্ৰশংসা কৰিলে। যেতিয়া তেওঁ মাদ্ৰাজ

চেন্ট্রেল ৰেলষ্টেচনত উপস্থিত হ'ল, তেওঁক সম্বৰ্ধনা জনাবলৈ অনেক মানুহৰ ভিৰ হৈছিল।

দেশত ঘটি থকা ঘটনাবোৰে মোক অস্থিৰ কৰি তুলিলে। মোৰ ওকালতিত মন নবহা হ'ল। পৰিয়ালৰ শোধ কৰিবলগীয়া ঋণ আৰু দেশসেৱাৰ মাজত সংঘৰ্ষ সৃষ্টি হ'ল। মাত্ৰ পত্নী আৰু ল'ৰা-ছোৱালীক ভৰণ-পোষণ দিয়া দায়িত্বৰ বাহিৰেও আগৰ ধাৰবোৰ পৰিশোধ কৰিব নোৱৰা অসমৰ্থতাই মোক পীড়িত কৰিলে। ঋণ শোধ কৰা মানুহৰ কৰ্তব্য। কিন্তু মোৰ বিবেকে সেই কথাটো সমৰ্থন কৰিলেও মোৰ অন্তৰত জাগি উঠা দেশ সেৱাৰ প্ৰেৰণা মই কোনোমতেই দমন কৰিব নোৱাৰিলোঁ। মোৰ মনলৈ বাৰে বাৰে এটা চিন্তাই আহিছিল—কৰ'বাৰপৰা যদি মোৰ হাতলৈ কিছু টকা আহিলহেঁতেন মই ঋণমুক্ত হৈ সুখৰ জীৱন যাপন কৰিলোঁহেতেন। মই ভালদৰে জানিছিলোঁ যে মই নহ'লেও ভাৰতবাসীৰ স্বাধীনতা-সংগ্ৰাম চলি থাকিব। কিন্তু, তথাপি যেতিয়া মই সেই সংগ্ৰামত যোগদান কৰিছিলোঁ, তেতিয়া মনলৈ এটা অপূৰ্ব আনন্দ আহিছিল—যাক ভাষাৰে প্ৰকাশ কৰিব পৰা নাযায়।

সেই সময়ত ৰাজগোপালাচাৰীয়ে মাদ্ৰাজত ওকালতি কৰি আছিল। মই তেওঁক হোমৰুল আন্দোলনৰ আৰম্ভণিৰেপৰা ভালদৰে জানো। তেওঁ আগতে চেলমত আছিল আৰু পিছত মাদ্ৰাজলৈ আহে। তেওঁক মই কাছাৰীত কেতিয়াবা কেতিয়াবা লগ পাইছিলোঁ। মোৰ দুঃখ আৰু মনৰ চিন্তাবোৰ তেওঁ বুজিছিল। তেওঁৰ তীক্ষ্ণ বুদ্ধি, দোষ-গুণ বিচাৰ কৰাৰ অসাধাৰণ ক্ষমতা আৰু জনসাধাৰণক সেৱা শুশ্ৰূষা কৰাৰ নিঃস্বাৰ্থ মনোভাবৰ কাৰণে মই তেওঁৰ প্ৰতি আকৃষ্ট হৈছিলোঁ। তেওঁ মোক জনসেৱাৰ কাৰণে মাতি পঠালে। আমি দুজনে মিলি যিবোৰ কাম কৰিছিলোঁ তাৰ মধুৰ স্মৃতি এতিয়াও মনত আছে।

শ্ৰীৰামলু এজন এনে ধৰণৰ বন্ধু আছিল যি মোক স্বাধীনতা সংগ্ৰামৰ প্ৰেৰণা দিছিল। তেওঁ বেছি বিদ্বান নাছিল, কিন্তু তথাপি তেওঁ বিশেষকৈ শ্ৰমিকসকলৰ মাজত বৰ জনপ্ৰিয় আছিল। পণ্ডিত মদন মোহন মালব্য এজন আকৰ্ষণীয় আৰু প্ৰতিভাসম্পন্ন ব্যক্তি আছিল। ধুতিৰ ওপৰত এটা দীঘল কোট পিন্ধি, মূৰত এটা পাগুৰী মাৰি, কান্ধত ভাজ কৰা এখন চাদৰ লৈ তেওঁ সকলোৰে দৃষ্টি আকৰ্ষণ কৰিছিল। তেওঁৰ মুখত সদায় মিচিকিয়া হাঁহি আছিল। তেওঁ প্ৰত্যেক দিন মোৰ ঘৰলৈ আহিছিল আৰু পৰিয়ালৰ এজন মানুহৰ নিচিনাকৈ ঘৰৰ কামবোৰত চকু দিছিল। যেতিয়ালৈকে মই মাদ্ৰাজ এৰি অহা নাছিলোঁ তেতিয়ালৈকে মই তেওঁৰ সান্নিধ্য উপভোগ কৰিছিলোঁ।

চক্কৰা চেট্টিয়াৰও মোৰ এজন সম্বন্ধীয় বন্ধু আছিল। ৰাজনৈতিক আৰু শ্ৰমিক আন্দোলনত আমি দুয়ো একেলগে কাম কৰিছিলোঁ। পিছত আমাৰ পথ আৰু লক্ষ্য বেলেগ বেলেগ হৈছিল। এজন বিখ্যাত সাহিত্যিকে কৈছিল, "এই জীৱনটো মৌমাখিৰ এখন মৌ-চাক।" মৌ-মাখিয়ে বিভিন্ন ফুলৰ ৰেণু মৌ-চাকলৈ লৈ আহে আৰু মৌৰ গুণ আৰু স্বাদ ফুল অনুসাৰে হয়। কোনো মৌ বৰ সোৱাদ হয় আৰু কোনোবিধ বৰ

সোৱাদ আৰু সুগন্ধি হয়। এনে ধৰণৰ এবিধ সংকলিত মৌ আমিও পাওঁ। আমাৰ জীৱনটোও এনে ধৰণৰ। বিভিন্ন ধৰণৰ মানুহে বিভিন্ন ধৰণে জীৱনটো স্পৰ্শ কৰে। বন্ধু-বান্ধৱ আৰু আমাৰ পৰিচিত মানুহৰপৰা তেওঁলোকৰ গুণ আৰু দোষবোৰ আমাৰ নিজৰ কৰি লওঁ। সেইবোৰে আমাৰ জীৱন সুন্দৰ বা অসুন্দৰ কৰি তোলে। হয়তো সেইটো আমি গমেই নাপাওঁ। কিন্তু কথাটো সত্য।

ওকালতিৰ সমাপ্তি আৰু সাৰ্বজনিক জীৱনৰ পাতনি

1920 চনৰ ডিচেম্বৰত বহা নাগপুৰ কংগ্ৰেছ অধিৱেশনখনে ভাৰতৰ ইতিহাসত এটা নতুন অধ্যায় ৰচনা কৰিলে। ৰাজনীতিত মহাত্মাগান্ধীৰ আৱিৰ্ভাৱে দেশজুৰি এটা যুগান্তকাৰী পৰিৱৰ্তন আনি দিলে। কংগ্ৰেছে ভাষাৰ ভিত্তিত দেশখন ভাগ কৰিলে আৰু স্বৰাজ লাভ কংগ্ৰেছৰ প্ৰধান লক্ষ্য বুলি ঘোষণা কৰিলে। সেই লক্ষ্যত উপনীত হোৱাৰ একমাত্ৰ পথ হ'ব অহিংসাত্মক অসহযোগ আন্দোলন। অসংখ্য উকীলে ওকালতি এৰি দি ৰাজনীতিত যোগদান কৰিলে, হাজাৰ হাজাৰ ছাত্ৰ-ছাত্ৰীয়ে স্কুল আৰু কলেজ এৰি স্বাধীনতাৰ সংগ্ৰামত জপিয়াই পৰিল। হিন্দু আৰু মুছলমানে একেলগ হৈ দেশ উদ্ধাৰত উপায় চিন্তা কৰিবলৈ ধৰিলে। কংগ্ৰেছে অস্পৃশ্যতা বৰ্জন নীতি কাৰ্যকৰী কৰি সকলো জাতিৰ কাৰণে এখন মাত্ৰ ক্ষেত্ৰ থিয় কৰালে। কংগ্ৰেছৰ ধৰ্মনিৰপেক্ষ উদাৰ মনোভাবে হিন্দু আৰু মুছলমানৰ মাজত একতা আনি দিলে আৰু স্বাধীনতা লাভৰ কাৰণে মানুহৰ মনত আগতে কেতিয়াও দেখা নোপোৱা উৎসাহ, উদ্যম, ত্যাগ, দেশপ্ৰেম আৰু উছৰ্গাৰ উদ্ভৱ হ'ল।

নাগপুৰ অধিৱেশনৰ পিছত দেশত যি আলোড়ন হ'ল সেই আলোড়নৰ প্ৰভাৱ মোৰ ওপৰতো পৰিল। 'মই এতিয়া কি কৰিম' সেই চিন্তাটোৱে মোক গোটেই দিনটো মগ্ন কৰিলে। সেই সময়ত মই ৰাজগোপালাচাৰীক কেইবা বাৰো লগ পাইছিলোঁ। এদিন তেওঁ মোক ক'লে, "এতিয়া তোমাৰ স্থান মালবাৰত হ'ব। কংগ্ৰেছ এতিয়া এখন ডাঙৰ সংগ্ৰামৰ কাৰণে প্ৰস্তুত।" যুদ্ধলৈ যাবলৈ মোৰ কাৰণে কৰো নিৰ্দেশৰ প্ৰয়োজন নাছিল। কিন্তু মোৰ পৰিয়ালক কোনে চাব ? পৰিয়ালটোৰ দায়িত্ব এৰি দি দেশসেৱা কৰিবলৈ দুৰ্দান্ত সাহসৰ আৱশ্যক। মই কেতিয়াবা ভাবিলোঁ—দেউতা জীয়াই থকাহেঁতেন এনে সংকটপূৰ্ণ সময়ত মোক কি উপদেশ দিলেহেঁতেন ? আন এটা প্ৰশ্ন মোৰ মনত উদয় হ'ল, ধৰা যাওক, ভাৰত এখন স্বাধীন দেশ আৰু ভাৰতে আন এখন দেশৰ বিৰুদ্ধে নিজকে ৰক্ষা কৰিবলৈ যুদ্ধ কৰিবলৈ ওলাইছে ; তেনে পৰিস্থিতিত সকলো ডেকা যুদ্ধক্ষেত্ৰলৈ যাবলৈ বাধ্য হৈছে। গতিকে মই বাদ পৰিম কেনেকৈ ? অৱশ্যে কংগ্ৰেছে মোক যুদ্ধক্ষেত্ৰলৈ যাবলৈ বাধ্য কৰা নাই সঁচা কিন্তু তাৰ আহ্বান মোৰ কাণত পৰা সত্ত্বেও মই উপেক্ষা কৰো কেনেকৈ? এইবোৰ কথা চিন্তা কৰি মই ব্যাকুল হৈ পৰিলোঁ।

ইতিমধ্যে মালবাৰৰ পৰিস্থিতি চিন্তাজনক হৈ পৰিছিল। নাগপুৰ অধিৱেশনৰ পিছত মালবাৰ কংগ্ৰেছ আগতকৈ অধিক শক্তিশালী হৈ পৰিছিল।

মুছলমানসকলেও এই আন্দোলনত ভাগ ল'ব বুলি চৰকাৰী বিষয়াসকলে সন্দেহ কৰিলে। তেওঁলোকে মুছলমান নেতাসকলক বাধা দিবলৈ উপায় বিচাৰিলে। জিলা

মেজিষ্ট্ৰেটে সাৰ্বজনিক সভা বন্ধ কৰাৰ বিজ্ঞপ্তি জাৰী কৰিলে। মাদ্ৰাজৰ এজন মুছলমান নেতা ইয়াকুব হুচেনে কোষিক্কোট্টৰ এখন সভাত ভাষণ দিব বুলি কথা দিছিল। যেতিয়া তেওঁ তাত উপস্থিত হ'ল তেওঁ ভাষণ দিব নোৱাৰে বুলি চৰকাৰে আদেশ জাৰী কৰিলে। ঘটনাটো 1921 চনৰ 15 ফেব্ৰুৱাৰীত ঘটিছিল। সেই সভাত ইউ. গোপাল মেনন, কে. মাধৱন নায়াৰ আৰু মোসতীন কোয়া আদি নেতাসকলে ভাষণ দিয়াৰ কথা। জিলা মেজিষ্ট্ৰেটে ভাষণ দিয়াৰ বিৰুদ্ধে আদেশ জাৰী কৰিলে ; কিন্তু নেতাসকলে সেই আদেশ অমান্য কৰাত আটাইকেইজনকে গ্ৰেপ্তাৰ কৰি জেললৈ লৈ যোৱা হ'ল। তেওঁলোকক ছমাহৰ কাৰণে জামিনত ৰাখিবলৈ তালৈ লৈ গৈছিল ; কিন্তু তেওঁলোকে তাৰ বিৰোধিতা কৰাত তেওঁলোকক ছমাহৰ কাৰণে সাধাৰণ বন্দীৰ শাস্তি বিহি কন্নুৰ জেললৈ পঠাই দিলে।

সেই খবৰটো দপ্ কৰে জুই একুৰা জ্বলাৰ দৰে জ্বলি উঠি চাৰিওপিনে বিয়পি পৰিল। দোকান-বজাৰ বন্ধ হ'ল, ছাত্ৰ-ছাত্ৰী স্কুল-কলেজৰপৰা ওলাই আহিল, অধিক সংখ্যক উকীলে কাছাৰীলৈ যাবলৈ এৰি দিলে। চৰকাৰৰ কুনীতি আৰু আইনৰ বিৰোধিতা কৰিবলৈ গোটেই দেশত সভা-সমিতিৰ আয়োজন কৰা হ'ল।

'নেতাসকলক গ্ৰেপ্তাৰ কৰা হ'ল। অৱস্থা আশঙ্কাজনক। তৎক্ষণাত গুচি আহা' বুলি এখন টেলিগ্ৰাম পাই মই কোষিক্কোট্টলৈ যাবলৈ সাজু হ'লোঁ। ৰাজগোপালাচাৰীও মোৰ লগত যাব বুলি ক'লে। মোৰ পত্নী আৰু ল'ৰা-ছোৱালী মাদ্ৰাজত আছিল। মই অতি সোনকালে কোষিক্কোট্টলৈ যাম বুলি শুনি তেওঁলোকে ভয় খালে। দেশসেৱাৰ কাৰণে সেই সময়ত কন্নুৰ জেলত ৰাজনৈতিক বন্দীৰ সংখ্য বৰ কম আছিল।

কোষিক্কোট্টলৈ উভতি আহি মই ভৱিষ্যতৰ কাৰ্য্যসূচী যুগুত কৰিলোঁ। মই ওকালতি এৰি দেশসেৱাত লাগি যোৱাটো নিশ্চিত কৰিলোঁ। ৰাজগোপালাচাৰী মাদ্ৰাজলৈ ঘূৰি গ'ল আৰু মালবাৰ কংগ্ৰেছৰ সকলো ভাৰ মোৰ ওপৰত ন্যস্ত কৰিলে। মোৰ থকাঠাই আৰু কংগ্ৰেছ কাৰ্য্যালয় মাধৱন নায়াৰৰ ভৱনত আছিল। তিনি সপ্তাহ পাৰ হৈ গ'ল।

মই ওকালতি এৰি দেশসেৱাত লগাৰ খবৰটো বাতৰি কাকতত পঢ়ি মোৰ পত্নী আৰু পৰিয়ালৰ আন মানুহে জানিব পাৰিলে। সেই খবৰটো শুনি মোৰ আত্মীয়-স্বজনে কি ভাবিব সেই বিষয়ে মোৰ পত্নীৰ মনত ভয় আছিল আৰু ময়ো সেই ভয় কৰিছিলোঁ। এদিন কোষিক্কোট্টৰপৰা মই পালঘাটলৈ গৈছিলোঁ। তাত মোৰ আত্মীয়-স্বজন আৰু বন্ধু-বান্ধৱৰ লগ পোৱাত তেওঁলোকৰ মুখৰ চেহেৰা দেখি মই বুজিব পাৰিলোঁ যে ওকালতি এৰি দি ৰাজনীতিত প্ৰৱেশ কৰাৰ কাৰণে কোনো সন্তুষ্ট নহয়। তেওঁলোকে মোৰ পৰিস্থিতি আৰু আনকি মোৰ কথা শুনিবলৈকো ইচ্ছা নকৰিলে। তেওঁলোকে মান্নত্তু কৃষ্ণণ নায়াৰ আৰু কেইজনমান গণ্যমান্য লোকক মোক বুজাবলৈ ক'লে। তেওঁলোকে জানিছিল যে মই কৃষ্ণণ নায়াৰক বৰ শ্ৰদ্ধা কৰিছিলোঁ। তেওঁলোকৰ অনুৰোধত কৃষ্ণণ নায়াৰে মোক লগ পাই উপদেশো দিলে—মই যেন আকৌ ওকালতিলৈ ঘূৰি আহোঁ।

কিন্তু তেতিয়ালৈকে মই অনেক আগবাঢ়ি গৈছিলোঁ আৰু সেই কাৰণে আকৌ ঘূৰি যোৱাটো সম্ভৱ নাছিল।

মোৰ পত্নী আৰু ল'ৰা-ছোৱালীকেইটাক মই মাদ্ৰাজৰপৰা কোষিক্কোট্টলৈ অনাটো থিৰাং কৰিলোঁ। তাতো মোৰ ঋণ পৰিশোধ কৰিবলগীয়া আছিল। সেই কাৰণেও মই মাদ্ৰাজলৈ গ'লোঁ।

ৰাজগোপালাচাৰীৰ নিচিনাকৈ প্ৰকাশমেও মোক দেশসেৱাত প্ৰবৃত্ত হ'বলৈ প্ৰেৰণা দিছিল। মই মাদ্ৰাজৰপৰা ঘূৰি অহাৰ আগতে তেওঁ মোৰ ঘৰলৈ দুই-তিনিবাৰ আহিছিল আৰু মোৰ সকলো কথা বুজিব পাৰিছিল। ওকালতি এৰি দেশসেৱাত নিজকে নিয়োগ কৰাত মোৰ আৰ্থিক অৱস্থা যে স্বচ্ছল নহয় তেওঁ বুজিছিল। যেতিয়া তেওঁ মোক বিদায় দিবলৈ আহে তেতিয়া "এইখন ৰাখা" বুলি এখন 'চেক' মোৰ হাতত গুজি দিয়ে। সেই 'চেক'খনে মোৰ সেই সময়ৰ সকলো আৰ্থিক সমস্যাৰ সমাধান কৰিলে। মই আইনৰ কিতাপ আৰু মোকৰ্দমাৰ কাগজ-পত্ৰবোৰ মাদ্ৰাজতে এৰি কোষিক্কোট্টলৈ ঘূৰি আহিলোঁ।

অসহযোগ আন্দোলন

আগতেই কৈ অহা হৈছে যে কেৰালাক এটা কংগ্ৰেছী প্ৰান্ত কৰা হৈছিল। কেৰালা প্ৰান্তৰ কংগ্ৰেছ কমিটীৰ সম্পাদক হিচাপে ময়েই প্ৰথমে সমিতিৰ শাখাবোৰ স্থাপন কৰিছিলোঁ। প্ৰাথমিক খৰচৰ কাৰণে ৰাজগোপালাচাৰীয়ে মোক এহজাৰ টকা দিছিল। মই মাধৱন নায়াৰৰ ঘৰটোৰ ওপৰ মহলাত থাকিবলৈ লৈছিলোঁ আৰু কংগ্ৰেছৰ কাৰ্য্যালয় তলত আছিল। ওকালতি এৰি সাৰ্বজনিক কামত লাগি যোৱাত কেইজনমান উকীলে কংগ্ৰেছ কাৰ্য্যালয় সুচাৰুৰূপে চলোৱাত মোক সহায় কৰিছিল। তেওঁলোকৰ ভিতৰত অচ্যুতন, অম্পলকাট্টু কৰুণাকৰ মেনন, কে. বি. গোপাল মেনন, চিদাম্ভৰ নাথন, কে. কেশৱন নায়াৰ, টি. বি. সুন্দৰয়্যৰ, টি. আৰ কৃষ্ণস্বামী, এম. পি. নাৰায়ণ মেনন, বি. ইউ. গোৱিন্দন নায়াৰ আৰু ৰাউন্নি মেননৰ নাম উল্লেখযোগ্য।

কলেজ এৰি কিছুমান ছাত্ৰয়ো কংগ্ৰেছত নাম দিবলৈ আহিছিল। তেওঁলোকৰ ভিতৰত কিছুমান ছাত্ৰই কংগ্ৰেছ সংগঠন আৰু অন্যান্য কাৰ্য্য-কলাপত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। তেওঁলোকৰ ভিতৰত কে. পি. অপ্পু নায়াৰ, টি. ভি. চালুকুট্টী নায়াৰ, আৰ. বি. শৰ্মা, দেৱেশন, মনিক্যতু গোপাল মেনন, কে. ভি. বালকৃষ্ণ মেনন, মাভুন্নি, শেখৰ মেনন, এচ. কে কোম্বৰবেয়িল. কুৰুপ নীলকণ্ঠন নাম্বুতিৰিপাদ, মুত্তেতত্তুনাৰায়ণ মেননৰ নাম উল্লেখযোগ্য।

পিছত যিসকল বিখ্যাত হৈছিল তেওঁলোকৰ বিষয়েও ক'বলগীয়া অনেক আছে। এ. কে. পিল্লে অসহযোগ আন্দোলনৰ আৰম্ভণিতে অক্সফোৰ্ড বিশ্ববিদ্যালয়ৰ ছাত্ৰ আছিল। অধ্যয়ন এৰি তেওঁ কংগ্ৰেছত যোগদান কৰে। যিসকল মানুহে তেওঁক কংগ্ৰেছত যোগদান কৰিবলৈ প্ৰেৰণা দিছিল তেওঁ মোক তেওঁলোকৰ বিষয়ে কৈছিল। পিল্লে এজন নিঃস্বাৰ্থ আৰু একনিষ্ঠ কংগ্ৰেছ কৰ্মী আছিল। তেওঁ কেইবাবছৰো ধৰি কংগ্ৰেছৰ হকে কাম কৰিছিল আৰু অনেক কষ্ট ভোগ কৰিবলগীয়া হৈছিল। তেওঁ এজন ত্যাগী পুৰুষ আছিল আৰু কংগ্ৰেছৰ আদৰ্শ প্ৰচাৰ কৰিবৰ কাৰণে কোল্লমৰপৰা 'স্বৰাট' নামৰ এখন মালয়ালম বাতৰি কাকত উলিয়াইছিল। কিছুদিনৰ পিছত তেওঁ কংগ্ৰেছ এৰি এম. এন. ৰায়ৰ দলত যোগদান কৰে। শেহৰ পিনে তেওঁৰ আৰু মোৰ মাজত মতানৈক্য হয়, কিন্তু আমাৰ বন্ধুত্ব আগৰ দৰে অটুট থাকে।

অসহযোগ আন্দোলন আৰম্ভ হোৱাৰ সময়ত এজন যুৱক কংগ্ৰেছ কাৰ্য্যালয়লৈ আহিছিল। তেওঁ বোম্বাইত আইন অধ্যয়ন কৰিছিল। অধ্যয়ন এৰি দি তেওঁ ৰাজনীতিত সোমাই দেশসেৱা কৰিবৰ কাৰণে আমাৰ কাৰ্য্যালয়লৈ আহিছিল। ধুতি আৰু কামিজৰ ওপৰত কোট এটা পিন্ধি হাতত ছাতি এটা লৈ তেওঁ মোৰ আগত থিয় হোৱা দিনটোৰ

কথা মোৰ এতিয়াও স্পষ্ট মনত আছে। তেওঁ কংগ্ৰেছ কৰ্মী হিচাপে অনেক বছৰ ধৰি দেশসেৱা কৰি অনেক খ্যাতি অৰ্জন কৰিছিল। তেওঁৰ নাম আছিল কে. কেলপুন।

অসহযোগ আন্দোলনৰ প্ৰাৰম্ভত মহম্মদ আব্দুৰ ৰহিমানে আলিগড় মুছলীম কলেজত পঢ়ি আছিল। পঢ়া-শুনা এৰি থৈ তেওঁ কোষিক্কোট্টলৈ আহে। তেওঁৰ গাটো বৰ দীঘল আছিল আৰু মুখত শকত মোচ আছিল। তেওঁ বৰ ভালকৈ কথা ক'ব পাৰিছিল আৰু সেই কাৰণে যিকোনো শ্ৰোতাই তেওঁৰ কথা মানি লৈছিল। তেওঁ কংগ্ৰেছলৈ ডাঙৰ বৰঙণি আগবঢ়াইছিল আৰু 'অল আমিন' নামৰ বাতৰি কাকত এখনৰ সম্পাদক আছিল। যেতিয়া তেওঁ প্ৰসিদ্ধিৰ উচ্চ শিখৰত উপনীত হৈছিল নিষ্ঠুৰ বিধাতাই তেওঁক এই সংসাৰৰপৰা লৈ যায়। তেওঁৰ আকস্মিক মৃত্যুত কেৰালা কংগ্ৰেছৰ অপূৰণীয় ক্ষতি হ'ল।

ই. মোয়েত্তু মৌলবীয়ে কংগ্ৰেছৰ আদৰ্শক কেৰালাৰ মুছলমান জনসাধাৰণৰ মাজত প্ৰচাৰ কৰি অনেকক কংগ্ৰেছত যোগদান কৰিবলৈ অনুপ্ৰাণিত কৰিছিল। তেওঁ অতি সৰল মালয়ালম ভাষাত কংগ্ৰেছ আৰু খিলাফতৰ উদ্দেশ্য ব্যাখা কৰি বুজাইছিল আৰু জনসাধাৰণে তেওঁৰ সকলো কথা হৃদয়ংগম কৰিছিল। সেই কালত আমি একেদিনাই বিভিন্ন ঠাইত দুই-তিনিখন সভা পাতিছিলোঁ ; মোয়েত্তু মৌলবীয়ে সেই সভাবোৰত অনৰ্গল বক্তৃতা দিছিল। তেওঁ এতিয়াও জনহিতকৰ কাম কৰি থাকে।

অসন কোয়ামোল্লা বৰ ভাল বক্তা নাছিল, কিন্তু কথা কৈ থাকোঁতে তেওঁৰ মুখৰ মধুৰ হাঁহিটোৱে শ্ৰোতাৰ মন আকৰ্ষণ কৰিছিল। মানুহক বুজোৱা আৰু কংগ্ৰেছৰ কাৰণে তেওঁলোকৰপৰা চান্দা তোলাত কোয়ামোল্লা চাহাবৰ অদ্ভুত ক্ষমতা আছিল। সেই কাৰণে কেৰালা কংগ্ৰেছ তেওঁৰ ওচৰত ঋণী আছিল।

পেৰিন্তলমন্ন কে. মহম্মদ মুসলিয়াৰ এজন উৎসাহী কৰ্মী আছিল। অসহযোগ আন্দোলন আৰম্ভ হোৱাৰেপৰা তেওঁ প্ৰচাৰ কাৰ্য্যত লিপ্ত আছিল। হাত-চুটি চোলা আৰু এটা বগা পায়জামা পিন্ধি কান্ধত এখন ভাঁজ কৰা চাদৰ থৈ মূৰত টুপী এটা পিন্ধি যেতিয়া মুলসিয়াৰে মঞ্চৰ ওপৰত থিয় হৈ দুঘন্টা ধৰি একেৰাহে অনৰ্গল বক্তৃতা দিছিল শ্ৰোতাই স্তব্ধ হৈ শুনিছিল।

কংগ্ৰেছৰ প্ৰচাৰ কাৰ্য্যৰ কাৰণে যেতিয়া এবাৰ মালবাৰলৈ গৈছিলোঁ তাত ঘটা ঘটনা এটাৰ কথা এতিয়াও মোৰ স্পষ্ট মনত আছে। সভাখন এটা মছজিদৰ ওচৰত থকা খেলপথাৰ এখন পাতিছিল। মঞ্চটো ওখ আছিল। তাৰ ওপৰত চকী মেজ আদি আছিল। পেণ্ডেলখন সুন্দৰকৈ সজাইছিল আৰু আমি আঠজন মানুহ মঞ্চৰ ওপৰত বহি আছিলোঁ। দুঘন্টাৰ পিছত সভাৰ কাৰ্য্য শেষ হ'ল আৰু আমি যেতিয়া মঞ্চৰপৰা নামিলো তেতিয়া দেখিলোঁ মঞ্চখন এটা দ কুঁৱাৰ ওপৰত তৈয়াৰ কৰা হৈছে। মঞ্চৰ কাঠবোৰ ভাগিলহেঁতেন আমি আঠজন দ কুঁৱাটোৰ ভিতৰত পৰিলোঁহেতেন। বৰ দুঃসাহসতো! কথাটো উল্লেখ কৰাত মঞ্চ তৈয়াৰ কৰাৰ দায়িত্ব লোৱা মানুহজনে হাঁহি ক'লে, "ভয়ৰ কোনো কাৰণ নাই, কাঠ মজবুত—ভগাৰ কোনো প্ৰশ্নই নুঠে।"

কোমুকুট্টী মৌলৰী, কোল্লম কে. পৰীন চাহাব, তিৰুৱল্লা কে. কুৰুৱিল্লা, চিট্টেটত্তু শংকু পিল্লে আদি নেতাসকলে অসহযোগ আন্দোলনৰ প্ৰাৰম্ভত বৰ উৎসাহেৰে কাম কৰিছিল।

কংগ্ৰেছ কৰ্মীসকলক প্ৰশিক্ষণ দিবৰ কাৰণে কংগ্ৰেছ কাৰ্য্যালয়ৰ ওচৰত এখন বিদ্যালয় খোলা হৈছিল। তিনি সপ্তাহ প্ৰশিক্ষণ দিয়া হৈছিল। তাত শিক্ষাৰ্থীসকলে বিশ্বৰ ইতিহাস, কংগ্ৰেছৰ ইতিহাস, ভাৰতৰ ইতিহাস, কংগ্ৰেছৰ কাৰ্য্যক্ৰম আৰু স্বাধীনতা সংগ্ৰামৰ নেতাসকলৰ জীৱনী আদি অধ্যয়ন কৰিছিল। সূতা কটা আৰু মদ স্পৰ্শ নকৰা বাধ্যতামূলক আছিল। বি. ইউ. গোৱিন্দন নায়াৰ বিদ্যালয়খনৰ ব্যৱস্থাপক আছিল। মধুৰদাস পুৰুষোত্তম নামৰ এজন গুজৰাটী মানুহে সূতা-কটা শাখাটো পৰিচালনী কৰিছিল। ৰাতিপুৱা অধ্যয়ন কৰা, দূপৰীয়াৰ পিছত মদৰ দোকানবোৰৰ সম্মুখত সমবেত হৈ দোকানবোৰ বন্ধ কৰিবলৈ বাধ্য কৰোৱা আৰু আবেলি সূতা কটা কংগ্ৰেছ কাৰ্য্যালয়ৰ কাৰ্যক্ৰম আছিল। পঢ়াবৰ কাৰণে মই পুৱা আঠ বজাত বিদ্যালয়লৈ গৈছিলোঁ আৰু পঢ়াই দুঘন্টাৰ পিছত ঘূৰি আহিছিলোঁ। কে. ভি. গোপাল মেনন, অচ্যুতন উকীল আৰু অম্পলকাট্টু কৰুণাকৰ মেনন আদি কংগ্ৰেছ কৰ্মীসকল ৰাতিপুৱাই কাৰ্য্যালয়লৈ আহিছিল। কৰুণাকৰ মেনন প্ৰান্তীয় কংগ্ৰেছ সমিতিৰ কোষাধ্যক্ষ আছিল। এম. এম. গোৱিন্দ কুৰুপে দৈনিক কাৰ্য্যালয় আৰু বিদ্যালয়লৈ আহি কাম কৰিছিল। কংগ্ৰেছ কাৰ্য্যালয়ত চৰকাৰী কাৰ্য্যালয়ৰ নিচিনাকৈয়ে কামবোৰ চলিছিল। এবাৰ হাকিম আজমন খান আৰু ৰাজগোপালাচাৰী আমাৰ কংগ্ৰেছ কাৰ্যালয়লৈ আহি তাৰ কামবোৰ দেখি বৰ সন্তুষ্ট হৈছিল আৰু আমাক প্ৰশংসা কৰিছিল। তেওঁলোকৰ প্ৰশংসাই আমাক বৰ উৎসাহ দিছিল। কোচিন ৰাজ্য কংগ্ৰেছ শাখাৰ সম্পাদক ভূত্তেটত্ত নাৰায়ণ মেনন আৰু তিৰুৱিতাঙ্কুৰ শাখাৰ সম্পাদক কে. এম. কে. পিল্লে আছিল। কে. পি. অপ্পুনাথনে তলইশেৰীৰ কাৰ্য্য-কলাপবোৰ তদাৰক কৰিছিল।

কংগ্ৰেছ কাৰ্য্যালয়ত মোৰ সহকাৰী আছিল কে. ভি. কুঞ্জুনি মেনন। তেওঁ এজন ভাল গদ্য লেখক আছিল। আবেদন পত্ৰ আৰু প্ৰস্তাৱবোৰ যুগুত কৰোঁতে তেওঁ মোক বৰ সহায় কৰিছিল। মোৰ স্নেহসনা অনুপ্ৰেৰণা পাই তেওঁ বৰ উৎসাহেৰে কামবোৰ কৰিছিল।

1921 চনৰ এপ্ৰিল মাহত ওট্টপালম কেন্দ্ৰ স্থাপন কৰি প্ৰথম প্ৰান্তিক সন্মিলনখন চলাবলৈ তাৰ আয়োজনৰ কাৰণে মই যাবলগীয়া হৈছিল। তাৰ আগতে মালবাৰ জিলা কংগ্ৰেছৰ কামবোৰো মোৰ নিৰ্দেশতেই চলিছিল। ওট্টপালমৰ সম্পাদক আছিল ৰামুন্নি মেনন। তেওঁ তাৰ উকীল আছিল। বামুন্নি মেনন এজন একনিষ্ঠ আৰু কৰ্তব্য পৰায়ণ ব্যক্তি আছিল। স্কুল-কলেজৰ পাঠ্যক্ৰম তেওঁ যি উৎসাহ আৰু মনোযোগেৰে পঢ়িছিল, কংগ্ৰেছ কাৰ্য্যালয়ৰ কামবোৰো তেনে উৎসাহ আৰু মনোযোগেৰে কৰিছিল। তেওঁ কাম কৰি আনন্দ পাইছিল ; খ্যাতি আৰু সুনাম অৰ্জন কৰাৰ ইচ্ছা তেওঁৰ সমূলি নাছিল। কিছুদিনৰ পিছত যেতিয়া তেওঁ 'মাতৃভূমি' পত্ৰিকাৰ সম্পাদকৰ পদ গ্ৰহণ কৰে

তেতিয়াৰপৰা তেওঁৰ আচল গুণৰ জিলিকনি মানুহে দেখিবলৈ পাইছিল। তেওঁ এজন নিৰ্ভীক সমালোচক আছিল আৰু নিজৰ মতৰ ওপৰত সদায় দৃঢ় আছিল। নিজৰ স্বাস্থ্যৰ অলপো যত্ন নলৈ দিনে-ৰাতিয়ে অবিশ্ৰান্ত পৰিশ্ৰম কৰাৰ কাৰণে তেওঁৰ স্বাস্থ্য লাহে লাহে ভাগি গৈছিল আৰু তাৰে পৰিণামত তেওঁ অকালতে প্ৰাণ হেৰুৱাবলগীয়া হৈছিল। তেওঁৰ অকাল মৃত্যুত কেৰালা কংগ্ৰেছ তথা গোটেই কেৰালাৰ অপূৰণীয় ক্ষতি হ'ল।

ওট্টপালম সন্মিলনৰ সফলতাৰ- কাৰণে ৰামুন্নি মেননে দেহে-কেহে খাটিছিল। তেওঁক সহায় কৰিবৰ কাৰণে মই মাজে মাজে ওট্টপালমলৈ গৈছিলোঁ। অসহযোগ আন্দোলন আৰম্ভ হোৱাৰ পিছত সেই প্ৰথম সন্মিলনখন বহাৰ কথা। সেই কাৰণে তালৈ নানা ভাগৰপৰা প্ৰতিনিধি আহিছিল। টি. প্ৰকাশম তাৰ সভাপতি আছিল। আদৰণি সমিতিৰ সভাপতি পালঘাটৰ এজন নামকৰা উকীল এল. এ. সুব্ৰৰাময়্যৰ আছিল। ৰাষ্ট্ৰীয় সন্মিলনৰ লগত খিলাফত সন্মিলন আৰু এখন শিক্ষাৰ্থী সন্মিলন আছিল। প্ৰথমখনৰ সভাপতি আছিল তিৰুচিৰাপল্লীৰপৰা অহা সেয়তুমুত্ত চাহাব আৰু দ্বিতীয়খনৰ সভাপতি আছিল জৰ্জ জোচেফ।

ওট্টপালমৰ চাৰিওপিনে উখলমাখল। কংগ্ৰেছ শোভাযাত্ৰীৰ জয়ধ্বনি ওট্টপালমৰ বতাহত মুখৰিত হ'ল। বিখ্যাত বাগ্মীবৰ পালিয়ন্ত্ত-কুঞ্জুন্নি অচচনৰ ভাষণে নেতা আৰু কংগ্ৰেছ কৰ্মীসকলৰ মনত নতুন উৎসাহ আৰু নতুন উদ্যমৰ সৃষ্টি কৰিলে। ওট্টোপালমৰ সন্মিলনে জনতাক জগাই তুলিলে।

অসহযোগ আন্দোলন থমাবৰ কাৰণে পুলিচে নানা উপায় অৱলম্বন কৰিছিল। কিন্তু হিন্দু আৰু মুছলমান দুয়ো ভাই-ককাইৰ নিচিনাকৈ মিলিজুলি যে স্বাধীনতা সংগ্ৰামত অংশ গ্ৰহণ কৰিব সেই কথা বৃটিছ চৰকাৰ তথা পুলিচে আগতে ভবা নাছিল। যি কি নহওক, আন্দোলন দমন কৰিবলৈ যিকোনো এটা উপায় উলিয়াবলৈ চৰকাৰ উঠিপৰি লাগিল। পুলিচ অধীক্ষক হিচককৰ নেতৃত্বত বহুত পুলিচ সভাস্থলীৰপৰা অলপ দূৰত থিয় হৈ আছিল। সভাৰ প্ৰাণ স্বৰূপ ৰামুন্নি মেননক খং তোলাবলৈ সিহঁতে সুবিধা বিচাৰি আছিল। প্ৰথম দিনটো নিৰাপদে গ'ল। দ্বিতীয় দিনা সভা আৰম্ভ হোৱাৰ অলপ পিছতে সভামণ্ডপ আৰু বাহিৰত কোলাহ'ল আৰম্ভ হ'ল। ৰামুন্নি মেনন আৰু চি. মাধৱ মেননক পুলিচে লাঠিৰে কোবোৱাৰ ফলত গুৰুতৰভাৱে আহত হ'ল আৰু আহত ৰামুন্নি মেননক এজন মুছলমানে কান্ধত তুলি লৈ পেণ্ডেলৰ ভিতৰলৈ লৈ আহিছিল। তাকে দেখি জনতা উত্তেজিত হ'ল, কিন্তু আমাৰ সংগ্ৰাম যিহেতু অহিংসাত্মক, নেতাসকলে চিঞৰি চিঞৰি জনতাক ক্ষান্ত হ'বলৈ অনুৰোধ কৰাত জনতা শান্ত হ'ল।

সেইদিনাৰ পুলিচৰ অত্যাচাৰৰ ফলত হোৱা ঘৃণনীয় ঘটনাটো কেনেকৈ ঘটিবলৈ পালে তাৰ ওপৰত এখন প্ৰতিবেদন যুগুত কৰিবলৈ কংগ্ৰেছ সমিতিয়ে এখন কমিটী গঠন কৰিলে। কমিটীখনৰ সদস্য আছিল সভাৰ সভাপতি টি. প্ৰকাশনী, আদৰণী সভাৰ সভাপতি এল. এ. সুব্ৰৰাময়্যৰ, খিলাফত পৰিষদৰ সভাপতি মুত্তৰ্সা চাহাব, শিক্ষাৰ্থী পৰিষদৰ সভাপতি জৰ্জ জোচেফ আৰু কংগ্ৰেছ সম্পাদক হিচাপে মই। গোটেই

ঘটনাটো তদন্ত কৰি প্ৰমাণবোৰ সংগ্ৰহ কৰি মই কোষিক্কোট্টলৈ ঘূৰি আহিলোঁ। এমাহৰ পিছত প্ৰতিবেদনখন যুগুত কৰি প্ৰকাশ কৰিলোঁ যে পুলিচ অধীক্ষক হিচ্চককৰ আদেশ পাই পুলিচে ৰাইজক আক্ৰমণ কৰিছিল আৰু ৰাইজে সেই আক্ৰমণৰ কাৰণে কোনো অপৰাধ কৰা নাছিল। সেই প্ৰতিবেদনখন আমি সকলো সদস্যই একমত হৈ যুগুত কৰিছিলোঁ।

হিচ্চককে আদালতত মানহানিৰ মোকৰ্দমা দিলে। মই আদালতত অপৰাধীৰ হৈ মোৰ উক্তি এনেদৰে দিলোঁ, "ভাৰতত এতিয়া যি বিচাৰ আৰু নীতি চলিছে তাৰ ওপৰত মোৰ অপৰাধীৰ কোনো বিশ্বাস নাই। সেই কাৰণে মই তেওঁৰ হৈ কোনো ওকালতি নকৰোঁ।"

সেই মোকৰ্দমাৰ ৰায় আদালতে আৰু তাৰ পিছত উচ্চ ন্যায়ালয়ে হিচ্চককৰ অনুকূলে দিলে। কিন্তু সকলোৱে আমাৰ প্ৰতিবেদনৰ কথাবোৰ সত্য বুলি মানি ল'লে।

হিচ্চকক এজন সুদক্ষ পুলিচ অধিকাৰী আছিল। তেওঁ অনেক বছৰ মালবাৰত আছিল। অপৰাধীক বাহিৰ কৰি যথা সময়ত গ্ৰেপ্তাৰ কৰাত তেওঁ অসাধাৰণ তৎপৰতা দেখুৱাছিল। অৱসৰ লৈ ইংলণ্ডলৈ যাওঁতে বাটতে তেওঁৰ মৃত্যু হয়। কোষিক্কোট্টলৈ যোৱাৰ পথত মলপ্পুৰম আৰু মঞ্চেৰীৰ মাজত তেওঁ এটা 'স্মাৰক' নিৰ্মাণ কৰিছিল। সেই ঠাইডোখৰ তেতিয়াৰ ভীষণ আক্ৰমণ পুলিচ আৰু জনতাৰ সংঘৰ্ষৰ কাৰণে বিখ্যাত আছিল। স্বাধীনতা লাভৰ পিছত সেই স্মাৰকখন তাৰপৰা তুলি দিয়া হয়, কাৰণ সেইখন আমাৰ অপমানসূচক এটা চিহ্ন আছিল। কিন্তু আজিও তাৰ অৱশিষ্ট তাত পোৱা যাব। কোনোবাই এঠাইত কাৰোবাৰ স্মৃতিচিহ্ন বহুৱায় আৰু আন কোনোবাই তাক উঠাই দিয়ে। এই ৰীতি সদায় দেখা যায়, কেৱল আমাৰ দেশতেই নহয় অন্যান্য দেশবোৰতো। ইংৰাজ শাসন কালৰ ছবি, স্থান, ইমাৰত আৰু পথৰ নামো সলনি কৰাৰ ব্যগ্ৰতা সকলোতে পৰিলক্ষিত হয়। কিন্তু ইতিহাসক পাহৰি যোৱাটো অসম্ভৱ। বিদেশী শাসনৰ কথা সোঁৱৰাই দিয়া যিকোনো স্মৃতিচিহ্ন দেখিলে সেইবোৰে আমাক সাৱধান কৰি দিয়ে।

দ্বিতীয় মহাসমৰৰ সময়ত যেতিয়া জাপানে চিঙ্গাপুৰ অধিকাৰ কৰে তেতিয়া তেওঁলোকে ইংৰাজ শাসনৰ কথা সোঁৱৰাই দিয়া সকলো স্মৃতিচিহ্ন নষ্ট কৰি দিছিল আৰু তাৰ ঠাইত নিজৰ স্মৃতিচিহ্ন ৰাখিছিল। যেতিয়া ইংৰাজে আকৌ চিঙ্গাপুৰ ঘূৰাই লয় তেতিয়া জাপানৰ সকলো স্মৃতিচিহ্ন গুচাই দিছিল। কিন্তু এনেধৰণৰ কামবোৰে ইতিহাসক পাহৰি যাব পৰা কৰিব নোৱাৰে। ঘটা ঘটনাবোৰৰ স্মৃতিৰ চিন কোনে মছিব পাৰে ?

বিপদৰ সংকেত

1921 চনৰ মে' মাহত ইয়াকুব হুচেইন, মাধৱন নায়াৰ, গোপাল মেনন আৰু মোথনীন কোয়া জেলৰপৰা মুকলি হয়। কোষিকোট্টলৈকে সকলো ৰেলষ্টেচনতে তেওঁলোকক আদৰ-অভ্যৰ্থনা কৰা হয়। তেওঁলোকক অভ্যৰ্থনা কৰিবৰ কাৰণে কোষিক্কোট্টত ডাঙৰ আয়োজন হৈছিল। কংগ্ৰেছ আৰু খিলাফতৰ স্বেচ্ছাসেৱক আৰু অন্যান্য মানুহে তেওঁলোকক অভ্যৰ্থনা কৰিবলৈ ভিৰ কৰিছিল আৰু তেওঁলোকৰ কাৰণে অপেক্ষা কৰি ৰৈ আছিল। ইয়াকুব চাহাব পোনে পোনে মাদ্ৰাজলৈ ৰাওণা হৈছিল। বাকী তিনিজনক লৈ কোষিক্কোট্টত এটা শোভাযাত্ৰা বাহিৰ কৰা পৰিকল্পনা আগৰপৰাই আছিল। শোভাযাত্ৰাৰ আগত এটা ভালদৰে সজোৱা ঘোঁৰাৰ পিঠিত উঠি টি. ভি. চাত্তুক্কুট্টি নায়াৰে শোভাযাত্ৰীসকলক নিয়ন্ত্ৰণ কৰিছিল। শোভাযাত্ৰীসকলে জয়ধ্বনি দি, দেশপ্ৰেমৰ গীত গাই আগবাঢ়ি গৈ আছিল আৰু শোভাযাত্ৰাই এটা উৎসৱৰ ৰূপ ধাৰণ কৰিছিল। ফুলেৰে সজোৱা চহৰৰ ৰাস্তাবোৰেদি নেতাকেইজনক লৈ যোৱাত মানুহে তেওঁলোকলৈ ফুল ছটিয়াইছিল আৰু ঠায়ে ঠায়ে তেওঁলোকক মানুহে মালা পিন্ধাইছিল। শোভাযাত্ৰা চালপুৰমত থকা কংগ্ৰেছ কাৰ্য্যালয় পাওঁতে তিনি ঘন্টা লাগিল। তাত সমুদ্ৰৰ পাৰত আবেলি এখন বিৰাট সভাৰ আয়োজন কৰা হৈছিল আৰু সভাত হাজাৰ হাজাৰ মানুহ উপস্থিত আছিল। হিন্দু-মুছলমানৰ মাজত প্ৰীতিৰ সম্বন্ধ উচ্চতম শিখৰত উপনীত হৈছিল। মানুহে সেই দিনটোক এটা ডাঙৰ উৎসৱৰ দিন হিচাপে পালন কৰিছিল। পিছদিনা ৰাতিপুৱা মাধৱন নায়াৰ মঞ্চেৰীলৈ গ'ল। অভ্যৰ্থনাৰ কামত লাগি থকাৰ কাৰণে মোৰ কাৰ্য্যালয়ৰ কামৰ কিছু ক্ষতি হ'ল। মই সেই ক্ষতি পূৰণৰ কাৰণে উঠি-পৰি লাগিলোঁ। কিছুমান দিনৰ আগৰেপৰা এৰনাটৰ পৰিস্থিতি বেয়া হোৱাৰ খবৰ মাজে মাজে পাই আহিছিলোঁ। তাৰ কংগ্ৰেছ-খিলাফত সমিতিবোৰক পুলিচে ভাঙি দিয়াৰ চেষ্টা কৰিছিল। পুলিচে কিবা নহয় কিবা এটা কাৰণ দেখুৱাই খিলাফত কাৰ্য্যালয়লৈ গৈ তাৰ কৰ্মীসকলক মাৰধৰ কৰি গ্ৰেপ্তাৰ কৰিছিল। তেনে ধৰণৰ অত্যাচাৰ কাৰ্য্যালয়ৰ কৰ্মীসকলে সহ্য কৰিছিল। কিন্তু ই অহিংসাত্মক সংযমৰ সীমা অতিক্ৰম কৰি গৈছিল। কাৰ্য্যালয়ৰ কৰ্মীসকলৰপৰা প্ৰতিবেদন আৰু এৰনাটৰপৰা অহা মানুহৰ মুখেদি তাৰ অশান্ত পৰিস্থিতিৰ কথা জানি আমি চিন্তিত হৈছিলোঁ।

কংগ্ৰেছ সমিতিবোৰৰ সংখ্যা বৃদ্ধি কৰিবলৈ আমাৰ চেষ্টা দেখি চৰকাৰ চিন্তিত হোৱা নাছিল, কিন্তু খিলাফত সমিতিবোৰৰ সংখ্যা ক্ৰমান্বয়ে বেছি হোৱা দেখি চৰকাৰ চিন্তিত আৰু অধীৰ হ'ল। নানা ধৰণৰ আতংকৰ কেন্দ্ৰ আছিল এৰনাট। সেই

এলেকাটোত সমিতিবোৰৰ সংখ্যা বৃদ্ধি হ'লে নানা উৎপাত আৰম্ভ হ'ব বুলি পুলিচে ভয় কৰিছিল।

এইখিনিতে খিলাফত সমিতিনো কি পাঠকে জনা উচিত।

এটা আৰবী শব্দ আছে 'খলিফ'—যাৰ অৰ্থ হ'ল প্ৰতিনিধি। 'ঈশ্বৰৰ প্ৰতিনিধি'—এই বিশেষ অৰ্থত সেই শব্দটো প্ৰয়োগ হয়। মহম্মদৰ মৃত্যুৰ পিছত ৰাজ্যৰ শাসনাধিকাৰ আৰু ধৰ্ম সম্বন্ধীয় অধিকাৰ এজন মানুহৰ ওপৰত ন্যস্ত কৰা হৈছিল। আৰম্ভণিতে 'খলিফা'ক নিৰ্বাচন কৰা হৈছিল। পিছত অনেক দিনলৈকে আৰবৰ ৰজাৰ পৰিয়ালে সেই পদটো গ্ৰহণ কৰি আহিছিল। শেহত সেই অধিকাৰ তুৰ্কীৰ চুলতানে পালে আৰু মুছলমান জনতাই তেওঁৰ সেই অধিকাৰ স্বীকাৰ কৰিলে। তেওঁলোকৰ এটা নিয়ম আছিল—অধিকাৰ আৰু ক্ষমতা এজন মুছলমান ৰজাই পাব লাগে আৰু তেওঁৰ দেশ আৰু পুণ্যস্থানবোৰ ৰক্ষা কৰাৰ ক্ষমতা থকা উচিত। এনেকৈ সেই ৰজা অৰ্থাৎ খলিফাজনক ৰাজ্যশাসন আৰু ধৰ্মৰক্ষাৰ দুয়োটা দায়িত্ব দিয়া হৈছিল। সেই কাৰণে তুৰ্কী চুলতানৰ বিৰুদ্ধে এটা শব্দও উচ্চাৰণ কৰিব নোৱাৰিছিল। ভাৰতৰ মুছলমানসকলেও তেওঁক স্বীকাৰ কৰি লৈছিল আৰু ইংৰাজেও তুৰ্কী চুলতানক সেই সন্মান আৰু মৰ্য্যাদা দিছিল। মুছলমানসকলে বিশ্বাস কৰে যে খলিফাৰ আদেশ ঈশ্বৰৰ আদেশ আৰু তেওঁৰ আদেশ পালন নকৰিলে কোনো মুছলমান মৃত্যুৰ পিছত বেহেস্ত অৰ্থাৎ স্বৰ্গলৈ যাব নোৱাৰে। খলিফাৰ স্বত্ব আৰু মৰ্য্যাদাৰ যাতে কিঞ্চিৎমানো ক্ষুণ্ণ নহয় তালৈ লক্ষ্য কৰাটো প্ৰত্যেকজন মুছলমানৰ ধৰ্ম। সেই কাৰণে ইছলাম ধৰ্মৰ প্ৰধান কেন্দ্ৰ আৰৱ দেশ মুছলমানৰ অধীনত থকাটো নিতান্ত আৱশ্যকীয় আৰু অপৰিহাৰ্য্য আছিল।

খিলাফতৰ বিষয়ে আলোচনা কৰিবৰ সময়ত দুটা কথালৈ লক্ষ্য কৰিব লাগিব। প্ৰথমতে, খলিফাৰ অধিকাৰ আৰু প্ৰতিপত্তি অক্ষুণ্ণ ৰখাৰ দায়িত্ব সকলো মুছলমানে বহন কৰিব আৰু দ্বিতীয়তে ইছলাম ধৰ্ম-কেন্দ্ৰ আৰৱ দেশক অন্য ধৰ্মৰ মানুহৰ হাতৰপৰা ৰক্ষা কৰাক তেওঁলোকে এটা পৱিত্ৰ কৰ্তব্য বুলি ধৰি ল'ব।

1914 চনত প্ৰথম মহাসমৰত তুৰ্কী চুলতানে ইংৰাজৰ বিৰুদ্ধে জাৰ্মানীৰ পক্ষ লৈছিল। এই ঘটনাটোৱে ভাৰতীয় মুছলমান সকলক বৰ বেয়া পৰিস্থিতিত পেলালে। তেওঁলোক বৃটিছৰ প্ৰজা। সেই কাৰণে যুদ্ধ সমাপ্ত হোৱাৰ পিছত তেওঁলোকে নিজৰ চৰকাৰক সহায় কৰিব লাগে। কিন্তু তুৰ্কী চুলতান তেওঁলোকৰ নিজৰ খলিফা যাৰ বিৰুদ্ধে তেওঁলোক যাব নোৱাৰে। খলিফাৰ পদ, শক্তি আৰু অধিকাৰ খৰ্ব নকৰাটো তেওঁলোকৰ এটা পৱিত্ৰ কৰ্তব্য। ইংৰাজে ভাৰতৰ মুছলমানসকলৰ সেই জটিল পৰিস্থিতিটোৰ কথা ভালকৈ জানি যুদ্ধত তেওঁলোকৰপৰা সহায় পাবৰ পথ বিচাৰিবলৈ ধৰিলে।

সেই সময়ত ভাইচৰয়ে বৃটিছ সম্ৰাটৰ প্ৰতিনিধি হিচাপে ঘোষণা কৰিলে—ইংৰাজে মুছলমানৰ ধৰ্মস্থানবোৰৰ কোনো ক্ষতি নকৰে। তেওঁলোকে খলিফাৰ বিৰুদ্ধে নহয় তুৰ্কী চৰকাৰৰ বিৰুদ্ধেহে যুদ্ধ কৰিছে। "আমি মুছলমানসকলক দৃঢ়বিশ্বাস দিওঁ যে খলিফা

কোনো ইউৰোপীয় ৰজাৰ অধীনলৈ নাহি সৰ্বদায় স্বাধীন থাকিব।" বৃটিছৰ এই ঘোষণাটো শুনি ভাৰতৰ মুছলমানসকলে মনত আনন্দ পালে আৰু তাৰ ফল স্বৰূপে বৃটিছে তেওঁলোকৰপৰা যুদ্ধৰ কাৰণে টকা পইচাৰ অনেক সহায় পালে।

যুদ্ধ শেষ হ'ল। বিজেতা ইংৰাজে নিজৰ কথা নাৰাখিলে। 1920 চনত পেৰিচত সন্ধি হ'ল আৰু সেই সন্ধিমতে তুৰ্কী চুলতানৰ খলিফা পদৰ অনেক হানি হ'ল। চুলতানৰ অধিকাৰৰ মাত্ৰা আৰু পদটোৰ মৰ্য্যাদা হ্ৰাস হ'ল। তুৰ্কী সাম্ৰাজ্যৰ অনেক অংশ আন ৰাজ্যৰ লগত চামিল হ'ল।

খলিফাৰ দাৰুণ ক্ষতি হোৱা দেখি ভাৰতৰ মুছলমানসকল ক্ষুব্ধ হ'ল। তেওঁলোকে খলিফাৰ অধিকাৰ আৰু পদৰ মৰ্যাদা বিচাৰিলে আৰু কংগ্ৰেছে তাৰ বাবে যথাসাধ্য সহায় কৰিব বুলি ভাৰসা দিলে। এনেকৈয়ে অসহযোগ আন্দোলনৰ এটা বিভাগ হিচাপে খিলাফত আন্দোলনৰ জন্ম হ'ল আৰু দেশত খিলাফত সমিতি গঠন কৰি তাৰ কাৰ্য্যালয়বোৰ স্থাপন কৰা হ'ল।

জনসাধাৰণৰ খিলাফতৰ বিষয়ে কোনো ধাৰণা নাছিল। তেওঁলোকৰ ধাৰণা আছিল—ইংৰাজ চৰকাৰে তেওঁলোকৰ ধৰ্মৰ বিৰুদ্ধে নিশ্চয় কিবা এটা অপ্ৰিয় কাম কৰিছে আৰু সেই কাৰণে তেওঁলোকে চৰকাৰক সহযোগিতা দিয়া নাই। বৃটিছ অধিকাৰীসকলে ভালদৰে জানিছিল যে মুছলমানে তেওঁলোকৰ ধৰ্মৰ কাৰণে যিকোনো দুঃসাহসৰ কাম কৰিবলৈ প্ৰস্তুত। গতিকে এৰনাটত মুছলমান বাসিন্দা ভৰপূৰ হৈ থকাৰ কাৰণে তাত যাতে খিলাফত সমিতিবোৰে গা কৰিব নোৱাৰে তাৰ কিবা এটা ব্যৱস্থা কৰিবলৈ চৰকাৰ নিশ্চিত হ'ল।

চৰকাৰে কিছুমান মুছলমানক প্ৰলোভন দেখুৱাই তেওঁলোকক লৈ এটা সংস্থা গঠন কৰিলে যিটোৱে খিলাফত আন্দোলনৰ বিপক্ষে কাম কৰিব। সেই সংস্থাটোৰ মুছলমানসকলে ঘোষণা কৰিলে—ধৰ্মীয় দৃষ্টিৰপৰা মুছলমানে কংগ্ৰেছ আৰু খিলাফতৰ সদস্য হোৱা উচিত নহয়। 1922 চনৰ 24 জুলাইত নতুন পোন্নাবীত খিলাফতৰ এখন সভাৰ আয়োজন কৰে আৰু বিপক্ষৰ দলটোৱেও সেইদিনা তাত আন এখন সভাৰ আয়োজন কৰে। পিছৰ দলটোৰ লগত চৰকাৰী অধিকাৰী আৰু পুলিচ আছিল। পুলিচ অধিকাৰীসকলৰ ইচ্ছা আছিল—সুবিধা পালেই পুলিচ লগাই খিলাফত সমিতিৰ সভাখন ভাঙি দিব। সভাখনৰ চাৰিও পিনে পুলিচ ঘূৰি ফুৰি তাৰ পৰিৱেশটো গম্ভীৰ কৰি তুলিছিল যদিও খিলাকত সদস্যসকলৰ সহনশীলতাৰ কাৰণে কোনো অশান্তিৰ সৃষ্টি নহ'ল।

সেই সময়ত কেলপ্পন পোন্নানী কংগ্ৰেছ সমিতিৰ সম্পাদক আছিল। তেওঁ গান্ধীজীৰ আদৰ্শ দৃঢ়ভাৱে অনুসৰণ কৰিছিল। অনেক সময়ত তেওঁ নিজৰ জীৱনলৈ কেৰেপ নকৰি উপদ্ৰৱকাৰীবোৰক শান্ত কৰিবলৈ বিপজ্জনক ঠাইবোৰলৈ গৈছিল আৰু তাত শান্তি স্থাপন কৰিছিল।

পোন্নানীত বহা খিলাফত সভাখনৰ তিনি সপ্তাহৰ পিছত তিৰুৰঙ্গাটীত বহা এখন

সভাত মই সভাপতিত্ব কৰিছিলোঁ। সেই সভাত খিলাফত সমিতিবোৰৰ তত্ত্বাৱধানৰ বিষয়ে আলোচনা চলিছিল। দেশজুৰি হোৱা বিক্ষোভৰ সময়ত খ্যাতি অৰ্জন কৰা আলিমুচলিয়াৰ, লৰকুট্টি, কুঞ্চালৰি আদি নেতাসকল সভাত উপস্থিত আছিল। আলিমুচলিয়াৰ মোৰ ওচৰত মঞ্চত বহি আছিল। স্বেচ্ছাসেৱকসকলৰ কেপ্তেইন আছিল কুঞ্চালৰি। লৰকুট্টি সম্পাদকসকলৰ এজন আছিল। মই জনতাক কৈছিলোঁ—পুলিচে আমাৰ ওপৰত যিমানেই জুলুম নকৰক ক্ৰোধৰ বশৱৰ্তী হৈ আমি শান্তি ভঙ্গ কৰা কোনোমতেই উচিত নহয়।

সেই সময়ত এৰনাট কংগ্ৰেছ সমিতিৰ সম্পাদক আছিল এম. পি. নাৰায়ণ মেনন। তেওঁ পেৰিংতলমন্নত ওকালতি কৰিছিল আৰু ওকালতি এৰি দি কংগ্ৰেছত যোগদান কৰি এৰনাটত থাকিবলৈ লৈছিল। তেওঁ এৰনাটৰ পৰিস্থিতি ভালদৰে অধ্যয়ন কৰি যিকোনো সময়তে বিক্ষোভ আৰম্ভ হ'ব পাৰে বুলি কোষিক্কোট্টলৈ আহি আমাক কৈ গ'লহি। তেওঁ ক'লে যে পুলিচৰ অত্যাচাৰত অতিষ্ঠ হৈ তাৰ কিছুমান মানুহে পুলিচৰ ওপৰত প্ৰতিশোধ ল'বলৈ অস্ত্ৰ-শস্ত্ৰ সংগ্ৰহ কৰি সংঘৰ্ষৰ কাৰণে সাজু হৈ আছে। এৰনাটৰ পৰিস্থিতি সম্বন্ধে মোৰ অন্য ধাৰণা আছিল আৰু আগতে তাৰ মানুহৰ শান্তিপূৰ্ণ মনোভাবক মই প্ৰশংসা কৰিছিলোঁ, কিন্তু পিছত ঘটা কিছুমান ঘটনাই মোৰ সেই ধাৰণাক অৰ্থহীন কৰিলে।

মালবাৰ হাঙ্গামাৰ সূত্ৰপাত

1921 চনৰ 19 আগষ্টত ৰাতি দহটা বজাত মহম্মদ আব্দুৰ ৰহমান মোক লগ পাবলৈ কংগ্ৰেছ কাৰ্য্যালয়লৈ আহিল। তেওঁ মালবাৰ খিলাফত সমিতিৰ সম্পাদক আছিল। মোৰ লগত এটা বৰ জৰুৰী কথা আলোচনা কৰিবলগীয়া আছিল। তেওঁ কলে এঘন্টা মানৰ আগতে কোষিক্কোটৰপৰা এখন মটৰ গাড়ীত কিছুমান সৈনিক আৰু পুলিচ ক'ৰবালৈ গৈছে। গাড়ীখনত পুলিচ অধীক্ষক হিচ্চকক আৰু সহকাৰী পুলিচ অধীক্ষক আমু আছে। তেওঁ সন্দেহ কৰিলে—গাড়ীখন য'তদূৰ সম্ভৱ মলপ্পুৰমৰ ওচৰত থকা পুক্কোট্টোৰলৈ গৈছে। কিছুদিনৰ আগতে পুক্কোট্টোত এটা বেয়া ঘটনা ঘটিছিল। আব্দুৰ ৰহমানে মোক অনুৰোধ কৰিলে যদি পুলিচে তালৈ গৈ কিছুমান মানুহক গ্ৰেপ্তাৰ কৰে তেন্তে মই তালৈ তুৰন্তে গৈ তেওঁলোকক কওঁগৈ যেন তেওঁলোকে শান্ত হৈ পুলিচক তেওঁলোকক গ্ৰেপ্তাৰ কৰিবলৈ কয়। মই কিছুপৰ চিন্তা কৰি তালৈ তুৰন্তে নোযোৱাটো স্থিৰ কৰিলোঁ। প্ৰথমতে, পুলিচ ক'লৈ গৈছে তেওঁ নাজানে ; দ্বিতীয়তে, পুলিচ তালৈ গৈ থাকিলেও মই সিহঁতৰ আগতে পুক্কোট্টোৰত উপস্থিত নিশ্চয় হ'ব নোৱাৰিম। মই আব্দুৰ ৰহমানক সঠিক সূচনা সংগ্ৰহ কৰি পিছদিনা ৰাতিপুৱা মোক দেখা কৰিবলৈ ক'লোঁ।

20 আগষ্টৰ ৰাতিপুৱা কোষিক্কোট্টত এৰনাট সম্বন্ধীয় নানা বুবু-বাবা কাণত পৰিল। "এৰনাটত হাঙ্গামা আৰম্ভ হ'ল। সৈনিকে কেইজনমান মানুহ গুলীৰে হত্যা কৰিলে আৰু বিদ্ৰোহীসকলেও সিহঁতৰ কেইটামানক বধ কৰিলে ইত্যাদি।" যিবোৰ মানুহে কথাবোৰ উলিয়ালে তেওঁলোক হেনো এৰনাটৰপৰা আহিছে। কথাবোৰ সঁচা নে মিছা নিশ্চিত হ'বলৈ অনেক মানুহ কংগ্ৰেছ কাৰ্য্যালয়লৈ আহিল। গধূলি জানিব পাৰিছোঁ— হাঙ্গামা তিৰুৰঙ্গাট্টিত আৰম্ভ হৈছে। আচলতে বিক্ষোভকাৰীসকলে সৈনিকক তাৰপৰা খেদাই দিয়াত চহৰত গণ্ডগোল লগাত দুবৃৰ্ত কিছুমানে লুটপাত আৰম্ভ কৰাৰ কাৰণে তাৰ দোকান-বজাৰ সকলো বন্ধ হ'ল আৰু ৰাস্তাত মানুহৰ অহা-যোৱা বন্ধ হ'ল। সন্ধ্যা হোৱাৰ আগতে মানুহ ঘৰলৈ দৌৰি আহিল।

কংগ্ৰেছৰ কাৰ্য্যালয়লৈ মানুহ ৰাতি এঘাৰটালৈকে আহিবলৈ ধৰিলে। এঘাৰটা বজাৰ পিছত মই শুবলৈ গ'লোঁ। কিন্তু টোপনি নাহিল। ৰাতি একমান বজাত তলৰ চোতালত কেইজনমান মানুহ দেখি মই তললৈ নামি গ'লোঁ আৰু দুৱাৰখন নুখুলি খিড়িকীয়েদি সুধিলোঁ, "কোন তোমালোক ?" উত্তৰ আহিল, "ডাঙৰীয়া, আমি এৰনাটৰপৰা আহিছোঁ। আপোনাৰ লগত জৰুৰী কথা আছে।" মই দুৱাৰখন খুলিবলৈ যাওঁতেই পত্নীয়ে আহি বাধা দিলে আৰু চাট্টকুট্টি নায়াৰক জগাবলৈ ক'লে। তেওঁ তলত

আন এটা কোঠাত শুই আছিল। তেওঁ মোৰ ওচৰলৈ অহাত আমি দুৱাৰখন খুলি মানুহ কেইজনক ভিতৰলৈ মাতিলোঁ আৰু অহাৰ কাৰণটো সুধিলোঁ।

"আমি চেৰুৱন্নুৰৰ মানুহ আৰু এওঁলোক দুজন তিৰুৰঙ্গীৰপৰা আহিছে। তাৰ ঘটনাবোৰৰ কথা ক'বলৈ আহিছে।" তেওঁলোকৰ এজনে ক'লে। কোষিক্কোট্টৰ ওচৰত চেৰুৱন্নুৰ নামৰ এডোখৰ ঠাই আছে। তেওঁলোক তাৰপৰাই আহিছিল।

তেওঁলোকৰ কথামতে, 'অনেক সেনা তিৰুৰঙ্গাটীলৈ গৈছিল আৰু সিহঁতে অনেক মানুহক গ্ৰেপ্তাৰ কৰি মছজিদটোক চাৰিও পিনৰ পৰা ঘেৰি ধৰিছিল। তাৰ পিছত সিহঁতে মানুহৰ ওপৰত গুলী চলালে আৰু মানুহবোৰেও তাৰ প্ৰতিশোধ ল'লে। কালেক্টৰ টমাচ আৰু পুলিচ অধীক্ষক হিচ্চকক মানুহবোৰে হত্যা কৰিলে।'

কিন্তু তেওঁলোকে দিয়া বাতৰিটো সঁচা নাছিল। তেওঁলোকে মোক সুধিলে, "এতিয়া আমি কি কৰিম ?" মই উত্তৰ দিলোঁ, "এতিয়া আপোনালোকে একো কৰিব নালাগে। ঘৰলৈ উলটি গৈ আৰাম কৰক। মই ৰাতিপুৱাই তিৰুৰঙ্গাটীলৈ যাম। তাৰপৰা ঘূৰি আহি যি কৰিব লাগে কৰিম," মই ক'লোঁ।

"কাইলৈ আৰু বেছি সৈন্য অহাৰ কথা। আহিলে আমি সিহঁতক বাধা নিদিমনে ? ৰাস্তাৰ ওপৰত কাঠ পেলাই আমি সিহঁতক আগবাঢ়িবলৈ নিদিম বুলি ভাবিছোঁ।"

"যদি সিহঁতক এনেকৈ বাধা দিয়ে পৰিস্থিতি বৰ বেয়া হ'ব। এই কাৰণে সৈনিকক বাধা দিয়া উচিত নহ'ব। আপোনালোকে এই চিন্তাটো মনৰপৰা বাদ দিয়ক, এইবুলি নিৰ্দেশ দি মই তেওঁলোকক ঘূৰাই পঠালোঁ। তাৰ পিছত ৰাতিপুৱা কি কৰিব লাগিব তাকেই চিন্তা কৰি বিছনাত বাগৰ দিলোঁ। কিন্তু টোপনি নাহিল।

21 আগষ্ট। হাঙ্গামাৰ বিষয়ে অনুসন্ধান কৰিবলৈ ৰাতিপুৱাৰপৰা মানুহ কংগ্ৰেছ কাৰ্যালয়লৈ আহিবলৈ ধৰিলে। চহৰখনত নানা মানুহে নানা কথা উলিয়ালে। মই ঘটনাস্থলীলৈ যাম বুলি শুনি মোৰ কেইবাজনো শুভাকাংক্ষী বন্ধুৱে মোক তালৈ যাবলৈ হাক দিলে।

ৰাতিপুৱা আঠ বজাত মই, গোপাল মেনন আৰু মুথো মৌলৱী এখন মটৰ গাড়ীত উঠি তিৰুৰঙ্গাটী অভিমুখে ৰাওণা হ'লোঁ। আমাৰ লগত চাটুকুত্তি নায়াৰো আছিল। আমি যেতিয়া কুন্টোটিতগুল পালোঁগৈ দেখিলোঁ—অনেক মানুহ এঠাইত গোট খাই আছে। তাত মানুহৰ মুখৰপৰা তাৰ আগদিনাৰ ঘটনাবোৰৰ বিষয়ে শুনিলোঁ। লগতে শুনিলোঁ সেইদিনা ৰাতিপুৱা অনেক বিদ্ৰোহীৰ এটা দল তিৰুৰঙ্গাটীৰপৰা মঞ্চেৰীলৈ গৈছিল। বিদ্ৰোহীবোৰ তাত উপস্থিত হোৱাৰ আগতেই আমি তাত উপস্থিত হ'বলৈ থিৰাং কৰিলোঁ।

অলপদূৰ যোৱাৰ পিছত ৰাস্তাত কেইডালমান কটা গছ পৰি থকা দেখিলোঁ। আমাৰ গাড়ীখন ৰখালোঁ আৰু আমাক দেখি মানুহকেইজন আমাৰ ওচৰলৈ আহিল। তেওঁলোকে আমাক চিনি পালে আৰু ৰাস্তাৰ আন ঠাইতো এনেভাৱে গছ পৰি আছে

বুলি ক'লে। তেনে অৱস্থাত মটৰ গাড়ীৰে যোৱাটো কোনোমতেই সম্ভৱ নাছিল। গতিকে গাড়ীখন তাতে থৈ আমি খোজকাঢ়ি তিৰুঙ্গাটীলৈ ৰাওণা হ'লোঁ।

কুন্টোটিৰপৰা তিৰুঙ্গাটী পাওঁতে দুঘন্টা লাগিল। ৰাস্তাটো বৰ বেয়া কাৰণে খোজ কাঢ়ি যাওঁতে আমাৰ বেছ কষ্ট হৈছিল। ৰাস্তাত ঠায়ে ঠায়ে পঞ্চাশ-ষাঠিজনমান মানুহৰ একোটা দল থিয় হৈ থকা দেখিলোঁ। আমাক চিনি পাই তেওঁলোকে আমাক ডাব নাৰিকলৰ পানী খাবলৈ দিলে। তিৰুঙ্গাটীৰ ওচৰত থকা ডাঙৰ খালটোৰ ওচৰ পাওঁতে চাৰি বাজিল। তাৰ মানুহে আমি তালৈ যোৱাৰ খবৰ আগতেই পাইছিল আৰু সেই কাৰণে অনেক মানুহে আমাৰ কাৰণে অপেক্ষা কৰি আছিল। কিছুমান মানুহৰ হাতত লাঠি আৰু যাঠি জোং দেখিলোঁ। আমি খালটো নাৱেৰে পাৰ হ'লোঁ আৰু হাঙ্গামা লগা ঠাইডোখৰলৈ গ'লোঁ। আমাৰ পিছে পিছে মানুহবোৰো গ'ল।

সেই ভিৰৰ মাজত আমাৰ পৰিচিত অনেক মানুহক দেখিলোঁ। তেওঁলোকে আমাক হাঙ্গামা লগা ঠাইবোৰ দেখুৱালে। তাৰ পিছত আমাক এটা দুমহলীয়া ঘৰলৈ লৈ গ'ল। সেই ঘৰটোৰ বাৰান্দাত থিয় হৈ মই দূৰলৈকে চালোঁ আৰু বিশেষকৈ মাইকী মানুহ আৰু ল'ৰা-ছোৱালীবোৰৰ ভয়-বিহ্বল আৰু কৰুণ মুখবোৰ দেখি তাৰ আগদিনা হৈ যোৱা ঘটনাবোৰৰ বিষয়ে অনুমান কৰিলোঁ। তিৰুঙ্গাটীবাসীসকলৰ দুঃখ আৰু বিপত্তিৰ কাৰণে মই দুঃখ প্ৰকাশ কৰিলোঁ আৰু নিজকে সুৰক্ষিত আৰু নিৰাপদ কৰি ৰাখিবলৈ আমাৰ ওচৰলৈ অহা মানুহবিলাকক অহিংস নীতি পালন কৰিবলৈ অনুৰোধ কৰিলোঁ। তেওঁলোকৰ কিছুমানে মোৰ পৰামৰ্শ ভাল নাপালে, কিন্তু আন কিছুমানে সমৰ্থন কৰিলে।

20 তাৰিখত ঘটা ঘটনাটো সংক্ষেপে এনে ধৰণৰ আছিল।

19 আগষ্টৰ ৰাতি কিছুমান সেনা লৈ গাড়ী কেইখনমান কোষিক্কোট্টৰৰপৰা নঙ্গীলৈ আহিল আৰু তাৰ পিছত তিৰুঙ্গাটীলৈ গ'ল। ৰাতিপুৱা তিৰুঙ্গাটীৰ পূবভাগত থকা মছজিদটো, খিলাফত কাৰ্য্যালয় আৰু কাৰ্য্যালয়ৰ কেইজনমান প্ৰধান কৰ্মীৰ ঘৰবোৰ সৈনিকে ঘেৰি ল'লে। জিলাধিপতি থমাচ আৰু পুলিচ অধীক্ষক হিচ্চককে কেইজনমান পুলিচ অধিকাৰীৰ সহায়ত খিলাফত কাৰ্য্যালয়টো তন্নতন্নকৈ খানাতালাচ কৰিলে আৰু সকলো কাগজ-পত্ৰ লৈ গ'ল। পুলিচে কিছুমান মানুহক গ্ৰেপ্তাৰ কৰি ৰেলষ্টেচনলৈ লৈ গ'ল। তেতিয়ালৈকে তাত কোনো হাঙ্গামা আৰম্ভ হোৱা নাছিল। ইতিমধ্যে মানুহৰ মাজত প্ৰচাৰ হ'ল যে পুলিচ আৰু সেনাই অনেক মানুহ গ্ৰেপ্তাৰ কৰিছে আৰু মছজিদৰ ওচৰত গুলী চলাইছে। খবৰটো প্ৰচাৰ হোৱাত চহৰৰ আৰু চহৰৰ ওচৰত থকা তানুৰ, পৰঘঙ্গটী তিৰুৰ, কোট্টকল আদি গাঁওবোৰৰ অনেক মুছলমান মছজিদটোৰ ওচৰত গোট খাই গ্ৰেপ্তাৰ কৰা মানুহবোৰক মুকলি কৰিবৰ উদ্দেশ্যে ৰেলষ্টেচনলৈ গ'ল। তাত পুলিচে সুধিলে, "তহঁতক কি লাগে?" তেওঁলোকৰ নেতা আলি মুসলিয়াৰে উত্তৰ দিলে, "গ্ৰেপ্তাৰ কৰা মানুহবিলাকক এৰি দিব লাগে। এইটো আমাৰ দাবী।"

হেড কনিষ্টবল মোথিনে লগে লগে ক'লে, "নিশ্চয়, নিশ্চয়। গ্ৰেপ্তাৰ কৰা মানুহবোৰ এৰি দিম। তহঁত অলপপৰ বহ।" কৈয়েই পুলিচটো ভিতৰলৈ গ'ল আৰু তাৰ দুই মিনিটমানৰ পিছতে সৈনিকবোৰে মানুহবোৰৰ ওপৰত গুলী চলাবলৈ ধৰিলে। গুলীৰ শব্দ শুনি ভয়ত মানুহবোৰ ইফালে-সিফালে দৌৰিবলৈ ধৰিলে। কিন্তু অলপ সময়ৰ পিছতে বেছি মানুহ গোট খোৱাত মানুহবোৰে পুলিচ আৰু সৈনিকবোৰক আক্ৰমণ কৰিবলৈ আগবাঢ়ি গ'ল। তেওঁলোকৰ হাতত লাঠি, দা আৰু যাঠি-জোংবোৰ আছিল। পুলিচৰ গুলীত কেইবাজনো মানুহৰ মৃত্যু হ'ল আৰু বিক্ষোভকাৰীসকলৰ হাতত দুটা ইংৰাজ সেনা আৰু হেড কনিষ্টবল মোথিনৰ মৃত্যু হ'ল। বিক্ষোভকাৰীসকলে নিজৰ মানুহকেইজনৰ মৃত শ মছজিদলৈ লৈ গ'ল।

পৰঘঙ্গটী, তানুৰ আদি গাঁৱৰপৰা অহা বিক্ষোভকাৰীসকলে ঘূৰি যাওঁতে চৰকাৰী কাৰ্য্যালয়, পুলিচ থানা, ৰেলষ্টেচন আৰু কাছাৰিত সোমাই লুটপাত কৰিলে। তেওঁলোকে ৰেলপথৰ পাতবোৰ তুলি পেলাই, টেলিগ্ৰাফৰ আৰু বিজুলীৰ তাঁৰবোৰ ছিঙি আচল বিদ্ৰোহীৰ মূৰ্তি ধাৰণ কৰিলে। চহৰৰ নিৰীহ মানুহবোৰ ভয়ত পেঁপুৰা লাগিল।

তিৰুৰঙ্গাটীৰ ঘটনাৰ কথা শুনি সহায়তাৰ কাৰণে মলপ্পুৰমৰপৰা দুখন গাড়ীত আৰু সৈন্য আহিল। সিহঁতে বাটত বিক্ষোভকাৰীবিলাকক পাই গুলী কৰি কেইজনমানক হত্যা কৰিলে। বিক্ষোভকাৰীবিলাকৰ হাতত এটা সৈনিকৰ মৃত্যু হ'ল।

নিজৰ জীৱন বিপদাপন্ন হোৱা দেখি পুলিচ অধীক্ষক হিচ্চকক আৰু জিলা মেজিষ্ট্ৰেট থমাচ গোটেই ৰাতিটো থানাতে থাকিল। ৰাতিপুৱা তেওঁলোক কোষিক্কোট্টলৈ ৰাওণা হ'ল। ৰেলৰ পাতবোৰ তুলি দিয়াত ট্ৰেইন নচলাৰ কাৰণে তেওঁলোক ৰেলগাড়ীৰে যাব নোৱাৰি খোজ কাঢ়ি গ'ল। তেওঁলোকক যোৱা দেখি বিদ্ৰোহীদলে তেওঁলোকক অনুসৰণ কৰিলে, কিন্তু তেওঁলোকৰ লগত কেইটামান সশস্ত্ৰ পুলিচ আৰু কিছুমান সৈনিক আছিল। সিহঁতে অধিকাৰীকেইজনক বচাবৰ কাৰণে আঠ মাইল দীঘল ৰাস্তাটোত একেৰাহে গুলী চলাই গ'ল। ফৰোকত উপস্থিত হৈ সকলো চৰকাৰী অধিকাৰী ৰেলগাড়ীৰে কোষিক্কোট্টলৈ গ'ল।

মই ঘটনাটোৰ বিষয়ে ভালদৰে জানিছিলোঁ। গতিকে মছজিদলৈ গৈ আলি মুসলিয়াৰক দেখা কৰিবৰ মোৰ একান্ত ইচ্ছা আছিল। কিন্তু পলম হোৱাৰ কাৰণে যাব নোৱাৰিলোঁ। সন্ধিয়া আঠ বজাত আমি তিৰুৰঙ্গাটীলৈ ঘূৰি আহিলোঁ আৰু ৰাতি এঘাৰমান বজাত কুন্তেটি পালোঁহি। কুন্তেটিত ৰাতিটো কটাই পিছদিনা আমি কোষিক্কোট্টলৈ ৰাওণা হ'লোঁ।

বাটত ফৰোকৰপৰা আঠ মাইল দূৰত আমি কিছুমান মানুহক ৰাস্তাত থিয় হৈ থকা দেখা পালোঁ। গাড়ীখন থমাই জানিব পাৰিলোঁ—সেই ৰাস্তাটোত থকা দলং এখন বিদ্ৰোহীসকলে মাত্ৰ আধাঘন্টামানৰ আগতে ভাঙিছে। আচলতে দলংখন ভঙাৰ আগতে দলংখনেদি আমি পাৰ হৈ যাবলৈ বিদ্ৰোহীসকলে আমাৰ কাৰণে অপেক্ষা কৰি আছিল

আৰু নহা দেখি আমি আনটো বাটেৰে গৈছো বুলি ধৰি লৈছিল। দলংখন ভঙাৰ প্ৰধান উদ্দেশ্য আছিল—সৈনিক আৰু পুলিচৰ গাড়ীবোৰৰ গতি-চলন ৰোধ কৰা। গতিকে আমি নদীয়েদি নাৱেৰে কোষিক্কোট্টলৈ ৰাওণা হৈ পিছদিনা গধূলি পাঁচ বজাত কোষিক্কোট্টত উপস্থিত হ'লোঁ।

মোৰ পত্নী আৰু বন্ধু-বান্ধৱে কেইবাদিনো আমাৰ বাতৰি-নাপাই বৰ উৎকণ্ঠাৰে আমাৰ কাৰণে অপেক্ষা কৰি আছিল। আমি নিৰাপদে ঘূৰি অহাত সকলো সুখী হ'ল। তেতিয়ালৈকে কোষিক্কোট্ট আৰু কেৰালাৰ অন্য জিলাবোৰত সৈনিক শাসন বলবৎ হৈছিল।

হাঙ্গামা লগা ঠাইবোৰত

তিৰুৰঙ্গাটীৰ শোচনীয় ঘটনাবোৰে আমাৰ মনত বৰ দুঃখ দিছিল। তাৰপৰা উলটি অহাৰ পিছত আমাৰ প্ৰধান চেষ্টা হ'ল—হাঙ্গামা যাতে অন্যান্য ঠাইবোৰত বিয়পি নপৰে। সৈনিক শাসন এৰনাট আৰু অন্যান্য জিলাবোৰত ঘোষণা কৰা হৈছিল। গতিকে সেই ঠাইবোৰলৈ আমি যাব নোৱৰা হ'লোঁ। অৱশ্যে জিলাধিপতিৰ অনুমতি লৈ যাব পাৰি। তিৰুৰঙ্গাটীৰপৰা থমাচলৈ তলত উল্লেখ কৰা মতে এখন চিঠি লিখিলোঁ ঃ

"এৰনাটৰ ঘটনাৰ কাৰণে আপোনাৰ নিচিনাকৈ ময়ো অন্তৰত দুঃখ পাইছোঁ। মই কেইজনমান বিশ্বস্ত কৰ্মীক লগত লৈ হাঙ্গামা লগা ঠাইবোৰত শান্তি স্থাপনৰ কামত নিজকে নিয়োগ কৰিব খোজোঁ। আমাক আৱশ্যকীয় সুবিধাবোৰ দিবলৈ মই আপোনাক আৰু সেনা অধিকাৰীসকলক অনুৰোধ কৰোঁ। আপোনাৰ অনুমতি পালেই আমি এৰনাটলৈ যাব পাৰোঁ।"

এই চিঠিখন জিলাধিপতিৰ হাতত পেলোৱা বৰ টান আছিল। সৈনিক শাসন বলবৎ হোৱাৰ কাৰণে যিকোনো মানুহৰ আবেদন পত্ৰ নিম্ন স্তৰতে নাকচ কৰিছিল। কিন্তু মোৰ আবেদন-পত্ৰখন জিলাধিপতি থমাচৰ ওচৰলৈ নিব কোনে ? মানিক্‌থত্তু গোপাল মেননে অধ্যয়ন এৰি কংগ্ৰেছত যোগদান কৰিছিল। বুদ্ধিমান, কূটনীতিজ্ঞ আৰু সুদক্ষ মেননে চিঠিখন জিলাধিপতি থমাচক নিজে গৈ দিব বুলি মোক কথা দিলে। খদৰৰ ধুতি আৰু পাঞ্জাৱী পিন্ধি মূৰত গান্ধীটুপীৰে এজন বৃটিছ অধিকাৰীৰ ওচৰলৈ যোৱাটো সেই সময়ত অতি কঠিন কাম আছিল। কিন্তু গোপাল মেননৰ সেই সাহস আৰু আত্মবিশ্বাস আছিল। তেওঁ মোক কথা দিয়া মতে চিঠিখন জিলাধিপতি থমাচৰ হাতত নিজে দি ঘূৰি আহি মোক আত্মবিশ্বাসেৰে ক'লে—চিঠিৰ উত্তৰ তাৰ পিছদিনাই পাম। তেওঁৰ সাহস. আত্মবিশ্বাস আৰু দক্ষতা উচ্চস্তৰৰ আছিল আৰু সেই গুণবোৰৰ কাৰণেই স্বাধীনতা লাভৰ পিছত তেওঁক কেইবাখনো দেশলৈ ৰাজদূত হিচাপে পঠাইছিল।

দুদিনৰ পিছত জিলাধিপতি থমাচৰপৰা মোৰ চিঠিৰ উত্তৰ পালোঁ। তেওঁ লিখিছিল—তোমাৰ চিঠি পাইছোঁ। জানি সন্তোষ পাইছোঁ যে তোমালোকৰ ভুল প্ৰচাৰকাৰ্য্যৰ পৰিণামৰ কথা এতিয়া বুজিছা। তোমালোকে জুই লগাই এতিয়া তাক নুমাবলৈ চেষ্টা কৰিছা। স্বেচ্ছাৰে হাঙ্গামা লগা ঠাইবোৰলৈ যাবলৈ তোমাক আৰু তোমাৰ সহকৰ্মীসকলক মই অনুমতি দিছোঁ আৰু সৈনিক অধিকাৰীসকলেও মোৰ অনুমতি সমৰ্থন কৰিছে। কামনা কৰিছোঁ—তোমাৰ চেষ্টা যাতে সফল হয়।"

চিঠিখনৰ দ্বিতীয় বাক্যটো পঢ়ি মোৰ খং উঠিছিল। চিঠিখন পায়েই মই লগে লগে প্ৰত্যুত্তৰ দিলোঁ—"হাঙ্গামা লগা ঠাইবোৰলৈ যাবলৈ অনুমতি দিয়াৰ কাৰণে তোমাৰ

ওচৰত কৃতজ্ঞ আৰু সেইবাবে তোমাক ধন্যবাদ জনাইছোঁ। কিন্তু হাঙ্গামা যে মোৰ প্ৰচাৰ কাৰ্য্যৰ পৰিণাম—সেই কথাষাৰ নিতান্ত ভুল আৰু মই কোনোমতেই স্বীকাৰ নকৰোঁ। মোৰ যোৱাৰ উদ্দেশ্য—হাঙ্গামাৰ কাৰণ বিচাৰিবলৈ নহয়, শান্তি স্থাপন কৰিবলৈহে। মই 24 জন কংগ্ৰেছ কৰ্মীক লৈ কাইলৈ ৰাতিপুৱা এৰনাটলৈ যাম। তাত উপস্থিত হৈ হাঙ্গামা শান্ত কৰাৰ আগতে যদি সৈনিকসকলে বিক্ষোভকাৰীবিলাকৰ ওপৰত গুলী চলায় তেন্তে আমাৰ তালৈ যোৱাত একো লাভ নহ'ব। আশা কৰোঁ, তেনেকুৱা নহ'বলৈ সৈনিকসকলক নিৰ্দেশ দিয়া হয়।"

এই চিঠিখন পঠোৱাৰ পিছদিনা যোৱাৰ ব্যৱস্থা কৰিলোঁ। 26 আগষ্টৰ ৰাতিপুৱা মই 24 জন কংগ্ৰেছ কৰ্মীক লগত লৈ দুখন ঘোঁৰাগাড়ীত কোষিক্কোট্টৰপৰা ওলাই গৈ কিছু সময়ৰ পিছত ফৰোক দলংখনৰ ওচৰ পালোঁগৈ। ফৰোক দলংখনক সৈনিকে পহৰা দি আছিল। দলংখনৰপৰা অলপ আতৰত মোৰ লগৰীয়াসকলক থৈ মই জিলাধিপতিৰ চিঠিখন লৈ দলংখনৰ ওচৰত থকা এজন ইংৰাজ চাৰ্জেন্টৰ ওচৰলৈ গ'লোঁ। তেওঁ মোৰ পিনে বন্দুকটো টোৱাই উচ্চৈস্বৰে সুধিলে, "তুমি কোন ?" মই লগে লগে উত্তৰ দিলোঁ "এজন বন্ধু।" মোৰ উত্তৰত চাৰ্জেন্টজনে আদেশ দিলে, "ইয়ালৈ আহা বন্ধু।" মই তেওঁৰ ওচৰলৈ গৈ জিলাধিপতিৰ চিঠিখন তেওঁক দিলোঁ। আচলতে দলংখনৰ ওপৰেদি যাবলৈ দিয়া অধিকাৰ চাৰ্জেন্টজনৰ নাছিল, সেই অধিকাৰ ফৰোক ষ্টেচনত থকা টোটেনহাম নামৰ এজন অধিকাৰীৰহে আছিল। সেই কাৰণে মোৰ চিঠিখন তেওঁ অধিকাৰীজনলৈ পঠাই দিলে। দহ মিনিটৰ পিছতে টোটেনহাম আমাৰ ওচৰলৈ আহিল আৰু তেওঁ আমাক এজন এজনকৈ গণনা কৰিলে। তাৰ পিছত সেই অনুমতি পত্ৰখনত "Pass 24 Non-Cops from Calicut Taluk to Eranad Taluk along the Feroke Bridge" অৰ্থাৎ "এই 24 জন অসহযোগীক কালিকট মহকুমাৰপৰা ইৰানাড মহকুমালৈ ফেৰোক দলঙেদি যাবলৈ দিয়া" বুলি তেওঁ লিখি দিলে। আমি টোটনহামলৈ অপেক্ষা কৰি থাকোঁতে কেইটামান পুলিচে আমাক গৰিহণা দিছিল। আমাৰ মাজত কেইবাজনো সন্মানী মানুহ আছিল—যিসকলে সিহঁতৰ গাত থুই পেলাবলৈকো দ্বিধা বোধ কৰিলেহেঁতেন।

দলংখনৰ আনটো মূৰত উপস্থিত হোৱাৰ পিছত মোৰ মনলৈ শঙ্কা আহিল—যিহেতু অনুমতি পত্ৰখনত আমাৰ ঘূৰি অহাৰ অধিকাৰৰ বিষয়ে একো উল্লেখ কৰা নাই সেই কাৰণে মই আকৌ তাৰপৰা উভতি আহি টোটনহামৰ ওচৰলৈ গ'লোঁ। তেওঁ সেই অনুমতি পত্ৰখনত ঘূৰি অহাৰ নিৰ্দেশো নিহিত আছে বুলি মোক ক'লে। তেওঁৰ মুখখন দেখি বুজিব পাৰিছিলোঁ। আমাৰ ওপৰত তেওঁৰ খং উঠিছে।

যেতিয়া মই ৰেলষ্টেচনটোৰপৰা বাহিৰ হৈছিলোঁ তেওঁ মোক ক'লে, "যেনেকৈ বিদ্ৰোহীবোৰক ফাঁচী দিয়া হ'ব তেনেকৈ তুমিও ফাঁচী কাঠত উঠিব লাগিব।" মই লগে লগে উত্তৰ দিলোঁ, "যদি উঠিবলগীয়া হয় আনন্দ মনেৰে উঠিম।" মোৰ কথা শুনি তেওঁ

হাঁহি ক'লে, "মই এনেয়ে ধেমালি কৰিছোঁ।" মই ক'লোঁ, "তুমি ধেমালি কৰিলেও মই সঁচা কথাই কৈছোঁ।"

সেই ভ্ৰমণত মোৰ লগত কোন কোন আছিল এতিয়া মোৰ মনত নাই। তথাপি কে. ভি. গোপালকৃষ্ণ মেনন, ইউ. গোপাল মেনন, টি. ভি চাটুকুত্তি নায়াৰ, পোন্মাটেত্তু মোথ্‌তীন কোয়া, কোটোঙ্গলুৰ শেখৰ মেনন, আব্দুৰ ৰহমান, কে. মাধৱ মেনন মধুৰবনম গোৱিন্দ কুৰুপৰ কথা মোৰ মনত আছে। আমি খদৰৰ ধুতি-পাঞ্জাৱী আৰু গান্ধী টুপী পিন্ধিছিলোঁ আৰু দুজন দুজন মিলি একেলগে ফেৰোকৰপৰা অগ্ৰসৰ হৈছিলোঁ। ৰাস্তাত মানুহৰ সমাগম কম আছিল আৰু ৰাস্তাৰ কাষত থকা ঘৰবোৰতো মানুহ প্ৰায় নাছিল বুলিয়েই ক'ব পাৰি।

ফেৰোকৰপৰা চাৰি-পাঁচ মাইল পূবে দুমহলীয়া ঘৰ এটাৰপৰা দুজন মানুহ ওলাই আমাৰ ওচৰলৈ আহিল। তেওঁলোকে আমি তিৰুৰঙ্গীলৈ যাম বুলি ভাবিছিল। পিছত আমি জানিব পাৰিলোঁ—কোষিক্কোট্টৰপৰা অহা সৈন্যবোৰৰ আগমনৰ আগজাননী দিবলৈ বিদ্ৰোহীসকলে তেওঁলোকক নিযুক্ত কৰিছিল। আমি বাটত আঠ-নখন লৰী আৰু সৰু মটৰগাড়ী দেখিলোঁ। সেই গাড়ীবোৰে হাঙ্গামা হোৱা ঠাইবোৰলৈ সৈনিকক লৈ গৈছিল। মানুহ দুজনে আমাক সাৱধান কৰি দিলে—আমাক দূৰৰপৰা দেখি সৈন্যবোৰে যেন বিদ্ৰোহী বুলি ভাবি গুলী নকৰে। আমিও তেওঁলোকৰ কথা যুক্তিসঙ্গত বুলি মানি ল'লোঁ। তাৰ দুঘন্টাৰ পিছত আমি নৈৰ পাৰ পালোঁগৈ। আমাৰ খোজৰ গতি মন্থৰ আছিল।

মন্তেতু ঘাটত আমি যি দৃশ্য দেখিলোঁ তাক কেতিয়াও পাহৰিব নোৱাৰোঁ। কংগ্ৰেছ আৰু খিলাফত পতাকা উৰাই কিছুমান সশস্ত্ৰ স্বেচ্ছাসেৱকে দুখন ডাঙৰ ডাঙৰ নাৱত আলি মুসলিয়াৰৰ অনুচৰসকলৰ সৈতে আমাৰ কাৰণে অপেক্ষা কৰি আছিল। তেওঁলোকৰ লগত আলি মুসলিয়াৰো আছিল। আচলতে, তিৰুৰঙ্গাটী আৰু ওচৰ-কাষৰীয়া ঠাইবোৰত বৃটিছ শাসন সমাপ্ত হৈছিল। তাৰ প্ৰশাসন আলি মুসলিয়াৰৰ নিৰ্দেশত তেওঁৰ মানুহবোৰে চলাইছিল। তেওঁলোকৰ ভিতৰত লবকুট্টি প্ৰধান আছিল। তেওঁৰ বয়স 35 বছৰ আৰু তেওঁ খিলাফত সমিতিৰ সম্পাদক আছিল। আলি মুসলিয়াৰৰ তেওঁ সোঁহাত আছিল। লৱকুট্টিয়েও আমাক অভ্যৰ্থনা কৰিলে।

নৈখন পাৰ হৈ সিপাৰত ভৰি দিয়াৰ লগে লগে মুসলিয়াৰৰ এশমান সৈনিকে আমাক অভিবাদন জনালে। তেওঁলোকৰ বাহিৰেও অন্যান্য অনেক মানুহ আছিল। নৈৰ ঘাটৰপৰা তিৰুৰঙ্গাটী অঞ্চললৈকে আমাৰ ভ্ৰমণ বৰ সুখৰ আছিল। বাটত ঠায়ে ঠায়ে মানুহ গোট খাই আছিল আৰু সকলোৱে আমাক অভ্যৰ্থনা কৰিছিল। লৱকুট্টিয়ে তেওঁলোকৰ সেৱকসকলক আমাৰ প্ৰতি অতি ভাল ব্যৱহাৰ কৰিবলৈ নিৰ্দেশ দি থৈছিল। কিছুসময়ৰ পিছত আমি তিৰুৰঙ্গাটী খিলাফত কাৰ্য্যালয়ত উপস্থিত হ'লোঁ। তাত খিলাকত কৰ্মী আৰু সশস্ত্ৰ খিলাফত সৈনিকসকল আছিল। মই, ইউ. মেনন, গোপাল মেনন আৰু সৌয়ত্তু মৌলৱী খিলাফত কাৰ্য্যালয়ৰ ওপৰ মহলালৈ গ'লোঁ।

তাত কোঠা এটাত আমাক বহিবলৈ দিলে। অলপ পিছতে আলি মুসলিয়াৰ আহিল। লগত আন দুজনমান গণ্যমান্য ব্যক্তি আছিল। মই উঠি অভিবাদন কৰিলোঁ। আলি মুসলিয়াৰে মোক সাৱট মাৰি ধৰিলে। ক্ষন্তেকৰ কাৰণে মই দোধোৰ মোৰত পৰিলোঁ ; তেওঁৰ গভীৰ আন্তৰিকতাই মোৰ অন্তৰ স্পৰ্শ কৰিলে। তেওঁ তিৰুৰঙ্গাটীৰ সকলো ঘটনা সবিশেষে বৰ্ণনা কৰিলে।

সেই সময়ত আলি মুসলিয়াৰৰ বয়স 65 বছৰ আছিল। বগা, খীণ আৰু দীঘল মুসলিযাৰক দেখিলেই তেওঁৰ প্ৰতি মানুহৰ শ্ৰদ্ধা হৈছিল। তেওঁ মূৰত এটা টুপী পিন্ধিছিল আৰু টুপীটোৰ ওপৰত পাগুৰী মাৰিছিল।

মই আলি মুসলিয়াৰৰ সকলো কথা শুনাৰ পিছত সুধিলোঁ, "এতিয়া আপুনি কি কৰিব খোজে ?" মোৰ প্ৰশ্নত তেওঁ মোক ওলোটাই প্ৰশ্ন কৰিলে, "আপুনিয়েই কওক কি কৰা উচিত ?" সেই সংকটকালত নিজৰ মনটোক লুকুৱাই যিকোনো উপদেশ দিব পাৰিলোঁহেতেন। তেওঁ মোৰ আগমনৰ উদ্দেশ্য জানি গৈছিল।

মই ক্ষমা বিচাৰি ক'লোঁ, "যি হৈ গ'ল তাৰ বাবে চিন্তা নকৰাই ভাল আৰু তাৰ বিষয়ে কোৱাৰো কোনো প্ৰয়োজন নাই। অকস্মাতে আমি অনেক কষ্ট সহিবলগীয়া হ'ল। কিন্তু ভৱিষ্যতে যদি আমি সেই একে পথ অনুসৰণ কৰোঁ, আমাৰ দাৰুণ ক্ষতি হ'ব। আমি আহোঁতে বাটত কিছুমান সৈন্যক এইফালে অহা দেখি আহিছোঁ। আৰু বেছি সৈন্য আহিব। সিহঁতে যদি আকৌ গুলী চলায় তাৰ পৰিণাম কি হ'ব আপুনি অনুমান কৰিব পাৰিব। সেই কাৰণে ভৱিষ্যতে যাতে আমাৰ ক্ষতি নহয় তালৈ চাই আমি এতিয়া চৰকাৰৰ নিৰ্দেশ মানি চলাটো দূৰদৰ্শিতাৰ কাম হ'ব। যদি তাকে কৰা হয়, তিৰুৰঙ্গাটী আৰু তাৰ বাসিন্দাসকল ৰক্ষা পৰিব। চৰকাৰৰ বিপক্ষে গ'লে সৈনিকবোৰে হাৰ নামানিব। এই সময়ত ধৈৰ্য্য আৰু সহিষ্ণুতাৰে কাম কৰিলে তাৰ ফল নিশ্চয় বেয়া নহ'ব। আপুনি আপোনাৰ অনুগামীসকলক উপদেশ দিয়ক আৰু বুজাওক। এইটোৱেই মোৰ মত।"

আলি মুসলিয়াৰে মোৰ সকলো কথা শুনি এটা দীঘল হুমুনিয়াহ কাঢ়িলে। তাত থকা মানুহবিলাকলৈ চাই অলপপৰ মনে মনে থাকিল। তাৰ পিছত মোক ক'লে, "আপুনি ঠিক কথাই কৈছে। কি কৰিব লাগে আন আন বন্ধু-বান্ধৱসকলৰ লগত পৰামৰ্শ কৰি এটা সিদ্ধান্ত গ্ৰহণ কৰিম। আপুনি লৱকুট্টি আৰু কুঞ্চালৱিক লগ ধৰি মোক কোৱা কথাবোৰ ক'ব।"

মই তেওঁৰ কথাত মান্তি হ'লোঁ। আলি মুসলিয়াৰৰ লগত মই এঘন্টা সময় কটালোঁ। সন্ধিয়া হ'ল। ইয়াৰ ভিতৰতে জানিব পাৰিলোঁ—আমাৰ অহাৰ উদ্দেশ্যৰ কথা জানিব পাৰি তাৰ মানুহবিলাকে নিজৰ ভিতৰতে আলোচনা কৰিছে। তাত বেছিক্ষণ থকাৰ প্ৰয়োজনীয়তা বোধ নকৰিলোঁ। আলি মুসলিয়াৰ মছজিদলৈ গ'ল। আমি ঘূৰি আহিবলৈ স্থিৰ কৰিলোঁ। এনেতে খিলাফত কাৰ্য্যালয়ৰ সন্মুখত কুঞ্চালৱিক লগ পালোঁ।

এখন তৰোৱাল কান্ধত ওলোমাই আৰু এখন হাতত লৈ তেওঁ মোৰ ওচৰলৈ

আহিল। আলি মুসলিয়াৰৰ সৈন্যবাহিনীৰ সেনাপতি তেওঁ। 20 তাৰিখত দুজন ইংৰাজক কুঞ্চালৰিয়ে হত্যা কৰিছিল। সেইদিনাৰ ঘটনাৰ বিৱৰণ মই কুঞ্চালবিৰপৰা শুনিলোঁ। সকলো কথা শুনাৰ পিচত তেওঁক অলপ দূৰলৈ মাতি নি সুধিলোঁ, "এতিয়া কি কৰিম বুলি ভাবিছা ?" মোৰ প্ৰশ্নৰ উত্তৰ কুঞ্চালৰিয়ে এনেধৰণে দিলে, "পৰাজয় মানি লোৱাৰ উপদেশ আপুনি মোক নিদিব। সিহঁতে মোক নামাৰে, বৰ বেয়া ধৰণে কষ্ট দিব। সেই কাৰণে মই যুদ্ধ কৰি মৰিম।"

"যদি ইচ্ছা কৰিছা তাকেই কৰা। কিন্তু তিৰুৰঙ্গাটীৰ কি দশা হ'ব ? যদি সেনাবোৰে মছজিদৰ ওপৰত গুলী চলায় কি কৰিবা ?" মই সুধিলোঁ।

"যেতিয়ালৈকে গাত এটোপা তেজ থাকিব তেতিয়ালৈকে মছজিদত গুলী চলাবলৈ নিদিম।" এইটোৱেই কুঞ্চালৰিৰ উত্তৰ আৰু সিদ্ধান্ত আছিল। গতিকে পৰাজয় মানি লোৱাৰ উপদেশ দিয়াটো অনাৱশ্যক। আলি মুসলিয়াৰে তেওঁৰ কথা অন্তৰেৰে সমৰ্থন নকৰিছিল, কিন্তু তেওঁৰ অনুচৰসকলৰ অমতে তেওঁ কোনোমতেই যাব নোৱাৰিছিল। তেনে পৰিস্থিতিত যিকোনো সময়তে তাত হাঙ্গামা আৰম্ভ হোৱাৰ সম্ভাৱনা আছিল।

তাৰ উপ-পঞ্জীয়ক এম. বি. কৰুণাকৰণ মেননৰ গৰ্ভৱতী পত্নী আৰু ল'ৰা-ছোৱালীকেইটা হাঙ্গামাৰ কাৰণে এঠাইত আটক হৈ আছিল। মই কুঞ্চালৰিক তেওঁলোকক এডোখৰ নিৰাপদ স্থানলৈ যেনেতেনে আনিবলৈ ক'লোঁ। কুঞ্চালৰিয়ে মোৰ কথা ৰাখিলে আৰু অতি সোনকালে মেননৰ পত্নী আৰু ল'ৰা-ছোৱালীকেইটাক নিৰাপদ ঠাইলৈ অনাৰ ব্যৱস্থা কৰিলে।

আমি সম্প্ৰম ঘাটটো পাৰ হওঁতে ৰাতি আঠ বাজিল। নাৱত উঠি সিপাৰলৈ যাওঁতে আমি দূৰৰপৰা মছজিদৰপৰা ভাহি অহা প্ৰাৰ্থনা গীতৰ ধ্বনি শুনিবলৈ পালোঁ। সেই অন্ধকাৰত মোৰ মনলৈ নানা ধৰণৰ চিন্তাবোৰ আহিছিল। কোনো কোনো ঠাইত জোঁৰ জ্বলিছিল আৰু অসংখ্য জোনাকী পৰুৱা আন্ধাৰত তিৰবিৰাইছিল। নাৱত গৈ থাকোঁতে প্ৰত্যেকৰ মনত উদয় হোৱা অনুভূতিবোৰ পৰস্পৰে পৰস্পৰক কাণে কাণে কৈছিল। মোৰ মনটো গধুৰ হৈছিল আৰু মনলৈ অশুভ চিন্তাবোৰ আহিছিল। নাৱৰপৰা নামি আমি ওচৰৰ ঠাই এডোখৰত ৰাতিটো কটালোঁ আৰু ৰাতিপুৱা কোষিক্কোটলৈ ৰাওণা হ'লোঁ।

কুঞ্চালৰিয়ে মেননৰ গৰ্ভৱতী পত্নী আৰু ল'ৰা-ছোৱালীকেইটাৰ বিপজ্জনক ঠাইৰ পৰা আনি আমাক গটাইছিল। তেওঁক আৰামী চকী এখনত বহুৱাই সেইখন আমাৰ লগৰীয়াসকলে কান্ধত তুলি লৈ আহিছিল। দহ মাইল দূৰ যোৱাৰ পিছত এটা নায়ৰ ভৰনত সকলোৱে খোৱা-বোৱা কৰিলোঁ আৰু তাতে অলপ সময় জিৰণি লৈ গধূলি কোষিক্কোট্ট পালোঁহি।

হাঙ্গামাৰ বিস্তাৰ আৰু তাৰ আতিশয্য

আগতেই কৈ আহিছোঁ যে 26 আগষ্টত কংগ্ৰেছ কৰ্মীসকলৰ সৈতে তিৰুৰঙ্গাটীলৈ যাওঁতে কিছুমান সৈনিকক হাঙ্গামা লগা ঠাইবোৰলৈ যোৱা দেখিছিলোঁ। সিহঁতৰ পিছে পিছে চাইকেলত উঠি সংৰক্ষিত পুলিচবোৰো গৈছিল। সিহঁত তিৰুৰঙ্গাটীৰে পিনে গৈছিল। পিছত জানিছিলোঁ যে আন কেইবা ঠাইৰপৰাও সৈনিক তিৰুৰঙ্গাটীলৈ গৈছিল। আলি মুসলিয়াৰে নিশ্চয় পুলিচ আৰু চিপাহী তালৈ যোৱাৰ বাতৰিটো আগতীয়াকৈ জানিছিল।

তিৰুৰঙ্গাটীৰপৰা মাইকী মানুহ আৰু ল'ৰা-ছোৱালীবোৰ দূৰৰ গাঁওবোৰলৈ পঠাই দিয়া হৈছিল। আলি মুসলিয়াৰে নিজৰ এলেকাৰ ভিতৰত ঘোষণা কৰিলে যে কোনেও যেন অসৎ কামবোৰ নকৰে আৰু চুৰি-ডকাইতি আৰু লুটপাত কৰা মানুহবোৰক কঠোৰ শাস্তি দিয়া হ'ব। লগতে হিন্দুৰ ওপৰত কোনো উপদ্ৰৱ বা অসৎ আচৰণ নকৰিবলৈ সাৱধান কৰি দিলে। তেওঁৰ এলেকাটো মুছলমান গৰিষ্ঠ আছিল। কিন্তু যেতিয়ালৈকে তেওঁৰ অধিকাৰ আছিল তেতিয়ালৈকে তাৰ অৱস্থা ভাল আছিল ; কিন্তু সেই অৱস্থা বেছি দিন নাছিল।

সকলোপিনৰ পৰিস্থিতি জানি লৈ 20 আগষ্টত সেনা আৰু পুলিচৰ চিপাহী তিৰুৰঙ্গাটীত উপস্থিত হ'ল। মছজিদৰ ওচৰত সিহঁত গোট খালে। নিৰাপত্তাৰ কাৰণে সিহঁতে কেইবাটাও খাৱৈ খান্দিলে আৰু বন্দুকবোৰত খাৰ খাঁজিলে। আলি মুসলিয়াৰ আৰু তেওঁৰ বিশ্বস্ত অনুচৰসকল মছজিদৰ ভিতৰত আছিল। 31 আগষ্টত সেনা আৰু পুলিচে মছজিদৰ ওপৰত গুলী চলালে। মছজিদৰ ভিতৰৰপৰা বিদ্ৰোহীসকলেও বন্দুক মাৰি তাৰ প্ৰত্যুত্তৰ দিলে। বিদ্ৰোহীসকলে থানাৰপৰা কাঢ়ি অনা আৰু আন ঠাইৰ পৰা সংগ্ৰহ কৰা বন্দুকবোৰ প্ৰয়োগ কৰিছিল। কিছু সময়লৈকে দুই পক্ষৰ গুলীয়াগুলী চলিল। সেনা আৰু পুলিচে মছজিদটোক তিনিও পিনৰ পৰা বেঢ়ি ধৰিলে। প্ৰায় দুপৰীয়া পৰত কিছুমান বিদ্ৰোহী মছজিদৰপৰা বাহিৰ হৈ আহিল। তেওঁলোকৰ ভিতৰত কুঞ্চালৰিও আছিল। হাতত তৰোৱাল আৰু ছুৰী-কটাৰি লৈ তেওঁলোকে পুলিচ আৰু সৈনিকক আক্ৰমণ কৰিলে। কেইটামান পুলিচ আৰু সেনাক কাটিলেও। সেনাবোৰে বিদ্ৰোহীসকলক ধৰিব নোৱাৰিলে। বিপক্ষৰ কেইটামানক ধৰাশায়ী কৰি বিদ্ৰোহীসকলে মছজিদৰ উত্তৰ পিনে থকা গছৰ জোপোহাৰ মাজত আত্মগোপন কৰিলে।

যিসকল বিদ্ৰোহী মছজিদৰ ভিতৰত আছিল তেওঁলোকে আকৌ গুলী চলাবলৈ ধৰিলে। শেহত গুলী শেষ হ'ল। উপায়হীন হৈ বিদ্ৰোহীসকলে বগা নিচান হাতত লৈ মছজিদৰপৰা ওলাই আহি আত্মসমৰ্পণ কৰিলে। আলি মুসলিয়াৰ আৰু তেওঁৰ লগৰীয়া

সকলোকে গ্ৰেপ্তাৰ কৰি পিছদিনা তিৰুৰলৈ লৈ গ'ল। এনেভাৱেই তিৰুৰঙ্গাটীৰ বিদ্ৰোহৰ সমাপ্তি ঘটিল।

মাত্ৰ তিৰুৰঙ্গাটীতেই এনে ধৰণৰ ঘটনা ঘটা নাছিল। এৰনাট, বল্লুবনাট, পোন্নানী কোষিক্কোট্ট আদি তহচিলবোৰত কিছুদিনৰ কাৰণে বৃটিচ শাসন বন্ধ আছিল। কেৱল গাঁৱৰ বা চহৰৰ বাসিন্দাই নহয়, ভয়ত অধিকাৰী, পুলিচ কৰ্মচাৰী আৰু অন্যান্য চৰকাৰী চাকৰিয়ালো ঘৰ এৰি পলাই গৈ নিৰাপদ স্থানত আশ্ৰয় লৈছিল। এষাৰ কথাত ক'বলৈ হ'লে কিছুদিন ধৰি অনেক ঠাইত অৰাজকতাৰ সৃষ্টি হৈছিল।

বিদ্ৰোহীসকলে পোন্নানীত চৰকাৰী কোষাগাৰ লুটিবলৈ থিৰাং কৰিলে আৰু সেই উদ্দেশ্যে তেওঁলোক সেইপিনে অগ্ৰসৰ হ'ল। কেলপ্পনে তেনে নকৰিবলৈ বিদ্ৰোহীসকলক অনুৰোধ কৰিলে আৰু তেওঁলোক যোৱাৰ বাটত দীঘল দি পৰিল। তাৰ ফলত তেওঁক গছকি কোনো বিদ্ৰোহী অগ্ৰসৰ নহ'ল ; সকলো ঘূৰি গ'ল। সেই ঘটনাটো এটা স্মৰণীয় ঘটনা। কিন্তু আচৰিত কথা, সেই কেলপ্পনক পুলিচে ঘৰ জ্বলোৱা অপৰাধত অভিযুক্ত কৰিছিল। মঞ্চেৰী আৰু পৰিঙ্গলমন্নাৰ বিদ্ৰোহীসকলে চৰকাৰী কোষাগাৰৰ দুৱাৰ ভাঙি সকলো টকা লুট কৰে। তেওঁলোকে থানাৰপৰাও অস্ত্ৰশস্ত্ৰবোৰ কাঢ়ি লৈছিল আৰু চৰকাৰী কাৰ্যালয়বোৰত সোমাই তাৰ কাগজপত্ৰবোৰ জ্বলাই দিছিল। এটপন্নাতো এনেধৰণৰ বিদ্ৰোহাত্মক ঘটনাবোৰ ঘটিছিল। বিদ্ৰোহীয়ে জেলৰ দুৱাৰ ভাঙি কয়েদীবোৰক মুকলি কৰি দিছিল।

বিদ্ৰোহীসকলক কেইজনমান সুপ্ৰতিষ্ঠিত স্থানীয় লোকে উৎসাহ দিছিল আৰু তেওঁলোকৰ নেতৃত্ব কৰিছিল। সেইসকলৰ ভিতৰত এজন স্বনামধন্য ব্যক্তি আছিল কুন্নঞ্জু কুন্চ মহম্মদ হাজী। 55 বছৰ বয়সীয়া হাজী চাহাব আলি মুসলিয়াৰৰ আত্মীয় আৰু শিষ্য আছিল। তিৰুৰঙ্গাটীত হোৱা বিদ্ৰোহে এওঁক উদগনি দিছিল।

মেঞ্চৰীত বহা সভা এখনত তেওঁ ঘোষণা কৰিছিল—হিন্দুসকলক কোনেও কোনো বেয়া আচৰণ কৰিব নোৱাৰিব। তেওঁলোকৰ ওপৰত কোনো অনাচাৰ কৰিলে দোষীক কঠোৰ শাস্তি দিয়া হ'ব। এই সভাখনত ভাষণ দিয়াৰ কাৰণে এম. পি. নাৰায়ণ মেননৰ ওপৰত ৰাজদ্ৰোহৰ অভিযোগ লগাই সৈনিক আদালতে তেওঁক চৈধ্যবছৰ সশ্ৰম কাৰাদণ্ড দিছিল। এম. পি. নাৰায়ণনে বিদ্ৰোহীসকলক শান্ত কৰিবলৈ আৰু হাঙ্গামা থমাবলৈ আন্তৰিকভাৱে যি চেষ্টা কৰিছিল সেই কথা সেই সময়ৰ দেশৰ মানুহে ভালদৰে জানিছিল। কিন্তু পুলিচে এৰনাটৰ ক্ষমতাশীল আৰু বিচক্ষণ কংগ্ৰেছ সচিবজনক বিনা শাস্তিৰে এৰি দিয়াৰ কথা কেতিয়াও ভাবিব নোৱাৰিছিল। সেই কালত বিদেশী চৰকাৰে কি ঘোৰ অন্যায় কৰিছিল এম. পি. নাৰায়ণক দিয়া কাৰাদণ্ডই তাৰ এটা জ্বলন্ত প্ৰমাণ আছিল।

কুন্চ মহম্মদ হাজীৰ পক্ষৰ বিদ্ৰোহীসকলে পুলিচৰ দাৰোগা চেকুট্টিক গুলীৰে হত্যা কৰি তাৰ মূৰটো ওপৰলৈ তুলি লৈ শোভাযাত্ৰা কৰিছিল। শত্ৰুৰ ওপৰত প্ৰতিশোধ

ল'বৰ কাৰণে তেওঁলোকে অতি ক্ৰূৰ আৰু নিৰ্দয় কামবোৰ কৰিছিল। তাৰ ভিতৰত ধৰ্ম বা জাতিৰ কোনো কথাই নুঠিছিল।

হাঙ্গামাৰ আন এডোখৰ বিখ্যাত ঠাই আছিল পুক্কোট্টোৰ। ঠাইডোখৰ কোষিক্কোট্ট আৰু মলপ্পুৰমৰ মাজত। তাৰ আগতেও তাত বৰ বেয়া ঘটনা ঘটিছিল। এৰনাটৰ এখন প্ৰাকৃতিক সৌন্দৰ্য্যৰ স্থান পুক্কোট্টোৰ। তিৰুৰঙ্গাটীৰ ঘটনাবোৰৰ কথা শুনি তাৰ মানুহবোৰ উত্তেজিত হয় আৰু হাতত দা-কটাৰী আৰু যাঠি-জোং লৈ এটা দল থানা আক্ৰমণ কৰিবলৈ বাহিৰ হয় ; কিন্তু তাৰ বাসিন্দা মাধৱন নায়াৰ আৰু আব্দুৰ ৰহমানে অনেক অনুৰোধ কৰি শান্ত কৰে আৰু ঘূৰাই পঠায়। এই ঘটনাটো একৈশ আগষ্টত ঘটিছিল। এসপ্তাহৰ পিছত তাৰ পৰিস্থিতি আকৌ বেয়া হয়। সেই ঠাইডোখৰত টিলা, হাবি আৰু পাহাৰ থকাৰ কাৰণে বিদ্ৰোহীসকলে তাত সহজে লুকাব পাৰিছিল। সৈন্য আৰু পুলিচক বাধা দিবৰ কাৰণে বিদ্ৰোহীবিলাকে ৰাস্তাৰ ওপৰত ডাঙৰ ডাঙৰ গছ কাটি থৈছিল।

তাৰিখটো 26 আগষ্ট আছিল। ৰাতিপুৱা তাত অনেক সেনা উপস্থিত হ'ল, কিন্তু সিহঁতে বাটত বা ওচৰে পাঁজৰে কোনো বিদ্ৰোহীক দেখা নাপালে। হাবিত বিদ্ৰোহীবোৰ লুকাই আছে বুলি সেনাবোৰে হাবিলৈ লক্ষ্য কৰি গুলী চলালে। বিদ্ৰোহীসকলে গুলীৰ উত্তৰ গুলীৰে দিলে। এঘন্টামান গুলীয়া-গুলী চলিল। যেতিয়া বিদ্ৰোহীসকলৰ গুলী শেষ হ'ল হাজাৰ হাজাৰ বিদ্ৰোহী হাতত তৰোৱাল আৰু যাঠি-জোং লৈ হাবিৰপৰা 'যুদ্ধৰ কাৰণে তৈয়াৰ হ' বুলি বিকট চীৎকাৰ কৰি ওলাই আহিল আৰু সৈন্যবোৰৰ ওপৰত জপিয়াই পৰিল। সৈন্যৰ সংখ্যা অনেক কম আছিল, কিন্তু সিহঁতৰ হাতত বন্দুক আছিল। সৈনিকৰ গুলীত কেইবাজনো বিদ্ৰোহীৰ মৃত্যু হয়, কিন্তু সৈনিকৰো দাৰুণ ক্ষতি হয়। সিহঁতৰ দহজনমানে প্ৰাণ দিব লগীয়া হয়। পুক্কোট্টোৰৰ স্বাধীনতা যুদ্ধখন এখন উল্লেখযোগ্য যুদ্ধ আছিল।

হাবিত বিদ্ৰোহীসকলে নিয়মিতভাৱে যুদ্ধৰ অভ্যাস কৰিছিল। তেওঁলোকে নানা ঠাইৰপৰা অস্ত্ৰ-শস্ত্ৰ আৰু ৰচদ সংগ্ৰহ কৰি তাত জমা কৰিছিল। অনেক দূৰৰ ঠাইবোৰলৈ খবৰ পঠাবৰ কাৰণে তেওঁলোকে বিশেষ মানুহ নিযুক্ত কৰিছিল। তেওঁলোকে পুলিচ আৰু সৈনিকৰ চকুত ধূলি মাৰি লাগতিয়াল সূচনাবোৰ এঠাইৰপৰা আন ঠাইলৈ লৈ গৈছিল। বিদ্ৰোহীবিলাকক দমন কৰা পুলিচ আৰু সৈনিকৰ কাৰণে কঠিন কাম আছিল। পিছত সিহঁতে গোৰ্খা সৈন্য আনিছিল। তেতিয়ালৈকে বিদ্ৰোহীৰ আক্ৰমণে উগ্ৰ ৰূপ ধাৰণ কৰিছিল।

চেম্প্ৰশোৰী তগুলে তেওঁৰ সহযোগী বিদ্ৰোহীসকলৰ লগত পাণ্ডিকাট্টুত যুদ্ধৰ আয়োজন কৰিছিল। 1921 চনৰ নৱেম্বৰত গোৰ্খা সৈন্য পাণ্ডিকাট্টুত উপস্থিত হয়। তাৰ অলপ পিচতে তগুলৰ মানুহবোৰে বজাৰলৈ গৈ সেনাবোৰক চাৰিওপিনৰপৰা ঘেৰি ধৰিলে। দুহেজাৰ বিদ্ৰোহী আছিল। ৰাতিপুৱা চাৰিটা বজাত সিহঁতে গোৰ্খা সেনাক ঘেৰি ধৰে। যিকেইটা সেনাই বাহিৰত পহৰা দিছিল সিহঁতক হত্যা কৰে। গোৰ্খা সৈন্য যুদ্ধত

পাকৈত আৰু হাবি-জঙ্গলত যুদ্ধ কৰাতো সিদ্ধহস্ত। সিহঁত আন আন সেনাতকৈ বেছি তৎপৰ আৰু টপতৈয়াৰ। বিদ্ৰোহী আৰু গোৰ্খা সেনাৰ মাজত দুঘন্টা ধৰি যুদ্ধ চলিল। যুদ্ধত দুশ বিদ্ৰোহীয়ে প্ৰাণ দিয়ে। গোৰ্খা সেনা কিমান মৰিল আচল সংখ্যাটো জনা নগ'ল। কিন্তু সিহঁতৰো অধিক সংখ্যক সেনাই বিদ্ৰোহীৰ হাতত প্ৰাণ দিলে।

বিদ্ৰোহী আৰু সৈনিকৰ মাজত হোৱা সংঘৰ্ষবোৰৰ ভিতৰত কোন্নাৰা নামৰ গাঁওখনত হোৱা সংঘৰ্ষটো উল্লেখযোগ্য। কোন্নাৰা তগুল কোন্নাৰা অঞ্চলৰ মুছলমানৰ নেতা আছিল। এটা খবৰ প্ৰচাৰ হ'ল যে কোন্নাৰা মছজিদত সেনাই প্ৰৱেশ কৰিছে। খবৰটো শুনিয়েই তাক ৰোধ কৰিবৰ কাৰণে কোন্নাৰা তগুলৰ নেতৃত্বত এটা দল তালৈ ৰাওণা হ'ল। সৈনিকবোৰ মছজিদৰপৰা ঘূৰি আহি এঠাইত লুকাই আছিল ; কিন্তু বিদ্ৰোহী বিলাকে সেই কথাটো আগতেই জানি সৈন্যবোৰক চাৰিও পিনৰপৰা ঘেৰি ধৰিলে। সেনাবোৰে গুলী চলাবলৈ ধৰিলে আৰু বিদ্ৰোহীবিলাকেও গুলীৰে তাৰ প্ৰত্যুত্তৰ দিলে। আন্ধাৰ হোৱাৰ কাৰণে দুয়োপক্ষই পৰস্পৰক দেখা নাছিল। সংঘৰ্ষত দুয়ো পক্ষৰ অনেক ক্ষতি হয়। ৰাতি পুৱালত তগুলে তেওঁৰ জীৱিত লোকসকলক লগত লৈ কোষিক্কোট্ট মহকুমাৰ এটা পাহাৰত কিছুদিনৰ কাৰণে আত্মগোপন কৰি আছিল। মাজে মাজে তালৈকো সেনাবাহিনী গৈছিল। তগুল আৰু তেওঁৰ লগৰীয়াবোৰে খেতিয়কৰ মাজত মাজে সময়ে বাহিৰলৈ ওলাই ইফালে-সিফালে ঘূৰি ফুৰিছিল। শেহত কুণ্ডুপৰঞ্জিল নামৰ ঠাইত তগুলক গ্ৰেপ্তাৰ কৰে আৰু সৈনিক আদালতে বিচাৰ কৰি মৃত্যুদণ্ড দিয়ে।

আগতেই কৈ আহিছোঁ—তিৰুৰঙ্গাটী সংঘৰ্ষত সৈনিকবোৰক মৰা-কটা কৰাৰ পিছত কুঞ্চালিৰ হাবিৰ মাজত আত্মগোপন কৰি আছিল। কিছুদিন হাবিত থাকি তাৰপৰা ওলাই আহি তেওঁ কিছুদিন এটা মন্দিৰত সোমাই আছিল। সৈনিকে তাতেই তেওঁক আক্ৰমণ কৰে। সৈনিকৰ গুলীত কুঞ্চালিৰৰ তাতেই মৃত্যু হয়। এনেকৈ ভাৰতৰ স্বাধীনতা সংগ্ৰামত এজন অখ্যাত সাহসী বীৰে দেশৰ কাৰণে শেষ পৰ্য্যন্ত যুঁজি প্ৰাণ বিসৰ্জন দিয়ে। তেওঁৰ মৃত্যুৰ সংবাদ পাই তিৰুৰঙ্গাটীত তেওঁ মোক কোৱা কথাষাৰ মোৰ মনত পৰিল—"যদি আৱশ্যক হয় যুদ্ধ কৰি বীৰৰ নিচিনাকৈ মৰিম, কিন্তু সিহঁতৰ ওচৰত পৰাজয় স্বীকাৰ কৰি আত্মসমৰ্পণ নকৰোঁ।" তেওঁৰ লগৰীয়া লৰকুট্টিয়ে আত্মসমৰ্পণ নকৰি ডিঙিত জৰী লগাই আত্মহত্যা কৰে।

স্বাধীনতাৰ কাৰণে লগা হাঙ্গামা আৰু সংঘৰ্ষবোৰৰ সম্পূৰ্ণ বিৱৰণ লিখা মোৰ উদ্দেশ্য নহয়। মাত্ৰ কিছুমান প্ৰধান ঘটনা আৰু প্ৰধান প্ৰধান নেতা আৰু বীৰ সেনানীসকলৰ কথা ইয়াত মই চমুকৈ উল্লেখ কৰিছোঁ। কেৰালাত প্ৰায় 220 খন গাঁৱত হাঙ্গামা আৰম্ভ হৈছিল। সেই সময়ত হাঙ্গামাৰ বিস্তাৰ আৰু তাৰ জোৰ দেখি এইটো স্পষ্টকৈ বুজিব পাৰি যে ইমান ব্যাপক আৰু শক্তিশালী সংঘৰ্ষ কেৰালাৰ আন কোনো ঠাইত হোৱা নাছিল।

বিদ্ৰোহীসকলে যি ক্ৰূৰতাৰে সংঘৰ্ষ কৰিছিল সেনাবোৰো তেওঁলোকতকৈ কম ক্ৰূৰ

আৰু নিৰ্দয় নাছিল। সিহঁতে মাইকী মানুহ আৰু ল'ৰা ছোৱালীক হত্যা কৰিছিল, ঘৰত জুই লগাইছিল আৰু যাকে য'তে পাইছিল মিছা সন্দেহত বেতেৰে কোবাই হাত-ভৰি ভাঙি দিছিল। সিহঁতৰ ভয়ত মতা-মাইকী, ল'ৰা-বুঢ়া সকলোৱে ঘৰ এৰি হাবিত বাস কৰিছিল।

সেই দিনত ঘটা এটা ঘটনাৰ কথা শুনিলে এতিয়াও গা শিঞৰি উঠে, ইংৰাজৰ নিচিনা এটা সভ্য জাতিৰ মানুহ যে ইমান নিৰ্দয়, পশু হ'ব পাৰে এতিয়া বিশ্বাস কৰিবলৈ টান হয়। 1921 চনৰ 10 নৱেম্বৰত এখন মটৰ গাড়ীত 90 জন কয়েদীক কোয়ংপত্তুৰলৈ লৈ গৈছিল। মাত্ৰ 40 জন মানুহ বহিব পৰা সেই গাড়ীখনত 90 জন মানুহক হেচি-ঠেলি সুমুৱাই বাহিৰৰপৰা দুৱাৰ বন্ধ কৰি লৈ গৈছিল। যেতিয়া গাড়ীখন তিৰুপত আহি ৰ'লহি, গৰমত আৰু পিয়াহত মানুহবোৰে চিঞৰাত সিহঁতৰ কান্দোন আৰু চিঞৰ বাটৰ মানুহে শুনিছিল। কিন্তু গাড়ীখন খন্তেক ৰোৱাৰ পিছতে আকৌ চলিবলৈ ধৰিলে। লাহে লাহে মানুহবোৰৰ কান্দোন নাইকিয়া হ'ল। মাজৰাতি যেতিয়া গাড়ীখন আহি পোমন্নুৰত ৰ'লগৈ গাড়ীখনৰ দুৱাৰখন খুলি দেখা গ'ল 64 জনৰ মৃত শ পৰি আছে। বাকীকেইজনৰো মৃতপ্ৰায় অৱস্থা।

অসহায় কয়েদীৰ প্ৰতি কৰা অত্যন্ত অমানুষিক আৰু হৃদয়হীন ব্যৱহাৰক গোপন কৰিবৰ কাৰণে আগৰপৰাই ব্যৱস্থা কৰা হৈছিল। কিন্তু আমি পিছদিনাই কথাটো জানিব পাৰিছিলোঁ। সেই অতি কৰুণ আৰু ঘৃণনীয় ঘটনাটো বাতৰি কাকতত প্ৰকাশ কৰিবলৈ মই তৎপক্ষণাত এজন মানুহক মাদ্ৰাজলৈ পঠাই দিছিলোঁ।

সৈনিক শাসন দুমাহ আছিল। বিদ্ৰোহীসকলৰ ওপৰত মোকৰ্দমা চলাবলৈ এখন বেলেগ আদালত খোলা হৈছিল। তাৰ কাৰণে বিশেষ আইনো প্ৰণয়ন কৰা হৈছিল। অনেক বিদ্ৰোহীক মৃত্যুদণ্ড দিয়া হৈছিল আৰু কিছুমানক আন্দামানলৈ পঠাইছিল। 10 বছৰৰপৰা 14 বছৰলৈকো কঠোৰ সশ্ৰম কাৰাদণ্ড দিয়া মানুহৰ সংখ্যাও অনেক আছিল। বিদ্ৰোহী নেতা আলি মুসলিয়াৰ, চেংপ্ৰসোৰি তণ্ডল আৰু কুঞ্চ আহম্মদ হাজীক মলপ্পুৰম জেলত ফাঁচী দিছিল।

বিদ্ৰোহ শান্ত কৰিবলৈ চেষ্টা কৰা অনেক মানুহকো মিছা অপৰাধত অভিযুক্ত কৰি শাস্তি বিহিছিল। এম. পি. নাৰায়ণ মেনন, কে. কেলপ্পন, ই. মৌথু মৌলৱী, মন্নকীট্ট ৰামথ নায়াৰ, মহম্মদ আব্দুৰ ৰহমান আৰু অস্মন কোয়মোল্লা তেওঁলোকৰ ভিতৰত পৰিছিল।

কে. ভি. গোপাল মেননৰ ভায়েক কে. ভি. বালকৃষ্ণ মেননৰ বিষয়ে ইয়াত কেইআষাৰমান কথা উল্লেখ নকৰিলে মোৰ লিখাৰ উদ্দেশ্য পূৰ্ণ নহ'ব। তেওঁ কেলপ্পনৰ লগত কংগ্ৰেছ কাৰ্য্যালয়ত কাম কৰিছিল আৰু কংগ্ৰেছৰ আদৰ্শ অনুসৰণ কৰিবলৈ অধ্যয়ন এৰি দি দেশসেৱাৰ কামত নিজকে নিয়োগ কৰিছিল। হাঙ্গামা আৰম্ভ হওঁতে তেওঁক গ্ৰেপ্তাৰ কৰি কোন্নুৰ জেললৈ পঠাইছিল। জেলত থাকোঁতে তেওঁ অনেকদিন অসুখত ভুগি শেহত মৃত্যু বৰণ কৰে। পিছত আমি জানিব পাৰিছিলোঁ—জেলত তেওঁৰ

কোনো চিকিৎসা হোৱা নাছিল। কেৰালা কংগ্ৰেছৰ নেতা আৰু কৰ্মীসকলে তেওঁক সদায় স্মৰণ কৰিব। সৈনিক আদালতে বিদ্ৰোহীসকলৰ বিচাৰ যি ধৰণে কৰিছিল সেই সম্বন্ধে মালবাৰৰ এজন প্ৰসিদ্ধ উকীল মেঞ্চৰীয়ে কৈছিল ঃ

একে অপৰাধত দুজন অপৰাধীক বেলেগ বেলেগ বিচাৰকৰ আগত হাজিৰ কৰা হৈছিল। দুয়োটা মোকৰ্দমাৰ প্ৰমাণো বেলেগ বেলেগ আছিল।

"যদি অপৰাধী কোনো খিলাফতৰ সচিব হয়, তেওঁ দোষমুক্ত হোৱা অসম্ভৱ আছিল। তেওঁৰ প্ৰতি বিচাৰকৰ মনোভাব অতি বেয়া আছিল। জজে অপৰাধ আৰু প্ৰমাণ আদিলৈ নাচাইছিল, মানুহজন কোন সেইটোহে চাইছিল।

"মৃত্যুদণ্ড দিয়া দুজন অপৰাধীৰ ভিতৰত এজনক যিটো ঘটনাত লিপ্ত কৰা হৈছিল সেই ঘটনাটো ঘটাৰ সময়ত তেওঁ জেলত আছিল।

"হাঙ্গামাৰ সময়ত প্ৰমাণ হাজিৰ কৰাৰ দায়িত্ব বাদীৰ নাছিল, অপৰাধীৰ আছিল। অপৰাধীৰ সপক্ষে সাক্ষী দিবলৈ কোনেও সাহ নকৰিছিল। যদি কোনো মানুহে সাহ কৰি সাক্ষী দিছিল, পিছদিনাই তেওঁক অপৰাধী কৰিছিল।"

বিক্ষোভ আৰু হাঙ্গামা অনেকদিন ধৰি আছিল। ইয়াৰ ভিতৰত কিমান মানুহ মৰিছিল সঠিক সংখ্যা কোৱা টান। আনুমানিক দুই হেজাৰৰ কম নাছিল। ছমাহৰ পিছত হাঙ্গামা সমাপ্ত হৈছিল, কিন্তু তাৰ ক্ষতি পূৰণ কৰিবলৈ কেইবাবছৰো লাগিছিল।

হাঙ্গামাৰ পিছত

কোনো মানুহে এটা ভয়ানক ডাঙৰ ঘটনা নিজ চকুৰে দেখাৰ অলপ পিছতে যদি তেওঁক ঘটনাটোৰ বিৱৰণ দিবলৈ কোৱা হয়, আৱেগ আৰু উত্তেজনাত অভিভূত হৈ তেওঁ ৰহণ সানি অতিৰঞ্জিত কৰি কোৱাটো স্বাভাৱিক। কিন্তু অনেক সময় পাৰ হৈ যোৱাৰ পিছত তেওঁক সেই একে ঘটনাটোৰ কথা ক'বলৈ ক'লে আচল ঘটনাটোৰ বিষয়ে জনা যায়। ওপৰত উল্লেখ কৰা দুৰ্বলতাখিনি কোনেও বাদ দিব নোৱাৰে আৰু তাৰ বাবে তেওঁক কোনেও দোষ দিব নোৱাৰে।

মালবাৰত ঘটা ঘটনাবোৰ ইতিহাসৰপৰা লৈ লিপিবদ্ধ কৰা মালবাৰ ব্যৱস্থা পুস্তকত পোৱা যাব। সেই হাঙ্গামাবোৰৰ কাৰণৰ বিষয়ে নানা মত শুনি আহিছোঁ। সেইবোৰৰ আলোচনা আৰু সমালোচনা প্ৰকৃত ইতিহাস লিখিবৰ সময়ত কৰা উচিত। 1921 চনত অসহযোগ আন্দোলন হোৱাৰ সময়ত আৰম্ভ হোৱা হাঙ্গামাবোৰৰ বিষয়ে জনসাধাৰণে জানে। পুলিচৰ অত্যাচাৰৰ প্ৰতিক্ৰিয়া স্বৰূপে যে হাঙ্গামা আৰম্ভ হৈছিল তাত অলপো সন্দেহ নাই। চৰকাৰৰ বিৰুদ্ধে আৰম্ভ কৰা আন্দোলনক দমাবলৈ চৰকাৰে সকলো অনুচিত আৰু অসৎ উপায় অৱলম্বন কৰিছিল আৰু তাৰ ফলত হাঙ্গামা বিস্তাৰ কৰিছিল। সেই হাঙ্গামা কোনো জমিদাৰ আৰু কৃষকৰ মাজত হোৱা নাছিল নাইবা মন্দিৰ আৰু মছজিদৰ সম্বন্ধত হোৱা নাছিল। পুলিচৰ অত্যাচাৰত অতিষ্ঠ হৈ মানুহে অহিংসাৰ পথ ত্যাগ কৰি অস্ত্ৰশস্ত্ৰ হাতত লৈছিল। চৰকাৰৰ বিৰুদ্ধে জনসাধাৰণৰ সেইটো প্ৰত্যাহ্বান আছিল। পিছত বিদ্ৰোহীবিলাকে আন ধৰ্মৰ মানুহকো আক্ৰমণ কৰিছিল যদিও তাৰ কাৰণ বেলেগ আছিল।

প্ৰাৰম্ভতে মুছলমান বিদ্ৰোহীবোৰে হিন্দুৰ ওপৰত আক্ৰমণ কৰা নাছিল ; কিন্তু পিছত যেতিয়া সৈনিকবোৰ আহি তেওঁলোকৰ ওপৰত অত্যাচাৰ আৰম্ভ কৰিছিল আৰু কিছুমান হিন্দুৱে সৈনিকবোৰক সহায় কৰিছিল, তেতিয়া হিন্দুৰ প্ৰতি মুছলমান বিদ্ৰোহীসকলৰ মনোভাৱ সলনি হৈছিল। কিন্তু যিবোৰ হিন্দুৱে সেনাবোৰক সহায় কৰিছিল, সহায় নকৰাহেঁতেন সেনাই সিহঁতক কঠোৰ শাস্তি দিলেহেঁতেন। অপ্ৰিয় যদিও এইটো সত্য যে বিদ্ৰোহীবিলাকক অনুসন্ধান কৰিবলৈ যাওঁতে হিন্দু মানুহ সেনাবোৰৰ লগত আছিল আৰু সেই কাৰণে মুছলমান বিদ্ৰোহীবিলাকে হিন্দুৰ ওপৰত প্ৰতিশোধ লৈছিল। সেই ধৰ্ম সম্বন্ধীয় সংঘৰ্ষই লাহে লাহে মূৰ দাঙি উঠিছিল। কিন্তু এইটোও সত্য যে মুছলমানসকলৰ নিচিনাকৈ হিন্দু জনসাধাৰণ সুৰক্ষিত নাছিল।

বিদ্ৰোহীসকলৰ মাজত অধিক সংখ্যক লোক আছিল যাৰ চৰকাৰৰ হানি কৰাই প্ৰধান আৰু মুখ্য উদ্দেশ্য আছিল। কিন্তু কম সংখ্যক বিদ্ৰোহী আছিল যি লুটপাত কৰাত

তৎপৰ আছিল। তদুপৰি সেই হাঙ্গামাৰ সুবিধা লৈ কিছুমান মুছলমান বিদ্ৰোহীয়ে আন ধৰ্মৰ মানুহক নিজৰ ধৰ্মলৈ অনাৰো চেষ্টা কৰিছিল। সেই সময়ত মানুহে মৰ্য্যাদা, দয়া আৰু সহানুভূতিৰ কথা একেবাৰে পাহৰি গৈছিল। হাতলৈ বল অহাত আৰু কাৰো বাধা নোপোৱাত কিছুমান বিদ্ৰোহীৰ ওচৰত সত্য আৰু অসত্য, ন্যায় আৰু অন্যায়ৰ ব্যৱধান একেবাৰেই নোহোৱা হৈছিল। সেই অশান্ত আৰু অস্বাভাৱিক পৰিস্থিতিত মানুহৰ শুই থকা পৈশাচিক বৃত্তিবোৰ জাগি উঠিছিল। হাঙ্গামাবোৰৰ দিনত এৰনাটৰ নিচিনা ঠাইতো বিদ্ৰোহীবিলাকে অনেক নীচ আৰু ঘৃণনীয় কাম কৰিছিল।

হাঙ্গামাবোৰ শান্ত কৰাত অসমৰ্থ হোৱাৰ পিছত আমাৰ ওপৰত এটা ডাঙৰ দায়িত্ব আহিছিল। সেইটো আছিল হাঙ্গামাৰ কাৰণে ঘৰবাৰী এৰি পলাই যোৱাৰ কাৰণে শৰণাৰ্থীসকলৰ কাৰণে বাসস্থান আৰু খাদ্য সামগ্ৰীৰ ব্যৱস্থা কৰা। অসংখ্য মানুহে সহায় বিচাৰি আমাৰ ওচৰলৈ আহিল। আমি ধন সংগ্ৰহ কৰিছিলোঁ আৰু ভাৰতৰ বিভিন্ন ৰাজ্যৰপৰাও ধন সঞ্চয় কৰাৰ দিশত মহাত্মা গান্ধীয়ে সৰ্বাধিক চেষ্টা কৰিছিল।

আমি তিনিটা শৰণাৰ্থী শিবিৰ স্থাপন কৰিছিলোঁ। তালৈ পৰ্য্যাপ্তৰূপে আন আন ঠাইৰপৰা টকা আৰু খাদ্য সামগ্ৰীবোৰ আহিছিল। ৰোগীৰ চিকিৎসাৰ ব্যৱস্থাও কৰা হৈছিল। ৰাতিপুৱাৰপৰা দুপৰীয়ালৈকে কংগ্ৰেছ কাৰ্য্যালয়ত মানুহৰ ভিৰ হৈছিল। তেওঁলোকৰ সুখ-সুবিধাৰ ব্যৱস্থা কৰিবলৈ অনেক কংগ্ৰেছ কৰ্মী উপস্থিত আছিল। কে. মাধৱন, অম্পাল পাহু, কৰুণাকৰ মেনন, পি. অচ্যুতন আৰু কে. ভি. গোপাল মেনন আদি প্ৰধান কৰ্মীসকলৰ চেষ্টাত শৰণাৰ্থী শিবিৰবোৰত সকলো কাম সুচাৰুৰূপে চলিছিল আৰু শৰণাৰ্থীসকলৰ কোনো অসুবিধা হোৱা নাছিল। প্ৰায় ছমাহ ধৰি অতি সুন্দৰভাৱে শৰণাৰ্থী শিৱিৰবোৰ চলা দেখি আনকি কংগ্ৰেছৰ বিৰোধী মানুহবোৰেও আমাক প্ৰশাংসা কৰিছিল। আমি যথেষ্ট টকা সংগ্ৰহ কৰিছিলোঁ আৰু সেই টকাৰে শৰণাৰ্থী শিবিৰবোৰ সুচাৰুৰূপে চলোৱাৰ বাহিৰেও মৃত আৰু জেলত থকা বন্দীসকলৰ পৰিয়ালবৰ্গক সকলো প্ৰকাৰৰ সহায়তাৰ যোগান ধৰিছিলোঁ। সেই সহায়তা ধৰ্ম নিৰ্বিশেষে কৰা হৈছিল।

ভাৰত-সেৱা সঙ্ঘইও শৰনাৰ্থী-সেৱা আগ বঢ়াইছিল। হাঙ্গামা সমাপ্ত হোৱাৰ পিছতো অনেক দিনলৈকে শৰণাৰ্থীসকলক সহায় কৰা হৈছিল।

শৰণাৰ্থীসকলৰ ভিতৰত এনেকুৱা অনেক পুৰুষ-স্ত্ৰী আছিল যিসকলে সৈনিক আৰু কিছুমান অসৎ বিদ্ৰোহীৰ অত্যাচাৰ সহ্য কৰিব লগীয়া হৈছিল। তেওঁলোকৰ দুঃখ লগা বিৱৰণবোৰ লিখাৰ কামো কংগ্ৰেছ সমিতিয়ে সমাধা কৰিছিল।

মানুহৰ হাঙ্গামাৰ ঘটনাবোৰ অতিৰঞ্জিত কৰাৰ অভ্যাস আছিল। সংকীৰ্ণ জাতীয় মনোভাবে ঘটনাবোৰৰ আচল স্থিতিটো বুজাত বাধা দিছিল। অৱশ্যে অনেক মানুহে সেইবোৰ বুজিবলৈ ইচ্ছাও নকৰিছিল। বিদ্ৰোহীবিলাকৰ কোনো কোনোৱে জোৰ কৰি ধৰ্ম পৰিৱৰ্তনো কৰাইছিল। এই সম্বন্ধে বাতৰি কাকতবোৰে বিশদভাৱে সমালোচনা কৰিছিল। কিছুমানে বাতৰি কাকতে এনে ঘটনা হোৱা নাছিল বুলি দাবী কৰিছিল আৰু

কিছুমানে ঘটনাবোৰ ঘটিছিল বুলি কৈ সেইবোৰক অতিৰঞ্জিত কৰি প্ৰচাৰ কৰিছিল। কংগ্ৰেছে তেনেধৰণৰ বাদ-প্ৰতিবাদত অংশ গ্ৰহণ কৰা নাছিল আৰু প্ৰমাণ থকা ঘটনাবোৰক সত্য বুলি মানি লৈছিল।

মাদ্ৰাজৰ 'হিন্দু' বাতৰি কাকতত এজন লেখকে বিদ্ৰোহীয়ে জোৰ কৰি ধৰ্ম-পৰিৱৰ্তন কৰাটো একেবাৰে মিছা বুলি লিখিছিল। কথাটো সঁচা নে মিছা তাক অনুসন্ধান কৰি সত্য তথ্য বাতৰি কাকতত দিয়াৰ দায়িত্ব কংগ্ৰেছ কাৰ্য্যালয়ৰ সচিবৰ ওপৰত পৰে। কংগ্ৰেছ কাৰ্য্যালয়ত এনে ধৰণৰ কিছুমান মানুহৰ উক্তি লিখা আছিল যিসকলে বাধ্য হৈ ধৰ্ম পৰিৱৰ্তন কৰিছিল। গতিকে 'হিন্দু'ত প্ৰকাশ হোৱা বাতৰিটো সত্য নহয় বুলি মই বাতৰি কাকতলৈ লিখি পঠালোঁ। মোৰ শংকা আছিল যে মোৰ কথাখিনি বাতৰি কাকতত প্ৰকাশ হ'লে কিছুমান মানুহৰ খং উঠিব আৰু তেওঁলোকে নিজকে দোষী আৰু হীন বোধ কৰিব।

মোৰ সন্দেহ সঁচা আছিল আৰু তাৰ প্ৰমাণ সেইদিনাই পালোঁ। ৰাতি শোৱাৰ পিছত কেইটামান দুৰ্বৃত্তই মোৰ ঘৰলৈ শিলগুটি দলিয়ালে আৰু তাৰ পিছদিনা ৰাতিপুৱাৰ ডাকত "তোক মাৰিম, গুলীৰে উৰুৱাই দিম" আদি কথাবোৰ লিখা কেইখনমান লেখকৰ নাম নথকা চিঠি পালোঁ। সত্য কথা প্ৰকাশ কৰা বাতৰি কাকতৰ ওপৰত যে মানুহ ক্ষুব্ধ হয় আৰু সত্য কথা লিখোঁতাজনকো যে তেনেকৈ ধমকি দিয়ে, মই প্ৰথম দেখিলোঁ।

সেই ঘটনাটোৰ কিছুদিনৰ পিছত ৰাজগোপালাচাৰী কোষিক্কোট্টলৈ আহিছিল। তাৰ অলপদিনৰ আগতে সৈনিক শাসন সমাপ্ত হৈছিল। তেওঁৰ অহাৰ প্ৰধান উদ্দেশ্য আছিল—হাঙ্গামাৰ কাৰণে সেই অঞ্চলত হিন্দু আৰু মুছলমানৰ ভিতৰত প্ৰায় লুপ্ত হোৱা মৈত্ৰীভাব পুনৰুদ্ধাৰ কৰা। হাঙ্গামাৰ পিছত তেওঁ তালৈ প্ৰথমবাৰ আহিছিল। তেওঁ মোৰ ঘৰত আছিল।

ৰাজগোপালাচাৰী আহিবৰ দিনা সমুদ্ৰৰ পাৰত এখন সভাৰ আয়োজন কৰা হৈছিল। সভালৈ ময়ো গৈছিলোঁ। সভাত মোক দেখি কিছুমান মানুহে মোৰ বিষয়ে বেয়া আলোচনা কৰাৰ দুই-এটা কথা মোৰ কাণত পৰিছিল। তেওঁলোকে বাতৰি কাকতত মই দিয়া কথাবোৰ সমৰ্থন কৰা নাছিল। ৰাজগোপালাচাৰীয়ে বক্তৃতা দিয়াৰ পিছত মই ক'বলৈ থিয় হ'লোঁ। পাঁচ মিনিট পৰ্য্যন্ত একো শুনা নগ'ল, মানুহবোৰে চিঞৰি-বাখৰি গণ্ডগোল লগাই দিলে। মোক বক্তৃতা দিবলৈ নিদিয়াটোৱেই মানুহবোৰৰ উদ্দেশ্য আছিল। কিন্তু মই ক্ষান্ত নহ'লোঁ। মই ক'বলৈ চেষ্টা কৰিলোঁ।

"মই জানো—ধৰ্ম পৰিৱৰ্তনৰ বিষয়ে মোৰ যিবোৰ কথা বাতৰি কাকতত প্ৰকাশ হৈছে সেইবোৰ আপোনালোকে ভাল পোৱা নাই। আপোনালোকে জোৰ কৰি কিছুদিনলৈ সঁচা কথা লুকুৱাই থ'ব পাৰিব, কিন্তু সঁচা কথাই এদিন তাৰ স্বৰূপ প্ৰকাশ কৰিবই। মই মিছা কোৱা নাই আৰু সাজিও কোৱা নাই। যিবিলাক মানুহক জোৰ কৰি ধৰ্ম-পৰিৱৰ্তন কৰাইছিল তেওঁলোকে আমাৰ কাৰ্য্যালয়লৈ আহি কোৱাত তেওঁলোকৰ

কথাবোৰ লিখি থৈছিলোঁ আৰু তাৰেই ভিত্তিত বাতৰি কাকতত সত্য কথা প্ৰকাশিত হৈছে। গতিকে মোৰ কথাৰ ওপৰত আপোনালোক অসন্তুষ্ট হোৱা উচিত নহয়।"

এইটো মোৰ বক্তৃতাৰ সাৰাংশ আছিল। বক্তৃতাৰ মাজত গণ্ডগোল হৈছিল আৰু মই মাজে মাজে ৰ'বলগীয়া হৈছিল, কিন্তু একেবাৰে বক্তৃতা বন্ধ কৰাৰ কথা কেতিয়াও ভবা নাছিলোঁ। মোৰ কিছুমান ক'বলগীয়া কথা আছিল আৰু সেইবোৰ সকলো কৈছিলোঁ। তাতেই মোৰ আনন্দ।

এনে ধৰণৰ অভিজ্ঞতা মোৰ আগতেও কেইবাবাৰো হৈছিল আৰু সেইকাৰণে দেশসেৱাৰ কামত লাগি আগবাঢ়ি গৈ থাকোঁতে মন বেয়া কৰা উচিত নহয় আৰু কৰাও নাছিলোঁ। মই ভালকৈ জানো—দেশসেৱা আৰু জনহিতকৰ কাম কৰোঁতাসকলৰ বিৰোধিতা কৰা মানুহৰ অভাৱ নাই আৰু লগতে সমৰ্থন আৰু সহায় কৰোঁতাৰো অভাৱ নাই। কিছুমানে আমাৰ কামত বিঘিনি ঘটায় আৰু কিছুমানে আমাক সহজ পথ দেখুৱাই দিয়ে। কিন্তু এটা কথা সত্য যে অন্তৰ শুদ্ধ আৰু নিৰ্মল হ'লে আমাৰ কোনো কামত ভুল হ'ব নোৱাৰে আৰু আমি লক্ষ্যস্থানত উপনীত হ'মেই।

উল্লেখযোগ্য যে সৈনিকবিলাকৰ অত্যাচাৰৰ কথা চৰকাৰী বিষয়াসকলৰ ওচৰত উল্লেখ কৰিলেই তেওঁলোক অসন্তুষ্ট হৈছিল। যেন কিবা এটা অস্বাভাৱিক কথাহে তেওঁলোকক কোৱা হৈছে। সৈনিকৰ ক্ৰূৰ আৰু হৃদয়হীন কামবোৰৰ বিষয়ে অনুসন্ধান কৰি মই লিখি ৰাখিছিলোঁ। দুটা ঘটনাৰ কথা মোৰ স্পষ্ট মনত আছেঃ এজনী গৰ্ভৱতী মুছলমান তিৰোতা সৈনিকৰ গুলীত আহত হৈ মাটিত পৰি যায় আৰু সৈনিকে এটা মুছলমান ল'ৰাৰ হাত এখন কাটি দিয়ে। বেলেগ বেলেগ সময়ত দুয়ো আমাৰ শৰণাৰ্থী শিবিৰলৈ আহিছিল আৰু দুয়োৰে ফটো লৈ আমাৰ কাৰ্য্যালয়ত ৰখা হৈছিল।

হাঙ্গামাৰ কিছুদিনৰ পিছত সৰোজিনী নাইডু কোষিক্কোট্টলৈ আহিছিল। তেওঁক উপৰোক্ত তিৰোতা আৰু ল'ৰাটোৰ কথা কোৱাত তেওঁ আগতে আন ঠাইত শুনা কেইটামান তেনেধৰণৰ ঘটনাৰ কথা আমাক কৈছিল। তেওঁ বোম্বাইলৈ গৈ তাৰপৰা ঘূৰি আহোঁতে মাদ্ৰাজত নামি তাৰ সভা এখনত বক্তৃতা দিছিল। সেই সভাত তেওঁ সৈনিকক ঘৃণনীয় আৰু ক্ৰূৰ ব্যৱহাৰৰ কাৰণে নিন্দা কৰিছিল।

তাৰ দুদিনৰ পিছত মাদ্ৰাজ চৰকাৰে ঘোষণা কৰিলে—সৈনিকৰ বিষয়ে সৰোজিনী নাইডুৱে মিছা কথা কৈছে। এইবাবে তেওঁ অনুতপ্ত হৈ চৰকাৰৰ ওচৰত ক্ষমা বিচাৰিব লাগিব। যদি ক্ষমা নিবিচাৰে, তেওঁৰ বিৰুদ্ধে গোচৰ অনা হ'ব। সেই বিজ্ঞপ্তি পঢ়ি মই হিন্দু বাতৰি কাকতত এনেভাৱে লিখিলোঁ ঃ

"সৰোজিনী নাইডুৱে মাত্ৰ মই তেওঁক কোৱা ঘটনা দুটাৰ কথা বক্তৃতাত উল্লেখ কৰিছিল। সেই ঘটনা দুটাৰ ফটোসহ সকলো প্ৰমাণ থকাৰ কাৰণে তাত অলপো ভুল নাই। গতিকে সঁচা বা মিছাৰ বাবে মই দায়িত্ব বহন কৰোঁ। যদি ঘটনা দুটা মিছা হয়, তাৰ বাবে চৰকাৰে মোক শাস্তি দিব—সৰোজিনী নাইডুক নহয়।"

এই কথাকেইটা 'হিন্দু' বাতৰি কাকতত প্ৰকাশ হোৱাত চৰকাৰ মনে মনে থাকিল।

মাজে মাজে ঘটি থকা সাম্প্ৰদায়িক সংঘৰ্ষবোৰে মোক ব্যাকুল কৰিছিল আৰু তেতিয়া মোৰ মনলৈ বৰ দুঃখ আৰু নিৰাশা আহিছিল। কিছুমান মানুহে মোক কৈছিল—"এই সাম্প্ৰদায়িক শত্ৰুতা কোনেও আঁতৰাব নোৱাৰে, ই ভাৰতত থাকিবই।" কিন্তু মই সেই কথা বিশ্বাস নকৰিছিলোঁ। সহিষ্ণুতা এই দেশৰ সংস্কৃতিৰ আধাৰশিলা। দুশ বছৰৰ ভিতৰত সাম্প্ৰদায়িক সংঘৰ্ষ যেনেকৈ বাঢ়ি আহিছে সেই বৃদ্ধি ভাৰতীয় সংস্কৃতিৰ সম্পূৰ্ণ বিপৰীত। এই বৃদ্ধিৰ প্ৰধান কাৰণ হ'ল—বিদেশী শাসন। স্বাধীনতাৰ পিছত এই মনোভাৱ আঁতৰি যাব। মিলাপ্ৰীতি আৰু মৈত্ৰীভাৱ আমাৰ সকলো ধৰ্মৰ মানুহৰ মাজত বিৰাজ কৰিব ; নহ'লে কৰুণাহীন, নিৰ্দয় মানুহ কেনেকৈ সভ্য হৈ থাকিব ? ধৰ্মৰ নামত সভ্য মানুহে কেনেকৈ অসভ্য মানুহৰ নিচিনাকৈ ব্যৱহাৰ কৰিব ? এটা ধৰ্মৰ মানুহে আনটো ধৰ্মৰ মানুহক নিন্দা আৰু ঘৃণা কৰি নিজকে উচ্চ স্তৰৰ মানুহ বুলি কেনেকৈ পৰিচয় দিব ? এই প্ৰশ্নকেইটাৰ উত্তৰ সকলো সভ্য মানুহে জানে বুলি মোৰ একান্ত বিশ্বাস আছিল।

ঈশ্বৰ আৰু মানুহৰ মাজত থকা সম্বন্ধৰ কথা কেতিয়াবা কেতিয়াবা মহাত্মাসকলৰ চিন্তাৰ বিষয়বস্তু হৈ পৰে। তেওঁলোকৰ সেই চিন্তাৰ সাৰাংশ গোটেই মানৱ সমাজত আপুৰুগীয়া সঞ্চিত ধন। এই সম্বন্ধে উপনিষদত উল্লেখ কৰা এষাৰ কথাৰ তাৎপৰ্য্য আৰু নিহিত অৰ্থ জনা উচিত। "বিভিন্ন ৰঙৰ গাই থাকে, কিন্তু সকলো গায়ে আমাক বগা ৰঙৰ গাখীৰ দিয়ে।" এনেকৈ আমি ধাৰ্মিক আৰু অৱতাৰী পুৰুষসকলক 'গাই' আৰু তেওঁলোকৰ জ্ঞান আৰু উপদেশক 'গাখীৰ' বুলি মানি ল'লেই আমাৰ মনৰপৰা ধৰ্ম সম্বন্ধীয় সকলো ভেদভাব আঁতৰি যাব। এইটো মোৰ বিশ্বাস আৰু মত।

নিজৰ ধৰ্মৰ মতৰপৰা এক তিলো আঁতৰি নগৈ আন ধৰ্মৰ মতক হেয় জ্ঞান কৰাৰ ফলত ধৰ্মৰ নামত ইতিহাসত অনেক সংঘৰ্ষ, অনেক হত্যা আৰু অনেক শোচনীয় ঘটনা ঘটিছে। একাদশ শতাব্দীৰপৰা চতুৰ্দশ শতাব্দীৰ ভিতৰত মুছলমান আৰু খৃষ্টানসকলৰ মাজত অনেক সংঘৰ্ষ হৈছিল ; ষোড়শ আৰু সপ্তদশ শতাব্দীত ইউৰোপত প্ৰোটেষ্টান্ট আৰু কেথলিকৰ মাজত ডাঙৰ সংঘৰ্ষ হৈছিল। হিন্দু আৰু মুছলমানৰ মাজতো অনেক যুদ্ধ লগা নাই জানো ? এঠাইত শিলালিপিত ধৰ্ম প্ৰচাৰক সম্ৰাট অশোকে লিখিছিল ঃ "একো একোটা কাৰণত সকলো ধৰ্মাৱলম্বী মানুহৰ নিজৰ ভিতৰত মিলাপ্ৰীতিৰ ভাব আছে। আন ধৰ্মক আদৰ আৰু সন্মান কৰিলে নিজৰ ধৰ্মৰ মহত্ত্ব বৃদ্ধি হয় আৰু আন ধৰ্মৰ মানুহক স্নেহ, দয়া আৰু সেৱা-শুশ্ৰূষা কৰিলে উচ্চতম মানৱ-ধৰ্ম পালন কৰা হয়।"

আমি যদি এই উপদেশ পালন কৰোঁ মানৱ-সমাজৰ কিমান কল্যাণ হ'ব! এই উপদেশ পালন কৰাৰ আমাৰ জ্ঞান, বিবেচনা আৰু সামৰ্থ্য আছে, তেন্তে নকৰোঁ কিয় ?

সাৰ্বজনিক কামত উদাসীনতা

হাঙ্গামা সমাপ্ত হোৱাৰ পিছত পৰিস্থিতি আগৰ নিচিনা নোহোৱাত মালবাৰত কোনো প্ৰকাৰৰ সাৰ্বজনিক কাম কৰাটো অসম্ভৱ হ'ল। কংগ্ৰেছ কৰ্মী আৰু নেতাসকলৰ প্ৰতি জনসাধাৰণে বিৰোধ ভাব পোষণ কৰিলে। চৰকাৰী অধিকাৰীসকলে প্ৰচাৰ কৰিলে— কংগ্ৰেছৰ মানুহে খিলাফত আন্দোলনত অংশ গ্ৰহণ কৰি দেশখনক বিপদৰ মাজলৈ ঠেলি দিছিল। কেইজনমান হিন্দু নেতাই আক্ষেপ কৰিলে খিলাফতৰ সদস্যসকলৰ লগত মিলিজুলি কাম কৰা কংগ্ৰেছৰ মানুহবোৰ সমাজদ্ৰোহী। তেওঁলোকে এইটোও ক'লে যে মালবাৰত সকলো কংগ্ৰেছ কৰ্মীক জেললৈ পঠোৱা উচিত। মুছলমানসকলে আক্ষেপ কৰিলে যিসকলে তেওঁলোকক কংগ্ৰেছত যোগদান কৰিবলৈ উদগনি দিছিল, পুলিচ আৰু সেনাৰ আক্ৰমণৰ সময়ত সেই কংগ্ৰেছৰ মানুহে তেওঁলোকক ত্যাগ কৰিলে। এইবোৰ কথা শুনি আমি, বিশেষকৈ মই, মনত বৰ দুঃখ পালোঁ। মানুহে কংগ্ৰেছ কৰ্মীসকলক অনাদৰ কৰিবলৈ ধৰিলে আৰু তাৰ ফলত তেওঁলোকে নীৰৱে অপমান সহ্য কৰি নিজৰ কামবোৰ কৰি গ'ল। আগতে যিবোৰ মানুহ তেওঁলোকৰ বন্ধু আছিল তেওঁলোকে এতিয়া তেওঁলোকক (কংগ্ৰেছ কৰ্মী) দেখিলে নেদেখাৰ ভাও ধৰি গুচি গৈছিল। কিছুমানে আমাক লগ পাবলৈ ভয় কৰিছিল। আমি কোনো কামত কাৰোবাৰ ওচৰলৈ গ'লে তেওঁ লৰালৰিকৈ কামখিনি কৰি দি আমাক সোনকালে বিদায় দিছিল। অনেক কংগ্ৰেছ সমিতি ভাগি গ'ল, কিছুমান কংগ্ৰেছ নেতা জেলত। অনেকে কংগ্ৰেছ এৰি দিলে। আটাইতকৈ দুঃখৰ কথা, ভাৰতৰ অন্যান্য ঠাইত যি অসহযোগ আন্দোলন হৈছিল তাৰ নেতা আৰু কৰ্মীসকলেও মালবাৰ কংগ্ৰেছৰ প্ৰতি বিৰোধ ভাব পোষণ কৰিছিল।

সেই সময়তে মহামতি এণ্ড্ৰুজ কোষিক্কোট্টলৈ আহিছিল। তেওঁ হাঙ্গামাৰ কাৰণ আৰু ঘটনাবোৰৰ সঠিক ৰূপ জানিবৰ কাৰণে আহিছিল। তেওঁ কোষিক্কোট্টত এসপ্তাহ আছিল। মই কে. মাধৱন নায়াৰ আৰু ইউ. গোপাল মেননৰ লগত তেওঁক কেইবাবাৰো লগ ধৰি সকলো কথা বুজাই দিছিলোঁ। যি তেওঁক এবাৰ দেখিছিল তেওঁ তেওঁক কেতিয়াও পাহৰিব নোৱাৰিছিল। তেওঁ ভাৰতীয় ধৰণে ধুতী আৰু পাঞ্জাৱী পিন্ধিছিল। ক'লা দীঘল ডাঢ়িৰে তেওঁ স্নেহ, দয়া আৰু শ্ৰদ্ধাৰ প্ৰতিমূৰ্ত্তি আছিল আৰু তেওঁৰ সৰল আৰু দয়াশীল অন্তৰত কুটিলতা আৰু কলংক বিন্দু মাত্ৰও নাছিল। য'ত মানুহে কষ্ট ভুগিছিল, য'ত মানুহক শোষণ কৰিছিল, তালৈকে সহায়ৰ কাৰণে তেওঁ দৌৰ মাৰিছিল। দুখীয়াৰ পৰম বন্ধু আছিল এণ্ড্ৰুজ। জন্মৰপৰা তেওঁ ইংৰাজ আছিল, কিন্তু পিছত ভাৰতক নিজ জন্মভূমি বুলি মানি লৈছিল। তেওঁ ভাৰতৰ অনেক ঠাইত আৰু ভাৰতৰ

বাহিৰত দক্ষিণ আফ্ৰিকা, লঙ্কা, মালয়া আৰু মৰিচাচ আদি দেশবোৰত থকা ভাৰতীয়সকলৰ দুঃখ কষ্ট আৰু অভাৱ-অভিযোগবোৰৰ কথা জানি তেওঁলোকক সহায় কৰিবলৈ তালৈ গৈছিল। তেওঁ নিজৰ কাপোৰ-কানি, আহাৰ বা ভ্ৰমণৰ খৰচৰ কথা কেতিয়াও চিন্তা নকৰিছিল আৰু তেওঁৰ একান্ত বিশ্বাস আছিল—সেই সকলোবোৰ ঈশ্বৰে দিব আৰু আমাৰ একমাত্ৰ কাম হ'ব—আনক সেৱা 'শুশ্ৰূষা কৰা।'

তেওঁ ৰবীন্দ্ৰনাথ ঠাকুৰৰ শান্তিনিকেতনত আছিল আৰু তাত তেওঁ মাজে সময়ে ছাত্ৰক পঢ়াইছিলো। যেতিয়া মহাত্মাগান্ধী অসুস্থ হৈছিল আৰু চিকিৎসাৰ কাৰণে শান্তি নিকেতনলৈ গৈছিল তেতিয়া এগুৰজে তেওঁক শুশ্ৰূষা কৰিছিল।'

এসপ্তাহ কোষিক্কোট্টত থাকি তেওঁ হাঙ্গামা লগা ঠাইবোৰ চাবলৈ গৈছিল আৰু বিভিন্ন খাপৰ মানুহৰ লগত কথা-বতৰা পাতি কলিকতালৈ ঘূৰি গৈছিল। শান্তি নিকেতনলৈ ঘুৰি যাওঁতে তেওঁ মোৰ ল'ৰাকো লগত লৈ গৈছিল। মোৰ ল'ৰাই শান্তি নিকেতনত দুবছৰ পঢ়িছিল।

হাঙ্গামা শেষ হৈছিল কিন্তু তাৰ প্ৰতিক্ৰিয়া স্বৰূপ অশান্তি বিৰাজ কৰিছিল। মোক কোষিক্কোট্ট চহৰৰ সীমাৰ বাহিৰলৈ যাবলৈ দিয়া নাছিল। চৌৰি-চৌৰাৰ হত্যাকাণ্ডৰ লগত গান্ধীজী লিপ্ত আছিল বুলি অভিযুক্ত কৰি তেওঁক গ্ৰেপ্তাৰ কৰাত গোটেই দেশত ৰাজনৈতিক ক্ষেত্ৰত অনিশ্চয়তা আহি গ'ল। কংগ্ৰেছ নেতা আৰু কৰ্মীসকলৰ আশংকা হ'ল অসহযোগ আন্দোলনৰ পুনৰ্জাগৰণ অসম্ভৱ। ৰাজদ্ৰোহৰ অপৰাধত গান্ধীজীৰ বিচাৰ হ'ব—সেই সংবাদ গোটেই দেশতে বিয়পি পৰিল। বিদ্ৰোহ আৰম্ভ হোৱাৰ আগতেই মোৰ গান্ধীজীক দেখা কৰাৰ প্ৰবল ইচ্ছা আছিল। কিন্তু চৰকাৰে কোষিক্কোট্ট এৰি যাব নোৱৰা প্ৰতিবন্ধক লগোৱাৰ কাৰণে মই যাব নোৱাৰিলোঁ। সেই কাৰণে এটা সুবিধাৰ কাৰণে অপেক্ষা কৰি থাকিলোঁ। মোৰ ওপৰত লগোৱা প্ৰতিবন্ধক প্ৰায় শেষ হওঁ হওঁ। তাৰ পিছত দ্বিতীয়বাৰ প্ৰতিবন্ধক লগোৱাৰ আগতেই কোষিক্কোট্ট এৰি যাব পাৰিলে যে বৰ ভাল হ'ব সেই কথা মোৰ মনত খেলি গ'ল।

বোম্বাইৰ কেইজনমান ব্যৱসায়ী কোষিক্কোট্টত আছিল। তেওঁলোকৰ বেপেৰুৱা জাহাজ কোষিক্কোট্টৰপৰা বোম্বাইলৈ গৈছিল। তেওঁলোকৰে এজন ব্যৱসায়ীৰ নাম আছিল হাজী ৰাঙ্গিলা। তেওঁক সোধাত তেওঁ মোক তেওঁৰ জাহাজত বোম্বাইলৈ লৈ যাবলৈ প্ৰতিশ্ৰুতি দিলে। মোৰ চৰকাৰী প্ৰতিবন্ধক শেষ হোৱাৰ লগে লগে আকৌ প্ৰতিবন্ধক লগোৱাৰ সম্ভাৱনা আছিল। গতিকে তাৰ আগতেই মই জাহাজত উঠিলোঁ আৰু বোম্বাইলৈ যাত্ৰা কৰিলোঁ। জাহাজত হাজী ৰঙ্গিলাই নিজৰ অতিথিৰ নিচিনাকৈ মোৰ আলপৈচান ধৰিলে। পাঁচ দিনৰ পিছত মই বোম্বাইত উপস্থিত হ'লোঁ আৰু তাৰ পিছদিনাই আহমদাবাদলৈ ৰাওণা হ'লোঁ।

আহমদাবাদত গান্ধীজীক জেলত সাক্ষাৎ কৰিলোঁ। তেওঁৰ লগত কেইজনমান ভাৰতীয় নেতাও আছিল। সেইদিনা মই সবৰমতী আশ্ৰমত থাকিলোঁ। তাৰ পিছদিনা বিঠল ভাই পেটেল অহাত তেওঁ মোৰ কুশল-মঙ্গল সুধিলে আৰু মোক তেওঁৰ ঘৰলৈ

নি তাতে থাকিবলৈ দিলে। তেওঁৰ ঘৰতে চৰ্দাৰ পেটেল আৰু তেওঁৰ জীয়েকৰ লগত মোৰ দেখা-সাক্ষাত হ'ল।

18 মাৰ্চ গান্ধীজীৰ বিচাৰৰ ৰায় ঘোষণা কৰাৰ দিন আছিল। আদালতৰ বাহিৰত প্ৰায় গোটেই চহৰখনৰ মানুহ গোট খাইছিল আৰু ভিতৰত অনেক কংগ্ৰেছ নেতা আছিল। আদালতলৈ জজ অহাৰ অলপ আগতে গান্ধীজী আদালতলৈ আহিল। আঠুত পৰা ধুতিখনেৰে সেই খীণ পুৰুষজনক দেখি সম্ভ্ৰমেৰে আদালতত বহি থকা সকলো মানুহ থিয় হ'ল। গান্ধীজী চকী এখনত বহিল। সকলো মানুহে জজৰ কাৰণে অপেক্ষা কৰিলে।

ঠিক বাৰ বজাত জজ আহিল। লগে লগে ইতিহাস-প্ৰসিদ্ধ মোকৰ্দমাটো আৰম্ভ হ'ল। গান্ধীজীক অভিযোগ পত্ৰখন পঢ়ি শুনালে। তেওঁ সেই সকলো অপৰাধৰ কথা বুজিছে বুলি স্বীকাৰ কৰিলে। তেওঁৰ উত্তৰ তথা উক্তি গান্ধীজীয়ে আগতেই তৈয়াৰ কৰি থৈছিল। তাৰ এটা প্ৰতিলিপি জজক দিলে।

সেই উক্তিত ইংৰাজ চৰকাৰৰ অন্যায় আৰু দুৰ্নীতি সমালোচনা কৰা আছিল। তেওঁৰ উক্তি লিপিবদ্ধ কৰা সেই উক্তি-পত্ৰখন উত্তেজনাপূৰ্ণ আছিল। সেইখন পঢ়োতে গান্ধীজীৰ মুখৰ ভাব আৰু স্বৰ অবিস্মৰণীয় আছিল। "যদি আদালতে স্বীকাৰ কৰে যে এই মোকৰ্দমা আৰু বিচাৰ ন্যায়ৰ ওপৰত প্ৰতিষ্ঠিত নহয় আৰু মই নিৰ্দোষ, সেই ৰায় ঘোষণা কৰি চৰকাৰৰ বিৰুদ্ধে যোৱাৰ কাৰণে আপুনি ত্যাগপত্ৰ দিব পাৰে নাইবা যদি মই কৰা কামবোৰ দেশৰ মানুহৰ কাৰণে ক্ষতিজনক বুলি বিবেচনা কৰে তাৰ বাবে মোক কঠোৰ দণ্ড দিব পাৰে। এই দুটাৰ ভিতৰত এটা বাছি লোৱাৰ বাহিৰে আদালতৰ আৰু কোনো পথ নাই।" এই কথাকেইটাৰে গান্ধীজীয়ে তেওঁৰ বক্তব্য সমাপ্ত কৰে।

দুই মিনিট আদালত নীৰৱে ৰ'ল। জজ, পুলিচৰ অধিকাৰী আৰু সকলো দৰ্শকে মহাত্মাৰ কথাবোৰ শুনি স্তব্ধ হ'ল।

জজে গম্ভীৰ স্বৰে তেওঁৰ ৰায় ঘোষণা কৰিলে। "আপুনি আপোনাৰ দেশৰ কোটি কোটি মানুহৰ নেতা আৰু তেওঁলোকে আপোনাক এজন মহান দেশভক্ত বুলি শ্ৰদ্ধা কৰে। ৰাজনীতিত আপোনাৰ লগত মতান্তৰ হোৱা মানুহেও আপোনাক এজন শ্ৰেষ্ঠ কৰ্মযোগী আৰু মহাত্মা বুলি গণ্য কৰে ; কিন্তু মই আপোনাক এজন আইন ভঙ্গকাৰী আৰু চৰকাৰৰ বিৰুদ্ধাচৰণ কৰা ব্যক্তিৰ ৰূপত দেখিছোঁ। যেনেকৈ বাল গঙ্গাধৰ তিলকক ছবছৰ কাৰাদণ্ড দিয়া হৈছিল সেই একে দণ্ড আপোনাকো দিবলৈ মই বাধ্য হৈছোঁ। যেতিয়া দেশৰ অৱস্থা ভাল হয় তেতিয়া চৰকাৰে আপোনাৰ দণ্ড হ্ৰাস কৰিলে সেই খবৰটো শুনি মই আটাইতকৈ বেছি আনন্দ পাম।"

জজ তেওঁৰ আসনৰপৰা উঠিল। আদালতৰ কাম শেষ হ'ল। গান্ধীজীক বিদায় দিবৰ কাৰণে অনেক কংগ্ৰেছ নেতা আৰু অন্যান্য গণ্যমান্য লোক তেওঁৰ ওচৰলৈ গ'ল। আৱেগত অভিভূত হৈ প্ৰায় সকলোৰে চকুৰপৰা পানী ওলাল আৰু অনেকে সৰু ল'ৰাৰ দৰে কান্দিবলৈ ধৰিলে। বাবু ৰাজেন্দ্ৰ প্ৰসাদক সান্ত্বনা দিবলৈ গান্ধীজীয়ে অনেক চেষ্টা

কৰাৰ দৃশ্যটো এতিয়াও মোৰ মানস পটত উজ্জ্বল হৈ আছে। মই তেওঁৰপৰা বিদায় ল'লোঁ, মোৰ চকু দুটা চলচলীয়া হ'ল। মোৰ খৰচৰ কাৰণে গান্ধীজীয়ে নিয়মিত ৰূপে মোলৈ টকা পঠাইছিল। গান্ধীজীয়ে মোক আশ্বাস দি ক'লে, "তোমাৰ খৰচৰ ব্যৱস্থা মই কৰি থৈছোঁ। তোমাৰ কোনো অসুবিধা নহ'ব। তাৰবাবে কোনো চিন্তা নকৰিবা।" তেনে এটা সময়তো যে গান্ধীজীয়ে মোৰ সেই কথাটো পাহৰা নাছিল তেওঁৰ কথা শুনি মই অবাক হৈ গৈছিলোঁ।

সকলোৰেপৰা বিদায় লওঁতে এঘন্টা লাগিল। তেওঁক নিবলৈ এখন কাৰ আহিল আৰু 'কাৰ'ত তেওঁৰ লগত সৰোজিনী নাইডু বহিল। 'কাৰ'খন যোৱাৰ পিছত তাক চকুৰে দেখা পৰ্য্যন্ত আমি থিয় হৈ থাকিলোঁ।

"সকলো সমাপ্ত হ'ল, স্বাধীনতা সংগ্ৰাম শেষ হ'ল," এই কথাটো কোনো কোনো মানুহৰ মনত খেলিছিল। কিন্তু স্বাধীনতা সংগ্ৰাম শেষ হোৱা নাছিল, আচল সংগ্ৰাম তেতিয়াৰপৰাহে আৰম্ভ হৈছিল।

সেই মোকৰ্দমাটোৰ সম্বন্ধে, মই ইংৰাজীত, 'দি গ্ৰেট ট্ৰায়েল' নামৰ কিতাপ এখন লিখিছিলোঁ। পৰিতাপৰ বিষয় যে এতিয়া সেই কিতাপখনৰ এটা প্ৰতিলিপিও মোৰ ওচৰত নাই।

বোম্বাইৰপৰা উলটি অহাৰ পিছত কংগ্ৰেছৰ কাৰ্য্যালয় মাধৱন নায়াৰৰ চালপ্পুৰমত থকা ঘৰৰপৰা কল্লাই ৰোডলৈ স্থানান্তৰ কৰিলোঁ। মই থাকিবলৈ আন এটা ঘৰ ল'লোঁ। মাধৱন নায়াৰে তেওঁৰ নিজৰ ঘৰত থাকিবলৈ ল'লে।

সেই বছৰ (1922) কংগ্ৰেছ অধিৱেশন গয়াত বহিছিল। মই তালৈ যাবলৈ স্থিৰ কৰিলোঁ। মোৰ লগত চাত্তুকুট্টি নায়াৰো আছিল।

গয়ালৈ ৰাওণা হৈ আমি কলিকতাত নামিলোঁ আৰু তাৰপৰা শান্তিনিকেতনলৈ গৈ তিনি দিন থাকিলোঁ। আমি অতিথি-ঘৰত আছিলোঁ। এণ্ড্ৰুজে আমাক বিশ্ববিদ্যালয়ৰ সকলো ভাগ দেখুৱালে। ছাত্ৰসকলৰ প্ৰাতঃসঙ্গীত, গছৰ ছাঁত বহি কৰা অধ্যয়ন আৰু বিনোদন কাৰ্য্যক্ৰমবোৰ আমাৰ নতুন লাগিল। ৰবীন্দ্ৰনাথ ঠাকুৰে চুলি আৰু ডাঢ়ি দীঘল কৰি ৰাখিছিল আৰু ভৰিলৈকে পৰা এটা দীঘল চোলা পিন্ধিছিল। যেতিয়া তেওঁ কোঠাৰপৰা ওলাই বাহিৰলৈ আহিছিল, ছাত্ৰবোৰে লৰি গৈ তেওঁৰ চৰণ স্পৰ্শ কৰিছিল। সেই দৃশ্যটো কিমান আনন্দদায়ক! আমি গুৰুদেৱৰ দেউতাক দেৱেন্দ্ৰঠাকুৰে বহি ধ্যান কৰা ঠাইডোখৰো দেখিলোঁ। ঠাইডোখৰ এজোপা ডাঙৰ গছৰ ছাঁত আছিল। যেতিয়া আমি কোনো মহাপুৰুষৰ বাসস্থান দৰ্শন কৰোঁ, তেতিয়া আমাৰ মনত অনিৰ্বচনীয় আনন্দ আৰু ভক্তি ভাবৰ উদয় হয়।

শান্তি নিকেতনত থাকোঁতে এদিন সন্ধিয়া আমি ৰবীন্দ্ৰনাথ ঠাকুৰৰ লগত কথা-বতৰা পাতিছিলোঁ। সেই দিনটোৰ কথা মই কেতিয়াও পাহৰিব নোৱাৰোঁ। তেওঁ বাৰান্দাত এখন আৰামী চকীত বহি আছিল আৰু মই তেওঁৰ কাষতে এখন বেতৰ চকীত বাহিছিলোঁ। তেওঁ লিখা-পঢ়া কৰা কোঠাটোৰপৰা খিড়িকীয়েদি অহা নিষ্প্ৰভ চাকিৰ

পোহৰ আহি বাৰান্দাত পৰিছিল। চাৰিওপিনে আন্ধাৰ হোৱাৰ কাৰণে তেওঁৰ চেহেৰাটো ভালকৈ দেখা নগৈছিল।

সেই শান্ত আৰু স্নিগ্ধ পৰিৱেশত তেওঁ লাহে লাহে কথা কৈছিল। তেওঁৰ মাতটো বেচ আকৰ্ষণীয় আছিল। তেওঁ শান্তি নিকেতন, তাৰ শিক্ষা-ৰীতি আৰু বঙ্গদেশৰ নৃত্য-কলা আদিৰ বিষয়ে কৈছিল। আধা ঘন্টামান কথা-বতৰা পতাৰ পিছত মই তেওঁৰপৰা বিদায় লৈছিলোঁ। পিছদিনা ৰাতিপুৱা আমি শান্তিনিকেতন এৰোঁ।

মই মহাত্মাগান্ধীৰ সবৰমতী আশ্ৰম, এনি বেচেন্টৰ ব্ৰহ্মবিদ্যামন্দিৰ আৰু ৰবীন্দ্ৰনাথ ঠাকুৰৰ শান্তিনিকেতনত আছিলোঁ। সেই ঠাইবোৰৰ নিজৰ নিজৰ বিশেষত্বই মোক অত্যন্ত আকৰ্ষণ কৰিছিল।

দৈনিক কাৰ্য্যক্ৰমত কঠোৰ নিয়ন্ত্ৰণ সবৰমতীৰ বিশেষত্ব আছিল। ৰাতিপুৱা চাৰি বজাত উঠা, সমূহীয়া প্ৰাৰ্থনা, এটাৰ পিছত আনটো কাম নিয়মিতৰূপে আৰু নিয়মমতে সমাধা কৰা আছিল কাৰ্য্যক্ৰমবোৰ ধৰা-বন্ধা আছিল। আশ্ৰমৰ সকলো ঠাই পৰিষ্কাৰ কৰি ৰখা হৈছিল। কিন্তু সেইবোৰ সুন্দৰ কৰি ৰখাৰ কোনো চেষ্টা নাছিল। তাত কিতাপ পঢ়া আৰু সাংস্কৃতিক বিষয়ৰ ওপৰত আলোচনা কৰাৰ কোনো ব্যৱস্থা নাছিল আৰু সেই কামবোৰ কৰিবলৈ আশ্ৰমবাসীৰ সময়ো নাছিল। শাৰীৰিক কামত তেওঁলোকৰ সকলো সময় পাৰ হৈ গৈছিল। তাত তেওঁলোকে গ্ৰাম-সেৱাৰ প্ৰশিক্ষণ পাইছিল। সবৰমতীত ধন উপাৰ্জনৰ মোহ এৰি সত্য আৰু অহিংসাৰ ওপৰত পূৰা বিশ্বাস ৰাখি আচল মানৱসেৱাৰ প্ৰশিক্ষণ দিয়া হৈছিল।

অড়য়াৰৰ এডোখৰ প্ৰাকৃতিক সৌন্দৰ্য্য ভৰা ঠাইত ব্ৰহ্মবিদ্যা মন্দিৰটো অৱস্থিত। তাৰ ঘৰ-দুৱাৰবোৰ সুন্দৰ উদ্যানত আৰু গ্ৰন্থ-মন্দিৰটো তাৰ আকৰ্ষণীয় বস্তু। আগতে বাহিৰৰ কেইবাখনো দেশৰপৰা অহা বিদ্বান আৰু চিন্তাশীল পুৰুষসকলৰ উপস্থিতিত অড়য়াৰৰ পৰিৱেশত সাংস্কৃতিক তথা আধ্যাত্মিক পৱিত্ৰতা আৰু শুচিতা বিৰাজ কৰিছিল। অড়য়াৰ এনে এডোখৰ ঠাই য'ত মনোযোগেৰে গ্ৰন্থ অধ্যয়ন কৰা আৰু এঠাইত অকলে বহি চিন্তা কৰাৰ সুন্দৰ শান্ত আৰু স্নিগ্ধ পৰিৱেশ আছিল। এনি বেচেন্টৰ সময়ত যি নীতি-নিয়ম আৰু নিয়ন্ত্ৰণ আছিল আৰু যি প্ৰসিদ্ধি লাভ কৰা হৈছিল এতিয়া সেই নিয়ন্ত্ৰণ নাই আৰু তাৰ প্ৰসিদ্ধিও অনেক কম হৈছে তথাপি সেই কালৰ ব্ৰহ্মবিদ্যা মন্দিৰৰ মহত্বৰ আভাস তাত প্ৰৱেশ কৰিলে এতিয়াও পোৱা যায়। এতিয়াও মন্দিৰবাসীসকলে পৰম্পৰাগত নীতি-নিয়মবোৰ পালন কৰি থাকে।

শান্তি নিকেতনৰ বিশেষত্ব বেলেগ। তাত কলাক প্ৰাধান্য দিয়া হয়। সঙ্গীত, নৃত্য, নাটক, চিত্ৰাঙ্কণ আদি কলাৰ উৎকৰ্ষ সাধনৰ কাৰণে তাত চেষ্টা কৰা হয়। মাজে মাজে গাঁৱৰপৰা অহা নৰ্তক আৰু নৰ্তকীসকলে তাত নৃত্য পৰিৱেশন কৰে। ছাত্ৰ আৰু ছাত্ৰীসকলেও নৃত্য আৰু নাট্যাভিনয় কৰে। ৰবীন্দ্ৰনাথ ঠাকুৰেও ছাত্ৰসকলৰ লগত নাট্যাভিনয় কৰিছিল। তাত অধ্যয়নৰ এটা ডাঙৰ অংশ কলাই গ্ৰহণ কৰে।

শান্তিনিকেতনত থকা ছাত্ৰ-ছাত্ৰী আৰু অন্যান্য লোকসকলৰ ধাৰণা যে কলাহীন জীৱন মানুহৰ কাৰণে উপযোগী নহয়।

শান্তিনিকেতনৰপৰা আমি গয়া কংগ্ৰেছত ভাগ ল'বলৈ গয়ালৈ গৈছিলোঁ। কেৰালাৰপৰা অহা প্ৰতিনিধিসকলৰ কাৰণে বেলেগ বাসস্থান আছিল। কে মাধৱন নায়াৰ, টি. আৰ কৃষ্ণস্বামী আয়াৰ, মধুৰদাস, এ. কে. পিল্লে আৰু ডঃ এম. পেৰুমল নাইডু আদি নেতাসকল তাত উপস্থিত আছিল। মহাত্মা গান্ধী জেললৈ যোৱাৰ পিছত কংগ্ৰেছৰ নীতি কেনেকুৱা হ'ব তাৰ বাবে সকলো উৎকণ্ঠিত হৈছিল।

গয়া কংগ্ৰেছ অধিৱেশনত কংগ্ৰেছৰ কাৰ্য্যক্ৰমলৈ কি পৰিবৰ্তন অনা হ'ব সেই বিষয়ে বিশদভাৱে আলোচনা কৰা হৈছিল। এটা কথা স্পষ্ট হৈছিল যে কংগ্ৰেছত সদস্যসকলৰ দুটা ভিন্ন মত থাকিব নোৱাৰে আৰু যদি থাকে একতা নাথাকিব আৰু একতা নহ'লে ইমান ডাঙৰ এটা সংগঠন টিকিব নোৱাৰিব। তথাপি দুটা দল ওলাল। এটা শক্তিশালী দলে ক'লে—এতিয়া অসহযোগ আন্দোলন গভীৰভাৱে চলোৱাটো সম্ভৱ নহয়। সেই কাৰণে নম্ৰতা স্থগিত কৰি সংবিধান সভাত প্ৰৱেশ কৰি তাৰপৰাই স্বাধীনতা-সংগ্ৰাম চলোৱা উচিত হ'ব। আনটো দলে মহাত্মা গান্ধীৰ নিৰ্দ্ধাৰিত কাৰ্য্যক্ৰমবোৰলৈ কোনো পৰিৱৰ্তন অনাৰ বিৰোধিতা কৰিলে। গয়াত এই দুটা দলৰ সংঘৰ্ষই উগ্ৰ ৰূপ ধাৰণ কৰিলে।

সেই অধিৱেশনৰ সভাপতি চিত্তৰঞ্জন দাস আছিল। তেওঁৰ ত্যাগভৰা জীৱনে ৰাষ্ট্ৰীয় আন্দোলনত যোগদান কৰাসকলক প্ৰেৰণা দিছিল। চি. আৰ. দাসে সাধাৰণ জীৱন যাপন কৰি দেশ আৰু মানৱ সেৱাৰ ব্ৰত গ্ৰহণ কৰিছিল। তেওঁৰ বাগ্মিতা, অতুলনীয় নেতৃত্ব, নিষ্কলংক চিন্তাধাৰা আৰু অদম্য উৎসাহে মানুহৰ অন্তৰত নতুন চেতনা জগাই তুলিছিল। তেওঁ পৰিৱৰ্তন বিচৰাসকলৰ নেতা আছিল আৰু সভাপতিৰ ভাষণত পৰিৱৰ্তনক সম্পূৰ্ণৰূপে সমৰ্থন কৰিছিল।

পৰিৱৰ্তনৰ বিপক্ষত আছিল ৰাজগোপালাচাৰী। অধিৱেশনত কঠোৰ বাদ-প্ৰতিবাদ চলিল। পৰিৱৰ্তনৰ বিপক্ষে থকাসকলে ক'লে—মহাত্মা গান্ধী জেলত থকাৰ সময়ত তেওঁৰ আদৰ্শ আৰু ইচ্ছাৰ লগত যুক্ত থকা কাৰ্য্য-পদ্ধতিক বাদ দিয়াৰ অৰ্থ হ'ল তেওঁৰ বিপৰীত চিন্তা কৰা। পৰিৱৰ্তন সমৰ্থন কৰাসকলে ক'লে—পৰিৱৰ্তন গ্ৰহণ নকৰিলে স্বাধীনতা সংগ্ৰামৰ গতি বন্ধ হ'ব আৰু সেই কাৰণে পৰিৱৰ্তনেই স্বাধীনতা সংগ্ৰামক চলন্ত কৰি ৰখাৰ একমাত্ৰ পথ। শেহত অধিকাংশ সদস্যই পৰিৱৰ্তনৰ বিপক্ষে সমৰ্থন কৰিলে।

নিজৰ মত সমৰ্থন কৰাসকলক লৈ চি. আৰ. দাসে 'স্বৰাজ দল' গঠন কৰিলে। সেই দলটোৰ অন্যতম নেতা আছিল মতিলাল নেহৰু। এই দুজন শক্তিশালী নেতাৰ নেতৃত্বত গঠন হোৱা 'স্বৰাজ দলে' দেশৰ সকলো ঠাইৰপৰা উৎসাহ আৰু সমৰ্থন পালে।

গয়ালৈ অহা কিছুমান নেতাক দেখি মোৰ মনলৈ নানা ধৰণৰ চিন্তা আহিল। সৰ্বস্ব ত্যাগ কৰি স্বাধীনতা সংগ্ৰামত যোগদান কৰা অনেক লোকৰ ইতিহাসে মোক বিহবল

কৰি তুলিলে। মই আচৰিত হৈছিলোঁ—কি নিহিত শক্তিয়ে তেওঁলোকক মহান ত্যাগৰ কাৰণে ইমান ডাঙৰ প্ৰেৰণা দিলে। ডাঙৰ ডাঙৰ চহৰবোৰ এৰি থৈ আহি অনেক বছৰ ধৰি ভোগ কৰি অহা সুখ-সুবিধাবোৰ ত্যাগ কৰি পুলিচৰ মাৰপিট খাবলৈ সাজু হৈ দেশ-সেৱা কৰিবলৈ অহা এই মহান পুৰুষসকলৰ জীৱন কাহিনীয়ে কাক বাৰু উত্তেজিত নকৰিব ? তেওঁলোকৰ অদ্ভুত জীৱন-বৃত্তান্ত শুনি কোননো বাৰু আচৰিত নহ'ব ?

কংগ্ৰেছ অধিৱেশনৰ পিছত আমি তীৰ্থ দৰ্শন কৰিবলৈ ওলালোঁ। কাশী, প্ৰয়াগ আৰু গয়াৰ মন্দিৰবোৰ দৰ্শন কৰিলোঁ। তাত ৰোগী, বিকলাঙ্গ আৰু শ শ ভিকহুক দেখি মোৰ হৃদয়খন বিষাদেৰে ভৰি গ'ল। লগে লগে মানুহৰ আলস্য, ধন-লিপ্সা, অন্ধ-বিশ্বাস, কু-সংস্কাৰ, অনাচাৰে মোক কুণ্ঠিত কৰিলে। মই এনে অনুভৱ কৰিলোঁ যে স্বৰাজ লাভ হ'লেও দেশত এই অনাচাৰ, অন্ধবিশ্বাস, কুসংস্কাৰৰপৰা মুক্তি পাবলৈ দেশবাসীৰ আৰু অনেক দিন লাগিব। কিছুমান শিক্ষিত মানুহৰ মনতো এনে কু-সংস্কাৰ আৰু অন্ধ-বিশ্বাস থকা দেখি মই আচৰিত হ'লোঁ।

উত্তৰ ভাৰতৰপৰা উভতি অহাৰ আগতে মই বুদ্ধগয়ালৈ গ'লোঁ। বুদ্ধৰ পৱিত্ৰ নামৰ লগত সম্বন্ধ থকা তীৰ্থস্থান বুদ্ধগয়া। সেই ঠাইডোখৰ দৰ্শন কৰিবলৈ জগতৰ নানা ঠাইৰপৰা মানুহ আহে। তাতে বোধিবৃক্ষৰ তলত সিদ্ধাৰ্থৰ বোধোদয় হৈছিল। আঢ়ৈ হাজাৰ বছৰৰ আগতে এই গছজোপাৰ ছাঁত ধ্যানমগ্ন হৈ বহি থকা সেই দিব্য পুৰুষজনক মই যেন চকুৰ আগতে দেখা পালোঁ। তেওঁৰ জন্মৰ পিছত তেওঁ জগতৰ কিমান মানুহক জ্ঞান আৰু আনন্দ দিলে, কিমানখন অন্তৰ নিৰ্মল কৰি সুখ আৰু তৃপ্তি দিলে সেইবোৰ গণনাতীত। বুদ্ধদেৱৰ ধৰ্মনীতি অনুসৰণ কৰা কেইবা কোটি মানুহ পৃথিৱীত এতিয়াও আছে। যিজন মহান পুৰুষে মানুহৰ দুঃখ দেখি দুঃখৰ কাৰণ বিচাৰিবলৈ সকলো ত্যাগ কৰি ওলাই গৈছিল, সেই কৰুণামূৰ্তিক আকৌ এবাৰ প্ৰণাম কৰোঁ। যদি এনেধৰণে মহাপুৰুষসকলৰ অৱতাৰ এই ভূমিত নহ'লহেঁতেন তেন্তে জগতৰ অৱস্থা কি হ'লহেঁতেন ? বুদ্ধ, যীশুখৃষ্ট, মহম্মদ আৰু শ্ৰীৰামকৃষ্ণহীন এই জগতখনক কেনেকৈ কল্পনা কৰিব পৰা গ'লহেঁতেন ?

'মাতৃ-ভূমি'ৰ জন্ম

এটা সংগঠনৰ উন্নতিৰ কাৰণে সহায়তা কৰিবলৈ এখন বাতৰি কাকতৰ একান্ত আৱশ্যক। যেতিয়া অসহযোগ আৰম্ভ হৈছিল তেতিয়া কোষিক্কোট্টৰপৰা চাৰিখন মালয়ালম আৰু এখন ইংৰাজী বাতৰি কাকত ওলাইছিল। সেইকেইখন আছিল— 'কেৰালা পত্ৰিকা', 'মনোৰামা', 'কেৰালা সঞ্চাৰী' আৰু 'মিতবাদী'। এই চাৰিওখন মালয়ালম ভাষাত আৰু আটাইকেইখন সাপ্তাহিক আছিল।

'কেৰালা পত্ৰিকা'ৰ সম্পাদক আছিল চেঙ্কলত্ত কুঞ্চিৰাম মেনন। তেওঁ এজন ভাল আৰু অভিজ্ঞ সম্পাদক আছিল আৰু 'গান্ধীজী' আৰু অসহযোগ আন্দোলনৰ নাম পৰ্য্যন্ত শুনিবলৈ ইচ্ছা নকৰিছিল। তেওঁ অসহযোগ আন্দোলনৰ বিৰোধিতা কৰিছিল আৰু তাত ভাগ লওঁতাসকলক নিন্দা কৰিছিল।

'মনোৰমা'ইও বিৰোধিতা কৰিছিল, কিন্তু সিমান তীক্ষ্ণ ভাৱে নহয়। প্ৰথমতে, এই বাতৰি কাকতখন সাপ্তাহিক আছিল, পিছত তিনিদিনীয়া হয়। পুলিথম্পোট্টা কুঞ্চিকৃষ্ণ মেনন আছিল ইয়াৰ প্ৰথম সম্পাদক। তেওঁৰ মৃত্যুৰ পিছত তেওঁৰ জোঁৱায়েক কৃষ্ণন নায়াৰে সেই পদটো গ্ৰহণ কৰে। তেৰোঁ সেই বাতৰি কাকতখনৰ ৰীতিত কোনো ডাঙৰ পৰিৱৰ্তন অনা নাছিল।

"কেৰালা সঞ্চাৰী" বাতৰি কাকতখনো তেনেকুৱাই আছিল। চৰকাৰৰ বিৰুদ্ধে এষাৰ ক'বলৈকে বাতৰি কাকতখনৰ সম্পাদক চি. পি. গোবিন্দন নায়াৰ প্ৰস্তুত নাছিল। তেওঁ দেশৰ স্বাধীনতা আন্দোলনক মনে মনে সমৰ্থন কৰিছিল যদিও তেওঁৰ তাক প্ৰকাশ কৰাৰ সাহস নাছিল।

চি. কৃষ্ণণৰ বাতৰি কাকত 'মিতবাদী'য়ে কংগ্ৰেছ নেতা আৰু কৰ্মীসকলক বেয়া-ভাৱে সমালোচনা কৰাৰ বাবে কাকতখন সদায় 'অমিতবাদী' হৈ আছিল। চি. কৃষ্ণণে বিশ্বাস কৰিছিল—যদি ইংৰাজে ভাৰত এৰি গুচি যায় ভাৰতত শাসন কৰিবলগীয়া কোনো মানুহ নাথাকিব আৰু দেশখন প্ৰায় অৰাজক হ'ব।

'ওৱেষ্টকোষ্ট স্পেক্‌টেটৰ' আৰু 'ওৱেষ্টকোষ্ট ৰিফৰ্মাৰ' নামৰ দুখন বাতৰি কাকতো কোষিক্কোট্টৰপৰা প্ৰকাশিত হৈছিল। জি. সুব্ৰৰাওৰ সম্পাদনাত 'ওৱেষ্টকোষ্ট স্পেক্‌টেটৰে' প্ৰগতিশীল ৰীতিত চলি এখন নিৰপেক্ষ বাতৰি কাকত হিচাপে জনপ্ৰিয়তা লাভ কৰিছিল। কাকতখনে স্বাধীনতা আন্দোলন আৰু কংগ্ৰেছক কেতিয়াও সমালোচনা কৰা নাছিল আৰু সকলো ঘটনাক বাতৰি হিচাপে প্ৰকাশ কৰিছিল। কিন্তু জি. সুব্ৰৰাওৰ মৃত্যুৰ পিছত সেই নীতি ত্যাগ কৰি বাতৰি কাকতখন অন্যান্য মালয়ালম বাতৰি কাকতৰ স্তৰলৈ নামি আহে। 'ওৱেষ্টকোষ্ট ৰিফৰ্মাৰ'ৰো কোনো ব্যক্তিগত স্বাধীন মত নাছিল।

'মাতৃভূমি' প্ৰকাশ হোৱাৰ সময়ত মালয়ালম ভাষাত দেশৰ স্বাধীনতা আন্দোলনক সমৰ্থন কৰি লিখা দুখন বাতৰি কাকত আছিল। প্ৰথমখন কে. পি. পিল্লেৰ সম্পাদনাত কোল্লমৰপৰা ওলোৱা 'স্বৰাট' নামৰ বাতৰি কাকতখন। সেইখন সম্পাদনা আৰু সঞ্চালন কৰোঁতে তাৰ সম্পাদকে আৰ্থিক আৰু অন্যান্য কষ্টৰ সম্মুখীন হৈছিল। দ্বিতীয় বাতৰি কাকতখন আছিল 'যুৱ ভাৰত'। তাৰ সম্পাদক আছিল—কৃষ্ণস্বামী আয়াৰ আৰু বাতৰি কাকতখন পালঘাটৰপৰা প্ৰকাশিত হৈছিল। সেই বাতৰি কাকতখন 'ইয়ং ইণ্ডিয়া'ৰ আকাৰৰ এখন সাপ্তাহিক বাতৰি কাকত আছিল। ৰাষ্ট্ৰীয় আন্দোলনক জনসাধাৰণৰ মাজলৈকে লৈ যোৱা ইয়াৰ প্ৰধান লক্ষ্য আছিল।

কেৰালাৰ দেশীয় আন্দোলনত টি. আৰ. কৃষ্ণস্বামী আয়াৰৰ পূৰা সমৰ্থন আছিল। অসহযোগ আন্দোলন আৰম্ভ হোৱাৰ আগতে তেওঁ পালঘাটত ওকালতি এৰি দি পালঘাট মহকুমা কংগ্ৰেছ সমিতিত সচিব পদ গ্ৰহণ কৰে। কংগ্ৰেছ সমিতিৰ সচিব হিচাপে খদৰৰ উন্নতি আৰু অস্পৃশ্যতা বৰ্জনৰ প্ৰতি আগবঢ়োৱা তেওঁৰ বৰঙণি অমূল্য আছিল। হৰিজনৰ কাৰণে তেওঁ ওলৱক্কোটত যি আশ্ৰমখন খুলিছিল সেই আশ্ৰমখন এতিয়াও আছে। 'যুৱ ভাৰত'ৰ প্ৰচাৰ একেবাৰে সীমিত আছিল। কিন্তু গান্ধীজীৰ আদৰ্শ আৰু অসহযোগ আন্দোলন জনসাধাৰণৰ মাজত প্ৰচাৰ কৰি ই এটা বিশেষ স্থান অধিকাৰ কৰিছিল।

কংগ্ৰেছ নাইবা তাৰ নেতা আৰু কৰ্মীসকলৰ লগত সম্বন্ধ থকা বাতৰি কোষিক্কোট্টলৈ পঠালে সম্পদকে বাতৰি কাকতত প্ৰকাশ নকৰিছিল। কংগ্ৰেছক নিন্দা কৰাৰ বিৰুদ্ধে খা-খবৰবোৰো তাৰ কোনো সম্পাদকে প্ৰকাশ নকৰিছিল। আমি নিজৰ অনুৰোধ আৰু ভূমিকা প্ৰকাশ কৰিবলৈ কোনো সুবিধা পোৱা নাছিলোঁ। সেইবোৰ প্ৰকাশ কৰিবলৈ বা ছপাবলৈ ছপাখানাৰ মানুহে ভয় কৰিছিল। সেই কাৰণে যেতিয়া বৰ জৰুৰী কথা প্ৰকাশ কৰিবলগীয়া হৈছিল তেতিয়া ত্ৰিশূৰত ছপা কৰি সেইবোৰ বিতৰণ কৰা হৈছিল। কিন্তু পিছত যেতিয়া ত্ৰিশূৰতো সেই সুবিধাৰপৰা বঞ্চিত হৈছিলোঁ, চাইক্লোষ্টাইল যন্ত্ৰ কিনি তাৰ সহায়ত আৱশ্যকীয় সংখ্যাৰ প্ৰতিলিপি যুগুত কৰি বিতৰণ কৰা হৈছিল। সেই সময়ত আমাৰ এখন বাতৰি কাকত প্ৰকাশ কৰাৰ ইচ্ছা প্ৰবল আছিল। প্ৰথমতে 'নবীন কেৰালা' নামৰ এখন বাতৰি কাকত বাহিৰ কৰিবলৈ আয়োজন কৰিছিলোঁ। হোমৰুল আন্দোলনৰ সময়ত এনি বেচেণ্টৰ নেতৃত্বত প্ৰকাশিত 'নিউ ইণ্ডিয়া'ৰ সমকক্ষ 'নৱীন কেৰালা' নতুন আন্দোলনৰ মুখপত্ৰ আছিল।

হাঙ্গামা আৰম্ভ হোৱাৰ পিছত ইউ. গোপাল মেনন আৰু কে. ভি. কুঞ্ঞুন্নি মেনন মাদ্ৰাজলৈ গ'ল। তেওঁ তাত 'নবীন কেৰালা'ক সাপ্তাহিক বাতৰি কাকত হিচাপে মালায়ালমত প্ৰকাশ কৰিবলৈ ধৰিলে। কুঞ্ঞুন্নি মেনন এজন প্ৰথম শ্ৰেণীৰ গদ্যলেখক আছিল। ইউ. গোপাল মেননক দিয়া তেওঁৰ সাহায্য বৰ মূল্যৱান আছিল। এটা সৰু ছপাখানা খুলি তেওঁ মাদ্ৰাজৰপৰা অনেকদিনলৈকে 'নৱীন কেৰালা' প্ৰকাশ কৰিছিল।

হাঙ্গামা সমাপ্ত হোৱাৰ পিছত পৰিৱেশ শান্ত হোৱাত এখন বাতৰি কাকত প্ৰকাশ

কৰাৰ কথা চিন্তা কৰিলোঁ। ওকালতি আকৌ আৰম্ভ কৰাৰ ইচ্ছা মোৰ আৰু মাধৱন নায়াৰৰ একেবাৰে নাছিল। সেই সময়ত কংগ্ৰেছ কাৰ্য্যালয়ত কৰিবলগীয়া কামো যথেষ্ট নাছিল। সেই কাৰণে আমি এখন বাতৰি কাকত প্ৰকাশ কৰিবলৈ থিৰাং কৰিলোঁ।

মঞ্চেৰীত ওকালতি কৰা কে. কেশৱন নায়াৰ সেই সময়ত কোষিক্কোট্টত আছিল। তেওঁ মাধৱন নায়াৰৰ ভায়েক আৰু মোৰ নিকট বন্ধু আছিল। তেওঁ মোক ক'লে, "আমি যিটো নাম দি (নৱীন কেৰালা) বাতৰি কাকতখন উলিয়াবলৈ ধৰিছোঁ সেই নামৰ বাতৰি কাকত এখন ইতিপূৰ্বেই প্ৰকাশিত হৈছিল। গতিকে সেই নামটো দিয়া উচিত নহয়। আমি আন এটা নাম বাহিৰ কৰিব লাগিব।" মোৰ মনলৈ 'দেশোদ্ধাৰিণী', 'স্বতন্ত্ৰ কাহলম,' 'অৰুণোদয়ম' আদি কেইবাটাও নাম আহিল। কিন্তু তাৰ এটাও মনঃপূত নহয়। যেতিয়া 'মাতৃভূমি' নামটো হঠাতে মনত উদয় হ'ল, তাক উচ্চাৰণ কৰাৰ লগে লগে সকলোৱে সমৰ্থন কৰিলে আৰু আমাৰ বাতৰি কাকতখনৰ নাম 'মাতৃভূমি' হ'ব বুলি সাব্যস্ত হ'ল। পঞ্জীয়ন কৰোঁতে আমাৰ বেছি সময় নালাগিল।

মূলধনৰ প্ৰতিটো অংশত পাঁচ টকাকৈ 20,000 অংশৰ এক লাখ টকা পুঁজিৰে 1922 চনৰ 15 ফেব্ৰুৱাৰীত 'মাতৃভূমি' কোম্পানীটো পঞ্জীয়ন কৰা হ'ল আৰু মে' মাহৰপৰা কোম্পানীৰ কাম আৰম্ভ হ'ল। যেতিয়া মাতৃভূমি কোম্পানীক পঞ্জীয়ন কৰা হৈছিল তেতিয়া তাৰ সঞ্চালক কে. মাধৱন নায়াৰ, কুৰুপ নীলকণ্ঠন নম্পুতিৰিঘাট, অপ্পলংকাট্টু কৰুণাকৰ মেনন, টি. ভি. সুন্দৰশ্যাৰ, ডঃ এ. আৰ. মেনন, পি. অচ্যুতন আৰু কে. পি. কেশৱ মেনন আছিল। ডঃ এ. আৰ. মেনন নিৰ্দেশকৰ পদৰপৰা আঁতৰি গৈছিল। শেহত দুজন লোক নিৰ্দেশক হিচাপে থাকিল। ব্যৱস্থাপনা নিৰ্দেশক হ'ল মাধৱন নায়াৰ। গণনাত তীক্ষ্ণ দৃষ্টি, কামত গভীৰ নিষ্ঠা আৰু উৎসাহৰ কাৰণেই মাধৱন নায়াৰক সেই পদটোৰ কাৰণে উপযুক্ত বুলি সকলোৱে স্বীকাৰ কৰিলে।

কিন্তু ব্যৱস্থাপনা সঞ্চালক আৰু ব্যৱস্থাপক একেজন মানুহ হোৱা উচিত নহ'ব বুলি বিবেচনা কৰি পিছত মোক ব্যৱস্থাপনা সঞ্চালক আৰু মাধৱন নায়াৰক ব্যৱস্থাপক হিচাপে নিযুক্ত কৰা হ'ল। সেই পদটো মোৰ পছন্দৰ নাছিল, কিয়নো গণিত আৰু মোৰ মাজত বন্ধুত্ব নাছিল। যি কি নহওক, সেই কামত মাধৱন নায়াৰে মোক সহায় কৰিব বুলি আশ্বাস দিয়াত মোৰ বুকুলৈ সাহ আহিছিল।

কোম্পানীৰ পঞ্জীয়নতো হ'ল, কিন্তু অংশ জমা কৰাটো সহজ কাম নাছিল। সেই কামটোত কিছুমান প্ৰতিবন্ধক আহিল। কংগ্ৰেছৰ আদৰ্শক জনসাধাৰণৰ মাজত প্ৰচাৰ কৰি তেওঁলোকক বুজাই স্বাধীনতা সংগ্ৰামত সহায়তা পাবৰ উদ্দেশ্যেই বাতৰি কাকতখন প্ৰকাশ কৰিবলৈ স্থিৰ কৰা হৈছিল। সেই উদ্দেশ্য কোম্পানীৰ নিয়মাৱলীত উল্লেখ আছিল। কিন্তু এনে ধৰণৰ কোম্পানী এটাৰ মূলধনৰ অংশ কিনিবলৈ মানুহে দ্বিধা বোধ কৰিলে। মানুহৰ ভয় হ'ল যে চৰকাৰে আমাৰ উদ্দেশ্য বিফল কৰাব। অনেকে মূলধনৰ অংশ কিনাটো আৱশ্যকীয় বোধ নকৰিলে। 'হয়তো একো নহ'ব পাৰে ; কিন্তু কিমান কোম্পানী গঠন হোৱাৰ পিছত বন্ধ হ'ল সেই কথা আমি জানো। এইটোও

সেইবোৰ কোম্পানীৰ নিচিনাইতো', বুলি কিছুমান মানুহে কোৱামেলা কৰিবলৈ ধৰিলে। কিন্তু মাতৃ-ভূমিৰ হিত আৰু উন্নতি চিন্তা কৰা মানুহৰ সংখ্যাও কম নাছিল। তেওঁলোকে 'মাতৃভূমিক সহায় কৰিলে। মালয়ালম বাতৰি কাকত প্ৰকাশ কৰোঁতাসকলক নিন্দা কৰাসকলকো আমি লগ ধৰিছিলোঁ। তেওঁলোকে আনৰ আগত মন্তব্য কৰিছিল 'মালয়ালম বাতৰি কাকত উলিওৱা মানুহবোৰ নিৰ্বোধ নহৈনো আৰু কি হ'ব ? ইংৰাজী বাতৰি কাকতৰ কথা বেলেগ। মালয়ালম বাতৰি কাকতক কোনে পঞ্জীয়ন কৰিব ?' মালয়ালম বাতৰি কাকত উলিওৱা সম্বন্ধে এজন ধেমেলীয়া কবিয়ে এটা কবিতা ৰচনা কৰিছিল ঃ

সৰঞ্জাম নাই কামো নাই
প্ৰতিশোধ লোৱাৰ চিন্তা ;
হিতকাৰী ৰাইজৰ ৰক্ষক
সৰু সৰু পৰীক্ষাত অসফল ;
পাঁচ 'প'কাৰ মিলিছে
তেহে সম্পাদক হৈছে।

সৰহ সংখ্যক মানুহ এই মতটোৰ পক্ষপাতী আছিল যে আমি লাভ কৰাৰ কথা কৈ মূলধনৰ অংশ জমা কৰা নাই। আমি অংশীদাৰসকলক ক'লোঁ—তেওঁলোকে যিখিনি টকা দিলে সেই টকাখিনি উপহাৰ দিলে বুলি ধৰি লওক। আমি মূলধনৰ অংশ জমা কৰিবৰ কাৰণে মাদ্ৰাজ, বোম্বাই, মালবাৰ আৰু কোচিনলৈ গ'লোঁ। মাধৱন নায়াৰ, টি. আৰ. কৃষ্ণস্বামী আয়াৰ, ৰামুন্নি অচ্যুতন মেনন আৰু টি. ভি. চাত্তুকুট্টি নায়াৰে মূলধনৰ অংশ সংগ্ৰহ কৰিবলৈ যৎপৰোনাস্তি চেষ্টা কৰিলে।

মূলধনৰ অংশ গোটাবলৈ যাওঁতে মোৰ অনেক তিক্ততাপূৰ্ণ অভিজ্ঞতা হৈছিল। এবাৰ মই আৰু মাধৱন নায়াৰ মোৰ এজন অন্তৰঙ্গ পুৰণি বন্ধুৰ ওচৰলৈ গৈছিলোঁ। আমি স্কুলত একেলগে পঢ়িছিলোঁ। বন্ধু ধনী মানুহ আৰু সেই কাৰণে আশা কৰিছিলোঁ—তেওঁ অন্ততঃ দহটা অংশ কিনিব। তেওঁৰ ঘৰলৈ যথেষ্ট দূৰ আছিল। আমি পাঁচ ঘন্টা মান মটৰ গাড়ীত যোৱাৰ পিছত তেওঁৰ ঘৰত উপস্থিত হ'লোঁ। পুৰণি অন্তৰঙ্গ বন্ধু, ভাবিছিলোঁ—মোক দেখি তেওঁ বৰ সন্তোষ পাব আৰু আমাক ভালদৰে আদৰ অভ্যৰ্থনা কৰিব। আমি যে তেওঁৰ ওচৰলৈ 'মাতৃভূমি'ৰ অংশৰ কাৰণে গৈছোঁ আমাক দেখিয়েই তেওঁ বুজি পালে। গতিকে আমাক সাধাৰণ মানুহৰ নিচিনাকৈয়ে ব্যৱহাৰ কৰিলে। টকাই তেওঁৰপৰা পুৰণি বন্ধু এজনৰ প্ৰতি দেখুৱাবলগীয়া সাধাৰণ ভদ্ৰতা জ্ঞানকণো হৰণ কৰিলে। তেওঁ অংশ নিকিনিলে আৰু আমাক বিমুখ কৰি বিদায় দিলে। মাধৱন নায়াৰে গোটেই বাটটোত ভোৰভোৰাই আহিল। মোৰ 'পুৰণি অন্তৰঙ্গ বন্ধু'ৰ ব্যৱহাৰ দেখি ইমান দূৰ বাট কষ্ট কৰি যোৱাৰ বাবে মোক দোষ দিলে।

ত্ৰিশ বছৰৰ পিছত মোৰ এজন বন্ধুৰ জীয়েকৰ বিয়া খাবলৈ যাওঁলে হঠাৎ সেই বন্ধুজনক বিয়া-ঘৰত লগ পাইছিলোঁ। মোক দেখি 'তোমাক কিমান বছৰৰ পিছত পাইছোঁ

ক'ব পাৰানে ? পাই বৰ সন্তোষ পাইছোঁ' বুলি মোক সম্বৰ্দ্ধনা জনালে। মই গম্ভীৰ হৈ উত্তৰ দিলোঁ, "প্ৰায় ত্ৰিশ বছৰৰ পিছত।" তেওঁ হাঁহি আকৌ সুধিলে, "কেতিয়া লগ পাইছিলোঁ তোমাৰ মনত আছেনে ?" মই একে সুৰতে ক'লোঁ, "তোমাৰ ঘৰলৈ মাতৃভূমিৰ মূলধনৰ অংশ বিচাৰি যাওঁতে।" মোৰ উত্তৰটো শুনি তেওঁৰ মুখৰ হাঁহি মুখতে নাইকিয়া হ'ল। ময়ো তেওঁৰ ওপৰত বিশেষ গুৰুত্ব নিদি তাৰপৰা ফালৰি কাটিলোঁ।

আৰু এটা তেনেধৰণৰ কথা মোৰ মনত আছে। নায়াৰ পৰিয়ালৰ এজন ধনী মানুহৰ লগত মোৰ বৰ ভাল পৰিচয় আছিল। ৰাষ্ট্ৰীয় আন্দোলনক তেওঁ সমৰ্থন কৰিছিল আৰু আমাক স্বেচ্ছাৰে সহায়ো কৰিছিল। এদিন মই আৰু টি. আৰ. কৃষ্ণস্বামী 'অংশ' কিনিবৰ কাৰণে তেওঁক ক'বলৈ তেওঁৰ ঘৰলৈ গৈছিলোঁ। বাহিৰৰ বৈঠকখানাত এঘন্টামান অপেক্ষা কৰাৰ পিছত তেওঁৰ এটা চাকৰে আহি ক'লে, "দেউতাই গা ধুইছে আৰু তাৰ পিছত তেখেত মন্দিৰলৈ যাব। আপোনালোকক কাইলৈ আহিবলৈ কৈছে।" পিছদিনা আকৌ গ'লোঁ আৰু আমাৰ কথা শুনি 'এতিয়া মূলধনৰ অংশ কিনাটো মোৰ বাজেটত নপৰে' বুলিকৈ আমাক বিদায় দিলে। কৃষ্ণস্বামীয়ে তেওঁক চিনি নাপায় আৰু সেই কাৰণে মোৰ 'সুপৰিচিত' মানুহজনৰ ব্যৱহাৰ দেখি দুদিন কষ্ট কৰি যোৱাৰ বাবে পৰোক্ষভাৱে মোকেই দোষ দিলে। দুবছৰৰ পিছত এদিন হঠাতে সেই মানুহজনক লগ পোৱাত তেওঁ ক'লে, "মাতৃভূমি এখন জনপ্ৰিয় বাতৰিকাকত। মই তাৰ নিয়মিত গ্ৰাহক। পঢ়ি ভাল লাগে।" মই কথাত অলপ ব্যঙ্গ সানি ক'লোঁ, "মাতৃভূমি'ৰ অংশ কিনিবলৈ অস্বীকাৰ কৰিছিলা ; সেই কাৰণেইতো এতিয়া তুমি তাৰ নিয়মিত গ্ৰাহক আৰু পঢ়ি তোমাৰ ভাল লাগে।"

কিছুমান মানুহৰ অসৎ আৰু দুঃখ লগা আচৰণৰ কথা মনত পৰিলে এতিয়া ভাবোঁ মই 'মাতৃভূমি'ৰ অংশ কিনিবলৈ মানুহৰ ওচৰলৈ নোযোৱাটোৱেই উচিত আছিল। তাৰ বাবে মানুহৰ কিমান যে অৱহেলা, উপেক্ষা, তাচ্ছিল্য আৰু অপমান সহিবলগীয়া হৈছিল এতিয়া ভাবিলেও বেয়া লাগে। তাৰ আগতে কেতিয়াও মই কোম্পানীৰ অংশ জমা কৰিবলৈ কাৰো ওচৰলৈ যোৱা নাছিলোঁ আৰু তাৰ পিছতো কোনোদিন যোৱা নাই।

কিছু পইচা জমা হোৱাৰ পিছত আমি এটা ছপাকল কিনিলোঁ। কলটো কুৰুধত্তু কেশৱ মেননৰ আছিল। তেওঁ পোন্ধৰ হাজাৰ টকাতে ছপাকলটো আমাক বিক্ৰী কৰিলে। পূৰা টকা দিয়া নাছিলোঁ, আধা টকা দি বাকীখিনি কিস্তিত দিছিলোঁ। 'মাতৃভূমি'ৰ ঘৰটো লাহে লাহে আহল-বহল আৰু ডাঙৰ কৰিলোঁ। তাৰে এটা ডাঙৰ কোঠাত ছপাকল আৰু খানাৰ আনুষঙ্গিক সামগ্ৰীবোৰ আছে। মাতৃভূমিৰ সেই ঘৰটোৱেই এতিয়াৰ ঘৰ। অৱশ্যে আগতকৈ ঘৰটোৰ কিছু পৰিৱৰ্তন হৈছে।

আমাৰ হাতত যিমান পইচা আছিল ঘৰটো ডাঙৰ কৰোঁতে আৰু ছপাকল কিনোতে খৰচ হ'ল। বাতৰি কাকতখন উলিয়াবৰ কাৰণে আৰু পইচাৰ প্ৰয়োজন আছিল। আমাৰ কিছুমানে ক'লে যে পূৰা পইচা জমা নোহোৱাৰ আগতে বাতৰি কাকতখন উলিওৱাটো

উচিত নহ'ব, কাৰণ তাৰ আগতে উলিয়ালে সেইটো এটা দুঃসাহসৰ কাম হ'ব আৰু তাৰপৰা আমাৰ ক্ষতিও হ'ব পাৰে। কিন্তু এখন জৰুৰী সমিতি আহ্বান কৰি সিদ্ধান্ত গ্ৰহণ কৰা হ'ল—'অনিশ্চয়তা সকলো কামতে আছে, সেইটো স্বাভাৱিক। কিন্তু তাৰ সম্মুখীন হ'বলৈ সাহস হ'ব লাগিব ; নহ'লে আগবাঢ়ি যাব নোৱাৰিম।' গতিকে বাতৰি কাকতখন প্ৰকাশ কৰাটো থিৰাং হ'ল। 1923 চনৰ 17 মাৰ্চ তাৰিখটো ধাৰ্য্য কৰা হ'ল। সেই তাৰিখটো ধাৰ্য্য কৰাৰ এটা কাৰণো আছিল। 1922 চনৰ 18 মাৰ্চত মহাত্মা গান্ধী জেললৈ গৈছিল। অসহযোগ আন্দোলনৰ জন্মদাতা মহাত্মা গান্ধীৰ জেল-জীৱনত এবছৰ পূৰ্ণ হোৱাৰ সময়ত 'মাতৃভূমি'য়ে জন্ম লোৱা উচিত হ'ব বুলি আমি সকলোৱে বিবেচনা কৰিলোঁ। 18 মাৰ্চ দেওবাৰ আছিল ; সেই কাৰণে 17 মাৰ্চ শনিবাৰে 'মাতৃভূমি'ৰ প্ৰথম সংখ্যাটো বাহিৰ হ'ল। বাতৰি কাকতখন প্ৰথমতে তিনি দিনীয়া আছিল আৰু মঙ্গলবাৰ, বৃহস্পতিবাৰ আৰু শনিবাৰে প্ৰকাশ হৈছিল।

কিছুদিনলৈকে দিনে-ৰাতিয়ে পৰিশ্ৰম কৰিবলগীয়া হৈছিল। বাতৰি কাকতৰ নীতি-নিয়মবোৰ নিশ্চিত কৰি লোৱা, কৰ্মচাৰীক নিযুক্ত কৰা, কাগজ কিনা, লেখকসকলক নিৰ্দেশ দিয়া আদি কামবোৰৰ দায়িত্ব ল'বলগীয়া হৈছিল। কাকতখনৰ লগত প্ৰত্যক্ষ সম্বন্ধ নথকা অনেক বন্ধু-বান্ধৱে মোক কামত সহায় কৰিলে।

মোৰ কল্পনা বাস্তৱত পৰিণত হ'ল। মাধৱন নায়াৰ আৰু অন্যান্য সহকৰ্মীসকলে বাতৰি কাকতখনৰ বিষয়ে মাজে-সময়ে আহি মোৰ লগত আলোচনা কৰিলে। কাকতখন প্ৰথম প্ৰকাশ হোৱাত মই তেওঁলোকক মাতি আনি প্ৰথম সম্পাদকীয়টো পঢ়ি শুনালোঁ। ছপা হোৱাৰ আগতে অনেক কাটি-কুটি সম্পাদকীয়টো ঠিক কৰিছিলোঁ আৰু ছপা কৰিবলৈ আখৰ জুকিওৱা মানুহজনে কেইবা ঠাইতো ভুল কৰাত মই শুদ্ধ কৰি দিছিলোঁ। আচলতে তেওঁ মোৰ আখৰবোৰ ভালকৈ পঢ়িব নোৱাৰিছিল। অৱশ্যে পিছত তেওঁ অভ্যস্ত হৈছিল আৰু পঢ়োঁতে কোনো অসুবিধা বোধ কৰা নাছিল।

সেই সময়ত পি. সৱন্নি মেনন, কে. মাধৱ মেনন, কে. ভি. কুঞ্জুন্নি মেনন আৰু টি. পি. চি. কিতাৱ আদি বন্ধুবৰ্গই সম্পাদকীয় বিভাগত মোক সহায় কৰিছিল। 'নৱীন কেৰালা'ৰপৰা ওলাই আহি কুঞ্জুন্নি মেননে 'মাতৃভূমি'ত যোগদান কৰিছিল। টি. পি. চি. কিতাৱৰ সেৱা 1964 চনলৈকে পাইছিলোঁ। নাৰায়ণ নামৰ এজন ডেকাই মাতৃভূমিৰ কাৰ্য্যালয়ত কাগজবোৰ ভাঁজ কৰি দিছিল। তেওঁ কেইবাবছৰো মাতৃ-ভূমি কাৰ্য্যালয়ত কাম কৰিছিল। তেওঁ এতিয়া জীয়াই থকা নাই।

16 মাৰ্চ শুক্ৰবাৰটো মোৰ জীৱনত এটা স্মৰণীয় দিন। ৰাতিপুৱা আমি সকলো কাৰ্য্যালয়ত উপস্থিত হ'লোঁ। বৰ উৎসাহেৰে মাধৱন নায়াৰে সকলো নিৰীক্ষণ কৰিছিল। অচ্যুতন উকীলক দেখি এনে লাগিছিল যেন এটা ডাঙৰ ভোজৰ আয়োজন কৰাত তেওঁ বৰ ব্যস্ত। তেওঁ হাতত টোপোলা এটা লৈ বৰ অধৈৰ্য্য হৈ ছপাকলটোৰ চাৰিওপিনে ঘূৰি ফুৰিছিল আৰু মাজে মাজে কৈছিল, "কাইলৈ বাতৰি কাকতখন ওলাব ; কিন্তু এতিয়ালৈকে তাৰ একো হোৱা নাই।" কৰ্মচাৰীসকলৰ বাহিৰেও বাহিৰৰপৰা মানুহ আহি

কাৰ্য্যালয়ত ভিৰ কৰিছিল। ছপাৰ শোধনপত্ৰবোৰ নিৰ্ভুল বুলি নিশ্চিত হোৱাৰ পিছত অধিকৰ্ম্মিক (ফ'ৰমেন) চন্তুকুট্টিয়ে যন্ত্ৰটোৰ মটৰটো চলালে, কিন্তু কিবা বিজুতিৰ কাৰণে যন্ত্ৰটো নচলা হ'ল। তেওঁ আৰু যন্ত্ৰচালক চাত্তুকুট্টি দুয়োজন মিলি মেৰামত কৰাত এঘন্টামানৰ পিছত যন্ত্ৰটো ভাল হ'ল।

দেৱালত থকা ঘড়ীটোৰ পিনে মই বাৰে বাৰে চাই আছিলোঁ। পিছদিনা ৰাতিপুৱা চাৰি বাজিল। আমি গোটেই ৰাতিটো শোৱা নাছিলোঁ। ছপাৰ কাৰণে সকলো বিষয়বস্তু প্ৰস্তুত আছিল। শেহত চন্তুকুট্টিয়ে যন্ত্ৰটো চলাই দিলে আৰু এখনৰ পিছত এখনকৈ বাতৰি কাকতখনৰ পৃষ্ঠাবোৰ ওলাই আহিল। চন্তুকুট্টিয়ে কাকতখনৰ প্ৰথম প্ৰতিলিপিটো মোৰ হাতত দিলে। মই পঢ়ি চালোঁ। মাধৱন নায়াৰ আৰু মোৰ অন্যান্য বন্ধুবৰ্গ মোৰ ওচৰতে থিয় হৈ আছিল। এনেকৈয়ে 'মাতৃভূমি'ৰ জন্ম হ'ল।

মাতৃভূমিৰ প্ৰথম সংখ্যাৰ এখন প্ৰতিলিপি লৈ মই ঘৰলৈ আহিলোঁ। মোৰ হাতত দুখনমান কিতাপো আছিল। ৰাতিপুৱাৰ কোমল ৰ'দ আহি ৰাস্তা আৰু ঘৰবোৰত পৰিছিল। দোকানবোৰ তেতিয়াও খোলা নাই, ৰাস্তাতো মানুহবোৰে যথাসময়ত ৰেলগাড়ীখন নাপাব বুলি ষ্টেচনলৈ বেগাবেগিকৈ গৈছিল। বাটত কেইখন মান গৰু-গাড়ী দেখিলোঁ। ওচৰৰ হাটলৈ দূৰৰপৰা মাল আনিছে। গাড়ীত বহি থকা মানুহ আৰু গাড়ীখন টানি নিয়া গৰু দুয়ো পৰিশ্ৰান্ত। সেই সময়ত মোৰ মনত খেলি গৈছিল—মাতৃ-ভূমিৰ যে জন্ম হ'ল ইহঁতৰ কোনেও নাজানে।

ঘৰলৈ আহি সকলোকে জগালো আৰু মাতৃভূমিখন দেখুৱালোঁ। বাতৰি কাকতখন দেখি মোৰ পত্নী আৰু ল'ৰা-ছোৱালীবোৰে মনত ইমান আনন্দ পালে যেন ঘৰত এটা কেঁচুৱাৰহে জন্ম হ'ল। আগদিনা দিনে-ৰাতিয়ে বৰ বেছিকৈ পৰিশ্ৰম কৰাৰ কাৰণে বেচ ভাগৰ লাগিছিল। ঘৰলৈ আহি হাত-মুখ ধুই চাহ-জলপান খাই বিছনাত বাগৰ দিলোঁ আৰু খন্তেকৰ পিছতে টোপনিত লালকাল দিলো।

সাংবাদিকতাত প্ৰশিক্ষণ

পিছদিনা ৰাতিপুৱা চাহ-জলপান খোৱাৰ পিছত 'মাতৃ-ভূমি' কাকতখন আকৌ এবাৰ চালোঁ আৰু তাৰ সম্পাদকীয়াটো পঢ়িলোঁ। "দেশৰ কল্যাণক লক্ষ্য হিচাপে মানি, সত্যৰ পথ কেতিয়াও ত্যাগ নকৰি, মাত্ৰ কোনো এটা নিৰ্দিষ্ট সম্প্ৰদায়ৰ উন্নতিৰ কথা চিন্তা নকৰি আৰু সকলো মানুহৰ অধিকাৰ সমান বুলি ভাবি দেশৰ স্বাধীনতা লাভৰ কাৰণে সংগ্ৰাম কৰিলে সেই সংগ্ৰামত আমাৰ জয় অৱশ্যম্ভাৱী।" এই কথাকেইটা পঢ়াৰ সময়ত মোৰ মনলৈ এটা ভাব আহিছিল—মাত্ৰ কেৰালাবাসীৰ মনলৈকে এই চিন্তা আৰু দৃঢ়বিশ্বাসক বাস্তৱত ৰূপ দিবলৈ "মাতৃ-ভূমি" কেতিয়াও হাত সাৰটি বহি নাথাকিব আৰু সংগ্ৰামত জয়যুক্ত নোহোৱালৈকে কেৰালাবাসী তথা দেশবাসীক প্ৰেৰণা আৰু উৎসাহ দি থাকিব।

নীতি আৰু লক্ষ্য ঘোষণা কৰা একো টান কাম নহয়, কিন্তু সেই নীতি পালন কৰা আৰু লক্ষ্য স্থানত উপনীত হোৱা যে সহজ নহয়—মই জানিছিলোঁ। মই এটা কথাৰ প্ৰতি সদায় মনোনিৱেশ কৰিছিলোঁ যে 'মাতৃ-ভূমি'য়ে তাৰ সমালোচনাৰ ভিতৰত কোনো দ্বেষ ভাব নাৰাখিব আৰু সেই সমালোচনা নিৰ্ভয়, সত্যতা আৰু ন্যায়ৰ ওপৰত প্ৰতিষ্ঠিত হ'ব। এইটোও মই আশা কৰিছিলোঁ—কোনো কথাৰ ওপৰত ৰহণ সানি ই মানুহক বিভ্ৰান্ত নকৰিব আৰু মানুহক সত্য আৰু পথ প্ৰদৰ্শন কৰাব। মই শুনিছিলোঁ—মানুহে বৰ আশা কৰি "মাতৃভূমি"ৰ কাৰণে ৰৈ আছিল।

আলোচনাৰ সম্বন্ধত মহাত্মা গান্ধীৰ 'ইয়ং ইণ্ডিয়া' এখন আদৰ্শজনক আলোচনী। 'মাতৃভূমি'য়ে তাক অনুকৰণ কৰিব বুলি স্থিৰ কৰিলে। সংবাদদাতাসকলক নিৰ্দেশ দিয়া হ'ল যেন তেওঁলোকৰ সংবাদ আৰু লেখাবোৰ সত্য আৰু নিৰপেক্ষ হয়।

আমি সকলো মানুহ সাংবাদিকতাত অনভিজ্ঞ আছিলোঁ। 'মাতৃ-ভূমি'লৈ অহাৰ আগতে যদিও কঞ্চুন্নিন মেননে 'কেৰালা পত্ৰিকা', 'স্বৰাজ' আৰু 'নৱীন কেৰালা'ত কাম কৰিছিল, এখন সম্পূৰ্ণ বেলেগ আৰু নতুন বাতৰি-কাকত প্ৰকাশ কৰোঁতাসকলক উপদেশ দিবলৈ তেওঁ সিমান প্ৰৱীণ আৰু অভিজ্ঞ নাছিল। তেনেকৈয়ে টি. পি. সি. কিতাৱ অধ্যয়ন ত্যাগ কৰি পোনে পোনে বাতৰি কাকতৰ কাৰ্যালয়লৈ অহা এজন যুৱক আছিল। সাংবাদিকতাত কোষিপুৰত্তু মাধৱ মেননো বেছি প্ৰৱীণ আৰু পৰিপক্ক নাছিল। শবুন্নি মেননে ইংৰাজীত তেওঁৰ লেখাবোৰ প্ৰকাশ কৰিছিল, কিন্তু মালয়ালমত কোনো প্ৰৱন্ধ বা কিতাপ লিখা নাছিল। তথাপি অতি সোনকালে তেওঁ মালয়ালমত দক্ষতা অৰ্জন কৰিলে। তেওঁ সহ-সম্পাদক আছিল।

উপৰোক্ত কাৰণত আমি কোনোজনেই সাংবাদিকতাৰ বিষয়ে ভাল জ্ঞান আৰু

অভিজ্ঞতা থকা সাংবাদিক নাছিলোঁ! কিন্তু 'মাতৃভূমি'ৰ উন্নতি সাধন কৰিবলৈ আমাৰ প্ৰবল ইচ্ছা আৰু আগ্ৰহ আছিল। সেই কাৰণে আমাৰ অধিকাংশ সময় তাতেই কটাইছিলোঁ আৰু আৰম্ভণিতে তাৰ প্ৰয়োজনো আছিল।

অনেক ৰাতিলৈকে কাম কৰিলে অসুবিধা আৰু অনাৱশ্যক খৰচ বুলি ব্যৱস্থাপকে অভিযোগ কৰিছিল। তথাপি সদায় চাহৰ পিয়লা সম্মুখত থৈ সময়ৰ কথা চিন্তা নকৰি একেৰাহে লিখি থকা শবুন্নি মেননে এই অভিযোগলৈ কেৰেপ কৰা নাছিল। তেওঁ ৰাতি সদায় দহ বজালৈ আৰু তেতিয়াবা ৰাতি দুই বজালৈকে লিখিছিল।

প্ৰথমছোৱাত ' মাতৃ-ভূমিৰ' অৱস্থা আৰ্থিক দিশত শোচনীয় আছিল আৰু লগতে কাম কৰোঁতাসকলৰো। দৈনিক যিমান আয় হৈছিল সেই পইচা কাগজ আৰু ডাক টিকট কিনোতেই শেষ হৈছিল। গতিকে কাকতখন নিয়মিতৰূপে বাহিৰ কৰিবলৈ ধাৰ কৰিবলগীয়া হৈছিল। মই প্ৰায়েই শুদা হাতেৰে ঘৰলৈ ঘূৰি আহিছিলোঁ আৰু ঘৰৰ গৃহিণীক সন্তুষ্ট কৰা মোৰ পক্ষে অসম্ভৱ আছিল। দুই-তিনি দিন তেনে অৱস্থা হোৱা-হেঁতেন বিশেষ চিন্তা নকৰিলোঁহেঁতেন, কিন্তু যেতিয়া সেই অৱস্থা দিনৌ হ'বলৈ ধৰিলে তেতিয়া মনলৈ নিৰাশা আৰু অনুৎসাহ আহিছিল। কাৰ্যালয়ত কাম কৰি থাকোঁতে পাকঘৰৰ কথাও মনলৈ আহিছিল আৰু কেতিয়াবা হাতত কলম লৈ এনেয়ে বহি আছিলোঁ। তেতিয়া মনটোক আশ্বাস দিছিলোঁ—ভাল কাম কৰিবলৈ ওলাইছোঁ যেতিয়া আৰম্ভণিতে কষ্ট হ'বই আৰু সেই কষ্টযে সহিব লাগিব, সেইটো স্বাভাৱিক। কিন্তু কেতিয়াবা দুঃখ আৰু কষ্টৰ মাত্ৰা বেছি হ'লে সেই তত্ত্বজ্ঞানে কাম নকৰিছিল। তেতিয়া এনেকুৱা লাগিছিল—মুখত সদায় প্ৰসন্ন ভাব কিন্তু ভিতৰত ভম্‌ভমনি। যিকি নহওক, আমাৰ ব্যক্তিগত জীৱন দুখৰ হ'লেও 'মাতৃ-ভূমি'ক সেই দুঃখে কিঞ্চিৎ মানো স্পৰ্শ কৰা নাছিল। বাতৰি কাকতখন নিয়মিতৰূপে ওলাইছিল আৰু পিছৰ সংখ্যাটোক আৰু বেছি সুন্দৰ আৰু উপভোগ্য কৰাৰ ইচ্ছা আমাৰ সকলোৰে মনত সদায় আছিল।

মাত্ৰ বাতৰিৰ যোগান ধৰাই মাতৃ-ভূমিৰ কাম হোৱাটো উচিত নহ'ব আৰু লগতে কাকতখন পঢ়ি পাঠকৰ জ্ঞানৰ বিকাশ হোৱাটো নিতান্ত আৱশ্যক বুলি বিবেচনা কৰি আমি তেনেধৰণৰ ভাল প্ৰবন্ধ আৰু সমালোচনাও কাকতখনত প্ৰকাশ কৰিছিলোঁ। 'ৰাইজ আৰু ৰাইজ', 'বিবিধ আৰু বিভিন্নতা', 'অভিযোগ আৰু সমাধান'ৰ শিতানত সেই সময়ত মানুহ আৰু সমাজৰ কামত অহা নানান বিষয়বস্তু প্ৰকাশ কৰি অন্যান্য বাতৰি কাকতবোৰৰ ধৰা-বন্ধা নিয়ম অনুকৰণ নকৰি পাঠকৰ দৃষ্টি আকৰ্ষণ কৰিছিলোঁ। পাঠকে সেইবোৰ পঢ়ি ভাল পাইছিল। সম্পাদকীয়ৰ ওপৰত সদায় লিখা 'সত্য-সমতা-স্বাতংৰ্য্য' কথাষাৰে মাতৃভূমিৰ কেৱল নীতি আৰু আদৰ্শকেই ঘোষণা কৰা নাছিল, 'মাতৃ-ভূমিৰ' কৰ্মীসকলকো নিজৰ লক্ষ্যৰ কথা সদায় সোঁৱৰাই দিছিল।

'মাতৃ-ভূমি'ৰ আদৰ্শ অক্ষুণ্ণ ৰখাৰ প্ৰচেষ্টাত তাৰ অধিকাৰী আৰু কৰ্মীসকলৰ মাজত হোৱা সংঘৰ্ষ আৰু মতভেদৰ উদাহৰণ মাতৃভূমিৰ ইতিহাসত অনেক আছে। কিন্তু আৰ্থিক ক্ষতি আৰু সম্মুখত থিয় হোৱা সমস্যা আৰু প্ৰত্যাহ্বানবোৰলৈ কেৰেপ নকৰি

'মাতৃ-ভূমি'য়ে তাৰ আদৰ্শৰপৰা একতিলো আঁতৰি যোৱা নাছিল।

মোৰ মনত পৰে, এবাৰ এজন বিখ্যাত সম্পাদকে কৈছিল—এজন জ্ঞানী পুৰুষে যি কথা কোৱা উচিত নহয় সেই কথা বাতৰি-কাকততো প্ৰকাশ হোৱা উচিত নহয়। সেই কথাষাৰ বুজিবলৈ মোৰ সময় নালাগিছিল, কিয়নো মই সদায় বিশ্বাস কৰিছিলোঁ— দ্বেষ আৰু ঘৃণাৰপৰা দূৰত থাকি নিৰ্ভয়ে আৰু নিৰপেক্ষ হৈ কৰা সমালোচনাক সকলোৱে আদৰ আৰু প্ৰশংসা কৰে।

'মাতৃ-ভূমি' ওলোৱাৰ এবছৰৰ পিছত এটা ঘটনা ঘটিছিল। সেই সময়ত কে. ভি. নায়াৰ ৰাজ্যপৰিষদৰ সদস্য আছিল। তেওঁ দ্বিতীয়বাৰৰ কাৰণে প্ৰাৰ্থী আছিল। আন এজন প্ৰাৰ্থী এম. গোপাল মেননে তেওঁক ভোট নিদিবলৈ লিখা চিঠি এখন পাই মই সেই চিঠিখন 'মাতৃ-ভূমি'ত প্ৰকাশ কৰোঁ। মই মোৰ মন্তব্যত লিখিছিলোঁ যেতিয়া ৰাজ্য পৰিষদত লোণ কৰৰ ওপৰত বাদ-প্ৰতিবাদ হোৱাৰ পিছত মতদানৰ সময় আহে তেতিয়া কে. ভি. নায়াৰ পৰিষদত উপস্থিত নাছিল। তেওঁৰ অনুপস্থিতিয়ে দেশবাসীৰ ঘোৰ ক্ষতি কৰিলে আৰু তেওঁ সেই ভুল আৰু অন্যায় কৰাৰ কাৰণে দেশবাসী লোণ-কৰ সম্বন্ধীয় ৰেহাইৰপৰা বঞ্চিত হ'ল।

'মাতৃ-ভূমিত' প্ৰকাশিত হোৱা এম. গোপাল মেননৰ চিঠি আৰু মোৰ মন্তব্য পঢ়ি কে. ভি. নায়াৰে আমালৈ লিখিলে ঃ

"মোৰ বিৰুদ্ধে 'মাতৃ-ভূমি'ত প্ৰকাশ কৰা চিঠি আৰু সম্পাদকৰ মন্তব্য সম্বন্ধে মই কওঁ যে লোণ-কৰ সম্পৰ্কত মই চৰকাৰৰ মত সমৰ্থন কৰিছিলোঁ বুলি কোৱা কথাষাৰ সম্পূৰ্ণ ভুল। তাৰ ফলত জনসাধাৰণে মোৰ সপক্ষে ভোট নিদিব। এনে পৰিস্থিতিত লোণ-কৰৰ সম্বন্ধত মই যে চৰকাৰক সমৰ্থন কৰিছিলোঁ সাত দিনৰ ভিতৰত তাৰ প্ৰমাণ দিয়ক। যদি প্ৰমাণ দিব নোৱাৰে, সেই চিঠি আৰু সম্পাদকৰ মন্তব্য ৰদ কৰি ভুলৰ কাৰণে মোৰ ওচৰত ক্ষমা খোজক। যদি তাকেই নকৰে, সেই অপৰাধৰ কাৰণে মই যথাযোগ্য ব্যৱস্থা কৰিম। এই চিঠিখনৰ উত্তৰ মোৰ উকীললৈ পঠাব।"

উপৰোক্ত গোপাল মেননৰ চিঠি আন দুখন বাতৰি কাকততো প্ৰকাশিত হৈছিল। সেই দুখন বাতৰি কাকতে লগে লগে ক্ষমা বিচাৰিলে আৰু ক্ষমাৰ সূচনা তেওঁলোকৰ বাতৰি কাকতত প্ৰকাশ কৰিলে। কিন্তু 'মাতৃ-ভূমি'য়ে সেইটো নকৰিলে। মোৰ সম্পূৰ্ণ বিশ্বাস আছিল—'মাতৃ-ভূমি'ত নায়াৰৰ সম্বন্ধে যি প্ৰকাশিত হৈছিল তাত কোনো ভুল নাছিল। সেই কাৰণে তলত উল্লেখ কৰা চিঠিখন আমি নায়াৰৰ উকীললৈ লিখিলোঁ।

"1923 চনৰ 7 অক্টোবৰত 'মাতৃ-ভূমি'ত প্ৰকাশ হোৱা লেখাৰ উত্তৰত যিখন চিঠি আপোনাৰ মক্কেল নায়াৰে আমালৈ লিখিছিল, তেওঁ লিখামতে তাৰ উত্তৰ আপোনালৈ পঠালোঁ। লোণ-কৰৰ সম্বন্ধে ৰাজ্য পৰিষদত বাদ-প্ৰতিবাদ হোৱাৰ পিছত মতদানৰ সময়ত আপোনাৰ মক্কেল কে. ভি. নায়াৰে ৰাইজৰ প্ৰতিনিধিৰ লগত ভোট দিয়া নাছিল। লোণ-কৰ সম্বন্ধত ভাইচৰয়ৰ প্ৰমাণিত অধিকাৰৰ বিষয়ে আলোচনা কৰোঁতে চৰকাৰৰ সপক্ষে মত দিয়া সদস্যসকলৰ ভিতৰত নায়াৰো আছিল। এই বিষয়ে ৰাইজে যি অনুমান

কৰিছিল তাৰ ভিত্তিতেই আমি 'মাতৃভূমি'ত তেওঁৰ বিষয়ে সত্য কথা প্ৰকাশ কৰি দিলোঁ। তেনে এজন সদস্যই দ্বিতীয়বাৰ নিৰ্বাচনৰ কাৰণে প্ৰাৰ্থী হোৱাটো অনুচিত, কাৰণ তেওঁক আকৌ নিৰ্বাচন কৰিলে ৰাইজৰ ক্ষতি হ'ব। মোৰ একান্ত বিশ্বাস—আমি তেওঁৰ বিষয়ে যি প্ৰকাশ কৰিছিলোঁ সেই সূচনা ভুল আৰু অনাৱশ্যক নাছিল। যদি গোপাল মেননৰ চিঠিখনৰ উত্তৰত আপোনাৰ মক্কেল নায়াৰে কিবা দিব খোজে সেই উত্তৰ 'মাতৃ-ভূমি'য়ে প্ৰকাশ কৰিব। সেইবাবে আমি প্ৰকাশিত লেখা ঘূৰাই নিয়া আৰু কোনো অপৰাধ নকৰি ক্ষমা বিচৰাৰ কোনো প্ৰশ্নই নুঠে।"

ইয়াৰ পিছত কে. ভি. নায়াৰ বা তেওঁৰ উকীলৰপৰা আমাৰ ওচৰলৈ কোনো চিঠি নাহিল। তেওঁ আমাৰ বিৰুদ্ধে কোনো মোৰ্কদমাও নকৰিলে। আমি ক্ষমা নিবিচৰা দেখি ক্ষমা বিচৰা দুখন বাতৰিকাকতে দুঃখ প্ৰকাশ কৰিলে। এই ঘটনাটোৱে 'মাতৃভূমি'ৰ মৰ্যাদা বৃদ্ধি কৰিলে আৰু বাতৰি কাকতখনৰ নীতি প্ৰশংসা কৰি আমাক অভিনন্দন জনাবলৈ অনেক লোক 'মাতৃভূমি'ৰ কাৰ্যালয়লৈ আহিল।

কোনো ব্যক্তি বা সমাজক নিন্দা বা প্ৰশংসা কৰাৰ স্থান যে মাতৃ-ভূমিত নাই সেই বিশ্বাস মানুহৰ মনত লাহে লাহে বেছি বদ্ধমূল হৈছিল। সেই নীতি মাতৃ-ভূমিয়ে এতিয়াও পালন কৰে।

সম্পাদকক অসহায় অৱস্থাত পেলোৱা অনেক ঘটনা ঘটিছিল। এদিন এজন মানুহ দুপৰীয়া মোৰ কাৰ্যালয়লৈ আহিল। তেওঁৰ হাতত এখন ৰচিদৰ বহী। তেওঁলোকৰ গাঁৱলৈ মন্ত্ৰী যাওঁতে তেওঁক অভ্যৰ্থনা কৰিবলৈ যি আয়োজন কৰা হৈছিল, তাত তেওঁ সক্ৰিয় অংশ গ্ৰহণ কৰিছিল আৰু মালাৰ সকলো খৰচ বহন কৰিছিল। সেই ৰচিদ বহীখনেই তাৰ প্ৰমাণ কিন্তু সেই খবৰটো বাতৰি কাকতত প্ৰকাশ কৰোঁতে তেওঁৰ নামটো প্ৰকাশ নকৰিলে। সেই কাৰণেই তেওঁৰ মনত বৰ দুঃখ। সেই মানুহজনে মোক অনুৰোধ কৰিলে—মই যেন 'মাতৃভূমি'ত তেওঁৰ নামটো প্ৰকাশ কৰোঁ। তেওঁৰ পৰিস্থিতি আৰু মনৰ দুঃখ মই বুজিব পাৰিছিলোঁ। মই আশ্বাস দিলোঁ যে মই সাংবাদিকজনক সুধি যি কৰিব পাৰোঁ তাকেই কৰিম। কিন্তু মোৰ কৰিবলগীয়া একোৱেই নাছিল, তেনেভাৱে মানুহজনৰ নামটো পিছত প্ৰকাশ কৰা সম্ভৱ নাছিল।

এবাৰ বিনোৱাজী কেইজনমান হৰিজনক লৈ উত্তৰ ভাৰতৰ এটা মন্দিৰত প্ৰৱেশ কৰিবলৈ যাওঁতে তেওঁক টানি মন্দিৰৰপৰা বাহিৰ কৰি দিয়ে আৰু হৰিজন কেইজনক মাৰপিট কৰে। সেই সংবাদটো 'মাতৃ-ভূমি'ত প্ৰকাশ হৈছিল। তাৰ কিছুদিনৰ পিছত এজন মানুহৰপৰা মই এখন চিঠি পালোঁ। "বিনোৱাজীক অপমান কৰা শুনি দুঃখত মই আজি কেইবাদিনো খোৱা নাই আৰু শোৱাও নাই। মোৰ নামটো আপুনি 'মাতৃ-ভূমিত' প্ৰকাশ কৰি দিয়ক।" মানুহজনে চিঠিৰ লগত তেওঁৰ ফটোখনো পঠাইছিল আৰু সেইটো মাতৃভূমিত ওলাব বুলি নিশ্চয় আশা কৰিছিল। তেওঁৰ ফটো আৰু নামটো মাতৃভূমিত নোলোৱা দেখি মানুহজনে নিশ্চয় সম্পাদকক অভিশাপ দিছিল।

এবাৰ মোৰ এজন পুৰণি বন্ধুৱে এখন চিঠি দি মোৰ ওচৰলৈ এজন মানুহ

পঠিয়াইছিল। মোৰ বন্ধুজন এজন গণ্যমান্য ব্যক্তি আছিল। এটা হীন অপৰাধত তেওঁৰ পুতেকক পুলিচে গ্ৰেপ্তাৰ কৰি মেজিষ্ট্ৰেটৰ ওচৰলৈ লৈ গ'ল আৰু মেজিষ্ট্ৰেটে জামিনত এৰি দিলে। সেই খবৰটো বাতৰি কাকতত প্ৰকাশ হ'লে মোৰ বন্ধুৰ পৰিয়ালটোৰ অপমান হ'ব বুলি মোক অনুৰোধ কৰিলে যাতে সেই খবৰটো 'মাতৃ-ভূমি'ত প্ৰকাশ নকৰোঁ। কিন্তু সেই খবৰটো পোৱাৰ পিছত প্ৰকাশ নকৰি গোপন কৰি ৰখাটো মোৰ পক্ষে সম্ভৱ নাছিল। তেওঁ লিখাৰ আগতে সাংবাদিকে সেই সংবাদটো আমালৈ পঠাইছিল। গতিকে 'মাতৃভূমি'ৰ নীতিৰ বিৰুদ্ধাচৰণ মই কোনোমতেই কৰিব নোৱাৰিছিলোঁ।

এটা বাতৰি প্ৰকাশ কৰোঁতে দুটা কথালৈ মন দিব লাগে। প্ৰথমটো হ'ল—বাতৰিটো সঁচা নে মিছা চাব লাগিব আৰু দ্বিতীয়টো হ'ল বাতৰিটোৰ বিশেষত্ব কি। কিছুমান বাতৰি এনে ধৰণৰ যাৰ ওপৰত সন্দেহ কৰিবলগীয়া একো নাই। মোৰ উপৰোক্ত বন্ধুজন চহৰৰ এজন গণ্যমান্য ব্যক্তি বুলি বাতৰিটোৰ প্ৰাধান্য আছিল। সেই কাৰণে পাঠকৰ ওচৰত তাক লুকুৱাই ৰখাটো 'মাতৃভূমি'ৰ নীতিৰ বিৰুদ্ধে আছিল। মোৰ বন্ধুজনে মোৰ অসামৰ্থ্যক কি অৰ্থত লৈছিল ক'ব নোৱাৰোঁ কিন্তু তেওঁ যে মোক বৰ বেয়া পাইছিল তাত অলপো সন্দেহ নাছিল।

মাতৃভূমিৰ সম্পাদকৰ কাম কৰাৰ উপৰিও মই কেৰালাৰ কংগ্ৰেছ সমিতিৰ সচিব হিচাপেও কাম কৰিবলগীয়া হৈছিল। সেই সময়ত মালবাৰত হাঙ্গামা হোৱাৰ ফলত গোটেই কেৰালাত যি পৰিস্থিতিৰ উদ্ভৱ হৈছিল তেনে পৰিস্থিতিত তাৰ কংগ্ৰেছে কোনো নতুন পৰিকল্পনা হাতত ল'ব পৰা নাছিল আৰু সেই কাৰণে কংগ্ৰেছ সমিতিৰ সচিব হিচাপে মোৰ কৰিবলগীয়া বিশেষ গুৰুত্বপূৰ্ণ কাম নাছিল। তথাপি মই দ্বিতীয় কেৰালা কংগ্ৰেছ সন্মিলন আহ্বান কৰিলোঁ। সেই সন্মিলনখন 1923 চনৰ 6 মে'ত পালঘাটত অনুষ্ঠিত হৈছিল। তেতিয়া 'মাতৃ-ভূমি' ওলোৱা মাত্ৰ ছসপ্তাহ হৈছিল। সেই কাৰণে কোষিক্কোট্ট এৰি যাবলৈ মোৰ অসুবিধা হৈছিল, কিন্তু সন্মিলনখনৰ কামো গুৰুত্বপূৰ্ণ আছিল।

শ্ৰীমতী সৰোজিনী নাইডু সেই সন্মিলনখনৰ সভানেত্ৰী আছিল। আলি ভ্ৰাতৃদ্বয়, বি. উম্মা. ৰাজগোপালাচাৰী আৰু দেৱদাস গান্ধী আদি নেতাসকল সন্মিলনত উপস্থিত আছিল। প্ৰাকৃতিক সৌন্দৰ্য্যৰ কাৰণে সেই ঠাইডোখৰ আকৰ্ষণীয় আছিল আৰু বাহিৰৰপৰা অহা সকলো প্ৰতিনিধি আৰু কংগ্ৰেছ কৰ্মীয়ে প্ৰশংসা কৰিছিল। সৰোজিনী নাইডুৱে তেওঁৰ সভানেত্ৰীৰ ভাষণ কেৰালাৰ প্ৰাকৃতিক সৌন্দৰ্য্য প্ৰশংসা কৰি আৰম্ভ কৰিছিল। আৰু তেওঁৰ ভাষণৰ প্ৰথমভাগ এখন কাব্যৰ নিচিনা লাগিছিল। সেই সময়ত প্ৰধান সমস্যা আছিল সাম্প্ৰদায়িক হিংসা। প্ৰথমতে তাকেই উল্লেখ কৰি তাৰ পিছত গোটেই ভাৰতৰ ৰাজনৈতিক পৰিস্থিতিৰ কথা ব্যাখ্যা কৰি সৰোজিনী নাইডুৱে তেওঁৰ মধুৰ ভাষণেৰে সকলোকে আকৃষ্ট কৰিছিল।

ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ আন্দোলনত শ্ৰীমতী সৰোজিনী নাইডুৰ নেতৃত্ব

আটাইতকৈ মহত্বপূৰ্ণ আছিল। তাৰ মূলত কেৱল তেওঁৰ বাগ্মিতাই নাছিল তাৰ বাহিৰেও তেওঁৰ গভীৰ দেশপ্ৰেম, শান্ত আৰু মনোমোহা আচৰণ, দূৰদৰ্শিতা আৰু প্ৰশ্ন আৰু সমস্যাবোৰক যুক্তিপূৰ্ণ আৰু সূক্ষ্ম দৃষ্টিৰে বিশ্লেষণ আৰু সমাধান কৰাৰ মহৎ গুণৰ কাৰণে ভাৰতৰ জনসাধাৰণে তেওঁক শ্ৰদ্ধেয় নেতাসকলৰ ভিতৰত উচ্চ স্থান দিছিল। আটাইতকৈ কঠিন পৰিস্থিতিতো তেওঁৰ অসীম ধৈৰ্য্য আছিল আৰু তেওঁ কেতিয়াও হতাশ নহৈছিল। যেতিয়া মহাত্মা গান্ধী সবৰমতী জেলত আছিল, মই সৰোজিনী নাইডুৰ লগত তেওঁক দেখা কৰিবলৈ গৈছিলোঁ। আমি জেলৰ ডাঙৰ দুৱাৰখনৰ সন্মুখত থিয় হ'লোঁ ; চন্তৰীটোৱে ডাঙৰ দুৱাৰখনৰ ভিতৰতে থকা সৰু দুৱাৰখন খুলি দিলে। সেইটোৱেই তাৰ নিয়ম আছিল। 'এইখনেদি মাইকী মানুহ কেনেকৈ যাব, ডাঙৰ দুৱাৰখন খুলি দিয়া', বুলি সৰোজিনী নাইডুৱে আদেশৰ সুৰত কোৱাত চন্তৰীয়ে তাৰ নিয়মৰ কথা পাহৰি তৎক্ষণাত ডাঙৰ দুৱাৰখন খুলি দিলে আৰু আমি ভিতৰলৈ গ'লোঁ।

শ্ৰদ্ধেয়া বৃদ্ধা বি. উম্মাৰ উপস্থিতি সেই সন্মিলনখনৰ সফলতাৰ দ্বিতীয় কাৰণ আছিল। তেওঁ চলা-ফিৰাও কৰিব নোৱাৰিছিল। তথাপি তেওঁ অনেক দূৰৰপৰা আহি সন্মিলনত ভাগ লৈ স্বাধীনতা আন্দোলনৰ গতি বৃদ্ধি কৰিছিল। তেওঁৰ সেই সেৱাৰ কথা কোনেও পাহৰিব নোৱাৰে।

ৰাষ্ট্ৰীয় সন্মিলনৰ পিছত এখন সাহিত্য সন্মিলনৰো আয়োজন কৰা হৈছিল। চৰ্দাৰ কে. এম পাণিকৰে সেই সভাখনৰ সভাপতিত্ব কৰিছিল।

সন্মিলনৰ শেষ দিনা সভাঘৰত বহি বিভিন্ন ধৰ্ম আৰু জাতিৰ মানুহে একেলগে বহি ভোজন কৰিলে। দুঃখৰ বিষয় যে ভোজনৰ পিছত কিছুমান উচ্চজাতৰ মানুহে বামুণক মাতি আনি তাতেই নিজকে পৰাচিতো কৰিলে। সেইসময়ত ঘটনাটোৱে ইমান প্ৰাধান্য লাভ কৰিছিল যে সাম্প্ৰদায়িক হাঙ্গামা হ'ব বুলি অনেকে ভয় কৰিছিল। যি কি নহওক, পালঘাট অধিৱেশনে ৰাজনৈতিক গতি-বিধি আৰু অস্পৃশ্যতা বৰ্জনৰ প্ৰচেষ্টাক সফল কৰাই মানুহৰ মনত নতুন আশা আৰু আকাঙক্ষা জগাই তুলিছিল।

ভৈকম সত্যাগ্ৰহ

সেই সময়টো এনেকুৱা আছিল যেতিয়া কেৰালা কংগ্ৰেছৰ গতি-বিধিয়ে এটা নতুন জীৱন দিয়াৰ আয়োজন কৰিছে বুলি অনুভৱ কৰিছিলোঁ। 'দেশাভিমানী' বাতৰি কাকতৰ সম্পাদক কে. মাধৱন মোক লগ পাবৰ কাৰণে কোষিক্কোট্টৰ কংগ্ৰেছ কাৰ্যালয়লৈ আহিল। এজন বিচক্ষণ সম্পাদক, একনিষ্ঠ সমাজ সেৱক আৰু নিম্ন শ্ৰেণীৰ মানুহৰ হিতাকাংক্ষী হিচাপে তেওঁক নজনা মানুহ কেৰালাত কোনোৱেই নাছিল। তেওঁ তেওঁৰ জীৱনৰ আধা সময় নিঃস্বাৰ্থভাৱে সমাজ সেৱা কৰি এজন শ্ৰদ্ধেয় নেতাৰ স্থান অধিকাৰ কৰিছিল। অনেকে তেওঁক 'সম্পাদক' বুলি সম্বোধন কৰিছিল আৰু সেই শব্দটো তেওঁৰ নাম হৈ পাৰিছিল। লিখোঁতে আৰু কওঁতে তেওঁ সুন্দৰ ভাষা প্ৰয়োগ কৰিছিল আৰু তেওঁৰ বাগ্মিতাৰ কাৰণে তেওঁৰ প্ৰতিদ্বন্দ্বীসকলেও তেওঁক প্ৰশংসা কৰিছিল। তেওঁ হাঁপানী ৰোগত ভোগাৰ কাৰণে মাজে মাজে অসুস্থ হৈ পৰিছিল যদিও নিজৰ প্ৰচেষ্টা কেতিয়াও হ্ৰাস হোৱা নাছিল আৰু একে উৎসাহ আৰু উদ্যমেৰে সমাজ সেৱা কৰি গৈছিল। তেওঁৰ সকলো চিন্তা তল জাতিৰ মানুহৰ ওপৰত নিবদ্ধ আছিল আৰু তেওঁলোকৰ অৱস্থাৰ উন্নতিৰ কাৰণে দেহেকেহে চেষ্টা কৰিছিল। মাধৱন এজন প্ৰকৃত বন্ধু আছিল আৰু বন্ধুৰ কাৰণে তেওঁ সৰ্বস্ব ত্যাগ কৰিবলৈ সাজু আছিল। সমাজৰ কামত সদায় লিপ্ত থকাৰ কাৰণে তেওঁ ৰাজনৈতিক কামত সক্ৰিয় অংশ গ্ৰহণ কৰিব নোৱাৰিছিল। যেতিয়াৰপৰা অস্পৃশ্যসকলৰ উদ্ধাৰৰ কাম কংগ্ৰেছৰ কাৰ্যক্ৰমৰ এটা অবিচ্ছেদ্য অঙ্গ হৈ পৰিছিল তেতিয়াৰপৰা কংগ্ৰেছৰ কামলৈ তেওঁৰ আগ্ৰহ বাঢ়িছিল। 'নিম্ন শ্ৰেণীৰ মানুহবিলাকৰ দুঃখ-কষ্ট দূৰ কৰাৰ পিছতে দেশৰ স্বাধীনতাৰ কথা চিন্তা কৰা উচিত' সেইটো তেওঁৰ মত নাছিল। তেওঁৰ মত আছিল—দুয়োটা কাম লগে লগে কৰা। তেওঁ শ্ৰীনাৰায়ণ গুৰুক আধ্যাত্মিক গুৰু হিচাপে মানি লৈছিল আৰু তেওঁৰ আদেশ আৰু উপদেশ নিজৰ ব্যৱহাৰিক জীৱনত প্ৰয়োগ কৰিছিল।

মহাকবি কুমাৰনাশানৰ কবিতাত জাতীয় বিকৃতি তেওঁ যিভাৱে বৰ্ণনা কৰিছে তাৰ গদ্য ৰূপটো এনে ধৰণৰঃ 'যাক ছুব নোৱাৰি, যাৰ কাষেদি যাব নোৱাৰি, যাক দেখিলেও মনলৈ অশান্তি আহে, যাৰ লগত বহি খাব নোৱাৰি আৰু যাৰ লগত বিয়া-বাৰুৰ সম্বন্ধ কল্পনাৰ বাহিৰত, সেই মানুহবোৰৰপৰা সদায় দূৰত থকাৰ কথা চিন্তা কৰা পিশাচ আমাৰ মাজত আছে।'

নতুন পুৰুষৰ যুৱকে এই কথাটো বুজিব নোৱাৰিব। সম্পাদক মাধৱন এনেকুৱা বীৰ যোদ্ধা আছিল যিজনে জাতীয় কুখ্যাতি নিৰ্মূল কৰিবলৈ ৰণক্ষেত্ৰত পদাৰ্পণ কৰিছিল।

সেই সময়ত কংগ্ৰেছে অস্পৃশ্যতা বৰ্জনৰ কামত বেছিকৈ জোৰ দিয়াৰ কথা চিন্তা

কৰি আছিল। মই সেই কাৰ্য্যক এটা ব্যৱহাৰিক ৰূপ দিবলৈ চেষ্টা কৰিছিলোঁ। সেই সময়তে মাধৱনে মোৰ দৃষ্টি আকৰ্ষণ কৰিলে আৰু সেই মানুহজনৰ আদৰ্শ, স্বভাৱ, মানৱ সেৱা আৰু ত্যাগ-মনোভাবৰ কাৰণে তেওঁ মোৰ পৰম বন্ধু হৈ পৰিল। সেই পৰিচয়ৰ পিছত তেওঁৰ লগত মই অনেক কামত তেওঁৰ সহকৰ্মী আছিলোঁ, অনেক সভাত সহ-বক্তা আছিলোঁ আৰু অনেকবাৰ তেওঁৰ লগত গুৰুত্বপূৰ্ণ বিষয়বোৰ আলোচনা কৰিছিলোঁ।

মাধৱন, চৰ্দাৰ কে. এম. পাণিকৰ আৰু মই একেলগে মাদ্ৰাজৰ কাকিনাড়াত বহা কংগ্ৰেছ অধিৱেশনলৈ গৈছিলোঁ। পাণিকৰ সেই সময়ত 'স্বৰাজ'ৰ সম্পাদক আছিল। কাকিনাড়াত মই আৰু মাধৱন কেৰালা শিবিৰত আছিলোঁ। ৰাতিৰ অতিপাত ঠাণ্ডাত কঁপি কঁপি মাধৱনে "ভাৰতৰ অস্পৃশ্যসকলৰ কাৰণে ভাৰতীয় কংগ্ৰেছ সমিতিৰ নিৱেদন"খন লিখি প্ৰস্তুত কৰিছিল। সেই কংগ্ৰেছ অধিৱেশনৰ সভাপতি আছিল মৌলানা মহম্মদ আলি। নিৱেদনখন ছপা কৰি তাৰ প্ৰতিলিপি সভাপতি আৰু অখিল ভাৰতীয় কংগ্ৰেছ সমিতিৰ সদস্যসকলক দিয়া হ'ল আৰু এখন প্ৰতিলিপি বাতৰি কাকতৰ কাৰ্য্যালয়লৈ পঠোৱা হ'ল। অধিৱেশনত অস্পৃশ্যতা নিবাৰণৰ কাৰ্যক্ৰম যুগুত কৰা আৰু প্ৰাদেশিক সমিতিবোৰক সেই বিষয়ে নিৰ্দেশ দিয়াৰ প্ৰস্তাৱ গ্ৰহণ কৰা হ'ল। মাধৱনৰ সকলো কথা সভাপতিয়ে মনোযোগেৰে শুনিলে আৰু সন্তোষ প্ৰকাশ কৰিলে। এনেকৈ সেই বছৰত কংগ্ৰেছ সন্মিলনত অস্পৃশ্যতা বৰ্জনৰ লগত সম্বন্ধ থকা প্ৰস্তাৱ অনুমোদন কৰাত কোনো অসুবিধা নহ'ল। মৌলানা মহম্মদ আলি আৰু তেওঁৰ ভায়েক মৌলানা সৌকত আলি সেই কালত কংগ্ৰেছৰ দুটা শক্তিশালী স্তম্ভ আছিল। দুয়ো গান্ধীজীৰ বন্ধু আছিল। খিলাফত আন্দোলনে তেওঁলোকক কংগ্ৰেছলৈ আকৰ্ষিত কৰিছিল।

কাকিনাড়া কংগ্ৰেছ অধিৱেশনৰ পিছত মাধৱন কংগ্ৰেছৰ প্ৰতি বেছি আকৃষ্ট হ'ল আৰু তাৰ এজন সদস্য হ'ল। তাৰ পিছৰপৰাই তেওঁ কংগ্ৰেছৰ কামত সক্ৰিয় অংশ গ্ৰহণ কৰিবলৈ আৰম্ভ কৰিলে।

1924 চনৰ 24 জানুৱাৰীত এৰ্ণাকুলমত বহা প্ৰাদেশিক কংগ্ৰেছ সমিতিৰ বৈঠকত অস্পৃশ্যতা বৰ্জনক জৰুৰী বিষয় বুলি স্বীকাৰ কৰি তাক কাৰ্যকৰী কৰিবৰ কাৰণে এখন বেলেগ সমিতি গঠন কৰা হ'ল। কংগ্ৰেছৰ কাৰ্যক্ৰমবোৰৰ কথা জনসাধাৰণক জনাবলৈ গোটেই প্ৰদেশখনত ভ্ৰমণ কৰা আন এখন সমিতিৰো আয়োজন কৰা হ'ল। দ্বিতীয় সমিতিখনৰ সদস্য আছিলোঁ মই, এ. কে. পিল্লে, হসন কোয়া মুল্লা আৰু কুৰুৰ নীলকণ্ঠন নম্পুতিৰি। ভ্ৰমণৰ কাৰ্যক্ৰম এ. কে. পিল্লেই প্ৰস্তুত কৰিছিল। সকলো ঠাইতে তেওঁ মোৰ লগত আছিল। আমি ত্ৰিবাংকুৰ ইমূৰৰপৰা সিমূৰলৈ গৈ তাৰ গাঁও আৰু চহৰবোৰত ডাঙৰ ডাঙৰ সভা পাতি তাত ভাষণ দিছিলোঁ। দিনটোত দুই-তিনিখন আৰু কেতিয়াবা চাৰিখনলৈকে সভাৰ আয়োজন কৰা হৈছিল। জাতি-ধৰ্ম নিৰ্বিশেষ সকলো মানুহে আমাক অভ্যৰ্থনা কৰিছিল আৰু আমাৰ ভাষণ শুনি হাত তালি দিছিল। সেই 24 দিনীয়া আমাৰ ভ্ৰমণটো সাৰ্থক হৈছিল আৰু দেশৰ কামৰ কাৰণে জনসাধাৰণৰ আশাতীত উৎসাহ আৰু সমৰ্থন পৰিলক্ষিত হৈছিল।

1924 চনৰ 28 ফেব্ৰুৱাৰীত আমি ভৈকমত উপস্থিত হ'লোঁ। তাত উপস্থিত হৈ জানিব পাৰিলোঁ—ভৈকম মন্দিৰৰ কাষেদি যোৱা ৰাজহুৱা বাটটোৱেদি কোনো অস্পৃশ্য লোক অৰ্থাৎ হৰিজন যাব নোৱাৰে। সেইদিনা আবেলি বহা সভাত মই সেই অনীতিৰ বিৰুদ্ধে ভাষণ দিলোঁ। "বিদেশী শাসকৰ অনীতিক নিন্দা কৰি আমি নিজে অনীতিৰ কাম কৰিছোঁ। এইটো কিমান ধিক্কাৰৰ কথা! হৰিজনৰ বিৰুদ্ধে এই ঘোৰ অন্যায় বন্ধ কৰাটো আমাৰ কৰ্তব্য নহয় জানো ?" মোৰ প্ৰশ্নটো শুনি কেইবা হাজাৰো শ্ৰোতাই একেলগে "হয়, হয়" বুলি কৈ হাততালি দিলে। মই ক'লোঁ, "হাততালি দিয়াটো সহজ কিন্তু আচল কামটো কৰা টান। কাইলৈ আমি হৰিজনসকলক লগত লৈ এই বাটটোৱেদি এটা শোভাযাত্ৰা বাহিৰ কৰিম। তাত এতিয়া হাততালি দিয়াসকলৰ কিমানজন মানুহে ভাগ ল'ব ?" মোৰ প্ৰশ্নৰ উত্তৰত সকলোৱে উচ্চস্বৰে চিঞৰি উঠিল, "আমি সকলোৱে, আমি সকলোৱে।" মই ক'লোঁ, "তেন্তে কাইলৈ সেই শোভাযাত্ৰাত ভাগ ল'বলৈ আপোনালোক নিশ্চয় আহিব।" মোৰ কথা শুনি শ্ৰোতাসকলে পাঁচ মিনিটমান ধৰি হাততালি দিলে। তাৰ পিছত সভা শেষ হোৱাত সকলো ঘৰাঘৰি গ'ল।

সভাৰ পিছত আমি থকা ঠাইলৈ ঘূৰি আহি দেখিলোঁ—আমাৰ কাৰণে হাকিম, তহচিলদাৰ, পুলিচৰ বিষয়া আৰু চহৰৰ কেইজনমান গণ্যমান্য লোক বৈ আছে। হাকিমে ক'লে—সভাত ঘোষণা কৰামতে কাইলৈ হৰিজনসকলক লৈ শোভাযাত্ৰা বাহিৰ হ'লে বৰ গণ্ডগোল হ'ব, কটা-মৰাও হ'ব পাৰে। সেই কাৰণে কাইলৈ শোভাযাত্ৰা আৰম্ভ নকৰি অনুকূল পৰিৱেশ সৃষ্টি কৰিবলৈ কিছুদিন ধৰি প্ৰচাৰ কাৰ্য্য চলাই এমাহৰ পিছত শোভাযাত্ৰা বাহিৰ কৰাটো নিতান্ত সঙ্গত হ'ব। তেওঁৰ আৰু তাত থকা গণ্যমান্য লোক কেইজনৰ পৰামৰ্শ মতে আমি শোভাযাত্ৰা এমাহৰ কাৰণে স্থগিত ৰাখি পিছদিনা কোষিক্কোট্টলৈ ঘূৰি আহিলোঁ।

ভৈকম মন্দিৰৰ বাটটো সকলো মানুহৰ কাৰণে মুকলি কৰিবলৈ বৰ জোৰেৰে প্ৰচাৰ কাৰ্য্য চলিবলৈ ধৰিলে। সেই উদ্দেশ্যে আমি নানা ঠাইৰপৰা কেইবাজনো ভাল বক্তা পঠালোঁ। জাননী ছপা কৰি স্থানীয় লোকক দিয়া হ'ল। নেতাসকলে বহি আলোচনা কৰিলে। বাতৰি কাকতবোৰেও সহায়তা কৰিলে। কিন্তু অনেক দিন পাৰ হৈ যোৱা সত্ত্বেও মন্দিৰৰ অধিকাৰীসকলে সহানুভূতি নেদেখুৱালে। শেহত আমি সত্যাগ্ৰহ কৰিবলৈ থিৰাং কৰিলোঁ।

সত্যাগ্ৰহ কৰাৰ আগতে মহাত্মা গন্ধীক ভৈকমৰ স্থিতি সম্বন্ধে অৱগত কৰাই সত্যাগ্ৰহ কৰিবলৈ তেওঁৰ আশীৰ্বাদ বিচাৰি মই এখন চিঠি লিখিলোঁ। তাৰ উত্তৰত গান্ধীজীয়ে মোলৈ তলত দিয়া চিঠিখন লিখিলে ঃ

আন্ধেৰী
19.3.1924

প্ৰিয় কেশৱ মেনন,

তোমাৰ চিঠি পালোঁ। মই জানো যে সেই প্ৰদেশখনৰ অৱস্থা ভাৰতৰ অন্যান্য

প্ৰদেশৰ অৱস্থাতকৈ বেছি শোচনীয়। তুমি কোৱা মতে তেওঁলোক কেৱল অস্পৃশ্যই নহয়, তাৰ মানুহৰ চকুত তেওঁলোক কিছুমান ৰাস্তাত থিয় হ'বৰো যোগ্য নহয়। তেওঁলোকৰ অৱস্থা কিমান কৰুণ আৰু তেওঁলোক কি দুৰ্ভগীয়া ভাবি চোৱাঁ। এনে পৰিস্থিতিত আমি যে এতিয়াও স্বাধীনতা পোৱা নাই তাৰ বাবে আচৰিত হ'বৰ একো নাই। হৰিজনসকলক ৰাজহুৱা ৰাস্তাত চলাফিৰা কৰাৰ অধিকাৰ দিবৰ কাৰণে কেৰালা কংগ্ৰেছে যি পদক্ষেপ ল'ব খুজিছে সেইটো বৰ ভাল কথা। সেইটো একপ্ৰকাৰ সত্যাগ্ৰহেই। কিন্তু সেই সত্যাগ্ৰহক কাৰ্যকৰী কৰাৰ আগতে কিছুমান কথাৰ ওপৰত বিশেষ গুৰুত্ব দিব লাগিব। যদি আমাৰ মানুহেই তাক প্ৰতিৰোধ কৰিবলৈ আগবাঢ়ে তোমালোকে বল প্ৰয়োগ কৰিব নোৱাৰিবা। তোমালোকে শান্তিৰে সকলো সহ্য কৰিব লাগিব। যদি মাৰ খাবলগীয়া হয়, তাকো স্বীকাৰ কৰিব লাগিব। যিসকলে এই সত্যাগ্ৰহত ভাগ ল'বলৈ বিচাৰিছে তেওঁলোকক এই কথাটো ভালকৈ বুজাই দিবা আৰু তেওঁলোক তাত মান্তি হ'ব লাগিব। একেলগে সকলো গোট খাই আগ নাবাঢ়ি দুজন বা তিনিজনীয়া এবোটা সৰু সৰু দলে সত্যাগ্ৰহ কৰিব লাগিব। সত্যাগ্ৰহীসকলৰ ভিতৰৰে যদি কোনোবাই এই কথাটো মানি নলয়, তেওঁক সত্যাগ্ৰহত ভাগ ল'বলৈ নিদিবা। গতিকে কামটো বৰ সাৱধানে কৰিব লাগিব। ইয়াৰ ৰোগ শয্যাৰপৰা তোমাক উপদেশ দিয়াটো সহজ। সেই কাৰণে আন অনেক কথা বাদ দি কেইটামান অত্যাৱশ্যকীয় কথা তোমালৈ লিখিছোঁ। তোমাৰ তথা সত্যাগ্ৰহৰ সফলতা কামনা কৰোঁ।

এম. কে. গান্ধী

1924 চনৰ 30 মাৰ্চত সত্যাগ্ৰহ কৰাটো স্থিৰ হ'ল। তাৰ চাৰি দিনৰ আগতে মই ভৈকমত উপস্থিত হ'লোঁ। সত্যাগ্ৰহত ভাগ ল'বলৈ তাত অনেক মানুহ ইতিপূৰ্বেই গোট খাইছিল। নায়াৰ সমাজ আৰু তোয়া সমাজৰ নেতাসকল তালৈ আহিছিল। তেওঁলোকৰ বক্তৃতা, পৰামৰ্শ, তৎপৰতা, উপদেশ আৰু উৎসাহে ভৈকমত আলোড়নৰ সৃষ্টি কৰিলে। মন্নত্তু পদ্মনাভ. পিল্লে, মন্দানাৰোৰী পৰমেশ্বৰণ পিল্লে, এম. এন. নায়াৰ, সি. বি. কুঞ্জুৰামন, আলুমমুদ্দিন চান্নাৰ আদি নেতাসকল আহিছিল। চান্দা তোলা, সামগ্ৰী সংগ্ৰহ কৰা, প্ৰচাৰ কাৰ্য্য চলোৱা, দৰ্শকক অভ্যৰ্থনা কৰা আৰু স্বেচ্ছাসেৱকসকলৰ ব্যৱস্থা কৰাৰ কাৰণে বেলেগ বেলেগ বিভাগ আছিল। নেতাসকলক গ্ৰেপ্তাৰ কৰিলে তাৰ পিছত কি কৰিব লাগিব আগতেই স্থিৰ কৰা হৈছিল।

29 তাৰিখৰ দিনা মই ৰাতি বৰ পলমকৈ শুবলৈ গ'লোঁ। মাজৰাতি এজন সামাজিক নেতাই মোক জগালে আৰু ক'লে, "এটা বৰ জৰুৰী কথা আছে। সেইটো আপুনি ৰাতিপুৱাৰ আগতে চিন্তা কৰিব লাগিব।" তেওঁ মোক ক'লে—নিৰ্দ্ধাৰিত কাৰ্যক্ৰম মতে সত্যাগ্ৰহ পিছদিনা কৰিলে গণ্ডগোল হোৱাৰ সম্ভাৱনা আছে। সত্যাগ্ৰহৰ পৰিণাম স্বৰূপে অস্পৃশ্যতা বৰ্জন আন্দোলন পিছ পৰি যাব আৰু তাৰ গুৰুত্বও কম হ'ব। গতিকে সত্যাগ্ৰহ কালিলৈ কৰিব নালাগে। মই তেওঁৰ কথা শুনিলোঁ আৰু অলপ পৰ চিন্তা কৰি

ক'লোঁ, "যিহেতু আমি সকলোৱে মিলি আলোচনা কৰি সত্যাগ্ৰহৰ তাৰিখটো স্থিৰ কৰা তাক কোনোমতেই সলনি কৰিব নোৱাৰি। আমি সফল হওঁ বা অসফল হওঁ, কাইলৈ ৰাতিপুৱা সত্যাগ্ৰহ আৰম্ভ কৰিমেই।"

30 মাৰ্চ। সত্যাগ্ৰহ শিবিৰৰ সকলোৱে ৰাতিপুৱা গা ধুই, সাজ-পাৰ পিন্ধি, কপালত চন্দনৰ ফোঁট লৈ মন্দিৰলৈ যোৱা বাটটোলৈ যাবলৈ সাজু হ'ল। প্ৰথম তিনিজন মানুহে সত্যাগ্ৰহ কৰাৰ কথা। তেওঁলোক আছিল কুঞ্জপ্পী (পুলয়), বাহুলেয়ন (তোয়া) আৰু গোৱিন্দ পানিকৰ (নায়াৰ)। ৰাতিপুৱা সাত বজাত আমি শিৱিৰৰপৰা ওলাই একেলগে দুজন দুজনকৈ আগ বাঢ়িলোঁ। শিৱিৰৰ পৰা মন্দিৰৰ ৰাস্তাটোলৈ এমাইল দূৰ। লাহে লাহে খোজ কাঢ়ি আমি মন্দিৰৰ মুখত উপস্থিত হ'লোঁ। দৰ্শক আৰু পুলিচৰ বৰ ভিৰ আছিল। "অস্পৃশ্য ইয়াৰ ভিতৰত প্ৰৱেশ কৰিব নোৱাৰে।" এখন তক্তাত এই কথাষাৰ লিখি মন্দিৰটোৰপৰা 100 গজ মান দূৰত থৈ দিছিল। সেই তক্তাখনৰ 50 গজ আঁতৰত সকলো মানুহ গৈ থিয় হ'ল। মাত্ৰ তিনি জন সত্যাগ্ৰহী আগবাঢ়ি গ'ল। মানুহে ইয়াৰ পিছত কি হ'ব বুলি উৎকণ্ঠাৰে থিয় হৈ চাই ৰ'ল। পুলিচে মানুহবোৰক আগবাঢ়িবলৈ দিয়া নাছিল। সত্যাগ্ৰহী তিনিজন তক্তাখনৰ ওচৰলৈ গ'ল। তাত আঠ দহটা চিপাহী শাৰী পাতি থিয় হৈ আছিল। সত্যাগ্ৰহীকেইজন সিহঁতৰ ওচৰ পালেগৈ। "তোমালোকৰ জাত কি ?" এটা পুলিচে সুধিলে। লগে লগে উত্তৰ আহিল, "মই পুলয়," "মই তোয়া", "মই নায়াৰ।" উত্তৰটো এজন এজনকৈ তিনিওজনে দিলে।

"নায়াৰ আগলৈ যাব পাৰে, বাকী দুজন যোৱা নিষেধ।" পুলিচ এটাই আদেশৰ সুৰত ক'লে। "মোৰ লগত যাবলৈ মই এওঁলোকক লৈ আহিছোঁ। মই অকলে নাযাওঁ, এওঁলোকক লগত লৈহে যাম।" গোৱিন্দ পানিকৰে স্পষ্টকৈ ক'লে। তিনিওজন কিছুপৰ পুলিচৰ সম্মুখত ৰৈ থাকিল। গোৱিন্দ নায়াৰে আকৌ মাত লগালে, "আমাক যাবলৈ দিয়া, যদি যাবলৈ নিদিয়া গ্ৰেপ্তাৰ কৰা।"

পুলিচে তিনিওজনকে গ্ৰেপ্তাৰ কৰিলে। আমি শিৱিৰলৈ ঘূৰি আহিলোঁ। এনেকৈ প্ৰথম দিনৰ সত্যাগ্ৰহ শেষ হ'ল। পিছদিনা হাকিমে তিনিওজনৰ ওপৰত মোকৰ্দমা চলাই তেওঁলোকক ছমাহকৈ বিনাশ্ৰম কাৰাদণ্ড দিলে। তিনিজনে সত্যাগ্ৰহ কৰিছিল আৰু সেই অপৰাধত শাস্তি বিহি তেওঁলোকক জেললৈ পঠাই দিলে।

সত্যাগ্ৰহ শান্তিপূৰ্ণভাৱে হোৱা বাবে আমি সন্তোষ পালোঁ। কিন্তু কিছুমান উচ্চজাতৰ হিন্দুৱে মিছা খবৰ উলিয়ালে—'অস্পৃশ্যবোৰে জোৰ কৰি মন্দিৰত সোমাবলৈ চেষ্টা কৰিছিল, পুলিচে লাঠিৰে কোবাই বাহিৰ কৰি দিলে।' আমি দুদিনৰ কাৰণে সত্যাগ্ৰহ স্থগিত ৰাখিলোঁ। ইতিমধ্যে মই গান্ধীজীৰপৰা আৰু এখন চিঠি পালোঁ।

আন্ধেৰী

9.4.1924

প্ৰিয় কেশৱ মেনন,

তোমাৰ সত্যাগ্ৰহৰ বিষয়ে মোক কেইটামান কথা ক'বলৈ শ্ৰীশিৱৰাম আয়াৰ আৰু

শ্ৰীবংশীশ্বৰ আয়াৰ ইয়ালৈ আহিছে। তেওঁলোকে মোক ক'লে—প্ৰস্তাৱিত ৰাস্তাটো মন্দিৰৰ নিজৰ সম্পত্তি। সেইটো মন্দিৰৰ ন্যাসৰক্ষীৰ অধীনত আছে। গতিকে সেই ৰাস্তাটোৱেদি যোৱাৰ অধিকাৰ তেওঁলোকৰ হাতত অৰ্থাৎ তেওঁলোকে ইচ্ছা কৰিলে দিব বা নিদিবও পাৰে। সেই বাটটো মাত্ৰ বামুণৰ কাৰণে নেকি বুলি সোধাত তেওঁলোকে শূদিৰো যাব পাৰে বুলি উত্তৰ দিলে। তেতিয়া মই তেওঁলোকক ক'লোঁ যে যদি সেই বাটটোৱেদি শূদিৰ যাব পাৰে, অস্পৃশ্যসকলকো যাবলৈ দিয়া উচিত। মোৰ কথাটো এওঁলোকে মানি লৈছে। তথাপি তেওঁলোকে ক'লে—মন্দিৰৰ ন্যাসৰক্ষীসকলে এইটো মানি ল'বলৈ কিছু সময় লাগিব।

"মালৱীয়জী দুমাহৰ পিছতে তালৈ যাব। যদি মন্দিৰৰ অধিকাৰী আৰু অস্পৃশ্যসকলৰ প্ৰতিনিধিৰ মাজত তেওঁ মধ্যস্থতা কৰে, মোৰ একান্ত—বিশ্বাস তাৰপৰা নিশ্চয় লাভ হ'ব। সেই কাৰণে মই তোমাক উপদেশ দিওঁ—তুমি ঘোষণা কৰা, "সত্যাগ্ৰহ সম্বন্ধীয় সমস্যাটো মধ্যস্থতাৰ যোগেদি সমাধান কৰিবলৈ স্থিৰ কৰা হৈছে আৰু সেই কাৰণে তেতিয়ালৈকে সত্যাগ্ৰহ স্থগিত থাকিব।"

তোমাৰ বিশ্বাসী
এম. কে. গান্ধী

পহিলা এপ্ৰিলত সেই চিঠিখন পঠিয়াইছিল, কিন্তু 4 এপ্ৰিললৈকে সেই চিঠিখন মোৰ হাতত পৰা নাছিল। 'হিন্দু' বাতৰি কাকতৰপৰা সেই চিঠিৰ বিৱৰণ মই জানিছিলোঁ। কিন্তু বৰ জৰুৰী বুলি তাৰ আগতেই মই তলত উল্লেখ কৰা চিঠিখন তেওঁলৈ পঠাই দিছিলোঁ।

ভৈকম
২-৪-২৪

শ্ৰদ্ধেয় মহাত্মাজী,

মই 4 তাৰিখৰ 'হিন্দু' ত প্ৰকাশ হোৱা এটা বাতৰিৰপৰা জানিব পাৰিলোঁ আপুনি মোলৈ সত্যগ্ৰহ স্থগিত ৰখাৰ সম্বন্ধে এখন চিঠি লিখিছিল। সেই চিঠিখন মই এতিয়াও পোৱা নাই। য'তদূৰ সম্ভৱ ভৈকমলৈ আহিছে। আপোনাৰ চিঠিত উল্লেখিত শ্ৰীৰামকৃষ্ণ আয়াৰ আৰু শ্ৰীবংশীশ্বৰ আয়াৰক মই চিনি নাপাওঁ। তেওঁলোকে আপোনাক কোৱা কথা কেইটাৰ অৰ্থ মই বুজি পোৱা নাই। ভৈকম মন্দিৰ আৰু তালৈ যোৱা বাটটো কোনো ব্যক্তি বা ন্যাসৰক্ষীৰ সম্পত্তি নহয়। মন্দিৰটো ত্ৰিবাঙ্কুৰ চৰকাৰৰ। তাৰ কামবোৰ চৰকাৰী অধিকাৰীসকলে সম্পাদন কৰে। চৰকাৰে ৰাইজৰপৰা যি টকা লয় সেই টকাৰেই মন্দিৰ আৰু বাটটো তদাৰক কৰে। এই বাটটোৱেদি মাত্ৰ বামুণ আৰু উচ্চ জাতৰ শূদিৰেই নাযায়, মুছলমান আৰু খ্ৰীষ্টিয়ান মানুহো যায়। মাত্ৰ তোয়া, পুলয় আদি তলজাতৰ মানুহক সেই বাটটোৱেদি যাবলৈ নিদিয়ে। নিয়মমতে, হিন্দু ধৰ্মৰ সকলো

জাতৰ মানুহৰ সেই বাটটোৱেদি যোৱাৰ অধিকাৰ আছে। সেই কাৰণে আপুনি আমাক সত্যাগ্ৰহ স্থগিত ৰাখিবলৈ নকৈ সত্যাগ্ৰহ চলাই ৰাখিবলৈ অনুমতি দিয়ক।

"মালবীয়জীয়ে মধ্যস্থতা কৰাৰ বিষয়ে আপুনি যি লিখিছে সেই সম্বন্ধে মই কওঁ যে যিহেতু মন্দিৰ আৰু তাৰ বাটটো ত্ৰিবাঙ্কুৰ চৰকাৰৰ, তথাকথিত মন্দিৰ ন্যাসৰক্ষী আৰু অস্পৃশ্যসকলৰ প্ৰতিনিধিৰ মাজত মধ্যস্থতা কৰাৰ কোনো প্ৰশ্নই নুঠে। যদি চৰকাৰে আপোনাৰ কথা মানি লয়, তেন্তে আমি নিম্নজাতৰ হিন্দুসকলৰ প্ৰতিনিধি হিচাপে আপোনাৰ নিৰ্দেশ সন্মানেৰে মানিম। কিন্তু তেতিয়ালৈ সত্যাগ্ৰহ চলাবই লাগিব। নহ'লে আমাৰ সকলো চেষ্টা ব্যৰ্থ হ'ব।

"মই আপোনালৈ তাঁৰ পঠিয়াইছিলোঁ যে কিছুদিনৰ কাৰণে সত্যাগ্ৰহ স্থগিত ৰাখিছোঁ। কিন্তু এতিয়া স্থিতি সলনি হ'ল আৰু সেই কাৰণে কালিৰ পৰা (7 এপ্ৰিল) আমি আকৌ সত্যাগ্ৰহ আৰম্ভ কৰিম।

"সোনকালেই মোক আৰু মোৰ সহকৰ্মীসকলক গ্ৰেপ্তাৰ কৰিব বুলি মোৰ দৃঢ় ধাৰণা। শ্ৰীজৰ্জ জোচেফ এতিয়া ইয়াত আছে। গ্ৰেপ্তাৰ কৰি ইয়াৰপৰা আমাক লৈ যোৱাৰ পিছত তেওঁৰ নেতৃত্বত এই সংগ্ৰাম আৰু বেছি শক্তিশালী হ'ব। তেওঁ যথা সময়ত আপোনাক জনাই থাকিব। কামনা কৰিছোঁ—আমি যেন আপোনাৰ আশীৰ্বাদ পাওঁ।"

আপোনাৰ বিশ্বাসী
কে. পি. কেশৱ মেনন

উচ্চজাতৰ হিন্দুসকলৰ সভাত মই অস্পৃশ্যসকলৰ প্ৰতি ন্যায় কৰিবলৈ অনুৰোধ কৰিছিলোঁ আৰু কৈছিলোঁ—মন্দিৰলৈ যোৱা বাটটোৱেদি অস্পৃশ্যসকল যাতে যাব পাৰে সেই অনুমতিৰ কাৰণে তেওঁলোকেও যেন চৰকাৰক অনুৰোধ কৰে। শিৱিৰলৈ ঘূৰি আহি মোৰ বন্ধুসকলৰ লগত পৰামৰ্শ কৰি মই তাৰ পিছদিনা সত্যাগ্ৰহ কৰিবলৈ স্থিৰ কৰিলোঁ।

সেইদিনা মই আৰু টি. কে. মাধৱন দুয়োজনে সত্যগ্ৰহ কৰিম বুলি কোৱাত সেই খবৰটো শুনি মন্দিৰলৈ যোৱা বাটটোত মানুহৰ ভিৰ হ'ল। শিৱিৰৰপৰা বাহিৰ হৈ আমি মন্দিৰৰ বাটটোলৈ গ'লোঁ আৰু মন্দিৰত সোমোৱাৰ আগতে আমাক পুলিচে গ্ৰেপ্তাৰ কৰিলে। আবেলি আদালতত মোকৰ্দমা আৰম্ভ হ'ল।

শ্ৰী আন্তি পিল্লে আদালতৰ ন্যায়াধীশ আছিল। মই তেওঁৰ আগত আদালতত তলত দিয়া মোৰ বক্তব্যখিনি ক'লোঁ ঃ

"জিলাধিপতিৰ আদেশমতে মন্দিৰৰ ৰাস্তাটোৱেদি যাবলৈ নিষেধ কৰাৰ বিপৰীতে মই অস্পৃশ্য বুলি কোৱা 'তোয়া', 'পুলয়' আদি জাতিৰ মানুহক যাবলৈ প্ৰেৰণা দিছিলোঁ—সেই কথাটো সত্য। প্ৰৱেশ নিষেধৰ আজ্ঞা যেতিয়ালৈকে বলবৎ থাকিব তেতিয়ালৈকে তাক উলঙ্ঘন কৰাৰ প্ৰেৰণা ময়েই তেওঁলোকক দিছোঁ আৰু দি থাকিম।

যিহেতু উচ্চজাতৰ হিন্দু, মুছলমান আৰু খৃষ্টিয়ান লোক সেই বাটটোৰেদি যাব পাৰে, উপৰোক্ত নিম্নজাতৰ মানুহো যাবপৰা উচিত। তেওঁলোকক সেই সুবিধা আৰু অধিকাৰৰপৰা বঞ্চিত কৰা অন্যায়। সেই কাৰণেই মোৰ আৰু মোৰ সহকৰ্মীসকলৰ এই প্ৰচেষ্টা। কিছুমান মানুহৰ ভুল ধাৰণা যে আমি তথাকথিত এই অস্পৃশ্যসকলক মন্দিৰৰ ভিতৰলৈ নিব খুজিছোঁ। আমি মন্দিৰৰ ভিতৰলৈ তেওঁলোকক নিব খোজা নাই, আমাৰ লক্ষ্য হ'ল—মন্দিৰৰ ৰাস্তাটোত তেওঁলোকক থিয় কৰোৱা যাতে অন্যান্য মানুহৰ দৰে তেওঁলোকেও সেই ৰাস্তাইদি অহা যোৱা কৰিব পাৰে। বহুত দিনৰ আগৰেপৰা আমি এই অধিকাৰৰ কাৰণে চৰকাৰক অনুৰোধ আৰু আবেদন কৰি আহিছোঁ, কিন্তু চৰকাৰে আমাৰ অনুৰোধ মঞ্জুৰ কৰা নাই। গতিকে সত্যাগ্ৰহৰ বাহিৰে আমাৰ আন কোনো পথ নাই। সেই কাৰণে আমি পাৰলগীয়া কাৰাদণ্ডই কেৰলাৰ দুৰাচাৰ দূৰ কৰাত সহায়ক হ'ব—তাতকৈ আমাৰ আনন্দৰ বিষয় আৰু কি হ'ব পাৰে ?"

বিচাৰত আমাক প্ৰত্যেককে পাঁচ শ টকা জৰিমনা কৰিলে। জৰিমনা দিবলৈ মান্তি নোহোৱাত আমাক ছমাহৰ সাধাৰণ কাৰাদণ্ড বিহা হ'ল।

এই সন্দৰ্ভত আমি উচ্চ আদালতত আবেদন জনাবলৈ ৰাজি নোহোৱাৰ কথা মেজিষ্ট্ৰেটক জনালোঁ। আবেদন জনোৱাসকলক ৰায় নোপোৱা পৰ্যন্ত কোট্টয়ম জেলত ৰখা হ'ব। আমি তাৰ বাবে মান্তি নোহোৱাত সেইদিনাই আমাক তিৰুৱনন্তপুৰম জেললৈ নিয়াৰ সিদ্ধান্ত লোৱা হ'ল। তিনি বজাত মই আৰু মাধৱন এজন দাৰোগাৰ লগত এখন কাৰত উঠি তিৰুৱনন্তপুৰমলৈ ৰাওণা হ'লোঁ। বাটত কোট্টয়মত অলপ পৰ ৰৈ আমি ৰাতি দহটা বজাত তিৰুৱনন্তপুৰম পালোঁগৈ।

পূজপুৰাত জিৰণি

তিৰুৱনন্তপুৰমৰপৰা তিনি মাইল দূৰত পূজপুৰা নামৰ ঠাইৰ এটা ওখ টিলাৰ ওপৰত চেন্ট্ৰেল জেল। সেই টিলাটোৰ ওপৰত থিয় হ'লে চাৰিওপিনৰ সুন্দৰ দৃশ্য চকুত পৰে। সৰু সৰু টিলাৰ শাৰী, নাৰিকলৰ বাগিচা, দূৰত থকা ধুনীয়া ধুনীয়া ঘৰবোৰ আৰু তলত কাষেদিয়েই বৈ যোৱা সৰু নৈকেইখনমানে তাৰ নীৰৱ, শান্ত পৰিৱেশটোক আৰু মধুৰ কৰি তুলিছিল।

তিৰুৱনন্তপুৰমত উপস্থিত হৈয়েই আমি জেল অধীক্ষক মিঃ পোত্তনৰ বঙলালৈ গ'লোঁ। তাত চাহ খাই জেললৈ গ'লোঁ আৰু তেৰোঁ আমাৰ লগতে গ'ল। আমাক জেলৰ প্ৰধান দুৱাৰখনৰ সোঁফালে থকা ঘৰ এটাত থৈ তেওঁ গুচি আহিল। সেই ঘৰটোতেই আমি থাকিব লাগিব। ৰাতি জেল অধিকাৰী নীলকণ্ঠ পিল্লেৰ ঘৰৰপৰা আমাৰ কাৰণে আহাৰ পঠালে। ভাত, দাইল, ভাজি, দুখন আঞ্জা আৰু পায়সকে লৈ সুস্বাদু বস্তুবোৰ খাই বৰ তৃপ্তি পালোঁ। তাত কটাব লগা ছমহীয়া জেল-জীৱনৰ সেইটো ভাল সূচনা আছিল।

চাৰিওপিনে বাৰান্দা থকা এটা ডাঙৰ কোঠাত আমাক থাকিবলৈ দিছিল। কোঠাটোত দুখন পালেং আৰু অন্যান্য দামী আচবাব আছিল। দুজনৰ কাৰণে পঢ়া আৰু লিখাৰ কোঠা বেলেগ আছিল। কোঠাটোৰ সন্মুখতে ফুৰা-চকা কৰিবলৈ দূৰৰি বনে ঢাকি থোৱা এডোখৰ ঠাই আছিল। আমি ভালপোৱা খাদ্য সময়মতে পাইছিলোঁ আৰু জেল অধীক্ষক পোত্তন, জেল অধিকাৰী নীলকণ্ঠ পিল্লে আৰু ৰামকৃষ্ণ আয়াৰে সদায় আমাৰ আৱশ্যকতাবোৰৰ ওপৰত চকু দিছিল।

আমি বাতৰি-কাকত, আলোচনী আৰু কিতাপ নিয়মমতে পঢ়িবলৈ পাইছিলোঁ, চিঠি-পত্ৰ লিখা আৰু চিঠি-পত্ৰ পোৱাত কোনো অসুবিধা নহৈছিল আৰু আমাক দেখা কৰিবলৈ অহা মানুহ নিৰ্ধাৰিত সময়ত আমাৰ ওচৰলৈ আহিছিল। মাত্ৰ এটা প্ৰতিবন্ধক আছিল যে আমি জেলৰ বাহিৰলৈ যাব নোৱাৰিছিলোঁ। আমাক সকলো সুখ-সুবিধা দিছিল কিন্তু চাৰিওপিনৰ ওখ দেৱালকেইখনে আমাৰ স্বাধীনতাহীন জীৱনৰ কথা সোঁৱৰাই দিছিল।

মাধৱন আৰু মই জেললৈ অহাৰ দুদিনৰ পিছত কাৰাদণ্ড দিয়া কুঞ্জাপু, বাহুলেথ আৰু গোৱিন্দ পানিকৰক তালৈ অনা হৈছিল। ভৈকমৰপৰা তিৰুৱনন্তপুৰমলৈকে তেওঁলোকক খোজকঢ়াই আনিছিল। তিনিওজনকে সাধাৰণ কয়েদীৰ কাৰাদণ্ড দিছিল। তেওঁলোক অহাৰ দুদিনৰ পিছতে এ. কে. পিল্লে, কে. কেলপ্পন, ৰেলায়ুধ মেনন আৰু টি. আৰ. কৃষ্ণস্বামী আয়াৰক সেই জেললৈ আনিছিল। তেওঁলোকক আমাৰ ওচৰতে

চিভিল ৱাৰ্ডত ৰখা হৈছিল। তাৰ এসপ্তাহৰ পিছত জৰ্জ জোচেফ আহিল। তেওঁক আমাৰ লগত থাকিবলৈ দিলে।

এজন বিখ্যাত ৰাজনৈতিক নেতা আছিল জৰ্জ জোচেফ। সাংবাদিকতা আৰু দেশৰ সেৱাত খ্যাতি লাভ কৰা জৰ্জ জোচেফে অসহযোগ আন্দোলনৰ আৰম্ভণিতে সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। তেওঁ কেইবাবাৰো জেললৈ গৈছিল আৰু যেতিয়া মহাত্মা গান্ধী জেলত আছিল সেই সময়ত তেওঁ 'ইয়ং ইণ্ডিয়া'ৰ সম্পাদক আছিল।

সত্যাগ্ৰহী বন্দীসকলক জেলত তিনিটা শ্ৰেণীত ৰখা হৈছিল। আমাক সকলোকে একেটা অপৰাধত কাৰাদণ্ড দিছিল আৰু আমাৰ লক্ষ্য একেটা আছিল। তেনেস্থলত কিছুমানক বিশেষ সুবিধা দিয়া আৰু কিছুমানক সাধাৰণ বন্দীৰ দৰে ৰখাটো অন্যায় যেন লাগিছিল। সেই কথাটো উল্লেখ কৰি আক্ষেপ কৰি মই জেল অধীক্ষক পোত্তনলৈ এখন চিঠি লিখিছিলোঁ। সেই চিঠিখন পাই পোত্তনে ভয় খালে। তেওঁ সেই বিষয়ে উচ্চতৰ কৰ্তৃপক্ষলৈ লিখিলে। তাৰ ফলত অন্য সত্যাগ্ৰহীসকলকো আমি পোৱা সুখ-সুবিধাবোৰ দিবলৈ ধৰিলে।

ৰাতিপুৱা গা-পা ধুই চাহ-জলপান খাই মই দুঘন্টা লিখাৰ কামত ব্যস্ত আছিলোঁ। এইচ. জি. ৱেল্‌চৰ 'বিশ্ব ইতিহাস'ৰ নিচিনাকৈ মালয়ালমত এখন 'বিশ্ব ইতিহাস' লিখিবলৈ মনস্থ কৰি মই কিতাপখন আৰম্ভ কৰিছিলোঁ আৰু কিছু অংশ লিখিছিলোঁ। কিতাপখন শেষ নহ'ল। লাগতিয়াল কিতাপবোৰ তিৰুৱনন্তপুৰমৰ পুথিভঁৰালত পোৱা গৈছিল। মোৰ "বন্ধনৰপৰা" নামৰ কিতাপখন মই জেলতেই লিখিছিলোঁ। দুপৰীয়া খোৱাৰ পিছতে অলপ জিৰণিলৈ মই কিতাপ পঢ়িছিলোঁ। আমি সদায় গধূলি প্ৰাৰ্থনা কৰিছিলোঁ আৰু কৃষ্ণস্বামী আয়াৰে 'অষ্টপদী' আৰু অন্য গীত গাই আমাক শুনাইছিল। ৰাতি খোৱাৰ পিছত অলপ টহ'ল দিছিলোঁ আৰু ন বজাত শুইছিলোঁ। এইটোৱেই মোৰ জেলৰ কাৰ্য-তালিকা আছিল।

যদিও জেলত মোৰ কোনো অসুবিধা হোৱা নাছিল ঘৰৰ কথা চিন্তা কৰি মনত বৰ দুঃখ পাইছিলোঁ। টকাৰ অভাৱত যে ঘৰখন ভালদৰে চলা নাই মই বুজিব পাৰিছিলোঁ। লগতে মোৰ আদৰ্শ আৰু কাৰ্যকলাপবোৰ ভাল নোপোৱা মানুহবোৰে মোৰ পৰিয়ালক ঠাট্টা আৰু পৰিহাস কৰিছে বুলিও মই ভয় কৰিছিলোঁ। মোৰ পত্নীৰ চিঠিত তেনেকুৱা একো হোৱা নাই বুলি আশ্বাস পাইছিলোঁ যদিও তেওঁ মোৰ আগত সেই কথাটো লুকুৱাইছিল বুলি মোৰ সন্দেহ হৈছিল। মোক গ্ৰেপ্তাৰ কৰাৰ কিছুদিনৰ পিছত (16.4.1924) মোৰ পত্নী লক্ষ্মীয়ে মোলৈ এনেকৈ লিখিছিল।

"আপোনাক গ্ৰেপ্তাৰ কৰাৰ কাৰণে মই কোনো অপমান বোধ কৰা নাই, গৌৰৱান্বিতহে হৈছোঁ। মই আগৰ চিঠিখনত লিখিছিলোঁ মই যে এদিন তিৰুৱনন্তপুৰম জেললৈ চিঠি লিখিব লগা হ'ব সেই কথাটো মোৰ স্বপ্নৰ আগোচৰ আছিল। আপোনাক গ্ৰেপ্তাৰ কৰিবলৈ ইংৰাজ চৰকাৰে তিনি বছৰ আগৰেপৰা চেষ্টা কৰিছিল কিন্তু নোৱাৰিলে। এতিয়া ত্ৰিবাঙ্কুৰ চৰকাৰে ইমান সোনকালে গ্ৰেপ্তাৰ কৰা শুনি আচৰিত হ'লোঁ। এই চিন্তা কৰিয়েই মই প্ৰথম চিঠিখন তেনেকৈ লিখিছিলোঁ।"

"আঙঠিটো চিন্ননে ঘূৰাই দিলে। (মোক গ্ৰেপ্তাৰ কৰাৰ আগতে মোৰ আঙঠিটো মোৰ ভাই চিন্ননৰ হাতত লক্ষ্মীলৈ পঠাইছিলোঁ) দিওঁতে পলম কৰিলে। আঙঠিটো দেখি মোৰ মনত যি দুঃখ হৈছিল তাক ভাষাৰে প্ৰকাশ কৰিব নোৱাৰোঁ। আঙঠিটো চন্দুকত থ'বলৈ সত নগ'ল, নিজৰ আঙুলিতে পিন্ধিছোঁ। সদায় দেখা পাওঁ, সান্ত্বনা পাওঁ।"

"খাওঁতে, শোওঁতে, কাম কৰোঁতে মনত অসহনীয় বেদনা অনুভৱ কৰোঁ। তাত আপোনাৰ কোনো কষ্ট হোৱা নাই বুলি জানি সন্তোষ পাইছোঁ। তালৈ গৈ আপোনাক লগ পাবলৈ বৰ ইচ্ছা হয় কিন্তু অকলে গ'লে ল'ৰা-ছোৱালীকেইটা ইয়াত কেনেকৈ থাকিব ? সিহঁতক লগত লৈ গ'লেও অনেক পইচা খৰচ হ'ব, ইমান পইচা ক'ত পাম ? তদুপৰি, মই অকলে গ'লে আপোনাক তাত অকলে এৰি থৈ আহিবৰ ধৈৰ্যই বা থাকিব ক'ত ?"

এই চিঠিখনৰ দ্বিতীয় অংশটো তলত দিছোঁ। চৰ্দাৰ কে. এম. পানিকৰে ভৈকম সত্যাগ্ৰহৰ সম্বন্ধত মোৰ পত্নীলৈ এখন চিঠি লিখিছিল। তাকেই তেওঁ উল্লেখ কৰিছিল

"কে. এম. পানিকৰৰ চিঠিখন আজি পালোঁ। লিখিছে আপোনাৰ গ্ৰেপ্তাৰৰ কাৰণে মই দুঃখ কৰা উচিত নহয়। অমৃতসৰত আটক হৈ থকাৰ কাৰণে তেওঁ সত্যাগ্ৰহত ভাগ ল'ব নোৱাৰিলে। যদি আমাৰ কাৰণে তেওঁৰ কিবা কৰিব লগা থাকে মই যেন তেওঁলৈ লিখিবলৈ সংকোচ নকৰোঁ।"

মোৰ ডাঙৰ জী চেল্লম্মাই কেতিয়াবা কেতিয়াবা মোলৈ লিখিছিল। তাইৰ চিঠিৰপৰা ভৈকম সত্যাগ্ৰহৰ সম্বন্ধে কিছুমান মানুহৰ মনোভাববোৰ জানিব পাৰি।

15 মে' 1924 ত তাই চিঠিত এইদৰে লিখিছিল ঃ

"দেউতা, দুদিনৰ আগতে.....ইয়ালৈ আহিছিল। মই তেওঁৰ লগত অনেক পৰ তৰ্ক কৰিলোঁ। তেওঁ সেই সত্যাগ্ৰহ কৰাৰ কাৰণে তোমাৰ ওপৰত দোষাৰোপ কৰিছিল আৰু কৈছিল তুমি ভুল কাম কৰিছা। মই কোনোমতেই মানি নল'লোঁ তেওঁৰ কথা আৰু কলোঁ অন্যায়ৰ বিৰুদ্ধে থিয় হৈ দেউতা জেললৈ যোৱাৰ কাৰণে আমি গৌৰৱ বোধ কৰিছোঁ।" তেতিয়া চেল্লম্মাৰ বয়স 15 বছৰ আছিল।

দুমাহৰ পিছত মোৰ পত্নী, ল'ৰা আৰু সৰু জী লীলা পালঘাটৰপৰা তিৰুৱনন্তপুৰম জেললৈ মোক চাবলৈ আহিল। মই অনেকদিনৰপৰা মোৰ পত্নী আৰু ল'ৰা-ছোৱালীকেইটাৰ কাৰণে অপেক্ষা কৰি আছিলোঁ। জেল অধীক্ষকৰ কাৰ্যালয়ত তেওঁলোকে মোৰ লগত কথা-বতৰা পাতিলে। অহাৰ লগে লগে মই লীলাক নিজৰ ঘৰৰ নিচিনাকৈ আনন্দত অভিভূত হৈ দুই হাতেৰে তুলি ল'লোঁ আৰু মই যে ঘৰত নহয় জেলত সেই কথা একেবাৰে পাহৰি গ'লোঁ। অধীক্ষকে হাঁহি ক'লে, "আপুনি এতিয়া ঘৰত থকা নাই।" তেওঁৰ কথাৰ ইংগিত বুজি পাই মই লজ্জিত হ'লোঁ। তেওঁলোক মোৰ ওচৰত দুঘন্টা আছিল। তেওঁলোক যোৱাৰ পিছত নিজকে কৈছিলোঁ এওঁলোক এনেভাৱে অহা উচিত নাছিল।

এদিন দুপৰীয়া খোৱাৰ পিছত জেলৰ ভিতৰত কোনোবাই বৰ দুখলগাকৈ কন্দা

শুনিলোঁ আৰু লগে লগে বেতেৰে কোবোৱাৰ শব্দ। বুজিলোঁ নিশ্চয় কিবা এটা ভুলৰ কাৰণে কয়েদী এটাক গৰু-ম'হক এছাৰিৰে মৰাৰ দৰে মাৰিছে। তাৰ কান্দোন শুনি বৰ দুঃখ পালোঁ ; কথাটো মনত পৰিলে সেই কান্দোন এতিয়াও মোৰ কাণত বাজি উঠা যেন অনুভৱ কৰোঁ। আমাৰ দেশৰ জেলবোৰ দণ্ড দিয়াৰ ঠাই। ইয়াত অপৰাধীক শাস্তি দিয়াৰ বাহিৰে সংশোধন কৰি ভাল মানুহ কৰি তোলাৰ কোনো ব্যৱস্থা নাই আৰু চৰকাৰৰ ইচ্ছাও নাই। সেই কাৰণে এবাৰ জেলৰপৰা ওলাই গৈ আকৌ অপৰাধ কৰি জেললৈ অহাৰ মানুহৰ সংখ্যা কম নহয়। পাশ্চাত্য দেশবোৰে এই দিশত অনেক দূৰ আগবাঢ়ি গৈছে। তাত কয়েদীক শুধৰাবৰ কাৰণে অনেক চেষ্টা কৰে। বেয়া কাম কৰাৰ প্ৰবৃত্তি হ'ল এটা মানসিক ৰোগ। সেই ৰোগীক আন ৰোগীৰ নিচিনাকৈয়ে চিকিৎসা কৰিব লাগে। এই সত্যতা গ্ৰহণ কৰি আমাৰ জেলবোৰে পাশ্চাত্য দেশৰ দেশবোৰৰ নীতি অনুসৰণ কৰিব লাগে।

ইয়াৰ ভিতৰত ভৈকম সত্যাগ্ৰহে অখিল ভাৰতীয় প্ৰশংসা লাভ কৰে। তামিলনাড়ুৰ ই. ভি. ৰামাস্বামী নায়ক ভৈকমলৈ আহে আৰু তাত সত্যাগ্ৰহ কৰি তিৰুৱনন্তপুৰম জেললৈ আহে। এচ শ্ৰীনিবাস অয়্যংকৰ আৰু স্বামী শ্ৰদ্ধানন্দ আদি নেতাসকলে মোক দেখা কৰিবলৈ আহে। পঞ্জাবৰপৰা আকালিৰ এটা দল ভৈকমলৈ আহে। সত্যাগ্ৰহী দৰ্শক আৰু আন মানুহৰ সুবিধাৰ কাৰণে তেওঁলোকে তাত এটা ভোজনালয় খোলে। ভাৰতৰ অন্যান্য ঠাইৰপৰা প্ৰত্যেক দিনে অসংখ্য মানুহ ভৈকমলৈ আহিছিল। লাহে লাহে পুলিচে সত্যাগ্ৰহীসকলক গ্ৰেপ্তাৰ কৰিবলৈ এৰি দিছিল। এটা সত্যাগ্ৰহী দলক গ্ৰেপ্তাৰ কৰাৰ পিছতে আনটো দল থিয় হৈছিল। দুদিন একেৰাহে অনশন ব্ৰত ধৰি চাত্তুকুট্টি নায়াৰ অজ্ঞান হৈ পাৰিছিল। তেওঁক হস্পিতাললৈ লৈ যোৱা হৈছিল। সেই দৃশ্যটোৱে সকলোৰে দৃষ্টি আকৰ্ষণ কৰিছিল। সেই ঘটনাটোৱে ভৈকম সত্যাগ্ৰহক নতুন প্ৰাণ দিলে। চাত্তুকুট্টি নায়াৰে অসহযোগ আন্দোলন আৰম্ভ হোৱাৰ সময়ৰপৰা শেহলৈকে কংগ্ৰেছৰ এজন সদস্যৰূপে কাম কৰিছিল। অতি কঠিন পৰিস্থিতিতো তেওঁৰ উৎসাহ কম নহৈছিল আৰু লক্ষ্যস্থানত উপনীত হ'বলৈ তেওঁ সদায় দৃঢ় আৰু অটল আছিল। কিন্তু তেতিয়ালৈকে সত্যাগ্ৰহী আৰু অধিকাৰীসকলৰ নীতিৰ কোনো সাল-সলনি নহ'ল আৰু সেই কাৰণে সত্যগ্ৰহ চলি থাকিল।

সেই সময়তে এটা আকস্মিক ঘটনা ঘটিল। ত্ৰিবাঙ্কুৰৰ মহাৰজা শ্ৰীমূলংতিৰুণাৰ মৃত্যু হোৱাত পুতেক নাবালক থকাৰ কাৰণে ৰাজ্যৰ শাসন ভাৰ মহাৰাণী সেতু-লক্ষ্মীবাইৰ হাতলৈ আহিল। মহাৰজাৰ মৃত্যুৰ কাৰণে মহাৰাণীয়ে সত্যাগ্ৰহী বন্দীসকলক জেলৰপৰা মুকলি কৰি দিয়াৰ আদেশ দিয়ে।

এদিন ৰাতিপুৱা শুনিলোঁ আমি জেলৰপৰা মুকলি হ'ম। পাঁচ মাহ তাত সুখেৰে থাকি ঠাইডোখৰ এৰি আহোঁতে মনত অলপ দুঃখ হৈছিল। জেল অধীক্ষক পোত্তন আৰু জেলৰ অন্যান্য বিষয়াসকলৰ সৎব্যৱহাৰৰ কাৰণে পাঁচটা মাহ আমি সুখেৰে কটাইছিলোঁ। সেই কাৰণে আহিবৰ সময়ত আমি তেওঁলোকৰ ওচৰত কৃতজ্ঞতা প্ৰকাশ

কৰিলোঁ। ৰাতিপুৱা চাহ-জলপান খাই আমি জেলৰপৰা ওলাই আহিলোঁ। সত্যাগ্ৰহৰ সময়ত শ্ৰী কে. জি. কুঞ্চিকৃষ্ণণে আমাক সহায় কৰিছিল। সেইদিনা দুপৰীয়া তেওঁৰ লগতে খালোঁ আৰু সেইদিনাই ভৈকমলৈ ৰাওনা হ'লোঁ। আমাক অভ্যৰ্থনা কৰিবলৈ ভৈকমত এখন সভাৰ আয়োজন কৰিছিল। সভাত ভাগ লৈ পিছদিনা মই মোৰ আত্মীয়-স্বজনক লগ পাবলৈ পালঘাটলৈ গলোঁ। যদিও আমি জেলৰপৰা মুক্ত হৈছিলোঁ ভৈকমত সত্যাগ্ৰহ-সংগ্ৰাম সমাপ্ত হোৱা নাছিল। সংগ্ৰামৰ ৰীতি-নীতি মাজে মাজে বদলি হৈ আছিল। সেই অৱসৰতে মহাত্মা গান্ধী ভৈকমলৈ আহিছিল। তালৈ আহি তেওঁ তাত বিভিন্ন ধৰণৰ মানুহৰ লগত কথা-বতৰা পাতিছিল। সেই সময়ত অধিকাৰীসকলে বৰ ভাল ব্যৱহাৰ কৰিলে আৰু মন্দিৰলৈ যোৱা যিকেইটা বাটেদি মুছলমান আৰু খৃষ্টিয়ান মানুহ যায় সেইকেইটা বাটেদি সকলো মানুহ যাবলৈ অনুমতি দিলে। কিন্তু মন্দিৰৰ ওচৰে-পাজৰে যিকেইটা বাটেদি মাত্ৰ উচ্চ জাতৰ হিন্দু যায় সেইকেইটা বাটেদি নিম্ন শ্ৰেণীৰ মানুহ যোৱাৰ অনুমতি নিবিচাৰিবলৈ ক'লে। অৱশ্যে, সেই বন্দোৱস্ত অনুসাৰে অস্পৃশ্যসকল নাযাবলৈ নিষেধ আজ্ঞা লিখা তক্তাখন গুচাই পেলালে। সত্যাগ্ৰহ বন্ধ কৰা হ'ল আৰু ভৈকম-সত্যাগ্ৰহ যি কাৰণত কৰা হৈছিল তাৰ এটা দিশ সফল হ'ল। তথাপি, তাৰদ্বাৰা অস্পৃশ্যতা বৰ্জনৰ একোৱেই নহ'ল। গান্ধীজীৰ উপদেশ মতে তাৰ কাৰণে সকলো প্ৰচেষ্টা চলি থাকিল।

ভৈকমৰপৰা তিৰুৱনন্তপুৰমলৈকে নিম্নজাতৰ হিন্দুৰ এটা ডাঙৰ শোভাযাত্ৰাৰ আয়োজন কৰা হ'ল। মনন্ত পদ্মনাভ পিল্লে, এম. এম. নায়াৰ, চন্দনাচেৰী পৰমেশ্চৰণ পিল্লে আদি নেতাসকলে অনেক উৎসাহ আৰু যত্নেৰে আয়োজন কৰা শোভাযাত্ৰাক বাটত সকলো মানুহে অভ্যৰ্থনা কৰিলে। ঠায়ে ঠায়ে সভাৰো আয়োজন হ'ল। বাটত শোভাযাত্ৰাত মানুহে যোগদান কৰাৰ কাৰণে মানুহৰ সংখ্যা বাঢ়ি গ'ল। শোভাযাত্ৰাকাৰীসকলে গীত গাই, জয়ধ্বনি কৰি আগবাঢ়ি গ'ল। তেনে ধৰণৰেই আন এটা শোভাযাত্ৰা নাগৰকোহলৰপৰা আৰম্ভ হৈ ডাঃ নায়ডুৰ নেতৃত্বত বাহিৰ হৈছিল। তিৰুৱন্তনপুৰমৰ সমুদ্ৰৰ পাৰত এখন বিৰাট সভা বহিল য'ত অস্পৃশ্যতাক একেবাৰে নিৰ্মল কৰাৰ ভাষণ অনেক নেতাই দিলে। চন্দনাচেৰী পৰমেশ্বৰ পিল্লেৰ নেতৃত্বত নিম্ন জাতিৰ হিন্দুৰ এটা প্ৰতিনিধি সঙঘই মহাৰাণীক সাক্ষাৎ কৰিলে আৰু 25000 নিম্নজাতিৰ হিন্দুৱে চহী কৰা এখন আৱেদনপত্ৰ তেওঁক দিলে। এই ঘটনাটোৱে অস্পৃশ্য উদ্ধাৰ আৰু অস্পৃশ্যতা বৰ্জনলৈ নতুন প্ৰেৰণা আৰু উদ্যম আনিলে।

ভৈকম সত্যাগ্ৰহ 20 এপ্ৰিল পৰ্যন্ত কেইবাটাও স্তৰত চলি থাকিল। ভৈকম সত্যাগ্ৰহে কেৰল কেৰালাতেই নহয় গোটেই ভাৰততে অস্পৃশ্যতা বৰ্জনৰ কাৰণে নিম্নশ্ৰেণীৰ লোকসকলৰ মাজত এটা নতুন প্ৰেৰণা জগাই তুলিলে। ই এটা নতুন সামাজিক পৰিৱেশ সৃষ্টি কৰাৰ আভাস গোটেইখন দেশতে দিলে আৰু তাৰ বাবে কেৰালা কংগ্ৰেছে দেশখনত এডোখৰ গৌৰৱময় স্থান অধিকাৰ কৰিলে।

আকস্মিক দুৰ্ঘটনা

"ৰাজহুৱা জীৱন কটোৱা মানুহক কেতিয়াবা ফুলৰ মালা পিন্ধায় কিন্তু তেওঁৰ দুখৰ দিশটো আন মানুহে নেদেখে।" এই কথাষাৰ এবাৰ গোপালকৃষ্ণ গোখলেই কৈছিল। মই যেতিয়াই নিৰাশ হওঁ তেতিয়াই তেওঁৰ কথা স্মৰণ কৰোঁ। ৰাজহুৱা কামত লিপ্ত থকা জীৱন যে সুখৰ নহয় মই জানো কিন্তু এটা ক'ব নোৱাৰা শক্তিয়ে মোক সেইপিনে আকৃষ্ট কৰি থৈছিল।

জেলৰপৰা ওলাই ঘৰলৈ ঘূৰি অহাৰ পিছত মোৰ পত্নীয়ে দুঃখ কৰি কৈছিল "পঢ়া-শুনা কৰোঁতে আপুনি কিমান টকা খৰচ কৰিলে, কিমান ভাল ভাল চাকৰি আপোনাক যাচিছিল। এতিয়া এজন কয়েদী হিচাপে মানুহে আপোনাক গণ্য কৰে।" বুজিছিলোঁ মোৰ অনুপস্থিতিত ওচৰ-চুবুৰীয়া মানুহবোৰে নিশ্চয় তেওঁক মোৰ কাৰ্য-কলাপৰ বিষয়ে বেয়াকৈ কৈ তেওঁৰ মনত দুখ দিছিল। মই নীৰৱে পত্নীৰ কথা শুনি গৈছিলোঁ। কিন্তু বাস্তৱ সত্যক অস্বীকাৰ কৰিব নোৱাৰিছিলোঁ। আৰ্থিক অনাটনৰ কাৰণে ঘৰখন চলাব পৰা নাছিলোঁ। তাৰ বাবে আনৰ ওপৰত নিৰ্ভৰ কৰিবলগা হৈছিল। ৰাইজৰ কাম কৰা মানুহ বিলাকৰ ত্যাগৰ কথা কৈ মানুহে তেওঁলোকক প্ৰশংসা কৰে কিন্তু পৰিয়ালৰ দুঃখ কষ্ট আৰু ত্যাগক কোনে দেখে ? তেওঁলোকৰ ত্যাগও জানো মহান নহয় ?

1921 চনৰ আগভাগত যেতিয়া অসহযোগ আন্দোলনত ভাগ ল'বলৈ মই ওকালতি এৰি কোষিক্কোট্টলৈ আহোঁ তেতিয়া মোৰ হাতত মাত্ৰ কেইদিনমানৰ খৰচৰ টকা আছিল। টকা নহ'লে ঘৰ চলিব কেনেকৈ? হাতত যি পইচা আছিল সেই কম পইচাৰে পত্নীয়ে টানিটুনি ঘৰখন চলাইছিল। পাঁচটা ল'ৰা-ছোৱালীৰে ঘৰখনত সাত জন মানুহ। নিয়মিতভাৱে হাতলৈ পইচা নাহিলে সেই সাতজন মানুহৰ ঘৰখন চলে কেনেকৈ ? এইবোৰ মানসিক চিন্তাই মোক কেতিয়াবা বৰকৈ-জুৰুলা আৰু নিৰাশ কৰিছিল। "নিশ্চয় কিবা এটা ব্যৱস্থা হ'ব—" এই বুলি নিজকে কৈ সান্ত্বনা দিছিলোঁ।

ওকালতি এৰি দেশসেৱাৰ কামত লগা উকীলসকলৰ সহায়তাৰ কাৰণে কংগ্ৰেছ কোষাধ্যক্ষ জমনালাল বাজাজে এক লাখ টকা আচুতীয়াকৈ ৰাখিছিল। তাৰ পৰা মই মাহে এশ টকাকৈ পাইছিলোঁ। গান্ধীজীয়ে প্ৰত্যেক মাহে এশ টকাকৈ পঠাইছিল। প্ৰায় এবছৰ মান এনেভাৱেই চলিছিল। 1922 চনত গান্ধীজী জেললৈ যোৱাৰ পিছত তেওঁৰ পৰা নিয়মিতভাৱে টকা নহা হ'ল। বাজাজ কোষৰ টকাও শেষ হ'ল। হাতত পইচা নাথাকিলে চাউল দাইল কিনো কেনেকৈ ? এনেকুৱা দুখ আৰু অভাৱৰ দিনৰ কথা মোৰ মনত পৰে।

সেই সময়তে এৰ্ণাকুলমত কেৰালা আঞ্চলিক কংগ্ৰেছ সমিতিৰ এখন বৈঠক বহিছিল। তাত কিছুমান জৰুৰী কথা আলোচনা কৰিব লগীয়া আছিল আৰু সেই কাৰণে মোৰ যোৱাটো একান্ত আৱশ্যকীয় আছিল। কিন্তু যাবলৈ হাতত পইচা নাই। হাতত মাত্ৰ দুটকা আছিল। তাকেই লৈ গ'লে ঘৰত বাকীবোৰে খাব কি ? এই দোধোৰমোৰত পৰি শেহত এটা উপায় বাহিৰ কৰিলোঁ। এৰ্ণাকুলমলৈ ৰেলৰ টিকট নকৰি ত্ৰিচুৰলৈ টিকট কৰিলোঁ। টিকটত এটকা আৰু কেইপইচামান লাগিল আৰু বাকী খিনি মই ঘৰলৈ পঠাই দিলোঁ। কুৰুপ নীলকণ্ঠন সমিতিৰ সদস্য আছিল। তেওঁ সেইখন গাড়ীতে এৰ্ণাকুলমলৈ গৈছিল। ত্ৰিচুৰ পোৱাৰ পিছত তেওঁক কোৱাত তেওঁ মোৰ কাৰণে এৰ্ণাকুলমলৈকে টিকটটো কৰি দিলে। এপিয়লা কফিৰ দামও তেওঁ দিলে। এই কথাটো এতিয়াও মোৰ মনত আছে।

দিল্লী আৰু কলিকতাত অখিল ভাৰতীয় কংগ্ৰেছ সন্মিলন অনুষ্ঠিত হৈছিল। সেইবোৰলৈ যাবলৈ অনেক পইচাৰ আৱশ্যক হৈছিল। নিজৰ পইচা খৰচ কৰি যাব পৰা মানুহ অনেক কম আছিল। প্ৰত্যেকবাৰ অখিল ভাৰতীয় কংগ্ৰেছ সমিতিত ভাগ ল'বলৈ যাওঁতে মোক কোনো উদাৰ পুৰুষে সহায় কৰিছিল। গতিকে মই প্ৰায় সকলো অখিল ভাৰতীয় কংগ্ৰেছ অধিৱেশনত ভাগ লৈছিলোঁ।

এদিন ঘৰুৱা খৰচৰ কাৰণে হাতত এটাও পইচা নাছিল। মই 'মাতৃ-ভূমি'ৰ কাৰ্যালয়লৈ গলোঁ। তাৰপৰাই কেইটকামান আনিম বুলি মেনেজাৰক সোধাত তেওঁ 22 টকাৰ এখন মনি অৰ্ডাৰ আহিছিল বুলি কৈ টকাখিনি কাগজ কিনিবলৈ দিলে বুলি ক'লে। শুনি বৰ নিৰাশ হলোঁ। এতিয়া ঘৰলৈ কেনেকৈ ঘূৰি যাম ? দুপৰীয়া ভাত খাবৰ সময় হৈছিল কিন্তু ঘৰলৈ ঘূৰি গৈ কিবা যে খাবলৈ পাম মনত সন্দেহ হৈছিল। এনেতে কাৰ্যালয়ৰপৰা ওলাই পদূলি মূৰ পাওঁতেই এজন পিয়নক দেখা পালোঁ। তেওঁৰ হাতত মোৰ নামত অহা এখন এশ টকাৰ মনি অৰ্ডাৰ। দেখি স্বপ্ন যেন লাগিল। মনি অৰ্ডাৰৰ কুপনত লিখা আছিল, "তুমি যে কষ্টত আছা মই অনুমান কৰিব পাৰিছোঁ। হতাশ নহ"বা, আৰু পইচা পিছত পঠাম। আজিলৈ ইমানকে পঠালোঁ।" তলত নাম নাছিল। পিছত মোৰ প্ৰিয় বন্ধুজনৰ নামটো মই কিছুদিনৰ পিছত জানিছিলোঁ।

সেইদিনা টকা কেইটাই মোক বৰ বেয়া সময়ত ৰক্ষা কৰিছিল। ঘৰত খুদ-কণ এটাও নাছিল। ঠিক সেই সময়ত পোৱাকৈ মোৰ বন্ধুজনক টকা পঠাবলৈ কিহে উদগনি দিছিল ভাবি গুণি একো বাহিৰ কৰিব নোৱাৰিছিলোঁ। মই সদায় এটা অদৃশ্যমান মহান শক্তিৰ ওপৰত বিশ্বাস ৰাখিছিলোঁ ; বোধহয় সেই মহান শক্তিয়ে মোক তেনে এটা বেয়া সময়ত সহায় কৰিছিল।

পত্নী আৰু ল'ৰা-ছোৱালীকেইটাক মই পালঘাটৰ পৰা কোষিক্কোট্টলৈ লৈ আহিলোঁ। কিছুদিনৰ পিছত ভৈকমৰপৰা নিম্নজাতি হিন্দুৰ শোভযাত্ৰাকাৰীসকলক বিদায় দিবলৈ মই ভৈকমলৈ যাব লগা হ'ল। তালৈ গৈ এসপ্তাহ ধৰি তাৰ আয়োজনৰ কামত ব্যস্ত হলোঁ। সেই শোভাযাত্ৰীসকলৰ লগতে মই তিৰুৱনন্তপুৰমলৈ যাবলৈ স্থিৰ

কৰিলোঁ। সেই সময়তে তাঁৰ পালোঁ "পত্নীৰ বৰ অসুখ, মই অতি সোনকালে যাব লাগে।" তাঁৰ পায়েই মই ভৈকম এৰি পিছদিনা ঘৰ পালোহি।

পত্নীৰ বৰ টান জ্বৰ। মোৰ মনত ধৰিলে সেই জ্বৰ সাধাৰণ জ্বৰ নহয়। কিছুমান দিনলৈ ডাক্তৰে বেমাৰটোৰ বিষয়ে মোক একো কোৱা নাছিল। এদিন তেওঁ ক'লে, "মোৰ নিজৰ সন্দেহ একেবাৰে দূৰ কৰি আপোনাক ক'ম সেইটো ভাবি এতিয়ালৈকে আপোনাক কোৱা নাই। আপোনাৰ পত্নীৰ যক্ষ্মা ৰোগ। পলম নকৰিব, মাদ্ৰাজলৈ নি তেওঁৰ চিকিৎসা কৰক।"

পলম নকৰি মাদ্ৰাজলৈ নি চিকিৎসা কৰিবলৈ ডাক্তৰে পৰামৰ্শ দিলে কিন্তু সেইটো মোৰ পক্ষে কেনেকৈ সম্ভৱ ? ঘৰ চলাবলৈ পইচা নাই মাদ্ৰাজলৈ নি তেওঁক চিকিৎসা কৰোঁ কেনেকৈ ? কিন্তু চিকিৎসা নকৰাকৈ কোষিক্কোট্টত তেওঁক কেনেকৈ ৰাখো ? শহুৰপৰা কিছু পইচা ললোঁ কিন্তু সেই পইচা যথেষ্ট নাছিল। হাতত পইচা নহ'লে তেওঁক লৈ মাদ্ৰাজলৈ যাওঁ কেনেকৈ ? হে ঈশ্বৰ, এতিয়া মই কি কৰোঁ ? যিয়েই হওঁক শেহত মাদ্ৰাজলৈ যোৱাটো স্থিৰ কৰিলোঁ। ভাবিলোঁ মাদ্ৰাজলৈ যোৱাৰ পিছত যি হ'বলগীয়া আছে হ'ব। যোৱাৰ দিনটো ঠিক হ'ল আৰু তাৰ আগৰ দিনা মোৰ এজন বিশ্বাসী বন্ধুৱে ক'লেহি আমাৰ কাৰণে দ্বিতীয় শ্ৰেণীত ৰেলৰ টিকট কৰা হৈছে। শুনি আশ্বাস পালোঁ। আমাক বিদায় দিবলৈ কেইজনমান বন্ধু ৰেল-ষ্টেচনলৈ আহিছিল। পত্নীক ট্ৰেইনত বহুৱালোঁ। ট্ৰেইনখন এৰাৰ অলপ আগতে মোৰ চিনাকি এজন ধনী ব্যৱসায়ীয়ে মোক এটা খাম দিলে। তাৰ ভিতৰত চাৰিশ টকা আছিল। খামটো হাতত লৈ অসহায় ভাৱে শুই থকা পত্নীৰ পিনে চাওঁতে মোৰ চকুৰ পৰা ওলাই দুটোপাল চকুৰ পানী মাটিত পৰিল। সেই চকুৰ পানী মোৰ সেই সময়ৰ অসহায় অৱস্থাৰ কথা চিন্তা কৰিনে বা সেই বন্ধুজনৰ ঔদাৰ্যত কৃতজ্ঞ হোৱাৰ কাৰণে ওলাল মই সঠিককৈ ধৰিব নোৱাৰিলোঁ।

ঈশ্বৰৰ ইচ্ছামতেই যে আমাৰ সকলো হয় তাকেই মই সদায় বিশ্বাস কৰোঁ। মানুহৰ কেতিয়া হঠাৎ বিপদ আহে কোনেও ক'ব নোৱাৰে। বিপদ আহিলে কষ্ট সহ্য কৰিবই লাগিব আৰু তাৰ কাৰণে আমি সাজু থাকিব লাগে। জীৱন-পথত গৈ থাকোঁতে দৃঢ় বিশ্বাসৰ মূল্য অশেষ আৰু সেই দৃঢ় বিশ্বাস মানুহে মনলৈ নিজে আনিব লাগে। মই অনেক প্ৰকাৰৰ বন্ধু পাইছিলোঁ, আৰু সৰহ ভাগেই মোৰ প্ৰকৃত বন্ধু আছিল। তেওঁলোকে বিপদৰ বন্ধু, সম্পদৰ নহয়। অনেকবাৰ বিপদৰ সময়ত তেওঁলোকক নোকোৱাকৈয়ে অপ্ৰত্যাশিতভাৱে তেওঁলোকৰ সাহায্য পাইছিলোঁ।

মই মানুহৰ হিংসা, ক্ৰূৰতা, স্বাৰ্থ আৰু অসত্যতা বহুত দেখিছোঁ। তাৰ লগে লগে মানুহৰ দয়া, স্নেহ, সত্য-নিষ্ঠা, আৰু অসীম ত্যাগও দেখিছোঁ। অৱশ্যে পিছৰটোৰ সংখ্যা আগৰটোতকৈ কম। এই দুটাৰ মাজত থকা গুণবোৰৰ মানুহকো দেখিছোঁ। তেওঁলোক ক্ৰূৰ নহয় আৰু তেওঁলোকৰ দয়াও সীমিত আৰু ত্যাগও বৰ বেছি নাই। তেওঁলোকে আনৰ অনিষ্ট নকৰে আৰু আনক সহায়ো নকৰে। তেওঁলোকক বুজিবলৈ মই টান পাওঁ।

পত্নীৰ চিকিৎসাৰ কাৰণে মই পাঁচ মাহ মাদ্ৰাজত আছিলোঁ। সেই কালত যক্ষ্মা ৰোগৰ চিকিৎসাৰ কাৰণে এতিয়াৰ নিচিনা ঔষধ ওলোৱা নাছিল। এতিয়া যক্ষ্মাৰোগী চিকিৎসাৰ দ্বাৰা আৰোগ্য হয়। ডাক্তৰ কেশৱ মাদ্ৰাজত যক্ষ্মা ৰোগৰ প্ৰসিদ্ধ চিকিৎসক আছিল। তেওঁ শ্ৰেষ্ঠ চিকিৎসকেই নাছিল বৰ উদাৰমনৰ মানুহো আছিল। তেওঁ নিজৰ মহান উদাৰতা আৰু স্বাৰ্থহীনতা ৰোগীক চিকিৎসা কৰাৰ যোগেদি প্ৰকাশ পাইছিল। মোৰ পত্নীৰ চিকিৎসাৰ সকলো ভাৰ তেওঁৰ ওপৰত দিছিলোঁ আৰু মই দেশ-সেৱা আৰু মানৱ-সেৱাৰ কামত লাগি থকাৰ কাৰণে মাদ্ৰাজত সকলো সময়তে উপস্থিতিৰ প্ৰয়োজন নাই বুলি কোৱাত ৰোগীৰ অৱস্থা অনুসাৰে মাজে মাজে মাদ্ৰাজৰপৰা বাহিৰলৈ গৈছিলোঁ। এবাৰ টি. ভি. চাত্তুকুট্টি নায়াৰৰ লগত 'মাতৃ-ভূমি'ৰ মূলধনৰ অংশ সংগ্ৰহ কৰিবৰ কাৰণে কোলাৰলৈ গৈছিলোঁ। সেই সময়ত কোলাৰ সোণৰ খনিত অনেক মালায়ালী বিষয়া আৰু কৰ্মী আছিল। মোৰ যোৱাৰ উদ্দেশ্য তাত সফল হ'ল। কোলাৰৰ মালয়ালীসকলৰ পৰা মাতৃ-ভূমিৰ কাৰণে আশাতীত অংশ সংগ্ৰহ কৰিলোঁ। মাতৃভূমিৰ প্ৰতি তেওঁলোকৰ উৎসাহ দেখি বৰ আনন্দ পালোঁ। সোণৰ খনিত কাম কৰা শ্ৰমিক আৰু বিষয়াসকলে ছহেজাৰ ফুট তলত থকা পাথৰ কাটি ওপৰলৈ পঠিওৱাৰ পিছত তাক পুৰি সোণ বাহিৰ কৰিছিল। কোলাৰত আমি এসপ্তাহ আছিলোঁ আৰু সেই এসপ্তাহৰ ভিতৰত পাথৰ কাটি তাক পুৰি বৈজ্ঞানিক পদ্ধতিৰে সোণ বাহিৰ কৰাৰ সকলো প্ৰক্ৰিয়া দেখিছিলোঁ।

সেই সময়তে কেৰালাৰ অস্পৃশ্যতা বৰ্জনৰ কাৰ্য-কলাপ আৰু বিশেষকৈ ভৈকম সত্যাগ্ৰহৰ বিষয়ে জানিবলৈ মহামহিম এণ্ডৰুজ ত্ৰিবাঙ্কুৰলৈ গৈছিল। বাটতে তেওঁ দুদিন মাদ্ৰাজত ৰৈছিল। মই মাদ্ৰাজত আছোঁ বুলি জানি তেওঁ মোক ৰেলষ্টেচনত লগ পাবলৈ মোলৈ তাঁৰ পঠিয়াইছিল। ষ্টেচনত তেওঁক সাক্ষাৎ কৰাত ভৈকম সত্যাগ্ৰহৰ বিষয়ে মোৰ পৰা সবিশেষে জানিবলৈ আৰু সেই বিষয়ে আলোচনা কৰিবলৈ তেওঁ মোক তেওঁৰ থকা ঠাই মাইলাপুৰমলৈ দুপৰীয়া যাবলৈ ক'লে আৰু লগতে দুপৰীয়া সাজটো তেওঁৰ লগতে খাবলৈ নিমন্ত্ৰণ কৰিলে। মই তালৈ বাৰ বজাত গলোঁ কিন্তু এণ্ডৰুজ নাছিল। দুঘন্টা তেওঁৰ কাৰণে অপেক্ষা কৰাৰ পিছত তেওঁ দুটা বজাত ঘামি-জামি ওলালহি। মোক দেখি তেওঁ ক'লে "আপুনি নিশ্চয় মোৰ কাৰণে বহুত পৰ অপেক্ষা কৰি আছে নহয় জানো ? মই এঠাইত খাই-বই আহোঁতে বৰ পলম হ'ল।" মই তেওঁৰ কথা শুনি বিমোৰত পৰিলোঁ আৰু জানিলোঁ মোক খাবলৈ নিমন্ত্ৰণ কৰাৰ কথা তেওঁ নিশ্চয় পাহৰিলে। মোৰ বৰ ভোক লাগিছিল। মই ক'লো, "আপুনি মোক খাবলৈ মাতিছিল। আপুনি নিশ্চয় পাহৰিলে।" মোৰ কথা শুনি তেওঁ থতমত খালে আৰু তাৰ পিছত বৰ দুঃখ কৰি ক'লে, "ইচ্ কিমান বেয়া কথা হ'ল। মই একেবাৰে পাহৰিলোঁ। সেইবাবে আপোনাৰ ওচৰত হেজাৰ বাৰ ক্ষমা বিচাৰিছোঁ, এতিয়াই আপোনাৰ খোৱাৰ ব্যৱস্থা হ'ব।" অলপ পিছতে মোৰ খোৱা বস্তু আহিল আৰু খাই-বৈ মই তেওঁৰ লগত দুঘন্টা ধৰি কথা পাতিলোঁ। তেওঁৰ লগত সেইটোৱেই যে মোৰ শেষ সাক্ষাত আছিল

মই সেইদিনা কল্পনাও কৰা নাছিলোঁ। তাৰ পিছত কিছুদিনলৈ তেওঁৰ লগত চিঠিৰ আদান-প্ৰদান কৰিছিলোঁ। যেতিয়া মই চিঙ্গাপুৰলৈ যাওঁ তাতেই তেওঁৰ মৃত্যুৰ সংবাদ পাইছিলোঁ। তেওঁৰ মৃত্যুত চিঙ্গাপুৰত থকা ভাৰতীয়সকলে এখন সভাৰ আয়োজন কৰাত মই এণ্ডৰুজৰ মহান ব্যক্তিত্ব আৰু উদাৰতাৰ প্ৰতি শ্ৰদ্ধাঞ্জলি অৰ্পন কৰিছিলোঁ।

চাৰি-পাঁচ মাহ একেৰাহে মাদ্ৰাজত থকাৰ কাৰণে মই 'মাতৃ-ভূমি'ৰ সম্পাদকৰ পদটো এৰি দিবলগীয়া হ'ল। 'মাতৃ-ভূমি'ৰ 1925 চনৰ 31 জানুৱাৰীৰ সংখ্যাত মই মোৰ শেষ সম্পাদকীয়টো এনে ভাৱে লিখিছিলোঁ, 'তিনি বছৰৰ পিছত নিজৰ এজনী জীৱ পৰা অনিৰ্দিষ্ট কাললৈ বিদায় লওঁতে এজন পিতৃয়ে অন্তৰত যি গভীৰ দুঃখ পায় সেই একে দুঃখ পাই ময়ো আজি 'মাতৃ-ভূমি'ৰ পৰা বিদায় লৈছোঁ। যদিও নানা অসুবিধা আৰু বাধা-বিঘিনিৰ সন্মুখীন হৈছিলোঁ আৰু অনেক দুঃখ কষ্ট সহ্য কৰিবলগীয়া হৈছিল, 'মাতৃভূমি'ক ৰাইজৰ ওচৰত জনপ্ৰিয় কৰিবলৈ, তাক সৰ্বাঙ্গসুন্দৰ কৰিবলৈ মই প্ৰাণপণে চেষ্টা কৰিছিলোঁ আৰু তাৰ কাৰণে লিখি মনত অনিৰ্বচনীয় আনন্দ পাইছিলোঁ। যদি এই কামটো ভৱিষ্যতে আকৌ কৰিবলৈ পাওঁ, মই নিজকে ধন্য মানিম। দেশত এনে কোন মানুহ নাই যাৰ দেশৰ স্বাধীনতাৰ প্ৰতি স্পৃহা, জন্মভূমিৰ প্ৰতি গভীৰ শ্ৰদ্ধা আৰু ভক্তি আৰু সমাজৰ সকলো অনীতি মষিমূৰ কৰি এখন সুস্থ সমাজ গঢ়ি তোলাৰ আকাঙক্ষা নাই। কিছুমান ভাগ্যৱান পুৰুষ আছে যি দেশসেৱা কৰি তেওঁলোকৰ গোটেই জীৱনটো কটাই দিয়ে। তেওঁলোকৰ ভিতৰত মই এজন নিশ্চয় নহওঁ। "মাতৃ-ভূমি"ৰ পৰা বিদায় লোৱাৰ কাৰণটো মই সঙ্গত বুলি অনুভৱ নকৰোঁ কিন্তু আজি মই এনেকুৱা পৰিস্থিতিত আহি পৰিছোঁ তাৰ বাহিৰে মোৰ আন কোনো উপায় নাই। যোৱা পাঁচমাহে 'মাতৃ-ভূমিক' সম্পাদনা কৰিব নোৱাৰাৰ কাৰণটো হয়তো অনেকেই জানে। কিন্তু সম্পাদকৰ পদ ত্যাগ কৰি মই যে 'মাতৃ-ভূমিৰ' পৰা বিচ্ছিন্ন হৈ যাম সেইটো পাঠকসকলে নিশ্চয় নাভাবিব। 'মাতৃ-ভূমি'ৰ কাৰণে মোৰ লেখনী সদায় মুকলি আৰু সুৰক্ষিত থাকিব। মাত্ৰ সিমানেই নহয়, এই বিদায়ৰপৰা মই বাহিৰৰপৰা 'মাতৃ-ভূমি'ক সেৱা কৰিবলৈ অধিক শক্তি আৰু স্বাধীনতা পাম। এতিয়ালৈকে 'মাতৃ-ভূমি'য়ে যি স্তৰত উপনীত হৈছেহি মোৰ সম্পূৰ্ণ বিশ্বাস ইয়াৰ সৌষ্ঠৱ দিনে দিনে বৃদ্ধি হ'ব। তিনি বছৰৰ আগতে ৰাষ্ট্ৰীয় আন্দোলনৰ প্ৰথম অৱস্থাত 'মাতৃ-ভূমি'ৰ জন্ম হৈছিল। আজি ই কেৰালাৰ এখন মুখ্য বাতৰি-কাকতৰ স্থান আৰু মৰ্যাদা লাভ কৰিছে। কেৰালাৰ ভিতৰত আৰু বাহিৰত থকা অনেক মানুহে 'মাতৃ-ভূমি'ক সহায় কৰিবলৈ সদায় উদ্যত। বাতৰি-কাকতখনৰ সংখ্যা দিনে দিনে বাঢ়ি যোৱাটোৱেই তাৰ প্ৰমাণ। নিস্বাৰ্থভাৱে, নিজৰ সুখ-সুবিধালৈ নাচাই, 'মাতৃ-ভূমিৰ' কাৰণে যিসকলে দিনে-ৰাতিয়ে পৰিশ্ৰম কৰি আহিছে তেওঁলোকৰ হাততেই 'মাতৃ-ভূমি' থকাৰ কাৰণে ই যে সুৰক্ষিত আৰু ইয়াৰ মৰ্যাদা যে কিঞ্চিৎমানো অক্ষুন্ন নহ'ব তাত মোৰ সম্পূৰ্ণ বিশ্বাস আছে। ভৱিষ্যতলৈও মাতৃভূমিয়ে সত্য, ন্যায়, সমতা আৰু স্বাতন্ত্ৰ্যৰ আদৰ্শত নিৰ্ভীকভাৱে গৈ থাকিব। মোৰ একান্ত বিশ্বাস পাঠকসকলে ইমানদিনে 'মাতৃ-ভূমি'ক যি স্নেহৰ চকুৰে চাই আহিছে ভৱিষ্যতেও সেই স্নেহ আৰু মৰম দি থাকিব।'

মই কেৰালা আঞ্চলিক কংগ্ৰেছ সচিবৰ পদটোও ত্যাগ কৰিলোঁ। 1925 চনৰ ফেব্ৰুৱাৰীত বহা ভৈকম সন্মিলনত মোৰ ত্যাগপত্ৰ স্বীকাৰ কৰি লোৱা হ'ল সচিবৰ পদটো পি ৰাবুনি মেননে গ্ৰহণ কৰিলে। পত্নীৰ চিকিৎসাৰ কাৰণে মোৰ শাহু আমাৰ লগত মাদ্ৰাজত আছিল। তেওঁ বসন্ত ৰোগত ঢুকাল। তেওঁৰ মৃত্যুত আমাৰ দুঃখ কষ্ট দুগুণ হ'ল।

পত্নীৰ স্বাস্থ্য দিনেদিনে বেয়াৰ পিনে ঢাল খালে। আয়ুৰ্বেদিক চিকিৎসাৰ কাৰণে আমি ফেব্ৰুৱাৰী মাহত পালঘাটলৈ আহিলোঁ। মই সকলো কাম এৰি পত্নীৰ শুশ্ৰূষাত সকলো সময় নিয়োগ কৰিলোঁ।

আমাৰ দেশত বছৰটোত কেইবালাখো মানুহ যক্ষ্মাৰোগত মৰে। তাৰ পাঁচ গুণ মানুহে সেই ৰোগত ভুগি থাকে। অধিক সংখ্যক ৰোগীয়ে উপযুক্ত চিকিৎসা নাপায়। এতিয়া এই ৰোগৰ চিকিৎসাৰ সুবিধা আছে আৰু নতুন ঔষধ আৱিষ্কাৰ হোৱাৰ কাৰণে অনেক ৰোগী আৰোগ্য হয়। তথাপিও ৰোগীৰ সংখ্যালৈ চাই আমাৰ দেশত যক্ষ্মাৰোগৰ চিকিৎসালয়ৰ সংখ্যা আৰু অনেক বেছি হোৱা উচিত। ভাৰতৰ মানুহে ভোগা পাঁচটা মাৰাত্মক ৰোগৰ ভিতৰত যক্ষ্মা ৰোগ এটা। ৰোগটোৰ গুৰুত্বৰ কথা ৰোগীয়ে যাতে বুজি নাপায় তাৰ বাবে ভাল ভাল কিতাপ পঢ়ি শুনোৱা, ধেমেলীয়া গল্প কোৱা আৰু ল'ৰা-ছোৱালীৰ গীত শুনোৱা আদি কামবোৰ কৰি মই মোৰ পত্নীক ব্যস্ত ৰাখিলোঁ। এপ্ৰিলৰ শেহলৈকে ৰোগৰ কোনো পৰিৱৰ্তন দেখা নগ'ল। তেওঁৰ টোপনি একেবাৰে নোহোৱা হ'ল। ভৰি দুটা উখহিল আৰু মুখত শালমইনা ওলাল। উশাহ লওঁতে বৰ কষ্ট হোৱাত তেওঁৰ অত্যন্ত দুৰ্বলতাৰ ভাৱ মুখত প্ৰকট হ'ল। এসপ্তাহ তেনেকৈয়ে পাৰ হ'ল। তাৰ দুই-তিনি দিন মান ৰোগৰ অলপমান উপশম হৈছে বুলি মোৰ অনুমান হ'ল।

1925 চনৰ 16 এপ্ৰিলত মাজ নিশাৰ অলপ পিছত। লক্ষ্মীৰ কোঠাটোত টিমিক ঢামাককৈ চাকি এটা জ্বলি আছিল। মই মাজ নিশালৈকে তেওঁৰ ওচৰত সাৰ পাই থাকি ভয়ৰ কোনো আশংকা নেদেখি কোঠাটোৰ পৰা বাহিৰ হৈ বাৰান্দাত থকা বেঞ্চ এখনত বাগৰ দিলোঁ। এঘন্টামান শোৱাৰ পিছত চাৰিটামান বজাত মোক কোনোবাই জগাই দিলে। মই লৰালৰিকৈ লক্ষ্মীৰ ওচৰলৈ আহিলোঁ। তেওঁ জোৰে জোৰে কাহিছিল আৰু ডিঙিৰ পৰা খেকাৰ নোলোৱাৰ কাৰণে কষ্টত ইচাটি-বিচাটি কৰিছিল আৰু চকু দুটা ডাঙৰ ডাঙৰকৈ মেলিছিল। অলপ পিছতে লক্ষ্মীয়ে চকু দুটা মুদিলে আৰু নীৰৱে ৰ'ল।

ঘৰৰ সকলো মানুহ ৰোগীৰ ওচৰলৈ আহিল। লক্ষ্মীয়ে আকৌ চকু মেলিলে। তেওঁ কিবা ক'বলৈ চেষ্টা কৰিলে কিন্তু ক'ব নোৱাৰিলে। কুকুৰাৰ ডাক আৰু চৰাইৰ চিঁচিয়নিয়ে ৰাতিপুৱাৰ জাননী দিলে। সেই সৰু কোঠাটোত পৰিয়ালৰ সকলো মানুহে জুমপাতি বহি তেওঁৰ পিনে একেৰাহে চাই আছিল কিন্তু তেওঁ কাকো চিনি পোৱা নাছিল। তেওঁৰ মেলি থকা চকু দুটা আধা বন্ধ হ'ল আৰু লগে লগে তেওঁ উশাহ নোলোৱা হ'ল। চকুৰ আগতে সকলো শেষ হৈ গ'ল। তেওঁ আমাৰ পৰা চিৰদিনলৈ বিদায় ল'লে।

মৃত্যুৰ পিছত জীৱন

এনেকৈয়ে আমাৰ 19 বছৰীয়া দাম্পত্য জীৱন শেষ হৈ গ'ল। লক্ষ্মী গৃহলক্ষ্মী আছিল আৰু এগৰাকী আদৰ্শ পত্নী আছিল। ৰন্ধা-বঢ়া, ঘৰখন সুন্দৰকৈ চলোৱা, ল'ৰা-ছোৱালীক তদাৰক কৰা, আলহীক সোধা আৰু গৃহস্থী সম্বন্ধে মোক পৰামৰ্শ দিয়াত তেওঁ পাৰ্গত আছিল। কঠিন আৰ্থিক অনাটনৰ সময়তো মই মনত দুঃখ পাম বুলি মোক এটা কথাও নকৈ তেওঁ মনে মনে আছিল। তেওঁ মোৰ আৰু ল'ৰা-ছোৱালীৰ কাৰণে জুতি লগাকৈ আঞ্জা ৰান্ধি মনত আনন্দ পাইছিল। তেওঁ কিতাপ আৰু বাতৰি-কাকত পঢ়িবলৈ ভাল পাইছিল আৰু কেতিয়াবা কোনো কথাত মোৰ লগত মত নিমিলিলেও মোৰ বিৰুদ্ধে একো নকৈ মনেমনে আছিল। মোৰ বিৰুদ্ধে ক'লে মই মনত দুখ পাম বুলি তেওঁ ভয় কৰিছিল। তেওঁ মোৰ মত সমৰ্থন নকৰা মনোভাৱ প্ৰত্যক্ষভাৱে প্ৰকাশ নকৰিছিল মাত্ৰ তেওঁৰ কৃত্ৰিম হাঁহিৰ পৰা মই সেইটো অনুমান কৰিব পাৰিছিলোঁ।

ৰোগ-শয্যাত পৰি থাকোঁতে তেওঁ মোক এদিন কৈছিল, "মই মৰিলেও আপোনাক এৰি নাযাওঁ। সদায় আপোনাৰ লগতেই থাকিম। এইটো সত্য বুলি মানি ল'ব।"

তেওঁৰ সেই কথা কেই-আষাৰ প্ৰায়েই মোৰ মনত পাৰে। বাস্তৱত তেওঁৰ কথা কেইটাৰ মূল্য' যিমানেই নহওক, তেওঁৰ মুখখন মোৰ মনৰপৰা কেতিয়াও আঁতৰি নগ'ল। তেওঁৰ সাজ-পাৰ, তেওঁ ব্যৱহাৰ কৰা বস্তুবোৰ আগতকৈও মোৰ বেছি ভাল লগা হ'ল। সেই সকলোবোৰতে মই লক্ষ্মীক দেখা পাই মোৰ লগতেই যেন তেওঁ আছে এনে অনুভৱ কৰিলোঁ।

জগতত দৈনিক হেজাৰ হেজাৰ মানুহৰ মৃত্যু হয়। তেওঁলোকৰ মৃত্যুত আমাৰ দুঃখ নহয় কিন্তু যেতিয়া আমাৰ কোনো প্ৰিয়জনৰ মৃত্যু হয় তেতিয়া মৃত্যুৰ বীভৎসতা আৰু ক্ৰূৰতা আমি দেখিবলৈ পাওঁ। তেতিয়াই আমাৰ মনলৈ নিৰাশা আহে আৰু মনত জীৱনৰ প্ৰতি বিতৃষ্ণা জন্মে। মনৰ দুখত তেতিয়া আমি বিধাতাৰ ওপৰত দোষাৰোপও কৰোঁ। অতি প্ৰিয়জনক হেৰুৱাই মনলৈ যি গভীৰ দুঃখ আহে তেতিয়া আনৰ সান্ত্বনা বাণীয়ে কাণ স্পৰ্শ কৰিলেও অন্তৰ স্পৰ্শ নকৰে। মাত্ৰ নিৰলে বহি চকুৰ পানী টুকিলে অন্তৰৰ গভীৰ বেদনা কিঞ্চিৎ হ্ৰাস হয়।

মোৰ সেই দাৰুণ শোকৰ দিনত কেতিয়াবা মোৰ মনত প্ৰশ্নৰ উদয় হৈছিল কৰুণাময় ঈশ্বৰ মোৰ প্ৰতি ইমান নিৰ্দয় হ'ল কিয় ? মই তেওঁৰ ওচৰত কি জগৰ লগালোঁ ? ঈশ্বৰ কিয় নিৰ্দয় হ'ল সেই প্ৰশ্নৰ উত্তৰ বিচৰাটো মোৰ মূৰ্খামি নাছিলতো ? কিন্তু সজ্ঞানে ঈশ্বৰৰ ওচৰত মই যে কোনো জগৰ লগোৱা নাছিলোঁ সেই বিষয়ে নিশ্চিত আছিলোঁ। কেতিয়াবা অনুভৱ কৰিছিলোঁ কালৰ সোতত মানুহ গৈ থাকিলে

অদৃশ্যমান এটা মহান শক্তিয়ে মানুহক নিয়ন্ত্ৰণ কৰে আৰু আমাৰ অল্প বুদ্ধি আৰু জ্ঞানেৰে সেই মহান শক্তিৰ স্বৰূপ আৰু নিয়ম বুজি নাপাওঁ। শুনিছো, যি দিব্যশক্তি সাধাৰণ মানুহে লাভ কৰিব নোৱাৰে সেই দিব্যশক্তি ঋষি-মুনি জ্ঞানী পুৰুষে লাভ কৰে আৰু যি ৰহস্য আমি সাধাৰণ মানুহে জানিব নোৱাৰোঁ তাক দিব্যজ্ঞানেৰে জানিব পাৰি। আমি দেখিবলৈ পাওঁ যি শক্তি মানুহৰ নাই সেই শক্তি অন্যান্য প্ৰাণীৰ আছে; য'ত সোৱাদ বস্তু থাকে য'তেই নাথাকক পোক-পৰুৱাই তাৰ গম পাই তাৰ ওচৰলৈ আহে। সেই শক্তি মানুহৰ নাই। যি শ্ৰৱণ শক্তি মানুহৰ নাই সেই শক্তি কিছুমান প্ৰাণীৰ আছে বুলি বৈজ্ঞানিকে প্ৰমাণ কৰিছে। প্ৰাণীবিজ্ঞানৰ বৈজ্ঞানিকে কয় কিছুমান চৰাই ক'তো নোৰোৱাকৈ একেৰাহে তিনি হেজাৰ মাইলৰো বেছি দূৰ উৰি যায়। এনে অদ্ভুত শক্তি যে কিছুমান প্ৰাণীৰ আছে আমি কল্পনাও কৰিব নোৱাৰোঁ। এইবোৰ কথাই জীৱনৰ গভীৰ ৰহস্য আৰু অনন্ত মাহাত্ম্য ব্যক্ত নকৰে।

ৰাতি যেতিয়া আমি আকাশলৈ চাওঁ আমাৰ মনলৈ অদ্ভুত চিন্তাবোৰ আহে। আমি সংখ্যাহীন কোটি কোটি তৰা দেখোঁ আৰু তাৰ বাহিৰেও কোটি কোটি তৰা আছে যিবোৰ দেখা নাপাওঁ। এই সকলো সত্যৰ পৰা সৃষ্টিৰ মাহাত্ম্য আৰু আমাৰ ভ্ৰান্তি প্ৰকট হয়। কিন্তু এই সকলোবোৰ কথা চিন্তা কৰিও মই শান্তি নাপালোঁ। মৃত্যুৰ ৰহস্য জানিবলৈ মই লালায়িত হলোঁ।

বাসাংসি জীৰ্ণানি যথা বিহায়,
নৱানি গৃহনাতি নৰোপৰণি।
তথ্য শৰীৰাণি বিহায় জীৰ্ণা
ন্যন্যানি সংযাতি নৱানি দেহো।।

গীতাৰ এই শ্লোক ফাঁকিয়েও মোক সান্ত্বনা দিব নোৱাৰিলে।

মোৰ কাম কৰিবলৈ মন নোযোৱা হ'ল। মনটোত বাৰে বাৰে এটা প্ৰশ্নৰেই উদয় হ'ল—কিবা এটা কাম কৰোঁৱেই বা কিয় ? যি শান্তি মই গ্ৰন্থ আৰু বন্ধু-বান্ধৱৰ পৰা নাপালো তাক বিচাৰি শেহত পণ্ডিচেৰীত থকা অৰবিন্দ আশ্ৰমলৈ গলোঁ।

মোৰ প্ৰিয় বন্ধু এস দোৰাইস্বামী শ্ৰীঅৰবিন্দক দৰ্শন কৰিবলৈ মাজে সময়ে পণ্ডিচেৰীলৈ গৈছিল। তেঁৱেই মোক আশ্ৰমলৈ যাবলৈ আৰু অৰবিন্দক দৰ্শন কৰিবলৈ ব্যৱস্থা কৰি দিছিল।

1925 চনৰ আগষ্ট মাহত মই এদিন ৰাতিপুৱা পণ্ডিচেৰীত উপস্থিত হ'লো। মোৰ বন্ধুজনে তেওঁৰ ঘৰলৈ মোক লৈ গ'ল। শ্ৰীঅৰবিন্দক দৰ্শন কৰাৰ সময় এঘাৰটা বজাত আছিল।

সেই কালত নিয়ম আছিল অৰবিন্দক দৰ্শন কৰিবলৈ যোৱা সকলো মানুহে তেওঁলোকৰ ঠিকনা থানাত দিব লাগে। অৰবিন্দ ঘোষ বিপ্লৱী আছিল। ৰাজনীতি ত্যাগ কৰি যেতিয়া তেওঁ আধ্যাত্মিক জগতত প্ৰৱেশ কৰিছিল, তেতিয়াও তেওঁৰ ওপৰত ইংৰাজৰ সন্দেহ আছিল। সেই কাৰণে তেওঁক দৰ্শন কৰিবলৈ যোৱা মানুহে থানাত নাম

আৰু ঠিকনা দিবলগীয়া হৈছিল। ময়ো মোৰ নাম, ঠিকনা, অহাৰ উদ্দেশ্য আৰু কিমান দিন থাকিম—এই সকলোবোৰ তথ্য পুলিচ থানাত দিলোঁ।

তেতিয়া অৰবিন্দ ঘোষৰ এজন ভায়েক আশ্ৰমত আছিল। তেওঁ তাত থকা কেইজনমান মানুহৰ লগত মোক পৰিচয় কৰাই দিলে। তেওঁৰ লগত কিছুপৰ কথা পতাৰ পিছত নিৰ্দ্ধাৰিত সময়ত এজন মানুহে মোক অৰবিন্দৰ ওচৰলৈ লৈ গ'ল। তেওঁ দুমহলীয়া ঘৰ এটাৰ ওপৰ মহলাত বাৰান্দাত বহি আছিল। তেওঁ বহা চকীখনৰ ওচৰতে এখন খালী চকী আছিল। মই তেওঁক হাতযোৰ কৰি নমস্কাৰ কৰাৰ পিছত তেওঁ মোক চকীখন হাতেৰে দেখুৱাই তাত বহিবলৈ ক'লে। তেতিয়া তেওঁক এবছৰত এবাৰ ব্যক্তিগতভাৱে দৰ্শন কৰিবলৈ দিয়াৰ নিয়ম আছিল। সেই দিনা মাত্ৰ মোকেই দৰ্শন কৰিবলৈ দিছিল। প্ৰত্যেক দিনে কিছু সময়ৰ কাৰণে তেওঁ ওপৰৰ বাৰান্দাত আহি বহিছিল আৰু মানুহে দূৰৰপৰাই তেওঁক দৰ্শন কৰিছিল।

তেতিয়া তেওঁৰ বয়স 50 বছৰ। তেওঁৰ চুলি আৰু ডাঢ়ি দীঘল আছিল আৰু তেওঁ এখন ধুতী পিন্ধি গাটো চাদৰ এখনেৰে ঢাকি থৈছিল। তেওঁ বৰ শান্তস্বৰে লহে লাহে কৈছিল আৰু মোক কিবা বিশেষ কথা এটা বুজাওঁতে হাতখন লৰাই কৈছিল। তেওঁৰ মুখখন শান্তি আৰু সৌম্যতাৰ প্ৰতিমূৰ্ত্তি আছিল।

তেওঁৰ ওচৰত বহি তেওঁক কি আৰু কেনেকৈ ক'ম ভাবি কিছুপৰ মনে মনে আছিলোঁ। মৰণৰ পিছত কি স্থিতি হয় তাকেই মই তেওঁৰ পৰা জানিব বিচাৰিছিলো। মৃত্যুৰ লগে লগে সকলো শেষ হৈ যায়নে অথবা মৰণ বেলেগ এডোখৰ ঠাইলৈ যোৱাৰ এটা বাটনে ? মই কিতাপত পঢ়িছিলোঁ কৰবাত কোনোবাই মানুহৰ প্ৰেতৰ লগত কথা পাতিছিল। সেইটো বিশ্বাস কৰিবলগীয়ানে ? প্ৰেতক দেখিব পাৰিনে ? আন এখন লোকত থকা প্ৰেতে আগৰ জন্মৰ প্ৰিয়জনৰ কথা ভাবেনে আৰু আকৌ তেওঁৰ লগত সম্বন্ধ স্থাপন কৰাৰ ইচ্ছা প্ৰেতৰ হয়নে ? এনে ধৰণৰ কেইবাটাও প্ৰশ্ন মই তেওঁক সুধিলোঁ। মই সকলো প্ৰশ্ন একেলগে সোধা নাছিলোঁ অৰ্থাৎ এটাৰ পিছত এটাকৈ সুধিছিলোঁ আৰু তেওঁ সেইমতে উত্তৰ দিছিল। মোৰ কিছুমান প্ৰশ্ন মোৰ মূৰ্খামিৰ পৰিচায়ক আছিল বুলি তেওঁ হয়তো ভাবিছিল . . . . . এই চিন্তা পিছত মোৰ মনলৈ আহিছিল।

তেওঁ মোক ক'লে মৃত্যুৰ পিছত সকলো শেষ নহয়, মৃত্যু কেৱল এটা পৰিৱৰ্তনহে। কিছুমান বিশেষ অৱস্থাত মৃত্যুৰ পিছত প্ৰেতে নিজৰ প্ৰিয়জনৰ লগত সম্পৰ্ক স্থাপন কৰিব পাৰে।

আন এজন মহাপুৰুষে মোক একে কথাই কৈছিল মৃত্যু এটা স্থিতি-পৰিৱৰ্তন আৰু এই শৰীৰটো ত্যাগ কৰাৰ পিছতো বেলেগ ৰূপত জীৱনৰ অৱস্থিতি সম্ভৱ হয়।

"মই যেনেকৈ তোমাৰ লগত কথা পাতিছোঁ, প্ৰেতাত্মাইও তেনেকৈ কথা পাতিব পাৰে," তেওঁ এই কথাষাৰ কোৱাত মোৰ অস্বীকাৰ কৰিবৰ সাহস নাছিল ; কিন্তু কথাষাৰ বিশ্বাস কৰিবলৈ মই টান পাইছিলোঁ।

যেতিয়া মই অৰবিন্দৰপৰা বিদায় লৈছিলোঁ তেওঁৰ এজন শিষ্যই তেওঁৰ সন্মুখত কিছুমান ফুল থৈ তেওঁক প্ৰণাম কৰা দেখিলোঁ। মই খট-খটীয়েদি তললৈ নামি আহোঁতে মোৰ মনলৈ নানা ধৰণৰ চিন্তাবোৰ আহিছিল আৰু এটা অস্পষ্টতা অনুভৱ কৰিছিলোঁ। মাত্ৰ খোৱা-বোৱা, লেন-দেন কৰা, ভাল-পোৱা বা ঘৃণা কৰাৰ কাৰণেই জীৱনটো নহয়। মই অনুভৱ কৰিলোঁ এই সকলোবোৰৰ ওপৰত আৰু এই সকলোবোৰৰ পিছত জীৱনৰ এটা অৰ্থ আৰু লক্ষ্য আছে।

ইয়াৰ পিছত, মৃত্যুৰ পিছৰ অৱস্থাটো জানিবৰ কাৰণে মোৰ ইচ্ছা হৈছিল। এই সম্বন্ধে মই অনেক গ্ৰন্থ অধ্যয়ন কৰিছিলোঁ। "মৃত্যুৰ আগত', 'মৃত্যুৰ সময়ত' আৰু 'মৃত্যুৰ পিছত' নামৰ এজন ফৰাচী লেখকে লিখা তিনিখন গ্ৰন্থই মোৰ ওপৰত বৰ প্ৰভাৱ বিস্তাৰ কৰিছিল। এই গ্ৰন্থ তিনিখন অনুভৱ আৰু ঘটনাৰ ভিত্তিত বৈজ্ঞানিক ৰীতিত লিখা হৈছিল, মাত্ৰ কল্পনা কৰি লিখা হোৱা নাছিল। মই ইংলণ্ডৰপৰা প্ৰকাশিত 'স্পিৰিচুয়েলিষ্ট' নামৰ আলোচনীখন নিয়মিতভাৱে পঢ়িছিলোঁ। তাত প্ৰকাশ হোৱা কিছুমান কথা বিশ্বাস নকৰিছিলোঁ যদিও তাত বৰ্ণনা কৰা কিছুমান ঘটনাই মোক আকৃষ্ট কৰিছিল।

স্বামী বিৱেকানন্দৰ 'ব্যাখ্যা আৰু লেখা' নামৰ গ্ৰন্থখনৰ সাতোটা ভাগ মই অনেকবাৰ পঢ়িছিলোঁ আৰু মনটো ভাল লগাবলৈ আৰু মনত প্ৰেৰণা পাবলৈ এতিয়াও মই মাজে মাজে পঢ়ো। আত্মশান্তি বিচৰাসকলে এই কিতাপখনৰ আটাইকেইটা ভাগ পঢ়া উচিত। স্বামী বিৱেকানন্দই আধ্যাত্মিক বিষয়বোৰ বৈজ্ঞানিক আৰু ব্যৱহাৰিক ৰীতিত সাধাৰণ মানুহে বুজিব পৰাকৈ সৰল ভাষাত লিখিছিল।

মই ভাগৱতগীতাৰ মহান বাণীৰপৰা প্ৰেৰণা পাবলৈ চেষ্টা কৰিলোঁ। মই নিয়মিত ভাৱে গীতা পঢ়া নাছিলোঁ, মাত্ৰ ঘোৰ মানসিক অশান্তিৰ সময়ত মনোবল পাবলৈ উপযুক্ত অধ্যায় কেইটা পঢ়িছিলোঁ।

যিবোৰ বিষয়ত আমাৰ ভাল জ্ঞান নাই আৰু যিবোৰ আমি ভালদৰে নুবুজো, সেইবোৰৰ বিষয়ে কোৱাৰ সাহস আমাৰ নাথাকে। কিন্তু এসময়ত যিবোৰ কাম মই অসম্ভৱ বুলি ভাবিছিলোঁ, অনেক চেষ্টা আৰু অভিজ্ঞতাৰ ফলত পিছত সেইবোৰ সহজ আৰু সম্ভৱ হৈছিল।

বিখ্যাত বৈজ্ঞানিক কোপাৰনিকাচৰ আগতে মানুহৰ ধাৰণা আছিল সূৰ্য পৃথিৱীৰ চাৰিওপিনে ঘূৰে। কিন্তু 1543 চনত কোপাৰনিকাচে তেওঁৰ আৱিষ্কাৰৰ যোগেদি মানুহৰ ভুল ধাৰণা আঁতৰ কৰে। কিন্তু তেনে কাম সহজে সম্পাদন হোৱা নাছিল। যেতিয়া কোপাৰনিকাচে ঘোষণা কৰিলে সূৰ্য স্থিৰ আৰু পৃথিৱী তাৰ চাৰিওপিনে ঘূৰে, মানুহ তেওঁৰ বিৰুদ্ধে থিয় হ'ল আৰু মানুহক বিভ্ৰান্ত কৰাৰ কাৰণে তেওঁৰ ওপৰত দোষাৰোপ কৰিবলৈ ধৰিলে। এইবাবে তেওঁ মানুহৰ ঘৃণা আৰু গৰিহণা সহিবলগা হৈছিল। মানুহৰ এটা ভুল ধাৰণাৰ কাৰণে ব্ৰুনো আদি বৈজ্ঞানিকে তেওঁলোকৰ সিদ্ধান্ত

স্থাপন কৰাত সময় লৈছিল। আজি সেই বৈজ্ঞানিকসকলৰ সিদ্ধান্তক সত্য বুলি জগতে মানি লৈছে।

এনেকুৱা এটা সময় আহিব পাৰে যেতিয়া আমি বিনা সন্দেহে প্ৰমাণ সহ মৃত্যুৰ পিছত মানুহৰ কি হয় জানিব পাৰিম। কিন্তু এতিয়াও সেই সময় অহা নাই। এতিয়া আমি বৈজ্ঞানিকসকলৰ কথা মানি লোৱা উচিত হ'ব। আমাৰ কিছুমান বিশ্বাসৰ প্ৰমাণ দিয়াটো সম্ভৱ নহয় তথাপি তেওঁলোকক গৰিহণা দিয়া বা তিৰস্কাৰ কৰা উচিত নহয়। আমি তেওঁলোকৰ সিদ্ধান্তক গভীৰভাৱে আৰু মনোযোগেৰে চাব লাগে আৰু গভীৰভাৱে তাৰ দোষ-গুণ বিচাৰ কৰিব লাগে।

মালয়া যাত্ৰা

1925 চনৰ জুলাইত মই আকৌ মাদ্ৰাজত ওকালতি আৰম্ভ কৰিলোঁ। চাৰি বছৰ ওকালতি নকৰাৰ কাৰণে মক্কেল তথা মোকৰ্দমা পোৱাত বিলম্ব হ'ল। নিজৰ প্ৰতিপত্তি স্থাপন কৰিবৰ কাৰণে চেষ্টা আৰু ধৈৰ্যৰ একান্ত আৱশ্যক। কিন্তু মোৰ ধৈৰ্য আৰু সহনশীলতা নাছিল। মোক ওকালতিত নমা দেখি কোনো কোনো বন্ধু-বান্ধৱে 'কেতিয়াকৈ আকৌ এৰি থৈ গুচি যাব কোনে জানে' বুলি মন্তব্যও কৰিলে। আন কেইজনমানে "মেননে ৰাজনীতি ভাল পায় ; গতিকে ইয়াত টিকিব জানো" বুলি মন্তব্য কৰিলে। মোৰ বন্ধু-বান্ধৱৰ বাহিৰেও মোৰ সম্বন্ধে আৰু অনেক মানুহে এই মত প্ৰকাশ কৰিছিল।

যেতিয়া জীৱন নিৰ্বাহ কৰিবলৈ হাতত যথেষ্ট পইচা নাথাকে তেতিয়া ৰাইজৰ সেৱাত লগা অসম্ভৱ। সেই কাৰণে ওকালতি কৰি মই অনেক পইচা অৰ্জন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিলোঁ। "অনাৱশ্যকভাৱে চাৰিটা বছৰ শেষ নকৰাহেঁতেন তোমাৰ এতিয়া এনে অৱস্থা হ'লহেঁতেন জানো ? এতিয়াও সময় আছে, নিৰাশ নহ'বা" বুলি মোৰ শুভাকাঙ্খীসকলে মোক উপদেশ দিলে।

মোৰ আত্মীয়-স্বজনৰ অনেকে মোক দ্বিতীয়বাৰ বিয়া কৰিবলৈ জোৰ কৰাত মই মোৰ পত্নী লক্ষ্মীৰ ভনীয়েক আম্মুক বিয়া কৰোঁ। আম্মু বিধৱা আছিল আৰু চেলপ্পন আৰু কোচ্চুন্নি নামৰ তেওঁৰ দুটা সন্তান আছিল। আম্মুৰ শান্তি আৰু উদাৰ স্বভাৱৰ কাৰণে মোৰ নতুন বৈবাহিক জীৱন সুখী হৈছিল। আম্মু মিতব্যয়ী আছিল আৰু অনাৱশ্যক খৰচবোৰ বাদ দিছিল।

শ্বেক্সপিয়েৰে কৈছিল 'ধাৰ দিয়া আৰু ধাৰ লোৱা বেয়া কাম।' যি ধাৰ নলয় তেওঁ যে ভাগ্যৱান তাত কোনো সন্দেহ নাই কিন্তু তেওঁ তেওঁতকৈও বেছি ভাগ্যৱান যি হাৰাশাস্তি খাই ধাৰ কৰিবলৈ অহা মানুহক টকা ধাৰে দিয়ে। তৃষ্ণাতুৰক পানী খাবলৈ দি যি আনন্দ পোৱা যায় তেনে মানুহক ধাৰ দিওঁতাজনে সেই আনন্দ পায়। তেনে আনন্দ নোপোৱাৰ কাৰণে মোৰ মনত দুঃখ। কিন্তু ধাৰ লওঁতাৰ কথা বেলেগ। তেওঁৰ মনৰ অৱস্থা শোক লগা আৰু দীনতাৰে ভৰপূৰ। সেই কাৰণে ঈশ্বৰৰ ওচৰত মই বৰ মাগিম "হে ঈশ্বৰ, মোক ধৰুৱাৰ দীনতাৰপৰা ৰক্ষা কৰিব।" এতিয়া বেজাৰ লাগে মই কতবাৰ সেই দীনতা অনুভৱ কৰি আহিছোঁ। আৰু কতদিন ধৰি মই ঋনী মানুহৰ জীৱন যাপন কৰি আহিছোঁ। 'মই কাৰো ওচৰত ঋণী নহওঁ এই পৰিতৃপ্তি মই কেতিয়া পাম' সেই প্ৰশ্ন নিজকে বাৰে বাৰে কৰিছিলোঁ।

যেতিয়া মই মাদ্ৰাজত ওকালতি কৰি আছিলো তেতিয়া এদিন বাৰিষ্টাৰ পি. কে.

নাম্বিয়াৰ মোৰ ওচৰলৈ আহিল। তেওঁ পেনাঙত অনেকদিন ওকালতি কৰিছিল আৰু তাৰ এজন বিখ্যাত উকীল আছিল। তেওঁ প্ৰথমে মাদ্ৰাজত ওকালতি কৰি তাৰ কিছুদিনৰ পিছত পেনাঙলৈ যায়। তেওঁ মাজে-সময়ে পেনাঙৰপৰা মাদ্ৰাজলৈ আহিছিল। তেওঁ মোক পেনাঙৰ ওকালতি সম্বন্ধে ক'লে আৰু তালৈ গ'লে মোৰ বৰ উন্নতি হ'ব বুলি আশ্বাস দিলে। লগতে তাত তেওঁ মোক সকলো পিনৰপৰা সহায় কৰিব বুলি ভাৰসা দিলে। কিন্তু তেওঁক মই পেনাঙলৈ যোৱাৰ বিষয়ে সঠিককৈ একো নকলোঁ আৰু চিন্তা কৰি তেওঁলৈ পিছত লিখিম বুলি কলোঁ। তেওঁ পেনাঙলৈ উভতি গ'ল।

পি. কে. নাম্বিয়াৰক লগ পোৱাৰ আগতে ঘটা এটা ঘটনাৰ কথা মই ইয়াত উল্লেখ কৰোঁ—কাৰণ পেনাঙলৈ যোৱাৰ লগত তাৰ সম্বন্ধ আছে। এদিন এজন সন্ন্যাসী মোৰ ঘৰলৈ আহিল। দীঘল ডাঢ়ি আৰু দীঘল চুলিৰ সন্ন্যাসীজনৰ ফটা কাপোৰ আৰু হাতত এডাল লাখুটি আৰু এটা কমণ্ডলু। মই তেওঁক দু অনা দিলোঁ কিন্তু তেওঁ ন'লৈ এখন কাপোৰ বিচাৰিলে। মই এখন পুৰণি চাদৰ দিলোঁ। চাদৰখন লৈ তেওঁ ওচৰৰে গছৰ পুলি এটাৰ পৰা পাত এটা ছিঙি আনি মোৰ হাতত দিলে কিন্তু পাতটো মোৰ চকুৰ আগতে ছাইত পৰিণত হ'ল। আচৰিত হৈ মই তেওঁৰ পিনে চালোঁ আৰু তেওঁৰ ওপৰত মোৰ এটা ডাঙৰ বিশ্বাস হ'ল। "তুমি ইয়াৰ পৰা সপৰিবাৰে সমুদ্ৰ যাত্ৰা কৰি বিদেশলৈ যাবা" বুলি কৈ তেওঁ গুচি গ'ল। এই ঘটনাটো মই মালয়ালৈ যোৱাৰ চাৰি-পাঁচ মাহ মানৰ আগতে ঘটিছিল। তেতিয়া মই মালয়ালৈ যোৱাৰ কথা এদিনো চিন্তা কৰা নাছিলোঁ।

মাদ্ৰাজত ওকালতি কৰাৰ পিছত মোৰ ডাঙৰ ছোৱালী চেল্লাম্মাৰ অসুখ হ'ল। মাকৰ অসুখ—যক্ষ্মা ৰোগ। ডাক্তৰ কেশৱে তাইৰ চিকিৎসা কৰিছিল। মাজতে আয়ুৰ্বেদিক চিকিৎসাও কৰা হৈছিল কিন্তু কোনো ফল নহ'ল। চেল্লাম্মাৰ অৱস্থা দিনে দিনে বেয়া হ'বলৈ ধৰিলে। এদিন তাই ক'লে, "দেউতা, তুমি জীৱনত অনেক কষ্ট ভোগ কৰিছা আৰু সকলো দুঃখ কষ্ট নীৰৱে সহ্য কৰি আহিছা। এতিয়া মই দুৰাৰোগ্য ৰোগত ভুগি তোমাৰ কষ্টৰ মাত্ৰা বঢ়াই দিলোঁ। এই সকলো দুঃখৰ কাৰণে আমি বাৰু কি পাপ কৰিছিলোঁ ?"

তাইৰ এই প্ৰশ্নৰ উত্তৰ দিয়া কঠিন আছিল। মই নিজকেই এই প্ৰশ্ন অনেকবাৰ কৰিছিলোঁ।

"আই, এই ৰোগ চিকিৎসাৰে ভাল কৰিব পাৰি ; কিন্তু তই এইবোৰ কথা চিন্তা কৰিছ কিয় ?"

তাই সন্দেহ কৰিছিল তাইৰ মৃত্যু ওচৰ চাপি আহিছে। তাই মাজে মাজে কৈছিল "মোৰ মৰাশটো শ্মশানলৈ এনে ধৰণে নিবা, এইটো কৰিবা, সেইটো কৰিবা" ইত্যাদি। মই সেই কথাবোৰ নুশুনাৰ ভাও ধৰি আন ধেমেলীয়া কথা উলিয়াই তাইৰ মুখত হাঁহি উলিয়াবলৈ চেষ্টা কৰিছিলোঁ।

এদিন তাই "অত্তাষচ্চিৰা ক্কিনৰ" (অত্তাষচ্চিৰা নামৰ ভৱনৰ কুঁৱা)ৰ পানী খাবলৈ

ইচ্ছা কৰিলে। আমাৰ 'অত্তাষচ্চিৰা ভৱন'টো ওলৱক্কোট্টত আছিল। মই সেই দিনাই কেৰালালৈ মানুহ এজন পঠাই দিলোঁ আৰু তাৰ পিছদিনা মানুহজনে আমাৰ অত্তাষচ্চিৰা ভৱনৰ কুঁৱাটোৰ পৰা পানী এবটল লৈ মাদ্ৰাজলৈ ঘূৰি আহিছিল। মোৰ ছোৱালীয়ে বৰ তৃপ্তিৰে পানী খালে। সেইদিনা তাইৰ অসুখৰ কোনো পৰিৱৰ্তন নেদেখিলোঁ কিন্তু তাই আগৰদৰে ইচাটি বিচাটি কৰিবলৈ এৰিলে। আম্মু সকলো সময়তে বিশেষকৈ ৰাতি তাইৰ ওচৰতেই আছিল। সেইদিনা মাজৰাতি একমান বজাত আম্মুৱে মোক জগালে আৰু ক'লে "আপুনি চেল্লাম্মাৰ ওচৰলৈ আহক আৰু ল'ৰা-ছোৱালী কেইটাকো লৈ আহক।" আমি সকলো চেল্লাম্মাৰ ওচৰলৈ আহিলোঁ। এবাৰ চকু দুটা মেলি তাই "দেউতা, মই যাওঁ" বুলি কৈ চিৰদিনলৈ চকু মুদিলে।

মৰণ এটা স্থিতি-পৰিৱৰ্তন হ'ব পাৰে। কিন্তু মোৰ ছোৱালীক তাইৰ বিছনাখনত নেদেখি সেই কথাষাৰে মোক সান্ত্বনা দিব নোৱাৰিলে। অৱশ্যে, মোৰ জীৱনত এনে কোনো ঘটনা ঘটা নাছিল যি ঘটনা আনৰ জীৱনত ঘটা নাই। জীৱন-যাত্ৰাত বাটতে নিজৰ আপোনজনৰপৰা বিদায় ল'ব লগা হয়। কিন্তু যাত্ৰা চলি থাকিব, সি থামি নাযায়।

মোৰ ছোৱালীৰ বয়স ওঠৰ বছৰ আছিল। "মই এজনী সৰু ছোৱালী ; মোৰ জীৱনটো মাত্ৰ আৰম্ভ হৈছেহে। ইমান সোনকালে শেষ হ'বলৈ ধৰিছে।" এদিন তাই ৰোগ শয্যাত দুঃখ কৰি কৈছিল। সেই কথাকেইটা মই কেতিয়াও পাহৰিব নোৱাৰো।

'ঈশ্বৰৰ ওচৰলৈ যোঁৱা। তেওঁ তোমাৰ অন্তৰত বিৰাজমান হৈ থাকিব। সেই মহান শক্তিৰ লগত সদায় সম্বন্ধ দৃঢ় হ'ব। বহোতে, খোজকাঢ়োতে আৰু শোওঁতে সেই স্মৃতি সদায় থাকিব। তেহে যিকোনো অতি বেয়া পৰিস্থিতিৰ সন্মুখীন হ'ব পাৰিবা।' এই শক্তি প্ৰদায়ক কথা কেইটা স্মৰণ কৰি মই নিজকে সান্ত্বনা দিবলৈ চেষ্টা কৰিলোঁ।

মোৰ মাদ্ৰাজ এৰাৰ ইচ্ছা প্ৰবল হ'বলৈ ধৰিলে। মালয়াত থকা মোৰ অন্যান্য বন্ধু সকললৈকো তাৰ বিষয়ে জানিবলৈ মই চিঠি লিখিলোঁ। তেওঁলোকে মোক তালৈ যাবলৈ প্ৰেৰণা দিলে। মই মালয়ালৈ যাবলৈ থিৰাং কৰিলোঁ। যাবৰ কোনো উপায় নেদেখিও মই যাবলৈ স্থিৰ কৰিলোঁ।

হাতত পইচা নাছিল। তেন্তে গোটেই পৰিয়ালটো নিবলৈ জাহাজৰ ভাড়া পাওঁ ক'ৰপৰা ? তেওঁলোকক এৰি মই অকলে যোৱাটো কোনোমতেই উচিত নহ'ব বুলি ভাবিলোঁ। কিন্তু হাতত পইচা নথকাত যাবলৈ প্ৰবল ইচ্ছা সত্ত্বেও যোৱাটো সম্ভৱ নহ'ব যেন লাগিল। ঠিক সেই সময়তে দুজন বন্ধুৱে মোক সহায় কৰিলে। তেওঁলোক আছিল কুৰিপ্পত্তু কুট্টিকৃষ্ণ মেনন আৰু কুৰুৰ নীলকণ্ঠন নমপুৰিপাদ। তেওঁলোকে দিয়া টকা আৰু ঘৰৰ বস্তুবোৰ বিক্ৰী কৰি পোৱা পইচা আমাৰ সকলোৰে জাহাজৰ ভাড়া আৰু বাটৰ খৰচৰ কাৰণে হ'ল।

1927 চনৰ 19 আগষ্টত মই সপৰিবাৰে মাদ্ৰাজৰপৰা জাহাজেৰে মালয়ালৈ ৰাওনা হ'লোঁ। কুট্টিকৃষ্ণ মেনন আৰু দুই-তিনিজন মান বন্ধু আমাক বিদায় দিবলৈ মাদ্ৰাজ বন্দৰলৈ আহিছিল। এডোখৰ ঠাইত কিছুদিন থাকিলে সেই ঠাইডোখৰৰ প্ৰতি মোহ

হয়। কিন্তু মাদ্ৰাজত মই মোৰ জীৱনৰ অতি দুখপূৰ্ণ দিনবোৰ কটোৱাৰ বাবে মাদ্ৰাজ এৰি যাওঁতে মোৰ অলপো দুঃখ হোৱা নাছিল। আবেলি চাৰিটা বজাত জাহাজে বন্দৰ এৰিলে। মাদ্ৰাজৰপৰা আমি লাহে লাহে আঁতৰ হলোঁ আৰু সাগৰৰ মাজৰপৰা চাওঁতে মাদ্ৰাজৰ দৃশ্য চকুৰে মনিব নোৱাৰালৈকে মাদ্ৰাজৰ পিনে চাই থাকিলোঁ।

সেই জাহাজখনত অনেক বনুৱা আছিল। মালয়ালৈ যোৱা সকলো জাহাজতে বনুৱা দেখিবলৈ পোৱা যায়। জাহাজত বনুৱাবিলাকৰ বহা, শোৱা আৰু খোৱা-বোৱাৰ ভাল ব্যৱস্থা নাছিল। জাহাজৰ অধিকাৰীসকলৰ ব্যৱহাৰো তেনে ধৰণৰ আছিল।

ভাৰতৰ অনেক প্ৰদেশৰপৰা কুলীৰ কাম কৰিবলৈ অনেক লোক সংগ্ৰহ কৰি মালয়া, লংকা, মৰিচাচ, ওৱেষ্ট ইণ্ডীজ, ফিজি, দক্ষিণ আফ্ৰিকা আদি ঠাইলৈ পঠোৱা হৈছিল। এইটো আমাৰ দেশৰ কাৰণে অত্যন্ত অপমানজনক কথা আছিল। এনেকৈ বনুৱাবিলাকক ভাৰতৰপৰা পঠোৱাৰ কাৰণে বিদেশী দেশবোৰে এই ধাৰণা পোষণ কৰিছিল যে আমি ভাৰতীয় মানুহবোৰ কুলী। দ্বিতীয় মহাসমৰৰ পিছত যেতিয়া কিছুমান দেশ স্বাধীন হয় তেতিয়া সেই দেশবোৰত ভাৰতীয় মানুহ থকাৰ কাৰণে সেই দেশবোৰে ভাৰতক ভাল চকুৰে চোৱা নাছিল আৰু তাৰ ভাৰতীয় বাসিন্দাসকলকো ভাল ব্যৱহাৰ কৰা নাছিল। সেই মনোভাৱ ভাৰতীয় বাসিন্দাসকলৰ প্ৰতি কোনো কোনো দেশত এতিয়াও নথকা নহয়।

ছুটী কটাই মালয়ালৈ ঘূৰি যোৱা বিষয়াও সেই জাহাজখনত আছিল। তেওঁলোকৰ লগত কথা পাতি জানিব পাৰিলোঁ মালয়াত তেওঁলোকে সুখৰ জীৱন কটাইছে আৰু সেই কাৰণে আমিও তাত সুখৰ জীৱন আশা কৰিব পাৰোঁ। তেওঁলোকৰ লগত কথা পাতি লাহে লাহে মোৰ মনত মাদ্ৰাজৰ বেদনাদায়ক স্মৃতি নিষ্প্ৰভ হৈছিল। সাগৰত ৰাতিপুৱাৰ উদীয়মান সূৰ্য আৰু গধূলিৰ অস্তগামী সূৰ্যৰ দৃশ্য অতি সুন্দৰ আৰু আকৰ্ষণীয় আছিল আৰু সেই অপূৰ্ব সুন্দৰ দৃশ্য দেখি মনত অনিৰ্বচনীয় আনন্দ পাইছিলোঁ। ৰাতি জোনৰ পোহৰত জিলিকি উঠা সাগৰৰ ঢৌবোৰৰ সৌন্দৰ্য কেতিয়াও পাহৰিব নোৱাৰো। ৰাতি আকাশত তিৰবিৰাই থকা তৰাবোৰে সেই সৌন্দৰ্যক আৰু বেছি আকৰ্ষণীয় কৰিছিল। অতীতৰ কথাবোৰ এটাৰ পিছত এটাকৈ মোৰ মনত পৰিল। মোৰ বয়স 41 বছৰ হ'ল। তথাপি আনৰ সহায় নোলোৱাকৈ নিজৰ আৰু পৰিয়ালৰ আৱশ্যকতাবোৰ পূৰণ কৰাত এতিয়াও মই সমৰ্থ হোৱা নাই। মোৰ বয়সৰ অনেক বন্ধুৰ অৱস্থা মোতকৈ অনেক ভাল। মোৰ কেৱল ধাৰেই ধাৰ। এতিয়া ভৱিষ্যতৰ কথা চিন্তা নকৰি নিৰ্ভীকভাৱে আৰু আনন্দেৰে কাম কৰাৰ সময় আৰু সেই কাৰণেই নতুন জীৱনটোক অৱহেলা কৰিছিলোঁ আৰু তাৰ শাস্তি এতিয়া পাইছোঁ। প্ৰথমতে মই আৰ্থিক অৱস্থা টনকিয়াল কৰিব লাগিব, তাৰ বাহিৰে এতিয়া মোৰ আন একো চিন্তা নাই।

কিন্তু এতিয়ালৈকে কটোৱা মোৰ জীৱনটো যে পৰাজয়েৰে ভৰপূৰ আছিল সেই কথাটো মনে নামানিছিল। বিবেচনাৰ হয়তো অভাৱ আছিল কিন্তু জীৱনটোযে ব্যৰ্থ হ'ল

সেইটো কেনেকৈ কওঁ ? ধন অৰ্জনৰ দৃষ্টিত জীৱনত পৰাজয় আহিছিল সচাঁ, কিন্তু ধনেই জানো জীৱনৰ জয়-পৰাজয়ৰ মানদণ্ড ?

এপিনৰ পৰা চাবলৈ গ'লে জীৱনত দুঃখ কষ্টৰ একান্ত প্ৰয়োজন। স্বাৱলম্বী হোৱা আৰু পৌৰুষ লাভ কৰাত দুখৰ অভিজ্ঞতাই সহায় কৰে। দুঃখে মানুহৰ আধ্যাত্মিক দিশটোও সবল কৰে। নিজৰ আত্মা আৰু অন্তৰত দুঃখ পালে ক্ৰূৰ বিধিৰ প্ৰহাৰ সিমান কঠোৰ আৰু অসহনীয় যেন নালাগিব।

দুঃখ-কষ্টৰ সন্মুখীন হৈ জীৱনত জয়যুক্ত হোৱা অনেক মানুহৰ কাহিনী মোৰ মনত পৰিল। আমি অনেক মানুহে কেৱল যিকোনো প্ৰকাৰে জীয়াই থাকিবলৈ ইচ্ছা কৰোঁ। জীৱনটোক আমি উদ্দেশ্যপূৰ্ণ কৰিবলৈ নিবিচাৰোঁ। তাৰ যে এটা লক্ষ্য আছে তাকো নামানো। উচ্চাকাঙক্ষাক প্ৰতীক্ষাৰ কাৰণে থ'ব নোৱাৰি। যিসকলে এই কথাবোৰৰ মূল্য বুজে তেওঁলোকেই জগতখন উদ্ধাৰ কৰিব পাৰে। আজি আমি যিবোৰ সুখৰ সোৱাদ লৈছোঁ তাৰ বাবে তেওঁলোকেই জগৰীয়া।

25 আগষ্টত আমাৰ জাহাজখন পোৰ্ট স্বট্টনহামত উপস্থিত হ'ল। মই আগতে ঠিক কৰামতে পেনাঙলৈ নগ'লোঁ। পি. কে. নাম্বিয়াৰ অসুস্থ হৈ বিছনাত পৰি আছিল। সেইকাৰণে তেওঁ মোৰ বিষয়ে কোৱালালামপুৰত ওকালতি কৰি থকা বাৰিষ্টাৰ বীৰাস্বামীলৈ লিখিছিল। বীৰাস্বামীৰ লগত ওকালতি কৰা বাৰিষ্টাৰ জি. কে. নাৰায়ণৰ লগত মাদ্ৰাজত মোৰ পৰিচয় হৈছিল। তেঁৱো মোক তেওঁৰ লগত ৰাখিবলৈ কৈছিল। সেই কাৰণে মই কোৱালালামপুৰলৈ গলোঁ। জি.কে নাৰায়াণ মোক অভ্যৰ্থনা কৰিবলৈ পোৰ্ট স্বট্টনহামলৈ আহিছিল। যেতিয়া মই জাহাজৰ পৰা নামিছিলোঁ তেতিয়া মোৰ হাতত মাত্ৰ ষোল টকা আছিল। সেই টকা কেইটা সলনি কৰি দহ ডলাৰ লৈ মই জি. কে. নাৰায়ণৰ লগত তেওঁৰ ঘৰলৈ গলোঁ। এনেকৈ মই মালয়া যাত্ৰাত এটা নতুন জীৱন আৰম্ভ কৰিলোঁ।

এটা নতুন জীৱন

মালয়াৰ সেই সময়ৰ পৰিস্থিতি এতিয়াৰ পৰিস্থিতিতকৈ সম্পূৰ্ণ বেলেগ আছিল। পেনাং, মালকা চিঙ্গাপুৰ আদি প্ৰদেশত ইংৰাজে প্ৰত্যক্ষভাৱে শাসন কৰিছিল। সেই শাসনক 'ষ্টেট চেটল্‌মেন্ট' বোলা হৈছিল আৰু তাৰ ৰাজধানী চিঙ্গাপুৰ আছিল। মালায়াত নখন ষ্টেট আছিল। পেৰাক, চিলাকুৰ, নিগেৰীচেংপিলান আৰু পহাং—এই চাৰিখন ষ্টেট এটা শাসন ব্যৱস্থাৰ অধীনত আছিল। তাৰ নাম আছিল এফ. এম. এচ. আৰু ৰাজধানী আছিল কোৱালালামপুৰ। এই চাৰিখন ষ্টেটক চুলতানৰ নামত বৃটিছে শাসন কৰিছিল। বাকী পাঁচ খন ষ্টেট—জোহৰ, কেলংতান, পেৰলিচ, ট্ৰেঙ্কানি আৰু কেড়াত চুলতানৰ শাসন আছিল কিন্তু শাসন কাৰ্যত উপদেশ দিবলৈ প্ৰত্যেকখন ষ্টেটতে এজনকৈ বৃটিছ বিষয়া আছিল। উপদেষ্টা হ'লেও বৃটিছ বিষয়াজনে শাসনকাৰ্যত প্ৰধান ভূমিকা গ্ৰহণ কৰিছিল। এনেকৈ মালয়াত তিনি প্ৰকাৰৰ শাসন ব্যৱস্থা আছিল। দ্বিতীয় মহাসমৰৰ পিছত মালয়াৰাজ্য এখন সংযুক্ত ৰাজ্যত পৰিণত হয় আৰু তাৰ ৰাজধানী কোৱালালামপুৰ হয়। এতিয়া মালয়া আৰু চিঙ্গাপুৰ দুখন বেলেগ বেলেগ ৰাজ্য।

সেই সময়ত মালয়াৰ প্ৰায় 60 লাখ জনসংখ্যাৰ শতকৰা 44 ভাগ মালয়াবাসী, 33 ভাগ চীন আৰু 11 ভাগ ভাৰতীয় আছিল। ভাৰতীয় সকলৰ শতকৰা 85 ভাগে ৰবৰৰ বাগিচা, নগৰপালিকা বা সাৰ্বজনিক নিৰ্মাণ বিভাগত কাম কৰিছিল। বাকী পোন্ধৰ ভাগ বেপাৰী, নিম্ন স্তৰৰ অধিকাৰী, কেৰাণী, অধ্যাপক, ডাক্তৰ আৰু উকীল।

সেই সময়ত মালয়াৰ আৰ্থিক অৱস্থা ভাল আছিল। আগতে য'ত হাবি আছিল তেতিয়া তাত পকা ৰাস্তা আৰু ভাল ভাল ঘৰবোৰ হৈছিল আৰু মানুহৰ কাৰণে সকলো সুবিধা আছিল।

সেই সময়ত মালয়াৰ জনসাধাৰণে ৰাজনীতিত ভাগ নলৈছিল। তেওঁলোকে ব্যৱসায়-বাণিজ্য কৰি জীৱন যাপন কৰিছিল।

তাত ওকালতি কৰাৰ নিয়মতো এটা বিশেষত্ব আছিল। তাত ভাৰতীয় উকীলক ওকালতি কৰিবলৈ নিদিছিল। মাত্ৰ বাৰিষ্টাৰ আৰু প্ৰথম শ্ৰেণীৰ উকীলক অনুমতি দিছিল। অৱশ্যে, যিসকল ভাৰতীয় উকীল তাৰ এটা আইনৰ পৰীক্ষাত উত্তীৰ্ণ হৈছিল তেওঁলোকেও সেই অনুমতি পাইছিল। সেই শ্ৰেণীৰ উকীলৰ সংখ্যা বৰ কম আছিল। ইংৰাজ বাৰিষ্টাৰ আৰু প্ৰথম শ্ৰেণীৰ উকীলো তাত আছিল। কেইজনমান ভাৰতীয় বাৰিষ্টাৰো আছিল। আজি-কালি চীনা আৰু মালয়াবাসী বাৰিষ্টাৰৰ সংখ্যা অনেক হৈছে। তেতিয়া তেওঁলোকৰ সংখ্যা বেছি নাছিল। কোৱালালামপুৰ আৰু চিঙ্গাপুৰত দুখন উচ্চতম ন্যায়ালয় আছিল।

মালয়াত উকীলে ওকালতি কৰাৰ নিয়মটো ভাৰতৰ নিচিনাই আছিল অৰ্থাৎ তিনি-চাৰিজনে মিলি ওকালতি কৰিছিল। কিছুমান উকীলে আদালতলৈ নগৈ নিজৰ কাৰ্যালয়তে থাকি মক্কেলক পৰামৰ্শ দি আৰু তাতেই কাগজ-পত্ৰবোৰ তৈয়াৰ কৰিবলৈ পছন্দ কৰিছিল। এনেকৈ নিজৰ ইচ্ছা অনুসাৰে উকীলসকলে কাম কৰিছিল। মিলি-জুলি কাম কৰা উকীলসকলে বেলেগ বেলেগ মক্কেলৰপৰা মাচুল নলৈছিল অৰ্থাৎ উমৈহতীয়াভাৱে লোৱা মাচুল আটাইকেইজনে সমানে ভাগ কৰি লৈছিল। একেলগে মিলি-জুলি ওকালতি কৰা উকীলসকলে এটা নাম দি কোম্পানী খুলি লৈছিল আৰু সকলো কাম কোম্পানীটোৰ নামত হৈছিল।

জে. কে. নাৰায়ণ আৰু বীৰাস্বামীৰ কোম্পানীটোৰ নাম আছিল 'চাৰ্ণেস এণ্ড কোম্পানী'। বীৰাস্বামী তাৰ বিধান সভাৰ সদস্যও আছিল। তেওঁ এজন জনপ্ৰিয় আৰু নাম কৰা উকীল আছিল। তেওঁ কোৱলালামপুৰৰপৰা এশ মাইল দূৰত থকা মালকাত এটা কাৰ্যালয় খুলি তাৰ কাৰ্যভাৰ মোৰ ওপৰত দিবলৈ স্থিৰ কৰিলে। সেই সময়ৰ নিয়মানুসাৰে মালায়াত ছমাহ থকাৰ পিছতহে বাহিৰৰপৰা যোৱা উকীলে ওকালতি কৰিব পাৰিছিল। সেই ছমাহত মোক এটা মাহিলি বেতন দিয়াৰ ব্যৱস্থা কৰিলে। বেতনটো বেছি নাছিল আৰু সেই বেতনেৰে কোনোমতে চলিছিলোঁ। ছমাহৰ পিছত বেতনটো অলপ বঢ়ালে যদিও যথেষ্ট নাছিল। ছমাহ হৈ যোৱাত ওকালতি কৰাৰ কাৰণে নামটো পঞ্জীবদ্ধ কৰিবলৈ পাঁচশ টকাৰ আৱশ্যক হৈছিল কিন্তু হাতত টকা নথকাৰ কাৰণে পাঁচশ টকা আনৰপৰা ধাৰে ল'লোঁ। আৰ্থিক পৰিস্থিতিলৈ চাই মই চাৰ্ণেস কোম্পানীৰপৰা ওলাই স্বতন্ত্ৰীয়াভাৱে ওকালতি কৰিবলৈ মনস্থ কৰিলোঁ। কিন্তু সেইটো কৰা সহজ নাছিল।

হাতত পুঁজি নাথাকিলে তাত ওকালতি কৰা সম্ভৱ নাছিল। থাকিবলৈ আৰু কাৰ্যালয়ৰ কাৰণে ভাল ঘৰৰ আৱশ্যক। এটা ভাল ঘৰৰ ভাৰাও বেছি। কাৰ্যালয়ৰ খৰচ, কেৰাণীৰ দৰ্মহা, ঘৰভাৰা আৰু অন্যান্য আনুষঙ্গিক খৰচৰ কাৰণে ভাল পুঁজিৰ আৱশ্যক কিন্তু মোৰ হাতত একোৱেই নাছিল। গতিকে চাৰ্ণেস কোম্পানীৰপৰা ওলাই কি কৰিম একো ভাবি-চিন্তি উলিয়াব নোৱাৰিলোঁ।

এসপ্তাহ পাৰ হৈ গ'ল। তাত ছমাহ থাকোঁতে ওচৰ-চুবুৰীয়া কেইবাটাও পৰিয়ালৰ লগত মোৰ পৰিচয় হ'ল। মই স্বাধীনভাৱে ওকালতি কৰিবলৈ মনস্থ কৰাত তেওঁলোকৰে এজনে কাৰ্যালয় খুলিবলৈ মোক এহেজাৰ ডলাৰ ধাৰে দিলে। তেওঁৰ সহায়ত 1928 চনৰ জুন মাহত মই মালকাত ওকালতি আৰম্ভ কৰিলোঁ আৰু লগে লগে তাৰপৰা ত্ৰিশ মাইল দূৰত মুবাৰ নামৰ ঠাইত এটা কাৰ্যালয়ো খুলিলোঁ। মুবাৰ জোহৰ ষ্টেটত আছিল আৰু আগতে উল্লেখ কৰা মতে মালকা বৃটিছ শাসনৰ অধীনত থকা এখন ৰাজ্য অছিল। সোমবাৰৰপৰা শুকুৰবাৰলৈ মই মালকাত আছিলোঁ আৰু শনিবাৰ আৰু দেওবাৰে মুবাৰলৈ গৈছিলোঁ। জোহৰৰ চুলতান মুছলমান বুলি তাত বৃহস্পতিবাৰ আৰু

শুকুৰবাৰ ছুটীৰ দিন আছিল আৰু সেই কাৰণে মই সপ্তাহত সাতদিন দুই ঠাইত জিৰণি নোলোৱাকৈ কাম কৰিছিলোঁ।

মক্কেলবিলাক চীনা, তামিলভাষী আৰু মালয়াবাসী আছিল। সেই কাৰণে তেওঁলোকৰ কথাবোৰ শুনি লিখি থৈ ইংৰাজীলৈ অনুবাদ কৰি আবেদন পত্ৰ যুগুত কৰিবলৈ কেৰাণীৰ নিতান্ত প্ৰয়োজন আছিল। সেই কেৰাণীজনক 'মোকৰ্দমা কেৰাণী' কোৱা হৈছিল। আদালতলৈ গৈ আবেদন পত্ৰক পঞ্জীবদ্ধ কৰি আৰু মোকৰ্দমাৰ কাৰণে অহা মক্কেলবিলাকৰ কাথাবোৰ বুজি ল'বলৈ এজন 'আদালত কেৰাণী, দেৱানী মোকৰ্দমাবোৰৰ কাৰণে 'ভূমি কাৰ্যালয়'লৈ গৈ পঞ্জীয়ন কৰিবলৈ 'ভূমি কাৰ্যালয় কেৰাণী', টাইপ কৰিবলৈ এজন 'টাইপিষ্ট' আৰু এজন চাপৰাচীৰ প্ৰয়োজন। এই সকলোবোৰৰ কাৰণে দুটা কাৰ্যালয় চলাবলৈ মোৰ প্ৰতি মাহে এহেজাৰ ডলাৰৰ আৱশ্যক আৰু তাৰ উপৰি মোৰ পৰিয়ালৰ খৰচ। যি কি নহওক, দুয়োটা কাৰ্যালয় খোলাৰ কিছুদিনৰ পিছতে মোৰ ওকালতি ভালদৰে চলিবলৈ আৰম্ভ কৰাত মোৰ আৰ্থিক অৱস্থা টনকিয়াল হ'ল।

ওকালতি বৰ সন্তোষজনকভাৱে চলাৰ কাৰণে মোৰ ভাল দিন আহিল বুলি মনত আশ্বাস পালোঁ আৰু অনেক টকা উপাৰ্জন কৰি সোনকালেই স্বদেশলৈ উলটি যোৱাৰ আত্ম-বিশ্বাসো মনলৈ আহি গ'ল।

তেতিয়া মালকা ডাঙৰ চহৰ নাছিল। পঞ্চদশ শতাব্দীত পৰ্ত্তুগীজসকল মালকালৈ আহিছিল আৰু অনেক দিনলৈকে তাত তেওঁলোকৰ আড্ডা আছিল। এতিয়াও মালকাত পৰ্ত্তুগীজ মানুহ আছে আৰু তেওঁলোকে পৰ্ত্তুগীজ ভাষা কয়। ইয়াৰ ভিতৰত তেওঁলোকৰ আচাৰ-ব্যৱহাৰ আৰু ৰীতি-নীতিৰ অনেক পৰিৱৰ্তন হ'লেও তেওঁলোকে নিজকে পৰ্ত্তুগীজৰ বংশধৰ বুলি গৰ্ব কৰে।

মালকাত চীনা আৰু মালয়াবাসীসকলৰ বাহিৰেও অনেক ভাৰতীয় লোক আছিল। 'মালকা ভাৰতীয়' নামৰ এটা শ্ৰেণীৰ মানুহো তাত বাস কৰিছিল ; কিন্তু তেওঁলোকৰ সংখ্যা অনেক কম আছিল। তেওঁলোকে কেইবাপুৰুষো ধৰি তাত বাস কৰিছিল। প্ৰথমতে তেওঁলোক তামিলভাষী আছিল কিন্তু এতিয়া তেওঁলোকে তামিল ভাষা একেবাৰে নেজানে আৰু মালয়া ভাষা কয়। তেওঁলোকৰ আচাৰ-ব্যৱহাৰতো কিছু পৰিৱৰ্তন আহিল।

ওচৰৰ ৰবৰৰ বাগিচাত অনেক মালয়ালী কেৰাণী আৰু অধিকাৰীয়ে কাম কৰিছিল। মই প্ৰথমতে এটা ক্লাব খুলিবলৈ চেষ্টা কৰিলোঁ যাতে কামৰপৰা ঘৰলৈ অহাৰ পিছত গধূলি ভাৰতীয়সকলে তাত আজৰিৰ সময়খিনি আনন্দেৰে কটাব পাৰে। ক্লাবটো খোলাৰ পিছত ভাৰতীয়সকলৰ সামাজিক জীৱনত কিঞ্চিত পৰিৱৰ্তন আহিল। তেওঁলোকে ক্লাবটোৰ উৎকৰ্ষ সাধনৰ কাৰণে চেষ্টা কৰিলে আৰু উৎসাহ দেখুৱালে। সেই বছৰ দীপাৱলীৰ সময়ত ভাৰতীয় মালকা ক্লাবত আয়োজন কৰা এটা বিশেষ সমাৰোহ বৰ আকৰ্ষণীয় আছিল আৰু অনেক দূৰৰপৰা অসংখ্য ভাৰতীয় তাত উপস্থিত

হৈছিল। সেই সমাৰোহটো তিনি-চাৰিদিন চলিছিল। দুবছৰ মই সেই ক্লাবটোৰ সভাপতি আছিলোঁ। মালকাৰপৰা চিঙ্গাপুৰলৈ গুচি অহাত মই সেই ঠাইডোখৰ এৰিবলগীয়া হৈছিল। সেই ক্লাবটো এতিয়াও ভালদৰে চলি আছে।

মোৰ কেইজনমান পুৰণি বন্ধু মালকালৈ আহিছিল। তেওঁলোকৰ ভিতৰত অন্ধ্ৰৰ নেতা প্ৰকাশম আৰু তেওঁৰ পত্নী আছিল। মাদ্ৰাজত 'স্বৰাজ' নামৰ ইংৰাজী বাতৰি-কাকত এখন প্ৰকাশ কৰিবৰ উদ্দেশ্য 'স্বৰাজ' কোম্পানীৰ অংশ জমা কৰিবৰ কাৰণে তেওঁ মালকালৈ আহিছিল। সেই সময়ত প্ৰকাশম ৰাজ্য পৰিষদৰ সদস্য আছিল। তেওঁ মোৰ ঘৰত এসপ্তাহ আছিল। সেই সময়ত এটা ঘটনা ঘটিছিল। ঘটনাটো এতিয়াও মোৰ স্পষ্ট মনত আছে।

এদিন ৰাতিপুৱা প্ৰকাশম আৰু তেওঁৰ পত্নীৰ লগত মই মোৰ কাৰত উঠি মালকাৰ-পৰা বাহিৰলৈ গৈছিলোঁ। গাড়ীখন মোৰ ড্ৰাইভাৰ অগস্ত্যয়ে চলাইছিল। সি বৰ বেগেৰে গাড়ী চলাবলৈ ভাল পাইছিল। আমি সোনকালেই এঠাইত উপস্থিত হোৱাৰ কথা আছিল। গতিকে অগস্ত্যয়ে তাৰ সামৰ্থ্য দেখুৱাবলৈ যিমান কম সময়ত পাৰে গন্তব্য স্থানত উপস্থিত হ'বলৈ অতি বেগেৰে গাড়ী চলাইছিল। মই দুবাৰমান কোৱা সত্ত্বেও সি গাড়ীখনৰ গতি কম কৰা নাছিল। আধা ঘন্টাৰ পিছত আমি এটা খাৰৈ পালোঁহি। খাৰৈটো ৰাস্তাটোৰ কাষে কাষে গৈছিল। প্ৰতি ঘন্টাত 50 মাইল বেগেৰে যোৱা গাড়ীখন হঠাৎ খাৰৈত পৰি গ'ল। খাৰৈটো বহল নাছিল আৰু সেই কাৰণে কাৰখন তলত নপৰি ওপৰতে থাকিল। সৌভাগ্যবশতঃ কাৰো একো নহ'ল কিন্তু কাৰখনৰ ভিতৰৰপৰা ওলাওঁতে আনৰ সহায় ল'বলগীয়া হ'ল। অগস্ত্যয়ে তাৰ দোষ স্বীকাৰ নকৰিলে, ৰাস্তাটোক ভালদৰে মেৰামত নকৰাৰ কাৰণে ৰাস্তাটোক দোষ দিলে।

অগস্ত্যই তাৰ গাড়ীখনক আন এখন গাড়ীয়ে চেৰ পেলাই গুচি যোৱা কেতিয়াও সহ্য কৰিব নোৱাৰিছিল। এবাৰ আমি মালকাৰপৰা মুবাৰলৈ গৈছিলোঁ। অগস্ত্যই এজন ইংৰাজে চলোৱা গাড়ী এখনক চেৰ পেলাই আগলৈ গ'ল। তেওঁ পুলিচৰ ওচৰত অভিযোগ কৰাত—আনৰ নিৰাপত্তালৈ কেৰেপ নকৰি বৰ বেগেৰে গাড়ী চলোৱাৰ অপৰাধত মোকৰ্দমা কৰাত মই সাক্ষী হিচাপে আদালতলৈ যাব লগা হ'ল। মোৰ মনত আছিল অগস্ত্যই প্ৰতি ঘন্টাত পঞ্চাশ মাইলতকৈও বেছি গতিত গাড়ী চলাইছিল। আদালতত মই সেই কথা কোৱাত অগস্ত্যক 50 টকা জৰিমনা কৰিলে আৰু জৰিমনাৰ সলনি দুসপ্তাহ কৰাদণ্ড দিলে। জৰিমনাৰ পইচা মই দিলোঁ। শাস্তি পোৱাৰ কাৰণে অগস্ত্যই মনত দুঃখ পালে আৰু খেদ কৰিলে যে মই আদালতত যদি পঞ্চাশৰ ঠাইত ত্ৰিশ মাইল বুলি ক'লোহেঁতেন তাৰ শাস্তি নিশ্চয় নহ'লহেঁতেন। মই ক'লোঁ, "তুমি পঞ্চাশ মাইল গতিত গাড়ীখন চলোৱাটো সত্য কথা ; গতিকে মই ত্ৰিশ বুলি আদালতত কেনেকৈ কওঁ ?" সি ভোৰ্‌ভোৰালে, "আপুনি পঞ্চাশ বুলি নোকোৱাকৈ থাকিব পাৰিলেহেঁতেন।"

অগস্ত্য সৎ আৰু সমৰ্থ ড্ৰাইভাৰ আছিল। সি কাম কৰিবলৈ কেতিয়াও পিছ

নুহঁহকিছিল। তাৰ এটা মাত্ৰ দোষ আছিল যে সি কেতিয়াও কম গতিত গাড়ী চলাব নোৱাৰিছিল। সি কৈছিল, "যদি বেগেৰে কাৰ চলাব নেলাগে কাৰৰ কোনো আৱশ্যক নাই।"

অগস্ত্য এবছৰ মোৰ লগত থকাৰ পিছত স্বদেশলৈ ঘূৰি আহে। তাৰ এবছৰৰ পিছত অগস্ত্যৰ মৃত্যুৰ খবৰ শুনি মই অন্তৰত বৰ দুঃখ পাইছিলোঁ আৰু মোৰ এজন ঘনিষ্ঠ বন্ধুৰ মৃত্যু হ'ল বুলি অনুভৱ কৰিছিলোঁ।

দ্ৰাবিড় কষকমৰ নেতা ই ভি ৰামস্বামী নায়িকৰ মালায়লৈ আহিছিল। "স্বয়ং মৰ্যাদা" সমিতিৰ প্ৰচাৰৰ কাৰণে তেওঁ মালয়াৰ কিছুমান ঠাই ভ্ৰমণ কৰে। তেওঁ আৰু তেওঁৰ পত্নী দুদিন আমাৰ ঘৰত আছিল। অসহযোগ আন্দোলনৰ সময়ত সহকৰ্মী হিচাপে তেওঁক বাৰে বাৰে লগ পাইছিলোঁ। পিছত ৰামস্বামী নায়িকাৰে কংগ্ৰেছ এৰি দিয়ে। সিমানেই নহয়, তেওঁ পিছত কংগ্ৰেছৰ ঘোৰ শত্ৰু হৈ পৰিছিল। তথাপিও আমাৰ মাজত আগৰ বন্ধুত্ব ক্ষুণ্ণ হোৱা নাছিল। মালয়াত দ্ৰাবিড় কষগম সমিতিয়ে যেতিয়া তেওঁৰ সন্মানাৰ্থে এখন ডাঙৰ সভাৰ আয়োজন কৰে মোক সেই সভাৰ সভাপতিত্ব কৰিবলৈ আমন্ত্ৰণ কৰে। নায়িকাৰৰ লগত মোৰ ৰাজনৈতিক মত নিমিলিলেও তেওঁৰ লোক-সেৱাক প্ৰশংসা কৰিবলৈ মই আমন্ত্ৰণ গ্ৰহণ কৰিছিলোঁ। নায়িকাৰ বক্তৃতা দিয়া, নেতৃত্ব কৰা আৰু ৰাজহুৱা কামবোৰ কৰাত নিপুণ আছিল। তেওঁ 40 বছৰ ধৰি ৰাজহুৱা কামত লিপ্ত আছিল আৰু তেওঁ উৎসাহ আৰু উদ্যমক ভিন্ন মতৰ নেতাসকলেও প্ৰশংসা কৰিছিল।

প্ৰায় দুবছৰ মই মালকাত ওকালতি কৰোঁ। নাট্‌টকোট্ট চেট্টিয়াৰৰ বংশৰ অনেক মানুহে তাত কাম কৰিছিল। তেওঁলোকৰ কাম আছিল টকা ধাৰে দি সুত লোৱা। তেওঁলোকে লাখ লাখ টকা ধাৰত দিয়াৰ উপৰিও মালকাৰ অনেক ঠাইত ব্যৱসায়ত অনেক টকা লগাইছিল। বন্ধু হিচাপে আৰু মক্কেল হিচাপেও তেওঁলোকক মই ভাল পাইছিলোঁ।

চেট্টিনাট্ট ৰজা চাৰ অন্নমালা চেট্টিয়াৰ যেতিয়া মালকালৈ আহিছিল তেতিয়া তেওঁৰ সন্মানাৰ্থে আয়োজন কৰা সভাখনৰ সভাপতিত্ব কৰিবলৈ মোক অনুৰোধ কৰিছিল। সেইদিনাই অন্নমালা চেট্টিয়াৰৰ লগত পৰিচয় হ'বলৈ মই সুবিধা পাইছিলোঁ। চেট্টিয়াৰ বংশৰ মানুহবিলাকে তেওঁক বৰ আড়ম্বৰ আৰু ধুমধামেৰে অভ্যৰ্থনা কৰিছিল। সেই দৃশ্যটো মোৰ এতিয়াও মনত আছে।

চেট্টিয়াৰ বংশৰ মানুহৰ বিষয়ে ক'বলগীয়া অনেক কথাই আছে। মালকাত মোৰ ওকালতিৰ সময়ত ফৌজদাৰী মোকৰ্দমাত লিপ্ত হোৱা এজন চেট্টিয়াৰৰ জামিনৰ কাৰণে ওকালতি কৰিবলৈ এবাৰ মই আদালতত হাজিৰ হ'বলগীয়া হৈছিল। মই চেট্টিয়াৰজনক জামিনত দিবলৈ জজৰ ওচৰত গোহাৰি জনাওঁ। অপৰাধৰ গুৰুত্ব দেখি জজে তেওঁক জামিনত দিবনে নিদিব কিছু সময়লৈকে স্থিৰ কৰিব পৰা নাছিল। শেহত মোৰ ওকালতিত সন্তুষ্ট হৈ চেট্টিয়াৰক জামিনত দিবলৈ মান্তি হ'ল। সেই সংবাদটো শুনি

তাত গোট খোৱা চেট্ৰিয়াৰ বংশৰ সকলো মানুহে বৰ আনন্দ পালে। শেহত সংবাদটো দিবলৈ অপৰাধীক আদালতলৈ আনিবলৈ কোৱা হ'ল। কিন্তু চেট্ৰিয়াৰ নাই—পুলিচৰ হাতৰপৰা পলাল। অপৰাধীক পুলিচে তন্ন তন্নকৈ বিচাৰিলে কিন্তু ক'তো বিচাৰি নাপালে। আদালতৰ সকলো মানুহ আচৰিত হ'ল ; লগতে মই আৰু জজও। মোৰ 'নিৰাপৰাধী' মক্কেল পলাই যোৱাত জজৰ ওচৰত মই অপ্ৰস্তুত হ'লোঁ। সেই চেট্ৰিয়াৰ অপৰাধীক পুলিচে ক'তো বিচাৰি নাপালে। মই আজিলৈকে ভাবি নাপালোঁ পুলিচৰ চকুত ধূলি মাৰি কেনেকৈ সেই চেট্ৰিয়াৰ অপৰাধী অদৃশ্য হৈছিল।

গণ্ডগোলৰ সূত্ৰপাত

মালয়া এনেকুৱা এখন দেশ য'ত ৰবৰ আৰু টিন অধিক পৰিমাণে পোৱা যায়। এই দুটা বস্তুৰ দামৰ ভিত্তিত মালয়াৰ বজাৰৰ দৰ বাঢ়ে আৰু কম হয়। মই যেতিয়া তালৈ যাওঁ তেতিয়া ৰবৰৰ দাম বৰ বেছি আছিল আৰু ৰবৰৰ বাগিচাবোৰৰ বেচা-কিনা বৰ বেছিকৈ চলিছিল। সেই সম্বন্ধীয় কাগজ-পত্ৰবোৰ পঞ্জীয়ন কৰিবলৈ উকীলৰ আৱশ্যক হৈছিল আৰু সেই কাৰণে উকীলে বেছি পৰিমাণে ধন উপাৰ্জন কৰিছিল। সেই কামত উকীলৰ এজন বা দুজন কেৰাণী সদায় ব্যস্ত থাকিবলগীয়া হৈছিল। সেই কামৰ কাৰণে মোৰ এজন চীনা কেৰাণী আছিল। তেওঁ কামত বৰ নিপুণ আছিল। এদিন চীনা কেৰাণীজনে মোক ক'লেহি যে তেওঁৰ এজন বন্দুৰ 1000 ডলাৰ আৱশ্যক হৈছিল আৰু তেওঁ নিজৰ ৰবৰৰ বাগিচাখন বন্ধকত ৰাখি ধাৰ ল'বলৈ বিচাৰিছে। মই কোনো মহাজনৰপৰা টকা ধাৰে লোৱাটো সঙ্গত হ'ব বুলি ভাৱি এজন চিনাকি মহাজনক মাতি আনি ৰবৰৰ বাগিচাখনৰ কাগজ-পত্ৰ মোৰ সম্মুখত চহী কৰাই মোৰ চীনা কেৰাণীজনৰ বন্ধুজনক মহাজনৰপৰা এহেজাৰ ডলাৰ ধাৰত দিয়ালোঁ। সকলো কাগজ-পত্ৰ লৈ মহাজন আৰু টকা লৈ চীনা কেৰাণীজনৰ বন্ধুজন নিজৰ নিজৰ ঠাইলৈ গুচি গ'ল। দুদিনৰ পিছত কাগজ-পত্ৰবোৰ পঞ্জীয়ন নোহোৱাৰ কাৰণে ভূমি কাৰ্যালয়ৰপৰা ঘূৰাই পঠালে। খবৰ পঠালে বাগিচাখনৰ গৰাকী কেতিয়াবাই মৰিল আৰু কাগজ-পত্ৰত থকা চহীটো আন কাৰোবাৰহে। চীনা কেৰাণীজনে মোক ক'লে তেওঁৰ বন্ধুজনে তেওঁক ফাকি দিছিল আৰু তেওঁ তাৰ অসৎ উদ্দেশ্যৰ কথা জানিব পৰা নাছিল। মহাজনৰ টকা অথলে গ'ল আৰু তাৰ বাবে ময়েই দায়ী আছিলোঁ। ইতিমধ্যে পুলিচে তদন্ত কৰিও মোৰ কেৰাণীজনৰ বন্ধুক বিচাৰি নাপালে যিহেতু সি চীনলৈ গ'ল। মোৰ হাতত পইচা নাছিল আৰু সেই কাৰণে মহাজনক মই এখন 'প্ৰিমেচৰী নোট' লিখি দিলোঁ। মই দুবছৰৰ পিছতহে সেই এহেজাৰ ডলাৰ পৰিশোধ কৰিছিলোঁ।

আন এটা তেনেধৰণৰ ঘটনা মুবাৰত ঘটিছিল। সেই ঘটনাটো এইটোতকৈও অনেক বেয়া আছিল। মোৰ মুবাৰ কাৰ্যালয়ত পানিকৰ নামৰ এজন পঞ্জীয়ন কৰা কেৰাণী আছিল। সেই শকত-আৱত মানুহজনে মোৰ মক্কেলৰ লগত বৰ ভাল ব্যৱহাৰ কৰিছিল আৰু তেওঁলোকেও তেওঁক ভাল পাইছিল। পানিকৰ এজন সমৰ্থ কেৰাণী আছিল আৰু তেওঁ নিখুঁতভাৱে কামবোৰ কৰিছিল। মক্কেলে তেওঁক বিশ্বাস কৰিছিল আৰু ময়ো বিশ্বাস কৰিছিলোঁ। মই সপ্তাহত দুবাৰকৈ মুবাৰলৈ গৈছিলোঁ। সেই সময়ত দিনে দহ-পোন্ধৰখন কাগজ পঞ্জীয়নৰ কাৰণে যুগুত হৈছিল। মক্কেলে মোৰ সম্মুখত কাগজত চহী কৰাৰ পিছত পঞ্জীয়ন কৰিবলৈ কাগজবোৰ মাচুলেৰে সৈতে পানিকৰক দিছিল

আৰু পঞ্জীকৃত হোৱাৰ পিছত পানিকৰে সকলো কাগজ যথাস্থানলৈ পঠাই দিছিল। তেওঁ কাগজৰ এটা প্ৰতিলিপি মক্কেলক দিছিল আৰু মক্কেলে পাইছে বুলি চহী কৰি লৈছিল। কাৰ্যালয়ত এখন বহী আছিল য'ত সকলো পঞ্জীকৃত কাগজৰ সবিশেষ বিৱৰণ লিখা আছিল আৰু মক্কেলৰ প্ৰাপ্তিৰ চহী আছিল। মই মুবাৰলৈ যোৱাৰ সময়ত বহীখন চাইছিলোঁ আৰু কোনো ভুল মোৰ চকুত পৰা নাছিল। এনেকৈয়ে কেইবামাহো পাৰ হৈ গৈছিল।

মালকাত ঘটা ঘটনাটোৰ দুমাহৰ পিছত এদিন এজন মহাজনে মোৰ ওচৰত অভিযোগ কৰিলেহি যে তেওঁ কেইবাখনো পঞ্জীকৃত কাগজ পোৱা নাই। পানিকৰক সোধাত কাগজবোৰ তেওঁৰ ঘৰত আছে বুলি কৈ ঘৰৰপৰা আনিবলৈ গ'ল। কেইবা-ঘন্টাও পাৰ হৈ গ'ল তথাপি পানিকৰ ঘূৰি নহাৰ কাৰণে মই মানুহ এজনক পানিকৰৰ ঘৰলৈ পঠাই দিলোঁ। পানিকৰক ঘৰত নাপাই মানুহজন ঘূৰি অহাত মোৰ সন্দেহ হ'ল আৰু বহীখনত সাৱধানে পৰীক্ষা কৰিলোঁ। তাত সেই কাগজবোৰ মক্কেলে ঘূৰাই পোৱাৰ চহী আছিল। মহাজনক চহীবোৰ দেখুওৱাত অস্বীকাৰ কৰাত জানিব পাৰিলোঁ বহীখনত থকা মক্কেলসকলৰ প্ৰাপ্তিৰ সকলো চহী জাল আৰু চাৰি মাহ ধৰি কোনো কাগজ পঞ্জীয়ন কৰা নাই। জৰিমনাৰে হিচাপ কৰি দেখা গ'ল চাৰি হেজাৰ ডলাৰ ভূমি কাৰ্যালয়ত শোধ কৰিবলগীয়া আছে। মোৰ অলপো সন্দেহ নাথাকিল পঞ্জীয়নৰ কাৰণে মক্কেলে দিয়া সকলো পইচা পানিকৰে আত্মসাৎ কৰিলে। মই তৎক্ষণাৎ ভূমি-অধিকাৰীক লগ ধৰিলোঁ আৰু সকলো কথা বিবৰি কোৱাত তেওঁ জৰিমনাখিনি মাফ কৰিলে। কাগজবোৰৰ পঞ্জীয়ন কৰাৰ মাচুল মই মোৰপৰা শোধ কৰিলোঁ। মাচুল এহেজাৰ ডলাৰৰো বেছি হ'ল। সুখৰ বিষয় যে মক্কেলসকলৰ কোনো ক্ষতি নহ'ল।

এমাহৰ পিছত পানিকৰক কোৱালালামপুৰত পুলিচে গ্ৰেপ্তাৰ কৰিলে আৰু বিচাৰত প্ৰৱঞ্চনা কৰাৰ অপৰাধত আঠ মাহ সশ্ৰম কাৰাদণ্ড দিলে। জেলৰপৰা পানিকৰে অনুতাপ কৰি মোলৈ এখন চিঠি লিখিছিল আৰু মিঠাইৰ লাড়ু খাবলৈ বৰ ইচ্ছা হোৱাত কেইটামান লাড়ু জেললৈ পঠাই দিবলৈ অনুৰোধ কৰিছিল। মই পানিকৰৰ অনুৰোধ ৰক্ষা কৰিলোঁ আৰু কেইটামান লাড়ু জেললৈ পঠাই দিলোঁ।

জেলৰপৰা ব্যাধিগ্ৰস্ত হৈ পানিকৰ ওলাই আহি মোৰ ওচৰলৈ আহিল আৰু তেওঁক মোৰ ঘৰত থাকিবলৈ দিলোঁ আৰু চিকিৎসাৰ ব্যৱস্থা কৰিলোঁ। হস্পিতালৰপৰা আৰোগ্য হৈ অহাৰ পিছত পানিকৰে এটা চাকৰি দিয়াবলৈ মোক অনুৰোধ কৰিলে আৰু তাৰ বাবে এখন ভাল প্ৰমাণ পত্ৰ দিবলৈ কান্দি কান্দি ক'লে।

কন্দা দেখি মোৰ দয়া হ'ল আৰু মোৰ জনা-শুনা এটা ডাঙৰ সংস্থাৰ গৰাকীলৈ এখন চিঠি দিলোঁ। চিঠিত পানিকৰৰ হৈ যোৱা ঘটনাবোৰ সংক্ষেপে উল্লেখ কৰি আৰু তাৰবাবে অনুতপ্ত বুলি লিখি প্ৰাৰ্থীয়ে এজন সুদক্ষ আৰু পাৰ্গত কেৰাণী সেই কথা উল্লেখ কৰি চাকৰিৰ কাৰণে অনুমোদন কৰিলোঁ। পানিকৰে লগে লগে চাকৰি পালে কিন্তু তাৰ ছমাহ মানৰ পিছতে হৃদৰোগত তেওঁৰ মৃত্যু হয়।

মোৰ জীৱনৰ আন এটা তিক্ততাপূৰ্ণ ঘটনা তলত উল্লেখ কৰিছোঁ। 1930 চনৰ জুনত যেতিয়া মই কোৱালালামপুৰ উচ্চতম ন্যায়ালয়ত নামভুক্ত কৰিবলৈ আবেদন কৰোঁ তাৰ 'বাৰ কমিটি'য়ে তাৰ বিৰোধিতা কৰে। এফ. এম. এচ.ৰ আদালতত ওকালতি কৰিবৰ কাৰণে মই আগতেই চিঙ্গাপুৰ উচ্চতম ন্যায়ালয়ত নামভুক্ত কৰিছিলোঁ। মোৰ নামভুক্তিৰ বিৰোধিতা কৰি 'বাৰ কমিটি'য়ে তাৰ কাৰণ দেখুৱালে যে মই ভাৰতত ৰাজদ্ৰোহ কৰি সেই অপৰাধত কাৰাবাস কৰিছিলোঁ আৰু তাৰ আদালতে বহিষ্কাৰ কৰাৰ পিছত অসহযোগ আন্দোলনত ভাগ লৈছিলোঁ। এই সম্বন্ধত কোৱালালামপুৰ 'বাৰ কমিটি'ৰ সচিৱে দাখিল কৰা হলফনামাৰ লগত জি. কে. নাৰায়ণে মোৰ বিষয়ে লিখা এখন চিঠি আৰু মাদ্ৰাজ পুলিচে কোৱালালামপুৰ পুলিচ আয়ুক্তলৈ লিখা এখন চৰকাৰী চিঠি উল্লেখযোগ্য। নাৰায়ণে লিখিছিল—'1919 চনৰপৰা মই কেশৱ মেননক জানো ; তেতিয়া তেওঁ মোৰ লগত ওকালতি কৰিছিল। 1921 চনত যেতিয়া অসহযোগ আন্দোলন আৰম্ভ হয় তাত ভাগ ল'বলৈ তেওঁ কেৰালালৈ যায়। 1921 চনৰ পিছত—কেতিয়া মোৰ মনত নাই—কেশৱ মেননক কাৰাদণ্ড দিয়ে। কি অপৰাধত তেওঁক কাৰাদণ্ড দিছিল মই নেজানো।" নাৰায়ণে এইটোও চিঠিত উল্লেখ কৰিছিল যে ইয়াৰ ফলস্বৰূপেই 1922 চনত মালবাৰত হাঙ্গামা হৈছিল।

নাৰায়ণ চাৰ্ণেস কোম্পানীৰ এজন অংশীদাৰ আছিল। সেই কোম্পানীটোৰপৰা বেলেগ হৈ মই যে ওকালতি আৰম্ভ কৰিছিলোঁ সেই কথাটো তেওঁ উল্লেখ কৰা নাছিল। বুজা গ'ল তেওঁ মোক শিক্ষা দিবলৈ ইচ্ছা কৰিয়েই সেই কথাষাৰ চিঠিত লিখা নাছিল।

মালয়ালৈ যোৱাৰ আগতে তেওঁ মোলৈ এখন চিঠি লিখিছিল আৰু সেই চিঠিত মোৰ ত্যাগৰ কাৰণে মোক ভূয়সী প্ৰশংসা কৰিছিল। নাৰায়ণে সেই সকলো কথা পাহৰি গ'ল।

মাদ্ৰাজ পুলিচে কোৱালালামপুৰ পুলিচলৈ যিখন প্ৰতিবেদন পঠাইছিল সেই প্ৰতিবেদন এনে ধৰণৰ আছিল ঃ

"নাম ঃ কে. পি. কেশৱ মেনন

ব্যৱসায় ঃ অসহযোগী, বিপ্লৱী ;

মাদ্ৰাজৰ সকলো শ্ৰমিক আন্দোলনত মই সক্ৰিয় অংশ গ্ৰহণ কৰিছিলোঁ আৰু 'ট্ৰামৱে' বনুৱা সঙ্ঘ স্থাপন কৰাত মই মুখ্য ভূমিকা গ্ৰহণ কৰিছিল। 1921 চনৰ ফেব্ৰুৱাৰীত কোষিক্কোট্টত ইয়াকুব হুচেইন আদি লোকসকলক গ্ৰেপ্তাৰ কৰাত এওঁ ওকালতি বন্ধ কৰি অসহযোগ আন্দোলনত ভাগ ল'বলৈ মালবাৰলৈ যায়। মালাবাৰৰ কেইবাঠাইতো ঘূৰি-পকি খিলাফত আৰু অসহযোগ আন্দোলনৰ বিষয়ে এওঁ বক্তৃতা দিয়ে। এওঁ কেৰালাত অসহযোগ আন্দোলনৰ প্ৰাণস্বৰূপ আছিল। ভৈকম সত্যাগ্ৰহত প্ৰধান অংশ গ্ৰহণ কৰাৰ কাৰণে কেশৱ মেননক 1924 চনৰ 7 এপ্ৰিলত গ্ৰেপ্তাৰ কৰা হয় আৰু সুৰক্ষা আৰু শান্তি ভঙ্গ কৰাৰ অপৰাধত ছমাহ কাৰাদণ্ড দিয়া হয়। জেলৰপৰা এওঁক সেই বছৰৰে ছেপ্তেম্বৰ মাহত মুক্ত কৰা হয়।

"কোষিক্কোট্টৰপৰা প্ৰকাশিত এখন বাতৰি-কাকতৰ এওঁ সম্পাদক আছিল। 1925 চনৰ জুলাইত মাদ্ৰাজলৈ ঘূৰি গৈ এওঁ দ্বিতীয়বাৰ ওকালতি আৰম্ভ কৰে।"

মই মোৰ কাম আৰু অভিমত আদালতৰ সন্মুখত গোপন কৰিবলৈ ইচ্ছা কৰা নাছিলোঁ। মোৰ সকলো হৈ যোৱা ঘটনা মই আদালতত দাখিল কৰা হলফনামত ব্যক্ত কৰিছিলোঁ। মোৰ হলফনামা খন 1915 চনত কোষিক্কোট্টত ওকালতি আৰম্ভ কৰাৰে পৰা মালকাত উপস্থিত হোৱালৈকে এখন সংক্ষিপ্ত ইতিহাস আছিল।

ৰায় শুনিবৰ কাৰণে আদালত ভিৰ হৈছিল। মোৰ হকে কেম্পল নামৰ এজন বাৰিষ্টাৰে ওকালতি কৰিছিল আৰু 'বাৰ কমিটিৰ পক্ষে স্যেন নামৰ এজন বাৰিষ্টাৰ আছিল। মোকৰ্দমা প্ৰধান জজৰ সন্মুখত চলিছিল। তেওঁ সেইদিনা ৰায় ঘোষণা কৰে।

তেওঁৰ ৰায়ৰ সাৰাংশ আছিল—'ৰাজনীতি-অভিমতৰ লগত ব্যৱসায়ৰ কোনো সম্বন্ধ নাই। যেতিয়ালৈকে নিবেদকৰ চাকৰিৰ লগত সম্বন্ধ থকা কোনো অপৰাধ নাথাকে তেতিয়ালৈকে নিবেদকক অনুমতি নিদিয়াৰ কোনো কাৰণ নাই। সেই কাৰণে নিবেদকক উচ্চতম ন্যায়ালয়ত নামভুক্ত কৰাৰ অনুমতি দিয়া হৈছে।'

জজে মোক ক'লে "আপোনাৰ সকলো সফলতা কামনা কৰোঁ।"

সেই মোকৰ্দমাটোৰ ৰায় শুনিবলৈ সকলো উৎকণ্ঠিত হৈ আছিল আৰু ৰায়টো মোৰ অনুকূল হোৱাত বন্ধু-বান্ধৱ আৰু শুভাকাঙ্ক্ষীসকল সুখী হ'ল।

সেই মোকৰ্দমাটোৱে কেৰল মালয়াতেই নহয় স্বদেশতো আলোড়নৰ সৃষ্টি কৰিছিল। মোৰ সাফল্যৰ কাৰণে মোক অভিনন্দন জনাই মাদ্ৰাজৰ 'হিন্দু' বাতৰি-কাকতত এটা দীঘল সম্পাদকীয় বাহিৰ হৈছিল। 'হিন্দু'ৰ বাহিৰেও 'মাতৃ-ভূমি', ৰামস্বামী নায়িকৰৰ 'কুটিযৰশ' আৰু বৰদৰাজুলু নাগডুৰ 'তামিলনাড়ু'ত মোৰ মোকৰ্দমাটোৰ বিষয়ে বিশদ বিৱৰণ আৰু সম্পাদকীয় প্ৰকাশিত হৈছিল।

মোকৰ্দমাটোত মই সফল হ'লোঁ সচাঁ কিন্তু তাৰ কাৰণে যি কষ্ট আৰু দুঃখ ভোগ কৰিবলগীয়া হৈছিল তাৰ প্ৰতিক্ৰিয়া কেইবাবছৰলৈকে আছিল।

মালকাৰপৰা চিঙ্গাপুৰলৈ

মোৰ মোকৰ্দমাৰ বাতৰি মালকা আৰু চিঙ্গাপুৰৰ প্ৰধান প্ৰধান বাতৰি-কাকতবোৰত প্ৰকাশিত হৈছিল। সেই সময়ত মই মালকা আৰু জোহ্বত ওকালতি কৰি আছিলোঁ। কোৱালালামপুৰৰ 'বাৰ কমিটি'য়ে বিৰোধিতা কৰাৰ বাতৰিটো মালকাত বিখ্যাত হৈ পৰাত তাৰ মানুহে কোৱা-মেলা কৰিবলৈ ধৰিলে চিঙ্গাপুৰ 'বাৰ কমিটি'য়েও মোৰ বিৰোধিতা কৰিব। কথাটো সাধাৰণ মানুহৰ কাণত পৰিল আৰু তেওঁলোকে সচাঁ-মিছা বিচাৰ নকৰি তাকে মানি ল'লে। যিয়েই নহওক মোৰ বিৰুদ্ধে ওলোৱা সেই গুজবটো প্ৰচাৰ হোৱাত মালকা আৰু জোহ্বত আগতে পোৱা মোৰ ওকালতিৰ আয়ৰ মাত্ৰা হ্ৰাস হ'ল। নতুন মক্কেলে মোৰ ওচৰলৈ আহিবলৈ দ্বিধাবোধ কৰিলে আৰু পুৰণিবিলাকে লাহে লাহে গা এৰা দিলে। যিবোৰ মানুহে মোক আগতে সহানুভূতি দেখুৱাইছিল তেওঁলোক লাহে লাহে নীৰৱ হ'ল আৰু মোক নতুন মোকৰ্দমা দিবলৈ তেওঁলোকে শঙ্কাবোধ কৰিলে। যিসকলে আগতে মোক ঋণ দিছিল তেওঁলোকেও ঋণ দিবলৈ দ্বিধাবোধ কৰিলে। গতিকে মোৰ অসুবিধা হ'ল। মোকৰ্দমাটোত যথেষ্ট টকা খৰচ হৈছিল আৰু সেই টকা ধাৰে লৈছিলোঁ। ধাৰৰ টকা শোধ কৰিব নোৱাৰি মই বৰ বিমোৰত পৰিলোঁ, ঘৰ আৰু কাৰ্যালয়ত ক'তো শান্তি নোহোৱা হ'ল।

সেই সময়তে পেনাঙৰ এখন বাতৰি-কাকতে মোৰ বিৰুদ্ধে এটা বাতৰি প্ৰকাশ কৰিলে যে যিহেতু মই স্বদেশত বনুৱা আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিলোঁ, মালয়াতো মই বনুৱা আন্দোলন আৰম্ভ কৰিলে এই দেশৰ ডাঙৰ ক্ষতি হ'ব। লগতে লিখিলে যে মালয়াত মোৰ নেতৃত্বত বনুৱা আন্দোলন আৰম্ভ হোৱাৰ সম্ভাৱনাও আছে। বাতৰিটো পঢ়ি মই লগে লগে সেই বাতৰি-কাকতখনৰ বিৰুদ্ধে পেনাঙৰ আদালতত মানহানিৰ মোকৰ্দমা কৰিলোঁ। সম্পাদকে ভয় খালে আৰু জৰিমনা দি আদালতত মোৰ ওচৰত ক্ষমা বিচাৰিলে। মোকৰ্দমা শেষ হ'ল কিন্তু জৰিমনাত পোৱা টকাৰ সংখ্যাতকৈ মোকৰ্দমাত মোৰ বেছি টকা খৰচ হ'ল।

এইখিনিতে মোৰ মনলৈ বৰ দুঃখ আৰু ধিক্কাৰ অহা এটা ঘটনা সংক্ষেপে বৰ্ণনা কৰোঁ। এটা ধাৰ শোধ কৰাটো মোৰ কাৰণে বৰ জৰুৰী হৈ পৰিছিল। ধাৰ দিয়া মানুহজনে প্ৰত্যেকদিনে মোৰ ওচৰলৈ পইচা বিচাৰি আহিছিল আৰু দিব নোৱৰাৰ বাবে বেয়া কথাও শুনাইছিল। উপায়হীন হৈ এদিন মই মোৰ এজন ধনী পুৰণি বন্ধুৰ ওচৰলৈ গ'লোঁ। তেওঁৰ ওচৰলৈ যাবৰ মোৰ একেবাৰে ইচ্ছা নাছিল। এসময়ত তেওঁৰ লগত মোৰ বন্ধুত্ব গাঢ় আছিল আৰু সেই কাৰণে সেই সম্বন্ধৰ সুবিধা লৈ তেওঁৰপৰা পইচা লোৱাৰ মোৰ সমূলি ইচ্ছা নাছিল। যতদূৰ সম্ভৱ তেওঁ মোৰ আৰ্থিক অৱস্থাৰ বিষয়ে

শুনিছিল কিয়নো মোক দেখিয়েই তেওঁৰ মুখৰ চেহেৰা সলনি হৈ গ'ল। উপায়হীন হৈ তেওঁৰ ওচৰলৈ অহাৰ কাৰণটো কোৱাত তেওঁ লগে লগে উত্তৰ দিলে, "মই কাকো টকা ধাৰে নিদিওঁ আৰু ধাৰ বিচাৰি অহা মানুহক মুঠেই ভাল নাপাওঁ। তুমি বেয়া নাপাবা, মই তোমাক টকা দিব নোৱাৰোঁ।" তেওঁৰ স্পষ্ট কথা শুনি মই থতমত খালোঁ, দুঃখ আৰু অপমানত মোৰ মুখখন ক'লা পৰিল আৰু তলমূৰ কৰি তাৰপৰা উঠি আহিলোঁ। ক'ৰবাত পঢ়িছিলোঁ টকাই মানুহৰ স্নেহ মমতা বন্ধুত্ব সকলো নিয়ে আৰু টকা থকা কিছুমান মানুহৰ মনুষ্যত্ব নাথাকে। কিন্তু সেইবোৰ কথাই মোৰ মনত শান্তি নিদিলে, ঘৰ আৰু কাৰ্যালয় ক'তো শান্তি নাপালোঁ, মনৰ দুঃখত ৰাতি ভালকৈ টোপনিও নাহিল। 'ঋণ লোৱা বৰ বেয়া কাম, ঋণগ্ৰস্ত মানুহৰ মনত কেতিয়াও শান্তি নাথাকে, ঋণে তিল তিলকৈ মানুহৰ হৃদয় দগ্ধ কৰে' কোনোবা কিতাপ এখনত পঢ়িছিলোঁ। আনপিনে ঋণ দিওঁতা নিষ্ঠুৰ হয়, ঋণৰ টকা ঘূৰাই নাপালে নিৰ্মম, খঙাল আৰু কঠোৰ হয়। ৰামৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ যাওঁতে ৰাৱণৰ মনৰ ভাব এনে আছিল "মোৰ ভীষণ খং উঠিছে, মই এতিয়া ঋণ দিওঁতাৰ নিচিনা নিষ্ঠুৰ, খঙাল আৰু নিৰ্মম।" কবি কম্বৰে ধৰুৱাৰ বিষয়ে লিখিছিল 'ঋণে মানুহক নিৰ্লজ্জ আৰু ভয়াতুৰ কৰে।'

সেই সময়ত মোৰ ইচ্ছা হৈছিল এডোখৰ জনশূন্য ঠাইলৈ গৈ নীৰলে বহি থাকোঁ। এদিন মই মালকাৰপৰা অলপ দূৰত থকা নিৰ্জন ঠাই এডোখৰলৈ গৈ অকলে বহি 'দৰ্শনৰ সান্ত্বনা' (The Consolation of philosophy) নামৰ কিতাপখন পঢ়িবলৈ ধৰিলোঁ। তাৰ মাজতে সেই নিৰ্জন, শান্ত ঠাইডোখৰৰ প্ৰাকৃতিক সৌন্দৰ্য উপভোগ কৰিলোঁ। চৰাইৰ কলৰৱ, ভোমেৰাৰ গুণগুণনি, কুলিৰ মৌসনা মাত, বনৰীয়া ফুল, গছত পৰি থকা বিভিন্ন ৰঙৰ পখিলা, ৰিবৰিবকৈ বোৱা পাতল বতাহে মন-প্ৰাণ হৰণ কৰিলে আৰু তাত থকা সময়খিনিত অন্তৰৰ সকলো দুঃখবেদনা আৰু অশান্তি পাহৰি গ'লোঁ।

কেইজনমান বন্ধুৱে মোৰ আৰ্থিক অনাটনৰ কথা জানি মোক সহায় কৰিলে আৰু টকা পঠাওঁতে নিজৰ পৰিচয় উহ্য ৰাখিলে। টকাৰ সংখ্যা বেছি নাছিল কিন্তু সেইসকলৰ বহল হৃদয়ৰ বিশালতা আৰু তাৰপৰা ওলোৱা সৎ ইচ্ছা আৰু সহানুভূতিৰ মূল্য মোৰ ওচৰত অসীম আছিল। মোৰ আৰ্থিক অৱস্থা যেতিয়া টনকিয়াল হৈছিল তেতিয়া মই সেই সকলো ধাৰ শোধ কৰিব পাৰিলোঁহেঁতেন কিন্তু সেই সহৃদয় বন্ধুসকলৰ নাম নজনাৰ কাৰণে শোধ কৰাটো মোৰ পক্ষে অসম্ভৱ আছিল। মোৰ দুৰ্দিনৰ সময়ত মালকা আৰু চিঙ্গাপুৰত থকা অনেক মালয়ালীয়ে চান্দা তুলি সমূহীয়াকৈ মোক সাহায্য কৰিছিল।

মোক মোৰ দুটা 'বন্ধু'ৱে মনত বৰ আনন্দ দিছিল। এটা 'টমী'—মোৰ কুকুৰটো আৰু ৰাম—মোৰ পোহনীয়া বান্দৰটো। কাৰ্যালয়ৰপৰা ঘূৰি আহি মই সিহঁতৰ লগত খেলিছিলোঁ। টমী আৰু ৰামৰ মাজত মিলা-প্ৰীতি আছিল আৰু দুয়ো খেলিছিল। সিহঁতৰ খেলা বৰ আকৰ্ষণীয় আছিল। ৰামক সদায় বান্ধি থৈছিলোঁ মাত্ৰ আবেলি অলপ

সময়ৰ কাৰণে খেলিবলৈ এৰি দিছিলোঁ। তেতিয়া সি ঘৰৰ আৰু গছৰ ওপৰত উঠি ঘূৰি ফুৰিছিল আৰু মাজে মাজে টমীৰ পিঠিৰ ওপৰত বহিছিল। ৰামে বহুতদূৰত থাকোঁতেই মোৰ 'কাৰ'খন দেখি মুখেৰে নানা শব্দ কৰি ঘৰত মোৰ আগমনৰ সূচনা দিছিল। আনন্দ, দুঃখ, ব্যথা আদি ভাববোৰ সি বেলেগ বেলেগ শব্দেৰে প্ৰকাশ কৰিছিল।

টমী বৰ সহনশীল কুকুৰ আছিল। কিবা এটা কৰিবলৈ তাক মানা কৰিলে সি সেইটো কাম লগে লগে বন্ধ কৰি দিছিল। মোক লগ পাবলৈ অহা কোনো মানুহক দেখি সি নুভুকিছিল। মই টহল দিবলৈ ওলালে তাক লগত লৈ যোৱাটো বাধ্যতামূলক আছিল। টহল দিবলৈ ওলালে সি মোৰ মাৰ্গ প্ৰদৰ্শক হিচাপে আগে আগে গৈছিল আৰু ইতিমধ্যে মই ৰাস্তা সলনি কৰিলে সি ঘূৰি আহি আকৌ মোৰ আগত থিয় হৈছিল। কেতিয়াবা বেয়া বা জঙ্গলী ৰাস্তায়েদি যাওঁতে টমী বৰ সহায়ক আছিল। টমী বৰ প্ৰভুভক্ত আৰু মোৰ কাৰণে সকলো কৰিবলৈ সদায় উদ্যত আছিল। তাৰ যদি ঋণ পৰিশোধ কৰাৰ ক্ষমতা থাকিলহেঁতেন মোৰ দুৰ্দিনৰ সময়ত মোৰ সকলো ধাৰ নিজৰ প্ৰাণ উচৰ্গা কৰি হ'লেও শোধ কৰিলেহেঁতেন। কুকুৰ এটা অদ্ভুত জন্তু। তাৰ প্ৰভুভক্তি, কৰ্তব্যজ্ঞান, ত্যাগ আৰু আনক সহায় কৰা মনোভাব আদি গুণবোৰে মানুহক প্ৰেৰণা দিয়া উচিত। এদিন ৰাতিপুৱা মই মালকাৰপৰা কিছুদূৰলৈ মোকৰ্দমাৰ কামত গৈছিলোঁ। গধূলি ঘূৰি আহি বাৰান্দাত টমীক নেদেখি মোৰ অস্বাভাৱিক যেন লাগিল। পিছত শুনিলোঁ মই যোৱাৰ পিছতে তাক মটৰ গড়ী এখনে ৰাস্তাত চেপি মাৰিলে। ঘৰৰ কাষতেই তাক পুতি থ'লোঁ। টমীৰ মৃত্যুত মই অন্তৰত যি দুঃখ পাইছিলোঁ সেই দুঃখ পাহৰিবলৈ মোৰ অনেক দিন লাগিছিল। টমীৰ মৃত্যুৰ পিছত মনত আৰু বেছি দুঃখ পাইছিলোঁ ৰামক দেখি। কেইবাদিনলৈকে তাৰ চকুৰপৰা চকুৰ পানী ওলাই আছিল।

মোৰ এজন অন্তৰঙ্গ বন্ধুৱে বিশ্বাস কৰিছিল—মোৰ সকলো দুঃখ আৰু অশান্তিৰ কাৰণ ৰাম—মোৰ বান্দৰটো। তেওঁৰ মতে বান্দৰক ঘৰত পোহা মঙ্গলজনক নহয়। তেওঁৰ সেই বিশ্বাসৰ উৎস কি মই বুজিব নোৱাৰিছিলোঁ। যিয়েই নহওক, এদিন মই ঘৰত নথকাত তেওঁ ৰামক হাবিত এৰি থৈ আহে। ৰাম যোৱাৰ পিছত মোৰ দুঃখ-কষ্টৰ অন্ত নপৰিল বৰং তাৰ বিৰহত মোৰ অন্তৰৰ দুঃখ দুগুণ বেছিহে হ'ল।

মই মালাকালৈ যোৱাৰ এবছৰৰ পিছত মোৰ ভাই অপ্পুকুট্টন তালৈ আহিল। সি মোৰ মুবাৰত থকা কাৰ্যালয়ত সোমাল আৰু তাতে থাকিবলৈ ল'লে। তেতিয়াও মোৰ আৰ্থিক অৱস্থাৰ উন্নতি হোৱা নাছিল আৰু ঋণে মোক জুৰুলা কৰিছিল। মানুহে কয় ঋণ আৰু এন্দুৰ বৰ বেগেৰে বৃদ্ধি হয় আৰু দুয়ো মানুহৰ নাশ কৰে। মালকাৰপৰা মুবাৰলৈ যাওঁতে বাটতে এখন নদী পৰে। নদীখন নাৱেৰে পাৰ হ'ব লাগে। নাৱত উঠি গৈ থাকোঁতে কেতিয়াবা ঋণৰপৰা ৰক্ষা পাবলৈ নাৱৰপৰা জাঁপ মাৰি পানীত পৰি মৰিবলৈ ইচ্ছা হৈছিল। কিন্তু এনে কৰিলে মোৰ পত্নী আৰু ল'ৰা-ছোৱালীকেইটাৰ কি গতি হ'ব ? সিহঁতে বিদেশত খাব কি আৰু থাকিব ক'ত? হে ঈশ্বৰ, মই আৰু কিমান দিন এনেকৈ জীয়াতু ভুগিম ? মোৰ দুঃখ-কষ্টৰ কেতিয়াকৈ অন্ত পৰিব ? এনে ধৰণৰ

বেয়া চিন্তাবোৰ ৰৈ ৰৈ মোৰ মনলৈ আহিছিল। মই বলিয়া নহওঁ যদিও বলিয়া মানুহৰ চিন্তাবোৰে মোক অস্থিৰ কৰি তুলিছিল।

"আপুনি ইমান অধৈৰ্য হৈছে কিয় ? যি হ'ব লাগে হ'বই, তাক আমি কেনেকৈ বাধা দিম ?" মোৰ পত্নীয়ে মোক সান্ত্বনা দিয়ে। তেওঁৰ দৃষ্টিত মোৰ ডাঙৰ বিলাই-বিপত্তি ডাঙৰ নহয় কিয়নো মোতকৈও বেছি দুঃখ-কষ্ট পোৱা মানুহ জগতত আছে। তেওঁ সোধে, "দুঃখ-কষ্ট নোভোগা কোনো মানুহ জগতত আছেনে ? ধৰুৱা হোৱা এটা অপৰাধনে ?" সেইবোৰ প্ৰশ্নৰ উত্তৰ মোৰ ওচৰত নাছিল ; কিন্তু আজিলৈকে মই কিয় দুঃখ-কষ্ট আৰু অভাৱ-অনাটনৰ বাহিৰে সুখৰ মুখ দেখা নাই তাৰ উত্তৰ মোক কোনে দিব ? "তোমাৰ কষ্ট যিমান বেছি হয় সি তোমাৰ আগত সিমান ডাঙৰ এটা প্ৰত্যাহ্বান আনি থিয় কৰায়," —এজন মহান ব্যক্তিয়ে কোৱা এই কথাষাৰ সেই সময়ত মই স্মৰণ কৰিছিলোঁ।

কোৱালালামপুৰ 'বাৰ কমিটি'ৰ বিৰুদ্ধে কৰা মোৰ মোকৰ্দমা শেষ হোৱাৰ পিছতে মই ওকালতিৰ কাৰণে চিঙ্গাপুৰলৈ যাবলৈ স্থিৰ কৰিলোঁ। অৱশ্যে সেই কথাটো মই কাৰো আগত প্ৰকাশ নকৰিলোঁ। মালকাৰ কেইজনমান ধাৰ দিওঁতাই মোৰ ওপৰত মোকৰ্দমা কৰি ডিক্ৰী পাইছিল। গতিকে মোৰ ঘৰৰ আৰু কাৰ্যালয়ৰ বস্তুবোৰ জব্দ কৰিছিল। যিদিনা মই টালিটোপালা বান্ধি চিঙ্গাপুৰলৈ যাত্ৰা কৰোঁ আইনানুসাৰে মই যিবোৰ বস্তু নিব পাৰোঁ সেইবোৰ লৈ সপৰিবাৰে ৰাতিপুৱা মটৰ গাড়ীত চিঙ্গাপুৰলৈ যাত্ৰা কৰোঁ। মোৰ ছোৱালী পদ্মিনীৰ এটা ডাঙৰ পুতলা আছিল। সেই পুতলাটো ক্ৰোকত যোৱাত ঘৰতে এৰি থৈ আহিবলগীয়া হৈছিল। গাড়ীত উঠাৰ লগে লগে পদ্মিনীয়ে ক'লে, "মোৰ পুতলাটো আনিবলৈ পাহৰিলোঁ লৈ আহোঁগৈ," বুলি কাৰৰপৰা নামিবলৈ ধৰোঁতেই মই ক'লোঁ, "সেই পুতলাটো থাকক, তোক তাতোকৈ ভাল আৰু ডাঙৰ পুতলা চিঙ্গাপুৰত কিনি দিম।" মোৰ কথা শুনি পদ্মিনীয়ে মনটো মাৰি পেলালে আৰু ড্ৰাইভাৰে কাৰখন চলাই দিলে।

মালকাৰপৰা চিঙ্গাপুৰলৈ 120 মাইল। ৰাস্তাটো নিমজ আৰু বহল। যাত্ৰাটো সুখৰ আছিল। মাজে মাজে বাটত ৰোৱাৰ কাৰণে আমি সন্ধিয়া চিঙ্গাপুৰত উপস্থিত হ'লোঁ। চিঙ্গাপুৰত মোৰ অনেক বন্ধু-বান্ধৱ আছিল। এই কাৰণে উজ্জ্বল ভৱিষ্যৎ কামনা কৰি আকৌ এটা নতুন জীৱন আৰম্ভ কৰিলোঁ। কিন্তু পিছত মোৰ এনেকুৱা লাগিছিল যেন মই তপত কেৰাহিৰপৰা জ্বলি থকা জুইকুৰাত পৰিবলৈহে আহিলোঁ।

কেইটামান মোকৰ্দমা

মোৰ চিঙ্গাপুৰৰ জীৱন সুখৰ নাছিল। তথাপি সেই চহৰখনক মই যিমান ভাল পাইছিলোঁ আন কোনো চহৰক সিমান ভাল নাপাইছিলোঁ। সেই চহৰখনৰ পৰিষ্কাৰ-পৰিচ্ছন্নতা, সৌন্দৰ্য্য, থকাৰ সুখ-সুবিধা, তাৰ মানুহৰ মাৰ্জিত ব্যৱহাৰ আৰু ভাল প্ৰশাসনে মোক আকৃষ্ট কৰিছিল। প্ৰায় দেৰশ বছৰৰ আগতে চিঙ্গাপুৰ এখন মাছমৰীয়া গাঁও আছিল। সেই সৰু দ্বীপটো এতিয়া আধুনিক সকলো সুখ-সুবিধা থকা এখন সুন্দৰ চহৰ আৰু এটা প্ৰধান সামুদ্ৰিক কেন্দ্ৰ।

1819 চনত টমাচ ষ্টাফৰ্ড ৰাফেল নামৰ এজন ইষ্ট ইণ্ডিয়া কোম্পানীৰ অধিকাৰীয়ে তেওঁৰ দুজন বন্ধুৰ লগত চিঙ্গাপুৰত পদাৰ্পন কৰোঁতে তাত মাত্ৰ কিছুমান শুকান গছ আৰু মাছমৰীয়াৰ পঁজাৰ বাহিৰে আন একো নাছিল। তেতিয়া সেই দ্বীপটো জোহৰ চুলতানৰ অধীনত আছিল। ইতিহাসৰপৰা জনা যায় এসময়ত সেই দ্বীপটোত সিংহপুৰী নামৰ এখন ডাঙৰ চহৰ আছিল। চতুৰ্দশ শতাব্দীত যাভাবাসীয়ে সেই চহৰখন ধ্বংস কৰে। ৰাফেলে সিংহপুৰীৰ বিগত গৌৰৱ উদ্ধাৰ কৰিবলৈ সংকল্প কৰে। 1824 চনত বৃটিছে সেই দ্বীপটো জোহৰ চুলতানৰপৰা অধিকাৰ কৰে।

দ্বীপটোৰ ভৌগোলিক বিশেষত্বৰ কথা বুজি ৰাফেলে চিঙ্গাপুৰৰ উন্নতিৰ কাৰণে কাৰ্যক্ৰম হাতত লয় আৰু সেইবোৰ কাৰ্যকৰী কৰে। চহৰখনৰ উন্নতিৰ কাম এতিয়াও সেই ধৰণে চলি আছে। তেতিয়া দ্বীপটোক শাসন কৰিছিল ভাৰত চৰকাৰে। 1867 চনত সেই শাসন-ব্যৱস্থাৰ পৰিৱৰ্তন হয়।

চিঙ্গাপুৰৰ 12 লাখ বাসিন্দাৰ ভিতৰত 8.05 লাখৰো অধিক চীনা আৰু 1.05 লাখ মালয়াবাসী। ভাৰতীয় 87,000 হ'ব। বাকীখিনি বৃটিছ আৰু অন্যান্য দেশৰ মানুহ।

চিঙ্গাপুৰত আমদানী বস্তুৰ ওপৰত কোনো কৰ ধাৰ্য কৰা নহৈছিল। সেই কাৰণে ব্যৱসায়ত উন্নতি হৈছিল। মই যেতিয়া আছিলোঁ তেতিয়া তাত জজৰ শাসন ব্যৱস্থা নাছিল। শাসনকাৰ্যত মানুহে বেছি মন দিয়া নাছিল কাৰণ তেতিয়া তাত ভাল উপনিৱেশ শাসন চলিছিল। শাসনৰ বিৰুদ্ধে কোনেও প্ৰতিবাদ নকৰিছিল আৰু শাসনকাৰ্য সুচাৰু-ৰূপে চলি আছিল। সেই সময়ত কোনেও কল্পনা কৰা নাছিল যে এদিন তাত নিৰ্বাচন হ'ব আৰু ৰাইজৰ নিৰ্বাচিত প্ৰতিনিধিসকলে শাসনভাৰ হাতত ল'ব। ৰাজনৈতিক পৰিৱৰ্তন চিঙ্গাপুৰৰ অপ্ৰত্যাশিত প্ৰগতিৰ মূল কাৰণ আছিল।

চিঙ্গাপুৰত ন্যায়লয়ৰ সংখ্যা অনেক। ডাঙৰ ডাঙৰ কাৰ্যালয়ৰ সংখ্যাও বেছি আৰু সৰহভাগ বৃটিছৰ। ন্যায়ালয়বিলাকত চীন, ভাৰতীয় আৰু লঙ্কাবাসী উকীল আছে। ভাৰতীয় উকীলৰ সংখ্যা কম। সেই সময়ত মাত্ৰ চাৰি-পাঁচজনহে আছিল।

মালকাত কাৰ্যালয় খোলোতে যিমান পইচা খৰচ হৈছিল চিঙ্গাপুৰত তাতকৈ বেছি হ'ল। থকা-মেলাৰ খৰচো তাতকৈ বেছি। তাত টকা ধাৰে ল'লে সোনকালেই ঘূৰাই দিব লাগে। নহ'লে চিঙ্গাপুৰত ওকালতি কৰা সম্ভৱ নহয়। মোৰ হাতত বেছি পইচা নাছিল আৰু যেতিয়া মই তাত থকা মোৰ বন্ধু এজনক মোৰ আৰ্থিক অৱস্থাৰ কথা কলোঁ, তেওঁ মোক সহায় কৰিব বুলি আশ্বাস দিলে। কিন্তু তেওঁৰ হাতত সিমান টকা নাছিল। তেওঁ মোক নাট্যকোট্ট চেট্টি নামৰ ধনী মানুহ এজনৰ ওচৰলৈ লৈ গ'ল আৰু সেই উদাৰ পুৰুষজনে মোক সহায় কৰিলে। তেওঁৰ সাহায্যতেই মই চিঙ্গাপুৰত ওকালতি আৰম্ভ কৰিলোঁ। যিসকলে মোক দুৰ্দিনৰ সময়ত সহায় কৰিছিল তেওঁলোকৰ ওচৰত মই যে কিমান কৃতজ্ঞ তাক ভাষাৰে প্ৰকাশ কৰিব নোৱাৰো। তেওঁলোকে ভৱিষ্যতে কোনো লাভৰ আশা নকৰি মোক নিস্বাৰ্থভাৱে সহায় কৰিছিল।

মোকৰ্দমা পাবলৈ বেছি সময় নালাগিল। বেছি ভাগ মোকৰ্দমা দেৱানী কিন্তু মই ফৌজদাৰী মোকৰ্দমাও পাইছিলোঁ। কিছুমান মোকৰ্দমাৰ কথা এতিয়াও মোৰ মনত আছে। সেইবোৰে মানুহৰ বদ মেজাজ আৰু কদৰ্যতাৰ সাক্ষ্য বহন কৰিছিল।

চিঙ্গাপুৰ নৌ-সেনাৰ আড্ডাত কাম কৰা অনেক মালয়ালী মানুহ 'লোক আশ্ৰয়স্থল' নামৰ ঠাইত বাস কৰিছিল। তাত অন্য জাতিৰ ভাৰতীয়ও আছিল। সিহঁতৰ ভিতৰত গোপাল নামৰ এজন বাঢ়ৈ আৰু পিল্লে নামৰ এজন শ্ৰমিক আছিল। দুয়ো একে ঠাইতে বাস কৰিছিল। পিল্লেই তাৰ গাধোৱা চাবোন ডোখৰ এটা টেমাত ৰাখিছিল। পিল্লে নথকাৰ সময়ত এদিন গোপালে তাৰ চাবোন ডোখৰ লৈ গৈ গা-ধুলে আৰু গা-ধোৱাৰ পিছত আগৰ ঠাইত টেমাটোত থৈ দিলে। পিল্লে ঘূৰি আহি তাৰ চাবোনটো কোনোবাই ব্যৱহাৰ কৰিলে বুলি গোপালক সোধাত সি স্বীকাৰ কৰিলে। কিন্তু তাক নোসোধাকৈয়ে চাবোন ডোখৰ নিয়াৰ কাৰণে পিল্লেৰ বৰ খং উঠিল আৰু সি গোপালৰ গালত জোৰেৰে চৰ এটা দিলে। চৰ খাই গোপালে থতমত খালে আৰু সাধাৰণ এটা কথাৰ কাৰণে আনৰ আগত চৰটো খাই সি অপমানত ম্ৰিয়মান হ'ল। সেই সময়ত সি একো নক'লে আৰু মুখখন ক'লা কৰি তাৰ পৰা আঁতৰি গ'ল। ৰাতি খাই বৈ সকলো শুলে আৰু পিল্লেও তাৰ পঁজাটোত বেঞ্চ এখনত শুই টোপনি গ'ল। মাজৰাতি এটা ডাঙৰ চিঞৰ শুনা গ'ল,—চিঞৰটো পিল্লে শুই থকা ঠাইৰ পৰা আহিছিল। মানুহে গৈ দেখিলে মাটিত পিল্লেৰ ৰক্তাক্ত মৃতদেহটো পৰি আছে আৰু তাৰ পিঠিত কুঠাৰ এখন সোমাই আছে।

যিহেতু সেই পঁজাটোত গোপালৰ বাহিৰে আন কোনো মানুহ নাছিল আৰু কুঠাৰ খন গোপালৰ, পুলিচে গোপালক হত্যা অপৰাধত গ্ৰেপ্তাৰ কৰিলে আৰু বিচাৰত তাৰ ফাঁচী হ'ল।

শাস্তি হ্ৰাস কৰাৰ ক্ষমতা চিঙ্গাপুৰৰ ৰাজ্যপালৰ হাতত আছিল। মই তাৰবাবে এখন আবেদন পত্ৰ লিখি চহীৰ কাৰণে গোপালৰ ওচৰলৈ গ'লো। সি জেলৰ কোঠা এটাত অকলে আছিল। মোক দেখি মোৰ হাত দুখনত জোৰেৰে ধৰি কান্দি কান্দি ক'লে, "মোক আপুনি ৰক্ষা কৰক, মাৰ মই একমাত্ৰ ল'ৰা।" মই দেই দুৰ্ভগীয়াক আশ্বাস

দিবলৈ চেষ্টা কৰিলোঁ। দুসপ্তাহৰ পিছত শুনিলোঁ শাস্তি হ্ৰাস কৰিবৰ কাৰণে দিয়া তাৰ আবেদন পত্ৰখন নামঞ্জুৰ কৰা হ'ল।

পিছত শুনিলোঁ গোপালক ফাঁচীৰ কাঠত তুলিবলৈ যাওঁতে ধৰি লৈ যোৱা জেলৰ কৰ্মচাৰী কেইজনে অনেক পৰিশ্ৰম কৰিব লগা হৈছিল। গোপালে হাত ভাৰি আছাৰি তেওঁলোকৰ হাতৰ পৰা মুক্ত হ'বলৈ প্ৰাণপনে চেষ্টা কৰিছিল। এনেকৈয়ে শেহত গোপাল সেইখন লোকলৈ গুছি গৈছিল যিখন লোকলৈ পিল্লে আগতেই গৈছিল।

কেইজনমান মালয়ালী অপৰাধীৰ এটা মোকৰ্দমাৰ কথা মোৰ মনত পৰে। কিছুমান মালয়ালী বনুৱাই জোহ্বৰ ওচৰত জাপানী ৰবৰ বাগিচাত কাম কৰিছিল। এদিন এজন মালয়ালী ডেকাৰ মৃতদেহটো গছ এজোপাত কোনোবাই ওলোমাই থোৱা দেখা পালে আৰু পুলিচে সন্দেহ কৰি হত্যাৰ অপৰাধত আঠ জন মালয়ালী ডেকাক গ্ৰেপ্তাৰ কৰিলে। সিহঁতক হাকিমৰ ওচৰলৈ লৈ যোৱাত তেওঁ তিনিজনক অপৰাধত অভিযুক্ত কৰি বাকী পাঁচজনক এৰি দিয়ে। হত্যাৰ অপৰাধত সেই তিনিজন ডেকাৰ উচ্চতম ন্যায়ালত বিচাৰ আৰম্ভ হ'ল। যি পাঁচজনক এৰি দিলে সিহঁতৰ ভিতৰত নাম্বিয়াৰ নামৰ মানুহ এজন আছিল। সি সিহঁতৰ নেতা আছিল আৰু বাকী আটাইকেইটাই তাৰ তলত বনুৱা হিচাপে কাম কৰিছিল। এদিন মৃত বনুৱাটোৱে নাম্বিয়াৰক বেয়া ভাৱে কথা কোৱাত সি বাকী কেইটা বনুৱাক তাক উচিত শিক্ষা দিবলৈ আদেশ দিয়াত সিহঁতে তাক ডিঙি টেপি মাৰে আৰু সি ডিঙিত জৰী লগাই আত্মহত্যা কৰিছে বুলি পুলিচে জানিবলৈ তাৰ মৃতদেহটো গছত ওলোমাই থয়।

আটাইকেইটা বনুৱাক নাম্বিয়াৰে বেতন দিছিল আৰু যেতিয়া তিনিটা বণুৱাৰ বিচাৰ আৰম্ভ হয় সি মোকৰ্দমাৰ খৰচ বহন কৰিবলৈ অস্বীকাৰ কৰাত আপুনি আমাৰ একে দেশৰে মানুহ, আপুনি আমাক ৰক্ষা নকৰিলে আন কোনো নাই বুলি মোক আকৃতি-মিনতি কৰাত উকীল হিচাপে অনিচ্ছা সত্বেও মই সিহঁতক সহায় কৰিবলৈ মান্তি হওঁ। কিন্তু বিচাৰত সিহঁত অপৰাধী বুলি সাব্যস্ত হয় আৰু ন্যায়াধীশে তিনিওটাকে প্ৰাণদণ্ড দিয়ে।

সিহঁতৰ শাস্তি কমাবৰ কাৰণে মই চুলতানলৈ সিহঁতৰ আবেদন পত্ৰবোৰ পঠাওঁ আৰু দয়া কৰি চুলতানে তিনিওটাৰে প্ৰাণদণ্ডৰ সলনি দহ বছৰকৈ সশ্ৰম কাৰাদণ্ডৰ আদেশ দিয়ে। এনেকৈয়ে সিহঁতৰ জীৱন ৰক্ষা পৰে আৰু 1941 চনত দ্বিতীয় মহাসমৰ আৰম্ভ হোৱাত সকলো বন্দীক মুক্ত কৰাত সিহঁতো মুক্ত হৈ জেলৰ পৰা ওলাই আহে।

আৰু এটা মোকৰ্দমাৰ কথা বিশেষকৈ উল্লেখযোগ্য বুলি পাঠকৰ আগত দাঙি ধৰিলোঁ। এই ঘটনাটো জোহ্বৰ এখন ৰবৰৰ বাগিচাত ঘটিছিল। চিন্নপন নামৰ বনুৱা এটাই সেই বাগিচাখনত কাম কৰিছিল আৰু আঠ বছৰ কাম কৰি বিয়া কৰিবলৈ পইচা গোটাইছিল। সেই কথাটো আন এটা বনুৱাই জানি তাৰ জীয়েক পোন্নাম্মাক তালৈ বিয়া দিব বুলি প্ৰলোভন দেখুৱাই চিন্নপনৰ সকলো জমা টকা লয় কিন্তু পোন্নাম্মাৰ বিয়া আন এজন মানুহৰ লগত স্থিৰ কৰে। সেই কথাটো জানি চিন্নপনৰ মনত বৰ দুঃখ হয় আৰু

পোন্নাম্মাই যাতে আন এজন মানুহক বিয়া নকৰে তাৰ উপায় চিন্তা কৰে। পোন্নাম্মাই সেইখন বাগিচাতে কাম কৰিছিল। এদিন চিন্নপনে "পোন্নাম্মা মোৰ, তাই সিপুৰীতো মোৰ হ'ব" বুলি কৈ তাইক হত্যা কৰে আৰু হত্যাৰ অপৰাধত তাৰ প্ৰাণদণ্ড হয়। মই চিন্নপনৰ দণ্ডক হ্ৰাস কৰিবলৈ এখন আবেদন পত্ৰ লিখি চিন্নপনৰ ওচৰলৈ চহীৰ কাৰণে লৈ যোৱাত সি চহী কৰিবলৈ অস্বীকাৰ কৰে আৰু কয়, "পোন্নাম্মা মোৰ। তেওঁ মোৰ কাৰণে স্বৰ্গত অপেক্ষা কৰি আছে। মই অতি সোনকালেই তেওঁৰ ওচৰলৈ যাব লাগিব।" চিন্নপনৰ কথা শুনি মই আচৰিত হলোঁ। যেতিয়া চিন্নপনক ফাঁচীৰ কাঠত থিয় কৰায় তেতিয়া তাৰ মুখত তৃপ্তিৰ হাঁহি বিৰিঙি উঠিছিল যেন সি বিয়াৰ হোমৰ ওচৰতহে বহিবলৈ গৈছে। সি কৈছিল, "পোন্নাম্মা, মই তোমাৰ ওচৰলৈ আহিছোঁ।"

এই ঘটনাটোৰ ভিত্তিত মই 'মাতৃ-ভূমি'ত 'স্বৰ্গত বিবাহ' নামৰ এটা গল্প প্ৰকাশ কৰিছিলোঁ। কোনো কোনো পাঠকৰ হয়তো মনত আছে।

মোকৰ্দমা পাইছিলোঁ কিন্তু তাৰ পৰা পোৱা টকা মোৰ কাৰণে যথেষ্ট নাছিল। সেই কাৰণে মই ধন উপাৰ্জনৰ অন্য উপায়ৰ কথা চিন্তা কৰিব লগা হৈছিল।

চিঙ্গাপুৰত ভি. এম. চি. এ. এখন ব্যৱসায়িক স্কুল খুলিছিল। মই সপ্তাহত দুদিন সেই স্কুলখনত পঢ়াবলৈ গৈছিলোঁ। স্কুলখন সন্ধিয়া খুলিছিল আৰু সেই কাৰণে মোৰ কোনো অসুবিধা নহৈছিল। স্কুলখনত পঢ়াই যি সামান্য বেতন পাইছিলোঁ সেই পইচাখিনি মোৰ কামত আহিছিল। মই তাত ছমাহ পঢ়াইছিলোঁ।

নিৰাশাৰ অন্ধকূপত

আমাৰ সুখ-দুখ আৰু জয়-পৰাজয়ৰ প্ৰধান ভিত্তি আমি নিজে। কিন্তু সুখ-দুখৰ এনেকুৱা কাৰণো থাকে যাক আমি চিনি নেপাওঁ নাইবা যাৰ ওপৰত আমাৰ নিয়ন্ত্ৰণ নাই আৰু থকাটো সম্ভৱো নহয়। যেতিয়া কোনো কৰ্তব্য কৰিব লগা হয় আৰু আমি তাক সম্পাদন কৰোঁ, কেতিয়াবা তাৰ ফল বিপৰীত হয় আৰু আমাৰ মনলৈ নিৰাশা আহে। তেতিয়া আমাৰ মনলৈ আহে যে আমি কালৰ সোঁতৰপৰা বাহিৰ হ'ব নোৱাৰোঁ। এনেকুৱা অনুভূতিবোৰ মোৰ মনলৈকো আহিছিল আৰু এতিয়াও আহে। কেতিয়াবা মনলৈ অহা সকলো কাম কৰিবলৈ অসমৰ্থ হওঁ আৰু আশাৰ সলনি নিৰাশাই মনটো ছাটি ধৰে। মই মালকাত পোৱা দুঃখ-কষ্টবোৰৰপৰা অব্যাহতি পাম বুলি আন এঠাইলৈ আহিছিলোঁ কিন্তু নিৰ্দয় বিধিয়ে সেইটো হ'বলৈ নিদিলে।

চিঙ্গাপুৰলৈ অহা এমাহ হ'ল। এজন মক্কেলে মোক এনে এটা মোকৰ্দমাত হাজিৰ হ'বলৈ ক'লে যিটো মোকৰ্দমাত ওকালতি প্ৰথমে এজন ইংৰাজ উকীলে কৰিছিল। যেতিয়া উকীল সলনি কৰা হয়, দুয়োজন উকীলৰ ভিতৰত কিবা এটা মিটমাট হয়— সেইটোৱেই তাৰ নিয়ম আছিল।

মক্কেলজনে মোক আদালতত হাজিৰ হ'বলৈ অনুৰোধ কৰাত মই ইংৰাজ উকীলজনক মোকৰ্দমাৰ সকলো কাগজ-পত্ৰ মোলৈ পঠাই দিবলৈ লিখিলোঁ আৰু লগতে লিখিলোঁ যদি কিবা মাচুল পাবলগীয়া আছে, সেই পইচাখিনি মই তেওঁলৈ পঠাই দিম। তেওঁ মোৰপৰা এশ ডলাৰ পাব লগা আছে বুলি জনালে। মই সেই মোকৰ্দমাটোত কেইবাদিনো ওকালতি কৰিলোঁ। এনেতে সেই উকীলজনৰপৰা এখন চিঠি পালোঁ মক্কেলজনে সেই মোকৰ্দমাটো আকৌ তেওঁক দিয়াৰ কাৰণে মই যেন সকলো কাগজ-পত্ৰ তেওঁৰ ওচৰলৈ পঠাই দিওঁ আৰু কিমান মাচুল পাব লাগে তাকো জনাই দিওঁ। মোৰ 121 ডলাৰ পাবলগীয়া আছে। মই সেই কথাটো তেওঁক জনাই দিলোঁ। তেওঁ মোক মাচুলটো পঠাবলৈ কথা দিলে।

কিছুদিনৰ পিছত সেই উকীলজনে লিখিলে মই যেন তেওঁৰ পাবলগীয়া এশ ডলাৰ তেওঁলৈ পঠাই দিওঁ। তেওঁৰ চিঠিৰ উত্তৰত লিখিলোঁ যিহেতু মই তেওঁৰপৰা 121 ডলাৰ পাবলগীয়া আছে তাৰপৰা এশ ডলাৰ বাদ দি একৈশ ডলাৰ পঠাই দিলেই আমাৰ হিচাপটো ঠিক হ'ব। কিন্তু উকীলজন মোৰ কথাত মান্তি নহ'ল আৰু জেদ কৰি লিখিলে মোৰপৰা এশ ডলাৰ পোৱাৰ পিছতহে তেওঁ মোলৈ এশ একৈশ ডলাৰ পঠাই দিম। মই তেওঁতকৈ বেছি পইচা পাবলগীয়া আছিল আৰু সেই কাৰণে ময়ো জেদ কৰি টকাটো নপঠিয়ালোঁ। শেহত তেওঁ মোৰ বিৰুদ্ধে 'বাৰ কমিটি'ৰ ওচৰত অভিযোগ

কৰিলে যে মই মোৰ কোৱা কথা পালন কৰা নাই। কমিটিয়ে মোৰপৰা কৈফিয়ৎ বিচাৰিলে আৰু কেইদিনমানৰ পিছত কমিটিৰ সিদ্ধান্ত মোক জনালে যে মই ইজন উকীলতকৈ বেছি পইচা পাবলগীয়া হ'লেও মোৰ প্ৰতিশ্ৰুতি অনুসাৰে তেওঁৰ পাবলগীয়া টকাখিনি মই তেওঁক আগতে দিব লাগে আৰু নিদিলে উকীলৰ মাজত থকা সম্ভ্ৰাৰ নষ্ট হ'ব। মই মান্তি নোহোৱাত কমিটিয়ে তাৰ বিচাৰৰ কাৰণে মোকৰ্দমা হিচাপে প্ৰসঙ্গটো প্ৰধান জজৰ ওচৰলৈ পঠাই দিলে। আদালতে বাৰ কমিটিৰ সিদ্ধান্তক ন্যায়সঙ্গত বুলি ঘোষণা কৰিলে আৰু শাস্তি হিচাপে মোক দুমাহ ওকালতি কৰিবলৈ হাক দিলে। তদুপৰি মোকৰ্দমাটোৰ খৰচৰ বাবে মই আদালতক দুশ ডলাৰ দিব লগা হ'ল। চিঙ্গাপুৰত মোৰ ওকালতি দিনে দিনে ভাল হৈ অহাৰ সময়ত এই আকস্মিক ঘটনাটোৱে মোক ডাঙৰ ক্ষতি কৰিলে। মোৰ দুমাহৰ আয় বন্ধ হৈ গ'ল আৰু সিমানেই নহয় এই ঘটনাটোৰ প্ৰতিক্ৰিয়া মোৰ ভৱিষ্যত উন্নতিৰ এটা ডাঙৰ প্ৰতিবন্ধক হ'ব বুলি মই সন্দেহ কৰিলোঁ। উকীলজনে খোজা মতে মই এশ ডলাৰ পঠাই পিছত তেওঁৰপৰা এশ একৈশ ডলাৰ ল'ব পাৰিলোঁহেঁতেন। কিন্তু মোৰ কেইজনমান বন্ধুৱে জেদ নকৰিবলৈ মোক উপদেশ দিয়া সত্ত্বেও সেই সময়ত মোৰ সিদ্ধান্তটোক উচিত বুলি বিৱেচনা কৰিছিলোঁ আৰু এতিয়াও তাক উচিত বুলি ভাবোঁ।

দুমাহ ওকালতি বন্ধ হোৱাত মই বৰ কষ্ট ভুগিবলগীয়া হৈছিল। চহৰৰপৰা চাৰি মাইল দূৰত মোৰ ঘৰ আছিল আৰু সেই কাৰণে ঘৰৰ যাৱতীয় বস্তুবোৰ কিনিবলৈ চাৰি মাইল দূৰ যাবলগীয়া হৈছিল। বাছৰ ভাড়াও বেছি নাছিল কিন্তু পইচা বচাবলৈ মই খোজ কাঢ়িয়েই গৈছিলোঁ। সেই সময়ত মোৰ মনলৈ নানা ধৰণৰ চিন্তাবোৰ আহিছিল। দুমাহৰ পিছত মই ওকালতি আৰম্ভ কৰিলোঁ। ধাৰ দিওঁতা মানুহবোৰে অপেক্ষা কৰি আছিল। ওকালতিত যি পাওঁ তেওঁলোকক দিওঁতেই শেষ হৈ যায়, ঘৰৰ খৰচৰ কাৰণে যি বাকী থাকে সি যথেষ্ট নহয়।

মোক ধাৰ দিওঁতা মানুহবোৰ কেইবাবিধৰো আছিল। এবিধ মই কাৰোবাৰ লগত কথা পাতি থকাৰ সময়ত আহিছিল। তেনে সময়ত তেওঁক দেখিয়েই মোৰ গাটো শিথিল. আট নোখোৱা হৈ পৰিছিল আৰু যাৰ লগত কথা পাতি আছিলোঁ হঠাতে মোৰ কথাৰ সুৰ বদলি হৈছিল। মানুহৰ আগত মোক বেয়া কথা ক'ব বুলি ভাবি মই তৎক্ষণাৎ তাৰপৰা উঠি ধাৰ দিওঁতাজনক বাহিৰলৈ মাতি নি জেপত যি আছে তাকে দি তেওঁক লৰা-লৰিকৈ বিদায় দিছিলোঁ। কিমান দিলোঁ তাৰ কোনো হিচাপে নাছিল আৰু পিছতো ধাৰৰ টকাৰপৰা কটা নগৈছিল। সেই টকাখিনি নিজৰ সন্মান ৰাখিবলৈ ততাতৈয়াকৈ দিয়া টকা আছিল—যাৰ হিচাপ লোৱাতকৈ ধাৰ দিওঁতাজনক তাৰপৰা যিমান সোনকালে পৰা যায় আঁতৰ কৰোৱাটোৰ গুৰুত্ব মোৰ ওচৰত বেছি আছিল।

আন এবিধ ধাৰ দিওঁতা মানুহ বৰ চতুৰ আছিল। তেওঁলোকে মোৰ দুখত সহানুভূতি প্ৰকাশ কৰিছিল আৰু মোক শুনাই ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা কৰিছিল যেন মোৰ দুঃখৰ দিন সোনকালেই পাৰ হৈ যায়। তাৰ মাজতে তেওঁলোকে মোৰ মক্কেলৰ বিৱৰণ

জানি লৈছিল আৰু তেওঁলোক যোৱাৰ পিছত মোৰ ওচৰলৈ তুৰন্তে আহিছিল। মই তেতিয়া মক্কেলৰপৰা যি পাইছিলোঁ তাৰ আধা বা তাতকৈ বেছি দি তেওঁলোকক বিদায় দিছিলোঁ। তেওঁলোকৰো কেতিয়াবা মোকৰ্দমা লাগিছিল আৰু তেতিয়া তেওঁলোকে বিনা মাচুলত মোৰ পৰা কাম আদায় কৰিছিল। তৃতীয় বিধ-ধাৰ দিওঁতা অলপ কঠোৰ আছিল আৰু মোৰ ওচৰলৈ নিজে কেতিয়াও নাহি উকীলৰ যোগেদি ধাৰৰ টকা বাহিৰ কৰিছিল। যথা সময়ত ধাৰ শোধ কৰিব নোৱাৰি কেতিয়াবা দিন বঢ়াবলৈ তেওঁলোকৰ ওচৰলৈ গ'লে কৈছিল, "মই একো নাজানো, মোৰ উকীলৰ ওচৰলৈ যোৱা তেওঁ সকলো ব্যৱস্থা কৰিব।" উকীলৰ ওচৰলৈ গ'লে তেওঁ কৈছিল, "মোৰ মক্কেলৰ নিৰ্দেশৰ বিপৰীতে মই একো কৰিব নোৱাৰোঁ। দিন বঢ়াবলৈ তেওঁ মোক মানা কৰিছে।" এই বিধ ধাৰ দিওঁতাৰপৰা কোনো দয়া আশা কৰিব নোৱাৰি। এবাৰ মই 1200 ডলাৰ ধাৰে লৈ সুত আৰু আদালতৰ খৰচ সহ 4300 ডলাৰ দিবলগীয়া হৈছিল।

মোৰ এজন উকীল বন্ধুৱে এদিন আন এজন উকীল বন্ধুক কোৱা শুনিছিলোঁ, "মেননক দেখি এনে ধাৰণা হয় যে তেওঁক কোনো দুখ-কষ্টই বিচলিত কৰিব নোৱাৰে।" কিছুমান মানুহে মোৰ দুঃখ-কষ্টৰ কথা জানিছিল কিন্তু মই কাৰো আগত মোৰ দুখৰ কথা প্ৰকাশ নকৰিছিলোঁ। তথাপি অন্তৰত জ্বলি থকা জুইকুৰা বাহিৰ হ'বলৈ কেতিয়াও দিয়া নাছিলোঁ যদিও কেতিয়াবা মোৰ শাসন নামানি বাহিৰলৈ ওলাই আহিছিল।

সেই সময়ত এটা ঘটনা ঘটিছিল। এজন ধাৰ দিওঁতাই মোৰ কাৰ্যালয়ৰ বস্তুবোৰ আইনমতে আটক কৰি ল'লে। শুনিলোঁ তাৰ পিছদিনা মোৰ থকা ঘৰটোৰ বস্তুবোৰ লৈ যাবহি। টকাৰ সংখ্যা বেছি নাছিল কিন্তু সেই সময়ত কম বা বেছি মোৰ ওচৰত একো নাছিল। ঘৰলৈ আহি দেখিলোঁ দুই-তিনিবাৰ বিজুলীবাতিৰ পঁইচা শোধ নকৰাৰ কাৰণে ঘৰত বিজুলী সংযোগ কাটি থৈ গৈছে। পত্নীয়ে এটা লেম আৰু তিনিডালমান মমবাতি জ্বলাই কোনোমতে কামবোৰ কৰি আছে। সেইদিনা কাৰ্যালয়টো আটক কৰাৰ কথা আৰু পিছদিনা ঘৰৰ মালিকে জোৰ কৰি থকা ঘৰটো খালী কৰাৰ কথা মই পত্নীক কোৱা নাছিলোঁ। মোৰ এনে অনুভৱ হৈছিল যেন এটা গধুৰ বস্তুৱে মোক তললৈ টানি নিছে আৰু মই কোনোমতেই বাধা দিব পৰা নাই। গাৰপৰা চোলাটো খুলি মই বাৰান্দাত চকী এখনত বহিলোঁ। এটা মমবাতি টিমিক টামাককৈ জ্বলি আছিল। বহাৰপৰা দূৰলৈ চালোঁ—ঘোৰ অন্ধকাৰ, মোৰ জীৱনটোৰ দৰেই অন্ধকাৰ। ওচৰতে থকা কোঠাটোৰ-পৰা ল'ৰা-ছোৱালীৰ কথাবোৰ মোৰ কাণত পৰিছিল। সিহঁতে নিজৰ কথা পাতিছে। কিন্তু সিহঁত ডাঙৰ হৈছে আৰু ঘৰখনৰ অভাৱ-অভিযোগ আৰু তাৰ বাবে আমাৰ মানসিক অশান্তিৰ কথা সিহঁতে বুজিব পৰা হৈছে। মোৰ ওচৰলৈ কোনো অহা নাছিল, মই কিছুপৰ তাতেই মনে মনে বহি থাকিলোঁ।

পত্নী গা ধোৱা ঘৰত আছিল। মই বহাৰপৰা উঠি শোৱনি ঘৰলৈ গ'লোঁ আৰু দুৱাৰখন বন্ধ কৰিলোঁ। ল'ৰা-ছোৱালীবোৰে দুৱাৰখন বন্ধ কৰা দেখা নাছিল। সেইদিনা কাৰ্যালয় আটক কৰা যি বেয়া ঘটনা ঘটিল তাৰ পিছদিনা তাতোকৈ অপমানজনক ঘটনা

ঘটিব বুলি চিন্তা কৰি সেই কঠোৰ বাস্তৱৰ আগত থিয় হোৱাৰ ধৈৰ্য আৰু ক্ষমতা মই হেৰুৱাই পেলাইছিলোঁ। ওচৰৰ আল্‌নাত এখন গামোচা ওলমি আছিল। মই সেইখন আনি ডিঙিত মেৰিয়াই লৈ দুই মিনিটমান থিয় হৈ থাকিলোঁ। মই কি কৰিবলৈ ওলাইছিলোঁ সেইকণ জ্ঞান মোৰ সমূলি নাছিল। এনেতে জোৰেৰে দুৱাৰখন খুলি আম্মু সোমাই আহিল। তেওঁ গা ধুই কপোৰ সলাবলৈ আহিছিল। তেওঁ মোৰ মূৰ্খামি দেখিলে আৰু লৰমাৰি মোৰ ওচৰলৈ আহি মোৰ হাত দুখনত ধৰি আচৰিত হৈ সুধিলে, "আপুনি কি কৰিছে ?" মই লাজ পাই আন কথা কৈ মোৰ মূৰ্খামি লুকুৱাবলৈ চেষ্টা কৰিলোঁ। কিন্তু তাৰ আগতেই তেওঁ সকলো বুজিব পাৰিছিল। যদি আম্মু তাৰ দুই-তিনি মিনিট মানৰ পিছত আহিলহেঁতেন মোক কি অৱস্থাত পালেহেঁতেন ? সেই ৰাতি পত্নীৰ টোপনি নাহিল, কান্দি কান্দি তেওঁ গোটেই ৰাতিটো কটাই দিলে। পিছদিনা আহিব লগা যি বিপদটোলৈ মই অপেক্ষা কৰিছিলোঁ, পিছদিনা সেই বিপদটো নাহিল। দয়ালু ঘৰৰ মালিকে দুসপ্তাহৰ পিছত ঘৰৰ ভাৰা ল'বলৈ আহিব বুলি ক'লে।

এই সকলো কষ্টৰ কাৰণে মই বাৰু কি দুষ্কৰ্ম কৰিছিলোঁ ? মানুহে কয় কৰ্মৰ অনুসাৰে ফল পোৱা যায়। এই দাৰ্শনিক সিদ্ধান্তটো কিমান সত্য মই নেজানো। কিন্তু মোৰ জীৱনৰ প্ৰতি যে ঘৃণা আহিছিল সেইটো সত্য। যদি মোৰ মৰণ আহিলহেঁতেন মই তেওঁক যি কোনো প্ৰকাৰেই অভ্যৰ্থনা কৰিলোঁহেঁতেন। কিন্তু আত্মহত্যা কৰা উচিত নহয় আৰু সেইটো ভাব মোৰ মনলৈ পিছত কেতিয়াও অহা নাছিল।

মই জোৰ কৰি নিজৰ মনটোক বুজাবলৈ চেষ্টা কৰিলোঁ। অনিবাৰ্য বিপদ সহিব লাগে আৰু তাৰ আগত সাহসেৰে থিয় হ'ব লাগে। আনৰ সাহস দেখি আমি তেওঁক প্ৰশংসা কৰোঁ। গতিকে তেওঁক অনুকৰণ নকৰোঁ কিয় ? অনিবাৰ্য পৰিস্থিতিত সাহসৰ একান্ত প্ৰয়োজন। জগতত এনে মানুহ আছে যাৰ কেতিয়াও কোনো বিপদ হোৱা নাই ? মই মোৰ কেইজমান ধাৰ দিওঁতা বন্ধুৰ বিষয়ে আনে কোৱা শুনিছোঁ,—"তেওঁলোক চোৰ ; ইচ্ছা কৰিয়েই আনক তলত ৰাকিবলৈ চেষ্টা কৰা মানুহ।" আন এজনে "ধাৰ দিওঁতা মানুহে সত্যতা পালন কৰিবলৈ অসমৰ্থ" বুলি কোৱা কথাষাৰ মনত পৰে। এই কথাষাৰ সত্য কাৰণ অনেক সময়ত কিছুমান ধাৰ দিওঁতাই নিৰ্ধাৰিত সময়ৰ আগতে টকা ঘূৰাই দিবলৈ দাবী কৰি মানুহক জ্বলা-কলা কৰে।

এবাৰ মই এটা ধাৰ যথা সময়ত শোধ কৰিবলৈ একেবাৰে অসমৰ্থ আছিলোঁ। ধাৰ দিওঁতাজনে মোৰ ওপৰত মোকৰ্দমা কৰিছিল আৰু নিৰ্দিষ্ট সময়ত টকা ঘূৰাই নিদিয়া-হেঁতেন মোৰ ঘৰ ক্ৰোক হ'লহেঁতেন। এনেতে নিৰ্দিষ্ট সময়ৰ পোন্ধাৰ মিনিটৰ আগতে মোৰ বন্ধু এজনে টকাখিনি আনি মোৰ হাতত দিয়াত মই আচৰিত হৈছিলোঁ আৰু ঈশ্বৰক ধন্যবাদ দিছিলোঁ। বন্ধুজনক মই পোন্ধৰ বছৰ আগতে এটা উপকাৰ কৰিছিলোঁ আৰু তেওঁ সেই উপকাৰ পাহৰা নাছিল।

ডাঙৰ বিপদৰ সময়ত ঈশ্বৰৰ ওপৰত বিশ্বাস ৰখা উচিত আৰু নিৰাশ হ'ব নেলাগে। কিন্তু সেইটো সকলোৰ পক্ষে সম্ভৱ নহয়। নিৰাশ হৈ মই কতবাৰ সৰু ল'ৰাৰ

দৰে কান্দিছোঁ তাৰ লেখ নাই। মানুহে কয় ডাঙৰ মানুহে কন্দাটো ভীৰুতা। ভীৰুতা সঁচা কিন্তু মানুহৰ জীৱনত এনে একোটা সময় আহে আপোনা-আপুনি চকুৰ পানী ওলাই আহে, শিশুৰ দৰে কান্দিব লগা হয়। বিশ্ববিখ্যাত বীৰ পুৰুষ নেপোলিয়নেও এবাৰ আৱেগত সৰু ল'ৰাৰ দৰে কান্দিছিল। তেওঁৰ তুলনাত মইটো এজন সাধাৰণ মানুহ।

যেনেকৈ কোনো পথিকে পথ হেৰুৱাই ঠাণ্ডা আৰু বৰষুণত গন্তব্যস্থান বিচাৰি অন্ধকূপত পৰে, সেই কালত মোৰ অৱস্থাও তেনে আছিল বুলি অনুভৱ কৰিছিলোঁ। মই দাৰিদ্ৰ্য আৰু ঋণৰ বিৰুদ্ধে সংঘৰ্ষ কৰি থাকোঁতেই মোৰ মৰমৰ জী পদ্মিনীৰ মৃত্যু হৈছিল। 1934 চনৰ কথা। তেতিয়া তাইৰ বয়স ওঠৰ বছৰ আছিল। পদ্মিনী ৰন্ধা-বঢ়া আৰু আন সকলো কামতে পাকৈত আছিল। তাই আনক সহায় কৰি বৰ আনন্দ পাইছিল। তাইৰ সেই স্বভাৱৰ কথা মই কেতিয়াও পাহৰিব নোৱাৰোঁ। কোঠাটোৰপৰা যেতিয়া তাইৰ মৃতদেহেটো বাহিৰ কৰা হৈছিল, দূৰৰপৰা ভাহি অহা এটা কৰুণ গীতৰ ধ্বনি মই শুনিবলৈ পাইছিলোঁ। সেই কৰুণ গীতৰ ধ্বনিটো মোৰ হৃদয়ৰপৰা ওলোৱা কান্দোনৰ প্ৰতিধ্বনি আছিল। এতিয়া তাইৰ স্মৃতিত মই ভাব-বিভোৰ হওঁ। তাইৰ মৰম লগা মুখখন এতিয়াও চকুৰ আগত ভাহি উঠে, মই তাইক বাস্তৱত দেখাৰ নিচিনাকৈ দেখোঁ।

সেই সময়ত মই 'অন্তমন' নামৰ কিতাপ এখন লিখিবলৈ আৰম্ভ কৰিছিলোঁ। তাত মই মোৰ জীৱনৰ কটু অভিজ্ঞতাবোৰ ব্যক্ত কৰিছিলোঁ। সেইখন লিখি মোৰ মনৰ ভাৰ অনেক পাতলিছিল। মানুহে কিতাপখন পঢ়ি ভাল পাইছিল। এতিয়াও কিতাপখন অনেক পঢ়ুৱৈৰ মাজত জনপ্ৰিয়।

কোনো কোনো বন্ধুৱে মই কেতিয়া লিখোঁ আৰু ক'ৰপৰা প্ৰেৰণা পাওঁ প্ৰশ্ন কৰে। মই ৰাতিপুৱা পাঁচ বজাৰপৰা সাত বজালৈ লিখোঁ। কিন্তু লিখিবলৈ হ'লে প্ৰেৰণা পাব লাগিব আৰু সেই প্ৰেৰণা ক'ৰপৰা পাওঁ নিৰ্দিষ্টকৈ একো ক'ব নোৱাৰোঁ। ওপৰত উল্লেখ কৰা সময়খিনিত যে মই সদায় লিখোঁ সেইটো নহয়। প্ৰেৰণা নাপালে কোনো লেখকে তেওঁৰ উৎকৃষ্ট লেখা লিখিব নোৱাৰে। অৱশ্যে সুউচ্চ পৰ্বত, বিস্তীৰ্ণ পথাৰ, খৰস্ৰোতা নদী, সমুদ্ৰ আদি দৃশ্যবোৰ মই বৰ ভাল পাওঁ আৰু সেইবোৰে মোক লিখিবলৈ প্ৰেৰণা দিয়ে। এই দৃশ্যবোৰ নেদেখিলেও এখন সুন্দৰ বাগিচাত বহি লিখিবলৈ মোৰ ভাল লাগে। যি কোনো পৰিৱেশত লিখিব পৰা লেখক অনেক আছে কিন্তু মোৰ সেই ক্ষমতা নাই।

1943 চনৰ শেহত এটা মোকৰ্দমা চলাবলৈ মই বোৰ্ণিওলৈ যাব লগা হৈছিল। এজন মুছলমান ন্যাসৰক্ষীয়ে বিশ্বাসঘাতকতাৰ অপৰাধৰ ওপৰত অভিযোগ কৰিছিল। তেওঁ এটা মোকৰ্দমাৰ কাৰণে এবাৰ চিঙ্গাপুৰলৈ আহিছিল আৰু মই তেওঁৰ উকীল আছিলোঁ। মোকৰ্দমাটোত তেওঁ মোক যথেষ্ট পইচা দিছিল আৰু তেওঁ জিকিছিল।

চিঙ্গাপুৰৰপৰা বোৰ্ণিওৰ ৰাজধানী চাণ্ডেকনলৈ জাহাজেৰে যাওঁতে ছদিন লাগিছিল। বৃটিছ উত্তৰ বোৰ্ণিওৰ শাসন পুৰণি ইষ্ট ইণ্ডিয়া কোম্পানীৰ নিচিনাকৈ বোৰ্ণিও

কোম্পানীয়ে চলাইছিল। তেতিয়া বোৰ্নিওৰ জঙ্গলে ভৰা ভাগটোত মানুহ বহুৱাবলৈ বোৰ্ণিও কোম্পানীয়ে চেষ্টা চলাইছিল। বৃটিছ ভাৰত চৰকাৰেও ভাৰতৰপৰা কিছুমান মানুহক বসতি কৰিবলৈ বোৰ্ণিওলৈ পঠাইছিল। ভাৰতীয়ৰ কাৰণে তাৰ জলবায়ু উপযুক্ত আছিল। মই বোৰ্ণিওত এসপ্তাহ আছিলোঁ। মোকৰ্দমাৰ ৰায় মোৰ মক্কেলজনৰ অনুকূল আছিল। সেই বাবে তেওঁ মোক যথেষ্ট পইচা দিছিল। তদুপৰি অহা-যোৱাৰ খৰচ তেওঁৰ আছিল। মোৰ মক্কেলজনৰ বয়স 45 বছৰ আছিল আৰু তেওঁ স্বাস্থ্যৱান আছিল।

চিঙ্গাপুৰৰপৰা ঘূৰি অহাৰ কিছুদিনৰ পিছত মই তেওঁৰ খবৰ এটা শুনি অন্তৰত বৰ আঘাত পালোঁ। কোনো অসুখ নোহোৱাকৈ বিনা কৰাণত তেওঁ অন্ধ হৈ গ'ল। তেওঁৰ শত্ৰুবিলাকে ক'লে অন্যায় কৰি আন এজনৰ সম্পত্তিবোৰ লোৱাৰ কাৰণে ঈশ্বৰে যথোচিত শাস্তি দিলে। সেই দোষাৰোপৰ ন্যায্যতা ঈশ্বৰে জানে কিন্তু মই যি দেখিছিলোঁ, তেওঁ এজন নম্ৰ, বিনয়ী আৰু সৎলোক আছিল। যি কি নহওক, তেওঁ অন্ধ হোৱাৰ খবৰটোৱে মোৰ অন্তৰত বৰ আঘাত দিলে।

কিছুমান বিশ্বাস আৰু সিদ্ধান্ত

আমাৰ ব্যক্তিত্বক ৰূপায়িত কৰা বস্তু কেৱল আমাৰ কৰ্ম আৰু ব্যৱহাৰেই নহয়, আমাৰ বিশ্বাস আৰু সিদ্ধান্তয়ো তাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। আমাৰ বিশ্বাস ল'ৰা-কালৰ সংস্কাৰ আৰু অনুভৱৰপৰা আমাৰ মনত বদ্ধমূল হয়। একেলগে বাস কৰাৰ কাৰণে উদ্ভৱ হোৱা বিশ্বাসে আমাৰ অনুভূতিবোৰ শুধৰাব পাৰে। বহুত আগৰ কিছুমান বিশ্বাস এতিয়া মোৰ নাই আৰু আগতে ভুল বুলি ভবা কিছুমান বিশ্বাসক এতিয়া মই সত্য বুলি মানি লওঁ।

আমাৰ পাঁচটা ইন্দ্ৰিয়ৰ দ্বাৰা বস্তুক তাৰ ঠিক ৰূপত বুজিব পাৰি কিন্তু তাৰ এটা সীমা আছে। পঞ্চেন্দ্ৰিয়ৰ দ্বাৰা বুজিব পৰা শক্তি যেনেকৈ থাকে তেনেকৈ বস্তুৰ স্থিতিৰ ওপৰত আমাৰ বিশ্বাস আছে। এজন অন্ধই এজন মনোহৰ পুৰুষৰ সৌন্দৰ্যক অনুভৱ কৰিব নোৱাৰে। যেনেকৈ এজন কলাৰ মুখত ফুলৰ সৌন্দৰ্যৰ বৰ্ণনা শুনি এজন অন্ধ আচৰিত হয় তেনেকৈ এজন অন্ধই গোৱা সুমধুৰ গীত শুনি মুগ্ধ হোৱা মানুহবোৰক দেখি এজন কলা আচৰিত হয়। কিন্তু যিহেতু কলা আৰু অন্ধই কোনো এটা বস্তুৰ আচল গুণটো নিজেই প্ৰত্যক্ষভাৱে অনুভৱ কৰিব নোৱাৰে পৰোক্ষভাৱে অনুভৱ কৰাত কোনো সাৰ্থকতা নাই। সংস্কৃতিৰ লক্ষণক আনৰ সিদ্ধান্ত আৰু বিশ্বাসক অনুভূতিৰে জানিবলৈ চেষ্টা কৰা উচিত। তৰ্কৰ দ্বাৰা যি কোনো এটাক পৰাস্ত কৰিব পাৰি, কিন্তু তেনেকৈ পৰাস্ত কৰা আমাৰ লক্ষ্য হোৱা উচিত নহয়। আমাৰ লক্ষ্য হোৱা উচিত তাক অন্তৰেৰে গ্ৰহণ কৰা। মোৰ ধাৰণা ভুল হ'ব পাৰে তথাপি মোৰ অনুভূতিৰ কথা মই ক'ব খোজোঁ।

ত্ৰিবাঙ্কুৰৰ পানিকৰ নামৰ মানুহ এজন মালয়াত আছিল। তেওঁ হাত চাব পাৰিছিল আৰু অনেক মানুহৰ হাত চাই তেওঁলোকৰ ভূত-বৰ্তমান আৰু ভৱিষ্যতৰ কথা কৈছিল। আইনমতে চিঙ্গাপুৰত হাত চোৱা নিষেধ আছিল। এদিন পানিকৰক হাতচোৱা অপৰাধত পুলিচে গ্ৰেপ্তাৰ কৰিলে। মই পানিকৰৰ হৈ আদালতত হাজিৰ হ'লোঁ। পানিকৰৰ সম্বন্ধে আদালতত মোৰ ক'বলগীয়া আছিল যে পানিকৰে পাণ্ডিত্য লাভ কৰা হস্ত-ৰেখা শাস্ত্ৰ এটা বৈজ্ঞানিক বিষয় আৰু তেওঁৰ লগত অন্ধবিশ্বাসৰ কোনো সম্বন্ধ নাই। সেই মোকৰ্দমাটোৰ ওকালতি কৰিবৰ কাৰণে হস্ত-ৰেখা শাস্ত্ৰসম্বন্ধীয় অনেক কিতাপ পঢ়োঁ আৰু হস্ত-ৰেখা শাস্ত্ৰ যে এটা বিজ্ঞান আদালতত প্ৰমাণ আৰু যুক্তি সহ মই প্ৰতিপন্ন কৰালোঁ। জজে মোক হস্ত-ৰেখা সম্বন্ধীয় কেইবাটাও প্ৰশ্ন কৰিলে আৰু মই তাৰ যথাৰ্থ উত্তৰ দিলোঁ। বিচাৰত জজে পানিকৰক অভিযোগত নিৰপৰাধ বুলি ৰায় দিলে।

কিছুদিনৰ পিছত সেই জজজনে পানিকৰক তেওঁৰ হাত দেখুৱালে আৰু মোক লগ পাই ক'লে, "সেই পানিকৰে মোৰ হাত চাই ভূত-বৰ্তমান আৰু ভৱিষ্যতৰ কথা ক'লে। ভূত আৰু বৰ্তমানত কোনো ভুল নাছিল, ভৱিষ্যতৰ কথা পিছত জানিম। সচাঁকৈয়ে অদ্ভুত।"

পানিকৰক আদালতে দণ্ড নিদিয়াত তেওঁৰ গুৰুত্ব আৰু মৰ্যাদা বাঢ়ি গ'ল। এদিন মোৰ এজন বন্ধু পানিকৰক হাত দেখুৱাবৰ কাৰণে তেওঁৰ সন্ধানত মোৰ ঘৰলৈ আহিল। সেই বাৰিষ্টাৰজন এটা মোকৰ্দমাত সাঙোৰ খাইছিল। যদি সেই মোকৰ্দমাত তেওঁ পৰাজিত হয়, তেওঁৰ ভৱিষ্যত বৰ বেয়া হ'ব। সেই বিষয়ে জানিবলৈ তেওঁ সেই ৰাতি মোৰ ঘৰলৈ আহিছিল।

মই তেতিয়াই পানিকৰক মতাই অনালো। ৰাতি হোৱাৰ কাৰণে হাতৰ ৰেখাবোৰ পঢ়াত অসুবিধা হোৱাৰ কাৰণে এটা বেছি পোহৰৰ বিজুলীবাতিৰ ব্যৱস্থা কৰিব লগা হ'ল। পানিকৰে উকীলজনক আগতে কেতিয়াও দেখা নাছিল কিন্তু হাতৰ ৰেখাবোৰ চাই তেওঁৰ অতীত আৰু বৰ্তমানৰ কথাবোৰ নিৰ্ভুলকৈ ক'লে। মই আচৰিত হ'লোঁ আৰু মোৰ বন্ধু উকীলজনো আচৰিত হ'ল। তাৰ পিছত ক'লে তেওঁ এতিয়া যি অতি বেয়া মোকৰ্দমাটোত লিপ্ত হৈ আছে শেহত তাত তেওঁৰ জয়ী হ'ব কিন্তু তাত লিপ্ত হোৱাৰ কাৰণে যি বদনাম হ'ল তাৰ ফলস্বৰূপে কিছুদিনৰ কাৰণে তেওঁৰ ব্যৱসায়ত উন্নতি কম হ'ব। পানিকৰৰ ভৱিষ্যৎ বাণী পিছত আখৰে আখৰে ফলিয়াইছিল। উকীলজনৰ পিছৰ ঘটনাবোৰ তেওঁ কোৱামতেই ঘটিছিল।

হস্ত-ৰেখা-শাস্ত্ৰৰ বিষয়ে মোৰ যি বিশ্বাস বদ্ধমূল হ'ল তাক মই কেনেকৈ পৰিহাৰ কৰোঁ ? মই তাৰ মাত্ৰ এটা উদাহৰণ দিলোঁ।

কিছুদিনৰ আগতে মই 'মাতৃ-ভূমি'ত মোৰ বিশ্বাসৰ সম্বন্ধে এটা প্ৰবন্ধ লিখিছিলোঁ। তাৰে কিছু অংশ ইয়াত উদ্ধৃত কৰিছোঁ।

এই বিভিন্নতাপূৰ্ণ জগতত বিশ্বাস আৰু অভিমতক একেলগ কৰা অসম্ভৱ। আমি যিকোনো এটা কথাৰ এটা দিশৰ প্ৰতি বেছিকৈ মনোনিৱেশ কৰোঁ আৰু তাৰপৰাই আমাৰ বিশ্বাস জন্মে। সেই বিশ্বাসক আমি সহজে এৰি দিব নোৱাৰোঁ। আমি যি নিজ চকুৰে দেখিলোঁ আৰু যি দেখি আমাৰ বিশ্বাস জন্মিল তাক ৰহণ সানি আনক কোৱা উচিত নহয়। আমাৰ সেই বিশ্বাস লাহে লাহে আমাৰ অভিমত হৈ পৰে।"

জীৱনৰ ৰহস্য যেনেকুৱাই নহওঁক, মই জীৱনৰ সুখৰ সোৱাদ ল'ব খোজোঁ। মোৰ মনলৈ এনে ভাৱ নাহে যে জীৱন ৰহস্য জানিবলৈ পোৱাত সেই আগ্ৰহ বাধা স্বৰূপ হৈ থাকে। মন, শৰীৰ, ঘৰ-দুৱাৰ আৰু পাৰিপাৰ্শ্বিক অৱস্থাক সুস্থ কৰি ৰাখিলেই নহয় সুন্দৰ কৰি ৰাখিবলৈকে আমি চেষ্টা কৰা উচিত। সুন্দৰ প্ৰকৃতিৰে অলংকৃত দেশ, সুখ-সুবিধাৰে সু-সজ্জিত ঘৰ, ডাঙৰ বাগিচা, বাৰীত ফলৰ গছ, ফুলনিত নানা ৰঙৰ ফুল, অকপট বন্ধু, বিশিষ্ট গ্ৰন্থ, খেলাত মগ্ন সৰু সৰু ল'ৰা-ছোৱালী, মধুৰগীত—এই

সকলোবোৰ মই বৰ ভাল পাওঁ। কিন্তু এইবোৰ নোহোৱা অৱস্থাত জীৱন-যাপন কৰিবলগীয়া হ'লেও মই নিৰাশ নহওঁ।

ভাগ্যহীন মানুহেৰে ভৰপূৰ এই জগতত যিকোনো ভাৱেই হওক সহায়তাৰ পাত্ৰ সকলো ঠাইতে পোৱা যায়। অৱশ্যে সকলোৱে একে ধৰণৰ সহায় নেপায়। তথাপি কোনো কোনো মানুহৰ জীৱনৰ ভাৰ আমি কমাব পাৰোঁ। এজন মানুহক সহায় কৰোঁতে আমাৰ যিকোনো কষ্ট বা দোষ হ'ব পাৰে আৰু তাৰ কাৰণে আমি সাজু থাকিব লাগিব। সহায় কৰিলে মনত সন্তোষ পোৱা যায় আৰু আমাৰ মনত ধৰ্মীয় ভাৱৰো উদ্ৰেক হয়। আনক সহায় কৰি সঙ্গতিহীন হৈ কেতিয়াবা মই মনত দুখো পাইছোঁ আৰু তেতিয়া মোক মনমাৰি থকা দেখি মানুহে ভুল বুজিছে।

কিছুমান কথাত মানুহে ভুল নকৰাটো অসম্ভৱ। সকলো মানুহে বিচাৰে যে তেওঁলোকৰ যেন কোনো শত্ৰু নাথাকে। অনেক সময়ত আমাৰ সততাক মানুহে তাৰ প্ৰকৃতৰূপত নেদেখে আৰু আমাৰ আচল উদ্দেশ্যক ভুল বুজে। স্থান, মান, সম্পত্তি, অধিকাৰ, ক্ষমতা, প্ৰতাপ যাৰ আছে তেওঁলোকৰ শত্ৰু বেছি। মোৰ অহিত চিন্তা কৰা মানুহ নোহোৱা নহয় কিন্তু তেওঁলোকৰ কথা ভাবি মই মন বেয়া নকৰোঁ। প্ৰতিশোধ লোৱাৰ চিন্তা মোৰ মনলৈ কেতিয়াও নাহে। আনকি মোৰ যি ক্ষতি কৰিছিল তাৰ বিনিময়ত মই প্ৰতিশোধ লোৱাৰ সলনি তেওঁক সহায়হে কৰিছিলোঁ আৰু তাৰ দ্বাৰা তেওঁৰ মনত যি প্ৰতিক্ৰিয়া হৈছিল তাক দেখি মই মনত আনন্দ পাইছিলোঁ। এনেকুৱা অভিজ্ঞতা মোৰ কেইবাবাৰো হৈছিল। কোনো কোনো মানুহে কাৰোবাক মই ঘৃণা কৰোনে বা মোৰ কোনোবা শত্ৰু আছেনে বুলি প্ৰশ্ন কৰিলে মই 'নকৰো' আৰু 'নাই' বুলিয়েই উত্তৰ দিওঁ। মনলৈ দুঃখ নহা নহয় কিন্তু শান্তিও আহে।

বুজিবলৈ টান নহয়, ধন-সোণ আৰু পদ-মৰ্যাদা স্থায়ী নহয় আৰু তাৰপৰা পোৱা আনন্দও খন্তেকীয়া। নিষ্কলঙ্ক মনলৈ যি আনন্দ আহে সেই আনন্দ স্থায়ী সেই আনন্দ মনত সদায় থাকে।

মৃত্যুৰ লগে লগে যে সকলো শেষ হৈ যায় মই বিশ্বাস নকৰোঁ কিন্তু মৰণৰ পিছত মানুহৰ কি হয় তাকো নেজানো। এটা কথা মই সমৰ্থন কৰোঁ যেতিয়ালৈকে জীয়াই থাকোঁ, তেতিয়ালৈকে আনৰ উপকাৰ কৰাটো মানুহৰ কৰ্ত্তব্য।

আমি যিমান ভাবো মানুহ সিমান ক্ৰূৰ আৰু নিৰ্দয় নহয়। প্ৰত্যেক মানুহৰ ভিতৰত ভাল আৰু বেয়া দুয়োটা গুণ আৰু ৰিপু আছে। আমাৰ ব্যৱহাৰ এনেকুৱা হোৱা উচিত যেন মানুহৰ শুই থকা গুণবোৰ জাগি উঠে।

'মই আনক কন্দুওৱা কাম কেতিয়াও কৰা নাই কিন্তু আনৰ চকুৰ পানী মচাৰ কাম কৰিছোঁ' এই কথাষাৰ যি ক'ব পাৰে তেওঁ মনত কিমান আনন্দ পায় ?

অনন্ত শক্তি ঈশ্বৰৰ ওপৰত আমাৰ যি অটল বিশ্বাস আছে সেই বিশ্বাসে আমাৰ মনত পৰম আৰু নিৰ্মল আনন্দ দিয়ে। অসহায় অৱস্থা আৰু গভীৰ দুখত ঈশ্বৰক চিন্তা কৰিলে আমি মনত শান্তি আৰু বল পাওঁ। সেই শান্তি আৰু বল বিশ্বাসে দিয়ে।

'মোৰ জীৱনটো ব্যৰ্থ হ'ল, মই যি কল্পনা কৰিছিলোঁ সি একোৱেই নহ'ল' বুলি শোক কৰা অনেক বন্ধুক মই জানো। বাস্তৱত ইমান দুঃখ কৰা উচিত নহয়। 'মোৰ লগতে পঢ়া ল'ৰা এতিয়া ডাঙৰ মানুহ', কিন্তু মোৰ একো নহ'ল', 'তেওঁ এতিয়া সিংহাসন, আৰু মই মাটিত,' 'তেওঁ ভাগ্যৱান আৰু মই দুৰ্ভগীয়া'—এনেবোৰ চিন্তা কৰি অনেক মানুহ হতাশ হয় আৰু তেওঁলোকে হামৰাও কাঢ়ে। তেওঁলোকে ভাৱে যে তেওঁলোক জীৱন-সংগ্ৰামত পৰাজিত হ'ল। এই ধাৰণা নিজৰ জীৱনৰ মূল্য নুবুজা মানুহৰ মনলৈ আহে। যি মানুহে ধন, পদ আৰু নামৰ স্থায়িত্বহীনতা চিনি নেপায় তেওঁ সেই চিন্তা কৰি বিভ্ৰান্ত হয়। ইজিপ্টৰ ৰজা ফাৰুকে এদিন ৰাতিপুৱা তেওঁৰ সকলো ক্ষমতা হেৰুৱাই প্ৰাণৰ ভয়ত দেশ এৰি গৈছিল, পাৰস্যৰ প্ৰধানমন্ত্ৰী মোচাদ্দিক বন্দী হিচাপে জেলত আছিল, দেশ এৰি ইৰাণৰ ছাহ পলাই গৈছিল, ৰুচত প্ৰবল প্ৰতাপী জাৰক সবংশে ধ্বংস কৰি সাম্যবাদ প্ৰতিষ্ঠা কৰিছিল আৰু অপ্ৰতিদ্বন্দী নেতা ষ্টেলিনৰ মৃত্যুৰ পিছত তেওঁৰ সকলো স্মৃতি আৰু চিন নাইকিয়া কৰি দিছিল। ইণ্ডোনেচিয়াৰ সৰ্বশক্তিমান নেতা ডাঃ চুকাৰ্ণোৰ শেষ অৱস্থা কেনে হৈছিল ইতিহাসে ক'ব। গতিকে ধন সোণ, উচ্চ-পদ মানুহৰ খন্তেকীয়া বস্তু, সেইবোৰে মানুহক সদায় আনন্দ দিব নোৱাৰে আৰু এসময়ত সেইবোৰে যিমান বেছি আনন্দ দিয়ে পিছত যিকোনো মুহূৰ্ত্ততে সিমান দুঃখ আৰু যাতনা মানুহৰ মূৰৰ ওপৰত জাপি দিয়ে। এইটো জগতৰ নিয়ম, ইতিহাসে তাৰ শ শ সাক্ষ্য বহন কৰে।

পূৰ্ণৰূপত দুটা বস্তুৰ ওপৰত বিশ্বাস ৰাখিব পাৰি—জন্ম আৰু মৃত্যু। এই দুটাৰ মাজ ভাগত যিবোৰ ঘটনা ঘটে সেইবোৰ আকস্মিক আৰু অজ্ঞাত। সেইবোৰৰ কথা আগতে কোনেও একো নেজানে। ধন-সোণ, পদ, অধিকাৰ, গৌৰৱ সকলো সলনি হৈ থাকে। গতিকে এই অস্থিৰ আৰু অস্থায়ী জীৱনত সুখ আৰু আনন্দ লাভ কৰাৰ এটা মাত্ৰ উপায় হ'ল আনক সহায় কৰা আৰু ভাল-পোৱা। তাৰ বিনিময়ত আপুনি যি আনন্দ পাব সেই আনন্দ নিৰ্মল আৰু অনিৰ্বচনীয়।

বিখ্যাত বৈজ্ঞানিক আৰু চিন্তাশীল পুৰুষ এলবাৰ্ট আইনষ্টাইনে কৈছিল, "জয় লাভ কৰিবলৈ নহয় সেৱা কৰিবলৈহে জীৱনৰ লক্ষ্য হ'ব লাগে। সেইজনেই জগতত বিজয়ী পুৰুষ যি আনক বেছি দিয়ে আৰু আনে তেওঁৰ পৰা বেছিকৈ পায়। কিন্তু সততা তাৰ বিপৰীত। আপুনি যিমান ল'ব তাতকৈ আনক বেছি দিব। যি তেনে কৰে তেঁৱেই সকলোতকৈ বেছি বিজয়ী পুৰুষ।"

বিশ্বাসৰ অনুসাৰে কিবা এটা কাম কৰিবলৈকো মই কেতিয়াবা অসমৰ্থ হওঁ। কেতিয়াবা বিশ্বাসৰ বিপৰীতে কাম কৰিব লগা হৈছিল। তাৰ কাৰণ হ'ল কেতিয়াবা মই প্ৰলোভনৰ-পৰা মুক্ত হ'ব নোৱাৰিছিলোঁ আৰু মোৰ স্বভাৱটো পৰিপক্ক নাছিল। জীৱনৰ জয় আৰু সুখ আমাৰ স্বভাৱৰ বশৱৰ্ত্তী। যিভাৱে আমি সময়ৰ সদ্ব্যৱহাৰ কৰোঁ, যেনেকৈ আমি সমস্যাৰ সমাধান কৰোঁ, যেনেকৈ আমি আনৰ লগত মিলামিছা আৰু আদান-প্ৰদান কৰোঁ, যেনেকুৱা আমাৰ জীৱন-ধৰ্ম সম্বন্ধীয় অভিমত, সেই ভাৱেই আমাৰ স্বভাৱৰ জিলিকনি পৰে। আমাৰ ভাগ্য সুপ্ৰসন্ন হ'লেও বা সদায় ধন-সোণ আৰু গৌৰৱ উভৈনদী হ'লেও যদি আমি চৰিত্ৰ গঠনৰ ওপৰত চকু নিদিওঁ সেইবোৰে আমাক কেতিয়াও সুখ আৰু শান্তি দিব নোৱাৰে। শত্ৰুৰ ভাবুকি আৰু দুৰ্ভাগ্যৰ যাতনাৰপৰা বচাৰ একমাত্ৰ উপায় হ'ল আমাৰ মনে নিষ্কলঙ্কৰ আশ্ৰয় লোৱা।

পুনৰ সাৰ্বজনিক জীৱন

মই আগতেই কৈ আহিছোঁ যে 1934 চনত এটা মোকৰ্দমাৰ সম্বন্ধত বোৰ্ণিওলৈ গৈছিলোঁ। তাৰপৰা ঘূৰি অহাৰ পিছত মোৰ ঋণ ভাৰ কম হ'ল। ধাৰ আধা শোধ কৰিলোঁ; অৱশ্যে সকলো ধাৰ শোধ কৰাৰ পইচা মোৰ হাতত আছিল। চাৰি মাহ পাৰ হ'ল। লাহে লাহে মই সকলো ঋণ শোধ কৰিলোঁ আৰু মোৰ মনৰ আনন্দেৰে কাম কৰিব পৰা অৱস্থা হ'ল। তেনে পৰিস্থিতিত মই ৰাজহুৱা কামত লগাৰো সময় পালোঁ।

মালকাৰপৰা চিঙ্গাপুৰলৈ অহাৰ পিছত ৰাজহুৱা কামবোৰত ভাগ ল'বলৈ মোৰ আজৰি কম আছিল। কেতিয়াবা তাৰ ৰামকৃষ্ণ মিছন, ইণ্ডিয়ান এচোছিয়েচন আৰু মালয়ালী সমাজত বক্তৃতা দিবলৈ গৈছিলোঁ। তাৰ বাহিৰে নিজৰ ইচ্ছা অনুসাৰে আৰু বন্ধু-বান্ধৱৰ নিৰ্দেশ মতে অন্যান্য ৰাজহুৱা কামবোৰত ভাগ ল'বৰ সুবিধা মই পোৱা নাছিলোঁ। সেই সময়ত মোৰ একমাত্ৰ চিন্তা আছিল ঋণবোৰ শোধ কৰা আৰু তাৰ কাৰণে যৎপৰোনাস্তি চেষ্টা কৰা। অৱশ্যে মই থিৰাং কৰিছিলোঁ যেতিয়াই মই ঋণমুক্ত হ'ম তেতিয়াৰপৰাই ৰাজহুৱা কামত লাগি যাম। কিন্তু তাৰ আগতেই এনেকুৱা পৰিস্থিতিৰ উদ্ভৱ হৈছিল যেতিয়া তাত অংশ গ্ৰহণ কৰিবলৈ মই বাধ্য হৈছিলোঁ। সেই পৰিস্থিতিটো 1935 চনৰ জুনত উদ্ভৱ হৈছিল। সেই বছৰৰ জুনত বৃটিছ সম্ৰাট পঞ্চম জৰ্জৰ জয়ন্তী সমাৰোহ চিঙ্গাপুৰত বৰ ধুমধামেৰে আয়োজন কৰা হৈছিল। সেই সময়তে চিঙ্গাপুৰত প্ৰকাশ হোৱা এখন ইংৰাজী বাতৰি-কাকতত মাৰ্টিন নামৰ এজন ইউৰোপীয় লেখকে ভাৰতীয়ৰ সম্বন্ধে নিন্দাজনক এটা প্ৰবন্ধ প্ৰকাশ কৰিছিল। তাত লিখা আছিল, "মালয়াত বাস কৰা ভাৰতীয় কেইবাশ্ৰেণীৰ। শ্ৰেণীৰ সংখ্যা কিমান মই সঠিককৈ ক'ব নোৱাৰোঁ। জাত আৰু ধৰ্ম অনুসাৰে ভাৰতীয়ই নিজে শ্ৰেণীবোৰ গঠন কৰি লয়। কিন্তু মোৰ বিবেচনাত সকলো শ্ৰেণীৰ মানুহৰ স্বভাৱ একে। তেওঁলোকৰ সমান বিশ্বাসঘাতক মানুহ আৰু ক'তো নাই। মই লঙ্কাত আছিলোঁ, মালকাত আছিলোঁ আৰু তাত থকা ভাৰতীয়বিলাকৰো এই স্বভাৱ লক্ষ্য কৰিছিলোঁ।

"ডাঙৰ ডাঙৰ ভাৰতীয় ব্যৱসায়ীসকলক মই সেই পৰ্যায়ত অন্তৰ্ভুক্ত নকৰোঁ। তেওঁলোকে নিৰ্ধাৰিত ব্যৱসায়-নীতি পালন কৰে। মোৰ অভিযোগ হ'ল সৰু সৰু ভাৰতীয় ব্যৱসায়ীবোৰৰ ওপৰত। মালয়াত তেনে ধৰণৰ ভাৰতীয় ব্যৱসায়ী অসংখ্য আছে। তেওঁলোকৰ লগত ব্যৱসায় কৰা বিপজ্জনক। এই কথাটো যাতে সকলো ইউৰোপীয় ব্যৱসায়ীয় মনত ৰাখে।'

গোটেই ভাৰতীয়ৰ বিৰুদ্ধে এনে অপমানজনক কথা বাতৰি-কাকতত প্ৰকাশ কৰাত

চিঙ্গাপুৰৰ ভাৰতীয় সমাজ সচেতন আৰু উত্তেজিত হ'ল। সভা পাতি সভাত বিৰুদ্ধ প্ৰস্তাৱ গ্ৰহণ কৰা হ'ল। বিৰোধ কৰিবলৈ ভাৰতীয় সংগঠনে চিঙ্গাপুৰ টাউন সভা গৃহত এখন সভাৰ আয়োজন কৰিলে। তাৰ আগতে তেনেকুৱা সভা তাত কেতিয়াও অনুষ্ঠিত হোৱা নাছিল আৰু তাৰ পিছতো হোৱা নাছিল।

মাৰ্টিনৰ প্ৰবন্ধটোৰ বিৰুদ্ধে প্ৰস্তাৱ গ্ৰহণ কৰিবলৈ মোক অনুৰোধ কৰিলে। সভাত মই খং আৰু আক্ৰোশত উত্তেজিত হৈ বক্তৃতা দিছিলোঁ। তাৰ কিছু অংশ তলত উল্লেখ কৰিছোঁ।

"এনেকুৱা নিন্দাজনক আৰু গৰ্হিত লেখা কল্পনাও কৰিব নোৱাৰি। ইয়াক পঢ়ি প্ৰত্যেকজন ভাৰতীয় ক্ৰোধাগ্নিত জ্বলি উঠিব, লেখকক অকথ্য ভাষাৰে গৰিহণা দিব আৰু নীচ মনৰ কাৰণে ঘৃণা কৰিব। মানুহৰ ভিতৰত সামূহিক অপমানৰ বিৰুদ্ধে উঠাৰ শক্তি অসীম। প্ৰত্যেকজন ভাৰতীয়ই নিজৰ দেশৰ সংস্কৃতি আৰু পৰম্পৰাক লৈ গৰ্ব কৰে। ব্যক্তিগতভাৱে মোক যদি কোনোবাই অপমান কৰে তাৰ বাবে জগৰীয়া হ'লে মই সহ্য কৰিব পাৰোঁ কিন্তু মোৰ দেশ আৰু দেশবাসীক কোনোবাই নিন্দা কৰিলে মই কেতিয়াও সহ্য নকৰোঁ আৰু দিওঁতাক এনে শিক্ষা দিম যি শিক্ষা তাৰ আজীৱন মনত থাকে।" সেই সভাখনৰ শ্ৰোতাসকলে যথেষ্ট সংযম পালন কৰিছিল।

তাৰ এখন ইংৰাজী বাতৰি-কাকতত এজন ইউৰোপীয় লেখকে সভাখনৰ বিষয়ে এনেভাৱে লিখিছিল ঃ

"মই কেইবাবছৰো ধৰি এই চহৰত আছোঁ। ভাৰতীয় আৰু অন্যদেশৰ সমাজৰ মানুহে আয়োজন কৰা অনেক সভাত মই উপস্থিত আছিলোঁ। কিন্তু 28 মে'ত ভিক্টোৰিয়া মেমৰিয়েল সভাগৃহত যিখন সভা অনুষ্ঠিত হৈছিল তেনেকুৱা সভা চিঙ্গাপুৰত মই কেতিয়াও দেখা নাছিলোঁ।"

তেওঁৰ কথাকেইটা আখৰে আখৰে সঁচা আছিল। সভাখন ডাঙৰেই নাছিল তাৰ প্ৰতেকজন শ্ৰোতাৰ মুখত ক্ৰোধ আৰু প্ৰতিহিংসাৰ ভাব ফুটি উঠিছিল আৰু তাৰ পৰিৱেশ এখন আদালতৰ নিচিনা আছিল।

চিঙ্গাপুৰৰ সকলো বাতৰি-কাকতে মাৰ্টিনৰ অহংকাৰক নিন্দা আৰু হীন উক্তিৰ বিৰোধিতা কৰিছিল। পিছত মাৰ্টিনে ৰাতৰি-কাকতৰ যোগেদি ক্ষমা বিচাৰিছিল যদিও সেই ক্ষমা প্ৰাৰ্থনা যথেষ্ট নাছিল। তাৰ ভাৰতীয়সকলে তাক এটা বলিয়া বুলি ধৰি লৈ মাৰ্টিন প্ৰসঙ্গ তাতেই সমাপ্ত কৰিছিল।

চিঙ্গাপুৰৰ ৰামকৃষ্ণ মিছনে মোক আগৰপৰাই আকৃষ্ট কৰিছিল। মিছনটোৱে কেইবাটাও জনহিতকৰ প্ৰশংসনীয় কাম কৰিছিল। সংস্থাটোৰ এটা বৰ সুন্দৰ ঘৰ, অনাথ মন্দিৰ আৰু এখন বিদ্যালয় আছিল। সংস্থাটোক সুন্দৰকৈ পৰিচালনা কৰা হৈছিল। চিঙ্গাপুৰ শাখাটোত কেইজনমান ত্যাগী, নিষ্ঠাৱান আৰু সৎকৰ্মী আছিল আৰু তেওঁলোকৰ যত্ন আৰু একনিষ্ঠ সেৱাৰ কাৰণেই সংস্থাটোৱে সকলো কামতে সফলতা লাভ কৰিছিল।

সেই সময়ত চিঙ্গাপুৰ ৰামকৃষ্ণ মিছনৰ প্ৰধান সঞ্চালক আছিল ভাস্কৰানন্দ স্বামীজী। তেওঁ শান্ত প্ৰকৃতিৰ আৰু সদানন্দ পুৰুষ আছিল। তেওঁ তাত পোন্ধৰ বছৰ ধৰি আছিল। 1936 চনৰ জানুৱাৰীত শ্ৰীৰামকৃষ্ণ পৰমহংসদেৱৰ জন্মশতাব্দীৰ জয়ন্তী উদ্‌যাপন কৰিবলৈ এখন সৰ্বধৰ্ম সন্মিলন আহ্বান কৰা হৈছিল। সেই সন্মিলনত হিন্দু, মুছলমান, খৃষ্টান আৰু পাৰ্চী ধৰ্মৰ প্ৰতিনিধিসকলে ভাগ লৈছিল। ভাস্কৰানন্দ স্বামীজীয়ে মোক হিন্দু ধৰ্মৰ বিষয়ে বক্তৃতা দিবলৈ অনুৰোধ কৰাত মই অলপ ভয় খাইছিলোঁ। অনেক ধৰ্মৰ লোকেৰে ভৰপূৰ সভাখনত হিন্দু ধৰ্মৰ বিষয়ে বক্তৃতা দিয়াৰ জ্ঞান আৰু অধিকাৰ মই লাভ কৰা নাছিলোঁ। কেৱল হিন্দু ধৰ্মৰ প্ৰতি মোৰ গভীৰ শ্ৰদ্ধা আৰু গৰ্বই সেই মহাসভাখনত বক্তৃতা দিবলৈ মোক প্ৰেৰণা দিছিল। সেই সভাখনত ভাস্কৰানন্দ স্বামীজীৰ স্নেহপূৰ্ণ অনুৰোধত মই বেদান্তৰ মহত্ত্ব আৰু ৰামকৃষ্ণ মিছনৰ মহান মানৱ সেৱাৰ বিষয়ে যি বক্তৃতা দিছিলোঁ তাক আজিও সগৰ্বে স্মৰণ কৰোঁ।

এই অধ্যায়টো শেষ কৰাৰ আগতে এটা নতুন অভিজ্ঞতাৰ সম্বন্ধে মই ক'ব খোজোঁ। চিঙ্গাপুৰত ভাৰতীয় বনুৱাৰ সংখ্যা বেছি। তেওঁলোকৰ অধিক সংখ্যক মানুহে নগৰ পালিকাৰ বিভিন্ন বিভাগ আৰু গৃহ-নিৰ্মাণ বিভাগত কাম কৰিছিল। চিঙ্গাপুৰৰ ভাৰতীয় বনুৱাসকলে আমাৰ দেশৰ বুনৱাসকলতকৈ বেছি সুখ-সুবিধা বিচাৰিচিল। সেই সময়ত তাত তেওঁলোকক যি বেতন দিয়া হৈছিল তাত তেওঁলোক সন্তুষ্ট নাছিল। তেওঁলোকে বাৰে বাৰে বেতন বৃদ্ধি দাবী কৰিছিল।

তেওঁলোকে কোনো গোলমালৰ সৃষ্টি নকৰাকৈ অধিকাৰীৰ ওচৰত বেতন বৃদ্ধিৰ দাবী উত্থাপন কৰিছিল। কিন্তু বেতন বৃদ্ধি নকৰাৰ কাৰণে লাহে লাহে সেই দাবী উত্থাপন কৰাৰ ধৰণ আৰু সুৰ বদলি হৈছিল। তথাপি তেওঁলোক ধৰ্মঘট কৰিবলৈ প্ৰস্তুত নাছিল। অৱশ্যে, কেতিয়াবা কেতিয়াবা তেনে সুবিধা আহিছিলও। 1936 চনৰ নবেম্বৰত তেনেকুৱা এটা সুবিধা আহিছিল। চিঙ্গাপুৰত কেইটামান বিভাগত কাম কৰা বনুৱাসকলে ধৰ্মঘট কৰিবলৈ স্থিৰ কৰিলে। কি কাৰণত ধৰ্মঘট কৰিবলৈ স্থিৰ কৰিছিল তাক ইয়াত উল্লেখ কৰাৰ প্ৰয়োজন নাই। মুঠৰ ওপৰত বেতন বৃদ্ধিয়েই তেওঁলোকৰ প্ৰধান দাবী আছিল। যিসকলক চাকৰিৰপৰা উলিয়াই দিছিল তেওঁলোকক পুনৰ চাকৰিত লবলৈ দাবী কৰিছিল। অধিকাৰীসকল তাৰ কাৰণে প্ৰস্তুত নাছিল। বনুৱা-সকলৰ কাৰণে নগৰ পালিকাৰ অধিকাৰীসকলৰ চিঠি-পত্ৰৰ আদান-প্ৰদান, তেওঁলোকৰ চিঠিৰ উত্তৰ দিয়াৰ কাম এজন উকীল হিচাপে ময়েই কৰিছিলোঁ। কিন্তু চিঠি-পত্ৰই কাম নিদিলে অৰ্থাৎ বেতন বঢ়াবলৈ কৰ্তৃপক্ষ ৰাজী নহ'ল। শেহত বনুৱাসকলে ধৰ্মঘট কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিলে। কেইবাহাজাৰো কৰ্মীয়ে কাম বন্ধ কৰি ধৰ্মঘট আৰম্ভ কৰিলে। এই সম্বন্ধে মই কেইবাবাৰো নগৰ পালিকাৰ অধিকাৰীসকলক লগ ধৰিছিলোঁ। দুসপ্তাহ মই কাৰ্যালয় আৰু আদালতলৈ যোৱা নাছিলোঁ। মোৰ দায়িত্ব বাঢ়ি গ'ল কাৰণ বনুৱাসকলৰ নেতাসকলে মোক কথা দিছিল যে মই যি সিদ্ধান্ত গ্ৰহণ কৰিম তাকে তেওঁলোকে মানি ল'ব। তেনে পৰিস্থিতিত বনুৱাসকলৰ সকলো দায়িত্ব মই বহন

কৰিলোঁ। দুই-তিনি দিন মই নগৰ পালিকাৰ অধিকাৰী আৰু বনুৱা নেতাসকলৰ লগত পৰামৰ্শ কৰিলোঁ।

শেহত নগৰ পালিকাৰ কৰ্তৃপক্ষই বনুৱাসকলৰ দাবী স্বীকাৰ কৰিলে। 1936 চনৰ পহিলা ডিচেম্বৰৰপৰা বেতন বৃদ্ধি কৰিবলৈ কৰ্তৃপক্ষ মান্তি হ'ল। ধৰ্মঘটৰ কাৰণে যিসকল বনুৱাক চাকৰিৰপৰা বৰ্খাস্ত কৰিছিল তেওঁলোকক আকৌ লোৱা হ'ল। তদুপৰি দক্ষিণ ভাৰতীয় বনুৱাসকলক কাম কৰিবলৈ দিয়া ঠাইবোৰত আন মানুহক নতুনকৈ নাৰাখিবলৈ কৰ্তৃপক্ষ মান্তি হ'ল।

সেই সময়ত এই সিদ্ধান্তটো বেচ্ সন্তোষজনক আছিল। এই সিদ্ধান্তৰ পিছত সেই অনুসাৰে সকলো কাম সমাধা হৈছিল। এই ঘটনাটোৰ ঠিক পিছতে মাননীয় শ্ৰীনিবাস শাস্ত্ৰী ভাৰতীয় বনুৱাসকলৰ অৱস্থাৰ বিষয়ে অনুসন্ধান কৰিবলৈ ভাৰত চৰকাৰৰ প্ৰতিনিধি হিচাপে মালয়ালৈ আহিছিল।

গোটেই বৃটিছ সাম্ৰাজ্যত খ্যাতি লাভ কৰা শ্ৰীনিবাস শাস্ত্ৰী এনেকুৱা এজন বক্তা আছিল যি ইংৰাজীত সলসলিয়াকৈ বক্তৃতা দিব পাৰিছিল। তেওঁৰ সুন্দৰ ভাষা, শুদ্ধ উচ্চাৰণ আৰু যথাযোগ্য শব্দ-প্ৰয়োগৰ দক্ষতাই প্ৰমাণ কৰিছিল যে তেওঁৰ ইংৰাজী ভাষাৰ ওপৰত সম্পূৰ্ণ আধিপত্য আছিল। তেওঁ বৃটিছৰ বিশ্বস্ত বিষয়া আছিল কিন্তু দেশ-সেৱাৰ ক্ষেত্ৰত এজন উত্তম ভাৰতীয় আছিল। কোনেও আশা কৰা নাছিল যে তেওঁ ভাৰতীয় বনুৱাৰ কাৰণে এনে এটা বিপ্লৱাত্মক অভিমত প্ৰকাশ কৰিব। দুখৰ বিষয় সেই অভিমত ভাৰতীয় বনুৱাসকলৰ অনুকূল নাছিল।

সেই সম্বন্ধে বাতৰি-কাকতত নানা সমলোচনা হৈছিল। এজন মাননীয় লোকে সেই সময়ত মোলৈ এখন চিঠি লিখিছিল। সেই চিঠিখনৰ কিছু অংশ তলত উদ্ধৃত কৰিছোঁ। তাৰপৰা সেই সময়ত ভাৰতীয়সকলৰ ধাৰণা কি আছিল বুজিব পাৰি।

'আপোনাৰ ভূমিকা মই মনোযোগেৰে পঢ়িলোঁ। তাৰপৰা সুস্পষ্টকৈ জানিব পাৰিছোঁ আপুনি নগৰ পালিকাৰ বনুৱাসকলৰ অৱস্থাৰ কথা মাননীয় শাস্ত্ৰীক বুজাবলৈ অনেক চেষ্টা কৰিছিল। জ্বলি থকা জুইকুৰা নুমুৱাবলৈ আপুনি যি উত্তম পদক্ষেপ লৈছিল তাক কোনেও অস্বীকাৰ কৰিব আৰু পাহৰিব নোৱাৰে। মালয়াৰ মানুহে বৰ উৎকণ্ঠাৰে সেই ধৰ্মঘটৰ পৰিণামটো চাবলৈ অপেক্ষা কৰি আছিল। ইমান এটা গুৰুত্বপূৰ্ণ কথাক মাননীয় শাস্ত্ৰীয়ে-কিয় গুৰুত্ব নিদিলে তাৰ কাৰণ মই ভাবি নেপাওঁ।'

মুঠৰ ওপৰত শ্ৰীনিবাস শাস্ত্ৰীৰপৰা ভাৰতীয় বনুৱাসকলে যি আশা কৰিছিল তেওঁলোকে নাপালে। এই বাবে মাননীয় শাস্ত্ৰী জগৰীয়া আছিলনে তেওঁৰ উপদেষ্টা জগৰীয়া আছিল সেইটো মই জনা নাছিলোঁ। অৱশ্যে, তেওঁ ইচ্ছা কৰাহেঁতেন যে মালয়া আৰু চিঙ্গাপুৰত থকা ভাৰতীয় বনুৱাসকলৰ কাৰণে অনেক কৰিব পাৰিলেহেঁতেন তাত অলপো সন্দেহ নাছিল।

অন্ধকাৰময় পৰিৱেশ

জীৱনটো যিমানেই অন্ধকাৰময় হওক মাজে মাজে তালৈ পোহৰো আহিব পাৰে। ময়ো মোৰ জীৱনত এন্ধাৰৰ মাজত পোহৰ দেখিবলৈ পালোঁ। জীৱনৰ দুঃখ-কষ্টবোৰ কোঠাৰপৰা বাহিৰলৈ আহিল আৰু মই মুকলি বতাহ ল'বলৈ সুবিধা পালোঁ। ঋণৰ-পৰা মুক্ত হৈ মই স্বাধীন মানুহৰ সুখৰ মুখ দেখিলোঁ।

মই মোৰ আগৰ ঋণৰ টকাৰ সংখ্যা দেখি আচৰিত হৈছিলোঁ। ওভোতাই লোৱা 'প্ৰমিচেৰী নোট' আৰু কাগজ-পত্ৰবোৰ জুইত জ্বলালোঁ। জুইয়ে যেতিয়া সেইবোৰ পুৰি এফালৰপৰা ছাই কৰি নিছিল, মই দেখি মনত অপাৰ আনন্দ পাইছিলোঁ। ধৰুৱাৰ দৈন্য আৰু ব্যথাই যেন ভৱিষ্যতে মোক কষ্ট নিদিয়ে তাকেই মই ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা কৰিলোঁ আৰু মনপুতি কাম কৰিবলৈ ধৰিলোঁ। আয় বেছি হ'বলৈ ধৰিলে আৰু বন্ধু-বান্ধৱৰ সংখ্যাও বৃদ্ধি হ'ল। মোৰ মনলৈ উৎসাহ আহিবলৈ ধৰিলে আৰু কাম কৰিবলৈ মন গ'ল।

মোৰ দ্বিতীয় ছোৱালী তঙ্কমৰ বিয়া 1936 চনৰ চেপ্তেম্বৰত সম্পন্ন হ'ল। চিঙ্গাপুৰৰ এলিষ্টৰ কোম্পানীত চাকৰি কৰা কে. কে. মেনন মোৰ জোঁৱাই। মই অনেক বছৰৰপৰা নানা মানসিক অশান্তি ভোগ কৰি আছিলোঁ। এই বিয়াখনে মোৰ মনলৈ শান্তি আনিলে। তাৰ তিনি বছৰৰ পিছত তাতেই মোৰ সৰু ছোৱালী লীলাক চাত্তুন্নি মেনন নামৰ ল'ৰা এজনৰ লগত বিয়া দিলোঁ। ছোৱালী দুজনীক বিয়া দিয়াৰ পিছত মই স্বদেশলৈ উলটি আহিবলৈ ইচ্ছা কৰিছিলোঁ কিন্তু মোৰ সেই ইচ্ছা পূৰ্ণ হোৱা নাছিল।

1936 চনত যেতিয়া কংগ্ৰেছৰ সোণালী জয়ন্তী কোষিকোট্টতো পাতিবলৈ স্থিৰ কৰে আৰু তাৰ সভাপতিত্ব কৰিবলৈ মোক আমন্ত্ৰণ কৰে। সেই আমন্ত্ৰণ কেৰালা কংগ্ৰেছ কমিটিৰপৰা আহিছিল। কিন্তু মই সেই আমন্ত্ৰণ ৰক্ষা কৰিব নোৱাৰিলোঁ। সভাত মোৰ দেশ-সেৱাৰ কাৰণে মোক প্ৰশংসা কৰিছিল আৰু সেইবাবে মই কমিটিৰ ওচৰত কৃতজ্ঞ হৈছিলোঁ।

1939 চনৰ এপ্ৰিলত চিঙ্গাপুৰ ভাৰতীয় সঙ্ঘৰ সদস্যসকলৰ লগত মোৰ মতানৈক্য হোৱাৰ এটা ঘটনা ঘটিছিল। তেতিয়া ভাৰতত ৰাষ্ট্ৰীয় জাগৰণ প্ৰবলভাৱে হৈছিল আৰু সঙ্ঘৰ সদস্যসকলে ব্যক্তিগতভাৱে তাৰ আলোচনাও কৰিছিল। সেই সময়ত সঙ্ঘত সামূহিকভাৱে বৃটিছ চৰকাৰৰ কাৰ্যকলাপৰ বিষয়ে আলোচনা কৰাৰ বাহিৰে ভাৰতৰ কথা আলোচনা কৰিব পৰা নগৈছিল। কোনো সদস্যই ভাৰতৰ কথা আলোচনা কৰিলেও কিছুমান সদস্যই আপত্তি কৰিছিল।

চিঙ্গাপুৰ ভাৰতীয় সঙ্ঘত ভাৰতৰ ৰাজনীতিৰ সম্বন্ধে আলোচনা কৰিব নোৱাৰিব' বুলি এটা প্ৰস্তাৱ গ্ৰহণ কৰিবলৈ এখন বিশেষ সমিতি আহ্বান কৰিবলৈ কিছুমান সদস্যই মনস্থ কৰিলে। চৰকাৰী চাকৰিয়াল, ব্যৱসায়ী আৰু যিবিলাক মানুহৰ ৰাজনীতিৰ লগত সম্বন্ধ নাই তেওঁলোকে সঙ্ঘৰ সদস্য হৈ থাকোঁতে ভাৰতৰ ৰাজনীতিৰ সম্বন্ধে আলোচনা নকৰাৰ পক্ষপাতী আছিল। মোৰ আৰু অনেক সদস্যৰ মত তাৰ বিপৰীতে আছিল। আমি ক'লোঁ যে তেনে প্ৰস্তাৱ গ্ৰহণ কৰা উচিত নহয় আৰু যিহেতু অনেকে সেই মত গ্ৰহণ নকৰে, তেনে প্ৰস্তাৱ উত্থাপন কৰিলে সঙ্ঘ দুভাগ হোৱাৰ সম্ভাৱনা আছে আৰু তাৰ ফলত সঙ্ঘৰ একতা নষ্ট হ'ব। যি কি নহওক এখন বিশেষ সমিতি আহ্বান কৰাত দুয়োপক্ষৰ সদস্য নিৰ্ধাৰিত দিনত সভাত উপস্থিত হ'ল আৰু সিদ্ধান্তটো ভোটৰ দ্বাৰা নিৰ্ণয় হ'ব বুলি স্থিৰ কৰিলে। ভোটত আমাৰ পক্ষ জিকিল আৰু আন পক্ষৰ সদস্যসকলে পৰাজয় স্বীকাৰ কৰিলে। সুখৰ বিষয় যে তাৰ পিছত তেওঁলোকে কোনো উচ্চবাচ্য নকৰিলে আৰু সঙ্ঘৰো কোনো বিভাজন নহ'ল।

দ্বিতীয় মহাসমৰ লগাৰ সম্ভাৱনা দিনে দিনে স্পষ্ট হ'ল আৰু কেইবাকোটি টকা খৰচ কৰি চিঙ্গাপুৰত এটা বিৰাট নৌ ঘাটি স্থাপন কৰিলে।

মালয়াৰ জনসাধাৰণে ইউৰোপৰ ঘটনাবোৰ বৰ উৎকণ্ঠাৰে চাবলৈ ধৰিলে। হিটলাৰৰ যুদ্ধ-ক্ষমতা দিনে দিনে বৃদ্ধি হোৱা দেখা গ'ল আৰু মানুহে যুদ্ধক্ষেত্ৰত হিটলাৰৰ অগ্ৰগতিৰ বাতৰি ৰেডিঅ'ত উৎকৰ্ণ হৈ শুনিবলৈ ধৰিলে। নেপোলিয়নৰ পিছত হিটলাৰৰ নিচিনা আন মানুহ জন্ম হোৱা নাছিল যাৰ ভয়ত ইউৰোপ কঁপি উঠিছিল। কিছুদিনৰ কাৰণে হিটলাৰ আৰু মুচোলিনী জগতৰ ৰঙ্গমঞ্চত প্ৰধান অভিনেতা আছিল। কিন্তু দুয়োজনৰে শেষ জীৱন কিমান শোচনীয় আৰু কৰুণ আছিল !

1939 চনত ইউৰোপত যুদ্ধ আৰম্ভ হোৱাত চিঙ্গাপুৰৰ অৱস্থাৰ পৰিৱৰ্তন ঘটিল। ভাৰত, অষ্ট্ৰেলিয়া আৰু নিউজিলেণ্ডৰপৰা সৈন্য তালৈ আহিল। শত্ৰুক বাধা দিবৰ প্ৰশিক্ষণ নাগৰিকক দিয়া হ'ল। মানুহৰ ভয় হ'ল যুদ্ধখন যি কোনো সময়তে মালকালৈ বিয়পিব পাৰে।

যুদ্ধৰ বিষয়ত ভাৰতে যি নীতি অৱলম্বন কৰিলে তাত বৃটিছ অসন্তুষ্ট হ'ল। স্বাধীনতাৰ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰা কংগ্ৰেছে ভাৰতৰ জনসাধাৰণৰ হৈ ঘোষণা কৰিলে যিহেতু বৃটিছে জাৰ্মানীৰ বিৰুদ্ধে ভাৰতৰ বাহিৰত যুদ্ধ কৰিছে ভাৰতে তাত ভাগ লোৱাৰ কোনো প্ৰশ্ন নুঠে। বৃটিছৰ ইচ্ছা—যিহেতু ভাৰত বৃটিছৰ অধীনত, যুদ্ধত ভাৰতৰ জনসাধাৰণৰ সাহায্য একান্ত বাঞ্ছনীয়। ভাৰতে স্বৰাজ দাবী কৰাৰ বিষয়ে বৃটিছে ক'লে যিহেতু ভাৰতীয়ৰ মাজত একতা নাই ভাৰতক কোনোমতেই স্বৰাজ দিব নোৱাৰি। সেই সময়তে যুদ্ধৰ কাৰণে চিঙ্গাপুৰৰ নাগৰিকৰ সহযোগিতাৰ কাৰণে প্ৰচাৰ কৰিবলৈ চিঙ্গাপুৰলৈ এড্উইন হাৱাৰ্ড নামৰ এজন বৃটিছ অধিকাৰী আহিল।

যুদ্ধৰ কাৰ্যত ভাৰতত ভাৰতীয়ৰ নীতিক বেয়াভাৱে আলোচনা কৰি চিঙ্গাপুৰৰ বাতৰি—কাকত 'ফ্ৰি প্ৰেছে' সম্পাদকীয়ত যি লিখিছিল তাৰ উত্তৰত ব্যঙ্গ কৰি মই

লিখিছিলো "গণতন্ত্ৰৰ কাৰণে যুদ্ধ ইউৰোপত লগা নাই ভাৰতৰ জেলবোৰত লাগিছে।" মোৰ এই লেখা এড্উইনৰ ওচৰত এটা প্ৰত্যাহবান আছিল। মোৰ লেখাৰ উত্তৰত তেওঁ লিখিছিল — 'ইতিমধ্যে বৃটিছে ভাৰতত শাসনৰ অনেক সংশোধন কৰিছে। এই সংকটৰ সময়ত ভাৰতে বৃটিছক সহায় কৰ উচিত।' তাৰ উত্তৰত মই আকৌ লিখিছিলোঁ 'শাসনৰ উন্নতি বা সংশোধনৰ কাৰণে ভাৰতে—বৃটিছক অনুৰোধ কৰা নাই; ভাৰতৰ উচিত দাবী তাৰ শাসনভাৰ ভাৰতীয়ক গটাই দিয়া।' 'ফ্ৰি প্ৰেছত' প্ৰকাশিত মোৰ আৰু এড্উইনৰ চিঠি আৰু প্ৰত্যুত্তৰবোৰে চিঙ্গাপুৰৰ ভাৰতীয়সকলৰ মাজত আলোড়নৰ সৃষ্টি কৰিছিল আৰু তেওঁলোকক বৰ উৎসাহ প্ৰদান কৰিছিল। তেওঁলোকৰ কেইজনমানে মোক উপদেশ দিছিল, "এতিয়া যুদ্ধ লাগি আছে। অলপ সাৱধানে থাকিবা।"

মোক লগ পাবৰ কাৰণে এদিন এড্উইনে মোক তেওঁৰ থকা ঠাইত চাহ খাবলৈ নিমন্ত্ৰণ কৰিলে। চিঙ্গাপুৰৰ অডল্কী হোটেলত দুঘণ্টা ধৰি আমাৰ দুয়োৰে কথা-বতৰা চলিল। আমাৰ আলোচনাৰ সময়ত আমাৰ ওচৰত আন কোনো মানুহ নাছিল। দুয়োৰে মতত তাৰতম্য আছিল। তেওঁ তাৰ পিছদিনাও মোক মাতিছিল কিন্তু মোৰ সময় নাছিল। ইতিমধ্যে যুদ্ধ মালয়াৰ দুৱাৰমুখ পাইছিল।

1941 চনৰ 8 ডিচেম্বৰত কোনো আগজাননী নিদিয়াকৈয়ে চিঙ্গাপুৰ চহৰত দুটা বোমা পৰে। বোমাৰ ভীষণ গৰ্জন শুনি নাগৰিকে বৰ ভয় খালে। পিছত জনা গ'ল জাপানৰ সম্ৰাটে বৃটিছৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰিছে। তাৰ দুদিনৰ পিছত 10 ডিচেম্বৰত মানুহে জাপানী সৈন্য কোটুবাৰু, সিঙ্কোৰো আৰু পট্টানিত পদাৰ্পণ কৰি আগবাঢ়ি আহিছে বুলি শুনি অনেক মানুহ মালকা এৰি যাবলৈ সাজু হ'ল। কিন্তু যাবলৈ জাহাজ নাছিল। কেইখনমান জাহাজ বোমা পেলাই নষ্ট কৰা হ'ল। ঘৰ-দুৱাৰ এৰি মানুহ পলাবলৈ ধৰিলে। যি কোনো উপায়েৰেই নহওক মানুহে যুদ্ধক্ষেত্ৰ এৰি যাবলৈ চেষ্টা কৰিলে। মই কাৰ্যালয়লৈ যাবলৈ বন্ধ কৰিলোঁ। বাতৰি-কাকত আৰু ৰেডিঅ'ত নতুন নতুন খবৰ শুনি মানুহ বিচলিত হ'ল আৰু মোৰ মনতো ভয়ৰ সঞ্চাৰ হ'ল।

প্ৰতিদিন ৰাতিপুৱা খবৰ আহিল জাপানী সৈন্যই অমুক-তমুক ঠাইবোৰ অধিকাৰ কৰিছে আৰু অমুক-তমুক ঠাইবোৰত জাপানী বিমানে বোমা পেলাইছে। সেই সময়ত মালকাৰ অনেক ভগনীয়া মানুহ আহি চিঙ্গাপুৰত গোট খাইছিল। মানুহৰ বিশ্বাস আছিল যে শত্ৰুৱে চিঙ্গাপুৰ অধিকাৰ কৰিব নোৱাৰে কাৰণ সেই সময়ত চিঙ্গাপুৰত এটা শক্তিশালী নৌবাহিনী আছিল। কিন্তু বাতৰি মতে জাপানী সৈন্যৰ অগ্ৰগতি কোনোমতেই বন্ধ নহৈছিল আৰু জাপানী সৈন্য চিঙ্গাপুৰত পদাৰ্পণ কৰিবলৈ বেছি সময় নাছিল। পেনাং, কোৱালালামপুৰ, মালকা আদি ঠাইবোৰ ইতিমধ্যেই জাপানী সৈন্যই অধিকাৰ কৰিছিল।

1942 চনৰ জানুৱাৰীত জাপানী সৈন্য চিঙ্গাপুৰৰ ওচৰতে থকা জোহ্বত প্ৰৱেশ

কৰিলে বুলি শুনি চিঙ্গাপুৰ চহৰৰ সকলো মানুহ ভয়ত পেপুৱা লাগিল। চিঙ্গাপুৰ সৈন্য আৰু অজস্ৰ যুদ্ধ সামগ্ৰীৰে ভৰা এটা দুৰ্গ আছিল।

জোহ্বৰপৰা চিঙ্গাপুৰলৈ উভতি অহা পৰাজিত সৈন্য আৰু সিহঁতৰ লগত অনা অগণন যুদ্ধ সামগ্ৰীৰ অবিৰাম সোঁতটো কেতিয়াও পাহৰিব নোৱৰা দৃশ্য আছিল। তিনিদিন ধৰি সেই সোঁত মোৰ ঘৰৰ সম্মুখৰ ৰাস্তাটোৱেদি বৈ গৈছিল। বৃটিছে জোহ্বৰপৰা চিঙ্গাপুৰক বিচ্ছিন্ন কৰিবৰ কাৰণে তাৰ মাজত থকা দলংখন 'ডিনামাইট' দি ভাঙি পেলালে। কিন্তু তাৰ দ্বাৰা জাপানী শক্তিৰ গতি বন্ধ নহ'ল। জাপান ৰেডিঅ'ত ঘোষণা কৰা হ'ল—'চিঙ্গাপুৰ অধিকাৰ কৰিবলৈ বেছি সময় নাই। তাৰবাবে যুদ্ধ তুৰন্তে আৰম্ভ হ'ব। দলংখন আমাৰ সৈন্যই মেৰামত কৰি আছে।" জাপান ৰেডিঅ'ৰ ঘোষণা শুনি অনুমান কৰিলোঁ অলপতে এটা ভয়ানক ঘটনা ঘটিব। তাৰ পিছত তেনেকৈয়ে চাৰিদিন গ'ল।

"চিঙ্গাপুৰ অধিকাৰ কৰা শত্ৰুৰ পক্ষে অসম্ভৱ। তাৰ কাৰণে সিহঁতক আমি কোনো সুযোগেই নিদিম। এক এক ইঞ্চি ভূমিৰ কাৰণে আমাৰ সৈন্যই যুঁজিব। আমাৰ যে জয় হ'ব তাত অলপো সন্দেহ নাই।" চিঙ্গাপুৰ ৰাজ্যপালৰ এই ঘোষণা শুনি মানুহে বিশ্বাস কৰিলে এখন ডাঙৰ যুদ্ধৰ কাৰণে বৃটিছ প্ৰস্তুত হৈছে। কিন্তু তাৰ বিপৰীত হ'ল। সোনকালেই সকলো শেষ হ'ল।

যুদ্ধ আৰু তাৰ পিছত

যুদ্ধৰ সময়ত মোৰ মনলৈ অহা অনুভূতিবোৰ মই "ভূত আৰু ভৱিষ্যৎ" নামৰ কিতাপখনত বিশদভাৱে বৰ্ণনা কৰিছোঁ। অৱশ্যে, এই কিতাপখনতো মোৰ মনৰ ভাববোৰকেই বৰ্ণনা কৰিছোঁ। সেই কাৰণে জীৱনৰ লগত সম্বন্ধ থকা ঘটনাবোৰ মই বাৰু কেনেকৈ অৱহেলা কৰোঁ ?

যেতিয়া যুদ্ধ আৰম্ভ হৈছিল তেতিয়া মই চিঙ্গাপুৰৰপৰা চাৰি মাইল দূৰত থকা পথালেবৰ নামৰ ঠাইত আছিলোঁ। মোৰ লগত মোৰ পৰিয়ালটোৰ বাহিৰেও মোৰ কেইজনমান বন্ধু আৰু তেওঁলোকৰ পৰিয়ালো আছিল। আমি আত্মৰক্ষাৰ ব্যৱস্থা কৰিছিলোঁ আৰু কেইদিনমানৰ কাৰণে ৰচদপাতি যোগাৰ কৰি ৰাখিছিলোঁ। বোমা পৰাৰ পিছত আশ্ৰয়স্থল তৈয়াৰ কৰি ৰাখিছিলোঁ আৰু জখম হ'লে প্ৰাথমিক চিকিৎসা সাহায্যৰ সামগ্ৰীবোৰ মজুত ৰাখিছিলোঁ। জাপানীয়ে কেতিয়া চিঙ্গাপুৰ আক্ৰমণ কৰিব সেই আশঙ্কাত আমি দিনবোৰ কটাবলৈ ধৰিলোঁ।

1942 চনৰ 8 ফেব্ৰুৱাৰীত সন্ধিয়া মোৰ ঘৰৰ সম্মুখত এটা বাৰুদ ফুটাৰ ভীষণ শব্দ হ'ল। হঠাতে এটা অতি উজ্জ্বল পোহৰ দেখিলোঁ আৰু এটা ডাঙৰ শব্দ শুনিলোঁ। আমি বৰ ভয় খালোঁ আৰু পাঁচ মিনিটমানৰ পিছত আৰু এটা বাৰুদ ফুটিল। জাপানী সৈন্যই আক্ৰমণ আৰম্ভ কৰি দিলে। আমাৰ ভয় বাঢ়ি গ'ল, ধৰিব নোৱাৰিলোঁ সিহঁত কোনটো বাটেদি চিঙ্গাপুৰলৈ আহিছে। অলপ দূৰত এটাৰ পিছত এটাকৈ তিনিটা বাৰুদ ফুটাৰ শব্দ শুনিলোঁ। ভাবিলোঁ এতিয়া কি কৰা যায় ? তাত থকা বিপজ্জনক আৰু সেই কাৰণে আমি চহৰলৈ যোৱাটো স্থিৰ কৰিলোঁ। দুখন কাৰ আছিল। তিনি-চাৰি খেপ মাৰি আমাৰ আটাইকেইটা পৰিয়ালৰ মানুহ চহৰৰ ঘৰ এটাত উপস্থিত হ'লোঁ। চাৰিপাঁচদিনমান আমি তাতে থাকিলোঁ আৰু সেই দিনকেইটা নিৰাপদে গ'ল। জাপানী বিমানে তাতো বোমা পেলালে। খবৰ এটা ওলাল যে গোটেই চহৰখনত বোমা পেলাই জাপানীয়ে চহৰখন থকা-সৰকা কৰিব। মানুহবোৰ চাৰিওপিনে পলাবলৈ ধৰিলে আৰু আমিও পথালেবৰৰ ঘৰলৈ ঘূৰি যাবলৈ থিৰাং কৰিলোঁ। খাবৰ কাৰণে সময় নাছিল আৰু তাত মাত্ৰ এখন 'কাৰ' আছিল। সেই এখন কাৰেৰেই আমি কেইবাখেপত সকলো মানুহ পথালেবৰলৈ উভতি গ'লোঁ।

তিনি বাজিছিল। আমি বোমা আৰু তোপৰ শব্দ শুনিলোঁ। বৰ ভোক লাগিছিল। চাহকে খালোঁ আৰু চাহ খাই থাকোঁতেই বাৰুদ এটা পাকঘৰটোৰ ওপৰত পৰিল। পাকঘৰটো ভাগি চূৰ্মাৰ্ হ'ল। ভয়-বিহ্বল হৈ আমি লৰ মাৰি গৈ সকলো আশ্ৰয়স্থান খাৱৈত সোমালোঁ। ওচৰৰ ঠাইত এটাৰ পিছত এটাকৈ কেইবাটাও বাৰুদ ফুটিল।

মাইকী মানুহ আৰু ল'ৰা-ছোৱালীৰ কান্দোন শুনিবলৈ পালোঁ। অলপ পিছতে আমাৰ ঘৰটোৰ এফালে বাৰুদ এটা ফুটাত ঘৰটোৰ এটা অংশ খহি পৰিল। কাষৰে কেইবাটাও ঘৰ জ্বলা দেখিলোঁ। আমি খাৰৈৰ ভিতৰত ঈশ্বৰৰ নাম ল'বলৈ ধৰিলোঁ। খন্তেকৰ ভিতৰতে গোটেই ঠাইডোখৰ এখন নৰকত পৰিণত হ'ল।

প্ৰত্যেকটো বাৰুদ ফুটাৰ পিছত আনকেইটা খাৰৈত থকা নিজৰ মানুহক চিঞৰি সুধিলোঁ, "কাৰোবাৰ গাত লাগিলনেকি ?" য'ত বহি আছিলোঁ তাৰপৰা উঠা টান আৰু বিপজ্জনকো আছিল। গতিকে তেনেকৈয়ে আশ্ৰয়স্থান খাৰৈৰ ভিতৰত বহি আমি গোটেই ৰাতিটো কটাই দিলোঁ।

ৰাতি পুৱাল। চাৰিওপিনে চাই যি দেখিলোঁ তাক বৰ্ণনা কৰিব নোৱাৰি। আমাৰ ঘৰটো ভাগি চূৰ্মাৰ্ হ'ল। আন এটা ঘৰ বিচাৰিবলৈ যোৱাটো বিপজ্জনক। অলপ পিছতে শুনিলোঁ যুদ্ধ সমাপ্ত হ'ল। শুনি বৰ আশ্বাস পালোঁ। 1942 চনৰ 16 জানুৱাৰীত জাপানী 'সূৰ্যোদয়' পতাকা চিঙ্গাপুৰৰ আধাসংখ্যক ঘৰৰ ওপৰত উৰা দেখিলোঁ।

দুদিনৰ পিছত এজন জাপানী সামৰিক অধিকাৰী মোৰ ঘৰলৈ আহিল। তেওঁৰ ওপৰৰ ডাঙৰ অধিকাৰী এজনে পিছদিনা মোক লগ পাবলৈ বিচাৰিছে; মই যেন সাজু হৈ থাকোঁ। পিছদিনা নিৰ্দিষ্ট সময়ত সেই অধিকাৰীজন মোৰ ওচৰলৈ আহিল আৰু তেওঁ 'কাৰ' এখনত বহুৱাই মোক লৈ গ'ল।

গৈ থাকোঁতে বাটত যি দৃশ্য দেখিলোঁ তাক কেতিয়াও পাহৰিব নোৱাৰোঁ। দুদিনৰ আগতে এখন সুন্দৰ চহৰ আছিল। এতিয়া ভগা ঘৰ, ৰাস্তাত দ গাঁত, উৰলি পৰা বেৰ, ভাগি পৰা গছ আৰু বিজুলীবাতিৰ খুঁটা আৰু মৰা শ ! বন্দুকধাৰী জাপানী সৈনিক চন্তৰীক কেইবাঠাইতো পালোঁ কিন্তু গাড়ীত জাপানী মিলিটেৰী অধিকাৰীজন দেখি চন্তৰীয়ে গাড়ীখন ক'তো নথমালে। আধাঘণ্টাৰ পিছত আমাৰ 'কাৰ'খন গৈ এটা ডাঙৰ বঙলাৰ সন্মুখত ৰ'লগৈ আৰু মোক লগে লগে মেজৰ ফুজিৱাচৰ ওচৰলৈ লৈ গ'ল। হাঁহিমুখীয়া আৰু দেখিলেই অতি বুদ্ধিমান বুলি ধৰিব পৰা চেহেৰাৰ মেজৰ ফুজিৱাচৰ বয়স চল্লিশ মান আছিল। ঠায়ে ঠায়ে ভাৰতীয়সকলক লগ ধৰি তেওঁ 'ভাৰতীয় স্বাধীনতা সঙ্ঘ' গঠন কৰাৰ কামত লিপ্ত আছিল। সেই কামত তেওঁক সহায় কৰিবলৈ তেওঁৰ লগত ভাৰতীয় আৰু জাপানী অধিকাৰী আছিল। ফুজিৱাচে ইংৰাজী ভালকৈ ক'ব নোৱাৰিছিল কিন্তু বুজি পাইছিল। সেই কাৰণে তেওঁ জাপানীত কৈছিল আৰু এজন দোভাষীয়ে তেওঁৰ কথাবোৰ ইংৰাজীলৈ তৰ্জমা কৰি মোক কৈছিল। তেওঁ মোক উপদেশ দিলে, "এজন এচীয় হিচাপে ভাৰতক ইংৰাজে জোৰ কৰি শাসন কৰাৰ কাৰণে তেওঁৰ মনত দুঃখ। তেওঁ ভাৰতক বিদেশী শাসনৰপৰা মুকলি কৰিবলৈ দৃঢ়সংকল্প আৰু সেইটো তেওঁৰ জীৱনৰ লক্ষ্য। সেই সুযোগটো এতিয়া আহিছে আৰু ভাৰতীয়সকলে একেলগে ওলাই আহি সেই লক্ষ্যস্থানত উপনীত হ'ব লাগে।" তেওঁ মোক আঁত শোনকালেই 'ভাৰতীয় স্বাধীনতা সঙ্ঘৰ' এটা শাখা খুলিবলৈ ক'লে। কথা-বতৰা শেষ হোৱাৰ পিছত তেওঁ মোক এজন সামৰিক অধিকাৰীৰ 'কাৰ'ত ঘৰলৈ

পঠাই দিলে। এনেকৈ বাৰে বাৰে মেজৰ ফুজিৱাচে মোক তেওঁৰ কাৰ্যালয়লৈ মাতিছিল আৰু তেওঁৰ লগত মোৰ সাক্ষাৎ হৈছিল।

দুসপ্তাহৰ পিছত মোৰ ঘৰত এখন বৈঠক বহিল। সেইদিনাই চিঙ্গাপুৰত ভাৰতীয় স্বাধীনতা সঙ্ঘৰ (Indian Independence Legue) শাখা স্থাপন কৰা হ'ল। চিঙ্গাপুৰৰ এজন বিখ্যাত বাৰিষ্টাৰ শ্ৰীগুহ তাৰ সভাপতি হ'ল আৰু মই উপ-সভাপতি হ'লোঁ। গুহ চিঙ্গাপুৰত অনেক বছৰ ধৰি আছিল আৰু ওকালতিত খ্যাতি অৰ্জন কৰিছিল। ইণ্ডিয়ান লীগ স্থাপন কৰোঁতে আৰু কৰ্মী বিচাৰি নিযুক্ত কৰোঁতে মানুহৰ সহায়তা পৰোক্ষভাৱে পাইছিলোঁ।

সেই সময়ত জাপানীসকলৰ লগত মোৰ সম্বন্ধ ভাল আছিল। কিন্তু জাপানী সৈনিকে জনসাধাৰণক কষ্ট দিছিল। যুদ্ধৰ পিছত কিছুদিনলৈ সিহঁতৰ ব্যৱহাৰ পাশৱিক আছিল। মানুহৰ ঘৰত সোমাই সিহঁতে ভাল আৰু জৰুৰী বস্তুবোৰ লৈ গৈছিল, মতা মানুহৰ ওপৰত অত্যাচাৰ আৰু মাইকী মানুহক অপমান কৰিবলৈ সংকোচ নকৰিছিল। সিহঁতৰ ভয়ত মানুহ সদায় পেপুৱা লাগি আছিল। সেই ভয়ৰপৰা ৰক্ষা পাবলৈ মেজৰ ফুজিৱাচে এখন জাননী বোৰ্ড মোৰ ঘৰৰ পদূলিত আঁৰি থোৱাইছিল আৰু তাকে দেখি কোনো জাপানী সৈন্য মোৰ ঘৰলৈ নাহিছিল। তেনেকুৱা বোৰ্ড মোৰ বন্ধুবৰ্গৰ ঘৰৰ সম্মুখতো থৈছিল।

এদিন মাৰ্চ মাহৰ প্ৰথম ভাগতে মেজৰ ফুজিৱাচে মোক তেওঁৰ কাৰ্যালয়লৈ মাতিলে আৰু টোকিওলৈ যাবলৈ আদেশ দিলে। তেওঁ ক'লে ভাৰতৰ স্বাধীনতাৰ কাৰণে ভাৰতীয়সকলৰ এখন সন্মিলন টোকিওত বহাৰ কথা আছে আৰু সেই কাৰণে মই যেন কেইজনমান ভাৰতীয়ক লৈ টোকিওলৈ যাওঁ। তেওঁৰ কথা শুনি মই বৰ উৎসাহ পালোঁ আৰু 15 মাৰ্চত ৰাতিপুৱা সাত বজাত বিমানেৰে টোকিওলৈ ৰাওনা হ'লোঁ।

মই যিখন উৰাজাহাজত গৈছিলোঁ, তাত আঠজন যাত্ৰী আছিল। তাৰে তিনিজন জাপানী। মেজৰ ফুজিৱাচৰ বাহিৰেও কৰ্ণেল ইবাগুৰু আৰু আন এজন জাপানী অধিকাৰী আছিল। ইবাগুৰু ভাৰতীয় স্বাধীনতা সঙ্ঘৰ নতুন জনসম্পৰ্ক অধিকাৰী আছিল আৰু তেওঁ মেজৰ ফুজিৱাচৰ ঠাইত নিযুক্ত হৈছিল।

মোৰ লগত যোৱা চাৰিজন ভাৰতীয় আছিল—মোহন সিং, কৰ্ণেল গিল, এন. ৰাঘৱন আৰু এচ চি গুহ। মোহন সিং বৃটিছ সেনা বাহিনীৰ কেপ্তেইন আছিল আৰু পিছত জাপানীৰ সাহায্যত সংগঠিত ভাৰতীয় ৰাষ্ট্ৰীয় সেনাবাহিনীৰ (I.N.A.) জেনেৰেল আছিল। তেওঁ সমৰ্থ, ধীৰ, স্থিৰ আৰু বিচক্ষণ লোক আছিল আৰু তেওঁৰ দেশ-প্ৰেম গভীৰ আছিল। তেওঁৰ লগত চিনাকি হোৱাৰ পিছৰপৰাই আমাৰ বন্ধুত্ব গাঢ় হৈছিল আৰু এতিয়াও সেই বন্ধুত্ব তেনেকৈয়ে আছে।

বৃটিছ সেনাবাহিনীত কৰ্ণেল গিলৰ পদটো মোহন সিঙৰ পদতকৈ ওপৰত আছিল। কিন্তু ভাৰতীয় ৰাষ্ট্ৰীয় সেনাবাহিনীত তেওঁৰ পদটো তলত আছিল। তেওঁৰ নিৰ্দেশ

আৰু সহায়তাত মোহন সিঙৰ বৰ লাভ হৈছিল। কৰ্ণেল গিল স্বাধীন ভাৰতৰ পৰৰাষ্ট্ৰ প্ৰতিনিধি হিচাপে কেইবাখনো দেশত সেৱা আগবঢ়াই এতিয়া অৱসৰ গ্ৰহণ কৰিছে।

এন. ৰাঘৱন পেনাঙত এজন বাৰিষ্টাৰ আছিল। মালয়াত ভাৰতীয়সকলৰ সম্বন্ধত অহা সকলো ৰাজহুৱা কামত তেওঁ অংশ গ্ৰহণ কৰিছিল আৰু দক্ষতাৰে সম্পাদন কৰিছিল। ৰাঘবনে কেইবাখনো ৰাষ্ট্ৰত ভাৰতৰ প্ৰতিনিধি হিচাপে সেৱা আগবঢ়াই অলপতে অৱসৰ গ্ৰহণ কৰিছে। গুহ চিঙ্গাপুৰত বাৰিষ্টাৰ আছিল যাৰ সম্বন্ধে আগতেই উল্লেখ কৰি আহিছোঁ।

চিঙ্গাপুৰৰপৰা ৰাওনা হৈ আমি চেত্ৰোন, সাংহাই আৰু তাইহাকত এদিন এদিনকৈ ৰৈ গৈছিলোঁ আৰু পাঁচ দিনৰ পিছত টোকিওত উপস্থিত হৈছিলোঁ। ভ্ৰমণত জাপানী চৰকাৰে আমাক সকলো সুখ-সুবিধা দিছিল।

জাপানত উপস্থিত হোৱাৰ দুদিনৰ পিছত শুনিলোঁ যিখন বিমানে আন কেইজনমান ভাৰতীয়ক লৈ জাপানলৈ আমাৰ দুদিনৰ আগতে ৰাওনা হৈছিল, বাটত সেইখন বিমানৰ দুৰ্ঘটনা হয় আৰু তাৰ ফলত সকলো যাত্ৰীৰ মৃত্যু হয়। তেওঁলোক জাপানীসকলে টোকিওত আয়োজন কৰা সন্মিলনত ভাগ ল'বলৈ মালকাৰপৰা গৈছিল। সেই দুৰ্ভগীয়া যাত্ৰীসকল আছিল—নীলকণ্ঠ আয়াৰ, কেপ্তেইন অক্ৰম সিং, স্বামী সত্য নন্দপুৰী আৰু প্ৰীত সিং। তেওঁলোকৰ ভিতৰত নীলকণ্ঠৰ সম্বন্ধে মই সংক্ষেপে উল্লেখ কৰোঁ। তেওঁ অনেক বছৰ ধৰি মালয়াৰ কেইবাঠাইতো আছিল। তেওঁক সকলো ভাৰতীয়ই শ্ৰদ্ধা কৰিছিল আৰু ভাৰতীয়সকলৰ ভালৰ কাৰণে তেওঁ সকলো ৰাজহুৱা কামত আগভাগ লৈছিল। দুখৰ বিষয় যে প্ৰায় গোটেই জীৱনটো বিদেশত কটাই ভাৰতীয়সকলৰ উন্নতিৰ কামত দেহে-কেহে লাগি তেওঁ স্বদেশলৈ ঘূৰি আহিবলৈ মনস্থ কৰোঁতেই যুদ্ধ লাগে আৰু তেওঁৰ স্বদেশ যাত্ৰা অসফল হয়। মোৰ দৰেই তেওঁ ভাৰতীয় স্বাধীনতা সঙ্ঘত মালয়াত যোগদান কৰিছিল আৰু জাপানীসকলে তেওঁক টোকিওলৈ আমন্ত্ৰণ কৰিছিল।

টোকিওলৈ আহিবৰ আগদিনা নীলকণ্ঠ আয়াৰ মোৰ ওচৰলৈ আহিছিল আৰু মোৰ ঘৰতে জাপানী সামৰিক অধিকাৰী কেইজনমানে তেওঁক লগ ধৰিছিল। পিছদিনা এখন বিমান টোকিওলৈ যোৱাৰ খবৰ তেওঁক দিয়াত সেইখনতেই তেওঁ যাব বুলি সন্মত হয়। আচলতে সেইখন বিমানত মোৰ যোৱাৰ কথা আছিল কিন্তু এটা অসুবিধাৰ কাৰণে মই যাব নোৱৰাত মোৰ সলনি তেওঁ যায় আৰু "তেন্তে আপুনি পৰহিলৈ আহিব" বুলি মোক ৰৈ মোৰপৰা বিদায় লয়। 'ভাগ্যৰ লিখন কোনেও মচিব নোৱাৰে আৰু যি হ'ব লগা আছে সি কেতিয়াও অন্যথা নহয়' এই অমোঘ বাক্যক কোনেও অস্বীকাৰ কৰিব নোৱাৰে। সেই বিমানখনে জাপানৰ পৰ্বত এটাত খুন্দামাৰে আৰু লগে লগে বিমানখন চূৰ্ণ-বিচূৰ্ণ হয়। এতিয়াও মোৰ মনত খেলে মই আগতে স্থিৰ কৰা মতে যদি সেইখন বিমানত গ'লোঁহেঁভেন আজি এই কিতাপখন লিখি পাঠকৰ আগত দাঙি ধৰিব নোৱাৰিলোঁহেঁতেন।

এই শোকাবহ বাতৰিটো শুনি টোকিওত আমি সকলো স্তব্ধ হৈ গৈছিলোঁ। আমাৰ মৃত বন্ধুবৰ্গৰ আত্মাৰ শান্তিৰ কাৰণে প্ৰাৰ্থনা কৰাসকলৰ ভিতৰ জাপানৰ প্ৰধান মন্ত্ৰী টোজো আৰু অনেক উচ্চ পদস্থ জাপানী বিষয়া আছিল। এনেকৈ স্বৰ্গগতসকলৰ অবিহনেই আমি সন্মিলনৰ সকলো কাম সমাধা কৰিব লগা হৈছিল।

জাপান আৰু বেঙ্ককত

এটা কোৱা কথা আছে জাপানলৈ ফুৰিবলৈ গ'লে ভ্ৰমণকাৰীয়ে তাৰ তিনিটা বস্তুক আটাইতকৈ বেছি ভাল পায়। সেইকেইটা হ'ল তাৰ ফুজিয়ামা পৰ্বতটো, জাপানৰ আলহী সোধা ছোৱালীবোৰ আৰু চেৰি ফল (কৰ্জা টেঙাৰ নিচিনা এবিধ বৰ সোৱাদ ফল)। বিমানেদি যাওঁতে দূৰৰপৰা ফুজিয়ামাৰ অনন্ত মহানতা দেখি অপূৰ্ব আনন্দ লাভ কৰাৰ সুযোগ পাইছিলোঁ। সেই অনুপম দৃশ্য মই কেতিয়াও পাহৰিব নোৱাৰোঁ। জাপানত অতিথি সৎকাৰ কৰা ছোৱালীবোৰ আন এটা আকৰ্ষণীয় বস্তু। তেওঁলোকৰ চকুতলগা সাজ-পাৰ, সুন্দৰ, মাৰ্জিত ব্যৱহাৰ, অতিথি-সৎকাৰত অত্যধিক সামৰ্থ্য, কথা-বতৰা পতাৰ ভদ্ৰ আৰু পৰিমাৰ্জিত ধৰণ—এই গুণবোৰ দেখি নিসন্দেহে ক'ব পাৰি যে এনে ধৰণৰ উৎকৃষ্ট আতিথ্য-সৎকাৰ আপুনি পৃথিৱীৰ আন ক'তো নাপাব। এসময়ত জাপানত অতিথি সৎকাৰ পুৰুষ আৰু স্ত্ৰী দুয়ো কৰিছিল কিন্তু এতিয়া সেই কামটো মাত্ৰ স্ত্ৰীয়ে কৰে। মানুহৰ ঘৰৰ বাহিৰে হোটেল আৰু ৰাজহুৱা সংস্থাবোৰত এই কামটো বিশেষকৈ নিযুক্ত কৰা আলহী সোধা ছোৱালীবোৰে কৰে।

যেতিয়া চেৰি গছবোৰ ফুলে তেতিয়া সেইবোৰে এটা অপূৰ্ব সুন্দৰ ৰূপ ধাৰণ কৰে। বসন্ত কালত দুই-তিনি সপ্তাহমান সেই সুন্দৰ দৃশ্য দেখিবলৈ পোৱা যায়। সেই সময়তে মই জাপানলৈ গৈছিলোঁ। সেই কাৰণে সেই মনোহৰ দৃশ্য দেখাৰ মোৰ সৌভাগ্য হৈছিল। বিস্তীৰ্ণ চেৰী গছবোৰৰ ওপৰত যেতিয়া সূৰ্যৰ পোহৰ পৰে তেতিয়া এটা চাবলগীয়া দৃশ্য হৈ পৰে। সেই সুন্দৰ দৃশ্য চাই বাহিৰৰপৰা যোৱা ভ্ৰমণকাৰীয়ে খন্তেকৰ কাৰণে নিজৰ সকলো কথা পাহৰি যায়।

জাপানত ভৰি দিয়াৰ দুই-তিনিদিনমানৰ পিছত জাপানীসকলে আমাক অভ্যৰ্থনা কৰিবলৈ এটা সমাৰোহৰ আয়োজন কৰে। তাত মন্ত্ৰীৰ বাহিৰেও ছশমান জাপানী অধিকাৰী আৰু গণ্যমান্য লোকে ভাগ লৈছিল। সমাৰোহত ভাষণ দিওঁতে কেইজনমান বক্তাই কৈছিল ভাৰতৰ স্বাধীনতাৰ কাৰণে জাপানী যি কোনো ত্যাগৰ কাৰণে প্ৰস্তুত আছে। তেওঁলোকৰ ভাষণত কোনো কপটতা নাছিল আৰু মানুহে প্ৰত্যেক দুই-তিনি মিনিটৰ পিছে পিছে হাততালি দিছিল। এনেকৈ আমি জাপানীসকলৰপৰা সহানুভূতি, প্ৰশংসা আৰু সন্মান পাইছিলোঁ। তাত থাকোঁতে আমি জাপানৰ অনেক সংস্থা, অনুষ্ঠান, সংগ্ৰহালয়, স্কুল আৰু কলেজ আদি পৰিদৰ্শন কৰিছিলোঁ। জাপানীসকলৰ দেশ প্ৰেম, সংস্কৃতি, অধ্যৱসায়, আচাৰ-ব্যৱহাৰে যি কোনো ভ্ৰমণকাৰীক আকৃষ্ট নকৰাকৈ নেৰে। মোৰ জাপান ভ্ৰমণ আনন্দদায়ক, প্ৰেৰণাদায়ক আৰু শিক্ষামূলক আছিল। আমি তালৈ

দৃশ্য চাবলৈ যোৱা নাছিলোঁ, আমাৰ প্ৰধান উদ্দেশ্য আছিল ভাৰতৰ স্বাধীনতাৰ কাৰণে জাপানে আগবঢ়োৱা সাহায্যৰ সদ্ব্যৱহাৰ কৰা।

টোকিওত উপস্থিত হোৱাৰ দুদিনৰ পিছত মালয়া, হংকং, চাঙ্গে আৰু জাপানৰ অন্যান্য কেইখনমান চহৰৰপৰা কিছুমান ভাৰতীয় মানুহ সন্মিলনলৈ আহিছিল আৰু তেওঁলোক অহাৰ পিছতহে সন্মিলন আৰম্ভ হৈছিল। কৰ্ণেল ইবাগুৰুৰ আদৰণি ভাষণৰ পিছত সভাৰ কাম আৰম্ভ হয়। ইবাগুৰুৱে কৈছিল ভাৰতৰ স্বাধীনতাৰ কাৰণে জাপানে ভাৰতক সকলো প্ৰকাৰৰ সাহায্য প্ৰদান কৰিবলৈ প্ৰস্তুত। কি প্ৰকাৰৰ সাহায্য আমাক লাগে তাক ভালদৰে বিবেচনা কৰিব লাগিব আৰু সেই সাহায্য পোৱাৰ পিছত কেনেকৈ কাম আৰম্ভ কৰিম তাৰো আঁচনি যুগুত কৰিব লাগিব।

জাপানত অনেকদিন ধৰি বাস কৰা ৰাসবিহাৰী বোসে সন্মিলনৰ সভাপতিত্ব কৰিছিল। ভাইচৰয় লৰ্ড হাৰ্ডিঞ্জৰ ওপৰত বোমা পেলোৱাৰ অপৰাধত গ্ৰেপ্তাৰ কৰাৰ-পৰা ৰক্ষা পাবলৈ ৰাসবিহাৰী বোস, ভাৰত এৰি জাপানলৈ আহিছিল। তেতিয়াৰপৰা তেওঁ তাতেই আছিল আৰু বহুতদিন ধৰি জাপানত থকাৰ কাৰণে তেওঁৰ আদৰ্শৰ বাহিৰেও চিন্তাধাৰা আৰু জীৱন-ৰীতি জাপানীৰ নিচিনাই হৈছিল। ৰাসবিহাৰী বোস এজন ভাল মানুহ আছিল কিন্তু নিজে চিন্তা কৰা আৰু নিজৰ অভিমতৰ অনুসাৰে কাম কৰাৰ শক্তি তেওঁৰ নাছিল। জাপানীয়ে 'ভাৰতীয় স্বাধীনতা সঙ্ঘ'ৰ কামবোৰ তেওঁৰ নেতৃত্বতেই কৰিব লাগিব বুলি থিৰাং কৰিছিল। জাপানৰ পৰিকল্পনা আছিল— ভাৰতীয় স্বাধীনতা সঙ্ঘৰ সকলো কাৰ্যভাৰ ৰাসবিহাৰী বোসৰ ওপৰত সঁপি দি তেওঁক তাৰ সভাপতি হিচাপে নিযুক্ত কৰা, তেওঁক সহায় কৰিবলৈ আৰু উপদেশ দিবলৈ এখন সমিতি গঠন কৰা, আৰু ভাৰতৰ স্বাধীনতা লাভেই সঙ্ঘৰ একমাত্ৰ উদ্দেশ্য বুলি ধৰি লৈ সঙ্ঘটোক সৰ্বদায় শক্তিশালী আৰু কৰ্মতৎপৰ কৰি ৰখা। ভৱিষ্যৎ আঁচনিৰ বিষয়ে আমাৰ নিজস্ব মত আছিল কিন্তু ব্যক্ত কৰিবৰ সুযোগ পোৱা নাছিলোঁ। সেই কাৰণে সকলো আমাৰ মনতেই ৰৈ গৈছিল।

আমি অভিমত প্ৰকাশ কৰিলোঁ ভাৰতীয় স্বাধীনতা সঙ্ঘৰ নিচিনা এটা বিপ্লৱী সংগঠনৰ আঁচনি যুগুত কৰাৰ আগতে দক্ষিণ-পূব এচিয়াৰ ভাৰতীয় প্ৰতিনিধিসকলৰ এখন ডাঙৰ সন্মিলন আহ্বান কৰা উচিত আৰু তাত নিৰ্বাচন কৰা সমিতিবোৰৰ ওপৰত সঙ্ঘৰ কাৰ্যকলাপবোৰ নিয়ন্ত্ৰণ কৰাৰ ক্ষমতা দিয়া উচিত। টোকিও সন্মিলনত সিমানেই আমাৰ কাম আছিল।

টোকিওৰপৰা ঘূৰি অহাৰ আগতে আমি জাপানৰ প্ৰধান মন্ত্ৰী টোজোক সাক্ষাৎ কৰোঁ। সেই সময়ত টোজোৰ ক্ষমতা শীৰ্ষত আছিল। আমি তেওঁৰ সামৰিক কাৰ্যালয়টো দেখিলোঁ। তেওঁৰ ওচৰত আমি প্ৰায় এঘণ্টামান আছিলোঁ। সেই সময়ত কোনে জানিছিল যে সেই উচ্চতম পদটোৰপৰা চ্যুত হৈ টোজো এদিন ফাঁচীৰ কাঠত উঠিব লাগিব। বিধিয়ে মানুহক কি কি সাজ-পাৰ পিন্ধায় কোনেও নাজানে।

বিমানেৰে আমি ঘূৰি আহিলোঁ। দুৰ্ঘটনাত মৃত্যু হোৱা দুভৰ্গীয়া বন্ধুকেইজনৰ স্মৃতি

মোৰ মনৰপৰা যোৱা নাছিল। আমাৰ বিমানখন নিৰাপদে আহিছিল যদিও গোটেই ভ্ৰমণটোত মোৰ মনত ভয়ৰ সঞ্চাৰ হৈছিল। যি কি নহওক, এমাহৰ আগতে আমি চিঙ্গাপুৰ এৰি আকৌ চিঙ্গাপুৰলৈ ঘূৰি আহিলোঁ।

বেঙ্কক সন্মিলন তাৰ দুমাহৰ পিছত হৈছিল। সেই দুমাহৰ ভিতৰত কোনো উল্লেখযোগ্য কাম হোৱা নাছিল যদিও ইতিমধ্যে আমি কেইবাঠাইতো সঙ্ঘৰ শাখা খুলিলোঁ আৰু সঙ্ঘৰ উদ্দেশ্যৰ কথা বুজাই দিলোঁ।

সেই সময়ত মালয়াৰ চীনাসকলক জাপানীয়ে নানা ধৰণে জ্বালাতন কৰিছিল আৰু কোনো কোনো ঠাইত বৰ বেয়া ধৰণে অত্যাচাৰো কৰিছিল। মালয়া অধিকাৰ কৰাৰ পিছত জাপানী সৈন্যই চীনাসকলক গুলীৰে হত্যা কৰাৰ খবৰ মোৰ কাণত পৰিছিল। চীনাৰ তুলনাত ভাৰতীয়সকলৰ অৱস্থা কিঞ্চিৎ ভাল আছিল। সেইবোৰ অন্যায় আৰু অত্যাচাৰ দেখি কোনো মানুহ মনে মনে থাকিব নোৱাৰে। কিন্তু তাৰ বিৰুদ্ধে কিবা কৰাৰ আমাৰ কোনো ক্ষমতা নাছিল। জাপানী সৈন্যৰ ক্ৰূৰ আৰু পাশৱিক অত্যাচাৰৰ খবৰো আমি দিব নোৱাৰিছিলোঁ কাৰণ জাপানী মিলিটেৰী অধিকাৰীসকলে সেইটো ভাল নাপাইছিল। গতিকে অসহায়ভাৱে সেই সকলো ঘটনা চাই থাকিবলগীয়া হৈছিল।

1942 চনৰ 15 জুনত বেঙ্কক সন্মিলন আৰম্ভ হ'ল। তাত ভাগ ল'বলৈ মালয়াৰ-পৰা 50 জনৰো অধিক প্ৰতিনিধি গৈছিল। তেওঁলোকৰ ভিতৰত ভাৰতীয় ৰাষ্ট্ৰীয় সেনাবাহিনীৰ প্ৰতিনিধিও আছিল। চিঙ্গাপুৰৰপৰা বেঙ্ককলৈ এখন 'বিশেষ ট্ৰেইন'ৰ ব্যৱস্থা কৰা হৈছিল।

বাটত যুদ্ধত ধ্বংস হোৱা ঘৰবাৰীবোৰ দেখা পাইছিলোঁ। তিনি দিনৰ পিছত আমি বেঙ্কক পাইছিলোঁ। সন্মিলনত ভাগ ল'বলৈ জাপান, মঞ্চুকো, হংকং, বোৰ্ণিও, যাভা, মালয়া, ষাহহে, মালিলা আৰু ইণ্ডোচীন আদি ঠাইবোৰৰপৰা প্ৰতিনিধি আহিছিল। জাপানে প্ৰতিনিধিসকল থাকিবৰ কাৰণে ভাল ব্যৱস্থা কৰিছিল আৰু তাৰবাবে অনেক খৰচো কৰিছিল।

সেই সন্মিলনত ৰাসবিহাৰী বোস সভাপতি আছিল। সন্মিলনত ঘোষণা কৰা হ'ল অদূৰ ভৱিষ্যতত ভাৰতে পূৰ্ণ স্বাধীনতা লাভ কৰাই স্বাধীনতা সঙ্ঘৰ লক্ষ্য। এই উদ্দেশ্য যুদ্ধ-বন্ধী ভাৰতীয় সেনা আৰু অসামৰিক লোকক ভৰ্তি কৰি ভাৰতীয় ৰাষ্ট্ৰীয় সেনা-বাহিনীক (I.N.A) আৰু অধিক শক্তিশালী কৰি তোলাৰ আঁচনি সঙ্ঘই হাতত ল'ব। স্বাধীনতা সঙ্ঘৰ লগত সম্বন্ধ থকা সকলো ক্ষমতা পাঁচজন সদস্যৰ এখন কাৰ্যকৰী সমিতিৰ ওপৰত ন্যস্ত কৰা হ'ব আৰু সেই সমিতিৰ এজন সভাপতি, দুজন সামৰিক সদস্য আৰু দুজন অসামৰিক সদস্য থাকিব। সেই সন্মিলনতে কাৰ্যকৰী সমিতিৰ সদস্য-সকলক নিৰ্বাচন কৰা হ'ল। ৰাঘৱ আৰু মই দুজন অসামৰিক সদস্য (কাৰ্যকৰী পৰিষদৰ) হিচাপে নিৰ্বাচিত হ'লোঁ। জেনেৰল মোহন সিং আৰু কৰ্ণেল গিলানী সামৰিক সদস্য হিচাপে নিৰ্বাচিত হ'ল আৰু ৰাসবিহাৰী বোস সমিতিৰ সভাপতি হ'ল। এনেভাৱেই বেঙ্কক সন্মিলন শেষ হ'ল।

বেঙ্ককৰ প্ৰথম কাৰ্যকৰী সমিতিৰ সদস্যসকলৰ কৰ্তব্য আৰু অধিকাৰ স্থিৰ কৰা হ'ল। মোক প্ৰকাশন বিভাগৰ সচিৱ কৰিলে আৰু স্বাধীনতা সঙ্ঘৰ শাখাৰ অধিকাৰ ৰাঘৱক দিয়া হ'ল। সৈনিক বিভাগটো মোহন সিঙৰ দায়িত্বত থাকিল আৰু কোষ আৰু অন্যান্য বিভাগবোৰ সভাপতিৰ হাতত থাকিল। এনেকৈয়ে আমি কাম আৰম্ভ কৰিলোঁ।

ভাৰতীয় স্বাধীনতা সঙ্ঘৰ (ইণ্ডিয়ান ইণ্ডিপেণ্ডেণ্ট্‌চ্ লীগ) কাৰ্যালয় বেঙ্ককত স্থাপন কৰিবলৈ স্থিৰ কৰা হৈছিল। কিন্তু মোৰ কিছুমান অসুবিধা আহি পৰিল। যুদ্ধকালীন অৱস্থাত মই পৰিয়ালক চিঙ্গাপুৰত এৰি থৈ বেঙ্ককলৈ যোৱাটো পছন্দ নকৰিলোঁ। ৰাষ্ট্ৰীয় সেনাবাহিনীৰ মুখ্য-কাৰ্যালয় চিঙ্গাপুৰতেই থাকিব লাগে বুলি মোহন সিঙেও বিচাৰিছিল। সন্মিলনৰ এসপ্তাহৰ পিছত মই বেঙ্ককৰপৰা চিঙ্গাপুৰলৈ ঘূৰি আহিলোঁ।

সচিৱৰ পদ

মই চিঙ্গাপুৰলৈ ঘূৰি অহাৰ আগতেই চিঙ্গাপুৰত থকা ভাৰতীয়সকলে মোক কাৰ্যকৰী সমিতিৰ এজন সদস্য হিচাপে নিৰ্বাচিত কৰাৰ খবৰটো পাইছিল। মই বেঙ্ককৰ- পৰা একে ৰাতিতে চিঙ্গাপুৰলৈ উলটি আহিছিলোঁ। পিছদিনা ৰাতিপুৱা অনেক বন্ধু-বান্ধৱ মোৰ ঘৰলৈ আহিল আৰু কেইজনমান জাপানী সামৰিক অধিকাৰীও মোৰ ওচৰলৈ অহাসকলৰ ভিতৰত আছিল। মোক প্ৰকাশন বিভাগৰ মুখ্য অধিকাৰী হিচাপে নিযুক্ত কৰা বাবে সকলোৱে অভিনন্দন আৰু শুভেচ্ছা জ্ঞাপন কৰিলে। তেওঁলোকৰ বিনম্ৰ ব্যৱহাৰ আৰু ভাৰতৰ স্বাধীনতা লাভৰ লগত সম্বন্ধ থকা সকলো কামত সহায় কৰিবলৈ দিয়া আশ্বাস দেখি মই উৎসাহ পালোঁ আৰু আচৰিতো হ'লোঁ। তেওঁলোকৰ কথা-বতৰা পতাৰ ধৰণ আৰু শ্ৰদ্ধাপূৰ্ণ ব্যৱহাৰ দেখি মোৰ পদটো যে কিমান ডাঙৰ সেই ভাবটো মোৰ মনলৈ আহিল।

দুদিনৰ পিছত জাপানৰ প্ৰসাৰণ বিভাগৰ অধিকাৰীসকলৰ লগত আলোচনা কৰি মই ভাৰতীয় স্বাধীনতা সঙ্ঘৰ প্ৰচাৰ কাৰ্যৰ কিছুমান আঁচনি যুগুত কৰিলোঁ। সেই আঁচনিমতে চিঙ্গাপুৰ ৰেডিঅ' ষ্টেচনৰপৰা ভাৰতীয় স্বাধীনতা সঙ্ঘৰ প্ৰচাৰ কাৰ্য আৰম্ভ হ'ল। মই নিশ্চিত আছিলোঁ টোকিওৰপৰা আৰম্ভ কৰি ৰেঙ্গুন পৰ্যন্ত জাপানীৰ অধীনত থকা সকলো ৰেডিঅ' ষ্টেচনৰপৰা প্ৰচাৰ হোৱা ভাৰতীয় সঙ্ঘৰ বাতৰিবোৰৰ ওপৰত মোৰ নিয়ন্ত্ৰণৰ অধিকাৰ থাকিব; কিন্তু দেখিলোঁ, মই নজনাকৈয়ে অনেক কথা জাপানী-সকলে প্ৰচাৰ কৰিছে। লগতে প্ৰসাৰণ বিভাগৰ কৰ্মচাৰীসকলক নিযুক্ত আৰু বৰ্খাস্ত কৰাৰ ক্ষমতা মোক দিয়া হৈছিল যদিও কেইবাজনো কৰ্মচাৰীক মোৰ অজ্ঞাতে নিযুক্ত আৰু বৰ্খাস্ত কৰাৰ ঘটনা মোৰ চকুত পৰিল। তাৰ কাৰণ সোধাত জাপানী অধিকাৰী-সকলে কিবা নহয় কিবা এটা কৈফিয়ৎ দি প্ৰসঙ্গটোৰ ওপৰত বেছি গুৰুত্ব দিবলৈ নিবিচাৰিলে। মাত্ৰ মোৰ বিভাগতেই নহয় ৰাষ্ট্ৰীয় সেনাবাহিনীৰো অনেক কামত জেনেৰেল মোহন সিঙৰ অজ্ঞাতে কোনো কোনো কাম জাপানী অধিকাৰীসকলে কৰিছিল। তেওঁ মোকো সেই বিষয়ে অভিযোগ কৰিছিল।

ভাৰতীয় স্বাধীনতা সঙ্ঘৰ উদ্দেশ্য আৰু লক্ষ্যৰ কথা জনসাধাৰণক বুজাবলৈ 1942 চনৰ আগষ্টত চিঙ্গাপুৰৰ ফাৰৰ পাৰ্কত আবেলি এখন বিৰাট সভাৰ আয়োজন কৰা হ'ল। সেইদিনা ভাৰতীয়সকলৰ ঘৰত আৰু ভাৰতীয় ব্যৱসায়ীসকলৰ দোকান আৰু কাৰ্যালয়ত ভাৰতৰ ৰাষ্ট্ৰীয় পতাকা উত্তোলনৰ নিৰ্দেশ দিয়া হ'ল। সন্মিলনত ইংৰাজী, হিন্দী আৰু তামিল ভাষাত বক্তৃতা দিয়াৰ ব্যৱস্থা কৰা হ'ল। ভাৰতীয় স্বাধীনতা সঙ্ঘৰ কাৰ্যালয়ৰপৰা সভাস্থললৈ এটা ডাঙৰ শোভাযাত্ৰাৰো আয়োজন কৰা

হ'ল। প্ৰচাৰ বিভাগৰ সচিৱ হিচাপে সকলো কাম মোৰ নিয়ন্ত্ৰণত আছিল। সভাখনৰ কাৰ্যক্ৰমবোৰৰ বাৰ্তা-প্ৰচাৰৰ বিৱৰণী ভাৰতলৈকো পঠিওৱা হ'ল যাতে ভাৰতত আমাৰ কাৰ্যকলাপবোৰৰ বিষয়ে জানিব পাৰে। এনেতে সঙ্ঘৰ কাৰ্যালয়ৰপৰা কোনোবাই টেলিফোন কৰিলে আৰব অঞ্চলত ভাৰতীয় মানুহে নিজৰ ভিতৰতে কাজিয়া কৰিছে আৰু বহুত মানুহ ঘাইল হৈছে। মোৰ গাড়ীখনৰ ড্ৰাইভাৰ নথকাত মোৰ ল'ৰা উন্নিয়ে গাড়ীখন চলালে আৰু মই আৰব অঞ্চললৈ গ'লোঁ। তাত কাকো নেদেখিলোঁ। ঘৰ-দুৱাৰ আৰু দোকানবোৰৰ দুৱাৰবোৰ বন্ধ। কাকো নেদেখি ঘূৰি আহিবলৈ ধৰোঁতেই এটা ঘৰৰ ওপৰ মহলাৰ পৰা মানুহ এজনে মোক মাতিলে। মই ওপৰলৈ গলোঁ। মানুহজন মুছলমান। তেওঁ ক'লে ৰাষ্ট্ৰীয় পতাকাৰ লগতে মুছলীম পতাকা উত্তোলন কৰোঁতেই হিন্দু আৰু মুছলমানৰ ভিতৰত কাজিয়া লাগিল আৰু দুয়ো ফালৰ কেইজনমান মানুহ ঘাইল হ'ল। পুলিচ আহি সিহঁত কেইজনমান মানুহক গ্ৰেপ্তাৰ কৰি লৈ গৈছে আৰু ঘাইল হোৱাকেইজনক হস্পিতাললৈ নিয়া হৈছে। মই তললৈ নামি আহিলোঁ আৰু মাটিত ভৰি দিয়াৰ লগে লগে এজন জাপানী সৈন্যই আহি মোক গোৰ মাৰি পেলাই দিলে আৰু লগে লগে গালত বৰ জোৰেৰে এটা চৰো মাৰিলে। মোৰ চচ্‌মাযোৰ উফৰি মাটিত পৰিল। মোৰ ল'ৰা উন্নিয়ে গাড়ীখনৰপৰাই মোক চিঞৰি ক'লে, "দেউতা, আপুনি তাক একো নক'ব, সি আপোনাক চিনি পোৱা নাই। আপুনি লৰালৰিকৈ ইয়ালৈ আহক।" মই গাড়ীখনত বহাৰ পিছত উন্নিয়ে গাড়ীখন চলাবলৈ ধৰোঁতেই আন এটা জাপানী সৈনিক আমাৰ ওচৰলৈ আহিল আৰু সি তাৰ হাতত থকা চুটি লাঠিডালেৰে উন্নিৰ মূৰত প্ৰহাৰ কৰিলে আৰু লগে লগে তাৰ মূৰৰপৰা তেজ ওলাবলৈ ধৰিলে। সৈনিক দুটাই আমাক কাৰৰ পৰা টানি বাহিৰ কৰি সিহঁতৰ কাৰত বহুৱালে আৰু সামৰিক পুলিচ থানালৈ লৈ গ'ল। আমাৰ গাড়ীখন আৰব অঞ্চলতে থাকিল। পুলিচ থানাত যিজন সামৰিক অধিকাৰী বহি আছিল তেওঁক সৈনিক দুটাই আমাক আৰব অঞ্চলত গণ্ডগোল কৰা মানুহবোৰৰ লগৰে বুলি ক'লে। মই সেই কথা অস্বীকাৰ কৰি মোৰ পৰিচয় দিয়াত অধিকাৰীজনে মোৰ ওচৰত ক্ষমা বিচাৰিলে আৰু লগে লগে আমাৰ গাড়ীখন অনাই তাতে বহুৱাই ঘৰলৈ পঠাই দিলে। তেতিয়া দুটা বাজিছিল। মই বেছিকৈ ঘাইল হোৱা নাছিলোঁ, মাত্ৰ জাপানী সৈনিকটোৰ বুত জোতাযোৰৰ তলত লোহা থকাৰ কাৰণে মোৰ কৰঙনত অলপ দাগ বহিছিল।

মই গা-পা ধুই ভাত খায়েই স্বাধীনতা সঙ্ঘৰ কাৰ্যালয়লৈ গ'লোঁ আৰু তাৰপৰা শোভাযাত্ৰাৰ লগত চাৰিটামান বজাত সভাস্থলত উপস্থিত হ'লোঁ। সভাত দহ হাজাৰমান সৈনিক আৰু পঞ্চাশ হাজাৰমান অসামৰিক লোক উপস্থিত আছিল। সভাত ইংৰাজী, হিন্দী আৰু তামিল ভাষাত বক্তৃতা দিয়াৰ ব্যৱস্থা কৰিছিলোঁ। প্ৰথমে মই ইংৰাজীত ভাষণ দিলোঁ। ইংৰাজীৰ পিছতে তামিল ভাষাত বক্তৃতা দিয়াৰ কাৰ্যসূচী আছিল কিন্তু জেনেৰেল মোহন সিঙে কাৰ্যসূচীখন অলপ সলনি কৰি তামিলৰ আগতে হিন্দীৰ ভাষণটো ৰাখি তেওঁ চল্লিশ মিনিট ধৰি হিন্দীত বক্তৃতা দিলে। তেওঁৰ বক্তৃতা

শেষ হোৱাৰ অলপ আগতে সন্ধিয়া হৈছিল। এনেতে সভাত কিছুমান মানুহে প্ৰচাৰ কৰি দিলে যে তামিল বক্তৃতা ৰদ কৰা হ'ল। সভাত অন্ততঃ পোন্ধাৰ হাজাৰমান তামিলভাষী শ্ৰোতা উপস্থিত আছিল। তেনে এটা ভুল খবৰ প্ৰচাৰ হোৱাৰ লগে লগে তামিলভাষী শ্ৰোতাসকল খঙত অগ্নিশৰ্মা হ'ল আৰু লগে লগে সভাস্থলত মাৰপিট আৰম্ভ হ'ল।

মঞ্চৰ ওপৰত আমি কেইজনমান মানুহ বহি আছিলোঁ। ভিৰৰপৰা কিছুমান মানুহ মঞ্চৰপিনে অহা দেখি আমি থিয় হ'লোঁ আৰু হঠাতে এজন মানুহে মোৰ চচ্‌মাযোৰ টানি লৈ দূৰলৈ পেলাই দিলে। তামিল শ্ৰোতাসকলে ধৰি লৈছিল যে মই ইচ্ছা কৰিয়েই তামিল-বক্তৃতা ৰদ কৰালোঁ। মোৰ এযোৰ চচ্‌মা আগতেই নষ্ট হৈছিল আৰু দ্বিতীয়যোৰৰো সেই একে অৱস্থা হোৱাত মই অন্ধৰ নিচিনা হ'লোঁ। চচ্‌মা নোহোৱাৰ কাৰণে মই চাৰিওপিনে এন্ধাৰ দেখিলোঁ আৰু সভাস্থলত মানুহৰ চিঞৰবাখৰ শুনাৰ বাহিৰে কি হৈছে একোৱেই নেদেখিলোঁ। তেনে পৰিস্থিতিত তাত থকাটো মোৰ পক্ষে অসম্ভৱ হ'ল। মোৰ ওপৰত তামিল শ্ৰোতাসকল ক্ষুব্ধ হোৱা দেখি মোৰ কেইজনমান বন্ধুৱে মোক তাৰপৰা আন্ধাৰে-মুন্ধাৰে এডোখৰ নিৰাপদ ঠাইলৈ লৈ আহিল। ইতিমধ্যে মোৰ ৰক্ষাৰ কাৰণে কিছুমান জাপানী সৈন্য আহিল। লগত দুজনমান সামৰিক অধিকাৰীও আছিল। তেওঁলোকে তেওঁলোকৰ গাড়ীত তুলি মোৰ ঘৰত থৈ গ'লহি। ৰাতি দহটা বাজিছিল। মই খাই-বৈ শুই পৰিলোঁ। ৰাতি আহি কোনোবাই মোক আক্ৰমণ কৰাৰ আশঙ্কাত জাপানী সৈন্যই গোটেই ৰাতিটো মোৰ ঘৰটো পহৰা দিলে।

ওপৰত উল্লেখ কৰা মোৰ জীৱনৰ অতি দুখলগা ঘটনা দুটা 1942 চনৰ 12 আগষ্টত ঘটিছিল যাক মই আজীৱন স্মৰণ কৰিম।

মোৰ এনেকুৱা লাগিছিল ভাৰতীয় স্বাধীনতা সঙ্ঘৰ লগত সম্বন্ধ ৰখা মোৰ পক্ষে অসম্ভৱ হৈছে। জাপানীসকলৰ কাৰ্যকলাপ আৰু গতিবিধি দেখি তেওঁলোকৰ উদ্দেশ্য কি বুজিবলৈ সময় নালাগিল। তেওঁলোকৰ ইচ্ছা আছিল ভাৰতীয় স্বাধীনতা সঙ্ঘক তেওঁলোকৰ হাতৰ পুতলা কৰি ৰখা আৰু পৰোক্ষভাৱে দিয়া তেওঁলোকৰ নিৰ্দেশ সঙ্ঘই পালন কৰা।

এদিন কাৰ্যকৰী সমিতিৰ সকলো সদস্য গোট খালোঁ আৰু তেনে পৰিস্থিতিত কি কৰা উচিত হ'ব আমি সকলোৱে আলোচনা কৰিলোঁ। শেহত আমি ভাৰতীয় স্বাধীনতা সঙ্ঘৰ কাৰ্যকলাপবোৰৰ লগত সম্বন্ধ থকা কিছুমান কথা স্পষ্ট কৰিবলৈ জাপানী কৰ্তৃপক্ষলৈ লিখাটো উচিত হ'ব বুলি স্থিৰ কৰিলোঁ।

জাপানী কৰ্তৃপক্ষলৈ লিখোঁতে এইটোও উল্লেখ কৰিলোঁ যে বেঙ্কক সন্মিলনত গ্ৰহণ কৰা ভাৰতীয় স্বাধীনতা সঙ্ঘ সম্বন্ধীয় সকলো প্ৰস্তাৱ জেনেৰেল টোজোক যেন অৱগত কৰায়। চাৰিমাহৰ পিছত আমাৰ চিঠিৰ উত্তৰ আহিল। চিঠিখন আমালৈ পঠোৱাৰ দুই-তিনি দিনমানৰ পিছত জনসম্পৰ্ক অধিকাৰী কৰ্ণেল ইবাগুৰুৱে এখন বৈঠকলৈ আমাক তেওঁৰ কাৰ্যালয়লৈ মাতিলে।

বৈঠকত কাৰ্যকৰী সমিতিৰ আমি পাঁচজন সদস্য উপস্থিত আছিলোঁ আৰু সচিৱ বি কে দাস সঙ্ঘৰ প্ৰতিনিধি হিচাপে উপস্থিত আছিল। কৰ্ণেল ইবাগুৰু যে আমাৰ ওপৰত ৰুষ্ট হৈছিল তেওঁৰ কথাৰ সুৰতেই বুজিলোঁ। তেওঁ উচ্চৈস্বৰে সুধিলে, "আপোনালোকে সেই চিঠিখন কিয় লিখিছিল ?" মই কাৰ্যকৰী সমিতিৰ স্থিতি বুজাবলৈ তাৰ উত্তৰ দিলোঁ। দুঘণ্টা ধৰি আলোচনা চলিল। আলোচনাত মোহন সিং আৰু ৰাঘৱেও ভাগ লৈছিল। কৰ্ণেল ইবাগুৰুৱে কথাবোৰ ডাঙৰ ডাঙৰকৈ কৈছিল কিন্তু আমি আমাৰ মতৰপৰা বিচলিত হোৱা নাছিলোঁ। বৈঠকখন অমীমাংসিতভাৱে শেষ হ'ল।

সেই বৈঠকখনত হোৱা কথাবোৰ পুনৰ আলোচনা কৰি এটা শেষ সিদ্ধান্ত গ্ৰহণ কৰিবৰ উদ্দেশ্যে কাৰ্যকৰী সমিতিৰ সদস্যসকলৰ এখন বৈঠক আহ্বান কৰিলোঁ। ৰাস-বিহাৰী বোসে সেই বৈঠকখনক দুসপ্তাহৰ কাৰণে স্থগিত ৰাখিবলৈ আদেশ দিলে কিন্তু আমি তেওঁৰ আদেশ অমান্য কৰিলোঁ। তাৰ প্ৰধান কাৰণ আছিল তাৰ কেইদিনমানৰ আগতে জাপানীয়ে কৰ্ণেল গিলক গ্ৰেপ্তাৰ কৰিছিল। আমি থিৰাং কৰিলোঁ সকলোৱে ভাৰতীয় স্বাধীনতা সঙ্ঘৰপৰা পদত্যাগ কৰিম।

1942 চনৰ 8 ডিচেম্বৰত মোহন সিং, গিলানী আৰু মই ইস্তফা দিলোঁ। পদত্যাগ কৰাৰ কাৰণ আমি ত্যাগপত্ৰত উল্লেখ কৰিলোঁ।

এনেকৈ ছমাহ ধৰি প্ৰকাশন বিভাগৰ সচিৱ হিচাপে থকাৰ পিছত মই ভাৰতীয় স্বাধীনতা সঙ্ঘৰ লগত থকা সকলো সমন্ধ ছিঙি আকৌ ব্যক্তিগত জীৱন আৰম্ভ কৰিলোঁ।

জাপানীৰ বন্দী

স্বাধীনতা সঙ্ঘৰ লগত সম্বন্ধ ছেদ কৰাত জাপানীয়ে মোক সন্দেহ কৰিবলৈ ধৰিলে। সিহঁতে চোৰাংচোৱা লগালে আৰু চোৰাংচোৱাই মোৰ ঘৰলৈ কোন কোন মানুহ আহে নিৰীক্ষণ কৰিলে। ভয়ত মোৰ ঘৰলৈ বন্ধু-বান্ধৱসকলেও আহিবলৈ এৰি দিলে। কাৰ্যালয় নামমাত্ৰ খুলি ৰাখিছিলোঁ কিন্তু তাত কোনো কাম নহৈছিল। মোৰ নিচিনা অৱস্থা অনেক ভাৰতীয় পৰিয়ালৰ হৈছিল। মই বাহিৰলৈ যাবলৈ এৰি দিছিলোঁ, মাত্ৰ গধূলি পৰত অলপ সময় টহল দিছিলোঁ। ভয়ত বাহিৰলৈ যাবলৈ এৰি দিয়াৰ কাৰণে ঘৰত খাদ্য সামগ্ৰীৰো কম হৈছিল আৰু প্ৰায়েই মাত্ৰ ভাত আৰু দাইলৰ তৰকাৰি খাই দিন কটাইছিলোঁ। মোৰ সন্ধান ল'বলৈ মাজে-সময়ে জাপানী সৈনিক পুলিচ মোৰ ঘৰলৈ আহিছিল আৰু মোক থানালৈ লৈ গৈছিল। দুই-তিনি ঘণ্টামান নানা প্ৰশ্ন কৰি মোৰ উত্তৰবোৰ লিখি পিছত মোক ঘৰলৈ পঠিয়াই দিছিল। এনেকৈ কেইবামাহো পাৰ হৈ গ'ল। ইয়াৰ ভিতৰত ভাৰতীয় স্বাধীনতা সঙ্ঘৰ কামবোৰৰ ওপৰত নেতৃত্ব সলনি হ'ল। 1943 চনৰ 2 জুলাইত সুভাষ চন্দ্ৰ বোস বিমানেৰে টোকিওৰপৰা চিঙ্গাপুৰলৈ আহিল। ভাৰতীয়ৰ নেতৃত্ব তেওঁ গ্ৰহণ কৰিলে। ভাৰতীয়সকলৰ মনলৈ নতুন উৎসাহ আৰু উদ্যম আহিল। সুভাষ বাবুৰ লক্ষ্য ভাৰতৰ পূৰ্ণ স্বাধীনতা আছিল আৰু তাক লাভ কৰিবলৈ যি কোনো উপায় অৱলম্বন কৰিবলৈ তেওঁ প্ৰস্তুত আছিল। কেৱল চিঙ্গাপুৰ আৰু মালয়াতেই নহয় তাৰ বাহিৰেও ব্ৰহ্মদেশ আৰু থাইলেণ্ড ভ্ৰমণ কৰি তেওঁ ভাৰতীয়সকলৰ মনলৈ আশা আৰু উদ্দীপনা আনিবলৈ চেষ্টা কৰিছিল। তেওঁ দেশীয় সেনাবাহিনী গঠন কৰিলে আৰু সেই সেনাবাহিনীটোক ব্ৰহ্মদেশলৈ লৈ যোৱাৰ কাৰণে প্ৰস্তুত হ'ল। তেওঁ 1943 চনৰ 21 অক্টোবৰত আজাদ হিন্দ ফৌজ গঠন কৰিলে। কাৰ্যকৰী সমিতিৰ কাৰ্য বন্ধ হোৱাৰ পিছত যিবোৰ মানুহ দেশীয় সেনাৰপৰা পৃথক হৈ গৈছিল, তেওঁলোক আকৌ ঘূৰি আহিল। 1944 চনত আজাদ হিন্দ চৰকাৰৰ কেন্দ্ৰ চিঙ্গাপুৰৰপৰা ৰেঙ্গুনলৈ নিয়া হ'ল। তালৈ সৈনিকসকলকো পঠোৱা হ'ল।

মই ভাৰতীয় সঙ্ঘ এৰি দিছিলোঁ যদিও মোৰ লগত যিসকল বন্ধু-বান্ধৱে কাম কৰিছিল তেওঁলোক মোৰ ঘৰলৈ মোক লগ পাবলৈ প্ৰায়েই আহিছিল। তেওঁলোকৰ লগত মই কথা-বতৰা পাতিছিলোঁ আৰু কথা প্ৰসঙ্গত মই তেওঁলোকৰ আগত মোৰ মত প্ৰকাশ কৰিছিলোঁ। পিছত মই বুজিছিলোঁ তেনে কৰা মোৰ উচিত নাছিল। মোৰ অটল বিশ্বাস আছিল যদি আমি জাপানীৰ সহায়ত ভাৰতৰ স্বাধীনতা লাভ কৰোঁ সেই স্বাধীনতা ভাৰতৰ প্ৰকৃত স্বাধীনতা নহ'ব। মোৰ সেই মতটো মোৰ বন্ধুসকলৰ

আগত ক'বলৈ মই সংকোচ কৰা নাছিলোঁ। মই তেতিয়া বুজিব পৰা নাছিলোঁ যে মই সেই মত প্ৰকাশ কৰি মোৰ নিজৰ বন্ধনৰ বেৰ তৈয়াৰ কৰিছিলোঁ। আমি যিমানেই সাৱধান নহওঁ কিয় কেতিয়াবা আমাক বিবেকে এৰা দিয়ে। মোৰো তেনেকুৱাই হ'ল। মোৰ কোনো কোনো বন্ধুৱে মোৰ মতৰ কথা জাপানীক কৈ দিলে আৰু আনকি মই নোকোৱা কিছুমান কথাও তেওঁলোকে সাজি ক'লে।

মোৰ কেইজনমান অন্তৰঙ্গ বন্ধুৱে মোৰ মতটো সলনি কৰিবলৈ উপদেশ দিলে। তেওঁলোকে মোৰ মতটো ভালদৰে জানিছিল আৰু কৈছিল মোৰ মতটোৱে মোক ৰক্ষা কৰিব নোৱাৰিব। তেওঁলোকে মোক পৰামৰ্শ দিলে মই যেন নামমাত্ৰ জনসাধাৰণৰ লগত সম্পৰ্ক ৰাখোঁ। কেইজনমানে হাতযোৰ কৰি অনুৰোধো কৰিলে। কিন্তু তেনে কৰিলে মোৰ বিকেকক অপমান কৰা হ'ব বুলি মই অনুভৱ কৰিলোঁ। মই জানিছিলোঁ মোৰ মত সলনি নকৰিলে মোৰ বিপদ আহিব কিন্তু তথাপি মোৰ অভিমত বদলি কৰাৰ কথা মই কোনোমতেই মনত ঠাই দিব নোৱাৰিলোঁ। এফালে মোৰ বিবেক আৰু আনফালে বিপদ। সেই সংকটপূৰ্ণ পৰিস্থিতিত পৰি তাৰপৰা কেনেকৈ উদ্ধাৰ পাম কোনেও মোক সেই পথ দেখুৱাব নোৱাৰিলে।

কেইজনমান মহাপুৰুষৰ জীৱনে মোক তেনে পৰিস্থিতিত আশ্বাস দিব পাৰে। তেওঁলোকৰ বাণী, কৰ্ম, উপলব্ধি আৰু অনুভূতিবোৰৰ কথা স্মৰণ কৰা আৰু তেওঁলোকৰ বিষয়ে গভীৰভাৱে জনাৰ উৎসাহ মোৰ মনত প্ৰবল হ'ল। যেনেকৈ সাঁচি থোৱা ধন অতি জৰুৰী সময়ত সৎভাৱে খৰচ কৰিব পাৰি তেনেকৈ মহাপুৰুষসকলৰ জীৱনৰ ঘটনাবোৰৰ প্ৰভাৱ আমাৰ জীৱনৰ ওপৰত পৰিলে সেই প্ৰভাৱেও সাঁচতীয়া ধনৰ নিচিনা কাম কৰে। সেই চিন্তাবোৰ মনলৈ অহাত মই সান্ত্বনা আৰু উৎসাহ পালোঁ আৰু মোৰ অভিমত সুদৃঢ় হৈ ৰ'ল।

কিছুদিনৰ পিছতে মানুহে কোৱা-মেলা কৰিলে সোনকালেই জাপানীয়ে মোক গ্ৰেপ্তাৰ কৰিব। মোৰ কেইজনমান বিশ্বাসী বন্ধুৱে মোক সাৱধান কৰি দিলে আৰু ক'লে জাপানীৰ হাতত জেলত থকা বৃটিছৰ হাতত জেলত থকাৰ নিচিনা নহয়। জাপানীয়ে জেলত থ'লে তাৰপৰা ঘূৰি অহা বিৰল। মই মোৰ পৰিয়ালৰ কথা বৰকৈ চিন্তা কৰিলোঁ। সেই সময়ত মোৰ পৰিয়ালটো ডাঙৰ আছিল। জাপানীৰ হাতত যেন মই নপৰোঁ তাকে চিন্তা কৰি কিছুমান লাগতিয়াল কাগজ-পত্ৰ আন কেইজনমান বন্ধুৰ ঘৰত ৰাখিলোঁ।

1944 চনৰ 14 এপ্ৰিলত ৰাতিপুৱা কোনোবাই মোৰ ঘৰৰ দুৱাৰত খট্‌খটালে। দুৱাৰখন খোলাৰ লগে লগে আঠ-দহজন মান জাপানী সৈনিক পুলিচ ঘৰত সোমাল। সিহঁত যে মোক গ্ৰেপ্তাৰ কৰিবলৈ আহিছে মই জানিলোঁ। মোৰ পৰিয়ালত কুৰিজন মানুহ আছিল। মোৰ বাহিৰে পৰিয়ালৰ আন সকলোকে এটা কোঠাত সুমুৱাই হাতত বন্দুক লৈ এটা পুলিচ দুৱাৰমুখত থিয় হ'ল আৰু আন এটা কোঠাত মোক থৈ মোৰ ওচৰত বন্দুকধাৰী পুলিচ এটা থিয় হৈ ৰ'ল। সিহঁতে গোটেই ঘৰটো তন্ন তন্নকৈ

খানাতালাচ কৰিলে আৰু কিছুমান কাগজ-পত্ৰ, কিতাপ, ছবি আদি বস্তুবোৰ বান্ধি এখন কাৰত তুলিলে আৰু মোক আন এখন কাৰত বহুৱাই ন বজাত ঘৰৰপৰা লৈ গ'ল। লৈ যোৱাৰ আগতে মোক পৰিয়ালৰপৰা বিদায় লোৱাৰ কোনো সুযোগ নিদিলে।

মোক এডোখৰ অজ্ঞাত স্থানলৈ নি এটা অন্ধকাৰময় কোঠাত সুমুৱাই দিলে। সিহঁতে মোৰ সাজ-পাৰবোৰ লৈ গ'ল আৰু পিন্ধিবলৈ এটা পায়জামা আৰু পাঞ্জাৱী দিলে। মই অনেক প্ৰতিবাদ কৰা সত্ত্বেও সিহঁতে মোৰ চচ্‌মাযোৰ লৈ গ'ল। কোঠাটো দীঘলে বাৰফুট আৰু পুতলেও সিমান আছিল আৰু বতাহ সোমাবলৈ বেৰত সৰু সৰু কেইটামান ফুটা আছিল। দুবাৰখন বন্ধ কৰি দিলে কোঠাটোক এন্ধাৰে ছাটি পেলাইছিল আৰু তেতিয়া দিননে ৰাতি একো বুজা নগৈছিল। কোঠাটোত মোৰ বাহিৰেও আৰু আঠজন বন্দী আছিল। কোঠাটোৰ লগত এটা পায়খানা আছিল আৰু তাৰ কাষতে এটা পানীৰ নল আছিল।

পাঠক আচৰিত হ'ব যে কোঠাটোত কেইজনীমান মাইকী বন্দিনীও ৰাখিছিল। পুৰুষ আৰু স্ত্ৰীক একেটা কোঠাতে ৰখাৰ কথা মই আগতে কেতিয়াও শুনা নাছিলোঁ কিন্তু তাত প্ৰথম দেখিলোঁ। মাজে মাজে বন্দীক কথা সুধিবলৈ বা শাস্তি দিবলৈ বাহিৰলৈ লৈ গৈছিল। মই থকা কোঠাটোত ব্যৱসায়ী, ধনী, দুখীয়া, বেমাৰী, শিক্ষিত আৰু অশিক্ষিত সকলো স্তৰৰ বন্দী আছিল।

বতাহ সোমাব নোৱৰাৰ কাৰণে উত্তপ্ত গৰমত বিশেষকৈ দুপৰীয়া কোঠাটোত বহি থাকোতে গৰমকালি একুৰা জুইৰ কাষত বহি থকা যেন লাগিছিল। খাদ্যৰ ফালে দুপৰীয়া আৰু গধূলি দাইলৰ পানীত জুবুৰিয়াই অনা এবাটি ভাত আৰু এটা সৰু শুকান মাছ খাবলৈ দিছিল। কেতিয়াবা শুকান মাছটোৰ সলনি উতলা পানীত সিজোৱা ফল বা আলু দিছিল।

মই চাৰি মাহ বন্দী হৈ আছিলোঁ। প্ৰত্যেক দিন তাৰ পিছদিনা মোৰ কি হ'ব ভাবোঁতে মনলৈ ভয় আহিছিল আৰু মোৰ মনোবল, সাহস আৰু ধৈৰ্য একেবাৰে লুপ্ত হৈছিল। মনোবল, আত্মবিশ্বাস আৰু সাহস হেৰুৱাই আত্মৰক্ষাৰ চিন্তাত জুৰুলা হৈ সেই চাৰিমাহ মই পশুৰ জীৱন যাপন কৰিছিলোঁ। জাপানী সৈনিক পুলিচৰ অত্যাচাৰ, নিৰ্মম ব্যৱহাৰ আৰু লাঠিৰ প্ৰহাৰত কিছুমান বন্দীৰ হৃদয়বিদাৰক চিঞৰৰ দৃশ্য মোৰ মানস পটত সদায় উজ্জ্বল হৈ থাকিব। মানুহৰ ক্ৰূৰতা আৰু নিষ্ঠুৰতা যে কিমান বেছি হ'ব পাৰে তাৰ প্ৰমাণ সেই চাৰি মাহত নিজ চকুৰে দেখিছিলোঁ আৰু স্তব্ধ হৈছিলোঁ।

জবাব তলব কৰিবৰ কাৰণে মোক দিনৌ সৈনিক পুলিচ থানালৈ লৈ গৈছিল। ক্ৰূৰ, নিৰ্দয় আৰু পশুতুল্য জাপানী সৈনিক পুলিচবোৰৰ সম্মুখত মই নিজকে সিংহৰ আগত শহা যেন অনুভৱ কৰিছিলোঁ। প্ৰায়েই মোক জবাব তলব কৰা কোঠাটোৰ কাষৰ কোঠাবোৰৰপৰা অহা লাঠিৰ কোব আৰু বুত জোতাৰ গোৰত অসহ্য হৈ কন্দা বন্দীবোৰৰ হৃদয়বিদাৰক কান্দোন মোৰ কাণত পৰিছিল। প্ৰত্যেক দিনে মোক সিহঁতে

পাঁচ-ছঘন্টা ধৰি প্ৰশ্ন কৰিছিল। এদিন মোৰ উত্তৰত সন্তুষ্ট নহৈ আৰু মোৰ উত্তৰক মিছা বুলি কৈ মোক এজন উচ্চ পদস্থ সৈনিক অধিকাৰীৰ ওচৰলৈ লৈ গ'ল। অধিকাৰীজনৰ কঠোৰ চেহেৰা, নিৰ্দয় আৰু ক্ৰূৰ দৃষ্টি দেখি ভয়ত মোৰ মনৰ অৱস্থা যি হৈছিল তাক বৰ্ণনা কৰিব নোৱাৰি। অধিকাৰীজনৰ জাপানী ভাষা কোৰিয়াবাসী দোভাষী এজনে তৰ্জমা কৰিছিল। অধিকাৰীজন গৰ্জি উঠিল, "এখন ভয়ানক যুদ্ধ চলিছে—য'ত আমি প্ৰতিদিনে হেজাৰ হেজাৰ মানুহ হত্যা কৰিছোঁ। সিহঁতৰ লগত তোৰ আৰু এটা মূৰ যোগ হ'ব। কাইলৈ দহ বজাত তোৰ জীৱন শেষ হ'ব। তোৰ ফাঁচি হ'ব নাইবা গুলীৰ আঘাতত তোৰ প্ৰাণ যাব।" এই কথাকেইটা কৈয়েই মোক তালৈ লৈ যোৱা পুলিচটোক ক'লে, "ইয়াক কাইলৈ সেই বিশেষ কোঠাটোলৈ লৈ যাবি।" অধিকাৰীজনৰ কথা শুনি মোৰ বুজিবলৈ বাকী নাথাকিল সেই বিশেষ কোঠাটোত মোক ফাঁচি দিব বা গুলীৰে হত্যা কৰিব।

মই মোৰ আগৰ কোঠাটোলৈ ঘূৰি আহিলোঁ আৰু কাণত সেই জাপানী অধিকাৰীজনৰ কথাবোৰ বাজি থাকিল। মোৰ ঘৰলৈ মনত পৰিল, মৰাৰ আগতে মোৰ পত্নী আৰু ল'ৰাছোৱালীবিলাকক দেখা নোপোৱাৰ চিন্তা অহাত মনত দাৰুণ ব্যথা পালোঁ। ৰাতি বিছনাত বাগৰ দিলোঁ কিন্তু টোপনি নাহিল। চকুৰ সম্মুখত ফাঁচিৰ ৰছী আৰু ৰিভলভাৰটো ভাহি উঠিল। বাকী সকলো বন্দী টোপনিত লালকাল। দূৰত ক'ৰবাত ঘন্টাত তিনিটা কোব পৰাত তিনিটা বাজিল বুলি জানিব পাৰিলোঁ। মই বিছনাতে উঠি বহিলোঁ আৰু চকুমুদি ঈশ্বৰক চিন্তা কৰিলোঁ। মনত অলপ শান্তি পালোঁ। ৰাতিপুৱালৈকে মই তেনেকৈয়ে বহি থাকি ঈশ্বৰৰ চিন্তাত মগ্ন হ'লোঁ।

পিছদিনা আঠ বজাত দুৱাৰ খুলিলে। মোৰ অন্তিম যাত্ৰা আৰম্ভ হ'ল।

মোক আন এজন সৈনিক অধিকাৰীৰ ওচৰলৈ লৈ গ'ল। তেওঁক কম নিৰ্দয় যেন অনুমান হ'ল। তেওঁ সুধিলে, "তই কিয় ৰেডিঅ' শুন ? জাপানৰ পৰাজয়ৰ বাতৰি শুনিবলৈ নহয় জানো ?" মই ক'লোঁ, "নহয়, যুদ্ধখন কেনেকৈ চলি আছে জানিবৰ কাৰণে।"

"সঁচা কথা ক। যদি সঁচা কথা নকৰ তাৰ পৰিণাম কি হ'ব নিশ্চয় জান।" মই লগে লগে উত্তৰ দিলোঁ। "ইংৰাজক খেদিবলৈ মোৰ দেশে সংগ্ৰাম কৰিছে। এজন ভাৰতীয় দেশপ্ৰেমিক হিচাপে সেই প্ৰচেষ্টাত যুদ্ধখন কিমান দূৰ আগবাঢ়িছে তাক জানিবৰ কাৰণে মোৰ ইচ্ছা নহয় জানো ?"

মোৰ কথা শুনি অধিকাৰীজনৰ কথাৰ সুৰ অলপ বদলি হ'ল আৰু তেওঁ ক'লে, "মানে, ইংৰাজ ভাৰতৰপৰা গ'লনে নাই সেইটো জানিবৰ কাৰণে নহয় জানো ? এই উত্তৰটো তই কালিয়েই দিব পাৰিলিহেঁতেন, নহ'লে ইমানখিনি আগ নাবাঢ়িলহেঁতেন।"

মই প্ৰাণদণ্ডৰপৰা ৰক্ষা পৰিলোঁ কিন্তু তাৰপৰা মোক সৈনিক জেললৈ পঠাই দিলে। ভাৰতীয় স্বাধীনতা সঙ্ঘ ত্যাগ কৰি জাপানীৰ বিৰুদ্ধাচৰণ কৰা আৰু আজাদ হিন্দ চৰকাৰৰ প্ৰতি সহযোগিতা নকৰাৰ অপৰাধত মোৰ সৈনিক আদালতত বিচাৰ হ'ল। বিচাৰত আদালতে মোক ছবছৰ সশ্ৰম কাৰাদণ্ড দিলে আৰু কাৰাবাস কাৰণে আন এখন জেললৈ পঠাই দিলে।

সেই জেলখনৰ নীতি-নিয়ম কঠোৰ আৰু অমানুষিক আছিল। ৰাতিপুৱা ন বজাত বন্দীবিলাকক বাহিৰলৈ গা ধুৱাবলৈ নিওঁতে সকলোকে নঙঠা কৰি নিছিল। মই জনাৰ ভিতৰত এই নিয়মটো জাপানীৰ বাহিৰে আন কোনো দেশে সেই সময়ত পালন কৰা নাছিল আৰু এতিয়াও নকৰে। জেলত একেটা কোঠাতে ৰোগী আৰু নিৰোগী বন্দী ৰাখিছিল আৰু ৰোগীৰ কোনো চিকিৎসা নহৈছিল। মই থকাৰ সময়তে অনেক বন্দী জ্বৰশোথ অৰ্থাৎ বেৰিবেৰি আৰু অৰ্শৰোগত ভুগিছিল আৰু কোনো কোনো মৰিছিলও। জেলখনত মোৰ পুৰণি চিনাকি অনেক অধিকাৰী আছিল। মই দুই-তিনি-জনমান ৰোগীক তেওঁলোকৰ অন্তিম সময়ত শুশ্ৰূষা কৰিবলৈ সুযোগ পাইছিলোঁ। সেই সময়ত মালয়াৰ কমিচনাৰ চাৰ জন স্কট মোৰ লগত সেই জেলতে আছিল। মই আৰু তেওঁ জাপানী সৈনিকৰ জোতা পালিচ কৰিছিলোঁ। তাৰ বাহিৰেও মোক নাৰিকলৰ বাকলিৰ আঁহৰপৰা ৰছী তৈয়াৰ কৰা আৰু সৈনিকৰ সাজ-পাৰবোৰ ভাঁজ কৰা কামবোৰ দিছিল। জেলৰ আহাৰো শোচনীয় আছিল আৰু সেই আহাৰ খাই জীয়াই থকাটো অসম্ভৱ আছিল যদিও কোনোমতে জীয়াই আছিলোঁ। প্ৰায়েই শুকান ৰুটি আৰু দাইলৰ পানী দিছিল। ভাত কাচিৎহে দিছিল।

এদিন গধূলি মোক কোঠাত বন্ধ কৰি দিয়াৰ পিছত আন এজন বন্দী ৰক্ষকে মোক সুধিলেহি, "অলপ ভাত আনিছোঁ, তোমাক লাগেনে ?"

ভাতৰ নাম শুনি মোৰ লোভৰ পানী ওলাই আহিল আৰু অতি আগ্ৰহেৰে 'লাগে' বুলি কোৱাত তেওঁ একাঁহি ভাত লৈ আহিল। কিন্তু মোৰ কোঠাটো বাহিৰৰপৰা তলামাৰি থোৱাৰ কাৰণে ভাতখিনি মোক দিয়াৰ কোনো উপায় নাছিল। দুৱাৰখনৰ ফুটা এটাইদি তেওঁ মোৰ লগত কথা পাতিছিল। এনেতে এটা বুধি ওলাল। দুৱাৰখনৰ তলত এক ইঞ্চিমান ফাক আছিল। মই মোৰ চোলাটো খুলি সেই ফাকেদি চোলাটো বাহিৰলৈ উলিয়াই দিলোঁ আৰু তেওঁ তাতে ভাতখিনি আহিব পৰাকৈ মেলিদিয়াত মই লাহে লাহে চোলাটো ভিতৰলৈ টানি আনিলোঁ। ভাতখিনিৰ বাহিৰে আন একো নাছিল। মই ভাতখিনি মহা তৃপ্তিৰে খালোঁ।

জেলত থাকোঁতে মোক দেখা কৰিবলৈ অহা মানুহে যদি মোলৈ খোৱাবস্তু লৈ নাহিলহেঁতেন জেলতেই হয়তো মোৰ মৃত্যু হ'লহেঁতেন। আৰম্ভণিতে মোৰ 'বেৰিবেৰি ৰোগ হোৱাত জেলৰ এজন উচ্চপদস্থ অসামৰিক অধিকাৰীয়ে মোলৈ ঘৰৰপৰা খাদ্য পঠোৱাৰ ব্যৱস্থা কৰিছিল। তেওঁৰ দয়া আৰু অনুগ্ৰহ মই কেতিয়াও পাহৰিব নোৱাৰোঁ। মানুহৰ স্বভাৱ আৰু আচৰণত দুটা দিশ আছে—ভাল আৰু বেয়া। জেলৰ ভিতৰতো ভাল আৰু বেয়া স্বভাৱৰ মানুহক মই লগ পাইছিলোঁ। কোনো মানুহ স্বাৰ্থপৰ আৰু কঠোৰ আৰু কোনো মানুহ স্বাৰ্থহীন আৰু দয়ালু হয়। সেই ভাত দিয়া বন্দীৰক্ষী আৰু উচ্চ পদস্থ অসামৰিক অধিকাৰীজন মানুহৰ স্নেহ, মমতা, দয়া, সততা আৰু স্বাৰ্থহীনতাৰ প্ৰতিমূৰ্তি আছিল।

জেলৰপৰা মুক্তি

মই জেললৈ অহাৰ আগতে মোৰ দ্বিতীয় ছোৱালীৰ তঙ্কমৰ বৰ অসুখ হৈছিল। এদিন এজন বন্দীৰক্ষকে মোক জেল অধীক্ষকৰ ওচৰলৈ লৈ গ'ল। তেওঁ মোৰ ছোৱালীৰ মৃত্যু সংবাদটো দিলে। মোৰ দ্বিতীয় ছোৱালী তঙ্কম বিবাহিতা আছিল আৰু তাইৰ দুটা সন্তান আছিল। তাই ইমান সোনকালে আমাক এৰি থৈ যাব বুলি মই কেতিয়াও কল্পনাও কৰা নাছিলোঁ। সেই সময়ত ৰোগত ভুগি অনেক মানুহৰ মৃত্যু হৈছিল; বিশেষকৈ যুদ্ধ লগাত ডাক্তৰৰ অভাৱত উপযুক্ত চিকিৎসাও নহৈছিল। তঙ্কমৰ মৃত্যুত মই অন্তৰত বৰ আঘাত পালোঁ। তাইৰ মৰম লগা মুখখন মোৰ চকুৰ আগত কেইবাদিনলৈকে ভাহি আছিল। মই কেইবাদিনলৈকে সৰু ল'ৰাৰ নিচিনাকৈ কান্দিছিলোঁ।

যুদ্ধৰ পৰিস্থিতিৰ সম্বন্ধে মই কেইজনমান জেল-কৰ্মচাৰীৰ মুখেদি দুই-এটা বাতৰি পাইছিলোঁ। এদিন শুনিলোঁ 15 আগষ্টত জাপানীয়ে পৰাজয় স্বীকাৰ কৰিলে। খবৰটো আমি বিশ্বাস নকৰিলোঁ; কিন্তু পিছত জানিলোঁ আৰু নিশ্চিত হ'লোঁ যুদ্ধত জাপান পৰাজিত হৈছে।

জাপানৰ পৰাজয়ৰ বাতৰিয়ে আমাৰ মনত অপাৰ আনন্দ দিলে কিন্তু লগে লগে এটা গুজব ওলাল ইংৰাজ অহাৰ আগতেই জাপানীয়ে ৰাজনৈতিক বন্দীবিলাকক হত্যা কৰিবলৈ স্থিৰ কৰিছে। গুজবটো শুনি আমাৰ সকলোৰে মুখবোৰ ক'লা পৰিল। তাৰ দুদিনৰ পিছতে এটা ঘটনা ঘটিল যিটো ঘটনাৰ কথা শুনি গুজবটো বিশ্বাসযোগ্য যেন লাগিল। 18 আৰু 19 আগষ্টত জেলৰ ভিতৰত থকা পানী বৈ যোৱা খালটোৰেদি ৰঙাপানী বৈ যোৱা দেখি বন্দীবিলাকে সেইবোৰ ৰাজনৈতিক বন্দীৰ তেজ বুলি বিশ্বাস কৰিলে আৰু যি শুনিলে সকলোৱে তাকে মানি ল'লে। মোৰ মনতো সেই একে বিশ্বাস হ'ল আৰু কেতিয়া মোৰ পাল পৰিব তাৰ কাৰণে প্ৰতীক্ষা কৰিলোঁ। সেই ঘটনাটো স্মৰণ কৰিলে এতিয়াও মোৰ বুকুখন কঁপি উঠে। সেইদিনাই দুপৰীয়া এজন ভাৰতীয় জেল-কৰ্মচাৰীয়ে খবৰ দিলেহি বন্দীবিলাকৰ আহাৰৰ কাৰণে কেইবাটাও গাহৰি বধ কৰা হৈছিল আৰু সেই তেজবোৰ গাহৰিৰ তেজ আছিল। খবৰটো শুনি ইমান যে শান্তি পালোঁ তাক ভাষাৰে বৰ্ণনা কৰিব নোৱাৰি।

1945 চনৰ 20 আগষ্টত দুপৰীয়া খাই-বৈ বহি আছিলোঁ। এজন বন্দীৰক্ষীয়ে আহি মোক জেল অধীক্ষকে মাতিছে বুলি ক'লে। তেওঁৰ ওচৰলৈ যোৱাত তেওঁ মোক জেলৰ সাজ-পাৰ খুলি প্ৰায় ডেৰবছৰমানৰ আগতে জেল কৰ্তৃপক্ষক দিয়া মোৰ মলিয়ন কাপোৰ-কানিবোৰ পিন্ধিবলৈ ক'লে। পোছাকটো মোক ঘূৰাই দি তেওঁ মই

জেলৰপৰা মুক্ত হ'লোঁ বুলি ক'লে। ঘৰৰপৰা পঠিওৱা নতুন সাজ-পাৰ পিন্ধি মই কাষেৰে প্ৰায় তিনিটামান বজাত ঘৰলৈ ঘূৰি আহিলোঁ। তঙ্কমৰ বাহিৰে মোক অভ্যৰ্থনা কৰিবলৈ মোৰ পৰিয়ালৰ সকলো আৰু অনেক আত্মীয় স্বজনে মোৰ কাৰণে অপেক্ষা কৰি আছিল। তঙ্কমৰ বিয়োগত জেলৰপৰা মুকলি হৈ পোৱা মোৰ মনৰ সকলো আনন্দ নাইকিয়া হৈছিল। বিধিৰ ইচ্ছাৰ বিৰুদ্ধে কোন যাব পাৰে ? তেওঁৰ ইচ্ছাক মানি ল'বই লাগিব। তাকেই ভাবি মোৰ শোকাতুৰ মনক সান্ত্বনা দিছিলোঁ।

এসপ্তাহ মই ঘৰত জিৰণি ল'লোঁ। জাপানীৰ কঠোৰ শাসনৰপৰা মুক্ত হৈ সকলোৱে স্বস্তিৰ নিশ্বাস কাঢ়িলে। তিনি বছৰ ছমাহৰ আগতে মই ইংৰাজক চিঙ্গাপুৰৰ পৰা পলাই যোৱা দেখিছিলোঁ আৰু এতিয়া জাপানীক পলাই যোৱা আৰু ইংৰাজসকলক ঘূৰি অহা দেখিলোঁ। এজন শাসকৰ শাসন উচ্ছেদ হোৱাৰ পিছত আন এজন শাসকৰ শাসন স্থাপন হওঁতে সেই পৰিৱৰ্তনৰ সময়খিনি বৰ বিপজ্জনক। কিন্তু আগৰ অৱস্থাতকৈ এতিয়াৰ অৱস্থা যে ভাল তাত কোনো সন্দেহ নাছিল।

যুদ্ধৰ পিছত কিছুদিনলৈ মিলিটেৰী শাসন চলি আছিল। যুদ্ধৰ সময়ত যিবিলাক মানুহে জাপানীক সহায় কৰিছিল সৈনিক আদালতত তেওঁলোকৰ বিচাৰ আৰম্ভ হ'ল। তেওঁলোকৰ ভিতৰত ভাৰতীয়ও আছিল। সেই মোকৰ্দমাবোৰত ভাৰতীয় অপৰাধীসকলক সহায় কৰিবলৈ ভাৰতৰপৰা এটা উকীলৰ দল আহিছিল। মাদ্ৰাজৰ উকীল ভাষ্যম, বোম্বাইৰ বাৰিষ্টাৰ নৰিমান আৰু এলাহাবাদৰ বাৰিষ্টাৰ চাপ্ৰু উল্লেখযোগ্য। তেনেকৈ ভাৰত সেৱা সঙঘৰ প্ৰতিনিধি পণ্ডিত হৃদয়নাথ কুঞ্জৰু আৰু কোণ্ডৰাও ভাৰতীয়সকলৰ বিষয়ে বিশদভাবে জানিবলৈ চিঙ্গাপুৰলৈ আহিছিল। এওঁলোক মোৰ ঘৰলৈ কেইবাবাৰো আহিছিল আৰু যুদ্ধকালীন ঘটনাবোৰৰ বিষয়ে সকলো খবৰ সংগ্ৰহ কৰিছিল। ভাৰতৰপৰা অনেক সংবাদদাতাও চিঙ্গাপুৰলৈ আহিছিল। প্ৰায় তিনি মাহমান ধৰি ভাৰতৰপৰা অহা নানা ধৰণৰ আলহী মোৰ ঘৰলৈ আহি সকলোৱে অন্ততঃ এসাজ ভাত খাই গৈছিল। তেওঁলোকে যেনেকৈ চিঙ্গাপুৰৰ যুদ্ধকালীন অৱস্থাৰ বিষয়ে মোৰ- পৰা জানিছিল ময়ো তেনেকৈ তেওঁলোকৰপৰা ভাৰতৰ বিষয়ে জানিছিলোঁ।

যুদ্ধৰ পিছত চিঙ্গাপুৰলৈ যিজন মিলিটেৰী অধিকাৰী আটাইতকৈ আগতে আহিছিল তেওঁ আছিল কৰ্ণেল উন্নি নায়াৰ। তেওঁক প্ৰাচ্য প্ৰকাশন বিভাগৰ মুখ্য অধিকাৰী হিচাপে বৃটিচ চৰকাৰে চিঙ্গাপুৰলৈ পঠাইছিল। তেওঁ মোৰ ঘৰলৈ প্ৰায়েই আহিছিল। তেওঁ 'সম্বৰ' বৰ ভাল পাইছিল আৰু কেতিয়াবা আমাৰ পাকঘৰত সোমাই নিজেই 'সম্বৰ' তৈয়াৰ কৰিছিল। পাঁচ বছৰৰ পিছত যেতিয়া মই কোৰিয়াত তেওঁৰ মৃত্যু হোৱাৰ সংবাদটো পাওঁ শুনি মনত বৰ দুঃখ পাইছিলোঁ। তেওঁৰ হাঁহিভৰা মুখখন এতিয়াও মোৰ চকুৰ আগত ভাহি উঠে।

এমাহৰ পিছত মই আকৌ ওকালতি আৰম্ভ কৰিলোঁ। অনেক মোকৰ্দমা মোৰ হাতলৈ আহিল আৰু মই কেইমাহমানৰ ভিতৰতে যথেষ্ট ধন উপাৰ্জন কৰিলোঁ।

যুদ্ধকালীন পৰিস্থিতি উদ্ভৱ হোৱাৰ কাৰণে বেছি মোকৰ্দমা সৈনিক আদালতত হৈছিল। জাপানীক সহায় কৰাৰ কাৰণে মোৰ কিছুমান বন্ধুক অপৰাধী কৰিছিল আৰু বিচাৰত কিছুমানক দণ্ড দিছিল। তেওঁলোকে কাৰাবৰণ কৰা দেখি মোৰ বৰ ব্যথা হৈছিল। জাপানীক প্ৰথমতে সাহায্য কৰাৰ অপৰাধত মোকো গ্ৰেপ্তাৰ কৰাৰ কথা উঠিছিল কিন্তু মোৰ পিছৰ কাৰাদণ্ডলৈ চাই বৃটিচ চৰকাৰে সেই ধাৰণা বাদ দিছিল।

যুদ্ধৰ পিছত বৃটিচ শাসন জাৰী হোৱাত মই কেইবাজনো ভাৰতীয় অপৰাধীৰ হকে সৈনিক আদালতত ওকালতি কৰিছিলোঁ। সেইবোৰ মোকৰ্দমাৰ ভিতৰত তলত উল্লেখ কৰা মোকৰ্দমাটো উল্লেখযোগ্য বুলি ইয়াত লিপিবদ্ধ কৰিছোঁ।

যুদ্ধৰ আগতে বোৰ্ণিওৰ ৰাজধানী সাডেকনত সোহন সিং নামৰ এজন শিখ অধিকাৰী পুলিচৰ দাৰোগা আছিল। জাপানীয়ে বোৰ্ণিও অধিকাৰ কৰাৰ পিছত সোহন সিঙক উচ্চপদলৈ উন্নীত কৰে। বোৰ্নিওত অনেক চীনা মানুহ বাস কৰিছিল আৰু সিহঁতে সিহঁতৰ পুৰণি শত্ৰু জাপানীৰ বিৰুদ্ধে লুকাই লুকাই যুদ্ধ কৰিছিল। বোৰ্নিওৰ অধিকাংশ হাবিয়নি হোৱাৰ কাৰণে চীনাবিলাকে তেনেভাবে যুদ্ধ কৰিবলৈ সুবিধা পাইছিল। জাপানীয়ে সোহন সিঙক যিমান অধিক সংখ্যক পাৰে চীনাবিলাকক মাৰিবলৈ আদেশ দিয়ে আৰু সেই আদেশ অনুসাৰে সোহন সিঙে এবাৰ হাবিলৈ কেইজনমান পুলিচক লগত লৈ গৈ সাতজন চীনাক হত্যা কৰে। সাতজন চীনাক হত্যা কৰাত জাপানী চৰকাৰ তেওঁৰ ওপৰত বৰ সন্তুষ্ট হয় আৰু তেওঁক উচ্চপদলৈ উন্নীত কৰে।

যুদ্ধত জাপান পৰাজিত হোৱাৰ পিছত বোৰ্ণিওত বৃটিচ শাসন জাৰী হোৱাত হত্যাৰ অপৰাধত সোহন সিঙক গ্ৰেপ্তাৰ কৰা হয় আৰু সৈনিক আদালতত তেওঁৰ বিচাৰ হয়। বিচাৰত তেওঁৰ মৃত্যুদণ্ড হয়।

সেই সময়ত লৰ্ড মাউন্টবেটেন মালয়া, চিঙ্গাপুৰ আৰু বোৰ্ণিওৰ প্ৰধান সেনাপতি আছিল আৰু কিছুদিনলৈ সামৰিক প্ৰশাসন জাৰী থকাত তেঁৱেই তাৰ সৰ্বেসৰ্বা আছিল। তেওঁৰ কাৰ্যালয় চিঙ্গাপুৰত আছিল। সোহন সিঙে মৃত্যুদণ্ড ৰেহাই দিবলৈ লৰ্ড মাউন্টবেটেনৰ ওচৰত গোহাৰি জনায় আৰু গোহাৰিত জাপানী চৰকাৰৰ আদেশত তেওঁ সাতজন চীনাক হত্যা কৰিবলৈ বাধ্য হোৱাৰ কাৰণে তেওঁৰ গাত কোনো দোষ নাছিল বুলি উল্লেখ কৰে। তেনে অৱস্থাত আৰু লগতে সৈনিক আদালতত তেওঁৰ কোনো উকীল নথকাৰ কাৰণে পুনৰ বিচাৰৰ কাৰণে তেওঁ আবেদন কৰে।

সোহন সিঙৰ দ্বিতীয়বাৰ বিচাৰ বোৰ্নিওৰ লাবুৱান নামৰ ঠাইত সৈনিক আদালতত আৰম্ভ হয় আৰু বৃটিচ চৰকাৰে সোহন সিঙৰ হৈ ওকালতি কৰিবলৈ মোক বিমানেৰে লাবুৱানলৈ পঠাই দিয়ে।

আদালতত মোৰ তৰ্ক আছিল যুদ্ধৰ সময়ত বোৰ্নিওত জাপানৰ আধিপত্য থকাৰ কাৰণে জাপানী কৰ্তৃপক্ষৰ আদেশমতে সোহন সিঙে চীনা কেইজনক হত্যা কৰিছিল যাৰ লগত সোহন সিঙৰ কোনো ব্যক্তিগত শত্ৰুতা নাছিল। সেই কাৰণে সোহন সিং

নিৰপৰাধ। আদালতত দুজন ভাৰতীয় সৈনিক অধিকাৰীও আছিল। তেওঁলোকেও 'সোহন সিং নিৰপৰাধী" বুলি প্ৰস্তাৱ কৰে কিন্তু জজে মৃত্যুদণ্ড দিয়ে। সেই ৰায় ঘোষণা কৰাৰ পিছত উচ্চ ন্যায়ালয়ত মোকৰ্দমাৰ আবেদন পত্ৰ দাখিল কৰিবৰ কাৰণে মই চিঙ্গাপুৰলৈ উভতি আহোঁ।

এমাহৰ পিছত উচ্চ ন্যাযালয়ত সোহন সিঙৰ বিচাৰ আৰম্ভ হয়। উচ্চ ন্যায়ালয়ৰ প্ৰধান ন্যায়াধীশ বোৰ্ণিওৰ গভৰ্ণৰ আছিল আৰু তেওঁৰ বাহিৰেও আন এজন জজ আছিল।

মই সোহন সিঙৰ সপক্ষে এঘণ্টামান তৰ্ক কৰিলোঁ আৰু সোহন সিঙে যে মাত্ৰ জাপানী চৰকাৰৰ আদেশ পালন কৰিবলৈ এজন উচ্চপদস্থ পুলিচ কৰ্মচাৰী হিচাপে কৰ্তব্য কৰিছিল সেই কথাকেইটাৰ ওপৰত বাৰে বাৰে জোৰ দি ক'লো।

যথাসময়ত প্ৰধান ন্যায়াধীশে তেওঁৰ ৰায় ঘোষণা কৰিলে। মৃত্যুদণ্ডৰ সলনি সোহন সিঙক দহ বছৰ সশ্ৰম কাৰাদণ্ড দিলে।

মৃত্যুদণ্ডৰ সলনি দহ বছৰ সশ্ৰম কাৰাদণ্ড দিয়াত সোহন সিং ফাঁচীৰপৰা ৰক্ষা পৰা শুনি মই বৰ আনন্দ পালোঁ। মোৰ পৰিশ্ৰম সাৰ্থক হ'ল।

যুদ্ধৰ সময়ত মই 'মাতৃ-ভূমি' পঢ়াৰ সময় পোৱা নাছিলোঁ আৰু মোৰ সুবিধাও নাছিল। যুদ্ধৰ পিছত কেইজনমান মালয়ালী সৈনিক অধিকাৰী মোৰ ঘৰলৈ আহিছিল। তেওঁলোকৰ হাতত কেইখনমান 'মাতৃ-ভূমি' দেখি বাপেকে হেৰাই যোৱা সৰু পুতেকক অনেক দিনৰ মূৰত দেখিলে তেওঁৰ মনত যি ভাৱ হয় মোৰ মনতো সেই একে ভাৱ উদয় হৈছিল। তেওঁলোকে "মালয়াৰ বিষয়ে 'মাতৃ-ভূমি'ত কিবা লিখেনে" বুলি সোধাত "মই এতিয়ালৈকে লিখা নাই" বুলি উত্তৰ দিলোঁ। মোৰ উত্তৰ শুনি তেওঁলোক অলপ আচৰিত হ'ল।

"আপোনালোকে মোক কিছু সময় দিয়ক" বুলি কৈ মই তেওঁলোকক আশ্বাস দিলোঁ যে ভৱিষ্যতে মই 'মাতৃ-ভূমি'ত লিখিবলৈ আৰম্ভ কৰিম।

মালয়াত থাকোঁতে মাতৃ-ভূমিলৈ লিখাৰ কথা মই কেইবাবাৰো চিন্তা কৰিছিলোঁ কিন্তু সময়টো একেবাৰে অনুকূল নাছিল। সেই সময়ত এ. এন. এৰ বিচাৰ আৰম্ভ হৈছিল আৰু কংগ্ৰেছৰ নিৰ্বাচনো আৰম্ভ হৈছিল। যুদ্ধকালীন মালয়াৰ ঘটনাবোৰৰ লগত সেই দুটাৰ ঘনিষ্ঠ সম্বন্ধ থকাৰ কাৰণে 'মাতৃ-ভূমিত' প্ৰকাশ কৰিবলৈ হ'লে বৰ সাৱধানে লিখিব লাগিলহেঁতেন কাৰণ সামান্য অসাৱধানতাৰ কাৰণেই তাৰ ফল বৰ বেয়া হ'লহেঁতেন। কিছুমান ঐতিহাসিক ঘটনাৰ বিষয়ে মই মোৰ দেশৰ মানুহক কোৱা আৰু বুজোৱাটো মোৰ এটা দায়িত্ব আছিল। এই সম্বন্ধে মোৰ নীতিক হয়তো সন্দেহ কৰা হৈছিল। মই স্থিৰ কৰিলোঁ ভাৰতীয় সঙঘত মোৰ প্ৰৱেশ আৰু পিছত তাৰপৰা ওলাই অহা আৰু সেই সময়ত মোৰ কাৰ্যকলাপৰ বিষয়ে সকলো কথা ৰাইজৰ আগত দাঙি ধৰিম। মোৰ ইচ্ছা আছিল প্ৰথমতে আৰম্ভ হোৱা হুলস্থূলবোৰ শান্ত হোৱাৰ পিছত মই 'মাতৃ-ভূমি' লৈ লিখিবলৈ আৰম্ভ কৰিম।

সেই অনুসাৰে যুদ্ধ শেষ হোৱাৰ আঠ মাহৰ পিছত মোৰ যুদ্ধকালীন অভিজ্ঞতাবোৰৰ বিষয়ে "মাতৃ-ভূমি"ত লিখিবলৈ আৰম্ভ কৰিছিলোঁ। মাতৃ-ভূমিত সাত আঠটামান প্ৰবন্ধ প্ৰকাশ হোৱাৰ পিছত মোৰ বন্ধু-বান্ধৱে মই ক্ৰমাগত লিখি থাকিমনে বুলি মোক প্ৰশ্ন কৰিছিল। মোৰ লেখাৰ ওপৰত সন্দেহ কৰিব লগা একো নাছিল কাৰণ যি লিখিছিলোঁ সকলো ঘটি যোৱা ঘটনাৰ বিষয়ে আছিল।

স্বদেশত তিনি মাহ

যুদ্ধ শেষ হোৱাৰ পিছত স্বদেশলৈ যাবলৈ ব্যগ্ৰ হৈ থকা অনেক ভাৰতীয় চিঙ্গাপুৰত আছিল। জাহাজ কম কিন্তু যাত্ৰী অনেক বেছি আছিল। যুদ্ধৰ পিছত ভাৰতৰ প্ৰতিনিধি হিচাপে এচ. কে চেট্টুৰ চিঙ্গাপুৰলৈ আহিছিল। তেওঁক ক'বলগীয়া ভাৰতীয়সকলৰ সমস্যাৰ কথা অনেক আছিল। সেইবোৰৰ ভিতৰত স্বদেশলৈ যাবলৈ জাহাজৰ ব্যৱস্থা কৰাটো প্ৰধান আছিল। কিন্তু চেট্টুৰে বৰ দক্ষতাৰে আৰু সন্তোষজনক ভাবে ভাৰতীয়সকলৰ সকলো সমস্যাৰ সমাধান কৰিছিল। তেওঁ সকলোৰে কাৰণে জাহাজৰ ব্যৱস্থা কৰিছিল।

যুদ্ধ শেষ হোৱাৰ লগেলগেই মই মোৰ পৰিয়ালৰ কেইজনমানক স্বদেশলৈ পঠাই দিছিলোঁ। মোৰ যোৱাৰ কথা ভাবি থৈছিলো যদিও কেতিয়া যাব পাৰো সেই সুযোগৰ কাৰণে অপেক্ষা কৰি আছিলোঁ। স্বদেশলৈ যাবলৈ মোৰ প্ৰবল ইচ্ছা হৈছিল। মই 1927 চনত মালয়ালৈ গৈছিলোঁ। সেই কাৰণে 19 বছৰৰ পিছত মই ভাৰতলৈ — মোৰ নিজৰ দেশলৈ যাম সেই চিন্তাটোৱে মোক যে কিমান আনন্দ দিছিল মই প্ৰকাশ কৰিব নোৱাৰোঁ। এই 19 বছৰৰ ভিতৰত কিমান ঘটনা ঘটিল আৰু মই কিমান কষ্ট ভোগ কৰিলো! কলিকতাৰ বন্দৰত জাহাজৰ পৰা নামি মাটিত ভৰি দিয়াৰ সময়ত মোৰ মনলৈ যিবোৰ ভাৱ আহিছিল পাঠকসকলে নিশ্চয় অনুমান কৰিব পাৰিব।

মাদ্ৰাজলৈ যোৱা জাহাজ নোপোৱাৰ কাৰণে আমি কলিকতালৈ যোৱা জাহাজত উঠিছিলোঁ। মই 1946 চনৰ অক্টোবৰৰ আগ ভাগত স্বদেশলৈ ৰাওনা হৈছিলো। কলিকতাত পদাৰ্পণ কৰি মই তাত দুদিন থাকিলোঁ। মোৰ পুৰণি বন্ধু ভি. এম. নায়াৰ তাতে আছিল আৰু তেওঁৰ ঘৰতে আলহী হৈ দুদিন থাকিলোঁ। কলিকতাত কেৰালা সমাজে মোক অভ্যৰ্থনা কৰিলে আৰু এখন সন্মিলনত মই মোৰ যুদ্ধকালীন অভিজ্ঞতাৰ কথা ব্যক্ত কৰিলোঁ। মোৰ বক্তৃতা সকলোৱে বৰ আগ্ৰহেৰে আৰু মনোযোগেৰে শুনিলে। দুদিনৰ পিছত মই মাদ্ৰাজ পালোঁহি। তাতো মোক অনেক পুৰণি বন্ধুৱে অভ্যৰ্থনা কৰিলে। তেওঁলোকে মোক বিদেশৰ বিষয়ে অনেক কথা সুধিলে। তেওঁলোকৰ লগত কথা পাতি মই বুজিব পাৰিলোঁ মালয়া আৰু চিঙ্গাপুৰৰ ভাৰতীয় আৰু মোৰ সম্বন্ধে তেওঁলোকে অনেক ভুল খবৰ শুনিছিল।

তিনিদিন মাদ্ৰাজত থকাৰ পিছত মই মালবাৰলৈ গলোঁ। মোৰ অভ্যৰ্থনাৰ কাৰণে কেইজনমান বন্ধু ওলৱক্কোট্টলৈ আহিছিল। তেওঁলোকে 'মাতৃ-ভূমিত' প্ৰকাশ হোৱা মোৰ প্ৰবন্ধ কেইটাৰ বৰ বেছিকৈ হোৱা প্ৰতিক্ৰিয়াৰ কথা ক'লে। 25 অক্টোবৰত দুপৰীয়া মই গাড়ীত উঠিলোঁ। মোৰ লগত পত্নী আৰু কেইজনমান মানুহ আছিল।

যেতিয়া আমি কল্লাই ষ্টেচন পালোঁহি, কিছুমান মানুহ হাতত কলা নিচান লৈ গাড়ীত উঠিল। সিহঁতে সমস্বৰে চিঞৰি উঠিল "মেনন তুমি ঘূৰি যোৱা।" সিহঁত সেই গাড়ীখনতে উঠি কোষিক্কোট্টলৈ আহিল। মোক অভ্যৰ্থনা কৰিবৰ কাৰণে কোষিক্কোট্ট ষ্টেচনত অনেক মানুহে অপেক্ষা কৰি আছিল। তেওঁলোকৰ ভিতৰত কম সংখ্যক মোৰ বিৰোধিতা কৰা মানুহো আছিল। গাড়ীখন ষ্টেচনত ৰোৱাৰ লগে লগে কিছুমান খঙাল চেহেৰাৰ মানুহ মোৰ দৰাটোৰ ওচৰত থিয় হ'ল। সিহঁতে মোৰ বন্ধু-বান্ধৱসকলক মোৰ ওচৰলৈ আহিবলৈ বাধা দিলে। গতিকে মোৰ বন্ধু-বান্ধৱ আৰু সিহঁতৰ ভিতৰত ঘুচিয়াঘুচি আৰম্ভ হ'ল। মই গাড়ীতেই বহি দহ মিনিটমান থাকিব লগা হ'ল কিয়নো তেনে পৰিস্থিতিত গাড়ীৰপৰা নমা মোৰ কাৰণে বিপজ্জনক আছিল। ষ্টেচনত কোনো পুলিচ নাছিল। ক্ষুব্ধ মানুহবোৰৰ অসভ্য আচৰণৰ আগত হাৰ মানিবলগীয়া হ'ল।

ষ্টেচনত যি ঘটিছিল তাৰ বিৱৰণ পিচদিনাৰ 'মাতৃ-ভূমিত' এই ভাবে প্ৰকাশিত হৈছিল ঃ

"কালি আবেলি শ্ৰী কে পি কেশৱ মেনন ট্ৰেইনত ওলৱক্কোট্টৰপৰা ইয়ালৈ আহিছিল। তেওঁক সম্বৰ্দ্ধনা জনাবলৈ ষ্টেচনত অনেক মানুহে অপেক্ষা কৰি আছিল। ষ্টেচনলৈ অহা কিছুমান মানুহৰ হাতত ক'লা নিচান আছিল। সেই মানুহবোৰৰ বেছি ভাগ মানুহ কল্লাই ষ্টেচনত গাড়ীত উঠিছিল। কোষক্কোট্ট ষ্টেচনত গাড়ীখন ৰোৱাৰ পিছত সেই মানুহবোৰে কেশৱ মেননক গাড়ীৰপৰা নামিবলৈ দিয়া নাছিল। সিহঁতৰ মুখৰ পৰা "কেশৱ মেনন ঘূৰি যা", "মাতৃ-ভূমিৰ মৰণ হওক" আদি চিঞৰি চিঞৰি কোৱা কথাবোৰ ওলাইছিল। শ্ৰীকেশৱ মেননক 'মাতৃভূমি, কেৰালা আঞ্চলিক কংগ্ৰেছ কমিটি, মহকুমা কংগ্ৰেছ কমিটি আৰু নগৰ কংগ্ৰেছ কমিটিৰ প্ৰতিনিধিসকলে মালা পিন্ধায়।"

"লগেলগে ক'লা নিচান হাতত লোৱা বিক্ষোভকাৰীবোৰে কেশৱ মেননৰ ডিঙিৰ পৰা টানি মালাবোৰ ছিঙে আৰু তেওঁৰ গাৰ চোলাটো ফালে। নেতাসকলে অনেক কষ্ট সহ্য কৰি অভ্যাগতক বাহিৰলৈ লৈ যায়। যেতিয়া তেওঁ গাড়ীত বহে বিক্ষোভকাৰীবোৰে তেওঁলৈ বোকা দলিয়ায় আৰু গাড়ীখন আক্ৰমণ কৰাত গাড়ীৰ আইনা এখন ভাগে। গাড়ীলৈ শিলগুটি দলিওৱাৰ কাৰণে গাড়ীত থকা কেইজনমান মানুহ ঘাইল হয়। ঘাইল হোৱাসকলৰ ভিতৰত 'মাতৃভূমি'ৰ কৰ্মচাৰীসকলৰ সংখ্যা বেছি আছিল। ফটা আৰু বোকা লগা পোছাক পিন্ধি শ্ৰীমেনন 'মাতৃ-ভূমিৰ' কাৰ্যালয়লৈ গ'ল। শ্ৰীকেশৱ মেননে মুখৰ পৰা মিচিকিয়া হাঁহি নুগুচোৱাকৈ বৰ শান্তভাবে সেই ঘৃণনীয় পৰিস্থিতিৰ সন্মুখীন হৈছিল। বিক্ষোভকাৰীবোৰে 'মাতৃ-ভূমি'ৰ কাৰ্যালয়ৰ সন্মুখত ক'লা নিচান দেখুৱাই কোলাহল সৃষ্টি কৰিছিল।"

"ক্ৰোধত উন্মত্ত মানুহৰ লগত কাঁজিয়া কৰা উচিত নহয়। সিহঁতৰ তেতিয়া মানুহৰ জ্ঞান আৰু বিবেক নেথাকে। তেতিয়া সিহঁতে বিৰোধীৰ হানি কৰাৰ বাহিৰে আন একো কথা চিন্তা নকৰে," প্ৰসিদ্ধ নাট্যকাৰ গল্‌সৱৰ্ডিৰ এখন নাটকৰ নায়কে কৈছে।

নায়কে অসৎ আৰু ক্ৰোধত উন্মত্ত হোৱা মানুহবোৰক কোৱা কিছুমান কথা তলত উল্লেখ কৰিছোঁ ঃ

"তহঁতে কেৱল বল প্ৰয়োগেই কৰিব পাৰ। তহঁতে নিৰপৰাধ দুৰ্বল মানুহৰ গালৈ শিলগুটি দলিয়াৱ, মাইকী মানুহক অপমান কৰ আৰু সাধু লোকক নিন্দা কৰ। তহঁতৰ অসৎ আচৰণৰ ৰূপ দিনে দিনে বদলি হয় — আজি এটা আৰু কাইলৈ আন এটা। তহঁতৰ মস্তিষ্কই কাম নকৰে আৰু ধৈৰ্য্য নাই। তহঁতক নিন্দনীয় আৰু ভয়াতুৰ নুবুলি আন কাক কম ? দেশক লৈ তঁহতে গৰ্ব কৰনে ? দেশৰ প্ৰতি তহতৰ শ্ৰদ্ধা আছেনে ? তহঁতৰ এটাই মোৰ শৰীৰটো নষ্ট কৰিব পাৰ কিন্তু এহেজাৰটাইও মোৰ বিশ্বাস আৰু মনৰ বল নষ্ট কৰিব নোৱাৰিবি।"

কোষিক্কোট্টত ভৰি দিয়াৰ দুদিনৰ পিছত কেৰালা আঞ্চলিক কংগ্ৰেছ সমিতিয়ে টাউন হলত মোক এখন সন্মানপত্ৰ দিয়ে। তাতো বিৰোধীবোৰে গণ্ডগোল কৰিছিল। মই কবলৈ থিয় হওঁতে হুলস্থূল কৰি সিহঁতে মোক দহ মিনিটমান কবলৈ দিয়া নাছিল। মই যুদ্ধকালীন ঘটনাবোৰৰ সম্পৰ্কে কৈছিলোঁ। বক্তৃতা দি থাকোঁতে মাজে মাজে বিৰোধী দলে চিঞৰ-বাখৰ লগাইছিল। সভাখন শেষ হোৱাৰ পিছত বিক্ষোভকাৰীবোৰৰ হাতৰ পৰা মোক বচাবলৈ মোৰ বন্ধুবৰ্গই মোক চাৰিওপিনৰপৰা ঘেৰি ধৰিছিল। মই কোষিক্কোট্টত তিনিদিন আছিলো আৰু সেই তিনিদিনত মোক ধমকি দি লিখা কেইবাখনো চিঠি পাইছিলোঁ। মই যেতিয়া তাৰপৰা গুচি আহিলোঁ, মোৰ বন্ধু-বান্ধবসকলে মনত বৰ দুঃখ কৰিছিল।

যদি মানুহে নিজৰ অন্তৰক ফাঁকি নিদিয়াকৈ জীৱনটো কটাব খোজে তেন্তে তেওঁ কেতিয়াবা আনৰ নিন্দা আৰু গৰিহণাৰ পাত্ৰও হ'ব লাগে। বিশেষকৈ ৰাজহুৱা কাম কৰা মানুহে এনেবোৰ নিন্দা সহিব লগা হয়। ইংলণ্ডৰ প্ৰধানমন্ত্ৰী লয়েড জৰ্জে 1903 চনত ইংলণ্ডৰ লগত দক্ষিণ আফ্ৰিকাৰ যুদ্ধ লাগোঁতে জন সাধাৰনৰ মতৰ বিৰুদ্ধে এটা মত প্ৰকাশ কৰোঁতে তেওঁৰ যি অভিজ্ঞতা হৈছিল তাৰ কথা মোৰ মনত পৰে। সেই যুদ্ধখন ইংলণ্ডৰ জনসাধাৰণৰ মতৰ বিৰুদ্ধে আছিল আৰু সেইকাৰণে এদিন যেতিয়া তেওঁ নিজৰ মতটোক উচিত বুলি এখন সভাত বক্তৃতা দিছিল হেজাৰ হেজাৰ শ্ৰোতা ক্ষুব্ধ হয় আৰু তেওঁক আক্ৰমণ কৰিবলৈ আগবাঢ়ি যায়। শেহত তেওঁ লৰালৰিকৈ পুলিচৰ পোছাক এটা পিন্ধি ৰক্ষা পৰে।

আন এজন প্ৰধানমন্ত্ৰীৰো তেনেকুৱা অৱস্থা হৈছিল। সেই অভিজ্ঞতা আৰু ঘটনাটো প্ৰথম মহাসমৰৰ সময়ৰে। ইংলণ্ডৰ লগত জাৰ্মানীৰ যুদ্ধ লাগো লাগো হৈ থাকোতে ইংলণ্ডৰ সকলো মানুহ যুদ্ধখন লগাৰ সপক্ষে আছিল কিন্তু মেক্‌ডনেল্ড তাৰ বিপক্ষে আছিল। তেতিয়া তেওঁ বৃটিচ সংসদৰ এজন সদস্য আছিল। ইংলণ্ডৰপৰা ফ্ৰান্সলৈ জাহাজেৰে যাওঁতে লাগিব ধৰা যুদ্ধখনৰ বিষয়ে মেক্‌ডনেল্ডৰ মতামতৰ বিষয়ে জনা জাহাজৰ কেপ্তেইনজনে মেক্‌ডনেল্ডক জাহাজৰ পৰা নমাই নিদিয়া পৰ্যন্ত জাহাজ চলাবলৈ অনিচ্ছুক হয়। জাহাজৰ অন্যান্য কৰ্মচাৰীবিলাকেও তেওঁক সমৰ্থন কৰে।

মেক্‌ডনেল্ড বাধ্য হৈ জাহাজৰ পৰা নামি যায়। যুদ্ধৰ শেহত শ্ৰমিক দলৰ নেতা হিচাপে তেওঁ ইংলণ্ডৰ প্ৰধানমন্ত্ৰী হিচাপে নিৰ্বাচিত হৈছিল। এনেকুৱা উদাহৰণ অনেক আছে। জনসাধাৰণৰ মত সময় আৰু পৰিস্থিতি অনুসাৰে সলনি হৈ থাকে কিন্তু কেতিয়াবা কোনো কোনো মানুহৰ মত জন সাধাৰণৰ লগত নিমিলিবও পাৰে আৰু তাৰ বাবে তেওঁ অনেক কষ্ট সহ্য কৰিব লগাও হয়।

কোষিক্কোট্টৰপৰা ঘূৰি অহাৰ আগতে সংযুক্ত কেৰালাৰ বিষয়ে আলোচনা কৰিবৰ কাৰণে চেৰুতুৰুত্তিত এখন সভাৰ আয়োজন কৰা হয় আৰু সভাপতি হিচাপে মোক নিৰ্বাচন কৰে। সেই সভাত মহাকবি বল্লত্তশীল, কে কেলপ্পন, কে. এ. দামোদৰ মেনন, ইউ. গোপাল মেনন আৰু কুমাৰী অনিমস্ক্ৰীনে অংশ গ্ৰহণ কৰিছিল। তাত এখন কমিটী গঠন কৰা হৈছিল য'ত কেৰালা প্ৰান্তৰ বিষয়ে আলোচনা কৰিবৰ কাৰণে কেৰালাৰ বিভিন্ন অঞ্চলৰ প্ৰতিনিধিসকলক সদস্য হিচাপে নিৰ্বাচন কৰা হৈছিল। সভা শেষ হোৱাৰ পিছত মই তাৰ পৰা পালঘাটলৈ যাওঁ।

কংগ্ৰেছ আৰু মুছলীম লীগৰ মাজত হোৱা সংঘৰ্ষৰ ফলত গোটেই দেশখনৰ পৰিৱেশ কলুষিত হৈছিল। ভাইচৰয়ৰ ব্যৱস্থাপক সভাত কংগ্ৰেছ আৰু মুছলীম লীগৰ মতৰ কোনো মিল নাছিল। তেতিয়াই গণ্ডগোল লগাৰ সংকেত পৰিলক্ষিত হৈছিল। তথাপিও এদিন ভাৰতৰ যে বিভাজন হ'ব কোনেও কল্পনা কৰা নাছিল। মই পৰিস্থিতিটো অধ্যয়ন কৰিবৰ কাৰণে দিল্লীলৈ গলোঁ। জেনেৰল মোহন সিঙো তালৈ গৈছিল। চিঙ্গাপুৰত থকা অনেক সামৰিক অধিকাৰীক মই দিল্লীত লগ পাইছিলো। তাৰ পিছত জেনেৰেল মোহন সিঙৰ লগত মই মীৰাটত অনুষ্ঠিত হোৱা কংগ্ৰেছ সন্মিলনলৈ গলোঁ। তাত জৱাহৰলাল নেহৰু এটা বেলেগ তম্বুত আছিল। তেওঁ মোক আৰু জেনেৰেল মোহন সিঙক তেওঁৰ তম্বুলৈ আমন্ত্ৰণ কৰিলে। চিঙ্গাপুৰৰ সকলো কথা আমি তেওঁক বিশদভাবে বৰ্ণনা কৰিলোঁ।

সেই সময়ত ৰাজগোপালাচাৰী মন্ত্ৰী মণ্ডলত আছিল। মই দিল্লীত তেওঁকো লগ পাইছিলোঁ। তেওঁক কুৰি বছৰৰ আগতে লগ পাইছিলোঁ। ৰাজগোপালাচাৰীয়ে জাপানীৰ বিৰুদ্ধে চিঙ্গাপুৰত মই যি নীতি পালন কৰিছিলো তাক প্ৰশংসা কৰা নাছিল।

এনেকৈ উত্তৰ ভাৰতত দুসপ্তাহ কটাই মই মালবাৰলৈ ঘূৰি আহিলোঁ। দিনবোৰ বৰ বেগেৰে পাৰ হৈ গৈছিল। স্বদেশত আৰু কিছুমান দিন থকাৰ একান্ত ইচ্ছা আছিল। কিন্তু চিঙ্গাপুৰলৈ যোৱাৰ দিন আহি যোৱাত জাহাজেৰে চিঙ্গাপুৰলৈ ৰাওনা হ'লোঁ।

মালয়াৰপৰা বিদায়

যুদ্ধৰ পিছত মালয়া আৰু চিঙ্গাপুৰলৈ অভূতপূৰ্ব পৰিৱৰ্তন আহিল। দুৰ্দিনৰ সময়ত যুদ্ধখন এই দুয়োখন ৰাজ্যলৈ ঘোৰ অমঙ্গলৰ ৰূপ ধৰি আহিছিল আৰু যুদ্ধখন শেষ হোৱাৰ পিছত দুয়োখন ৰাজ্যতে মঙ্গলময় পৰিৱেশ বিৰাজ কৰিলে। সকলো ঠাইতে নতুনত্ব চকুত পৰিল আৰু জনসাধাৰণৰ মনলৈ আশা, আকাঙ্খা আৰু আত্মবিশ্বাস আহিল। ৰাজনৈতিক ক্ষেত্ৰত যুগান্তকাৰী পৰিৱৰ্তন ঘটিল।

সেই নতুন পৰিৱেশটো ওকালতিৰ কাৰণে বৰ অনুকূল আছিল। যুদ্ধোত্তৰ চিঙ্গাপুৰত যুদ্ধৰ ফলস্বৰূপে মোকৰ্দমাৰে আদালত ভৰি গ'ল। উকীলৰ আয়ৰ সংখ্যাও বেছি হ'ল।

ভাৰতৰ স্বাধীনতাৰ যি আন্দোলন হৈছিল তাৰ ঢৌ ব্ৰহ্মদেশ, ইণ্ডোনেচিয়া আৰু মালয়ালৈকো বাগৰি আহিল।

1947 চনৰ 15 আগষ্টত লৰ্ড মাউণ্টবেটেনে যেতিয়া দিল্লীত ভাৰতৰ শাসনভাৰ ভাৰতীয়ক অৰ্পণ কৰিলে ভাইচৰয় ভৱনত অনুষ্ঠিত হোৱা ইতিহাস বিখ্যাত সমাৰোহটোৰ ৰেডিঅ' বিৱৰণ মই অতি উৎসাহ আৰু আনন্দেৰে উৎকৰ্ণ হৈ শুনিলোঁ। বিশ্বাস কৰিবলৈ টান হৈছিল যে দুশ বছৰৰ ভিতৰতে ভাৰতত বৃটিচ শাসন সমাপ্ত হ'ব। আন আন দেশত ভাৰতৰ প্ৰতি শ্ৰদ্ধা বাঢ়ি গ'ল। সেই দেশবোৰৰ পৰা ভাৰতীয়সকলে স্বদেশলৈ ঘূৰি অহাৰ পৰিস্থিতিও উৎপন্ন হ'ল। স্বাধীনতা লাভ কৰি ভাৰতীয়ৰ মনত আত্মসম্মান আৰু আত্মবিশ্বাসো বৃদ্ধি হ'ল। ইংৰাজে ভাবিছিল তেওঁলোকৰ অধীনত দুই শতাব্দী ধৰি থকাৰ কাৰণে ভাৰতীয়ই নিজৰ দেশখন শাসন কৰিব নোৱাৰিব। ভিতৰে ভিতৰে আমাৰ মাজতো সেই ভয় আছিল। বৰ্তমান পুৰুষে সেই সময়ত আমাৰ মনোভাৱৰ কথা কল্পনাও কৰিব নোৱাৰে। তেওঁলোক স্বাধীন ভাৰতত জন্ম হৈছিল। এতিয়া আমাৰ দেশত এনে উচ্চ পদ নাই যি পদত তেওঁলোক নিযুক্ত হ'ব নোৱাৰে আৰু এনে চাকৰি নাই য'ত জনসাধাৰণৰ যি কোনো প্ৰাৰ্থী সোমাব নোৱাৰে। এতিয়া দেশৰ প্ৰগতি আৰু মানুহৰ ব্যক্তিগত উন্নতিত বাধা দিওঁতা কোনো নাই।

স্বাধীনতা লাভৰ লগত সম্বন্ধ থকা উৎসৱ আৰু সমাৰোহবোৰৰপৰা মনলৈ অহা আনন্দ উপভোগ কৰি থাকোঁতেই মহাত্মা গান্ধীৰ হত্যাৰ বাতৰি শুনি স্তব্ধ হলোঁ। মহাত্মা গান্ধীয়ে অহিংসাৰ ব্ৰত পালন কৰি নিজৰ জীৱনত তাক সাফল্যমণ্ডিত কৰি জগতক এটা নতুন পথৰ সন্ধান দিলে। সেই মহাত্মাক এটা উন্মত্তই হত্যা কৰিলে। ইয়াতকৈ শোকৰ আৰু গভীৰ দুখৰ বিষয় কি হ'ব পাৰে ? আন দেশৰ নিচিনাকৈ

চিঙ্গাপুৰতো গান্ধীজীৰ মৃত্যুত শোকসভাৰ আয়োজন কৰা হৈছিল আৰু ভাৰতীয় সকলৰ লগত চীনা, ইংৰাজ আৰু মালয়াবাসী সকলেও শোকসভাত যোগদান কৰিছিল। মহাত্মা গান্ধী পৃথিৱীৰ এজন নেতাস্থানীয় পুৰুষ আছিল আৰু তেওঁক এজন আধ্যাত্মিক পুৰুষ বুলি গণ্য কৰা হৈছিল। যদিও তেওঁ ৰাজনীতিৰ যোগেদি প্ৰখ্যাত হৈছিল, তেওঁৰ ৰাজনীতিৰ মাৰ্গ সত্য, অহিংসা, ন্যায় আৰু সততাৰ ওপৰত প্ৰতিষ্ঠিত আছিল। যেতিয়া কিছুদিনৰ পিছত গান্ধীজীৰ অস্থি চিঙ্গাপুৰলৈ অনা হৈছিল তাৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰিবলৈ যথাযোগ্য ব্যৱস্থা কৰা হৈছিল। সেই ব্যৱস্থাৰ ভাৰ মোৰ ওপৰত আছিল আৰু ভাৰতীয় আৰু ইউৰোপীয় বন্ধু-বান্ধৱ আৰু অন্যান্য নাগৰিকে মোক সহায় কৰিছিল। মই দেখিছিলো এগৰাকী বৃদ্ধা ইংৰাজ মহিলা টাউন হলত থোৱা গান্ধীৰ অস্থিৰ ওচৰলৈ দৈনিক আহিছিল আৰু প্ৰণাম কৰিছিল। তাকে দেখি মই ভাৱ বিভোৰ হৈ পৰিছিলো। বৃদ্ধাৰ ঈশ্বৰৰ প্ৰতি গভীৰ ভক্তি আছিল আৰু তেওঁ মানৱ সেৱাত নিজকে উচৰ্গা কৰিছিল। তেওঁ কিছুদিন ভাৰতত আছিল। গান্ধীজীৰ কোটি কোটি স্ত্ৰী-পুৰুষৰ হৃদয় আকৰ্ষিত কৰাৰ অদ্ভুত শক্তি আছিল। যিসকলে তেওঁৰ জীৱিত সময়ত তেওঁৰ সাহচৰ্য্য লাভ কৰাৰ সুযোগ পাইছিল তেওঁলোক সেই মহান শক্তিৰ প্ৰভাৱ কিঞ্চিৎ হ'লেও অনুভৱ কৰিছিল আৰু সেইবাবে তেওঁলোক ভাগ্যৱান আছিল। মহাত্মা গান্ধী সেৱা আৰু ত্যাগৰ প্ৰতিমূৰ্ত্তি আছিল আৰু যেতিয়াই আমি স্মৰণ কৰোঁ যে আমি তেওঁৰ দেশতেই জন্ম লৈছোঁ, তেতিয়াই আমি তেওঁৰ আদৰ্শ অনুসৰণ কৰাৰ প্ৰেৰণা পাওঁ। মহাত্মা গান্ধীৰ জীৱনী এটা উত্তম দৃষ্টান্ত যে মানুহে নিৰন্তৰ চেষ্টা আৰু দৃঢ়বিশ্বাসৰ বলেৰে যিকোনো ক্ষেত্ৰত উচ্চতম স্থানত উপনীত হ'ব পাৰে। তেওঁ আমাক দেখুৱাই গৈছে ধৰ্মৰ প্ৰতি অটল বিশ্বাসৰ বলত মানুহে যি ইচ্ছা তাকে কৰিব পাৰে।

যদিও উপৰোক্ত কথাবোৰৰ লগত কোনো সম্বন্ধ নাই, এইখিনিতে মোৰ অন্তৰত সাঁচ বহি থকা এটা ঘটনাৰ কথা উল্লেখ কৰো। ঘটনাটো যুদ্ধৰ আগতে ঘটিছিল। মই এবাৰ এজন ধাৰ দিওঁতা মানুহৰপৰা এহেজাৰ ডলাৰ ধাৰে লৈছিলোঁ আৰু ধাৰ শোধ কৰিব নোৱাৰা বাবে তেওঁ মোক কেইবা বছৰলৈকে বৰ কষ্ট দিছিল। শেহত মই তেওঁক সুতসহ 4300 ডলাৰ শোধ কৰিছিলোঁ। তাৰ আগতে তেওঁ কেইবাবাৰো মোৰ ঘৰ আৰু কাৰ্যালয়ৰ বস্তুবোৰৰ নিলামৰ আদেশ আনিছিল আৰু জোৰ কৰি অনেক বস্তু লৈ গৈছিল। তেওঁ এজন বৰ ধনী মানুহ আছিল। কিন্তু ভাগ্যৰ এনেকুৱা ফেৰ যে যুদ্ধৰ সময়ত তেওঁৰ সৰ্বস্ব যায় আৰু তেওঁ ডাল দৰিদ্ৰ হয়। যুদ্ধৰ পিছত মোৰ আৰ্থিক অৱস্থা স্বচ্ছল হৈছিল। তেওঁৰ পৰিয়ালটো ডাঙৰ আছিল আৰু তেওঁ বৰ কষ্টেৰে জীৱন যাপন কৰিছিল। এদিন মোৰ সহায় বিচাৰি তেওঁৰ ডাঙৰ ল'ৰাজন মোৰ ওচৰলৈ আহিল আৰু পাঁচশ ডলাৰ সাহায্য বিচাৰিলে। মই লগে লগে তেওঁক পাঁচশ ডলাৰ দিয়াত টকাখিনি লৈ তেওঁ ভেবা লাগি মোৰ মুখলৈ চাই থাকিল। তাৰ পিছত মূৰটো তললৈ কৰি তেওঁ নিম্নস্বৰে ক'লে মই তেওঁৰ দেউতাকৰ আচৰণৰ কথা নিশ্চয় পাহৰিলোঁ। তেওঁৰ কথা শুনি মই লগে লগে উত্তৰ দিলোঁ, "নিশ্চয়

পাহৰা নাই আৰু সেই কাৰণেই পাঁচশ ডলাৰ তোমাক দিছোঁ, কাৰণ হাতত পইচা নাথাকিলে মানুহৰ কি অৱস্থা হয় সেই দুঃখপূৰ্ণ অভিজ্ঞতা মোৰ আছে বুলিয়েই তোমাৰ দেউতাৰাৰ এতিয়াৰ অৱস্থাটোৰ কথা মই বুজিব পাৰিছোঁ। এই টকা কেইটাই তেওঁৰ দুঃখ কিছু পৰিমাণে লাঘৱ কৰিব বুলি মই সন্তোষ পাইছো।"

এই ঘটনাটোৰ নিচিনাই আন এটা ঘটনা সেই সময়তেই ঘটিছিল। মই জাপানীৰ সৈনিক জেলত আছিলোঁ আৰু মোৰ লগতে একেটা কোঠাতে এজন বৃটিচ বন্দী আছিল। বৃটিচজনে ফটা পায়জামা এটা পিন্ধি থকাৰ কাৰণে মই মোৰ ভাল পায়জামা এটা তেওঁক পিন্ধিবলৈ দিওঁ। অলপ পিছতে জাপানী জেল-কৰ্মচাৰী এজনে সেই ভাল পায়জামাটো মই তেওঁক কিয় দিলোঁ বুলি সোধাত মই 'সহানুভূতি দেখুৱাবলৈ দিছো' বুলি উত্তৰ দিলোঁ। কিন্তু জাপানী কৰ্মচাৰীজনে মোৰ কথা বিশ্বাস নকৰিলে আৰু বৃটিচজনৰ লগত মোৰ নিশ্চয় কিবা ব্যক্তিগত সম্বন্ধ আছে আৰু মই তেওঁক মিছা কথা কৈছোঁ বুলি মোক বেত এডালেৰে মাৰিবলৈ আহিল। মই হাতযোৰ কৰাত সেইদিনা মোক নামাৰিলে কিন্তু তেওঁৰ মতে সঁচা কথাটো নোকোৱাৰ কাৰণে বেতডাল তুলি মোক কেইবাদিনলৈকে ধমকি দিলে।

যুদ্ধৰ পিছত মানুহৰ ওপৰত অত্যাচাৰ কৰাৰ অপৰাধত অনেক জাপানী বন্দীৰ বৃটিচ সামৰিক আদালতত বিচাৰ হয় আৰু মই চৰকাৰী উকীল হিচাপে তেওঁলোকৰ হকে ওকালতি কৰোঁ। এদিন আদালতত উপৰোক্ত জাপানী জেল-কৰ্মচাৰী জনৰ বিচাৰ হয় আৰু মই তেওঁৰ ৰক্ষা-উকীল হিচাপে আদালতত হাজিৰ হওঁ। মোক দেখি জাপানী অপৰাধীজনে প্ৰায় কান্দি কান্দি কলে, "মই আপোনাক অনেক জ্বালাতন কৰিছিলোঁ, বেতেৰে কেইবাবাৰো মাৰিবলৈ গৈছিলো। মই পাপী, আপোনাক মই মোৰ মুখখন দেখুৱাবৰ যোগ্য নহয়। মোৰ পাপৰ প্ৰায়শ্চিত্ত হওক, আপুনি মোৰ সপক্ষে ন'কৈ বিপক্ষে কওক।"

মই কলোঁ, "যি হৈ গৈছে তাৰ কাৰণে তুমি চিন্তা নকৰিবা আৰু মনটোও বেয়া নকৰিবা। তোমাৰ দণ্ড লাঘৱ কৰিবৰ কাৰণে মই যথাসাধ্য চেষ্টা কৰিম; মই কাৰো প্ৰতিশোধ নলও কিয়নো প্ৰতিশোধ লোৱাটো নীচ কাম।"

বিচাৰত জজে সকলো অপৰাধ সঁচা বুলি প্ৰমাণ পাই জাপানীজনক ছবছৰ সশ্ৰম কাৰাদণ্ড দিলে কিন্তু মোক জেলত কষ্ট দিয়া সত্ত্বেও মই অপৰাধীক বচাবলৈ যৎপৰোনাস্তি চেষ্টা কৰাৰ কাৰণে আৰু লগতে দণ্ড হ্ৰাস কৰিবলৈ মই বৰকৈ অনুৰোধ কৰাত ছবছৰৰ সলনি কাৰাদণ্ড একৈশ মাহ কৰে।

এজন মহাপুৰুষে কোৱা কথা কেইটামান মোৰ মনত পৰে "যদি তুমি কাৰো প্ৰতি শত্ৰুতা পোষণ কৰা তোমাৰ ব্যক্তিত্ব কলুষিত হ'ব। তাৰ প্ৰভাৱ কেৱল তোমাৰ ওপৰতেই নপৰিব সেই কলুষে তোমাৰ ল'ৰা-ছোৱালী আৰু পৰিয়ালকো স্পৰ্শ কৰিব। আনক কেতিয়াও ঘৃণা কৰিব নেপায়, আনকি অপৰাধীকো ঘৃণাৰ চকুৰে চাব নেপায়। অপৰাধীক ক্ষমা কৰিবা, ক্ষমা কৰিলে তুমি মনত বিমল শান্তি পাবা, তোমাৰ মনোবল বৃদ্ধি হ'ব।"

1946 চনত স্বদেশলৈ যাওঁতে মোৰ বন্ধুবৰ্গই মোক সোনকালেই বিদেশৰপৰা ঘূৰি আহিবলৈ কৈছিল। তেওঁলোকে কোৱাৰ আগতেই সেই কথা মই চিন্তা কৰিছিলোঁ। ধন উপাৰ্জন কৰিবৰ কাৰণে মই কুৰি বছৰৰ আগতে চিঙ্গাপুৰলৈ গৈছিলোঁ কিন্তু ধনী ন'হৈ ধৰুৱাহে হৈছিলো। ঋণ শোধ কৰোঁতে মোৰ কেইবাবছৰো লাগিছিল আৰু ঋণ শোধ কৰি যেতিয়া টকা জমাবলৈ আৰম্ভ কৰিছিলোঁ, সেই সময়তে যুদ্ধ লাগিল। যুদ্ধৰ পিছত ধন উপাৰ্জ্জন কৰাৰ সুযোগ আহিছিল আৰু তাত তিনি চাৰি বছৰ মান থকাহেঁতেন অনেক টকা উপাৰ্জন কৰিব পাৰিলোহেঁতেন। আৰু কিছু টকা হাতত লৈ স্বদেশলৈ ঘূৰি আহিব পাৰিলোহেঁতেন। কিন্তু বিদেশত বেছি দিন পৰি থাকিবলৈ মোৰ মনে নক'লে আৰু মোৰ থাকিবলৈও একেবাৰে ইচ্ছা নাছিল। স্বদেশলৈ উলটি আহিবলৈ মোৰ মনটো উতলা হ'ল। আৰু যিমান সোনকালে পাৰোঁ ঘূৰি অহাৰ চিন্তা মোৰ মনলৈ বাৰে বাৰে আহিল। তাৰ কিছুমান বন্ধু-বান্ধৱে মোৰ সিদ্ধান্তটো উচিত নহয় বুলি ক'লে। এটা ডাঙৰ পৰিয়ালক ৰক্ষণাবেক্ষণ কৰিব লাগিব। স্বদেশলৈ গলে সেইটো মোৰ কাৰণে সম্ভৱ হ'ব জানো ? যিসকল বন্ধু-বান্ধৱে মোক স্বদেশলৈ ঘূৰি যাবলৈ উপদেশ দিছিল, তেওঁলোকে মোৰ আৰ্থিক অৱস্থাৰ বিষয়ে একো জনা নাছিল। যিবোৰ মানুহ চিঙ্গাপুৰলৈ গৈছিল, অনেক ধন উপাৰ্জন কৰি তেওঁলোক স্বদেশলৈ উভতি আহিছিল। মোৰো আৰ্থিক অৱস্থা তেওঁলোকৰ নিচিনা হ'ব বুলি তেওঁলোকে ভাবিছিল আৰু মই মোৰ আৰ্থিক অৱস্থাৰ কথা তেওঁলোকক কেতিয়াও কোৱাও নাছিলো। কিন্তু যিযেই নহওক মই স্বদেশলৈ ঘূৰি যাবলৈ থিৰাং কৰিলোঁ আৰু তাৰ কাৰণে যোজা কৰিলোঁ।

কুৰি বছৰৰ চেষ্টাত মই যি এটা ডাঙৰ কাৰ্যালয় গঢ়ি তুলিছিলোঁ সেই কাৰ্যালয়টো এজনক বিক্ৰী কৰি যিমান টকা পালোঁ সেইটোৱেই মোৰ কুৰি বছৰৰ সাঁচতীয়া ধন আছিল। কাৰ্যালয়টো এজন উকীলক বিক্ৰী কৰিলোঁ আৰু যি ধন পালোঁ সেই ধন মোৰ ল'ৰাটোক বিদেশলৈ পঢ়িবলৈ পঠোৱাত তাৰ পঢ়া-শুনাৰ খৰচতেই শেষ হ'ল। গতিকে যেতিয়া মই মালয়াৰপৰা স্বদেশলৈ ঘূৰি আহিলোঁ মোৰ হাতত সাঁচতীয়া ধন একো নাছিল বৰং আহিয়েই ধাৰ কৰিবলগীয়া হৈছিল। মোৰ জীৱনৰ অধিকাংশ কাল ধাৰ কৰিয়েই কটালোঁ। সেই কাৰণে ঋণ-মুক্ত হোৱাৰ যি কল্পনা কৰিছিলোঁ সেই কল্পনা কেতিয়াও বাস্তৱত পৰিণত নহ'ল। অৱশ্যে, আগতকৈ মোৰ ঋণৰ বোজাটো অলপ কম হ'ল কিন্তু একেবাৰে ঋণ-মুক্ত হ'ব নোৱাৰিলোঁ। ডিকেন্সৰ উপন্যাস এখনৰ এটা চৰিত্ৰ মেকাবৰৰ নিচিনাকৈ মই আজিও ঋণ-মুক্ত হোৱাৰ সেই ভাল দিনটোৰ কাৰণে অপেক্ষা কৰি আছোঁ। সেই ভাল দিনটো কেতিয়া আহিব কোনে জানে ? মই বেছি ধনৰ কাৰণে উত্ৰাৱল নহওঁ কিন্তু কেনেকৈ খৰচ নিয়ন্ত্ৰণ কৰিব লাগে নেজানো। খৰচ নিয়ন্ত্ৰণ কৰিবলৈ মই অনেক চেষ্টা কৰিছোঁ, অনেক পদ্ধতি অৱলম্বন কৰিছোঁ কিন্তু এতিয়াও সফল হ'ব পৰা নাই। ভৱিষ্যতৰ কথা কোনেও ক'ব নোৱাৰে কিন্তু মোৰ ঋণ-মুক্ত হোৱাৰ ক্ষেত্ৰত মোৰ ভৱিষ্যৎ যে উজ্জ্বল হ'ব তাৰ কোনো আশা নাই।

কুৰি বছৰ চিঙ্গাপুৰত থাকি যেতিয়া তাৰপৰা বিদায় ল'বৰ সময় আহিল তেতিয়া সঁচাকৈয়ে মনলৈ দুঃখ আহিল। তাৰপৰা অহাৰ কিছুমান দিনৰ আগৰেপৰাই মোক মোৰ বন্ধুবান্ধৱসকলে তেওঁলোকৰ ঘৰত খাবলৈ মাতি বিদায় দিছিল। শেহত এখন ৰেষ্টোৰাত মোৰ কাৰণে এখন বিদায় সন্মিলনৰ আয়োজন কৰিছিল। সেই সন্মিলন-খনত জজ, বাৰিষ্টাৰ, উচ্চপদস্থ অধিকাৰী, ব্যৱসায়ী আৰু মোৰ অনেক বন্ধু-বান্ধৱ আৰু চিনাকি মানুহ উপস্থিত আছিল। সেই বিদায় সন্মিলনখনৰ মধুৰ স্মৃতি চিৰদিনলৈ মোৰ মনত থাকিব।

1948 চনৰ 17 জুলাইত মই চিঙ্গাপুৰৰপৰা বিদায় লৈছিলোঁ। বন্দৰত বন্ধু-বান্ধৱসকলৰপৰা বিদায় লৈ মই জাহাজত উঠিলোঁ। জাহাজখন লাহে লাহে চলিবলৈ ধৰিলে। যিসকল বন্ধু-বান্ধৱ পাৰত থিয় হৈ আছিল তেওঁলোক লাহে লাহে মোৰ দৃষ্টিৰপৰা আঁতৰি যোৱাত মনলৈ দুঃখ আহিছিল কাৰণ সেই বিদায় খন্তেকীয়া বিদায় নাছিল, হয়তো এনেকুৱাও হ'ব পাৰে, তেওঁলোকক মই আৰু কেতিয়াও দেখা নেপাম।

মই সমুদ্ৰ-যাত্ৰা বৰ ভাল পাওঁ। বঙ্গোপসাগৰেদি আমাৰ জাহাজখন তাৰ লক্ষ্য-স্থানৰ পিনে গৈ থাকিল। আমি ৰাতিপুৱা চাহ-জলপান খাই ডেকলৈ আহিলোঁ আৰু সাগৰৰ ফেনিল তৰঙ্গৰ ওপৰত সূৰ্যৰ কিৰণ পৰি দুয়ো খেল-ধেমালি কৰা দৃশ্য দেখি মনত অপাৰ আনন্দ পালোঁ। সমুদ্ৰৰ অনন্ত মাহাত্ম্য মানুহৰ চিন্তাৰ বাহিৰত। বিশাল সমুদ্ৰই তাৰ গৰ্ভত সৰু সৰু টিলা, ডাঙৰ ডাঙৰ পাথৰ, সৰু-ডাঙৰ অসংখ্য জীৱ সামৰি লৈছে যাক বাহিৰৰপৰা কোনেও দেখা নাপায়। সমুদ্ৰৰ ওচৰত সেই সকলো সমান, কাৰো প্ৰতি সমুদ্ৰৰ ভেদ ভাব নাই। যেনেকৈ অনন্তব্যাপী ঈশ্বৰে ক্ষুদ্ৰ এটা কীটৰপৰা আৰম্ভ কৰি বুদ্ধিমান আৰু ক্ষমতাৱান মানুহক সমান চকুৰে চায়, তেনেকৈ বিশাল সমুদ্ৰই তাৰ গৰ্ভত থকা সকলোকে সমান চকুৰে চায়। বিদ্বেষ-স্নেহ, উচ্চতা-নীচতা, দুঃখ-সুখ আৰু জন্ম-মৰণৰ প্ৰভাৱৰপৰা আমি আঁতৰি থাকিব নোৱাৰোঁ। এই সকলো এটা অজ্ঞাত নিয়মৰ অধীন আৰু আমি সেই ৰহস্যৰ কথা জানিও ভুল কৰোঁ আৰু ভুল কৰি আনক দোষ দিওঁ। আমি নিৰৰ্থক মান-সন্মান আৰু উচ্চ পদৰ কাৰণে দিনে-ৰাতিয়ে চেষ্টা কৰোঁ, অতৃপ্ত মোহৰ কাৰণে প্ৰয়াস কৰোঁ আৰু শত্ৰুক নাশ কৰিবলৈ চেষ্টা কৰোঁ। কিন্তু এদিন সকলোকে ত্যাগ কৰিব লগা হয় আৰু আমি এদিন মৰণৰ দুৱাৰডলিত আহি থিয় হওঁ। তাৰ পিছত ?

জাহাজখনে প্ৰায়েই উকি মাৰিছিল আৰু জাহাজত কাম কৰা মানুহবোৰক অনবৰত ব্যস্ত থকা দেখিছিলোঁ। জাহাজখনৰ গতি ধীৰ আছিল যেন তাৰ কৰ্তব্য পালন কৰিবলৈ চালকৰ নিৰ্দেশ মতে নিশ্চিন্ত মনে গৈ আছিল। এদিন দেখিলোঁ জাহাজৰপৰা কেইখনমান নাও তললৈ নমাইছে। কিয় ? শুনিলোঁ যাত্ৰী এজন পানীত পৰিল। কেনেকৈ পৰিল ? নিজে ইচ্ছা কৰিলে বা নিজৰ অসাৱধানতাৰ কাৰণে ? সেই প্ৰশ্নৰ সঠিক উত্তৰ কোনে দিব ? তেওঁৰ প্ৰাণটো বচাবলৈ নাৱৰীয়াকেইজনে প্ৰাণপণে চেষ্টা কৰিলে, চাৰি-পাঁচখন মান নাও জাহাজখনৰ ইফালে-সিফালে গল কিন্তু সেই দুৰ্ভগীয়া

যাত্ৰীজনক বিচাৰি নেপালে। জাহাজখন ৰৈ আছিল আৰু যেতিয়া ব্যৰ্থ হৈ নাৱৰীয়া-কেইজন ঘূৰি আহিল, জাহাজখনে তাৰ যাত্ৰা আকৌ আৰম্ভ কৰিলে। চাৰিদিনৰ পিছত আমি মাদ্ৰাজ পালোঁহি।

মোক অভ্যৰ্থনা কৰিবলৈ মোৰ কেইজনমান পুৰণি বন্ধু বন্দৰলৈ আহিছিল। সেইদিনা সন্ধিয়া ৰাজাজী সভাঘৰত মালায়ালীসকলে মোৰ সন্মানাৰ্থে এখন সভাৰ আয়োজন কৰিছিল। সেই সময়ত কোৰিপুস্তু মাধৱ মেনন মাদ্ৰাজ মন্ত্ৰীসভাৰ এজন সদস্য আছিল। তেওঁ সভাখনৰ সভাপতিত্ব কৰিছিল।

জাহাজৰপৰা নমাৰ লগে লগে মই এখন চিঠি পালোঁ। চিঠিখন 'মাতৃভূমিৰ সঞ্চালকে লিখিছিল। তাত লিখা আছিল, 'মাতৃভূমিৰ' সঞ্চালকে তাৰ প্ৰথম সম্পাদক শ্ৰীকেশৱ মেননক তেওঁৰ আন্তৰিক শুভেচ্ছা জনাইছে। মোৰ একান্ত অনুৰোধ আপুনি যেন অতি সোনকালে 'মাতৃভূমি'ৰ সম্পাদকৰ পদটো গ্ৰহণ কৰেহি।"

এনেকৈ 'মাতৃভূমি'ৰ লগত সম্বন্ধ স্থাপন কৰিবলৈ আৰু কেৰালাৰ সাৰ্বজনিক জীৱনত ভাগ ল'বলৈ মই দ্বিতীয়বাৰ সুযোগ পালোঁ।

পুনৰ সম্পাদকৰ কাৰ্য্যভাৰ

1948 চনৰ পহিলা আগষ্টত মই দ্বিতীয়বাৰ মাতৃভূমিৰ সম্পাদকৰ কাৰ্যভাৰ গ্ৰহণ কৰিলোঁ।

24 বছৰ ধৰি সুখ্যাতিৰে সম্পাদকৰ কাম চলাই শ্ৰী এ. কে. দামোদৰ মেননে 25 জুলাইত সম্পাদকৰ কাৰ্য্যভাৰৰপৰা মুক্ত হয়। তেওঁ স্বাধীনতা সংগ্ৰামৰ অগ্ৰণী নেতা হিচাপে 'মাতৃভূমি' পৰিচালনা কৰিছিল আৰু মই সেই কাৰ্য্যভাৰ গ্ৰহণ কৰাত তেওঁ সাংবাদিকতা এৰি দি ৰাজনীতিৰ কামত নিজকে নিয়োগ কৰিবলৈ মনস্থ কৰে। দামোদৰ মেনন এজন শক্তিশালী লেখক আৰু সুন্দৰ বক্তা আছিল আৰু তেওঁৰ সেই দুটা গুণে কেৰালাৰ জনসাধাৰণৰ ওপৰত তেওঁৰ প্ৰভাৱ বিস্তাৰ কৰাইছিল। তেওঁ কেৱল কাৰ্য্যৰ আনুমানিক দিহাতেই ক্ষান্ত নাছিল, ব্যৱহাৰিক জীৱনতো তাক ৰূপ দিছিল। মই চিঙ্গাপুৰৰপৰা ঘূৰি অহাৰ পিছৰেপৰা মোৰ বন্ধু দামোদৰ মেননে মোৰ সাৰ্বজনিক বিষয়ত আন্তৰিকভাৱে সহায়তা কৰিছিল। কোনো কোনো বিষয়ত তেওঁৰ লগত মোৰ মতৰ অমিল হৈছিল যদিও তেওঁৰ নিজৰ মতৰ সুন্দৰ আৰু যুক্তিপূৰ্ণভাৱে বিশ্লেষণ কৰাৰ ক্ষমতা অসাধাৰণ আৰু প্ৰশংসনীয় আছিল। ৰাজহুৱা কামত বিৰোধী দলৰ সদস্যসকলৰ লগত বন্ধুত্ব ৰখা বৰ টান আৰু সেইটো অতি কম মানুহেহে পাৰে। কিন্তু দামোদৰ মেননৰ সেই গুণটো আছিল আৰু তেওঁ সকলোৰে লগত বন্ধুত্ব বজাই ৰাখিছিল।

সম্পাদক পদ গ্ৰহণ কৰি 'মাতৃভূমিৰ' 1948 চনৰ পহিলা আগষ্টৰ সংখ্যাত মই এনেকৈ লিখিছিলোঁ : "1925 চনৰ 31 জানুৱাৰীত মই মোৰ পাঠকসকলৰপৰা বিদায় ল'বলগীয়া হৈছিল। 'ভৱিষ্যতে যদি আকৌ এই কামটো হাতত ল'বলৈ মোৰ সৌভাগ্য হয় মই নিজকে ধন্য মানিম'—এই কথাষাৰ মই সেইদিনা মোৰ সম্পাদকীয়ত লিখিছিলোঁ। আজি মোৰ সেই সৌভাগ্য হৈছে। সেই সময়ত 'মাতৃভূমি' শিশু আছিল, কিন্তু আজি এজনী যুৱতী। বিদেশী শাসন উচ্ছেদ কৰি ভাৰতক স্বাধীন কৰি তোলাৰ প্ৰচেষ্টাত 'মাতৃভূমি'য়ে যি ভূমিকা গ্ৰহণ কৰিছিল আৰু স্বাধীনতা সংগ্ৰামলৈ যি বৰঙণি আগ বঢ়াইছিল সেই সকলো অতি গৌৰৱময় আছিল। এই সত্যতা কোনেও অস্বীকাৰ নকৰিব। এখন বাতৰি কাকত বা আলোচনীক পাঠকৰ জনপ্ৰিয় কৰি প্ৰকাশ কৰিবলৈ হ'লে সম্পাদকে এটা গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব লাগিব। ওপৰে ওপৰে চাই ক'বলৈ হ'লে, বাতৰি কাকত প্ৰকাশ কৰাটো এটা ব্যৱসায় —য'ত লাভ নিশ্চয় হ'ব লাগিব, কিয়নো লাভ নহ'লে সি চলিব নোৱাৰে। কিন্তু অন্য ব্যৱসায়ৰ নিচিনা বাতৰি কাকতৰ লক্ষ্য ধন উপাৰ্জন কৰা নহয়। ইয়াৰ প্ৰধান লক্ষ্য হ'ল জনসেৱা আৰু জনসাধাৰণক

দেশৰ সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক পৰিস্থিতি অৱগত কৰোৱা আৰু তেওঁলোকক সচেতন কৰা। এই স্বনামধন্য আৰু জনপ্ৰিয় বাতৰি কাকতখনৰ সম্পাদক হিচাপে মই সেই কাৰ্য্য সুচাৰুৰূপে সম্পন্ন কৰিবলৈ সৰ্বদায় চেষ্টা কৰিম।"

মোৰ চেষ্টাত যৎকিঞ্চিত সফলতা লাভ কৰিবলৈ হ'লেও সঞ্চালকৰপৰা আৰম্ভ কৰি মাতৃভূমিৰ অতি সাধাৰণ কৰ্মচাৰীলৈকে সকলোৰে সহযোগিতাৰ একান্ত আৱশ্যক। কোনো কোনো মানুহৰ গণ্ডগোল আৰম্ভ কৰাৰ ইচ্ছা থাকে। সেই গণ্ডগোল আৰম্ভ হ'লে তাৰ সম্মুখীন হ'বলৈ সঞ্চালকৰ দূৰদৰ্শিতা আৰু ধৈৰ্য্যৰ আৱশ্যক। 'মাতৃভূমি'ৰ সঞ্চালকসকলক মই অনেক বছৰ ধৰি জানো।

অসহযোগ আন্দোলনৰ আগৰেপৰা মই কুৰুৰ নম্‌পুৰিপাদক চিনি পাওঁ। তেতিয়া তেওঁৰ স্বভাৱ, আচৰণ আৰু কথা-বতৰা যেনেকুৱা আছিল এতিয়াও তেনেকুৱাই আছে। তেওঁৰ বয়স সত্তৰ বছৰ, কিন্তু এতিয়াও তেওঁৰ মনৰ উৎসাহ এজন ডেকাৰ নিচিনা। আৰম্ভণতে তেওঁ 'মাতৃভূমি' কোম্পানীৰ নিৰ্দেশক আছিল। 'মাতৃভূমিৰ' উন্নতিৰ কথা তেওঁক কলে তেওঁ সেই উন্নতিক নিজৰ পৰিয়ালৰ উন্নতি বুলিয়েই গণ্য কৰিছিল। নম্‌পুৰিপাদৰ বিশেষ গুণ হ'ল তেওঁৰ নম্ৰতা আৰু প্ৰসন্নতা। এতিয়া তেওঁ 'মাতৃ-ভূমি'ৰ সঞ্চালক নহয় মুদ্ৰাকৰ আৰু প্ৰকাশকহে। 'মাতৃভূমি' সম্বন্ধীয় বিষয়ত তেওঁ সদায় সচেতন আৰু উৎসাহী আছিল।

সঞ্চালকসকলৰ এজন হ'ল অম্পলপাদ নাৰায়ণ মেনন। তেওঁ মালবাৰ কংগ্ৰেছ আৰু অস্পৃশ্যতা বৰ্জনৰ কামত নিজকে দেহেকেহে নিয়োগ কৰিছিল। যেতিয়া তেওঁ 'সবিনয় অৱজ্ঞা' আন্দোলনত ভাগ লৈছিল তেতিয়াও তেওঁ নিয়ম উলংঘন কৰিবলৈ ইচ্ছা নকৰিছিল। তেওঁৰ মত আছিল—ক্ষমা আৰু উদাৰতা ক্ষমতাৰ বাধক নহয়। তেওঁ সত্য, নিষ্ঠা আৰু সময়ৰ সীমাবদ্ধতাৰ ওপৰত গুৰুত্ব দিছিল।

টি. ভি. সুন্দৰ আয়াৰ এজন প্ৰসিদ্ধ ফৌজদাৰী উকীল আছিল। তেওঁ আৰম্ভণিৰে পৰা এতিয়ালৈকে 'মাতৃভূমিৰ' সঞ্চালক উকীল হিচাপে তেওঁ মক্কেলৰ হৈ অনেক তৰ্ক কৰিছিল, কিন্তু 'মাতৃভূমিৰ' সঞ্চালক হিচাপে তেওঁ কেতিয়াও কোনো তৰ্ক-বিতৰ্ক নকৰিছিল। তেওঁ ব্যয় কৰাত কৃপণ আছিল, কিন্তু 'মাতৃভূমি'ৰ কাৰণে উদাৰভাৱে খৰচ কৰিছিল।

শ্ৰীমতী এ. ভি. কুট্টিমালু অম্মা আন এগৰাকী সঞ্চালক আছিল। কেৰালা কংগ্ৰেছৰ মহিলা সদস্যাসকলৰ ভিতৰত তেওঁ অগ্ৰণী আছিল। মাধৱ মেনন আন এজন সঞ্চালক। আজিও তেওঁ 'মাতৃভূমি'ৰ সঞ্চালক সমিতিৰ সভাপতি আৰু কোম্পানীৰ উপ-সঞ্চালক। শ্ৰী ভি. এম. নায়াৰ প্ৰবন্ধ নিৰ্দেশক।

আন এজন সঞ্চালক হ'ল মাধৱ মেনন। তেওঁ অসহযোগ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰি অনেক দিনলৈকে কেৰালা কংগ্ৰেছৰ এজন প্ৰধান সদস্য হিচাপে জনাজাত আছিল। তেওঁ মাদ্ৰাজ মন্ত্ৰী সভাৰ সদস্যও আছিল। মাতৃভূমিৰ লগত তেওঁৰ সম্বন্ধ আগৰেপৰা আছিল আৰু তেওঁ সংবাদ-সমিতিতো কাম কৰিছিল। তেওঁক মই

ল'ৰাকালৰেপৰা চিনি পাওঁ। তেওঁ সঞ্চালকসকলৰ বৈঠকত বৰ উৎসাহেৰে ভাগ লৈছিল আৰু 'মাতৃভূমিৰ' শ্ৰীবৃদ্ধিৰ কাৰণে সকলো পিনে সহায় কৰিছিল।

মই চিঙ্গাপুৰৰপৰা ঘূৰি অহাৰ পিছত ডাক্তৰ চন্তও মাতৃভূমিৰ এজন সঞ্চালক আছিল। ভগ্ন-স্বাস্থ্যৰ কাৰণে তেওঁ সেই পদত বেচিদিন নাছিল।

'মাতৃভূমি'ৰ অন্যান্য সঞ্চালকসকলৰ ভিতৰত শ্ৰী জিন চন্দ্ৰ, কে. কুমাৰণ নায়াৰ আৰু আৰ. কে. কৃষ্ণকুট্টি মেননৰ নাম উল্লেখযোগ্য।

কেৰালাৰ ৰাজনৈতিক ক্ষেত্ৰ আৰু সামূহিক জীৱনত নানা ধৰণৰ নতুন ভাবৰ উদয় হ'ল আৰু অনেক ব্যক্তিয়ে নেতাৰ স্থান অধিকাৰ কৰিলে। অনেকদিন বিদেশত থকাৰ কাৰণে মোৰ ওচৰত তেওঁলোক অপৰিচিত আছিল আৰু সেই কাৰণে তেওঁলোকৰ সম্বন্ধে জানিবলৈ হ'লে মোৰ অন্যান্য বন্ধু-বান্ধৱৰ সাহায্য লৈছিলোঁ। 'মাতৃভূমি' সংক্ৰান্ত বিষয়ত মই কেতিয়াবা কেতিয়াবা তেওঁলোকক সংযোগ কৰিব-লগীয়া হৈছিল।

আগৰপৰাই থিৰাং কৰা হৈছিল—কংগ্ৰেছৰ উদ্দেশ্য সফল কৰিবলৈ 'মাতৃভূমি'য়ে সাহায্যমূলক নীতি অৱলম্বন কৰিব। স্বাধীনতা সংগ্ৰামৰ দিনতো মাতৃভূমিয়ে সেই নীতি অৱলম্বন কৰিছিল। স্বাধীনতাৰ পিছত কংগ্ৰেছৰ নীতিৰ পৰিবৰ্তন হ'ল আৰু এখন 'কল্যাণ ৰাষ্ট্ৰ' স্থাপন কৰা কংগ্ৰেছৰ লক্ষ্য হ'ল। 'মাতৃভূমিৰ' নীতিও তাৰ অনুৰূপ হ'ল; কিন্তু সেই নীতি পালন কৰাত কিছুমান বাধা-বিঘিনি আহিল। কংগ্ৰেছৰ লক্ষ্যৰ অনুকূল 'কল্যাণ ৰাষ্ট্ৰ' স্থাপন কৰা সম্বন্ধীয় কিছুমান কথাৰ ওপৰত কংগ্ৰেছ চৰকাৰে বেছি গুৰুত্ব নিদিয়াৰ কাৰণে 'মাতৃভূমি' অলপ দোধোৰমোৰত পৰিল। কিন্তু পিছত 'কল্যাণ ৰাষ্ট্ৰ'ৰ বিৰোধিতা কৰা সকলো দল আৰু সংস্থাৰ বিৰোধিতা কৰি 'মাতৃভূমিয়ে' এটা স্পষ্ট পথ বাছি ল'লৈ আৰু সেই পথেৰে আগ বাঢ়ি গৈ থকাত দিনে দিনে মাতৃভূমিৰ উন্নতি হ'বলৈ ধৰিলে।

'মাতৃভূমি' কোম্পানীৰ বিষয়ে জনসাধাৰণৰ ভাল ধাৰণা নথকাটো সম্ভৱ। কোম্পানীটোৰ খৰচ প্ৰায় 17000 টকা। প্ৰতি বছৰে কোম্পানীৰ লাভ হয় আৰু অংশীদাৰসকলক লাভৰ অংশ বিতৰণ কৰা হয়। শেহত যিখিনি বাকী থাকে সেইখিনি মাতৃভূমিৰ বিকাশৰ কামত খৰচ কৰা হয়। এনেকৈয়ে এই ডাঙৰ সংস্থাটো তথা মাতৃ-ভূমিৰ দোপতদোপে উন্নতি হ'বলৈ ধৰিলে। আজিৰ দিনত এখন প্ৰথম শ্ৰেণীৰ বাতৰি কাকত প্ৰকাশ কৰিবলৈ হ'লে যিবোৰ যন্ত্ৰপাতিৰ আৱশ্যক সেই সকলোবোৰ 'মাতৃ-ভূমি'ৰ আছে আৰু কৰ্মচাৰীসকলে অন্যান্য চৰকাৰী কাৰ্য্যালয়ৰ নিচিনাকৈ নিয়মিতৰূপে বেতন পায় আৰু তেওঁলোকৰ ভৱিষ্যনিধি, মৰগীয়া ভাতা, বানচ, পাৰিতোষিক আৰু কৰ্ম-নিবৃত্তি বেতনৰ স্থায়ী ব্যৱস্থা আছে। 'মাতৃভূমি' লাভ কৰা উদ্দেশ্যৰ এটা ব্যৱসায়িক সংস্থা নহয়, জনসেৱা কৰাৰ এটা ৰাষ্ট্ৰীয় সংস্থাহে। ভাৰতৰ প্ৰধান প্ৰধান বাতৰি কাকতবোৰৰ ভিতৰত 'মাতৃভূমি' অন্যতম। 1955 চনৰ 28 ডিচেম্বৰত প্ৰধান মন্ত্ৰী জৱাহৰলাল নেহৰুৱে 'মাতৃভূমিৰ' কাৰ্য্যালয় পৰিদৰ্শন কৰি এনেকৈ কৈছিল, মাতৃভূমি'

কেৰালা ৰাজ্যৰ এখন বাতৰি কাকত হ'লেও এই বাতৰি কাকতখনৰ নামটো ভাৰতৰ অন্যান্য সকলো ৰাজ্যতে জনাজাত। এই বাতৰি কাকতখনে স্বাধীনতা সংগ্ৰামলৈ যি ডাঙৰ বৰঙণি আগ বঢ়াইছিল সি মহত্ত্বপূৰ্ণ আছিল। মই দেখি বৰ সন্তোষ পাইছোঁ যে 'মাতৃভূমি'য়ে অসংখ্য লোকৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰি দিনে দিনে প্ৰগতিৰ পথত আগবাঢ়ি গৈ আছে। শ্ৰীকেশৱ মেননে তেওঁৰ আদৰণি ভাষণত এটা কথা উল্লেখ কৰা নাই যে মাতৃভূমিৰ লগত মোৰ সম্বন্ধ আছে। আচল কথা, মাতৃ-ভূমিয়ে মোৰ লেখাবোৰ মালয়ালমলৈ অনুবাদ কৰি প্ৰকাশ কৰিছে আৰু সেই কাৰণে মাতৃভূমিৰ লগত মোৰ গাঢ় সম্বন্ধ থকাটো অতি সত্য আৰু যুক্তিপূৰ্ণ কথা। 'মাতৃভূমি'লৈ মোৰ আন্তৰিক শুভেচ্ছা থাকিল।"

'মাতৃভূমি'য়ে এনেকুৱা প্ৰশংসা আন অনেক নেতাৰপৰাও পাইছে।

'মাতৃভূমি'ৰ এই সুনাম আৰু খ্যাতিৰ কাৰণে কেইবাজনো বিশিষ্ট লোকে আন্তৰিক-ভাৱে চেষ্টা কৰিছিল। তেওঁলোকৰ ভিতৰত স্বৰ্গীয় ৰামুন্নি মেনন, কে. কেলপ্পন, কে. কুঞ্চিৰাম, পতিয়াৰ, পি. নাৰায়ণ. নায়াৰ, এম. কে. ৰাজা, কে. এ. দামোদৰ মেনন আৰু চি. এচ. কুঞ্জাপ্পাই সময়ে সময়ে ইয়াৰ সম্পাদক পদ গ্ৰহণ কৰাৰ ফলত ইয়াৰ শ্ৰীবৃদ্ধি হৈছিল আৰু তেওঁলোকে ইয়াৰ পুৰণি মহত্ত্বক আৰু অধিক মহত্ত্বপূৰ্ণ আৰু উজ্জ্বল কৰিছিল। মাতৃভূমিৰ সহ-সম্পাদক হিচাপে এতিয়াও চি. এচ. কুঞ্জাপ্পাই তেওঁৰ সেৱা আগবঢ়াই আছে। তেওঁৰ নিচিনা এজন ভাল সংবাদদাতা কেৰালাত বিৰল। তেওঁৰ ইংৰাজী শব্দবোৰ মালয়ামলৈ তৰ্জমা কৰোঁতে তদ্ৰূপ মালয়ালম শব্দ বাহিৰ কৰাৰ ক্ষমতা আৰু জ্ঞান অসাধাৰণ। উল্লেখযোগ্য যে তেওঁ জৱাহৰলাল নেহৰুৰ আটাইকেইখন গ্ৰন্থ মালয়ালমলৈ অতি দক্ষতাৰে অনুবাদ কৰিছে। সেইকেইখনেই তেওঁৰ মালয়ালম ভাষাৰ ওপৰত সম্পূৰ্ণ আধিপত্য থকাৰ জ্বলন্ত উদাহৰণ।

সম্পাদকীয় বিভাগৰ প্ৰধান লোক কেইজনৰ নামবোৰ উল্লেখ কৰোঁতে সাপ্তাহিক সংখ্যাৰ সম্পাদক শ্ৰী এন. ভি. কৃষ্ণ ওৱাৰিয়ৰ নামটো উল্লেখ নকৰিলে সম্পূৰ্ণ নহয়। তেওঁ অগাধ পণ্ডিত আৰু এজন শক্তিশালী লেখক। তেওঁৰ জটিল আৰু গভীৰ ভাবৰ বিষয়বোৰ সহজ আৰু সৰল ভাষাত লিখাৰ দক্ষতা অতি প্ৰশংসনীয় আৰু অসাধাৰণ। কোনোৱে তেওঁৰ মত সমৰ্থন নকৰিলেও তেওঁৰ পাণ্ডিত্য আৰু গভীৰ চিন্তাধাৰাই তেওঁক চমকিত কৰে।

অনেক সমৰ্থ ডেকা লেখকে 'মাতৃভূমি'ৰ সম্পাদকীয় বিভাগত কাম কৰে। তেওঁলোকৰ ভিতৰত শ্ৰী এন. কৃষ্ণন নায়াৰ 'মাতৃভূমি'ৰ প্ৰাণস্বৰূপ। আখৰৰ বাছনিৰ-পৰা 'ৰোটেৰী' যন্ত্ৰ ঘূৰোৱালৈকে মুদ্ৰণ-কলাত তেওঁৰ অসাধাৰণ দক্ষতা আছে। 'মাতৃ-ভূমি'ৰ মুদ্ৰণ আৰু সংবাদ আদি সকলো বিভাগতে তেওঁ সুবিদিত আৰু সকলো কামতে পাৰ্গত। তেওঁ এজন সুদক্ষ ব্যৱস্থাপক আৰু তেওঁৰ তলত কাম কৰাসকলৰ ওপৰতে অজ্ঞাতেই তেওঁৰ প্ৰভাৱ আৰু নিয়ন্ত্ৰণ থকাৰ কাৰণে সকলো কাম সুচাৰুৰূপে সম্পন্ন হয়। তেওঁ 'মাতৃভূমি'ৰ কাৰ্য্যালয়ত বহি কাম কৰোঁতে অপাৰ আনন্দ পায় আৰু তেওঁৰ

উৎসাহ আৰু সুন্দৰ ব্যৱহাৰে সকলোকে কাম কৰিবলৈ উৎসাহ আৰু আনন্দ দিয়ে।

বাতৰিবোৰ অতি সোনকালে পাবৰ কাৰণে উপযুক্ত টেলিপ্ৰিণ্টাৰ যন্ত্ৰ কিনা, সোনকালেই ৰোটেৰী যন্ত্ৰ বহুওৱা আৰু মুদ্ৰনত উৎকৃষ্টতা লাভ কৰাত কৃষ্ণণ নায়াৰৰ হাত সকলোৰে আগত।

আৰু এজন মানুহৰ কথা উল্লেখ কৰা একান্ত প্ৰয়োজন। মাধৱ পাণিকৰে 'মাতৃভূমি'ৰ প্ৰতি যি সেৱা আগ বঢ়াইছিল সেই সেৱা অতি বিৰল। তেওঁ এজন যোগালি হিচাপে কুৰি বছৰ মাতৃভূমিত আছিল। তেওঁৰ ব্যৱহাৰ অনুকৰণীয় আছিল আৰু তেওঁ সকলো কাম নিখুঁতভাৱে কৰিছিল। 1948 চনত যেতিয়া মই দ্বিতীয়বাৰ মাতৃভূমিলৈ আহোঁ তেতিয়া তেওঁৰ বয়স পঞ্চাশ বছৰ আছিল। গা-পা ধুই কপালত চন্দনৰ ফোঁট লে পৰিষ্কাৰ পোছাক পিন্ধি তেওঁ নিয়মিতভাৱে কাৰ্য্যালয়লৈ আহিছিল আৰু মাতৃভূমিক নিজৰ পৰিয়ালৰ দৰেই গণ্য কৰিছিল। তেওঁ হস্পিতাললৈ ৰোগগ্ৰস্ত হৈ যোৱাৰ আগলৈকে মোৰ ঘৰৰে কোঠালীত এদিন ৰাতি যেতিয়া মই তেওঁৰ মৃত্যুৰ খবৰ শুনো মোৰ নিজৰ পৰিয়ালৰে এজন মানুহক চিৰদিনলৈ হেৰুৱালোঁ বুলি অন্তৰত বৰ দুঃখ পাইছিলোঁ।

'মাতৃভূমি' প্ৰথম প্ৰকাশ হওঁতে পাঠকসকলৰ অভিৰুচি যেনেকুৱা আছিল তাৰ দুই দশকৰ পিছত তাৰ অনেক পৰিৱৰ্তন হৈছিল। আগতকৈ তেওঁলোক বাতৰি জানিবৰ কাৰণে বেছি উৎকণ্ঠিত হ'ল আৰু সংক্ষিপ্ত আৰু সকলো খবৰ নিদিয়া বাতৰি পঢ়ি তেওঁলোক সন্তুষ্ট নোহোৱা হ'ল। গতিকে এতিয়া তেওঁলোকক সন্তুষ্ট কৰা সাধাৰণ কাম নহয়।

মাতৃভূমিত প্ৰকাশ হোৱা অধিকাংশ বাতৰি নিজা সংবাদদাতাসকলে পঠিওৱা। এনে এটা দিন নাযায় যিদিনা পাঠকে সম্পাদকলৈ লিখা চিঠিত বাতৰিবোৰৰ বিষয়ে অভিযোগ নকৰে। বাতৰি সঁচা বা মিছা সংবাদদাতাসকলৰ ওপৰত নিৰ্ভৰ কৰে। কেতিয়াবা তেওঁলোকে অতিৰঞ্জিত কৰি বা ৰহন সানিও যে বাতৰি নপঠায় তেনে নহয়। কিন্তু সম্পাদক হিচাপে ভুল বা শুদ্ধ বাতৰি বাহিৰ কৰা সম্ভৱ নহয়। আগতেই উল্লেখ কৰিছোঁ — আজিকালি সকলো পঢ়ুৱৈক সন্তুষ্ট কৰা সহজ নহয়। কোনো বাতৰি আৰু সম্পাদকীয় কিছুমান পাঠকে ভাল পায়, কিন্তু কিছুমানে ভাল নাপায় আৰু পিছত তেওঁলোকে অভিযোগ কৰে। মই অভিযোগ থকা সকলো চিঠি পঢ়োঁ আৰু উচিত বোধ কৰা চিঠিবোৰৰ উত্তৰ দিওঁ।

কোনো ব্যক্তি বা সংস্থাৰ সম্বন্ধত 'মাতৃভূমি'ৰ অভিমত বা সমালোচনা কেতিয়াবা সপক্ষে আৰু বিপক্ষে যায়। বিপক্ষে গ'লে সংশ্লিষ্ট পক্ষই মাতৃভূমিৰ মত সলনি কৰিবলৈ প্ৰভাৱ বিস্তাৰ কৰিবলৈ চেষ্টা কৰে। কিন্তু মাতৃভূমি কেতিয়াও সত্যতা আৰু সততাৰ পথৰপৰা আঁতৰি নাযায়। মাতৃভূমিয়ে সদায় জনহিতকৰ কামৰ বিৰোধিতা কৰা ব্যক্তি বা সংস্থাৰ বিপক্ষে মতামত প্ৰকাশ কৰে। কেতিয়াবা মোৰ নিজৰ বন্ধু- বান্ধুৱৰ বিৰুদ্ধেও মত প্ৰকাশ কৰিবলগীয়া হয় কাৰণ মাতৃভূমিয়ে নিজৰ নীতি অনুসাৰে কাম কৰে।

আজিকালি প্ৰকাশ কৰিবলগীয়া উপযুক্ত বাতৰিৰ ওপৰত প্ৰতিবন্ধক লগায়। সাধাৰণ ঘটনাৰ বাতৰিতকৈ ওপৰঞ্চি কিবা থাকিলে সেইটো বিশেষ বাতৰি হয়। তাক নিৰ্বাচন কৰি সুন্দৰভাৱে বৰ্ণনা কৰিব পৰা দক্ষতাৰ ওপৰতে এখন বাতৰিকাকতৰ খ্যাতি বাঢ়ে। অৱশ্যে যি কোনো এটা বাতৰিক সজাই-পৰাই ভাল ভাষাৰে প্ৰকাশ কৰা নিয়মটো মই ভাল নাপাওঁ। মোৰ মতে, এটা বাতৰিক বাতৰি হিচাপেই প্ৰকাশ কৰিব লাগে, তাক আন ধৰণে প্ৰকাশ কৰা উচিত নহয়।

মই অনেক ধৰণৰ কাম কৰিছোঁ, অনেক ধৰণৰ ব্যৱসায় কৰিছোঁ, কিন্তু 'মাতৃ-ভূমি' কাৰ্য্যালয়ত বহি কাম কৰোঁতে মনত যি সুখ আৰু তৃপ্তি পাওঁ আন ক'তো নাপাওঁ। বোধকৰোঁ 'মাতৃভূমি'ৰ লগত মোৰ বিশেষ সম্বন্ধ থকাৰ কাৰণেই এনে অনুভৱ হয়। যদি মই বাতৰিত কিবা ভুল দেখোঁ নাইবা 'মাতৃভূমি'ৰ নীতি বা পৰিচালনাৰ বিৰুদ্ধে কোনোবাই অভিযোগ কৰে, তেতিয়া অন্তৰত বৰ দুঃখ পাওঁ। অৱশ্যে অতি মনোযোগেৰে আৰু সাৱধানে কামবোৰ সম্পাদন কৰিলেও কেতিয়াবা অভিযোগ শুনিবলগীয়া হয়। এবাৰ এজন উচ্চ পদস্থ চৰকাৰী অধিকাৰীয়ে প্ৰশংসা কৰি কৈছিল, "বাতৰি কাকত কেনেকৈ চলাব লাগে মাতৃভূমিয়েই তাৰ আদৰ্শ, তাৰ জ্বলন্ত নিদৰ্শন।" তেওঁৰ কথা শুনি মই মনত বৰ আনন্দ পাইছিলোঁ। 'মাতৃভূমি'ক এখন আদৰ্শজনক বাতৰি-কাকত কৰিবলৈ মোৰ মনত প্ৰথমৰপৰাই ডাঙৰ আকাঙ্খা আছিল, কিন্তু সেই আকাঙ্খা যে সম্পূৰ্ণকৈ পূৰা হৈছে মই সেইটো নাভাবোঁ।

মই জানো—'মাতৃভূমি'ত প্ৰকাশিত বাতৰিবোৰ সত্য বুলি মানি লোৱা হাজাৰ হাজাৰ পাঠক আছে আৰু সেই কাৰণেই সামান্য ত্ৰুটি-বিচ্যুতি চকুত পৰিলেই মই মনত বৰ দুঃখ পাওঁ। মাতৃভূমিৰ নিজৰ অভিমতক জনসেৱাৰ লক্ষ্য হিচাপে প্ৰকাশ কৰা হয়। বিভিন্ন মতৰ মানুহে 'মাতৃভূমি'ৰ সম্পাদকীয় বিভাগত কাম কৰে আৰু তেওঁলোকে জানে 'মাতৃভূমি'ৰ নিজৰ এটা নীতি আৰু মত আছে। জনমতক একেলগ কৰি তাক নিয়ন্ত্ৰণ কৰিয়েই 'মাতৃভূমি' ক্ষান্ত নাথাকে, তাক ৰূপায়িত কৰি 'মাতৃভূমি'য়ে বাতৰি কাকতৰ ধৰ্ম পালন কৰে। কেতিয়াবা সম্পাদকসকলৰ মত আৰু 'মাতৃ-ভূমি'ৰ মতৰ মাজত থকা পাৰ্থক্যৰ কথা মোৰ মনত পৰে। কিন্তু তেনে পৰিস্থিতি উদ্ভৱ হ'লে মই 'মাতৃভূমি'ৰ মতক সমৰ্থন কৰাটো সঙ্গত বুলি ভাবো, কাৰণ কোনো সম্পাদকৰ মত 'মাতৃভূমি'ৰ মতৰ লগত অমিল হ'লে তাক নিজৰ মনতে ৰখা উচিত। মই এবাৰ মোৰ সম্পাদকীয়ত এইবুলি লিখিছিলোঁ, "স্বাধীনতা লাভৰ পিছত আমাৰ দেশত বাতৰি কাকত আৰু আলোচনীৰ সংখ্যা অতিপাতকৈ বাঢ়িল। দৈনিক, সাপ্তাহিক, তিনি দিনীয়া আৰু মাহেকীয়া বাতৰি কাকত আৰু আলোচনীৰ সংখ্যা এতিয়া প্ৰায় 6900 হ'ব। তাৰ ভিতৰত 600 খন দৈনিক বাতৰি-কাকত। কিন্তু দুখৰ বিষয় পঢ়ুৱৈৰ সংখ্যা চল্লিশ লাখৰ বেচি নহয়। ইংলণ্ডত 'নিউজ অব দি ওৱৰ্লড' নামৰ বাতৰি-কাকত খনৰেই গ্ৰাহকৰ সংখ্যা আশী লাখ। অৱশ্যে আমাৰ দেশত গ্ৰাহকতকৈ বাতৰি-কাকত পঢ়োঁতা আৰু আনক পঢ়ি শুনোৱাৰ সংখ্যা গ্ৰাহকতকৈ ছগুণ বেচি হ'ব। যিয়েই নহওক, দিনে

দিনে বাতৰি কাকতৰ প্ৰভাৱ জনসাধাৰণৰ ওপৰত যে বাঢ়ি গৈছে তাত অলপো সন্দেহ নাই আৰু সেই কাৰণে দিনে দিনে বাতৰি কাকতৰ দায়িত্ব বাঢ়ি গৈছে। বাতৰি কাকতে কেৱল বাতৰি বিতৰণ আৰু বাতৰিক সমালোচনাই নকৰে তাৰ বাহিৰেও জনসাধাৰণৰ চেতনা জগাই তুলি তেওঁলোকৰ চিন্তাধাৰা আৰু মত উন্নত আৰু যুক্তিপূৰ্ণ কৰাৰ দায়িত্ব বহন কৰে। আজিকালিৰ পাঠকে বাতৰি কাকত পঢ়োঁতে মাত্ৰ বাতৰিৰ প্ৰতিয়েই লক্ষ্য নাৰাখে, ভাষাৰ প্ৰতিও লক্ষ্য ৰাখে আৰু ভাষাৰ মানদণ্ড ভাল নহ'লে অভিযোগ কৰে। সেইকাৰণে বাতৰি প্ৰকাশ কৰোঁতে, সমালোচনা কৰোঁতে আৰু সম্পাদকীয় লিখোঁতে ভাষাৰ প্ৰতি বিশেষ লক্ষ্য ৰাখিবলগীয়া হয়। আমাৰ দেশত কিছুমান বাতৰি কাকত আৰু আলোচনীয়ে আলোচনা আৰু অভিমতৰ নামত মিছা আৰু নিম্ন স্তৰৰ লেখা প্ৰকাশ কৰে। কিছুমান বাতৰি কাকত আৰু আলোচনীৰ স্তৰ আৰু মানদণ্ড দেখি নিজকে প্ৰশ্ন কৰোঁ—আমি যি স্বাধীনতা লাভ কৰিলোঁ তাৰ বাবে আমি উপযুক্তনে ? কিছুমান বাতৰি কাকতে সৎ লোকক নিন্দা কৰি পাঠকৰ সংখ্যা বঢ়াবলৈ তেওঁলোকৰ দৃষ্টি আকৰ্ষণ কৰে, কিন্তু খন্তেকৰ কাৰণে পাঠকৰ সংখ্যা বঢ়াবলৈ সক্ষম হ'লেও সেই বাতৰি কাকতবোৰে উচ্চ শ্ৰেণীৰ পাঠকসকলৰ ওচৰত নিজৰ মৰ্য্যাদা ক্ষুণ্ণ কৰাইছে বুলি অনুভৱ নকৰে। মোৰ বিবেচনাত সঁচা আৰু যোগ্য বাতৰি প্ৰকাশ কৰা, যুক্তিপূৰ্ণভাৱে সমালোচনা কৰা, প্ৰতিশোধ ল'বলৈ বা আনক নিন্দা কৰিবলৈ লিখা লেখা প্ৰকাশ নকৰা—প্ৰত্যেকখন বাতৰি কাকতৰ ধৰ্ম আৰু কৰ্তব্য। আমি সকলো মানুহৰ ব্যক্তিগত জীৱনক সন্মান কৰিব লাগে। যদি তেওঁৰ বিৰুদ্ধে কিবা কবলগীয়া থাকে তাক বাতৰি কাকতৰ যোগেদি প্ৰকাশ কৰা উচিত নহয় আৰু বাতৰি কাকতেও উৎসাহ দিয়া উচিত নহয়। আনৰ ওপৰত দোষ আৰোপ কৰা বা আনৰ সম্বন্ধে বেয়া আলোচনা কৰা লেখাবোৰ মানুহে পঢ়ি আমোদ পায়, কিন্তু বাতৰি কাকতে সৰ্বদায় বাতৰি কাকতৰ ধৰ্ম পালন কৰা উচিত। 'খৃষ্টিয়ান চাইন্স মনিটৰ' নামৰ এখন বাতৰি কাকতে নিজৰ উদ্দেশ্যক এনেভাৱে প্ৰকাশ কৰিছিল : "কাৰো প্ৰতি দ্ৰোহ আচৰণ নকৰা, সকলোকে সহায় আৰু অনুগ্ৰহ কৰা হ'ল 'মনিটৰ'ৰ প্ৰধান উদ্দেশ্য" মানচেষ্টাৰ গাৰ্ডেনৰ সম্পাদক চি. পি. স্কটে এবাৰ লিখিছিল, "মানুহৰ নিচিনকৈ বাতৰি কাকতৰো নিজৰ আদৰ্শ থাকিব লাগে। তাৰ কাৰণে সামৰ্থ্য, যোগ্য শিক্ষা আৰু বিবেকৰ প্ৰয়োজন। মাত্ৰ সিমানেই নহয়, তাৰ বাবে নিৰ্মল অন্তঃকৰণ আৰু প্ৰলোভনৰ বশৱৰ্ত্তী নোহোৱা মনোভাব থাকিব লাগে।" এখন কল্যাণ-ৰাষ্ট্ৰৰ সংস্কৃতি আৰু জীৱন আদৰ্শ বৃদ্ধি কৰাৰ উদ্দেশ্য আৰু লক্ষ্য সকলো বাতৰি কাকতৰে হোৱা উচিত।

'মাতৃভূমি'ক জন্ম দিয়াৰ দিনৰপৰা যি উজ্জ্বল ভৱিষ্যতৰ কথা কল্পনা কৰি আহিছিলোঁ আমাৰ সেই কল্পনা বাস্তবত পৰিণত হ'ল। পঢ়ুৱৈৰ সংখ্যা, বাতৰি কাকতৰ জনপ্ৰিয়তা, আৰ্থিক লাভ-আদিৰ দৃষ্টিকোণৰ পৰা চালে ভাৰতৰ প্ৰধান প্ৰধান বাতৰি কাকতবোৰৰ লগত 'মাতৃ-ভূমিক' তুলনা কৰিব পাৰি।

1962 চনৰ পৰা 'মাতৃ-ভূমি' এৰ্ণাকুলমৰ পৰাও প্ৰকাশিত হ'বলৈ আৰম্ভ কৰে।

তাৰ ফলত 'মাতৃভূমিৰ' প্ৰচাৰ বৰ বেছি হ'ল, ইয়াৰ যশস্যা বৃদ্ধি হ'ল আৰু আৰ্থিক লাভৰ মাত্ৰাও বেছি হ'ল। যোৱা বছৰত ইয়াৰ আয় এক কোটি টকাৰো অধিক আছিল। মাতৃভূমিৰ দুই লাখ প্ৰতিলিপি দৈনিক ছপা হয় আৰু তাৰপৰাই ইয়াৰ জনপ্ৰিয়তা অনুমান কৰিব পাৰি। কেৰালাৰ জনসাধাৰণৰ মনত এইটো ধাৰণা—'মাতৃভূমি আমাৰ।' জনসাধাৰণৰ এনে এখন প্ৰিয় আৰু প্ৰগতিশীল বাতৰি কাকতৰ ক্ষতি কৰিবলৈ বিচৰা মানুহক কোনেও ক্ষমা নকৰে। অবশ্যে সেই অপৰাধ কৰিবলৈ কোনেও সাহো নকৰে। দিনে দিনে মাতৃভূমিৰ গৌৰৱ আৰু খ্যাতি যেন বৃদ্ধি হয়—ঈশ্বৰৰ ওচৰত তাকেই মই প্ৰাৰ্থনা কৰোঁ।

অন্যান্য ক্ষেত্ৰত

অনেক দিন বিদেশত থাকি স্বদেশলৈ উভতি অহাৰ পিছত পুৰণি বন্ধু-বান্ধৱৰ লগত সম্বন্ধ স্থাপন কৰোঁতে, নতুন মানুহৰ লগত পৰিচয় হওঁতে আৰু ৰাজনৈতিক দল আৰু অন্যান্য গণ্যমান্য ব্যক্তিৰ সম্বন্ধে ভালকৈ জানিবলৈ কিছু সময় লাগে। মোৰো অৱস্থা তেনে হ'ল। অৱশ্যে আগৰ নিচিনাকৈ ৰাজনৈতিক কামত আৱদ্ধ হোৱাৰ মোৰ অলপো ইচ্ছা নাছিল। যিদিনা মই মাদ্ৰাজত জাহাজৰপৰা নামিছিলোঁ সেইদিনা কেৰালাৰ কংগ্ৰেছৰ সভাপতিৰ এখন চিঠি পাইছিলো য'ত তেওঁ মোক সংবিধান সভাৰ এজন সদস্য হিচাপে ল'বলৈ ইচ্ছা প্ৰকাশ কৰিছিল। প্ৰকৃততে, মই 'মাতৃভূমি'ৰ সম্পাদক হ'বলৈ বিচাৰিছিলোঁ। সেই কাৰণে মই সংবিধান সভাৰ সদস্য হবলৈ বিচৰা নাছিলোঁ।

দ্বিতীয়বাৰ কংগ্ৰেছত যোগদান কৰি কাম কৰাৰ উৎসাহ মোৰ একেবাৰে নাছিল। কিন্তু কেৰালাত কংগ্ৰেছৰ গতি-বিধি আৰু তাৰ প্ৰধান কাৰ্য্যক্ৰমবোৰৰ বিষয়ে জানিবলৈ মোৰ বৰ ইচ্ছা আছিল। কংগ্ৰেছ সদস্যসকলৰ মাজত দ্বেষ আৰু কু-অভিসন্ধিৰ মনোভাব দেখি মই বৰ দুখ পাইছিলোঁ। সদস্যসকলৰ মাজত প্ৰত্যেকৰ ক্ষমতা আৰু প্ৰাধান্য লাভৰ ইচ্ছা প্ৰবল আছিল। নিজৰ আৱশ্যকতাবোৰৰ লগত জনসেৱাক একেলগে মিহলাই কাম কৰাটো অসম্ভৱ নহয়। তাৰ বাবে কোনো ত্যাগৰ আৱশ্যক নাই, মাত্ৰ সাধাৰণ নিয়ন্ত্ৰণ লাগে। কিন্তু সেই নিয়ন্ত্ৰণ আৰু আত্ম-দমন নেদেখি মই মনে মনে দুখ পালোঁ। দুখৰ বিষয়, আজিও সেই স্থিতিৰ কোনো পৰিৱৰ্তন হোৱা নাই, বৰং তাতোকৈ বেয়াহে হৈছে। কেইজনমান প্ৰধান কংগ্ৰেছ সদস্যৰ লগত ঘনিষ্ঠ সম্বন্ধ স্থাপন কৰিবলৈ মই কেইবাবাৰো চেষ্টা কৰিছিলোঁ। মোৰ সেই চেষ্টাত সফল হৈছিলোঁ নে নাই কোৱা কঠিন।

যদিও মই কংগ্ৰেছৰ নিয়মমত সদস্য হোৱা নাছিলোঁ তথাপি তাৰ আদৰ্শ আৰু কাৰ্য্য-ক্ৰমৰ ওপৰত মোৰ বিশ্বাস আছিল। 1915 চনত যেতিয়া মই কংগ্ৰেছৰ সদস্যতা স্বীকাৰ কৰিছিলোঁ, তেতিয়াৰপৰা আজি পৰ্য্যন্ত সেই মহান সংস্থাটোৰ প্ৰতি মোৰ মৰম আৰু বিশ্বাস একে আছে। মই কেইজনমান কংগ্ৰেছ সদস্য আৰু তেওঁলোকৰ কামবোৰৰ বিৰুদ্ধাচৰণ কৰিছিলোঁ, কিন্তু সেইবুলি কংগ্ৰেছৰ প্ৰতি মোৰ শ্ৰদ্ধা হ্ৰাস হোৱা নাছিল। কংগ্ৰেছৰ নামত তেওঁলোকে যিবোৰ অনুচিত কাম কৰিছিল সেইবোৰৰ বিষয়ে আমি আলোচনা কৰিছিলোঁ। স্বাধীনতা সংগ্ৰামৰ সময়ত কংগ্ৰেছেই একমাত্ৰ ৰাজনৈতিক দল আছিল; কিন্তু স্বাধীনতাৰ পিছত দেশত কেইবাটাও ৰাজনৈতিক দল হ'ল। সেইবোৰ

দলৰ ভিতৰত কংগ্ৰেছো সেইবোৰৰে এটা হ'ল। কিন্তু শাসনৰ ক্ষমতা থকাৰ কাৰণে কংগ্ৰেছৰ বিশেষ মহত্ত্ব আছিল।

আমি নতুন গণতন্ত্ৰ স্থাপন কৰাত আৰু ৰাজনৈতিক দল গঠন কৰাত ইংলণ্ডৰ নিয়ম অনুসৰণ কৰিছোঁ। কংগ্ৰেছৰ সংগঠনৰ ক্ষেত্ৰত সংযম আৰু প্ৰশাসনৰ ব্যৱস্থা দৃঢ় কৰিব লাগিব। আজিও এনে মানুহ আছে যিভাৱে খদৰৰ পোছাক পিন্ধিলেই কংগ্ৰেছী হয়। কংগ্ৰেছী কোন ? তেওঁ হ'ল যি কংগ্ৰেছৰ আদৰ্শ আৰু লক্ষ্যৰ ওপৰত পূৰা বিশ্বাস ৰাখে। এজন কংগ্ৰেছী হ'বলৈ সিমানেই যথেষ্ট। এজন সদস্যৰ সামৰ্থ্য, কাৰ্য্যকুশলতা আৰু সেৱা-তৎপৰতাৰ মাপকাঠিত কংগ্ৰেছত তেওঁৰ স্থান নিশ্চিত কৰি লোৱা হয়।

খদৰৰ ওপৰত পূৰা বিশ্বাস নহ'লেও কংগ্ৰেছৰ ওপৰত পূৰা বিশ্বাস ৰখা অনেক মানুহ আছে; কিন্তু তেওঁলোক কংগ্ৰেছৰ কৰ্মকৰ্তা হিচাপে স্বীকৃত নহয়। আমি তাতেই সন্তুষ্ট থাকিব লাগিব যে আমাৰ বিশ্বাস অনুসাৰে জীৱন যাপন কৰোঁ। আনক সন্তুষ্ট কৰিবলৈ যদি আমি আমাৰ বিশ্বাসৰ বিপৰীতে কাম কৰোঁ আৰু কথা কওঁ, আমি নিজকে ধিক্কাৰ দিব লাগিব। তেনে কৰিলে আমাৰ সামূহিক জীৱন উন্নত নহ'ব। সিমানেই নহয়, আমাৰ পতনো হ'ব। কংগ্ৰেছৰ সদস্য হোৱা নাছিলোঁ যদিও মই অন্যান্য ক্ষেত্ৰত কাম কৰাৰ সুযোগ পাইছিলোঁ। অধ্যাপক, ছাত্ৰ আৰু বনুৱাসকলৰ লগত সম্বন্ধ থকা সন্মিলন আৰু ধৰ্ম, সমাজ, ৰাজনীতি, সাহিত্য আৰু সংস্কৃতিৰ লগত সম্বন্ধ থকা সভাসমিতিবোৰত উপস্থিত থকা মোৰ এটা নিয়ম হৈ পৰিছিল। কেৰালাৰ ভিতৰত আৰু বাহিৰত অনুষ্ঠিত হোৱা অনেক সাৰ্বজনিক সন্মিলনত ভাগ ল'বলৈ মোক নিমন্ত্ৰণ কৰিছিল। তেনেকৈ, অনেক ধৰণৰ মানুহৰ লগত সম্পৰ্ক ৰাখিবলৈ আৰু তেওঁলোকৰ আৱশ্যকতা আৰু অভিমত জানিবলৈ মই সুযোগ পাইছিলোঁ। দেশৰ সকলো মানুহৰ লগত সম্পৰ্ক ৰখাৰপৰা লাভ কৰা জ্ঞান আৰু অভিজ্ঞতা এজন সমাজ-সেৱকৰ কাৰণে অনেক উপকাৰী। কিতাপৰপৰা পোৱা জ্ঞান যিমানেই বেছি আৰু গভীৰ হওক, জন-সম্পৰ্কৰপৰা পোৱা জ্ঞানৰ বিশেষ মহত্ত্ব আছে।

1948 চনত মই "ভূত আৰু ভৱিষ্যত" নামৰ কিতাপখন প্ৰকাশ কৰোঁ। সেই কিতাপখনৰ অধিকাংশ মই চিঙ্গাপুৰতেই লিখিছিলোঁ। যুদ্ধকালীন অভিজ্ঞতাৰ বিষয়ে 'মাতৃভূমি'ত মোৰ যিবোৰ লেখা ধাৰাবাহিকভাৱে প্ৰকাশিত হৈছিল তাকেই অলপ-অচৰপ সংশোধন কৰি তাত সংকলন কৰিছিলোঁ। মই তাত উল্লেখ কৰা ঐতিহাসিক ঘটনাবোৰ নিজ চকুৰে দেখা ঘটনা। সেই সময়ত মোৰ যি অভিজ্ঞতা হৈছিল আৰু মনলৈ যিবোৰ অনুভূতি আহিছিল সেই সকলোবোৰ তাত লিপিবদ্ধ কৰিছিলোঁ। এজন লেখকৰ এখন কিতাপ পঢ়ি মানুহে আনন্দ পালে আৰু তাৰ বাবে তেওঁক প্ৰশংসা কৰিলে সঁচাকৈয়ে তেওঁ মনত কিমান আনন্দ পায় !

মই "মালবাৰ লোকেল লাইব্ৰেৰী অথৰিটি"ৰ সভাপতিৰ পদটো এবছৰৰ কাৰণে গ্ৰহণ কৰিবলৈ স্বীকাৰ কৰিছিলোঁ। মাদ্ৰাজ চৰকাৰৰদ্বাৰা মালবাৰ জিলাৰ পুথিভঁৰাল-

বোৰ বৃদ্ধি কৰাৰ যি আঁচনি আছিল, সেই আঁচনিমতে আমি গাঁও আৰু চহৰবোৰত পুথিভঁৰাল খুলিবলৈ ব্যৱস্থা কৰোঁ। 'মাদ্ৰাজ পাব্লিক লাইব্ৰেৰী এক্ট'ৰ তত্ত্বাৱধানত মই এই সংস্থাটো চলাইছিলোঁ। আজিকালি তাৰ কাম পূৰাদমে চলি আছে।

1949 চনত কোষিক্কোট্টত 'ৰোটেৰী ক্লাব' খোলা হয়। তেতিয়াৰপৰা মই তাৰ সদস্য হৈ আছোঁ। এতিয়া সেই ৰোটেৰী ক্লাবটোৱে অনেক জনহিতকৰ কাম কৰিছে। বিভিন্ন ক্ষেত্ৰত কাম কৰা কৰ্মীসকলৰ মাজত মিলাপ্ৰীতি ৰখা, আচৰণ আৰু ব্যৱহাৰত উত্তম ৰীতি পালন কৰা, ৰোগী আৰু দুখীয়া মানুহক সহায় কৰা, ডেকাসকলৰ জ্ঞান আৰু উৎসাহ বঢ়োৱা আৰু সামূহিক জীৱনত নৱ-চেতনা আৰু আনন্দ জগাই তোলা আদি কামবোৰ ৰোটেৰী ক্লাবৰ কাৰ্য্যক্ৰমৰ ভিতৰত পৰে। মানুহৰ সমৃদ্ধি বৃদ্ধি কৰাৰ কামত আৰু সমাজ-সেৱা কৰিবলৈ ৰোটেৰী ক্লাব সদায় তৎপৰ। ৰোটেৰী ক্লাবৰ সফলতা দেখি বাৰু কোনে আনন্দ নাপাব ?

মই অখিল ভাৰতীয় সংবাদদাতা সঙ্ঘৰ কাৰ্য্যকৰী সমিতিৰ সদস্য। তাৰ বৈঠকবোৰত ভাগ ল'বলৈ মই মাজে সময়ে দিল্লী আৰু অন্যান্য ঠাইবোৰলৈ যাবলগীয়া হয়। আমাৰ দেশত সংবাদদাতা সংঘবোৰৰ সংখ্যা দিনে দিনে বৃদ্ধি হৈছে। যিবোৰ সম্পাদক সঙ্ঘৰ দ্বাৰা সংবাদদাতাসকলৰ মাজত পৰিচয়ৰ সম্পৰ্ক ঘটে আৰু য'ত সাংবাদিকতাৰ কাৰ্য্য-বিৱৰণ বুজিবলৈ সুবিধা পোৱা যায়, সেই সঙ্ঘবোৰে আজিও নিজৰ কাৰ্য্য-ক্ৰম চলাই আছে।

সেই সময়ত অখিল ভাৰতীয় সম্পাদক সঙ্ঘৰ এখন বৈঠকত এটা ঘটনা ঘটিছিল। উত্তৰ ভাৰতৰ এজন মহাশয়ে প্ৰস্তাৱ কৰিলে — সভাৰ কাৰ্য্যক্ৰম হিন্দীত হ'ব লাগে। সঙ্ঘত দক্ষিণ ভাৰতৰ কেইজনমান সদস্য আছিল। তেওঁলোকৰ অনেকেই হিন্দী নাজানিছিল। তেনে অৱস্থাত হিন্দীত কাৰ্য্যক্ৰম চলোৱাটো যে কোনোমতেই যুক্তিপূৰ্ণ নহয়, সেইটো তেওঁৰ বিবেচনাৰ বাহিৰত আছিল। মানুহজন হিন্দীৰ অন্ধভক্ত আছিল আৰু তেওঁৰ বিচাৰত ইংৰাজীত কথা কোৱাটো এটা অপৰাধ আছিল। তেওঁ তেওঁৰ প্ৰস্তাৱটো তুলি নিবলৈ ইচ্ছা নকৰিলে। মই সেই প্ৰস্তাৱটোৰ বিৰোধিতা কৰিলোঁ। যেতিয়া ভোট লোৱা হ'ল, তেওঁ হাৰিল। বাস্তৱিক হিন্দী-প্ৰচাৰত সেই মনোভাব এটা ডাঙৰ প্ৰতিবন্ধক। হিন্দীৰ প্ৰচাৰ কাৰ্য্যত অনাৱশ্যক বাধা অনা মানুহ আৰু হিন্দীক ঘপৰাই প্ৰচলন কৰিবলৈ বিচৰা মানুহবোৰে দেশৰ একতাত বাধাৰ সৃষ্টি কৰে।

লঙ্কাত উচ্চ আয়ুক্ত

1951 চনৰ মাৰ্চত মই অখিল ভাৰতীয় সম্পাদক সঙঘৰ বৈঠকত ভাগ ল'বলৈ দিল্লীলৈ গৈছিলোঁ। তাত তিনি দিন আছিলোঁ। মই মালবাৰলৈ ঘূৰি অহাৰ কথা আছিল, কিন্তু এনেতে প্ৰধান মন্ত্ৰীয়ে তেওঁক দেখা কৰিবলৈ মোক মাতি পঠালে। গতিকে মোৰ যাত্ৰা এদিনৰ কাৰণে স্থগিত ৰাখিলোঁ। তেওঁ মোক কিয় মাতি পঠিয়ালে মই ভাবি-গুণি একো ঠাৱৰ কৰিব নোৱাৰিলোঁ।

পিছদিনা মই প্ৰধান মন্ত্ৰীৰ ঘৰলৈ গৈ তেওঁক সাক্ষাৎ কৰিলোঁ। তেওঁ মোক লঙ্কাৰ উচ্চ আয়ুক্তৰ পদটো গ্ৰহণ কৰিবলৈ মোৰ সন্মতি বিচাৰিলে। আধা ঘন্টা ধৰি তেওঁৰ লগত মোৰ কথা-বতৰা হ'ল। মই হঠাতে মোৰ স্বীকৃতি তেওঁক জনাব নোৱাৰিলোঁ। মালবাৰলৈ ঘূৰি গৈ মই তেওঁক জনাম বুলি কথা দিলোঁ।

মোৰ চিঙ্গাপুৰৰপৰা ঘূৰি অহা আঢ়ৈ বছৰ হৈছিল। দ্বিতীয়বাৰ স্বদেশ এৰি বাহিৰলৈ যাবলৈ মোৰ অলপো ইচ্ছা নাছিল। তথাপি প্ৰধান মন্ত্ৰীৰ ইচ্ছাৰ বিৰুদ্ধে যাবৰ মন নগ'ল আৰু মই মান্তি হ'লোঁ। চি. ৰাজগোপালাচাৰীয়েও মোক যাবৰ কাৰণে প্ৰেৰণা দিলে। সেই সময়ত তেওঁ কেন্দ্ৰীয় মন্ত্ৰীসভাৰ সদস্য আছিল। দিল্লীৰপৰা উভতি অহাৰ তিনি-চাৰি দিন পিছতে দিল্লীৰ বিদেশ কাৰ্য্যালয়ৰপৰা সেই সম্বন্ধে মই এখন নিয়মমত চৰকাৰী চিঠি পালোঁ। মোৰ অন্তৰঙ্গ বন্ধু কেইজনমানৰ লগত পৰামৰ্শ কৰি মই লঙ্কালৈ যোৱাৰ স্বীকৃতি পঠাই দিলোঁ।

"মাতৃভূমি"ৰ সম্পাদক পদৰ কাৰণে এজন উপযুক্ত মানুহ বিচাৰিলোঁ। সেই কামটো সহজ নাছিল। আমি তাৰ কাৰণে কেইবাজনো মানুহৰ কথা ভাবিলোঁ। আটাতকৈ আগতে শ্ৰী ভি. এম. নায়াৰৰ কথা মোৰ মনলৈ আহিল। সেই সময়ত কলিকতাৰপৰা ঘূৰি আহি তেওঁ বোম্বাইত আছিল। কেৰালা কংগ্ৰেছৰ কাৰণে ধন সঞ্চয় কৰাত আৰু 'মাতৃভূমি'ৰ 'অংশ' জমা কৰাত তেওঁ বৰ সহায় কৰিছিল। ভি. এম. নায়াৰ এনে এজন মানুহ আছিল যি 'মাতৃভূমি'ৰ আৰম্ভণিৰেপৰা তাৰ উন্নতি আৰু বিকাশৰ কাৰণে দেহেকেহে লাগিছিল। সাংবাদিকতাতো তেওঁ অপৰিচিত নাছিল। সেই সময়ত তেওঁৰ নিচিনা এজন মানুহ পোৱা মাতৃভূমিৰ সৌভাগ্যৰ কথা আছিল, কাৰণ তেওঁ এজন সুদক্ষ, সাংবাদিকতাত অভিজ্ঞ আৰু 'মাতৃভূমি'ৰ কাৰণে সকলো ত্যাগ কৰিব পৰা লোক আছিল। মোৰ অনুৰোধত তেওঁ সেই পদ গ্ৰহণ কৰিবলৈ মান্তি হয় আৰু মই অতি আনন্দেৰে মাতৃভূমিৰ সম্পাদকৰ পদটো তেওঁক গটাই দিওঁ।

1951 চনৰ 30 মে'ত 'মাতৃভূমি' আৰু কোষিক্কোট্টৰপৰা বিদায় লৈ মই লঙ্কালৈ ৰাওণা হ'লোঁ। মোৰ লগত পত্নী আৰু সৰু ছোৱালীজনী আছিল। পালঘাট আৰু

মাদ্ৰাজত দুদিন থাকি মণ্ডপমৰ ৰাস্তাইদি মই 7 জুনত ৰাতিপুৱা কলম্বো পালোঁগৈ। কলম্বো ৰেলষ্টেচনত মোক যি জাকজমকতাৰে অভ্যৰ্থনা কৰিলে তাক মই কেতিয়াও পাহৰিব নোৱাৰোঁ। সেই অভ্যৰ্থনা কেৱল এজন ৰাজদূতক দিয়া অভ্যৰ্থনাই নাছিল। সেই অভ্যৰ্থনাত তেওঁলোকে ভাৰতবাসীৰ প্ৰতি লঙ্কাৰ জনতাৰ অকৃত্ৰিম শুভেচ্ছা আৰু আন্তৰিক স্নেহ আৰু প্ৰীতি প্ৰকাশ কৰিছিল। মালয়ালীৰ বাহিৰেও অন্যান্য ভাৰতীয়ই সেই অভ্যৰ্থনা-সমাৰোহত ভাগ লৈছিল। সেইদিনা মই এঘাৰ বজাত অস্থায়ী উচ্চ আয়ুক্ত শ্ৰী এন. ই. এচ. ৰাঘৱাচাৰীৰপৰা কাৰ্য্যভাৰ গ্ৰহণ কৰোঁ। ভাৰত আৰু লঙ্কাৰ সম্বন্ধ অনেক প্ৰাচীন। কোৱা হয় যে 2500 বছৰমানৰ আগতে আৰ্য্য সকল ভাৰতৰপৰা লঙ্কালৈ আহিছিল। সিংহলীসকলৰ পূৰ্বপুৰুষসকলে বঙ্গদেশৰ আশে-পাশে লঙ্কাৰ উপনিবেশ স্থাপন কৰিছিল। প্ৰথমতে তেওঁলোক মিলাপ্ৰীতিৰে আছিল. কিন্তু পিছত নিজৰ ভিতৰতে কেইবাটাও দল গঠন হোৱাৰ পিছত পৰস্পৰে পৰস্পৰৰ লগত কাজিয়া কৰে আৰু শেষত যুদ্ধ লাগে। ইতিহাসে কয় — সেই যুদ্ধ লাগোঁতে. তেওঁলোকে মালবাৰৰপৰা সৈনিক লৈ গৈছিল। আৰ্য্যসকল লঙ্কালৈ যোৱাৰ আগতে দক্ষিণ ভাৰতৰপৰা তামিলসকলে লঙ্কাত উপনিবেশ স্থাপন কৰিছিল। কিছুমান মানুহৰ বিশ্বাস — যেতিয়া উত্তৰ ভাৰতৰপৰা বিজয়ন নামৰ এজন ৰজা তেওঁৰ সাতশজন অনুচৰৰ লগত লঙ্কালৈ যায়. তেতিয়াৰপৰাই লঙ্কাৰ ইতিহাস আৰম্ভ হৈছিল। খৃঃপূঃ ছশ বছৰৰ আগতে এই ঘটনাটো ঘটিছিল।

তাৰ তিনি শ বছৰৰ পিছত সম্ৰাট অশোকে বৌদ্ধ ধৰ্ম প্ৰচাৰৰ কাৰণে তেওঁৰ পুতেক মহেন্দ্ৰক লঙ্কালৈ পঠাইছিল। মহেন্দ্ৰই লঙ্কাবাসীক বৌদ্ধ ধৰ্ম গ্ৰহণ কৰিবলৈ প্ৰেৰণা দিছিল। সেইকালত লঙ্কাৰ ৰাজধানী অনুৰাধাপুৰ আছিল। বৌদ্ধ ধৰ্মৰ প্ৰতি লঙ্কাবাসীৰ আগ্ৰহ দিনে দিনে বাঢ়ি গৈছিল আৰু তাৰ ফলত অসংখ্য লোক বৌদ্ধ ধৰ্মত দীক্ষিত হোৱাত লঙ্কাত অনেক বৌদ্ধ মঠ নিৰ্মিত হৈছিল। বৰ্তমান লঙ্কাত থকা অসংখ্য বৌদ্ধ মঠ আৰু মন্দিৰে তাৰ সাক্ষ্য বহন কৰে। লঙ্কাত ভাৰতীয় সংস্কৃতি আৰু আচাৰ-ব্যৱহাৰৰ প্ৰভাৱ পৰিছিল আৰু তাৰ প্ৰচাৰো হৈছিল। সেই দ্বীপটোত থকা আদিবাসীসকলৰ সুকীয়া সংস্কৃতিৰো লগে লগে বিকাশ হৈছিল।

লঙ্কাত কেইবা শ্ৰেণীৰো মানুহ পোৱা যায়। কিন্তু দুটা প্ৰধান শ্ৰেণী হ'ল সিংহলী আৰু তামিল। 80 লাখ জনসংখ্যাৰ ভিতৰত 67 লাখ সিংহলী আৰু তেওঁলোক বৌদ্ধ ধৰ্মী। লঙ্কাত দহ লাখ তামিল বাস কৰে। তেওঁলোক জাফনাত থাকে আৰু সকলো হিন্দু। তেওঁলোকৰ বাহিৰেও আৰবদেশীয়, ইংৰাজ আদি মানুহ লঙ্কাত বাস কৰে।

লঙ্কাত ভাৰতৰপৰা অহা প্ৰায় আঠ লাখ বনুৱা আছে। তেওঁলোকৰ অধিকাংশই বাগিচাত কাম কৰে। ভাৰতীয় বাসিন্দাসকলৰ ভিতৰত বেপাৰী, কেৰাণী আৰু অধিকাৰী আছে। লঙ্কা আৰু ভাৰতৰ মাজত থকা অনেক প্ৰশ্নৰ বিষয়ে আমি অনেক কথা শুনিছোঁ। সেই সকলো তাত থকা ভাৰতীয় বনুৱাসকলৰ সংক্ৰান্তত।

এসময়ত লঙ্কা মাদ্ৰাজ প্ৰান্তৰ শাসনাধিকাৰত আছিল। সেই শাসন 1802 চনলৈকে

আছিল। তাৰ পিছত দেশখন বৃটিচ উপনিবেশ হয়। বৃটিচ উপনিবেশ হোৱাৰ পিছত লঙ্কালৈ তাৰ ৰবৰ, চাহ আৰু কফি বাগানবোৰত কাম কৰিবলৈ অনেক ভাৰতীয় বনুৱা যায়।

বাগিচাত কাম কৰা বনুৱাবিলাকৰ অধিকাংশ তামিল। তেওঁলোক লাহে লাহে তাৰ স্থায়ী বাসিন্দা হৈ পৰে। তেওঁলোকৰ কঠিন পৰিশ্ৰমৰ ফলত চাহ, কফি আৰু ৰবৰৰ বাগিচাবোৰৰ অনেক উন্নতি হয়।

লঙ্কাৰ প্ৰধান উৎপন্ন বস্তু হ'ল—চাহ, ৰবৰ আৰু কফি। এই তিনিটা বস্তুৰ ভিতৰত চাহ পৰ্য্যাপ্ত পৰিমাণে উৎপন্ন হয়। 1952 চনত 3,205 কোটি টকাৰ চাহপাত বাহিৰলৈ পঠোৱা হৈছিল। চাহৰ বাগিচাবোৰত 8·5 লাখ লোকে কাম কৰে। তেওঁলোকৰ ভিতৰত শতকৰা 80 জন ভাৰতীয়। তেওঁলোকে চাহবাগিচাত বৰ দক্ষতাৰে কাম কৰে। সিংহলীসকলে তেওঁলোকৰ নিচিনাকৈ দক্ষতাৰে চাহ বাগিচাত কাম কৰিব নোৱাৰে। সেই কাৰণে লঙ্কাৰ আয় বঢ়োৱা ভাৰতীয় বনুৱাসকলক লঙ্কাৰ নাগৰিক বুলি মানিবলৈ সিংহলীসকল প্ৰস্তুত নহয়। শেহত, বাগিচাত কাম কৰিবলৈ ভাৰতৰ-পৰা বনুৱা নিয়া প্ৰথাটো সমাপ্ত হৈছিল। তাত থকা ভাৰতীয়সকলক লঙ্কাৰ নাগৰিক হোৱাৰ অধিকাৰ দিয়াৰ সমস্যাটো এতিয়াও আছে। আমি জানো আৰু কথাটো যুক্তিসঙ্গত যে যিসকল ভাৰতীয়ই তাত বহু বছৰ ধৰি বাস কৰিছে আৰু লঙ্কাক নিজৰ দেশ বুলি মানি লৈছে, তেওঁলোকক তাৰ নাগৰিকৰ অধিকাৰ দিয়া উচিত। লঙ্কা চৰকাৰে ভাৰতীয়সকলক নাগৰিক অধিকাৰ দিয়াৰ সম্বন্ধে কিছুমান নিয়ম বাহিৰ কৰিছে। সেই অনুসাৰে তাত থকা অনেক ভাৰতীয়ই নাগৰিক অধিকাৰৰ কাৰণে আবেদন পত্ৰ দাখিল কৰিছিল আৰু কিছুমানে সেই অধিকাৰ পাইছিলো; কিন্তু কিছুমান কাৰণ উলিয়াই অনেক ভাৰতীয় বাসিন্দাক সেই অধিকাৰ দিয়া নাছিল। সেই কাৰণে ভাৰত-লঙ্কা সমস্যা যেতিয়া জটিল হৈছিল, ঠিক সেই সময়তে মই তালৈ গৈছিলোঁ।

উচ্চ আযুক্ত পদ গ্ৰহণ কৰাৰ তিনি দিনৰ পিছতে মই লঙ্কাৰ প্ৰধান মন্ত্ৰী সেনানায়কৰ কাৰ্য্যালয়লৈ গৈ তেওঁক সাক্ষাত কৰিছিলোঁ। মোৰ লগত উপদেষ্টা এন. ই. এচ. ৰাঘৱাচাৰীও আছিল। আধা ঘণ্টামান আমাৰ কথা-বতৰা চলিল। সেই কথা-বতৰাবোৰ তেওঁৰ লগত মোৰ প্ৰথম পৰিচয় হোৱাৰ সম্বন্ধে আছিল। তাৰ পিছত মই তেওঁক কেইবাবাৰো দেখা কৰিছিলোঁ। যদিও আমাৰ মত নিমিলিছিল, আমাৰ ব্যক্তিগত বন্ধুত্ব ক্ষুণ্ণ নহৈছিল। সেনানায়কৰ অতুলনীয় নেতৃত্ব, সৎ চৰিত্ৰ আৰু কাৰ্য্যদক্ষতাৰ বিষয়ে জানিবলৈ মই সুযোগ পাইছিলোঁ। লঙ্কাৰ ৰাজনৈতিক নেতাসকলৰ ভিতৰত তেওঁৰ স্থান সকলোতকৈ ওপৰত আছিল।

এই কথাটো ক'ব নোৱাৰি যে সেনানায়ক এজন উচ্চস্তৰৰ ৰাজনীতিজ্ঞ আছিল। তেওঁ ভাল বক্তা নাছিল আৰু আন্তঃৰাষ্ট্ৰীয় ৰাজনীতিতো তেওঁৰ গভীৰ জ্ঞান নাছিল। এই বিশেষ গুণবোৰ নথকা সত্ত্বেও তেওঁক স্বাধীন লঙ্কাৰ প্ৰধানমন্ত্ৰী হিচাপে লঙ্কাৰ জনসাধাৰণে কিয় নিৰ্বাচন কৰিলে আৰু তেওঁ কিয় লঙ্কাবাসীৰ শ্ৰদ্ধাৰ পাত্ৰ মই তাৰ

কাৰণ জানিবলৈ উৎসুক হৈ এদিন সেনানায়কৰ এজন অন্তৰঙ্গ বন্ধুক সুধিলোঁ, "সেনা-নায়কৰ প্ৰধান গুণ কি ?" মোৰ প্ৰশ্নৰ উত্তৰত তেওঁ কৈছিল, "তেওঁৰ প্ৰধান গুণ হ'ল তেওঁৰ নিষ্কলঙ্ক ব্যক্তিত্ব।" সেনানায়কে যাক ভাল পাইছিল, তেওঁ তেওঁলোকৰ প্ৰকৃত বন্ধু আছিল। যি কোনো কথাত ভুল থাকিলে অতি সোনকালে সেই ভুল তেওঁৰ চকুত পৰিছিল। আলোচনাত তেওঁতকৈও চতুৰ মানুহ আছিল, কিন্তু যেতিয়া তেওঁ কোনো এটা বিষয়ত বক্তৃতা দিছিল, বিষয়টো অতি জটিল হ'লেও তেওঁ বক্তৃতা দিয়াৰ পিছত মানুহৰ ওচৰত বিষয়টো একেবাৰে সৰল হৈ পৰাত মানুহ আশ্চৰ্য্য হৈছিল। যেতিয়া কোনো এটা কথাৰ ওপৰত তেওঁ দৃঢ় হৈছিল তাৰপৰা তেওঁক বিচলিত কৰা কঠিন আছিল। তেওঁ অহঙ্কাৰী নাছিল আৰু সকলোকে তেওঁলোকৰ মৰ্য্যাদা দিছিল। তেওঁ এজন সাধাৰণ কৃষকৰপৰা উন্নতি কৰি প্ৰধান মন্ত্ৰীৰ পদ লাভ কৰিছিল আৰু সকলো সমস্যা এজন সাধাৰণ মানুহৰ দৃষ্টিকোণৰপৰা চাই তাৰ সমাধান কৰিছিল।

ৰাজদূত হিচাপে গৱৰ্ণৰ জেনেৰেলক ক্ষমতা-পত্ৰ দিবলৈ মই তিনি-চাৰি দিন অপেক্ষা কৰিবলগীয়া হৈছিল। যেতিয়া মই কলম্বোলৈ গৈছিলোঁ তেতিয়া গৱৰ্ণৰ জেনেৰেল লৰ্ড চালিচবেৰি কলম্বোত নাছিল আৰু সেই কাৰণে ক্ষমতা-পত্ৰ দিয়াত পলম হৈছিল। তেওঁ ঘূৰি অহাত এদিন মই তেওঁৰ কাৰ্যালয়লৈ গ'লোঁ আৰু তেওঁৰ সচিবে মোক তেওঁৰ ওচৰলৈ লৈ গ'ল আৰু মই গৱৰ্ণৰ জেনেৰেলক মোৰ ক্ষমতা-পত্ৰখন প্ৰদান কৰিলোঁ। তেওঁ মোক সন্মানেৰে বহিবলৈ দি দুই-এটা কথা সুধিলে আৰু মই তেওঁক ধন্যবাদ দি নিজৰ কাৰ্যালয়লৈ আহি মোৰ কাম আৰম্ভ কৰিলোঁ।

লৰ্ড চালিচবেৰি এজন সমৰ্থ ৰাজনীতিজ্ঞ আছিল। লঙ্কাৰ শাসন-সংস্কাৰৰ বিষয়ে আৱশ্যকীয় প্ৰতিবেদনখন যুগুত কৰিবৰ কাৰণে যিখন কমিটী গঠন কৰা হৈছিল তেওঁ সেই কমিটীখনৰ সভাপতি আছিল। সেই কাৰণে লঙ্কা স্বাধীন হোৱাত তেওঁ তাৰ প্ৰথম গৱৰ্ণৰ জেনেৰেল নিযুক্ত হৈছিল।

তেতিয়া তেওঁৰ বয়স 70 বছৰ আছিল। কিন্তু তেওঁ সৰ্বদায় সক্ষম আৰু কাৰ্য-তৎপৰ আছিল। তেওঁ সকলোকে ভাল ব্যৱহাৰ কৰিছিল আৰু যি কোনো বিষয়তে ক'ব পৰা তেওঁৰ দক্ষতা আছিল। তেওঁ মানুহক দেখিয়েই চিনিব পাৰিছিল আৰু মানুহজনৰ ৰুচি অনুসাৰে তেওঁৰ লগত কথা পাতিছিল। এই কাৰণে মানুহে তেওঁক ভাল পাইছিল আৰু শ্ৰদ্ধা কৰিছিল। তেওঁ লঙ্কাৰপৰা যোৱাৰ পিছত কোনো ইংৰাজ গৱৰ্ণৰ জেনেৰেলৰ পদত নিযুক্ত হোৱা নাছিল আৰু সেই পদটো সিংহলীক দিয়া হৈছিল।

1952 চনত গণতন্ত্ৰ দিৱস পালন কৰিবৰ উদ্দেশ্যে মই দূতাবাসত এটা সান্ধ্য ভোজৰ আয়োজন কৰিছিলোঁ আৰু লগতে সাংস্কৃতিক কাৰ্যক্ৰমো আছিল। ভোজলৈ ছশজন মানুহক নিমন্ত্ৰণ কৰিছিলোঁ। অভ্যাগতসকলক যৎপৰোনাস্তি অতিথি-সৎকাৰ কৰা হৈছিল আৰু ভোজৰ উৎকৃষ্ট খাদ্য সামগ্ৰীৰ বাহিৰেও অতিথিসকলক সাংস্কৃতিক কাৰ্যক্ৰমবোৰেৰে আপ্যায়িত কৰা হৈছিল। এজন ইংৰাজ অতিথিয়ে ভোজৰ শেহত

কৈছিল, "এই ভোজটোত উপস্থিত থাকি মনত অশেষ আনন্দ পালোঁ আৰু আপোনালোকৰ দেশখনৰ প্ৰতি আমাৰ শ্ৰদ্ধা বাঢ়ি গ'ল।"

উচ্চ আয়ুক্তৰ ভৱনটোত সকলো প্ৰকাৰৰ সুখ-সুবিধাবোৰ আছিল আৰু সেইবোৰ বিদেশীৰ দৃষ্টিত ভাৰতৰ গৌৰৱ আৰু মৰ্যাদাৰ পৰিচায়ক আছিল। সেই সুখ-সুবিধাবোৰ কেৱল উচ্চ-আয়ুক্তৰ কাৰণেই নাছিল, দূতাবাসৰ সকলো কৰ্মচাৰীকো আধুনিক সকলো সুখ-সুবিধাৰ যোগান ধৰা হৈছিল।

লঙ্কাৰ ভাৰতীয় উচ্চ আয়ুক্তৰ কাৰ্যালয়টো এটা ডাঙৰ সংস্থা। তাত কৰ্মচাৰীৰ সংখ্যা অন্যান্য দূতাবাসতকৈ অনেক বেছি। মই নিয়মিতৰূপে যথা সময়ত কাৰ্যালয়ত উপস্থিত হৈছিলোঁ। দৈনিক মোক দেখা কৰিবলৈ অহা মানুহৰ সংখ্যাও কম নাছিল। মই তেওঁলোকক সন্তুষ্ট কৰাই সোনকালে বিদায় দিছিলোঁ আৰু দূতাবাসৰ সকলো অধিকাৰীক সেই একে নিৰ্দেশ দিছিলোঁ।

লঙ্কাৰ প্ৰাকৃতিক সৌন্দৰ্য্যই সকলোকে আকৰ্ষণ কৰে। দেশখনত প্ৰাকৃতিক সৌন্দৰ্য্য আৰু ঐতিহাসিক মহত্ত্ব দুয়োটা বিদ্যমান। দেশখনত ভ্ৰমণকাৰীৰ অনেক চাবলগীয়া বস্তু আছে আৰু সকলো ঠাইতে তেওঁলোকৰ কাৰণে সুন্দৰ ব্যৱস্থা আছে। মই মাজে সময়ে কাৰেৰে দেশখনৰ মধ্যভাগলৈ গৈছিলোঁ আৰু তাৰ প্ৰাকৃতিক সৌন্দৰ্য্য আৰু ঐতিহাসিক বস্তুবোৰ চাই মনত তৃপ্তি পাইছিলোঁ। প্ৰতি বছৰে কাণ্ডিত আয়োজন কৰা উৎসৱ পেৰহিচে হাজাৰ হাজাৰ মানুহক আকৰ্ষণ কৰে। সেইদিনা বুদ্ধদেৱৰ পৱিত্ৰ দাঁতটো লৈ এটা ডাঙৰ আৰু জাঁকজমকতাপূৰ্ণ শোভাযাত্ৰা বাহিৰ হয় আৰু শোভাযাত্ৰা কাণ্ডিৰ প্ৰধান ৰাস্তাবোৰেদি যায়। শোভাযাত্ৰাত বৰ সুন্দৰকৈ সজোৱা অনেক হাতী থাকে।

বুদ্ধদেৱৰ সেই পৱিত্ৰ দাঁতটো চতুৰ্থ শতাব্দীত বঙ্গদেশৰ পৰা লঙ্কালৈ অনা হৈছিল আৰু এতিয়া সেই পৱিত্ৰ বস্তুটো কাণ্ডিৰ মহামন্দিৰত সুৰক্ষিত আছে। যিটো কোঠাত তাক ৰখা হৈছে, সেই কোঠাটোৰ দুৱাৰখন ৰূপৰ আৰু হাতীদাঁতৰ। সেই কোঠাটোৰ ভিতৰত এটা ৰূপৰ বাকচত অন্যান্য অলংকাৰবোৰৰ লগত দাঁতটো ৰখা হৈছে। সেই ঠাইডোখৰ পৃথিৱীৰ সকলো বৌদ্ধ ভিক্ষুসকলৰ তীৰ্থস্থান। মন্দিৰত পীতবস্ত্ৰ পৰিধান কৰি, মন্ত্ৰোচ্চাৰণ কৰি শ শ বৌদ্ধ ভিক্ষু বহি থাকে আৰু দৰ্শকে শ্ৰদ্ধাৰে দলিওৱা ফুলেৰে বেদীটো ভৰি থাকে।

প্ৰতিবছৰে জুলাই আৰু আগষ্ট মাহত সেই উৎসৱটো হয় আৰু অতি সুন্দৰকৈ সজোৱা আৰু নানা অলংকাৰেৰে অলঙ্কৃত এটা হাতীৰ পিঠিত বহি বুদ্ধৰ পৱিত্ৰ দাঁতটো থোৱা ৰূপৰ চন্দুকটো লৈ মানুহ এজন শোভাযাত্ৰাকাৰীসকলৰ লগত যায়। এই উৎসৱটো চাবৰ কাৰণে বিদেশৰপৰাও অনেক মানুহ আহে। লঙ্কাৰ আন কোনো উৎসৱত ইমান বেছি মানুহ গোট নাখায়।

মই কাণ্ডিলৈ কেইবাবাৰো গৈছোঁ। এবাৰ তালৈ গৈ যেতিয়া ঘূৰি আহোঁ তেতিয়া এটা ঘটনা ঘটিছিল। সেই ঘটনাটো মই কেতিয়াও পাহৰিব নোৱাৰোঁ।

সেইদিনা কাণ্ডিৰপৰা কলম্বোলৈ ঘূৰি আহোঁতে আমাৰ ৰাতি হ'ল। মোৰ লগত আম্মু আৰু সৰু ছোৱালী লীলা আছিল। কলম্বোৰ হোৰ্টন ৰোডত মোৰ ঘৰ আছিল। এটা ডাঙৰ দুমহলীয়া ঘৰ। আমাৰ লগত দুই-তিনিজন চাকৰ, মালী, চাপৰাচী আৰু ড্ৰাইভাৰ আছিল। তেওঁলোক সকলো তলৰ মহলাত আছিল। ওপৰ মহলাত এটা কোঠাত মই আৰু আম্মু আৰু তাৰ লগতে লগা এটা কোঠাত লীলা আছিল। আমি সকলো বাৰমান বজাত শুবলৈ গ'লোঁ। ঘৰৰ দুৱাৰ আৰু খিড়িকীবোৰ ভালদৰে মৰা আছিল। প্ৰায় দুই বজাত ওচৰৰ কোঠাটোৰপৰা অহা লীলাৰ কান্দোন শুনিলোঁ আৰু লগে লগে মই আৰু আম্মু তাইৰ ওচৰ পালোঁগৈ। বিজুলী বাতিটো জ্বলাই দেখিলোঁ— লীলা বিছনাত প্ৰায় মূৰ্ছকঁছ গৈ পৰি আছে আৰু কিবা কথা উচ্চাৰণ কৰিছে যিবোৰ আমি বুজি পোৱা নাই। কাষতে থকা আলমাৰীটো খোলা আৰু তাত কাপোৰ-কানি একো নাই। তাইৰ কান্দোন শুনি তলত থকা দূতাবাসৰ সকলো কৰ্মচাৰী ওপৰলৈ আহিল। আমাৰ ঘৰটোৰ কাষতে দূতাবাসৰ ডাক্তৰ আছিল। লগে লগে ডাক্তৰ আহিল আৰু তেওঁৰ চেষ্টাত লীলাৰ হুচ আহিল।

লীলা শুই আছিল আৰু হঠাৎ সাৰ পাই দেখে—এটা মানুহে তাইৰ ডিঙিৰপৰা টানি হাৰডাল খুলিছে আৰু যেতিয়া তাই চিঞৰিবলৈ ধৰিছিল মানুহটোৱে তাইৰ মুখত এসোপা পাউডাৰ ঢালি দিলে আৰু লগে লগে তাই অজ্ঞান হ'ল।

চোৰ খিড়িকী ভাঙি সোমাইছিল আৰু সি লীলাৰ ডিঙিৰ হাৰডালৰ বাহিৰেও কেইখনমান দামী শাড়ী লৈ গ'ল।

পুলিচ তুৰন্তে আহিল। তাৰ পিছদিনা অনেক মানুহ মোৰ ঘৰলৈ খবৰ ল'বলৈ আহিল। খবৰটো শুনি প্ৰধান মন্ত্ৰী সেনানায়কো মোৰ ঘৰলৈ আহিল। পুলিচে বৰ যত্নেৰে তদন্ত কৰিলে, কিন্তু চোৰ ধৰা নপৰিল। মোৰ লঙ্কাৰ সুখময় জীৱনত সেইটো এটা দুখৰ দাগ আছিল।

লঙ্কাৰপৰা পুনৰাগমন

ভাৰত-লঙ্কা সমস্যাৰ সমাধান কৰিবলৈ মই অনেকবাৰ প্ৰধানমন্ত্ৰী সেনানায়কৰ লগত কথা-বতৰা পাতিছিলোঁ। ভাৰতীয়সকলক নাগৰিক অধিকাৰ দিয়াৰ বিষয়ত তেওঁ উদাৰ নাছিল। তেওঁ বিচাৰিছিল—লঙ্কাত নাগৰিক অধিকাৰ বিচৰা ভাৰতীয়ৰ সংখ্যা যিমান পাৰে কম হওক। তেওঁৰ সেই ইচ্ছা অনুসাৰেই সেই বিষয়ত সম্বন্ধ থকা অধিকাৰীসকলে ভাৰতীয়ৰ নাগৰিক-অধিকাৰৰ কাৰণে কৰা অতি কমসংখ্যক আবেদন পত্ৰহে মঞ্জুৰ কৰিছিল।

গণতান্ত্ৰিক শাসনৰ প্ৰধান ভিত্তি হ'ল জনমত। সিংহলী জনসাধাৰণৰ মত হ'ল—যিসকল বিদেশীয়ে লঙ্কাক নিজৰ দেশ বুলি ভাবি স্থায়ীভাৱে বাস কৰিব তেওঁলোকক নাগৰিক অধিকাৰ দিব লাগে। তেওঁলোকৰ কথা যুক্তিসঙ্গত আছিল। সেই মতৰ ভিত্তিত 1948 চনত লঙ্কাৰ নাগৰিক আইন বিধিবদ্ধ হয়। তাৰ আগতে নাগৰিক অধিকাৰৰ ওপৰত নিয়ন্ত্ৰণ বহুওৱা কোনো আইন নাছিল। 1949 চনত ভাৰতীয়ৰ নাগৰিক অধিকাৰৰ ওপৰত নিয়ন্ত্ৰণ বহুৱাবলৈ এখন বেলেগ আইন জাৰী কৰা হয়। সেই আইন অনুসাৰে অনেক ভাৰতীয়ই নাগৰিক অধিকাৰৰ কাৰণে আবেদন পত্ৰ দাখিল কৰে। কিন্তু কিবা এটা কাৰণ দেখুৱাই অধিকাৰীসকলে সেই আবেদন পত্ৰবোৰ নামঞ্জুৰ কৰে। মই প্ৰধানমন্ত্ৰীক অনুৰোধ কৰিলোঁ—ভাৰতীয়সকলে নাগৰিক অধিকাৰৰ কাৰণে দিয়া আবেদন পত্ৰবোৰ যেন ন্যায়সঙ্গতভাৱে আৰু উদাৰতাৰে বিবেচনা কৰা হয়। যদিও পৰৰাষ্ট্ৰ বিভাগৰ সকলো কাম প্ৰধানমন্ত্ৰীৰ অধীনত আছিল, ভাৰতীয়সকলক নাগৰিক অধিকাৰ দিয়া সম্বন্ধীয় বিষয়টো অলিভাৰ গুণ তিলকক দিয়া হৈছিল। পিছত তেওঁ লঙ্কাৰ গৱৰ্নৰ জেনেৰেলৰ পদত নিযুক্ত হয়। তেতিয়া তেওঁ লঙ্কা মন্ত্ৰীসভাৰ এজন সদস্য আছিল।

ভাৰতীয়সকলক নাগৰিক অধিকাৰ দিয়া প্ৰসঙ্গত মই অনেকবাৰ গুণ তিলকক লগ ধৰিছিলোঁ। তেওঁৰ সকলোকে আকৃষ্ট কৰাৰ ক্ষমতা আছিল। অতি মধুৰ কথা আৰু সুন্দৰ ব্যৱহাৰ তেওঁৰ বিশেষ গুণ আছিল। তেওঁৰ নিজৰ মত যিয়েই নাথাকক, তেওঁ সেনানায়কৰ মতানুসাৰে কাম কৰিবলগীয়া হৈছিল। প্ৰধানমন্ত্ৰী সেনানায়ক অধিকাংশ ভাৰতীয়ক নাগৰিক অধিকাৰ দিয়াৰ পক্ষপাতী নহয় বুলি আগতেই মই উল্লেখ কৰিছোঁ। মোৰ এনেকুৱা মনত হৈছিল যে যেতিয়ালৈকে সেনানায়ক লঙ্কাৰ প্ৰধানমন্ত্ৰী হৈ থাকিব তেতিয়ালৈকে ভাৰত-লঙ্কাৰ সমস্যাৰ সমাধান নহ'ব। কিন্তু মই নিৰাশ হোৱা নাছিলোঁ আৰু চেষ্টা চলাই আছিলোঁ।

লঙ্কা-ভাৰতীয় কংগ্ৰেছ এনেকুৱা এটা সংগঠন আছিল যি ভাৰতীয়সকলৰ নাগৰিক

অধিকাৰৰ সমস্যাৰ সমাধান কৰিবলৈ একনিষ্ঠভাৱে চেষ্টা কৰিছিল। পিছত সেই সংগঠনটোৰ নাম ডেম'ক্ৰেটিক কংগ্ৰেছ হয়। তাৰ অধিক সংখ্যক সদস্য বাগিচাৰ বনুৱা আছিল। মই তাৰ নেতাসকলৰ লগত সম্পৰ্ক ৰাখিছিলোঁ। কিন্তু তেওঁলোকৰ নীতি আৰু কাৰ্য-পৰিচালনা পদ্ধতিক সম্পূৰ্ণভাৱে সমৰ্থন কৰা নাছিলোঁ। যেতিয়া আৱশ্যক হৈছিল তেতিয়া মই তেওঁলোকৰ নিৰ্দেশ আৰু অভিমত জানি লৈছিলোঁ। যেনেকৈ মই তেওঁলোকৰ নীতি ভাল নাপাইছিলোঁ, তেনেকৈ তেওঁলোকেও মোৰ নীতি ভাল নাপাইছিল। তেওঁলোকৰ লগত মোৰ সম্পৰ্ক আনুষ্ঠানিক ধৰণৰ আছিল, মিত্ৰতাৰ নাছিল।

1952 চনত লঙ্কা চৰকাৰে এখন ডাঙৰ প্ৰদৰ্শনীৰ আয়োজন কৰে। সেই প্ৰদৰ্শনীত অনেক দেশে বিশেষকৈ ভাৰতে অংশ গ্ৰহণ কৰে। কম সময়ৰ ভিতৰতে ভাৰত তাৰ কাৰণে প্ৰস্তুত হ'বলগীয়া হৈছিল। তথাপি ভাৰতে সুনাম অৰ্জন কৰে আৰু ভাৰতৰ বিভাগটো প্ৰদৰ্শনীত জাকতজিলিকা হয়। প্ৰদৰ্শনীখন এমাহ ধৰি চলিছিল। সেই প্ৰদৰ্শনীখন সমাপ্ত হোৱাৰ আগতে লঙ্কাত এটা শোচনীয় ঘটনা ঘটে।

প্ৰধানমন্ত্ৰী সেনানায়কে ঘোঁৰাত উঠিবলৈ বৰ ভাল পাইছিল। তেওঁ ৰাতিপুৱা আধা ঘণ্টা ঘোঁৰাত উঠি ঘূৰি আহিছিল। এদিন তেওঁ সাগৰৰ পাৰত ঘোঁৰাত উঠি যাওঁতে হঠাৎ ঘোঁৰাৰপৰা পৰে আৰু মূছকঁছ যায়। তেওঁৰ প্ৰাণ বচাবলৈ ডাক্তৰে অশেষ চেষ্টা কৰে, কিন্তু সকলো চেষ্টা ব্যৰ্থ হয় আৰু 1952 চনৰ 22 মাৰ্চত তেওঁৰ মৃত্যু হয়।

স্বৰ্গীয় জনপ্ৰিয় নেতা আৰু প্ৰধানমন্ত্ৰীৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰিবলৈ তেওঁৰ মৃতদেহ এসপ্তাহ ধৰি এডোখৰ ৰাজহুৱা ঠাইত ৰখা হয় আৰু হাজাৰ হাজাৰ লঙ্কাবাসীয়ে স্বৰ্গীয় নেতাক শেষবাৰৰ কাৰণে দৰ্শন কৰে।

সেনানায়কৰ পিছত তেওঁৰ পুতেক ডড্‌লী সেনানায়কক প্ৰধানমন্ত্ৰী হিচাপে নিৰ্বাচন কৰা হয়।

দেউতাকে দেশবাসীৰপৰা যি শ্ৰদ্ধা, সন্মান আৰু মৰম পাইছিল পুতেকে নাপালে। কিন্তু তেওঁ ভাৰতীয়ৰ প্ৰতি অনুকূল মনোভাব পোষণ কৰিব বুলি ভাবি তাৰ কাৰণে মই অপেক্ষা কৰি থাকিলোঁ। আচলতে তেওঁৰ লগত কথা-বতৰা পতাৰ পিছত সেই ভাব মোৰ মনলৈ আহিছিল। লঙ্কাত বাস কৰা ভাৰতীয়সকলে যাতে সোনকালে তাৰ নাগৰিক অধিকাৰ লাভ কৰে এই সম্বন্ধে মই তেওঁক অনুৰোধ কৰিলোঁ। মই তেওঁৰ-পৰা পূৰ্ণ আশ্বাস নাপালেও তেওঁ যে মোৰ অনুৰোধ উপেক্ষা নকৰিব আৰু ভাৰতীয়-সকলৰ অনুকূলে এটা সিদ্ধান্ত গ্ৰহণ কৰিব, অনুমান কৰিলোঁ। সেই বিষয়ত লঙ্কা চৰকাৰৰ কেইজনমান উচ্চপদস্থ বিষয়াৰ শুভেচ্ছাও লাভ কৰিলোঁ। ঠিক সেই সময়তে লঙ্কা ভাৰতীয় কংগ্ৰেছে নাগৰিক অধিকাৰ লাভৰ কাৰণে সত্যাগ্ৰহ আৰম্ভ কৰিলে।

ডড্‌লী সেনানায়কৰ প্ৰধানমন্ত্ৰীৰ পদ গ্ৰহণ কৰা বেছিদিন হোৱা নাছিল আৰু সেই কাৰণে তৎক্ষণাত কিবা এটা মই আশা কৰা নাছিলোঁ। মই তেওঁক সময় দিছিলোঁ আৰু ভাবিছিলোঁ—লঙ্কা-ভাৰতীয় কংগ্ৰেছে ততাতৈয়াকৈ সত্যাগ্ৰহ আৰম্ভ কৰাটো

উচিত নহ'ব আৰু মোৰ মত কংগ্ৰেছৰ নেতাসকলক জনাইছিলোঁও। কিন্তু তেওঁলোকে প্ৰতীক্ষা নকৰিলে।

লঙ্কা-ভাৰতীয় কংগ্ৰেছে সত্যাগ্ৰহ আৰম্ভ কৰিলে আৰু সত্যাগ্ৰহ চলি থাকিল। নাগৰিক অধিকাৰ আবেদনপত্ৰবোৰ মঞ্জুৰ কৰাৰ নিয়ম স্থিৰ কৰাৰ সম্বন্ধে মই প্ৰধান মন্ত্ৰী সেনানায়ক আৰু পৰৰাষ্ট্ৰ মন্ত্ৰালয়ৰ সচিবৰ লগত অনেকবাৰ আলোচনা কৰিছিলোঁ আৰু তেওঁলোকে মোৰ মত সমৰ্থনো কৰিছিল। মই তেওঁলোকৰ লগত হোৱা কথোপকথনৰ সম্পূৰ্ণ বিৱৰণ সময়ে সময়ে দিল্লীলৈ পঠায়ো আছিলোঁ, কিন্তু দিল্লীৰপৰা হঠাতে নিৰ্দেশ পালোঁ মই যেন লঙ্কা চৰকাৰৰ লগত নাগৰিক অধিকাৰ বিষয়ক কথা-বতৰা বন্ধ কৰো দিল্লীৰপৰা তেনে নিৰ্দেশ পাই মই আচৰিত হ'লোঁ। মোৰ এনে অনুমান হ'ল—লঙ্কা-ভাৰতীয় কংগ্ৰেছে দিল্লীৰ ওপৰত হেঁচা দিয়াৰ কাৰণেই কেন্দ্ৰীয় চৰকাৰে সেই সিদ্ধান্ত গ্ৰহণ কৰিলে।

ইতিমধ্যেই ভাৰত চৰকাৰে শ্ৰী আৰ. টি. চাৰীক লঙ্কাত ভাৰতৰ সহকাৰী উচ্চ-আয়ুক্ত পদত নিযুক্ত কৰিলে আৰু লঙ্কালৈ আহি তেওঁ পদ গ্ৰহণ কৰিলে। তেওঁক যে সহকাৰী উচ্চ-আয়ুক্ত পদত নিযুক্ত কৰি লঙ্কালৈ পঠিওৱা হৈছে সেই সম্বন্ধে ভাৰত চৰকাৰে মোক একো নজনালে। তাৰ বাহিৰেও দিল্লীৰ বাতৰি-কাকতবোৰত খবৰ ওলাল—মই লঙ্কাৰপৰা ভাৰতলৈ সোনকালেই ঘূৰি আহিম। হয়তো ভাৰত চৰকাৰে অনুভৱ কৰিলে—চৰকাৰৰ নীতি কাৰ্যকৰী কৰাত মোৰ চেষ্টা আৰু যত্ন সন্তোষজনক নহয়। তেনে পৰিস্থিতিত চৰকাৰৰ নিৰ্দেশ অনুসাৰে 1952 চনৰ 6 চেপ্তেম্বৰত মই উচ্চ-আয়ুক্ত পদৰপৰা মুক্ত হওঁ। সেইদিনাই মই প্ৰধানমন্ত্ৰী নেহৰুলৈ এখন চিঠি লিখিলোঁ। সেই চিঠিত মই লিখিছিলোঁ—সেইদিনা উচ্চ আয়ুক্ত পদত থকা মোৰ পোন্ধৰ মাহ হ'ল। সেই কালছোৱাত মই দক্ষতাৰে মোৰ কৰ্তব্য পালন কৰিবলৈ যথাসাধ্য চেষ্টা কৰিছিলোঁ। লঙ্কা চৰকাৰৰ বিশ্বাস অক্ষুণ্ণ ৰাখি ভাৰতৰ আৱশ্যকতাবোৰ লঙ্কা চৰকাৰৰপৰা আদায় কৰিবৰ কাৰণে মই চেষ্টা চলাই আছিলোঁ আৰু তাৰ বিশদ বিৱৰণ সময়মতে ভাৰত চৰকাৰক জনাই আহিছোঁ। চিঠিত এইটোও উল্লেখ কৰিলোঁ যে উচ্চ আয়ুক্ত পদটো পাবৰ কাৰণে মই চৰকাৰক অনুৰোধ কৰা নাছিলোঁ আৰু প্ৰধানমন্ত্ৰীৰ আদেশক দেশৰ আদেশ বুলি বিবেচনা কৰি পদটো গ্ৰহণ কৰিবলৈ মান্তি হৈছিলোঁ।

সেই চিঠিখনত লঙ্কা চৰকাৰৰ লগত আলোচনা কৰিবলৈ মোক কিয় বাধা দিয়া হ'ল তাৰ কাৰণটো জানিবলৈ মই ইচ্ছা প্ৰকাশ কৰিছিলোঁ। তাৰ পিছত লিখিছিলোঁ কাৰণটো যিয়েই নহওক লঙ্কাত ভাৰতীয়ৰ নাগৰিক অধিকাৰৰ সমস্যাটোৰ সমাধান কৰিবলৈ মই উপযুক্ত আৰু সন্তোষজনক পৰিৱেশ সৃষ্টি কৰিছিলোঁ আৰু মনত সেই সন্তোষ লৈ মই লঙ্কাৰপৰা বিদায় লৈছিলো।

মই প্ৰধানমন্ত্ৰীলৈ লিখিছিলোঁ—মই এই চিঠিখন কোনো বিদ্বেষ ভাব মনত ৰাখি লিখা নাই, কিন্তু দিল্লীয়ে এই প্ৰসঙ্গত যি নীতি অনুসৰণ কৰি মোৰ সৎ উদ্দেশ্য

ভুল বুজিলে সেইবাবে মই দুঃখ পাইছো। মোৰ চিঠিখনৰ উত্তৰ প্ৰধানমন্ত্ৰীয়ে চেপ্তেম্বৰৰ 17 তাৰিখে দিলে। প্ৰধানমন্ত্ৰীয়ে মানি ল'লে যে লঙ্কা আৰু ভাৰতৰ সমস্যাৰ সম্বন্ধত মোৰ আৰু ভাৰত চৰকাৰৰ মতান্তৰ হৈছে; কিন্তু গুৰুত্বপূৰ্ণ বিষয়ত চৰকাৰে যি নীতিত সিদ্ধান্ত গ্ৰহণ কৰে সেই সিদ্ধান্ত যে চূড়ান্ত তাৰ ওপৰত জোৰ দি ক'লে। তেওঁ মোৰ চিন্তাধাৰা আৰু দৃষ্টিকোণত মহত্ত্ব আছে বুলি উল্লেখ কৰিলে, কিন্তু যিহেতু মোৰ মত চৰকাৰৰ মতৰ অনুকূল নহয় সেই মত গ্ৰহণ কৰিব নোৱৰাৰ বাবে তেওঁ দুঃখ প্ৰকাশ কৰিলে।

সেই চিঠিখনৰ উত্তৰ মই 26 চেপ্তেম্বৰত দিলোঁ। তাৰ সাৰাংশ আছিল—মই লঙ্কাৰ ভাৰতীয়ৰ বিষয়ত ভাৰত চৰকাৰৰ নীতিৰ বিৰুদ্ধে একো কৰা নাছিলোঁ। সমস্যাৰ সমাধান কৰাটো মোৰ প্ৰধান লক্ষ্য আছিল আৰু তাৰ পৰিৱেশ আৰু পৰিস্থিতিলৈ চাই মোৰ লক্ষ্যস্থানত উপনীত হ'বলৈ অপেক্ষা কৰি আছিলোঁ, কিন্তু সেই সুযোগটো মোক দিয়া নহ'ল। যি কি নহওক, এই পদটো গ্ৰহণ কৰি পোন্ধৰ মাহত মোৰ যি অভিজ্ঞতা হ'ল সেই অভিজ্ঞতা মোৰ ভৱিষ্যত সাৰ্বজনিক-জীৱনত লাভদায়ক হ'ব।

যেতিয়া খবৰ ওলাল যে মই উচ্চ আয়ুক্ত পদৰপৰা আগতেই অৱসৰ ল'লোঁ, মোৰ অনেক বন্ধু-বান্ধৱে তাৰ কাৰণ জানিবলৈ আগ্ৰহ প্ৰকাশ কৰিলে। সেই বিষয়ে বাতৰি কাকততো প্ৰকাশ হ'ল। কিন্তু মই নীৰৱ হৈ থকাটোৱেই সঙ্গত বোধ কৰিলোঁ। উচ্চ আয়ুক্তৰ কাৰ্যালয়ত যিসকলে মোৰ লগত কাম কৰিছিল তেওঁলোকৰপৰা হৃদয়তাপূৰ্ণ সহযোগ পাইছিলোঁ। লঙ্কাত মোৰ ব্যক্তিগত সচিব আছিল ভেঙ্কিটাদ্ৰী। তেওঁ সমৰ্থ আৰু বিশ্বাসী অধিকাৰী আছিল। তেওঁ দক্ষতাৰে সকলো কাম কৰিছিল আৰু কোনো কাম আধৰুৱা কৰি নথৈছিল। তেওঁ মোৰ মনত এটা বিশ্বাস জন্মাইছিল যে ভেঙ্কিটাদ্ৰীয়ে মোৰ সকলো কাম নিখুঁতভাৱে কৰিবই।

লঙ্কাত মই কেইজনমান পুৰণি বন্ধুক লগ পাইছিলোঁ। তেওঁলোকৰ ভিতৰত পাকিস্তানী উচ্চ আয়ুক্ত সাত্তাৰ শেঠ উল্লেখযোগ্য। তেওঁ উত্তৰ মালবাৰৰ মানুহ আছিল। অসহযোগ আন্দোলনৰ সময়ত তেওঁ কংগ্ৰেছৰ প্ৰধান নেতাসকলৰ ভিতৰত এজন আছিল। তেওঁ তিলকৰ স্বৰাজ পুঁজিৰ কাৰণে অৰ্থ সংগ্ৰহ কৰাত মোক বৰ সহায় কৰিছিল। দেশীয় আন্দোলনত তেওঁ একনিষ্ঠভাৱে সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। আমি দুয়ো একে উদ্দেশ্যকে সম্মুখত ৰাখি দেশৰ স্বাধীনতাৰ কাৰণে খোজত খোজ মিলাই আগবাঢ়ি গৈছিলোঁ। তাৰ অনেক দিনৰ পিছত মই তেওঁক লঙ্কাত লগ পাইছিলোঁ। মই আছিলোঁ ভাৰতৰ উচ্চ আয়ুক্ত আৰু তেওঁ পাকিস্তানৰ।

কাণ্ডিত মোৰ পত্নীৰ সৈতে মই লৰ্ড চালিচবেৰিক লগ পাবলৈ গৈছিলোঁ। সেইদিনা দুপৰীয়া সাজটো তেওঁৰ ঘৰতে খালোঁ। আম্মুৱে ভালদৰে ইংৰাজী নাজানিছিল, কিন্তু আমাৰ কথা-বতৰাবোৰ বৰ মনোযোগেৰে শুনি অনুমান কৰিব পাৰিছিল। চালিচবেৰিয়ে সাহিত্য আৰু ইতিহাস ভাল পাইছিল আৰু আমাৰ অধিকাংশ কথোপকথন তাতেই

সীমিত আছিল। আমি তেওঁৰপৰা বিদায় লৈ কলম্বোলৈ ঘূৰি আহিলোঁ। এসপ্তাহৰ পিছত তেওঁ মোলৈ এনেকৈ লিখিছিল :

"আপুনি আৰু আপোনাৰ পত্নী দুয়ো মোৰপৰা বিদায় লৈ গ'ল। তথাপি মনত আশা ৰাখিছোঁ—আপোনালোকক আকৌ লগ পোৱাৰ সুযোগ পাম। আপোনালোকক বিদায় দি মনত যি দুঃখ পাইছোঁ তাকেই প্ৰকাশ কৰিবলৈ আপোনালৈ এই চিঠিখন লিখিছোঁ। আপোনাক মই কেইবাবাৰো লগ পাইছিলোঁ আৰু আপোনাৰ লগত কথা পাতি আপোনাৰ ন্যায়বোধ আৰু বিশালতাৰ পৰিচয় পাইছিলোঁ। আপোনাৰ কথাবোৰ জ্ঞান প্ৰদায়ক—যিবোৰ শুনি তাৰ সোৱাদ লৈ মই তৃপ্ত হৈছিলোঁ। শুনি বৰ দুখ পাইছোঁ যে আপুনি আৰু আপোনাৰ পত্নী লঙ্কা এৰি যাবগৈ। মই আপোনাৰ পত্নীক যি ইংৰাজী পঢ়াইছিলোঁ আশা কৰোঁ কেতিয়াও নাপাহৰোঁ। — আপোনাৰ, বন্ধু চালিচবেৰি।'

এনেধৰণৰ চিঠি মই অনেক বন্ধুৰপৰা পাইছিলোঁ। পোন্ধৰ মাহ ধৰি মোৰ কাৰ্যালয়ত কাম কৰা বিষয়া আৰু কৰ্মচাৰীসকলৰপৰা বিদায় লওঁতে মই অন্তৰত বৰ দুখ পাইছিলোঁ। কিন্তু জীৱনে আমাক এজনৰ ওচৰৰপৰা আন এজনৰ ওচৰলৈ লৈ যায়।

1952 চনৰ 7 চেপ্তেম্বৰত মই আৰু আম্মু বিমানেৰে কলম্বোৰপৰা গুচি আহোঁ। বিমানঘাটিত আমাক বিদায় দিবলৈ অনেক মানুহৰ ভিৰ হৈছিল। বিমানত আৰোহণ কৰাৰ পাঁচ মিনিটৰ পিছতে আমাক লৈ বিমানখন মাদ্ৰাজ অভিমুখে ৰাওণা হ'ল। এনেকৈ মোৰ জীৱন-নাটকৰ আন এটা দৃশ্য শেষ হ'ল।

মা আৰু আম্মু

যেতিয়াই খবৰটো বাতৰি কাকতত ওলাল যে মই উচ্চ আয়ুক্তৰ পদটো এৰি স্বদেশলৈ ঘূৰি আহিম, শ্ৰী ভি. এন. নায়াৰে মোলৈ টেলিগ্ৰাম কৰিলে — মই যেন ঘূৰি আহি 'মাতৃ-ভূমি'ৰ সম্পাদকৰ পদটো গ্ৰহণ কৰোঁহি। সঞ্চালকেও মোক সেই অনুৰোধ কৰিলে। কেইদিনমান ওলৱক্কোট্টত মোৰ ঘৰত জিৰণি লৈ মই অক্টোবৰ মাহত 'মাতৃ-ভূমিৰ' সম্পাদকৰ পদ গ্ৰহণ কৰিলোঁ।

যেতিয়া মই লঙ্কালৈ যোৱাৰ অনুমতি মাৰপৰা ল'বলৈ গৈছিলোঁ, তেতিয়া তেওঁ মোক কৈছিল, "মোৰ মৰণৰ সময়ত তই মোৰ ওচৰত থাকিব লাগিব। মোৰ অসুখৰ খবৰ পায়েই মোৰ ওচৰলৈ গুচি আহিবি।" সেই সময়ত মাৰ বয়স 85 বছৰ আছিল। মই লঙ্কাৰ পৰা উলটি অহাত সকলোতকৈ মাই বেছি আনন্দ পাইছিল। তেওঁৰ স্মৰণ-শক্তি অলপ কমিছিল, কিন্তু আন একো অসুখ নাছিল। বাৰ্দ্ধক্যৰ কাৰণে দুৰ্বল হ'লেও তেওঁ আৰামী চকীখনত বহি সদায় "মাতৃ-ভূমি" পঢ়িছিল। এবাৰ মই পালঘাটৰ এখন স্কুলৰ বাৰ্ষিক উৎসৱৰ সভাপতিত্ব কৰিবলৈ যাওঁতে মাই সেই সন্মিলনলৈ মোৰ লগত যাবলৈ আগ্ৰহ প্ৰকাশ কৰে। তালৈ গ'লে তেওঁৰ কষ্ট হ'ব বুলি মই তেওঁক বুজাওঁতে তেওঁ কৈছিল, "কব নোৱাৰোঁ তোৰ বক্তৃতা শুনিবলৈ আকৌ মই সুযোগ পাম নে নাপাম। সেই কাৰণে তই মোক লৈ যা।" সভাস্থলী পোৱা পৰ্য্যন্ত তেওঁ একেবাৰে ভাগৰি পৰিছিল। তথাপি সভা শেষ হোৱালৈকে তেওঁ সভামণ্ডপত বহি আছিল। ঘৰলৈ ঘূৰি আহি মা মূৰ্ছকছ গ'ল আৰু দুঘণ্টামান তেওঁৰ জ্ঞান নাছিল। তাৰ পিছৰ-পৰা মাৰ স্বাস্থ্য দিনে দিনে ভাগি পৰিছিল। মাই অসুখতো কেতিয়াও গা নোধোৱাকৈ থকা নাছিল। ছোৱালীবোৰে গীত গাওঁতে যদি তাল ঠিক নহয় বা শব্দবোৰ উচ্চাৰণ কৰোঁতে ভুল কৰে মাই শুধৰাই দিছিল।

এনেকৈ কেইবামাহো পাৰ হৈ গ'ল। মই লঙ্কাৰপৰা আহিয়েই 'জীৱন-চিন্তা" নামৰ কিতাপখন লিখিবলৈ আৰম্ভ কৰিছিলোঁ। তেনে ধৰণৰ কিতাপ এখন লিখিবলৈ বহুত দিনৰ আগৰেপৰা মই চিন্তা কৰিছিলোঁ আৰু মোৰ লিখাৰ ইচ্ছাও আছিল। সেই কিতাপখন যেতিয়া প্ৰকাশিত হ'ল, মানুহে পঢ়ি ইমান ভাল পালে যে তাৰ বিক্ৰীৰ সংখ্যা দেখি মই আশ্চৰ্য্য হ'লোঁ। কিতাপখনৰ কাৰণে মোক প্ৰশংসা কৰি অনেকে মোলৈ চিঠি লিখিলে। মোৰ সেই কিতাপখনে যে অনেক মানুহৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিছে মই জানিব পাৰিলোঁ।

লঙ্কাৰপৰা ঘূৰি অহাৰ পিছত এবছৰ হ'বলৈ নৌপাওঁতেই আম্মুৰ অসুখ হ'ল। কৰ্কট (কেঞ্চাৰ) ৰোগ। চাৰি বছৰৰ আগতে মাদ্ৰাজত আম্মুক অস্ত্ৰোপচাৰ কৰা হৈছিল

আৰু মই ধৰি লৈছিলোঁ আম্মু একেবাৰে আৰোগ্য হৈছিল। তাৰ পিছত আমি কলম্বোলৈ গ'লোঁ। মাজে মাজে ডাক্তৰে তেওঁক পৰীক্ষা কৰি আছিল আৰু কোনো ভয় নাই বুলি মোক আশ্বাস দিছিল। এজন ডাক্তৰে মোক কৈছিল — অস্ত্ৰোপচাৰৰ পাঁচ বছৰৰ পিছত কৰ্কটৰোগ আকৌ উকাব পাবে। তেওঁৰ কথা সঁচা আছিল। সিমান দিনৰ পিছত আম্মু আকৌ ৰোগগ্ৰস্তা হ'ল। মাজে মাজে অলপ বেদনা থাকিলেও আনক কষ্ট নিদিবলৈ আম্মুৱে কাকো নকৈছিল।

চিকিৎসাৰ কাৰণে আমি মাদ্ৰাজলৈ গ'লোঁ। আজিকালি কৰ্কট ৰোগৰ চিকিৎসাৰ অনেক উন্নতি হৈছে, কিন্তু ৰোগটো একেবাৰে নিৰ্মূল কৰাৰ ঔষধ এতিয়াও আৱিষ্কাৰ কৰিব পৰা হোৱা নাই। চাৰি সপ্তাহ ধৰি আম্মুক চিকিৎসা কৰাৰ পিছত অলপ ভাল হোৱাৰ পিছত আমি কোষিক্কোট্টলৈ ঘূৰি আহিলোঁ। কিন্তু খন্তেকৰ কাৰণে ভাল হৈছিল যদিও আম্মুৰ অসুখ বেছি হ'ল। কোষিক্কোট্টত আয়ুৰ্বেদিক চিকিৎসা কৰালোঁ, কিন্তু একো লাভ নহ'ল।

1954 চনৰ 8 এপ্ৰিলত আম্মুক ওলৱক্কোট্টত থকা আমাৰ ঘৰ 'অন্তাষচিৰা'লৈ লৈ গ'লোঁ। তাত মোৰ নাতিনী নলিনীক বিয়া দিবলৈ স্থিৰ কৰিলোঁ। আম্মুৰ স্বাস্থ্য দিনে দিনে বেয়া হ'বলৈ ধৰিলে কিন্তু তথাপি তেওঁ বিয়াখন ধুমধামেৰে পাতিবলৈ উৎসাহ দিলে। বিয়াখনৰ সংক্ৰান্তত মোৰ ল'ৰা উন্নী আমেৰিকাৰপৰা আহিল। সি উচ্চ শিক্ষাৰ কাৰণে প্ৰথমতে ইংলণ্ড আৰু তাৰ পিছত আমেৰিকালৈ গৈছিল।

মোৰ ভয় হৈছিল—আম্মু আৰোগ্য নহ'ব, কিন্তু তেওঁৰ আশা আছিল সোনকালেই তেওঁ আৰোগ্য হ'ব। সকলোৰে কাৰণে সেইটো এটা ডাঙৰ আশ্বাস আছিল। সেই সময়ত মই 'কোষিঞ্চকাল' লিখিবলৈ আৰম্ভ কৰিছিলোঁ আৰু আম্মুৱে কোৱাত মই মাজে মাজে তেওঁক পঢ়ি শুনাইছিলোঁ। তাত বৰ্ণনা কৰা ঘটনাবোৰৰ বিষয়ে আম্মুৱে নিজৰ মত ব্যক্ত কৰিছিল। যদি কোনো ঘটনাৰ কথা পাহৰিছিলোঁ, তেওঁ মোক সোঁৱৰাই দিছিল। তেওঁ 'কজিঞা কালম' কিতাপখনৰ সকলো ঘটনা বৰ আগ্ৰহেৰে শুনিছিল, কিন্তু কিতাপখন সমাপ্ত কৰি শুনোৱাৰ ভাগ্য মোৰ নহৈছিল আৰু আম্মুৱেও সেই সুযোগ নাপাইছিল। ৰোগীৰ অৱস্থা দিনে দিনে বেয়াৰ পিনে ঢাল খালে। "মই আৰু জীয়াই নাথাকোঁ" কথাষাৰ আম্মুৱে বাৰে বাৰে ক'বলৈ ধৰিলে। তেওঁক শুশ্ৰূষা কৰিবলৈ মোৰ বাহিৰেও তিনিজনী মানুহ আছিল। "অন্তাষচিৰা" মোৰ অতি প্ৰিয় ঠাই। 'যেতিয়া আম্মু ৰোগগ্ৰস্তা হৈ বিছনাত পৰি আছিল, মই কেতিয়াবা বাহিৰলৈ আহি সন্ধিয়া সময়ত ধাননিৰপৰা বৈ অহা শীতল বতাহ খাই এন্ধাৰত নিস্তব্ধ হৈ বহি আছিলোঁ। শান্ত, স্নিগ্ধ পৰিৱেশ। "অন্তাষচিৰা"ৰ সোঁফালে অলপ দূৰৈত থকা মলয়মপূৰত বিজুলী বাতিবোৰ জ্বলি থকা দেখিছিলোঁ। বাঁওফালে ওলৱকোট্ট ৰেলষ্টেচনতো বিজুলীবাতিৰ পোহৰ দেখা গৈছিল। সম্মুখত থকা পৰ্বতশ্ৰেণীৰ হাবিত লগা জুইৰ খীণ পোহৰ দেখা গৈছিল। সেই নিজম, শান্ত পৰিৱেশত ৰোগত ভুগি থকা আম্মুৰ কান্দোনে মোৰ হৃদয় বিদীৰ্ণ কৰিছিল। হে ঈশ্বৰ, আপুনি মানুহক ইমান

কষ্ট দিয়ে কিয় ? আপুনি এনে দয়া কৰিব নোৱাৰেনে যে আম্মুৰ সকলো বেদনা, সকলো অসুখ মুহূৰ্ততে নাইকিয়া হয় ? "আজি মোৰ বৰ দুৰ্বল লাগিছে, ডাক্তৰক মাতক," ৰাতিপুৱাই আম্মুৱে ক'লে। সেইদিনা 23 জুন আছিল। ডাক্তৰ তৎক্ষনাত আহিল আৰু তেওঁ ব্যথা কম হোৱাৰ ঔষধ দিলে। কিন্তু ব্যথা কম নহ'ল আৰু আম্মুৱে বিষত ছট্‌ফটাবলৈ ধৰিলে। আমি সকলো তেওঁৰ কাষ চাপি আহিলোঁ আৰু সকলোৱে অসহায় দৃষ্টিৰে তেওঁলৈ চাই থাকিলোঁ। তেওঁ বহিবলৈ ইচ্ছা কৰাত মই লাহেকৈ তুলি তেওঁক বিছনাত বহুৱাই দিলোঁ আৰু হাতেৰে ধৰি ৰাখিলোঁ। আম্মুৱে দীঘল দীঘলকৈ উশাহ ল'লে, কিন্তু অলপ পিছতে উশাহ বন্ধ হ'ল। লগে লগে তেওঁৰ প্ৰাণহীন অসাৰ দেহটো মোৰ কোলাত কাতি হৈ পৰিল আৰু সকলোকে কন্দুৱাই আম্মু আমাৰ ওচৰৰপৰা চিৰদিনলৈ গুচি গ'ল। 29 বছৰৰ আগতে সেই ঠাইডোখৰতে লক্ষ্মীৰ মৃত্যু হৈছিল। অন্তাষচিৰাৰ পৰিয়ালৰ শ্মশানত আম্মুৰ অন্ত্যেষ্টিক্ৰিয়া সমাপ্ত কৰা হ'ল।

আম্মুৱে মোৰ সুখৰ কাৰণে তেওঁৰ গোটেই জীৱনটো উছৰ্গা কৰিছিল আৰু মোৰ সুখেই তেওঁৰ সুখ আৰু মোৰ দুখেই তেওঁৰ দুখ আছিল। তাৰ বাহিৰে তেওঁ আন একো নিবিচাৰিছিল। তেওঁ ৰাজনৈতিক কথা-বতৰাত ভাগ নলৈছিল আৰু ঘৰৰ কামবোৰ কৰি ঘৰখন সুন্দৰ আৰু পৰিপাটিকৈ ৰাখি মনত বৰ আনন্দ পাইছিল। তেওঁ সেই কামত সমৰ্থ আৰু নিপুণো আছিল। তেওঁ ৰন্ধা-বঢ়াত বৰ পাকৈত আছিল। মই কেইজনমান বন্ধুক জানো যাৰ দাম্পত্যজীৱন দুঃখৰ আছিল আৰু তেওঁলোকৰ প্ৰতি মোৰ সহানুভূতি হৈছিল। তেওঁলোকৰ তুলনাত মই ভাগ্যবান আছিলোঁ। এই কাৰণে লক্ষ্মী আৰু আম্মুৰ ওচৰত মই ঋণী। দুয়ো মোৰ হৃদয়ত অনেক মধুৰ স্মৃতিৰ সাঁচ বহুৱাই থৈ গৈছে যিবোৰ মোৰ মৃত্যুৰ আগলৈকে উজ্জ্বল হৈ থাকিব।

আম্মুৰ মৃত্যুৰ তিনি সপ্তাহৰ পিছতে মাৰ মৃত্যু হয়। যেনেকৈ পকা আম এটা গছৰপৰা সৰি পৰে মাৰ মৃত্যুও তেনে ধৰণৰ আছিল। ঈশ্বৰে তেওঁক দীঘল আয়ু দিছিল, কিন্তু তেওঁ এৰি থৈ যোৱা উদং ঠাইডোখৰ পূৰা কৰিব পৰা কোনো নাছিল। মাৰ নিঃস্বাৰ্থ আৰু উদাৰ মন সৰ্বদায় আনক সহায় কৰাত তৎপৰ আছিল। এনেকৈ এমাহৰ ভিতৰতে মোৰ হিতাকাঙ্খী আৰু অতি মৰমৰ মা আৰু আম্মু চিৰদিনলৈ মোৰ ওচৰৰপৰা গুচি গৈছিল।

1955 চনৰ নবেম্বৰ মাহত মোৰ ল'ৰা উন্নীৰ বিয়া হোৱাত মই সেই উপলক্ষে চিঙ্গাপুৰলৈ গৈছিলোঁ। ডাক্তৰ ভি. পি. মেনন 4 বছৰ ধৰি চিঙ্গাপুৰত আছিল। তেওঁৰ জীয়েক লীলাৰ লগত উন্নীৰ বিয়া হয়। বোৱাৰীয়ে তেওঁৰ দেউতাকৰ কামকেই কৰিছিল আৰু চিঙ্গাপুৰৰ হস্পিতাল এখনত ডাক্তৰি কৰিছিল।

সাত বছৰৰ আগতে মই চিঙ্গাপুৰ এৰিছিলোঁ। চিঙ্গাপুৰত ভৰি দিয়াত মোৰ মনলৈ বিভিন্ন ধৰণৰ চিন্তাবোৰ আহিছিল। সাত বছৰৰ ভিতৰত চিঙ্গাপুৰত বিৰাট পৰিৱৰ্তন দেখি মই আশ্চৰ্য্য হৈছিলোঁ। আগৰ দিনত জাহাজেৰে চিঙ্গাপুৰলৈ যাওঁতে সাত-আঠ

দিন লাগিছিল, কিন্তু এতিয়া বিমানেৰে মাদ্ৰাজৰপৰা চিঙ্গাপুৰলৈ যাওঁতে চাৰে তিনি ঘণ্টা লাগে।

যুদ্ধৰ পিছত চিঙ্গাপুৰ আচৰিত ধৰণে সমৃদ্ধিশালী হৈছিল যাৰ সাক্ষ্য তাৰ আকাশচুম্বী ডাঙৰ ডাঙৰ ঘৰবোৰে বহন কৰে। ৰাস্তাত মটৰ গাড়ীৰ সংখ্যা দেখি মই আচৰিত হৈছিলোঁ। কম সময়ৰ ভিতৰতে যে ইমান অদ্ভুত পৰিৱৰ্তন হ'ব মই কল্পনাও কৰা নাছিলোঁ।

মই তিনি সপ্তাহ চিঙ্গপুৰত আছিলোঁ। কেইজনমান মোৰ পুৰনি অন্তৰঙ্গ বন্ধুক লগ পাই মই বৰ আনন্দ পাইছিলোঁ। তেওঁলোকে যুদ্ধৰ সময়ত মোৰ নিচিনাকৈয়ে অশেষ কষ্ট ভোগ কৰিছিল। কেইজনমান মোৰ লগত জেলত আছিল। তেওঁলোকৰ ভিতৰত এজন আছিল কমিছনাৰ জেনেৰেল ৰবাৰ্ট স্কট। মোক দেখি তেওঁ এটা নিৰ্মল হাঁহি মাৰি—'সুখৰ দিনত আকৌ আপোনাক লগ পাইছোঁ' বুলি কৈ মোক অভ্যৰ্থনা কৰিছিল। এদিন তেওঁৰ ঘৰত মই অতিথিও আছিলোঁ। পুৰণি মুখবোৰ আৰু আগৰ পৰিচিত ঠাইবোৰ দেখিলে আমাৰ মনলৈ সুখ-দুখৰ অনেক চিন্তা আহে। সেই সুযোগত আমি জীৱনৰ অজ্ঞাত আৰু নিগূঢ় সৌন্দৰ্য্য অনুভৱ কৰোঁ।

নবেম্বৰ মাহৰ শেহত মই স্বদেশলৈ ঘূৰি আহোঁ।

সংযুক্ত কেৰালা আন্দোলন

সংযুক্ত কেৰালাৰ সম্বন্ধে মোৰ যিটো মত আছিল সেইটো অনেক পুৰণি। কেৰালাৰ বিভিন্ন ভাগ বিভিন্ন শাসনৰ অধীনত থকাৰ কাৰণে মই বৰ অসন্তুষ্ট হৈছিলোঁ। মই সাৰ্বজনিক জীৱনত প্ৰৱেশ কৰাৰ আগতেই সেই দিশটোৱে মোৰ মন আকৰ্ষণ কৰিছিল। কিন্তু সেই সময়ৰ অৱস্থাত কেৰালাৰ বিভিন্ন ভাগক একেলগ কৰি এখন সংযুক্ত কেৰালা গঠন কৰা অসম্ভৱ আছিল। এটা আকৰ্ষণীয় লক্ষ্যৰ নিচিনাকৈ সেই কথাটো মোৰ মনত সদায়েই আছিল। সেই কালত স্বাধীন ভাৰতৰ কল্পনাও এটা স্বপ্নৰ নিচিনা আছিল। 1919 চনত মাদ্ৰাজৰ মালয়ালী ক্লাবে আয়োজন কৰা এখন সভাত মই প্ৰথম সংযুক্ত কেৰালাৰ কথা কৈছিলোঁ। 'ত্ৰিবাঙ্কুৰ, কোচিন আৰু মালবাৰ এই তিনিখন ৰাজ্য একেলগ হওক' এই কথাষাৰ মোৰ মুখত শুনি সভাপতি অসন্তুষ্ট হৈছিল আৰু তেওঁ তেওঁৰ ভাষণত মোৰ সেই মতটো বৰ বেয়াকৈ সমালোচনা কৰিছিল। তেওঁ কৈছিল মই যিটো মত প্ৰকাশ কৰিছিলোঁ তাতকৈ আৱশ্যকীয় অনেক কথা আৰু সমস্যা আছে যিবোৰক বাদ দি আমাৰ ডেকাসকলে কিছুমান অনাৱশ্যক বিষয়ত অবাবত সময় নষ্ট কৰে। সেই সভাত উপস্থিত থকা মানুহবিলাকে হয়তো ভাবিছিল সেই কথাটো অবান্তৰ আৰু কেতিয়াও কাৰ্যত পৰিণত হ'ব নোৱাৰে। কিন্তু তাৰ দুবছৰৰ পিছতে সংযুক্ত কেৰালাৰ এটা ৰূপ দৃষ্টিপথলৈ আহি গৈছিল। সেইখন ওট্টোপালমত পতা প্ৰথম আঞ্চলিক সন্মিলন আছিল। যেতিয়া অসহযোগ আন্দোলন আৰম্ভ হৈছিল তেতিয়া কংগ্ৰেছ নেতা আৰু কৰ্মীসকলে নিজৰ সুবিধাৰ কাৰণে ভাষাৰ ভিত্তিত নতুন কংগ্ৰেছ সীমাঞ্চল গঠন কৰে। সেই মতে, ত্ৰিবাঙ্কুৰ, কোচিন আৰু মালবাৰ মিলাই এটা এলেকা কৰে। সেই সময়ত মই কেৰালা আঞ্চলিক কংগ্ৰেছ সমিতিৰ সচিৱ আছিলোঁ। ওট্টোপালম সম্মিলনত ত্ৰিবাঙ্কুৰ, কোচিন আৰু মালবাৰৰ প্ৰতিনিধিসকলক একেলগ কৰি কেৰালা প্ৰতিনিধি নাম দিয়াটো সংযুক্ত কেৰালাৰ ক্ষেত্ৰত এটা ডাঙৰ পদক্ষেপ আছিল। প্ৰচাৰৰ সুবিধাৰ কাৰণে সেই তিনিওটা সীমাঞ্চলক এটা কৰা হৈছিল। যি কি নহওক, সংযুক্ত কেৰালা গঠন কৰাৰ ক্ষেত্ৰত সেইটো প্ৰথম পদক্ষেপ আছিল।

এবছৰৰ পিছত প্ৰচাৰৰ কাৰণে যেতিয়া মই ত্ৰিবাঙ্কুৰলৈ গৈছিলোঁ এখন সাৰ্বজনিক সভাত মই কেৰালা প্ৰান্তৰ বিষয়ে আলোচনা কৰিছিলোঁ। সেই সভাত এজন মানুহে মোক প্ৰশ্ন কৰিছিল। "যদি কেৰালা এখন ৰাজ্য হ'ব তেতিয়া কোচিন আৰু ত্ৰিবাঙ্কুৰ মহাৰজাসকলৰ কি হ'ব ?"

প্ৰশ্নটো বৰ জটিল আছিল। সেই সময়ত মোৰ উত্তৰ আছিল, "যেতিয়া পৰিস্থিতি বদলি হ'ব, মহাৰজাসকলৰ সমস্যা সিমান জটিল নহ'ব।"

1923 চনত যেতিয়া 'মাতৃ-ভূমি' প্ৰকাশ হৈছিল তেতিয়া মই সংযুক্ত কেৰালাৰ সম্বন্ধে সম্পাদকীয়ত এই বুলি লিখিছিলোঁ ঃ "একেটা ভাষাত কথা কোৱা, একে ইতিহাসৰ লগত সম্বন্ধ থকা আৰু একে ধৰণৰ আচাৰ-ব্যবহাৰ থকা কেৰালাৰ মানুহে বিচ্ছিন্ন হৈ বেলেগ বেলেগ শাসনৰ অধীনত জীৱন যাপন কৰে। এনে ধৰণৰ প্ৰশাসন জনসাধাৰণৰ উন্নতিৰ পৰিপন্থী। তদুপৰি একে ভাষা-ভাষী মানুহ বিভিন্ন শাসকৰ অধীনত থকাৰ কাৰণে তেওঁলোকৰ মাজত মিলা-প্ৰীতি আৰু একতাৰ অভাৱ আৰু সেই অভাৱৰ কাৰণে তেওঁলোক একেটা পৰিয়ালৰ মানুহ হৈও তেওঁলোকে নিজকে বিভিন্ন পৰিয়ালৰ মানুহ বুলি পৰিচয় দিয়ে। ইয়াকে লক্ষ্য ৰাখি 'মাতৃভূমি'য়ে সংযুক্ত কেৰালাৰ কাৰণে সদায় চেষ্টা কৰি আহিছে আৰু ভৱিষ্যতেও সেই চেষ্টা চলাই থাকিব।"

1927 চনত মই মালয়ালৈ গৈছিলোঁ। তাৰ পিছত 20 বছৰ পাৰ হৈছিল। ইয়াৰ ভিতৰতে মই সংযুক্ত কেৰালাৰ সম্বন্ধে 'মাতৃ-ভূমিত' দুই-তিনিবাৰ মান লিখিছিলোঁ। 1934 চনত প্ৰকাশিত মাতৃ-ভূমিৰ বিশেষ সংখ্যাত মই লিখিছিলোঁ, যে সংযুক্ত কেৰালা গঠন কৰাত কোনো অসুবিধা নাই কাৰণ "কোচিন আৰু ত্ৰিবাঙ্কুৰৰ ৰাজ-পৰিয়ালে নিজৰ পদ আৰু ৰাজবংশৰ মৰ্যাদা তেওঁলোকৰ দেশৰ মানুহৰ কাৰণে ত্যাগ কৰিবলৈ সম্মত নহ'লেও নিজৰ অস্তিত্ব ৰক্ষা কৰি সংযুক্ত কেৰালা গঠন কৰিব পাৰে। মালয়াৰ "ফেডৰেটৰ মালয়া ৰাজ্য" তাৰ কাৰণে এটা উত্তম দৃষ্টান্ত। যদিও চাৰিজন নিজৰ নিজৰ দেশত থাকে তথাপি এখন সংযুক্ত ৰাষ্ট্ৰৰ ভিত্তিত সমূহীয়াকৈ শাসনকাৰ্য চলি থাকে আৰু লগতে তেওঁলোকৰ অস্তিত্বও অক্ষুণ্ণ থাকে। সেই নীতি আমাৰ কাৰণে অনুকৰণীয় আৰু তাৰপৰা জনসাধাৰণৰ লাভো হ'ব। এই কাৰণে সংযুক্ত কেৰালাৰ কাৰণে কেৰালাৰ মানুহে চেষ্টা কৰা উচিত।"

1945 চনত মাদ্ৰাজ মালয়ালী ক্লাবৰ—'স্মৰণ চিহ্ন' পুস্তিকাখনত মোৰ 'ভাবী কেৰালা' নামৰ প্ৰবন্ধ এটা প্ৰকাশিত হৈছিল। সেই প্ৰবন্ধটোত ভাবী কেৰালাৰ ৰূপটো কেনেকুৱা হ'ব তাৰ আভাস দিছিলোঁ।

মোৰ লক্ষ্য কেৱল মালয়ালম সীমাঞ্চলটো নাছিল। মোৰ কল্পনাৰ সংযুক্ত কেৰালাত ত্ৰিবাঙ্কুৰ, কোচিন আৰু মালবাৰৰ বাহিৰেও সেইকেইখন ৰাজ্যৰ সীমাৰ বাহিৰত থকা মালয়ালমভাষী বাস কৰা ঠাইবোৰকো যুক্ত কৰাৰ কথা উল্লেখ কৰিছিলোঁ।

সেই সময়ত দেশৰ মানুহৰ সকলো শক্তি ভাৰতৰ স্বাধীনতা সংগ্ৰামত প্ৰয়োগ কৰাৰ কাৰণে সংযুক্ত কেৰালা গঠন কৰাৰ চেষ্টাৰ ওপৰত মানুহে বেছি গুৰুত্ব দিব পৰা নাছিল। তথাপি কেৰালাৰ জনসাধাৰণৰ মনত সেই লক্ষ্যটো সদায় সজীৱ হৈ আছিল আৰু যথাসময়ত তাৰ সুযোগ আহিব বুলি আশা আছিল। সেই সময়ত সংযুক্ত কেৰালাৰ বিপৰীতে কাৰো মুখত কোনো কথা শুনা নগৈছিল। 1946 চনৰ অক্টোবৰত যেতিয়া মই মালয়া এৰি স্বদেশলৈ ঘূৰি আহোঁ, তেতিয়া 'সংযুক্ত কেৰালা' ধাৰণাটোক

কাৰ্যকৰী কৰিবৰ কাৰণে মোৰ সভাপতিত্বত এখন প্ৰাৰম্ভিক সভাৰ আয়োজন কৰা হৈছিল। সেই সভাখনৰ বিষয়ে আগৰ অধ্যায়টোত কৈ আহিছোঁ। সেই সভাখন কেৰালাৰ কংগ্ৰেছ সমিতিৰ নিৰ্দেশত এখন উপ-সমিতিৰ তত্ত্বাৱধানত চেৰুতুবন্তিত পতা হৈছিল।

সেই সভাখনত গ্ৰহণ কৰা প্ৰস্তাৱ মতে, 1947 চনত শ্ৰী কে. কেলপুনৰ সভাপতিত্বত ত্ৰিশূৰত ঐতিহাসিক সংযুক্ত কেৰালা সন্মিলনখন অনুষ্ঠিত হয়। সেই সভাখনলৈ কোচিনৰ মহাৰজাই তেওঁৰ বাণী পঠায়। তাত লিখা আছিল, যদি কেৰালাৰ সংস্কৃতিক জীৱন্ত কৰি ৰাখিব লাগে তেন্তে মোৰ মতে গোটেই কেৰালাখনক এটা শাসনৰ অধীনলৈ অনা একান্ত আৱশ্যক। সেই কাৰণে মালবাৰ, কোচিন আৰু ত্ৰিবাঙ্কুৰক একেলগ কৰি তাত সংযুক্ত শাসনৰ ব্যৱস্থা কৰা উচিত।"

কিন্তু তেওঁৰ সেই মতটো ত্ৰিবাঙ্কুৰৰ মহাৰজাই সমৰ্থন নকৰিলে। তেওঁ সংযুক্ত শাসনৰ বিপক্ষে আছিল।

ত্ৰিশূৰ সন্মিলনলৈ কেৰালাৰ নানা ভাগৰপৰা প্ৰতিনিধি আহিছিল। অনেক ৰাজহুৱা সংগঠনৰ প্ৰতিনিধিসকলেও তাত অংশ গ্ৰহণ কৰিছিল। ইমান অধিক সংখ্যক প্ৰতিনিধিৰ কোনো সন্মিলন তাৰ আগতে কেৰালাত অনুষ্ঠিত হোৱা নাছিল। সেই সন্মিলনত সংযুক্ত কেৰালাৰ পক্ষত এটা প্ৰস্তাৱ গ্ৰহণ কৰা হৈছিল।

সন্মিলনখনৰ উদ্দেশ্যক চৰিতাৰ্থ কৰিবলৈ এশজন সদস্যৰ এখন সমিতি গঠন কৰা হৈছিল। এনেকৈ 'সংযুক্ত কেৰালা' ধাৰণাটোক কাৰ্যকৰী কৰাৰ প্ৰচেষ্টা আৰম্ভ হৈছিল।

যেতিয়া সেই সন্মিলনখন পতা হৈছিল তেতিয়া মই চিঙ্গাপুৰত আছিলোঁ। মই তাৰপৰা সন্মিলনলৈ এটা বাণী পঠাইছিলোঁ।

1946 চনৰ 2 ফেব্ৰুৱাৰীত আলুৱেত সংযুক্ত কেৰালাৰ যিখন সন্মিলন আহ্বান কৰা হৈছিল তাত গ্ৰহণ কৰা প্ৰস্তাৱবোৰে সকলোৰে মনলৈ নতুন উৎসাহ আৰু উদ্যম আনিছিল। সংযুক্ত কেৰালা সমিতিৰ সদস্যসকলৰ বাহিৰেও ত্ৰিবাঙ্কুৰ আৰু কোচিনৰ নিৰ্বাচিত সদস্য, কেৰালা কংগ্ৰেছ সমিতিৰ সদস্য আৰু বিশেষকৈ আমন্ত্ৰিত মানুহক লৈ সন্মিলনলৈ দুশৰো অধিক প্ৰতিনিধি আহিছিল। সংযুক্ত কেৰালা সমিতিৰ সভাপতি শ্ৰীকেলপ্পনে সেই সন্মিলনৰো সভাপতিত্ব গ্ৰহণ কৰিছিল।

সন্মিলনখনত গ্ৰহণ কৰা প্ৰস্তাৱটো তলত উল্লেখ কৰা হৈছে।

"কেৰালাৰ ভৌগোলিক পৰিস্থিতি, কেৰালাৰ জনসাধাৰণৰ আৰ্থিক, সামাজিক আৰু সাংস্কৃতিক বিকাশ আৰু শাসন সম্বন্ধীয় সুবিধালৈ লক্ষ্য ৰাখি ত্ৰিবাঙ্কুৰ, কোচিন, মালবাৰ আৰু সম্বন্ধ থকা ওচৰ-চুবুৰীয়া প্ৰদেশকেইখনক লৈ এই সন্মিলনে এখন সংযুক্ত কেৰালা প্ৰদেশ গঠন কৰাৰ প্ৰস্তাৱটো গ্ৰহণ আৰু সমৰ্থন কৰে।" প্ৰস্তাৱটো ময়েই তৈয়াৰ কৰি দিছিলোঁ আৰু টি. এম ভাৰ্গিচে তাক সমৰ্থন কৰিছিল। কোষিপ্পুৰন্তু

মাধৱ মেনন, চি কেশৱন আৰু পনমপিল্লি গোৱিন্দ মেননে প্ৰস্তাৱটোৰ সপক্ষে বক্তৃতা দিয়ে।

প্ৰস্তাৱটোৰ নিৰ্দেশৰ সফলতাৰ কাৰণে আগৰ সংযুক্ত কেৰালা সমিতিৰ ঠাইত সদস্যসকলৰ এখন সংযুক্ত কেৰালা কমিটি গঠন কৰা হ'ল। আৱশ্যক হ'লে নতুন সদস্যক যোগ কৰাৰ অধিকাৰ কমিটিক দিয়া হ'ল। মই সেই কমিটিখনৰ এজন সদস্য আছিলোঁ। সেই সংযুক্ত কেৰালা কমিটিখনে পিছত তাৰ লক্ষ্যৰ কাৰণে কাম কৰি গৈ থাকে। শ্ৰী কে. কেলপ্পন কমিটিৰ সভাপতি আৰু কে. এ. দামোদৰ মেনন তাৰ কাৰ্য-নিৰ্দেশক আছিল।

আলুৱে সন্মিলনৰ ছমাহৰ পিছত এটা প্ৰধান ঘটনা ঘটিল। 1949 চনৰ পহিলা জুলাইত কোচিন আৰু ত্ৰিবাঙ্কুৰ একেলগ হ'ল। ইয়াৰ বাবে তেতিয়াৰ ৰাজ্যমন্ত্ৰালয়ৰ সচিৱ ভি. পি. মেননে অহোপূৰুষাৰ্থ কৰিছিল আৰু তাৰ কৃতকাৰ্যতাৰ কাৰণে তেওঁ দায়ী আছিল।

ত্ৰিবাঙ্কুৰ আৰু কোচিন একেলগ হোৱাত সংযুক্ত কেৰালা সমিতিৰ সদস্যসকলৰ মাজত মতান্তৰ হ'ল। যেতিয়া সমিতিয়ে ত্ৰিবাঙ্কুৰ আৰু কোচিনৰ সংযোজনক সমিতিৰ উদ্দেশ্যৰ অনুকূল হ'ব বুলি মানি ল'লে, তাৰ সভাপতি কেলপ্পনে সমিতিত তেওঁৰ উপস্থিতিৰ কোনো প্ৰয়োজন নাই বুলি পদত্যাগ কৰিলে। তাৰ পিছত ওঠৰ তাৰিখত তিৰুৱনন্তপুৰমত আহ্বান কৰা সংযুক্ত কেৰালা কমিটিৰ বৈঠকত মোক কমিটিৰ সভাপতি হিচাপে নিৰ্বাচন কৰিলে। সিমানেই নহয়, লগে লগে এখন উপ-সমিতি গঠন কৰিলে যিখন সমিতিয়ে কেৰালা প্ৰান্তক তুৰন্তে কাৰ্যকৰী কৰিবৰ কাৰণে যেন কেন্দ্ৰীয় চৰকাৰক অনুৰোধ কৰিব পাৰে। তাৰ সদস্য আছিল এ. কে. দামোদৰ মেনন, মানিকুন্ত নাৰায়ণ মেনন, কে পি মাধৱন নায়াৰ, জি শঙ্কৰণ নায়াৰ আৰু ডঃ চি. আৰ কৃষ্ণ পিল্লে। সংযুক্ত-কেৰালা কমিটিৰ সভাপতি হিচাপে ময়ো সমিতিত আছিলোঁ। কেন্দ্ৰীয় চৰকাৰক দিবৰ কাৰণে উপ-সমিতিয়ে এখন আৱেদন পত্ৰও যুগুত কৰিলে। তাৰ বাহিৰেও, সমিতিয়ে পালঘাটত এখন সংযুক্ত কেৰালা সন্মিলন আহ্বান কৰিবলৈ মনস্থ কৰিলে।

1949 চনৰ 6 নবেম্বৰত সংযুক্ত কেৰালা সন্মিলন পালঘাটত অনুষ্ঠিত হ'ল। অনেক প্ৰতিনিধি আৰু দৰ্শক তাত উপস্থিত আছিল। সেই সন্মিলনখন ত্ৰিশূৰ আৰু আলুৱেত বহা সন্মিলন দুখনতকৈ বেলেগ আছিল। তাৰ কাৰণো আছিল।

আমাৰ কিছুমানৰ মতে 1950 চনৰ জানুৱাৰীত যেতিয়া নতুন সংবিধান কাৰ্যকৰী কৰা হ'ব তেতিয়াই কেৰালা প্ৰান্ত লগে লগে গঠন হোৱা উচিত য'ত কোচিন আৰু ত্ৰিবাঙ্কুৰৰ লগত মালবাৰো লগ লাগিব। আমাৰ মতটো অনেকে সমৰ্থন কৰিলে কিন্তু বিপক্ষেও কিছুমান মানুহ আছিল। তেওঁলোকে তাৰ বিৰোধিতা কৰাৰ কাৰণ আছিল — ৰাষ্ট্ৰীয় গৌৰৱৰ দৃষ্টিত ত্ৰিবাঙ্কুৰ আৰু কোচিন মাদ্ৰাজ প্ৰান্তৰ দুখন নিম্ন শ্ৰেণীৰ ৰাজ্য কিন্তু মালবাৰ মাদ্ৰাজ প্ৰান্তত থকাৰ কাৰণে তাৰ মৰ্যাদা ত্ৰিবাঙ্কুৰ আৰু

কোচিনতকৈ বেছি। সেই কাৰণে তিনিওখনকে একেলগ কৰিলে মালবাৰৰ মৰ্যাদা তললৈ নামি আহিব। তেওঁলোক ক'লে যেতিয়া কোচিন আৰু ত্ৰিবাঙ্কুৰৰ স্তৰ মাদ্ৰাজ প্ৰান্তত থকা মালবাৰৰ স্তৰৰ সমান হ'ব তেতিয়াহে তিনিওখনৰ সংযোজন বাঞ্ছনীয় হ'ব।

দ্বিতীয় কথাটো মহাৰজা সম্বন্ধীয়। সংযোজনৰ সময়ত চুক্তি কৰা হৈছিল ত্ৰিবাঙ্কুৰৰ মহাৰজা জীয়াই থাকেমানে তেওঁ সেই প্ৰান্তৰ মহাৰজা হৈ থাকিব। মহাৰজা আৰু গভৰ্ণৰৰ অধিকাৰৰ মাজত ব্যৱধান বেছি নাই। কিন্তু কিছুমান মানুহে গভৰ্ণৰ আৰু মহাৰজাৰ মাজত থকা ব্যৱধানটো অন্য ধৰণে বিশ্লেষণ কৰিলে। তেওঁলোকৰ মতে গভৰ্ণৰ অৰ্থাৎ ৰাজ্যপাল গণতান্ত্ৰিকভাৱে অৰ্থাৎ ৰাইজে নিৰ্বাচন কৰা কিন্তু মহাৰজা ৰাইজৰ নিৰ্বাচিত নহয়। সেই কাৰণে মহাৰজাক ৰখা উচিত নহয়। এই বিষয়টোৰ কিছুদিন ধৰি সপক্ষে আৰু বিপক্ষে আলোচনা চলিল। সন্মিলনত এটা প্ৰস্তাৱ গ্ৰহণ কৰা হ'ল আৰু সেই প্ৰস্তাৱ মতে মহাৰজাহীন কেৰালা প্ৰান্তক অনুমোদন কৰা হ'ল। একেকৈয়ে পালঘাটৰ সন্মিলনখন শেষ হ'ল।

দুমাহৰ পিছত উপ-সমিতিৰ সদস্যসকলে দিল্লীলৈ গৈ প্ৰধান মন্ত্ৰী, চৰ্দাৰ পেটেল আৰু কংগ্ৰেছ সভাপতিক সাক্ষাৎ কৰি সংযুক্ত কেৰালাৰ কাৰণে এখন আৱেদন পত্ৰ দিলে। সেই সময়তে সংযুক্ত কেৰালা উপ-সমিতিৰ সদস্যসকলে ৰাজ্যসভাৰ সচিৱ ভি. পি. মেননৰপৰা হৃদয়তাপূৰ্ণ সহায়তা আৰু উপদেশ লাভ কৰিলে। তেওঁ ক'লে, "কেৰালা প্ৰান্ত গঠন কৰাত কোনো প্ৰতিবন্ধক নহ'ব কিন্তু অন্ধ্ৰ প্ৰান্ত গঠন কৰাৰ আগতে আন কোনো প্ৰান্ত গঠন কৰা সম্ভৱ নহয়। উচিত সময়ত চৰকাৰে ইয়াৰ ব্যৱস্থা কৰিব আৰু তেতিয়ালৈকে আপোনালোকে ধৈৰ্য ধৰিব লাগিব।" 4 ডিচেম্বৰত মই প্ৰতিনিধিসকলৰ লগত দিল্লীৰপৰা ঘূৰি আহিলোঁ।

পালঘাট সন্মিলনৰ পিছত সংযুক্ত কেৰালাৰ বিৰুদ্ধে মাজে-সময়ে আন্দোলন চলি আছিল। কিছুমান মানুহে তেওঁলোকৰ অস্পষ্ট মত প্ৰকাশ কৰিছিল। কেতিয়াবা কেতিয়াবা সংযুক্ত কেৰালা কমিটিৰ বৈঠক বহিছিল। অৱশ্যে কোনো গুৰুত্বপূৰ্ণ কাম কৰা হোৱা নাছিল। সেই সময়তে মই উচ্চ আয়ুক্তৰ পদ গ্ৰহণ কৰি লঙ্কালৈ গৈছিলোঁ। 1952 চনৰ ছেপ্তেম্বৰত মই যেতিয়া লঙ্কাৰপৰা উলটি আহিলোঁ তেতিয়াৰপৰা আকৌ সংযুক্ত কেৰালাৰ কাৰ্যক্ৰম আৰম্ভ কৰিলোঁ। তাৰ আগতে 1952 চনৰ জুন মাহত কেৰালা কংগ্ৰেছ কমিটিখন দুটা ভাগত বিভক্ত হৈছিল—এটা ত্ৰিবাঙ্কুৰ-কোচিন প্ৰদেশ কংগ্ৰেছ কমিটি আৰু আনটো মালবাৰ প্ৰদেশ কংগ্ৰেছ কমিটি। 1953 চনৰ এপ্ৰিলত পালঘাটত আহ্বান কৰা মালবাৰ প্ৰদেশ ৰাষ্ট্ৰীয় সন্মিলনে দক্ষিণ প্ৰান্ত গঠন কৰিবলৈ এটা প্ৰস্তাৱ দাঙি ধৰে। ত্ৰিবাঙ্কুৰ-কোচিন প্ৰান্ত আৰু মালবাৰ মাদ্ৰাজ প্ৰান্ত দুয়োটা একেলগ হৈ দক্ষিণ প্ৰান্ত হোৱাৰ কথা। সংযুক্ত কেৰালা কমিটি কেৰালা প্ৰান্ত গঠন কৰাৰ পক্ষে আছিল। কিন্তু মালবাৰ প্ৰদেশ কংগ্ৰেছ কমিটিয়ে গ্ৰহণ কৰা প্ৰস্তাৱটোৱে এটা নতুন প্ৰতিবন্ধক আনি থিয় কৰালে। সেই প্ৰস্তাৱটোক সমৰ্থন কৰা মানুহবিলাকৰ

বিৰুদ্ধে থিয় হ'বলৈ সংযুক্ত কেৰালা কমিটিয়ে নিজৰ কাৰ্যক্ৰম যুগুত কৰিলে। 1953 চনৰ 22 ছেপ্তেম্বৰত প্ৰধান মন্ত্ৰীয়ে সংসদত ঘোষণা কৰিলে প্ৰান্তবোৰক আকৌ ভাগ ভাগ কৰাৰ সংক্ৰান্তত এটা কমিচন সোনকালেই নিযুক্ত কৰা হ'ব। তেওঁৰ কথা মতে, এসপ্তাহৰ ভিতৰতে তিনিজন সদস্যৰ এটা কমিচন নিযুক্ত কৰা হ'ল। তাৰ সদস্যসকল আছিল—ফজল আলি, হৃদয়নাথ কুঞ্জৰো আৰু চৰ্দাৰ কে. এম. পানিকৰ।

তাৰ পিছত সংযুক্ত কেৰালাৰ কাৰণে তাৰ কমিটিৰ প্ৰতিবেদনখন প্ৰস্তুত কৰা আৰু যথা সময়ত কমিচনক দিয়া আদি কামবোৰত মই ব্যস্ত থাকিলোঁ। ইয়াৰ ভিতৰত কমিটিৰ কেইবাখনো বৈঠক বহিছিল।

1954 চনত যেতিয়া কমিচনৰ সদস্যসকল কোষিক্কোট্টলৈ আহিছিল, সংযুক্ত কেৰালা কমিটিয়ে তাৰ লিখিত বক্তব্য কমিচনক দিয়ে আৰু নিম্নোল্লিখিত এলেকাবোৰ একেলগ কৰিবলৈ এটা প্ৰস্তাৱ দাঙি ধৰে। সেই এলেকাবোৰ হ'ল — ত্ৰিবাঙ্কুৰ, কোচিন, মালবাৰ, দক্ষিণ কৰ্ণাটকৰ কিছু অংশ-নীলগিৰি জিলাৰ গুডল্লুৰ, উত্তকামণ্ড তথা কুটক আৰু লক্ষদ্বীপ। এই এলেকাবোৰ সেই প্ৰান্তত অন্তৰ্ভুক্ত কৰা হৈছিল। কমিচনৰ প্ৰতিবেদনখন প্ৰস্তুত কৰোঁতে অলপ পলম হৈছিল। তাৰ আগতে মই কমিচনৰ সদস্যসকলক কেইবাবাৰো দেখা কৰি উপযুক্ত এলেকাবোৰ প্ৰান্তৰ ভিতৰত অন্তৰ্ভূক্ত কৰিবলৈ পৰামৰ্শ দিছিলোঁ। সংযুক্ত কেৰালাৰ পক্ষে আৰু বিপক্ষে অনেক ঠাইয়ে কমিচনক নিজৰ নিজৰ মত ব্যক্ত কৰিছিল আৰু বাতৰি-কাকতবোৰত সেইবোৰ প্ৰকাশো হৈছিল। যেতিয়া কমিচনৰ প্ৰতিবেদনখন কেৰালা প্ৰান্তৰ অনুকূলে প্ৰকাশ হয়, দক্ষিণ প্ৰান্তৰ সমৰ্থনকাৰীসকলে আন্দোলন আৰম্ভ কৰি দিলে। এটা দুখৰ বিষয় আছিল যে সংযুক্ত কেৰালাৰ পক্ষত যিসকল প্ৰধান প্ৰধান লোক আছিল তেওঁলোক দক্ষিণ প্ৰান্তৰ পক্ষলৈ গ'ল। মোৰ অন্তৰঙ্গ বন্ধু কেইজনমানো তেওঁলোকৰ ভিতৰত আছিল। ক'বলগীয়া হৈছিল যে মালবাৰ কংগ্ৰেছ কমিটিৰ সেই সিদ্ধান্ত বৰ দুঃখজনক আছিল। সেই প্ৰসঙ্গত এখন বাতৰি-কাকতে কৈছিল, "কেৰালা প্ৰান্তৰ কাৰণে আটাইতকৈ আগতে কংগ্ৰেছেই মাত মাতিছিল আৰু এতিয়া কেৰালাৰ বিপৰীতে কোৱা সংস্থাবোৰৰ ভিতৰত কংগ্ৰেছেই আটাইতকৈ শেহত। এইটো ৰাজনীতিৰ ক্ষেত্ৰত উদ্ভৱ হোৱা এটা শোচনীয় পৰিস্থিতি। কেৰালাত কংগ্ৰেছৰ পুৰণি বন্ধু মালবাৰ। সেই পুৰণি বন্ধুত্বত এইটো এটা অস্বাভাৱিক অৱস্থা।" এবাৰ সংযুক্ত কেৰালাৰ বিষয়ে আলোচনা কৰিবৰ কাৰণে মই সকলো ৰাজনৈতিক দলৰ নেতাসকলক এখন বৈঠকলৈ মাতিলোঁ। উল্লেখযোগ্য যে কংগ্ৰেছৰ প্ৰতিনিধিসকলৰ বাহিৰে আন সকলো নেতা উপস্থিত আছিল।

যেতিয়া কমিচনৰ প্ৰতিবেদনৰ ভিত্তিত ভাৰত চৰকাৰে নিজৰ সিদ্ধান্ত ঘোষণা কৰিলে তেতিয়া বোম্বাই আৰু অন্যান্য প্ৰদেশত আন্দোলন আৰম্ভ হ'ল। আন্দোলনৰ কাৰণ আছিল যেনেকৈ বিচৰা হৈছিল তেনেকৈ তাক কাৰ্যকৰী কৰা নাছিল।

কেৰালা প্ৰান্ত গঠন কৰাৰ বিষয়ে নিশ্চিত হোৱাৰ পিছত সংযুক্ত কেৰালা কমিটিৰ

এখন বৈঠক 1956 চনৰ 4 মাৰ্চত ত্ৰিশূৰত আহ্বান কৰা হয়। সেই কমিটিয়ে যি প্ৰস্তাৱ গ্ৰহণ কৰিছিল তাক উল্লেখ কৰাটো উচিত হ'ব বুলি ভাবিয়েই তলত লিপিবদ্ধ কৰিছোঁ ঃ

"সংযুক্ত কেৰালা কমিটিয়ে কেৰালা প্ৰান্তৰ কাৰণে সদায় দৃঢ়তা অৱলম্বন কৰি আহিছে আৰু কেতিয়াও নিজৰ চেষ্টাৰপৰা বিমুখ হোৱা নাই।"

"কমিটিয়ে যিবোৰ ঠাইক কেৰালা প্ৰান্তৰ লগত একেলগ কৰিবলৈ বিচাৰিছিল, সেই সকলো ঠাই নাপালে। তথাপি কেৰালা প্ৰান্ত গঠন কৰা সম্বন্ধে এচ. আৰ, চি.ৰ প্ৰতিবেদনৰ ওপৰত ভিত্তি কৰি ভাৰত চৰকাৰে যি সিদ্ধান্ত গ্ৰহণ কৰিছে কমিটিয়ে মানি লৈছে।"

"কমিটিৰ দৃঢ় বিশ্বাস প্ৰান্তৰ সীমাৰ নামত হ'বলগীয়া আন্দোলন দেশৰ সুৰক্ষাৰ পৰিপন্থী আৰু সেই আন্দোলন বেছি হানিকৰকহে হ'ব।"

"কমিটিয়ে মানুহক আহ্বান কৰে যাতে তেওঁলোকে কেৰালা প্ৰান্তক সাফল্য মণ্ডিত কৰি তোলে।"

"কেৰালাবাসীৰ চিৰ অভিলাষৰ বিৰুদ্ধে কেৰালাক মাদ্ৰাজ নাইবা মহীশূৰৰ লগত বা দুয়োখন ৰাজ্যৰ লগত একেলগ কৰিবলৈ কিছুমান নেতাই যি প্ৰচেষ্টা কৰিছে, কমিটিয়ে সেই প্ৰচেষ্টাক অনুচিত বুলি গণ্য কৰে। এনে প্ৰচেষ্টা ত্যাগ কৰি ভাৰত চৰকাৰে ঘোষণা কৰা সিদ্ধান্তক যেন কাৰ্যকৰী কৰা হয় তাৰ বাবে কমিটিয়ে সকলো মানুহৰ সহযোগিতা কামনা কৰে।" এইটোৱেই সংযুক্ত কেৰালা সমিতিৰ স্বীকৃতিৰ নীতি আছিল। এই নীতিৰ কথা ক'বলৈ আৰু মানুহক বুজাবলৈ মই কেৰালাৰ ভিতৰত আৰু বাহিৰত পতা অনেক সম্মিলনলৈ গৈ তাত বক্তৃতা দিছিলোঁ।

মই মানি লওঁ যে মই যি বিচাৰিছিলোঁ তাক চৰকাৰে দিয়া নাছিল। ত্ৰিবাঙ্কুৰৰ তিনিটা মহকুমা আৰু গুডল্লুৰক কেৰালা প্ৰান্তত অন্তৰ্ভুক্ত নকৰা বাবে মই মনত বৰ দুঃখ পাইছিলোঁ। কিন্তু দক্ষিণপ্ৰান্ত, অন্ততঃ অতি কমেও এনে ধৰণৰ এখন কেৰালা মই ভাল পাওঁ। মোৰ অভিমত আৰু 'মাতৃ-ভূমি'ৰ নীতিক গৰিহণা দি লিখা কঠোৰ ভাষাৰ অনেক চিঠি মোৰ হাতত পৰিছিল। প্ৰান্তবোৰৰ পুনৰ্গঠনৰ বিলখন বিধিবদ্ধ হোৱা পৰ্যন্ত মনত শঙ্কা আছিল জানোচা কিবা ব্যতিক্ৰম হয়। শেহত যেতিয়া 'বিলখন' বিধিবদ্ধ হ'ল মই মনত বৰ আনন্দ পালোঁ।

মোৰ কল্পনাৰ কেৰালা

এটা লক্ষ্যক কেন্দ্ৰ কৰি কঠোৰ পৰিশ্ৰম কৰিলে পৰিশ্ৰম কৰা মানুহজনৰ মনলৈ সেই কঠোৰ পৰিশ্ৰমৰ মাজতো আনন্দ আহে। আৰু যেতিয়া তেওঁ লক্ষ্যস্থানত উপনীত হয় তেতিয়া সেই আনন্দৰ সীমা নাথাকে। কিন্তু সেই আনন্দ মাত্ৰ অলপ সময়ৰ কাৰণেহে। তাৰ পিছত মনলৈ ভয় আহে 'এতিয়া কি কৰিব লাগিব ?' সেই চিন্তাই তেওঁক বিভ্ৰান্ত কৰি দিয়ে। কেৰালা প্ৰান্ত গঠন হোৱাৰ পিছত সেই চিন্তাই আমাৰ মনলৈ আহিছিল।

কেৰালা প্ৰান্ত গঠন হ'ল সঁচা কিন্তু এতিয়া কি কৰা যায় ? এতিয়া কেৰালাৰ উন্নতি সম্ভৱনে ? ই এতিয়া কোন বাটেদি আগবাঢ়ি যাব ? উন্নতিৰ কাৰণে কাৰ্যসূচী হাতত লোৱাৰ কথা মই কোৱা নাই। ক'ব খুজিছোঁ সফলতাৰ কাৰণে আমাৰ উদ্যম আৰু উৎসাহৰ কথা। সেৱা কৰাৰ ইচ্ছাও ইয়াত আছে। কিন্তু অধিক সংখ্যক মানুহ এটা কথা চিন্তা কৰি আঁতৰত থাকিবলৈ বিচাৰে যে 'আমি কি কৰিব লাগিব।' এই কাৰণে সৰ্বপ্ৰথমে এটা লক্ষ্যৰ জ্ঞান থাকিব লাগিব। আমাক কি লাগে—সেই সম্বন্ধে আমাৰ স্পষ্ট ধাৰণা আৰু জ্ঞান থাকিব লাগিব। আমাৰ লক্ষ্য কেৱল ইচ্ছাৰ ওপৰত নিৰ্ভৰ কৰা হ'ব নেলাগিব। এটা আদৰ্শ যিমানেই আকৰ্ষক হওক, তাক চেষ্টা কৰিও লাভ কৰিব নোৱাৰিলে তাক আশা কৰাটো বৃথা। আমি তেন্তে কোন লক্ষ্যক কেন্দ্ৰ মানি লৈ চেষ্টা কৰা উচিত ?

এতিয়া যি কেৰালা আমাৰ সম্মুখত আছে সেই কেৰেলা মোৰ কল্পনাৰ কেৰালাতকৈ কিমান ভিন্ন ! মোৰ কল্পনাৰ কেৰালাত দাৰিদ্ৰ্য আৰু নিবনুৱা সমস্যা নাথাকিব, ক'তো নিৰ্ধনী চকুত নপৰিব ; নতুন ব্যৱসায়, বেপাৰ-বাণিজ্য থাকিব আৰু আধুনিক ধৰণে খেতি-বাতি কৰিব পৰা সকলো ব্যৱস্থা থাকিব। মোৰ কল্পনাৰ কেৰালাত প্ৰাথমিক পঢ়াশালি নথকা এখনো গাঁও নাথাকিব, সুন্দৰ খেলপথাৰ, বাগিচা আৰু উদ্যানত মুখত হাঁহি থকা স্বাস্থ্যৱান ল'ৰা-ছোৱালীক খেলি থকা দেখি আমি মনত অপাৰ আনন্দ পাম, চহৰ আৰু গাঁৱত সুখেৰে জীৱন যাপন কৰাৰ সকলো সুখ-সুবিধা থাকিব, সুন্দৰ সুন্দৰ ঘৰ, বহল পৰিষ্কাৰ ৰাস্তা আৰু ধুনীয়া ধুনীয়া বাগিচাবোৰে বাহিৰৰপৰা অহা ভ্ৰমণকাৰীসকলক আকৃষ্ট কৰিব। মানুহৰ সদ্ভাৱ সৎ আচৰণ দেখি তেওঁলোক মুগ্ধ হ'ব। হস্পিতালৰ সংখ্যা অনেক বেছি আৰু ৰোগীৰ সংখ্যা অনেক কম হ'ব। যেতিয়া আনন্দ মনেৰে বনুৱাসকলে ভাল পোছাক পিন্ধি বিনোদন ঠাইবোৰত

একেলগ হ'ব সেই দৃশ্য কিমান ভাল লাগিব ! দীঘল আৰু বহল ৰাস্তাবোৰেদি সুন্দৰ বাহনত উঠি যেতিয়া আনন্দত উত্ৰাৱল যাত্ৰী আৰু বাহনৰ চালকসকল গৈ থাকিব, তেওঁলোকৰ হাঁহিভৰা মুখবোৰ দেখি মনত কিমান আনন্দ লাগিব ! মোৰ কল্পনাৰ কেৰালাত মানুহৰ কাৰণে সুন্দৰ ভোজনালয় থাকিব আৰু কম দামতে মানুহে তৃপ্তিৰে খাবলৈ পাব। চৰকাৰী কাৰ্যালয়ত সৎ আৰু নিষ্ঠাৱান কৰ্মী আৰু অধিকাৰী থাকিব আৰু তেওঁলোকে ৰাইজৰ লগত প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে সম্পৰ্ক থকা কামবোৰ সংভাৱে আৰু সুচাৰুৰূপে সমাধা কৰিব। ভ্ৰমণকাৰীৰ স্বৰ্গ কেৰালাত তেওঁ দেখিবলৈ পোৱা অসংখ্য দৃশ্য থাকিব—সুন্দৰ উদ্যান, ঘৰ, সেউজীয়া গছ-গছনি, ধুনীয়া ধুনীয়া সুগন্ধি ফুলেৰে জাতিষ্কাৰ হৈ থকা ফুলনি, ফলৰ ভৰত দোঁ খাই থকা গছ, আকৰ্ষণীয় স্কুল, কলেজ, মন্দিৰ, গীৰ্জা আৰু মছজিদবোৰ দেখি ভ্ৰমণকাৰীয়ে মনত অপাৰ আনন্দ পাব। ভ্ৰমণকাৰীসকলৰ কাৰণে চাবলগীয়া ধুনীয়া ধুনীয়া ঠাই আৰু সুখ-সুবিধাৰ ব্যৱস্থা থকাৰ কাৰণে ভ্ৰমণকাৰীৰ সংখ্যা বাঢ়িব আৰু তাৰ ফলত কেৰালাৰ আয় বেছি হ'ব। সেই কেৰালাত ক'তো ভিখাৰী চকুত নপৰিব, কেৰালাবাসীয়ে তেওঁলোকৰ পৰম্পৰাগত উৎসৱবোৰ ধুমধামেৰে পালন কৰিব, গাঁওবোৰত কুটীৰ শিল্পই উন্নতি কৰিব আৰু চহৰৰ উপকণ্ঠত কাৰখানা থাকিব য'ত মালিক আৰু বনুৱাসকলৰ মাজত প্ৰীতিৰ সম্বন্ধ অটুট থাকিব। প্ৰতি বছৰত তিৰুনাবায়ত আয়োজন কৰা কেৰালা কলাৰ উৎসৱ জাকজমকতাৰে হাজাৰ হাজাৰ মানুহে পালন কৰিব আৰু সময়ে সময়ে কেৰালাৰ বিভিন্ন চহৰত প্ৰদৰ্শনীৰ আয়োজন কৰা হ'ব।

এনেকুৱা এখন কেৰালা মই কল্পনা কৰিছোঁ য'ত বিভিন্ন ধৰ্ম আৰু জাতৰ মানুহৰ মাজত সদায় মিলাপ্ৰীতি আৰু সদ্ভাৱ থাকিব। সেই কল্পনাৰ কেৰালাক আমি বাস্তৱত ৰূপ দিব লাগিব সেইটোৱেই মোৰ কামনা আৰু সেইটোৱেই প্ৰত্যেকজন কেৰালাবাসীৰ পৱিত্ৰ কৰ্তব্য হোৱা উচিত।

যিহেতু আমাৰ লক্ষ্য নিশ্চিত, সেই লক্ষ্যক সাৰ্থক কৰিবৰ কাৰণে আমি প্ৰকৃত পথ অন্বেষণ কৰিব লাগিব আৰু সকলো সম্ভাৱ্য উপায় অৱলম্বন কৰিব লাগিব। আমাৰ কামত বাধা অহাটো সম্ভৱ আৰু সেই বাধা হ'ল আমাৰ হীন আৰু সংকীৰ্ণ সাম্প্ৰদায়িক মনোভাব। আনৰ মত আৰু আদৰ্শক গৰিহণা দিয়াও এটা ডাঙৰ বাধা। কেতিয়াবা অধ্যৱসায়ী মানুহ আৰু নিষ্ঠাৱান কৰ্মীও হীন আৰু সংকীৰ্ণ মনোভাবৰ চিকাৰ হয়। "মোৰ", "মোৰ আত্মীয়-স্বজন আৰু বন্ধু-বান্ধৱৰ", "মোৰ নিজৰ সমাজৰ কাৰণে"—ইত্যাদি ধাৰণাবোৰ মনৰপৰা ত্যাগ কৰি "মোৰ দেশ আৰু সমাজৰ কাৰণে" মনোভাব পোষণ কৰা একান্ত আৱশ্যক। "সংযুক্ত কেৰালাই মোক কি উপকাৰ কৰিব"ৰ সলনি "সংযুক্ত কেৰালাৰ কাৰণে মই কি কৰিছোঁ" এই প্ৰশ্ন আমাৰ মনত উদয় হোৱা উচিত। ধৰ্ম আৰু মত যিয়েই হওক, ব্যক্তিগত লাভৰ ঠাইত দেশ আৰু সমাজৰ লাভৰ কথা সৰ্বদায় আমাৰ মনত থকা উচিত।

লক্ষ্যস্থানত উপনীত হ'বলৈ আত্মবিশ্বাসৰ একান্ত প্ৰয়োজন। যোগ্যতা আৰু উৎসাহতকৈ আত্মবিশ্বাসৰ মূল্য বেছি। এসময়ত আমাৰ মনত এটা ধাৰণা আছিল আমি সদায় ইংৰাজৰ অধীন হৈ থাকিম। ইংৰাজসকল স্বাধীন আৰু সুখী আৰু আমি পৰাধীন আৰু অসুখী — এই ভাবটো মনলৈ আনি আমি সদায় মনে মনে দুঃখী হৈ থাকোঁ। কিন্তু স্বাধীনতাৰ পিছত এই চিন্তাবোৰ এতিয়া সোঁৱৰণ মাথোন।

আৰু এটা কথা হ'ল—মিলি-জুলি কাম কৰাৰ মনোভাব। মিলি-জুলি কাম কৰিলে আমি লক্ষ্যস্থানত উপনীত হ'ব পাৰোঁ আৰু দেশৰ কল্যাণ সাধন কৰিব পাৰোঁ। আমি যিমানেই সক্ষম, দক্ষতাপূৰ্ণ, নিপুণ হওঁ যদি মিলিজুলি কাম নকৰোঁ সেই গুণবোৰে নিজৰ ক্ষমতা পূৰাকৈ দেখুৱাব নোৱাৰে আৰু আমি আমি পূৰাকৈ কোনো কাম কৰিব নোৱাৰোঁ। ইয়াৰ বাবে লাগে সহযোগৰ ধাৰণা, লক্ষ্যক সম্মুখত দেখা, প্ৰকৃত মাৰ্গ অৱলম্বন কৰা, আত্মবিশ্বাস বৃদ্ধি কৰা আৰু মিলিজুলি কাম কৰা।

নাগৰিকতাৰ বোধ এতিয়াও আমাৰ জনসাধাৰণৰ মনলৈ অহা নাই। ৰাষ্ট্ৰৰ উন্নতি সমৰ্থ নাগৰিকৰ হাতত নিৰ্ভৰ কৰে। সংগঠনমূলক প্ৰশিক্ষণে উত্তম নাগৰিক সৃষ্টি কৰিব পাৰে। নাগৰিকসকলৰ ডাঙৰ মহত্বপূৰ্ণ কৰ্তব্য সমগ্ৰতাৰ সংস্পৰ্শত লাভ কৰিব পাৰি। এই লক্ষ্যত উপনীত হ'বলৈ কিছুমান নাগৰিক প্ৰশিক্ষণ সংঘ স্থাপন কৰা উচিত। নাগৰিক হিচাপে আমি মনত দায়িত্ববোধ জগাই তুলিবলৈ চৰিত্ৰ নিৰ্মাণৰ ওপৰত গুৰুত্ব দিব লাগিব।

1. শিক্ষা ঃ গণতন্ত্ৰৰ অধিকাৰ জনসাধাৰণৰ হাতত। জনসাধাৰণে স্বাধীনভাৱে চিন্তা কৰা উচিত। যদি তেওঁলোকে নিজৰ মত প্ৰকাশ কৰিবলৈ ইচ্ছা কৰে তাৰ কাৰণে তেওঁলোকৰ আৱশ্যকীয় জ্ঞান থকা উচিত। যদি সেই জ্ঞান লাভ কৰা নহয় আৰু মাত্ৰ অধিকাৰৰ বল লাভ হয় তেন্তে তাৰ ফল বিপজ্জনক হ'ব পাৰে। ডাঙৰ ডাঙৰ পদত থকা ব্যক্তিসকলেও এই কথাষাৰৰ ওপৰত গুৰুত্ব দিয়া উচিত। মতদাতা আৰু মতাধিকাৰ নোহোৱা লোক, সংবিধান সভা আৰু স্থানীয় সভাৰ সদস্যসকলৰ ক্ষেত্ৰতো এই কথাষাৰ প্ৰযোজ্য। শিক্ষাৰ অৰ্থ বিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ পাঠ্যক্ৰম অধ্যয়ন কৰাই নহয়, নাগৰিকে সাধাৰণ জ্ঞানৰ শিক্ষা আৰু স্থানীয় প্ৰশাসন সম্বন্ধীয় তথা সংবিধান সভাৰ সদস্যসকলে নিজৰ দায়িত্বজ্ঞান লাভ কৰাৰ শিক্ষা ল'ব লাগে। যি নিজৰ বিষয়বোৰৰ লগত সম্বন্ধ থকা কথাবোৰ ভালদৰে জানে, তেওঁলোকে সভা-সন্মিলনবোৰত শ্ৰোতাৰ মন বেছিকৈ মুগ্ধ কৰিব পাৰে। এনেকৈ জনসাধাৰণে সাধাৰণ জ্ঞান আৰু কৰ্মকৰ্তাসকলে নিজৰ কামৰ লগত সম্বন্ধ থকা কথাবোৰৰ শিক্ষা নিতান্তই লোৱা উচিত।

2. আচৰণ ঃ আচৰণত কেইবাটাও গুণ সোমাই আছে। ভাল ব্যৱহাৰৰ গুণ হ'ল আনৰ মনত সন্তোষ দিয়া আৰু মনত বিশ্বাস উৎপন্ন কৰা। কোৱা মতে কাম কৰা, নিজৰ কথা পালন কৰা, আনৰ সুবিধাবোৰত বাধা সৃষ্টি নকৰা আৰু অন্যায় সহ্য নকৰা আদি অনেক গুণ আচৰণৰ সমষ্টি। এজন প্ৰকৃত নাগৰিকৰ কাৰণে এই গুণৰ

একান্ত আৱশ্যক। চৰিত্ৰ গঠনৰ কাৰণে যিবোৰ গুণৰ আৱশ্যক, সেই গুণবোৰ নাগৰিকৰ গাতো থকা উচিত। ভাল আচৰণ নাগৰিকৰ আটাইতকৈ ভাল গুণ।

3. শুচিতা ঃ মাত্ৰ দেহৰ পৱিত্ৰতাকে শুচিতা বুলি নাভাবিব। তাৰ লগে লগে দেশ-পৱিত্ৰতাও একান্ত জৰুৰী। পৰিষ্কাৰ-পৰিচ্ছন্নতা পৱিত্ৰতাৰ অন্য এটা ৰূপ। আপুনি য'ত বাস কৰে সেই ঘৰ-দুৱাৰ আৰু তাৰ আশে-পাশে থকা ঠাইবোৰ পৰিষ্কাৰকৈ ৰখা উচিত। যদি প্ৰত্যেকজন মানুহে নিজৰ চহৰখন আৰু গাঁৱত থকা মানুহে নিজৰ গাঁওখন চাফ-চিকুণকৈ ৰাখে আমাৰ দেশখন কিমান সুন্দৰ হ'ব।

4. সাজ-পাৰ ঃ কেৱল নগ্নতা ঢাকিবৰ কাৰণেই মানুহে সাজ-পাৰ নিপিন্ধে। নিজৰ মান-সন্মান আৰু শৰীৰটো ভালভাৱে ৰাখিবৰ কাৰণেও সাজ-পাৰৰ নিতান্ত আৱশ্যক। আজি-কালি মানুহে কাপোৰ-কানি পিন্ধাত যি অৱহেলা দেখুৱায় সেই অৱহেলা অসহনীয়। মানুহে পাশ্চাত্য দেশৰ সাজ-পোছাক অনুকৰণ কৰি তাকেই ভাল সাজ-পাৰ বুলি ভাবে। সেইটো নিতান্ত ভুল। মই পশ্চিমীয়া সাজ-পাৰক বেয়া বুলি নকওঁ কিন্তু তাক শ্ৰেষ্ঠ বুলি কেতিয়াও স্বীকাৰ নকৰোঁ। আমাৰ দেশৰ পৰম্পৰাগতভাৱে যি সাজ-পাৰ চলি আহিছে মানুহে তাক অনাদৰ কৰাৰ অৰ্থ হ'ল আত্মসন্মানক অনাদৰ কৰা। গতিকে সুবিধা অনুযায়ী দুয়োধৰণৰ সাজ-পাৰ মানুহে মাৰ্জিতভাৱে পিন্ধিব লাগে। সদায় মনত ৰখা আৱশ্যক যি পোছাকেই মানুহে পিন্ধে সহজ, আড়ম্বৰহীন, মাৰ্জিত আৰু পৰিষ্কাৰ হ'ব লাগে।

5. স্বাস্থ্যৰক্ষা ঃ শৰীৰক আটিল, কৰ্মঠ আৰু সুন্দৰ কৰি ৰাখিব লাগে। তাৰ কাৰণে ব্যায়ামৰ প্ৰয়োজন। ব্যায়াম আৰু খেলা-ধূলা কৰাৰ অভ্যাস ল'ৰাকালৰপৰাই হোৱা উচিত। ফুটবল, ক্ৰিকেট, ভলীবল, টেনিচ আদি খেলাবোৰে মানুহৰ স্বাস্থ্য ভালে ৰাখে আৰু সৰ্বদায় কৰ্মতৎপৰ আৰু সতেজ কৰি ৰাখে। যেনেকৈ মনৰ শুচিতা আৰু বিকাশ অতি আৱশ্যকীয় তেনেকৈ শৰীৰৰ বল আৰু সৌন্দৰ্য আৱশ্যকীয়। আগৰ দিনত "কলৰিপয়ট্টুৱে" এই দিশত কাম কৰিছিল। এতিয়াও সকলো ঠাইতে তাক অভ্যাস কৰা বাঞ্ছনীয়। পোন্ধৰ বছৰ বয়স পূৰা হোৱাৰ আগতে ল'ৰা-ছোৱালীক শৰীৰ গঠনৰ প্ৰশিক্ষণ দিব লাগে। ইয়াৰ কাৰণে সংগঠনমূলক প্ৰচেষ্টাৰ প্ৰয়োজন।

6. ৰং-ধেমালি ঃ আজি-কালি মানুহৰ আমোদ-প্ৰমোদ, ৰং-ধেমালি কৰিবৰ সময় একেবাৰে নাই। এই ক্ষেত্ৰত গাঁৱৰ মানুহতকৈ চহৰৰ মানুহৰ সময় অনেক কম। ৰং-ধেমালি মানুহৰ জীৱনৰ এটা প্ৰধান অঙ্গ। আগৰ দিনত— যেতিয়া মানুহৰ পৰ্যাপ্ত সময় আছিল তেতিয়া তেওঁলোকে খেল-ধেমালি আৰু ৰং-ধেমালি কৰিছিল। এতিয়া সেই খেল-ধেমালিৰ সলনি আন ধৰণৰ আমোদ-প্ৰমোদ বাহিৰ কৰিছে। পুৰণি খেলাবোৰৰ উদ্ধাৰ আৰু নতুন খেলাবোৰৰ প্ৰচাৰৰ কাৰণে আমি ডেকা-গাভৰুসকলক উৎসাহ দিব লাগে।

7. সেৱাকাৰ্য ঃ মানুহ এটা সামাজিক প্ৰাণী। সমাজে তেওঁক অনেক ধৰণৰ সুখ দিয়ে। সেই কাৰণে তেওঁৰো সমাজৰ প্ৰতি কৰিবলগীয়া কিছুমান দায়িত্ব আছে। সেই

দায়িত্ববোৰ তেওঁ পালন কৰিবই লাগিব। আমাৰ সকলোৰে সমাজ-সেৱাৰ কাৰণে শক্তি আছে। আমি সমাজ-সেৱাৰ কামত নিজকে নিয়োগ কৰিলে আনে মনত আনন্দ পায় আৰু আমিও সেই আনন্দ পাওঁ। মহাপুৰুষসকলে কৈ গৈছে—আমি আনৰ উপকাৰ কৰি জীৱন কটাব লাগে। আমি অন্ততঃ আমাৰ জীৱনৰ এটা অংশ আনৰ উপকাৰ কৰা কামত নিয়োগ কৰিব লাগে। সকলো স্তৰৰ মানুহে সমাজ-সেৱা কৰিব পাৰে।

মহাপুৰুষ আলফ্ৰেড ৰাজাৰ নাম আপোনালোকে হয়তো শুনিছে। তেওঁ এজন উচ্চপদস্থ অধিকাৰী আছিল কিন্তু তেওঁৰ আজৰি সময়খিনি মানৱ আৰু সমাজ সেৱাত অৰ্পণ কৰিছিল। জনসাধাৰণক অধিক জ্ঞানৰ যোগান ধৰিবৰ কাৰণে তেওঁ অন্য ভাষাৰ গ্ৰন্থবোৰ অনুবাদ কৰাইছিল। তেওঁৰ জীৱনৰ লক্ষ্য লোক-সেৱা আছিল। ভাৰত-পিতা মহাত্মা গান্ধীয়ে দেশ-সেৱা আৰু মানৱ-সেৱাত তেওঁৰ গোটেই জীৱনটো উচৰ্গা কৰিছিল। আমাৰ লক্ষ্য যি কোনোভাৱে জীয়াই থকা নহয়, আমাৰ জীৱনটো আনক সুখ দি নিজে সুখী হোৱা হ'ব লাগে। আমি স্থিৰ কৰা উচিত যে আমাৰ জীৱনৰ যৎসামান্য অংশ হ'লেও যেন সমাজ আৰু মানৱ কল্যাণৰ কামত লগাব পাৰোঁ।

আমাৰ দেশত নানা ধৰণৰ শিক্ষা দিয়াৰ প্ৰশিক্ষণ কেন্দ্ৰৰ আৱশ্যক। সেই শিক্ষা কেন্দ্ৰবোৰত বিভিন্ন স্তৰৰ মানুহে প্ৰশিক্ষণ ল'ব পাৰে। নাৰীক যোগ্যতা অনুসাৰে প্ৰশিক্ষণ দি আমাৰ দেশলৈ যুগান্তকাৰী পৰিৱৰ্তন আনিব পাৰি। চিৰস্থায়ীভাৱে কোনো স্থায়ী কাৰ্যক্ৰম যুগুত কৰা সম্ভৱ নহয় কিন্তু সকলোৰে ৰুচি আৰু যোগ্যতা অনুযায়ী প্ৰশিক্ষণৰ ব্যৱস্থা কৰিব পাৰি। আমি সময় আৰু আৱশ্যকতা অনুসাৰে পৰিৱৰ্তন আনিব লাগিব। মুঠৰ ওপৰত মই ওপৰত উল্লেখ কৰা সকলো কথা অদূৰ ভৱিষ্যতে কাৰ্যক্ষেত্ৰত পৰিণত কৰা উচিত আৰু কৰিবও পাৰি।

সৎ চিন্তা সকলো সৎ কামৰ হেতু। আমি আজি যিবোৰ সুখ উপভোগ কৰিছোঁ সেইবোৰৰ হেতু হ'ল কেইজনমান মহাপুৰুষৰ সৎ চিন্তা। তেওঁলোকৰ কৰ্মোন্মুখ চিন্তা-ধাৰাই মানুহক কামৰ কাৰণে প্ৰস্তুত কৰে। সেই চিন্তাধাৰাই আমাক সকলো কামতে প্ৰেৰণা দিয়ে। মই দিবাস্বপ্নৰ কথা কোৱা নাই, কামৰ কাৰণে প্ৰেৰণা দিয়া ক্ৰিয়াত্মক চিন্তাধাৰাৰ কথাহে কৈছোঁ। যদি কেৰালাত উপযুক্ত নাগৰিক প্ৰশিক্ষণ কেন্দ্ৰবোৰ খোলা হয়, অদ্ভুত পৰিৱৰ্তন হোৱাৰ সম্ভাৱনা আছে। ইয়াক আমি প্ৰয়োগ নকৰোঁ কিয় ?

আঢ়ৈ হাজাৰ বছৰৰ আগতে গ্ৰীচত পায়থোগৰাচ নামৰ এজন মহাপুৰুষ আছিল। তেওঁ তেওঁৰ শিষ্যসকলক কৈছিল, "দেশৰ লগত উত্তম নাগৰিকৰ অতি ওচৰ সম্বন্ধ আছে। দেশ মা-দেউতাতকৈও শ্ৰেষ্ঠ, দেশ-প্ৰেম পতি-পত্নীৰ প্ৰেমতকৈও গভীৰ আৰু দেশৰ লগত থকা সম্বন্ধ পুত্ৰ-কন্যা আৰু বন্ধুৰ সম্বন্ধতকৈও ডাঙৰ। দেশ সকলোৰে মাক আৰু দেউতাক। দেশ পত্নীৰ ওচৰত পতি আৰু পতিৰ ওচৰত পত্নী। মিত্ৰতা দেশৰ এটা ডাঙৰ শক্তি যি দেশখনক বিদেশী আক্ৰমণকাৰীসকলৰপৰা ৰক্ষা কৰে।

মাতৃ, পত্নী আৰু কন্যাৰ সন্মান মানুহৰ ওচৰত এটা অতি মূল্যৱান বস্তু কিন্তু দেশৰ সন্মানক তাতোকৈও বেছি মূল্যৱান বুলি আমি গণ্য কৰা উচিত। দেশে তোমাৰ জীৱন মঙ্গলময় কৰে, তোমাক ৰক্ষা কৰে আৰু তোমাৰ মনত শান্তি দিয়ে। সভ্য মানুহক পশুতুল্য মানুহতকৈ পৃথক কৰা আৰু সৎ, জ্ঞানী আৰু নিষ্ঠাৱান মানুহ গঢ়ি তোলা সকলো কলা দেশত জন্ম হয়। এজন মানুহে নিজৰ ঘৰ আৰু পত্নীৰ কাৰণে মৃত্যুক অভ্যৰ্থনা কৰি যি সন্তোষ পায়, দেশৰ কাৰণে প্ৰাণ উচৰ্গা কৰিবলৈ আগবাঢ়ি যাওঁতে তেওঁ তাতোকৈয়ে বেছি সন্তোষ পায়।”

এটা সঙ্কটাপন্ন পৰিস্থিতি

কেৰালা প্ৰান্ত গঠন হোৱা সম্বন্ধত মোৰ মনত বৰ আশা আছিল। কেৰালাবাসী বুদ্ধিমান, শিক্ষিত আৰু সেৱা পৰায়ণ। মোৰ বিশ্বাস আছিল যদি এওঁলোকে একগোট হৈ উৎসাহেৰে কাম কৰে, কেৰালা এনে এখন উন্নত আৰু সমৃদ্ধিশালী ৰাজ্য হ'ব যি ভাৰতৰ সকলো ৰাজ্যৰ কাৰণে আদৰ্শস্বৰূপ হ'ব। কিন্তু মই যি আশা কৰিছিলোঁ, কেৰালা প্ৰগতিৰ পথত সিমানদূৰ আগবাঢ়িব নোৱাৰিলে। তাৰ উপৰিও কেৰালা প্ৰান্ত গঠন হোৱাৰ পিছত যি দুই এটা দুঃখপূৰ্ণ ঘটিল তাৰ কাৰণে মই একেবাৰে প্ৰস্তুত নাছিলোঁ আৰু ঘটিব বুলি কল্পনাও কৰা নাছিলোঁ। কিন্তু তথাপি মই মানি নলওঁ যে কেৰালা প্ৰান্ত গঠন হোৱাৰ পিছত তাৰ মানুহৰ একো লাভ হোৱা নাই। আমি এতিয়াও নিজৰ ভুল সংশোধন কৰিব পাৰোঁ আৰু কেৰালাক প্ৰগতিৰ পথত আগুৱাই লৈ যাব পাৰোঁ।

কেৰালা প্ৰান্ত গঠন হোৱাৰ ঠিক পিছতেই ত্ৰিবাঙ্কুৰত এটা ডাঙৰ আন্দোলন আৰম্ভ হ'ল। সেই আন্দোলনটো উচ্চ ন্যায়ালয় সম্বন্ধীয় আন্দোলন আছিল। ত্ৰিবাঙ্কুৰ আৰু কোচিন একেলগ হোৱাৰ পিছতো ত্ৰিৰু-কোচিনৰ ৰাজধানী ত্ৰিবাঙ্কুৰ আছিল আৰু মানুহে এৰ্ণাকুলমত উচ্চ ন্যায়ালয় স্থাপন কৰিবলৈ বিচাৰিছিল আৰু মোকৰ্দমা দাখিল কৰাৰ অধিকাৰৰ লগতে উচ্চ ন্যায়ালয়ৰ বিচাৰকৰ এখন আসন ত্ৰিবাঙ্কুৰত স্থাপন কৰিবলৈ স্থিৰ কৰিছিল। যেতিয়া কেৰালা প্ৰান্ত গঠন হ'ল ত্ৰিবাঙ্কুৰত থকা উচ্চ ন্যায়ালয়ৰ আসনখন বন্ধ কৰি দিলে আৰু তাৰ বিৰুদ্ধে লগে লগে আন্দোলন আৰম্ভ হ'ল। মাতৃভূমিৰ মত আছিল উচ্চ ন্যায়ালয়ৰ আসন অনেক ঠাইত থাকিলে উচ্চ ন্যায়ালয়ৰ মৰ্যাদা ক্ষুণ্ণ হ'ব আৰু সেই কাৰণে সেই আন্দোলন অনুচিত। 'মাতৃভূমি'ৰ দৃঢ় বিশ্বাস আছিল যিসকলে সেই আন্দোলনৰ নেতৃত্ব কৰিছে, তেওঁলোকৰ সিদ্ধান্ত সঙ্গত নহয়। মাতৃভূমিয়ে সেই মত প্ৰকাশ কৰাত আন্দোলনকাৰীবিলাক ৰুষ্ট হ'ল আৰু তেওঁলোকে 'মাতৃভূমি'ৰ ত্ৰিবাঙ্কুৰৰ কাৰ্যালয়ৰ সম্মুখত বিক্ষোভ প্ৰদৰ্শন কৰিলে।

সেই আন্দোলন দুমাহ ধৰি চলিছিল। তাৰ ভিতৰত আৰু কিছুমান ঘটনা ঘটিছিল। এটা সময়ত ঘোষণা কৰিলে যে সংবিধান সভাৰ প্ৰথম অধিৱেশন আৰম্ভ হোৱালৈকে আন্দোলন স্থগিত থাকিব। সেই সিদ্ধান্তটোৱে অনেকৰ মনলৈ আশ্বাস আনিলে।

যেতিয়া উচ্চ ন্যায়ালয় সম্বন্ধীয় আন্দোলন বন্ধ হ'ল, সেই সময়তে নিৰ্বাচনৰ বতাহ ববলৈ ধৰিলে। প্ৰান্তৰ পুনৰ্গঠনৰ পিছত সেইটোৱেই প্ৰথম নিৰ্বাচন আছিল। ৰাজনৈতিক দলবোৰে নিৰ্বাচনৰ কাম ধুমধামেৰে আৰম্ভ কৰিলে। কংগ্ৰেছৰ আদৰ্শই 'মাতৃভূমি'ক সহায় কৰিলে আৰু সেই কাৰণে 'মাতৃভূমি'য়ে কংগ্ৰেছৰ জয় কামনা

কৰিলে। কিন্তু এখন দেশীয় বাতৰি-কাকত হিচাপে "মাতৃভূমি"য়ে অন্যান্য ৰাজনৈতিক দলবোৰৰ লেখাও প্ৰকাশ কৰিলে। কিছুমান কংগ্ৰেছী সদস্যই তাৰ বিৰুদ্ধে অভিযোগ কৰিলে যে এই কামটো "মাতৃভূমি"য়ে উচিত কৰা নাই। আনপিনে অন্যান্য দলৰ নেতাসকলে অভিযোগ কৰিলে তেওঁলোকৰ দলবোৰৰ বিষয়ে 'মাতৃভূমি'য়ে যিমান প্ৰকাশ কৰিছে সেয়া যথেষ্ট নহয়। এবাৰ তেতিয়াৰ কংগ্ৰেছ সভাপতি ইউ. এচ. ধেবৰে মোক কৈছিল, 'মাতৃভূমি'য়ে নিৰ্বাচনত কংগ্ৰেছক যৎপৰোনাস্তি সহায় কৰিছে। যেতিয়া নিৰ্বাচনৰ ফলাফল ঘোষণা কৰা হ'ল মানুহ আচৰিত হ'ল। নিৰ্বাচনত সাম্যবাদী দলে শতকৰা 60, কংগ্ৰেছে 40, পি. এচ. পিয়ে 9, মুছলীম লীগে 8 আৰু নিৰ্দলীয়সকলে 6 স্থান অধিকাৰ কৰিলে। পাঁচজন নিৰ্দলীয় সদস্যই সাম্যবাদী দলৰ লগত যোগ দিলে আৰু এজনে কংগ্ৰেছত। সংবিধান সভাত সৰ্বমুঠ 127 জন সদস্য আছিল। সভাত সৰ্বাধিক সদস্যৰ দল সাম্যবাদী আছিল। সেই পৰিস্থিতিত "মাতৃভূমি"ৰ কৰ্তব্য কি হ'ব লাগে সেই সম্বন্ধে 1957 চনৰ 19 মাৰ্চত সম্পাদকীয়ত তলত দিয়া মতে প্ৰকাশিত হৈছিল ঃ

"কেৰালাত চৰকাৰ গঠন কৰাৰ সম্বন্ধে কেইআষাৰমান ক'ব খুজিছোঁ। ভাৰতত গণতান্ত্ৰিক শাসন ব্যৱস্থা আমাৰ সংবিধানে স্বীকাৰ কৰিছে। যিসকলে এই কথাটো জানে আৰু ভালদৰে বুজে আৰু তাৰ ওপৰত বিশ্বাস আছে, তেওঁলোক নিৰ্বাচনৰ অপ্ৰত্যাশিত ফলাফল দেখি' নিজৰ ভৱিষ্যৎ কৰ্তব্যৰ বিষয়ে শঙ্কিত হ'ব নেলাগে। ওপৰে ওপৰে নিৰ্বাচনৰ ফল অনুসাৰে সাম্যবাদী দলে শাসনভাৰ হাতত ল'ব লাগে। অৱশ্যে তাৰ বাবে আন দলৰ কেইজনমান সদস্যৰ প্ৰয়োজন। আশাকৰোঁ এই সময়ত তেওঁলোকে মন্ত্ৰীমণ্ডল গঠন কৰাৰ সময়ত সাম্যবাদী দলক সাহায্য নকৰি একো সমস্যা সৃষ্টি নকৰে। এই সময়ৰ পৰিস্থিতিত এইটোৱেই সৰল আৰু স্বাভাৱিক কথা।"

তাৰ পিছত "মাতৃভূমি"য়ে এই ধৰণৰ নীতি সমৰ্থন কৰিছিল যাৰ বাবে কংগ্ৰেছৰ কেইজনমান প্ৰধান নেতাই আক্ষেপ কৰিছিল। কিন্তু "মাতৃভূমি" সাম্যবাদী চৰকাৰৰ সপক্ষে নাছিল। যেতিয়াই সাম্যবাদী চৰকাৰৰ কাৰ্যকলাপবোৰ অসন্তোষজনক হৈছিল তেতিয়াই "মাতৃভূমি"য়ে তাক বৰ বেয়াকৈ সমালোচনা কৰিছিল। এনেকুৱা পৰিস্থিতি কেইবাবাৰো হৈছিল। এনেকৈ "মাতৃভূমি"ৰ প্ৰতি সাম্যবাদী দলৰ বিৰোধিতা দিনে দিনে বাঢ়ি গৈছিল।

"মাতৃভূমি"ৰ প্ৰতি কিছুমান কংগ্ৰেছ সদস্যৰ প্ৰতিকূল মনোভাব আৰু সাম্যবাদী-সকলৰ স্থায়ী শত্ৰুতা সত্ত্বেও "মাতৃভূমি"য়ে সেইবোৰলৈ কেৰেপ নকৰি নিজৰ নীতি অৱলম্বন কৰিছিল। সম্পাদক হিচাপে মই আদৰ্শৰ ওপৰত থিয় হৈ থাকিবলৈ দৃঢ়সংকল্প হৈছিলোঁ। তথাপি মোৰ কেইজনমান অন্তৰঙ্গ বন্ধুৱেও মই সাম্যবাদী দলটোৰ পিনে অলপ হেলনীয়া হৈছোঁ বুলি মোৰ পিনে কটাক্ষ কৰিছিল। প্ৰকৃততে, সাম্যবাদী দলৰ আদৰ্শৰ প্ৰতি মোৰ কোনো সহানুভূতি নাছিল কিন্তু নিৰ্বাচনত জয় লাভ কৰা এটা দলৰ চৰকাৰ হিচাপে সন্তোষজনকভাৱে শাসনকাৰ্য চলাই যাওঁতে অনাহকতে কেতিয়াও

তাৰ বিৰোধিতা কৰা নাছিলোঁ। সেই কাৰণে বিপক্ষ দলবোৰে "মাতৃভূমি"ক ভাল নাপাইছিল।

কিন্তু সাম্যবাদী দলৰ চৰকাৰৰ কাৰ্যকলাপে প্ৰায়েই মোৰ মনলৈ অসন্তুষ্টি আনিছিল আৰু নতুন গণতান্ত্ৰিক শাসনে মোক শঙ্কাকুল কৰিছিল। সেই সময়ৰ কিছুমান ঘটনা দেখি মই নিজকে প্ৰশ্ন কৰিছিলোঁ ৰাইজক মতাধিকাৰ দিয়াৰপৰা দেশৰ ভাল হ'লেনে বেয়া হ'ল ? অজ্ঞ আৰু সংযমহীন গণতন্ত্ৰই দেশত অৰাজকতাৰ সৃষ্টি নকৰিবনে? কোনো অসঙ্গত আৰু অৰ্থহীন কাৰণত বিপক্ষ ৰাজনৈতিক দলবোৰৰ সত্যাগ্ৰহ আৰু অনশন ব্ৰত, ছাত্ৰবোৰৰ অনুশাসনহীনতা আৰু শৃঙ্খলাবদ্ধতাৰ অভাৱ আৰু চৰকাৰী বিষয়া আৰু কৰ্মচাৰীসকলৰ দুৰ্ব্যৱহাৰ আৰু ভ্ৰষ্টতা দেখি এই শঙ্কা মোৰ মনত উদয় হৈছিল। মই স্পষ্ট দেখিছিলোঁ আমাৰ স্বাধীনতাৰ পৰিধি যিমানেই বহল হৈছিল সিমানেই আমাৰ স্বভাৱ-চৰিত্ৰ, সংব্যৱহাৰ আৰু সততাত ঘূণে ধৰিছিল। কিন্তু এইবোৰ দূৰ কৰাৰ কোনো উপায় নাই জানো ? এনেধৰণৰ দুশ্চিন্তাবোৰ মোৰ মনলৈ আহিছিল আৰু মই মনত অলপো শান্তি নেপাইছিলোঁ। কিন্তু এই পৰিস্থিতিৰ কাৰণে দায়ী কোন? এই অপৰাধ আনৰ ওপৰত জাপি দিলে লাভ কি ? এই প্ৰশ্নবোৰ নিজকে কৰি পিছত অনুভৱ কৰিছিলোঁ এই সমস্যাবোৰৰ সমাধানৰ দায়িত্ব আন মানুহৰ যিমান আছে মোৰো সিমানেই আছে। সেই কাৰণে নিজৰ দায়িত্ব পালন কৰিব নোৱৰা অসমৰ্থ পুৰুষৰ নিচিনাকৈ মই নিজৰ অসমৰ্থতালৈ চাই কিংকৰ্তব্যবিমূঢ় হৈ দিনবোৰ কটাই গৈ আছিলোঁ।

কিঞ্চিৎ প্ৰয়াস

সেই সময়ত কিছুমান কাৰণত ৰাজনীতিত সক্ৰিয় অংশ গ্ৰহণ কৰাৰ ইচ্ছা মোৰ একেবাৰে নাছিল। ৰাজনীতিতেই নহয় ৰাজনীতিৰ লগত সম্বন্ধ থকা সভা-সমিতিবোৰতো যোগদান কৰাৰ ইচ্ছাও নাছিল। তাৰ কাৰণ দেশৰ ৰাজনৈতিক বিচাৰধাৰালৈ অহা মতান্তৰ নাছিল। মোৰ মতৰ লগত আনৰ মত নিমিলিলে তেওঁক আদৰ নকৰা মনোভাব মই নিশ্চয় পোষণ কৰা নাছিলোঁ। কিন্তু ভৱিষ্যতৰ মত আৰু মতান্তৰৰ ৰীতি আৰু তাৰ কাৰণে কামত প্ৰয়োগ কৰা ধৰণ মোৰ অভিৰুচিৰ নিতান্ত বিপৰীত আছিল। হয়তো মোৰেই অসমৰ্থতা আছিল যে পৰিৱৰ্তনশীল পৰিস্থিতিত মই মোৰ মত পৰিৱৰ্তন কৰিব নোৱাৰিছিলোঁ। যি কি নহওক ৰাজনৈতিক ক্ষেত্ৰৰপৰা আঁতৰত থকাৰ ইচ্ছা মোৰ মনত প্ৰবল হ'ল আৰু তাৰ ফলত আন ক্ষেত্ৰত যোগদান কৰাৰ সুযোগ পালোঁ।

সেই সময়ত মই দক্ষিণ ভাৰতীয় ভাষা গ্ৰন্থ ন্যাসত (Southern Language Book Trust) সম্বন্ধ স্থাপন কৰিবলৈ আৰম্ভ কৰিলোঁ। 1955 চনত সেই ন্যাস স্থাপিত হৈছিল। ন্যাসৰ উদ্দেশ্য আছিল তামিল, তেলুগু, কান্নাড়, মালয়ালম আদি দক্ষিণ ভাৰতীয় ভাষাৰ ভাল কিতাপবোৰ কম দামত বিক্ৰী কৰা। ন্যাস মাদ্ৰাজত স্থাপিত হৈছিল। তাৰ কাৰণে আমেৰিকাৰ ফৰ্ড সংস্থাপনে (Ford Foundation) ন্যাসলৈ পৰ্যাপ্ত বিত্তীয় সাহায্য আগবঢ়াইছিল। প্ৰকাশনৰ কাৰ্যক্ৰমত উপদেশ আৰু পৰামৰ্শ দিবলৈ প্ৰত্যেকটো ভাষাতে নিজৰ বিভিন্ন সমিতি গঠন কৰা হৈছিল। মই মালয়ালম ভাষা সমিতিৰ সভাপতি আছিলোঁ। ন্যাসে প্ৰায় দুশখন কিতাপ দক্ষিণ ভাৰতীয় ভাষাত প্ৰকাশ কৰিছিল আৰু তাৰ ভিতৰত চল্লিশখন কিতাপ মালয়ালম ভাষাৰ আছিল।

মই কেৰালা সাহিত্য একাডেমিৰ কাৰ্যকৰী সমিতিৰ সভাপতি হিচাপে কিছুদিন কাম কৰিবলগীয়া হৈছিল। একাডেমি 1956 চনত চৰ্দাৰ কে. এম. পানিকৰৰ সভাপতিত্বত আৰম্ভ হৈছিল অৰ্থাৎ কেৰালা প্ৰান্ত গঠন হোৱাৰ আগতে। পাছত তেওঁক ফ্ৰান্সত ভাৰতীয় ৰাজদূত হিচাপে নিযুক্ত কৰাত তেওঁ তালৈ যায়। তেওঁ যোৱাত চৰকাৰে মোক একাডেমিৰ কাৰ্যভাৰ গ্ৰহণ কৰিবলৈ আহ্বান কৰে। সেইমতে মই 1957 চনৰ ফেব্ৰুৱাৰীত সাহিত্য একাডেমিৰ সভাপতিৰ কাৰ্যভাৰ গ্ৰহণ কৰোঁ। এটা নতুন সংস্থা হোৱাৰ কাৰণে তাৰ মৰ্যাদা আৰু উন্নতিক লক্ষ্য হিচাপে বিবেচনা কৰি দক্ষতাৰে পৰিচালনা কৰিবলগীয়া হৈছিল। কেৰালাৰ কেইবাজনো প্ৰখ্যাত সাহিত্যিক তাৰ সদস্য আছিল। যেতিয়া ইমান এটা উচ্চ স্তৰৰ সংস্থাৰ প্ৰতি সেৱা আগবঢ়োৱাৰ সুযোগ মোক দিয়া হৈছিল সেই পদটোক মই এটা উচ্চ সন্মানৰ পদ বুলি মানি লৈছিলোঁ।

একাডেমিৰ কেন্দ্ৰ তিৰুৱনন্তপুৰমৰপৰা পিছত ত্ৰিশূৰলৈ স্থানান্তৰ কৰা হৈছিল। তাত একাডেমিৰ লগত সম্বন্ধ থকা সকলো কাম সুচাৰুৰূপে সম্পন্ন হৈছিল। এনেকৈ দুবছৰ ধৰি একাডেমিৰ সভাপতি পদত থাকি বিশেষ এটা অনিবাৰ্য কাৰণত মই ত্যাগপত্ৰ দিবলৈ বাধ্য হওঁ। 1958 চনৰ 4 মাৰ্চত মই ত্যাগপত্ৰ দিওঁ। তাৰ কাৰণ তলত সংক্ষেপে লিপিবদ্ধ কৰিছোঁ।

একাডেমিৰ দায়িত্ব গ্ৰহণ কৰাৰ পিছত মই এজন সুদক্ষ অধিকাৰীক নিযুক্ত কৰিবলগীয়া হয়। তেওঁৰ প্ৰয়োজন আছিল সচিৱক সকলো কামতে সাহায্য কৰা। চৰকাৰক সেই বিষয়ে জনোৱাত চৰকাৰে নিজৰ ৰাজহ বিভাগৰ এজন অভিজ্ঞ আৰু দক্ষতাপূৰ্ণ অধিকাৰীক নিযুক্ত কৰি একাডেমিলৈ পঠাই দিলে। কিন্তু কেইমাহমানৰ পিছতে হঠাতে মোৰ অজ্ঞাতে সেই অধিকাৰীজনক ৰাজহ বিভাগলৈ লৈ গ'ল আৰু তেওঁৰ ঠাইত আন এজন মানুহক নিযুক্ত কৰিলে। চৰকাৰে একাডেমিৰ সচিৱলৈ পঠোৱা নিৰ্দেশপত্ৰত উল্লেখ কৰিলে একাডেমিৰ সেই পদটো স্থায়ী নহয় আৰু ভৱিষ্যতে সেই অধিকাৰীজনক যি কোনো সময়তে একাডেমিৰপৰা ঘূৰাই নিয়া হ'ব। চৰকাৰৰ এই কাৰ্য অসঙ্গত আছিল আৰু তাৰদ্বাৰা একাডেমিৰ মৰ্যাদাকেই উলঙ্ঘন কৰা নাছিল তাৰ বাহিৰেও একাডেমিৰ ক্ষতিৰ কথা চিন্তা নকৰি সভাপতিৰ অজ্ঞাতে এজন অভিজ্ঞ মানুহৰ ঠাইত নতুন মানুহ এজন নিযুক্ত কৰাটো ন্যায়সঙ্গত নাছিল। নিয়মমতে, একাডেমিৰ সকলো অধিকাৰী আৰু কৰ্মচাৰীক নিযুক্ত আৰু বৰ্খাস্ত কৰাৰ দায়িত্ব একাডেমিৰ কাৰ্যকৰী সমিতিৰ। তেনেস্থলত কাৰ্যকৰী সমিতি তথা সভাপতিৰ অজ্ঞাতে দুজন অধিকাৰীক দুবাৰ নিযুক্ত কৰাৰ কাৰণে মই মুখ্যমন্ত্ৰীলৈ এখন চিঠি লিখিলোঁ। কিন্তু তাৰ উচিত উত্তৰ নাপালোঁ। মাত্ৰ জনালে যে পুৰণি অধিকাৰীজন ৰাজহ বিভাগৰ কাৰণে অনিবাৰ্য হোৱাৰ কাৰণে তেওঁক লৈ অহা হ'ল। একাডেমিয়ে কেতিয়াও কোৱা নাছিল যে এজন অধিকাৰীক একাডেমিত স্থায়ীভাৱে ৰাখিব লাগে। কিন্তু সেই অধিকাৰীজনক নিযুক্ত কৰি আকৌ ঘূৰাই লৈ যোৱাত চৰকাৰে যেনেভাৱে ব্যৱহাৰ কৰিলে সেই ব্যৱহাৰ সাহিত্য একাডেমিৰ নিচিনা এটা উচ্চ সংস্থাৰ প্ৰতি নিশ্চয় কৰিবলগীয়া নাছিল। তদুপৰি মই সেই সংস্থালৈ ইচ্ছা কৰি অহা নাছিলোঁ, চৰকাৰে মোক তাৰ উন্নতিৰ কাৰণে নিযুক্ত কৰিছিল। যি কি নহওক চৰকাৰৰ সেই অনুচিত ব্যৱহাৰ মই সহ্য কৰিব নোৱাৰিলোঁ আৰু সেই পৰিস্থিতিত মোৰ কৰ্তব্য যথোচিতভাৱে সম্পাদন কৰাটো মোৰ পক্ষে অসম্ভৱ হ'ল। সেই কাৰণে দুঃখেৰে মই একাডেমিৰ সভাপতি পদ ত্যাগ কৰিলোঁ। অৱশ্যে ত্যাগপত্ৰ দিয়াৰ পিছতো মই একাডেমিৰ এজন সাধাৰণ সদস্য হৈ থাকিলোঁ।

এই প্ৰসঙ্গত তুংচন স্মাৰক সমিতি তথা বল্লতীল স্মাৰক সমিতিৰ বিষয়ে কোৱা উচিত বোধ কৰোঁ। তিৰুৰৰ ওচৰত তুংচনপংৰপত তুংচন ৰামানুজ আচাৰ্যৰ এখন স্মাৰক স্থাপন কৰিবৰ উদ্দেশ্যেৰে 1955 চনত তুংচন স্মাৰক সমিতিৰ আয়োজন কৰা হৈছিল। তাৰ 60 বছৰৰ আগতে সেই উদ্দেশ্যে কেইজনমান প্ৰধান নেতাই

তুংচনপৰংপত এখন সন্মিলন আহ্বান কৰিছিল আৰু কেইটামান প্ৰস্তাৱ গ্ৰহণ কৰিছিল। কিন্তু তাৰ পিছত কোনো কাম হোৱা নাছিল। 1954 চনৰ 17 ডিচেম্বৰত তুংচন দিৱস পালন কৰিবৰ উদ্দেশ্যে যিখন সন্মিলন আহ্বান কৰা হৈছিল তাত তুংচন স্মাৰক নিৰ্মাণ কৰিবৰ কাৰণে এখন কমিটি গঠন কৰিলে আৰু কমিটিত অধিক সংখ্যক সদস্য ভৰ্তি কৰিবলৈ অধিকাৰ দিলে। সেইখনক তুংচন স্মাৰক সমিতি নাম দিয়া হৈছিল।

স্মাৰক নিৰ্মাণ কৰিবৰ কাৰণে সমিতিয়ে ধন সঞ্চয় কৰিছিল। কিন্তু যিমান ধনৰ আৱশ্যক আছিল তাৰ ঠাইত অতি কম ধনহে সঞ্চয় কৰা হৈছিল। সেই কাৰণে চৰকাৰৰ বিনা সাহায্যত স্মাৰক নিৰ্মাণ কৰা অসম্ভৱ আছিল। আন উপায় নথকাৰ কাৰণে সমিতিয়ে চৰকাৰৰপৰা আৰ্থিক সহায়তা বিচাৰিলে। সেই সময়ত কেৰালাৰ মুখ্যমন্ত্ৰী শ্ৰীপট্টম থানু পিল্লে আছিল। তেওঁ আৰ্থিক সাহায্য দিবলৈ প্ৰতিশ্ৰুতি দিয়ে আৰু সেই অনুসাৰে যথাসময়ত আৰ্থিক সাহায্য দিয়ে।

সেই সময়ত কেৰালা মন্ত্ৰী মণ্ডলৰ সদস্য শ্ৰী কে. চন্দ্ৰ শেখৰন আৰু শ্ৰী আৰ শঙ্কৰে স্মাৰক নিৰ্মাণ কৰাত বৰ উৎসাহ দেখুৱাইছিল। শ্ৰী আৰ শঙ্কৰ পিছত কেৰালাৰ মুখ্যমন্ত্ৰী হয়। তাৰ ফলস্বৰূপে, 1964 চনৰ 15 জানুৱাৰীত স্মাৰকৰ উদ্বোধন কাম সম্পন্ন হয়। তাৰবাবে তিনি লাখ টকা খৰচ হৈছিল। তুংচন সমিতিয়ে যিখিনি টকা সংগ্ৰহ কৰিছিল সেই টকাখিনি চৰকাৰৰ তত্ত্বাৱধানত ৰখা হয়। এই স্মাৰকৰ পৰিচালনাৰ কাৰণে 1964 চনৰ 31 অক্টোবৰত চৰকাৰে এখন কমিটি নিযুক্ত কৰে। সেই কমিটিখনৰ সভাপতি পদৰ কাৰণে মোক নিযুক্ত কৰাত মই সেই পদ গ্ৰহণ কৰোঁ।

যথাসময়ত স্মাৰক নিৰ্মাণ কৰা হ'ল আৰু সকলোকে সন্তুষ্ট কৰিব পৰা এটা সুন্দৰ কলাভৱন তৈয়াৰ হ'ল কিন্তু তাৰদ্বাৰা উদ্দেশ্য পূৰ্ণ নহ'ল। স্মাৰকত উচ্চ স্তৰৰ গ্ৰন্থৰ এটা পুথিভঁৰালৰ একান্ত আৱশ্যক আছিল। তুংচত্তু এযুত্তচ্চনৰ গ্ৰন্থবোৰৰ বাহিৰেও অন্যান্য উৎকৃষ্ট মালয়ালম গ্ৰন্থৰ লগত সংস্কৃত গ্ৰন্থ পুথিভঁৰালত থাকিব লাগে। সেই উদ্দেশ্যে, তালৈ অহা লেখক আৰু পণ্ডিতসকলৰ থকাৰ ব্যৱস্থা কৰাটোও নিতান্ত প্ৰয়োজন আৰু মাজে মাজে তেওঁলোকৰ আলোচনা-চক্ৰৰো আয়োজন কৰা উচিত। 'তুংচন মঠ'ৰ তত্ত্বাৱধানত বিজ্ঞান সম্বন্ধীয় গ্ৰন্থৰ প্ৰকাশনো হোৱা উচিত। তুংচন স্মাৰক আৰু তাৰ চাৰিওপিনৰ পৰিৱেশটো সুন্দৰ আৰু আকৰ্ষণীয় হ'বলৈ তাত উদ্যানৰো আৱশ্যক। স্মাৰকটো কেৰালাৰেই নহয়, কেৰালাৰ বাহিৰৰপৰা অনবৰত অহা পৰিদৰ্শক আৰু অভ্যাগতসকলৰ কাৰণে যেন এখন তীৰ্থস্থানৰ নিচিনা হয় কমিটিৰ সেই লক্ষ্য আছিল আৰু সেই লক্ষ্যত উপনীত হ'বলৈ কমিটি যত্নশীল আছিল।

বল্লতোল স্মাৰক কমিটিৰ চেষ্টাও সফল হ'ল। 1958 চনৰ 13 মাৰ্চত মহাকবি বল্লতোলৰ মৃত্যু হৈছিল। তাৰ এমাহৰ পিছতে চেৰুতুৰুত্তীত যিখন সভা অনুষ্ঠিত হয়, তাত মহাকবিৰ এটা স্মাৰক নিৰ্মাণ কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হয় আৰু তাৰবাবে এখন কমিটি গঠন কৰা হয়। মই সেই কমিটিখনৰ সভাপতি আছিলোঁ। স্মাৰক নিৰ্মাণৰ কাৰণে ৰাইজৰপৰা আৰ্থিক সাহায্য পাইছিলোঁ কিন্তু সেই ধন যথেষ্ট নাছিল। ৰাইজৰপৰা

পোৱা একলাখ পঁচিশ হেজাৰ টকা বিশ্ববিদ্যালয়ক দিয়া হ'ল যাতে বিশ্ববিদ্যালয়ে প্ৰতিবছৰে কলা বা সাহিত্যৰ ওপৰত স্মাৰক-ভাষণৰ আয়োজন কৰে। 1962 চনৰ 13 মে'ত চৰুতুৰুত্তীৰ কলামণ্ডলত অনুষ্ঠিত হোৱা এখন লঘু সন্মিলনত স্মাৰক কমিটিৰ সভাপতি হিচাপে মই সেই টকাৰ চে'ক এখন বিশ্ববিদ্যালয়ৰ উপ-কুলপতি কে. চি. কে.ই ৰাজাৰ হাতত দিওঁ। 1966 চনৰ 14 আৰু 15 ফেব্ৰুৱাৰীত আকাশবাণীৰ মহা নিৰ্দেশক ডঃ ভি. কে. নাৰায়ণ মেননে তিৰুৱনন্তপুৰমত প্ৰথম বল্লতোল স্মাৰক বক্তৃতাটো দিয়ে।

আন এটা স্মাৰকৰ সাফল্য বিশেষ উল্লেখযোগ্য। সেইটো আছিল "মন্নাকোট্টি কৃষ্ণণৰ পৰিয়ালৰ সাহায্য নিধি"। তাৰ কাৰণে 'মাতৃভূমি'য়ে অশেষ চেষ্টা কৰিছিল।

1957 চনৰ 28 ছেপ্তেম্বৰত মন্নাকোট্টত এটা শোচনীয় ঘটনা ঘটিছিল। মন্নাকোট্টত বট্টত্তোটি কৃষ্ণণ নামৰ এজন চিত্ৰকৰ আছিল। এদিন কৃষ্ণণৰ ওচৰ-চুবুৰীয়া এজন মুছলমানৰ ঘৰত জুই লাগে। ঘৰৰ ভিতৰত দুটা সৰু সৰু ল'ৰা-ছোৱালী আছিল। কৃষ্ণণে জ্বলি থকা ঘৰটোত সোমাই সেই ল'ৰা-ছোৱালী দুটাৰ প্ৰাণ ৰক্ষা কৰে কিন্তু সিহঁতক ৰক্ষা কৰিবলৈ গৈ জুইত নিজৰ প্ৰাণ দিয়ে। কৃষ্ণণৰ মাক, ঘৈণীয়েক আৰু দুটা সৰু ল'ৰা আছিল। কৃষ্ণণৰ আত্মত্যাগে মানুহৰ মনত দাগ বহুৱায়। 'মাতৃভূমি'য়ে কৃষ্ণণৰ পৰিয়ালৰ কাৰণে আৰ্থিক সাহায্য দিবলৈ ৰাইজক গোহাৰি জনায় আৰু 10 ডিচেম্বৰত 'মাতৃভূমি'ত "মন্নাকোট্ট কৃষ্ণণ পৰিয়াল পুঁজি" আৰম্ভ কৰে। এমাহৰ ভিতৰত ৰাইজে পঠোৱা বৰঙণি 23385 টকা হয় আৰু সেই টকাখিনি কোষিক্কোট্টত ৰাজ্যপাল বি. ৰামকৃষ্ণ ৰাওৰ সভাপতিত্বত এখন বিশেষ সভাত কৃষ্ণণৰ পৰিয়ালক দিয়া হয়। ৰাইজে কৃষ্ণণৰ ঘৰ আৰু জ্বলি নষ্ট হোৱা মুছলমানজনৰ ঘৰ নতুনকৈ সাজি দিয়ে আৰু মহান ত্যাগী কৃষ্ণণৰ সমাধিস্থানত এটা স্মৃতিচিহ্ন তৈয়াৰ কৰে। বিশেষকৈ মনত ৰাখিবলগীয়া কথা যে অতি কম সময়ৰ ভিতৰতে ইমান বেছি টকা পোৱা গৈছিল।

কিছুমান স্মাৰকৰ কাৰণে ৰাইজে মুক্তহস্তে দান কৰে আৰু কিছুমান স্মাৰকৰ কাৰণে বেছি দান কৰিবলৈ নিবিচাৰে। ইয়াৰ কাৰণ এইটো নহয় যে স্মাৰক সমিতিবোৰে ভালদৰে প্ৰচাৰ নকৰে বা তাৰ কাৰণে বেছি চেষ্টা নকৰে। এবাৰ কোনো এটা স্মাৰকৰ কাৰণে সমিতি গঠন হ'লে সমিতিৰ সদস্যসকলো ধন সংগ্ৰহৰ কাৰণে যে যৎপৰোনাস্তি চেষ্টা কৰে তাত অলপো সন্দেহ নাই কিন্তু যিবোৰ স্মাৰকে ৰাইজৰ মন স্পৰ্শ কৰে, দেখা গৈছে সেইবোৰ স্মাৰকেই আৰ্থিক সাহায্য লাভ কৰাত বেছিকৈ কৃতকাৰ্য হয়।

কোষিক্কোট্টৰ হস্পিতালত ৰোগীৰ সুখ-সুবিধাবোৰ বৃদ্ধি কৰিবলৈ হস্পিতালৰ কৰ্তৃপক্ষক আৰ্থিক সাহায্য দিবলৈ "কালিকট হস্পিতাল সুচলতা পুঁজি সঙ্ঘ" নামৰ এটা সঙঘ 1966 চনত গঠন কৰা হয়। মই তাৰ সভাপতি আছিলোঁ আৰু কেইজনমান ডাক্তৰ আৰু ৰাইজৰ প্ৰতিনিধি তাৰ সদস্য আছিল। এই পুঁজিলৈ ৰাইজে উদাৰভাৱে বৰঙণি আগবঢ়ায় আৰু তাৰ ফলত হস্পিতালে 'গভীৰ-এক্স-ৰে সংযন্ত্ৰ', 'কাৰ্ডিওগ্ৰাম'

কিনে আৰু 'কুতিৰবট্টম'ৰ মানসিক ৰোগ হস্পিতাল আৰু সাধাৰণ হস্পিতালত দুটা ৰেডিঅ'ৰ যোগান ধৰা হয়। এই সঙ্ঘটোৱে এতিয়াও ৰোগীৰ কল্যাণ আৰু মনোৰঞ্জনৰ কাৰণে সেৱা আগবঢ়াই আছে। এনেকুৱা সঙ্ঘ কেৰালাৰ অন্যান্য হস্পিতালবোৰত খুলিলে ৰোগীৰ যথেষ্ট উপকাৰ কৰা হ'ব।

মই কোষিক্কোট্টৰ মানসিক চিকিৎসালয়ৰ ৰোগীসকলৰ সাহায্যৰ কাৰণে কাম কৰি থকা এনেকুৱা এখন এছোচিয়েচনৰ এতিয়াও সভাপতি হৈ আছোঁ। এই এছোচিয়েচনৰ চেষ্টাত এক লাখ টকা সংগ্ৰহ হোৱাত সেই টকাৰে হস্পিতালৰ ভিতৰতে এটা সুন্দৰ ঘৰ নিৰ্মাণ কৰা হৈছে। এছোচিয়েচনৰ এগৰাকী প্ৰধান সদস্যা হ'ল—কুট্টিবেল্লোটি।

চকু চিকিৎসাৰ কাৰণে লণ্ডনলৈ

1954 চনত প্ৰথমবাৰ মই অনুভৱ কৰিলোঁ—মোৰ দৃষ্টিশক্তি খীণ হৈ আহিছে। ৰাতি ভালদৰে পঢ়িব নোৱাৰিছিলোঁ আৰু আনে মোৰ কাৰণে পঢ়িব লগা হৈছিল। মোৰ বন্ধু শ্ৰী পি. বি. মেননে মাজে-সময়ে মোৰ চকু পৰীক্ষা কৰি চিকিৎসা কৰিছিল। তাৰ তিনি বছৰৰ পিছত কোষিক্কোট্টৰ হেডকোৱাৰ্টাৰ্চ হস্পিতালত মোৰ বাঁও চকুটোত অস্ত্ৰোপচাৰ কৰে। সেই অস্ত্ৰোপচাৰৰ ফলত বাঁও চকুটোৰে অলপ অলপ দেখিব পৰা হ'লোঁ কিন্তু সোঁ চকুটোৰ দৃষ্টিশক্তিও লাহে লাহে কম হ'বলৈ ধৰিলে। তথাপি ভালকৈ দেখা নাপালেও ৰাতিপুৱাই উঠি মই লিখি আছিলোঁ। কিন্তু যি লিখিছিলোঁ তাক ভালকৈ পঢ়িব নোৱাৰিছিলোঁ আৰু মাত্ৰ বগা কাগজখনৰ বাহিৰে আন একো নেদেখিছিলোঁ। তেনে অৱস্থাত মই মোৰ নাতিনীক মাতি আনি যি লিখিছিলোঁ তাক পঢ়ি শুনাবলৈ কৈছিলোঁ আৰু য'ত ভুল আছিল লৰালৰিকৈ শুদ্ধ কৰি লৈছিলোঁ। এনেভাৱে কিছুদিন পাৰ হৈ গ'ল আৰু মোৰ নাতিনী নলিনীয়ে মোক পঢ়ি শুনোৱা কামত সদায় সহায় কৰি থাকিল। কেতিয়াবা নলিনী আহি আচৰিত হৈছিল আৰু তাই মোক সুধিছিল, "ককা, কাগজত তুমি একো লিখা নাই, মই পঢ়িম কি ?" লিখি থাকোঁতে মোৰ কলমটোত যে চিয়াহী কেতিয়াবাই শেষ হৈছিল মই জনা নাছিলোঁ। যি কি নহওক, লাহে লাহে ৰাতিপুৱা লিখাৰ অভ্যাসটো বাধ্য হৈ বাদ দিব লগা হ'ল। কিন্তু অতি আৱশ্যকীয় কামৰ কাৰণে কেতিয়াবা কাৰ্যালয়লৈ যাবলগীয়া হৈছিল আৰু তাত আনৰ দ্বাৰা পঢ়ুৱাই লৈছিলোঁ আৰু আনে লিখাৰ ঠাই দেখুৱাই দিয়াত তাত চহী দিছিলোঁ বা দুই-এটা কথা লেখিছিলোঁ। অৱশ্যে সভা-সমিতিত বক্তৃতা দিয়াত কোনো অসুবিধা নহৈছিল। এনেকৈয়ে আৰু কিছুদিন পাৰ হৈ গ'ল।

1956 চনত এৰ্ণাকুলম সাহিত্য পৰিষদৰ জয়ন্তী সন্মিলনত মই মোৰ সভাপতিৰ ভাষণ পঢ়িব নোৱাৰি মনত বৰ দুঃখ পালোঁ। এজন বন্ধুৱে মোৰ ভাষণটো পঢ়ি শুনালে। যেতিয়া সোঁ চকুটোৰ মণিত ঘূৰণীয়া ক'লা দাগটো বেছি গাঢ় হ'ল, মই একেবাৰে অন্ধ হোৱাৰ নিচিনা হ'লোঁ। মোৰ চকুৰ অৱস্থা দেখি বন্ধু-বান্ধৱসকলে বৰ সহানুভূতি প্ৰকাশ কৰিলে আৰু যেতিয়া মোৰ সোঁ চকুটো শল্যচিকিৎসাৰ কাৰণে উপযুক্ত হ'ল, মোক লণ্ডনলৈ যাবলৈ উপদেশ দিলে।

চিকিৎসাৰ কাৰণে লণ্ডনত চাৰিমাহ থাকিব লাগিব বুলি জানি তাৰ কাৰণে সাজু হ'বলৈ আয়োজন কৰিলোঁ। মোৰ অনুপস্থিতিত 'মাতৃভূমি'ৰ সম্পাদক পদৰ ভাৰ 'মাতৃভূমি'ৰ কাৰ্যবাহী নিৰ্দেশক শ্ৰী ভি. এম. নায়াৰক দিলোঁ। আঠ বছৰৰ আগতে যেতিয়া মই লঙ্কালৈ গৈছিলোঁ তেতিয়া তেওঁ সম্পাদকৰ পদটো গ্ৰহণ কৰিছিল।

"মাতৃভূমি"ৰ সাৰথি ভি. এম. নায়াৰ থকাৰ কাৰণে মই 'মাতৃভূমি'ৰ প্ৰকাশনত সক্ৰিয় অংশ গ্ৰহণ কৰিবলগীয়া নহৈছিল। কিন্তু যাত্ৰা, চিকিৎসা আৰু লণ্ডনত থাকিবলৈ পইচা জমা কৰিব লগা নিতান্ত আৱশ্যক আছিল। মই আগতেই এবাৰ কৈ আহিছোঁ যে মই পইচা সাঁচিবলৈ শিকা নাছিলোঁ, যেনেকৈ ধন উপাৰ্জনৰ অভিৰুচি মোৰ একেবাৰেই নাছিল তেনেকৈ খৰচ কম কৰাৰ কৌশলও মোৰ অবিদিত আছিল। অনেকবাৰ এই দোষটোৰ কাৰণে মই কষ্ট ভোগ কৰিছোঁ কিন্তু মানুহৰ স্বভাৱ বাৰু একেবাৰে কেনেকৈ সলনি হ'ব ?

লণ্ডনলৈ গ'লে মোৰ লগত এজন মানুহো যাব লাগিব। হিচাপ কৰি দেখা গ'ল অন্ততঃ কুৰি হাজাৰ টকা খৰচ হ'ব। মোৰ চাৰি মাহৰ বেতন আগতীয়াকৈ পালেও আৰু অনেক টকাৰ আৱশ্যক। চিঙ্গাপুৰৰপৰা মোৰ ল'ৰা উন্নীয়ে কিছু টকা পঠালে। 'মাতৃভূমি'য়েও মোক ওপৰঞ্চি সহায় কৰিলে। তথাপি পাঁচ হেজাৰ টকা কম হয়। এনেতে মোৰ সৌভাগ্য যে, 1956, 1957 আৰু 1958 চনত প্ৰকাশিত মোৰ "কজিঞা কালম" ('অতীজৰ দিন'—এই কিতাপখন) কিতাপখন মালয়ালম ভাষাৰ আটাইতকৈ উৎকৃষ্ট কিতাপ বুলি গণ্য হোৱাত সাহিত্য একাডেমিয়ে পাঁচ হেজাৰ টকা পুৰস্কাৰ দিলে। এনেকৈ মোৰ কুৰি হাজাৰ টকাৰ ব্যৱস্থা হ'ল।

1957 চনৰ 27 ফেব্ৰুৱাৰীত কেন্দ্ৰীয় সাহিত্য অকাডেমিৰ এখন বিশেষ সভাত বিজেতাসকলক পুৰস্কাৰ দিবলৈ আয়োজন কৰা হৈছিল। তাত ভাগ ল'বলৈ মোলৈ নিমন্ত্ৰণ পত্ৰ পঠাইছিল। অদূৰ ভৱিষ্যতে লণ্ডনলৈ যোৱাৰ কাৰ্যসূচী ইতিমধ্যে যুগুত কৰিছিলোঁ। সেই কাৰণে দিল্লীলৈ যোৱাত অলপ অসুবিধা হ'ল ; কিন্তু নিজে গৈ পুৰস্কাৰটো লোৱাটো উচিত হ'ব বুলি মোৰ বন্ধু-বান্ধৱসকলে উপদেশ দিয়াত মই দিল্লীলৈ গ'লোঁ। তাৰপৰা ঘূৰি অহাৰ পিছত মাদ্ৰাজ আৰু অন্যান্য ঠাইত হোৱা পুৰস্কাৰটোৰ লগত সম্বন্ধ থকা অভিনন্দন সন্মিলনবোৰত মই ভাগ ল'বলগীয়া হৈছিল।

কোষিক্কোট্টলৈ ঘূৰি আহি মই 6 মাৰ্চত কোষিক্কোট্টৰপৰা লণ্ডন অভিমুখে মাদ্ৰাজলৈ ৰাওনা হ'লোঁ। মোৰ জী লীলা আৰু নাতিনী পদ্মিনী মোৰ লগত মাদ্ৰাজলৈকে আহিল। পদ্মিনীৰ বিয়া তাৰ তিনি মাহৰ আগতে হৈছিল। তাইৰ স্বামী চিঙ্গাপুৰত অধ্যাপক।

মই 4 মাৰ্চত মাদ্ৰাজৰপৰা লণ্ডনলৈ বিমানেৰে ৰাওনা হ'লোঁ। মোৰ লগত জোঁৱাই কে. ভি. কৰুণাকৰ মেনন আৰু ডাঃ পি. বি. মেনন আছিল। মাদ্ৰাজৰপৰা ৰাওনা হৈ আমি তাৰ পিছদিনা ৰাতি দহ বজাত লণ্ডনত উপস্থিত হ'লোঁ। প্ৰথম মহাসমৰৰ সময়ত 1915 চনত আইনৰ ছাত্ৰ হিচাপে মই লণ্ডনত থাকি বাৰিষ্টাৰ হৈ স্বদেশলৈ উভতি গৈছিলোঁ। 44 বছৰৰ পিছত পুনৰ লণ্ডনলৈ গৈছিলোঁ। তেতিয়া জাহাজেৰে 6000 মাইল যাওঁতে 22 দিন লাগিছিল। এতিয়া কেইঘণ্টামানৰ পিছতে লণ্ডন পালোঁগৈ।

বিমানকোঠত আমাৰ কাৰণে বন্ধু এজনে অপেক্ষা কৰি আছিল। তেওঁৰ লগত আমাৰ থকা ঠাই ৰাই. এম. চিলৈ গ'লোঁ। হস্পিতাললৈ যোৱাৰ দিনলৈকে তাতে

থাকিলোঁ। দহ দিনৰ পিছত মূৰিফিল্ড চকু-চিকিৎসালয়ত মই ভৰ্তি হ'লোঁ। সেই হস্পিতালখন চকু-ৰোগ চিকিৎসাৰ কাৰণে বিখ্যাত আছিল। ডাঃ ষ্টলাৰ্ডে মোৰ সোঁ-চকুটোত অস্ত্ৰোপচাৰ কৰিলে। ডাক্তৰ ষ্টলাৰ্ড চকুৰোগ চিকিৎসাৰ কাৰণে বিখ্যাত আছিল। মোৰ চকুটো পৰীক্ষা কৰি তেওঁ ক'লে, অস্ত্ৰোপচাৰৰ পিছত মই ভালকৈ দেখিম। তেওঁৰ কথা শুনি মই বৰ ৰং পালোঁ। শল্যচিকিৎসাৰ (অস্ত্ৰোপচাৰ) দহ দিনৰ পিছত যেতিয়া পটী খুলিলে মই চকুৰে স্পষ্ট দেখিলোঁ। দুদিনৰ পিছত চচ্‌মা লগাবলৈ পৰীক্ষা কৰিবলৈ মোক কোঠা এটালৈ লৈ গ'ল। যিটো চকুত অস্ত্ৰোপচাৰ কৰা হৈছিল সেই চকুটো তেওঁ আধা ঘণ্টা ধৰি পৰীক্ষা কৰি মোক এই বুলি ক'লে, "মিষ্টাৰ মেনন, আপোনাক নিৰাশ কৰাৰ কাৰণে মই বৰ দুঃখ পাইছোঁ। যি ভাবিছিলোঁ সি নহ'ল। মণিত থকা ক'লা দাগটো গুচাবৰ আগতে ভিতৰৰ অৱস্থাটো জনা অসম্ভৱ আছিল। চকুটোৰ পূৰা দৃষ্টি লাভ কৰিবলৈ হ'লে এমাহৰ ভিতৰত আন এটা ডাঙৰ অস্ত্ৰোপচাৰ কৰিব লাগিব। তিনি ঘণ্টামান আপুনি মূছকঁছ অৱস্থাত থাকিব লাগিব আৰু অস্ত্ৰোপচৰৰ পিছত দুসপ্তাহ আপুনি নিশ্চল হৈ পৰি থাকিব লাগিব। আপুনি এতিয়া কি কৰিবলৈ কয় মোক কওক।" মই সুধিলোঁ, "অস্ত্ৰোপচাৰৰ পিছত মই সম্পূৰ্ণকৈ দেখিবলৈ পামনে ?" ডাক্তৰে উত্তৰ দিলে, "সেইটো এতিয়া কোৱা অসম্ভৱ। অৱশ্যে দৃষ্টি ঘূৰাই পোৱাৰ আশা আছে।" তেওঁৰ কথা শুনি মোৰ বুকুখন কঁপি উঠিল। মই ক'লোঁ, "মই ভাবি চাই আপোনাক পিছত ক'ম।" মোক ধাত্ৰীগৰাকীয়ে আন এটা কোঠালৈ লৈ গ'ল। হস্পিতালত মোৰ কোঠাটো সলনি কৰিলে। মনত গভীৰ দুঃখ আৰু বেদনা লৈ মই বিছনাত শুলোঁ। মোৰ মনলৈ নানা ধৰণৰ দুখৰ চিন্তাবোৰ আহিবলৈ ধৰিলে। মুখত হতাশা আৰু নিৰাশাৰ ক'লা ছাঁ বিৰিঙি উঠিল। মোৰ বেদনাভৰা চেহেৰা দেখি নাৰ্চে ক'লে, "আপোনাক বৰ চিন্তিত দেখিছোঁ। গান শুনিলে আপুনি নিশ্চয় অলপ আনন্দ পাব।" বুলি কৈয়েই নাৰ্চে ৰেডিঅ'টো চলাই দিলে। ৰেডিঅ'ত ভাল গান দি আছিল কিন্তু গীত শুনি মোৰ দুখৰ মাত্ৰা বেছিহে হ'ল। মই নাৰ্চক ৰেডিঅ'টো বন্ধ কৰিবলৈ ক'লোঁ। তেওঁ কি ভাবিলে ক'ব নোৱাৰিলোঁ। মই আহত মানুহৰ নিচিনাকৈ বিছনাত পৰি ৰ'লোঁ।

মই মোৰ বুকুৰ বেদনা কমাবলৈ চেষ্টা কৰিলোঁ। মোৰ এনেকুৱা লাগিল ঈশ্বৰক প্ৰাৰ্থনা কৰিলে মোৰ অন্তৰৰ বেদনা লাঘৱ হ'ব আৰু মই মনত শান্তি পাম। মই অলপপৰ ঈশ্বৰক আৰাধনা কৰি মনে মনে থাকিলোঁ। ভাবিলোঁ এতিয়া যদি মোৰ অতি প্ৰিয়জন ছোৱালী আৰু নাতিনীহঁত মোৰ ওচৰত থাকিলেহেঁতেন মনত শান্তি পালোঁহেঁতেন। নাৰ্চৰ শুশ্ৰূষা আৰু সেৱা-সৎকাৰত অলপমানো ত্ৰুটি নাছিল কিন্তু মই মোৰ প্ৰিয়জনৰ যি সেৱা-শুশ্ৰূষা আৰু সহানুভূতিৰ কাৰণে লালায়িত হৈছিলোঁ তাক দিয়াটো নাৰ্চৰ পক্ষে সম্ভৱ আছিল জানো ?

কিছুসময়ৰ পিছত মোৰ জোঁৱাই আৰু ডাঃ বি. পি. মেনন হস্পিতাললৈ আহিল। মই তেওঁলোকক ডাক্তৰে কোৱা সকলো কথা ক'লোঁ। তেওঁলোকে মোক ভাৰসা

দিবলৈ বিফল চেষ্টা কৰিলে। মোৰ মনত অসহনীয় বেদনা আছিল আৰু গোটেই দিনটো মই ঈশ্বৰক আৰাধনা কৰিলোঁ। মোক দেখা কৰিবলৈ যিসকল আহিছিল তেওঁলোকৰ লগত সহজভাৱে কথা-বতৰা পাতিলোঁ কিন্তু মোৰ অন্তৰত যি বেদনা আছিল তেওঁলোকে কেনেকৈ জানিব ? সেই নিশা মোৰ টোপনি নাহিল। মাজে মাজে বিছনাৰপৰা উঠি কোঠাৰ ভিতৰতে ঘূৰি ফুৰিছিলোঁ। মই মনটো শান্ত কৰিবৰ কাৰণে প্ৰাণপণে চেষ্টা কৰিছিলোঁ।

পিছদিনা ৰাতিপুৱা যেতিয়া ডাক্তৰ ষ্টলাৰ্ড আহিল মই তেতিয়া বিছনাত বহি আছিলোঁ। তেওঁ সুধিলে, "দ্বিতীয়বাৰ শল্যচিকিৎসা কৰাৰ বিষয়ে আপুনি কি ঠিক কৰিলে ?" মই ক'লোঁ, "ডাক্তৰ, দ্বিতীয়বাৰ শল্যচিকিৎসা কৰাৰ মোৰ অলপো ইচ্ছা নাই। এই অৱস্থাত এতিয়া মোৰ কাৰণে তিনিটা পথ মুকলি আছে। প্ৰথমটো আৰু দ্বিতীয়টো হ'ল—ঔষধৰ দ্বাৰা বা অস্ত্ৰোপচাৰ কৰি আৰোগ্য হোৱা আৰু তৃতীয়টো হ'ল ঈশ্বৰক প্ৰাৰ্থনা কৰি মনলৈ আত্মবিশ্বাস আৰু শান্তি অনা। মোৰ কথা শুনি তেওঁ ক'লে, "মিঃ মেনন, আপোনাৰ বিশ্বাসক মই অভিনন্দন জনাওঁ। ঈশ্বৰে আপোনাৰ মঙ্গল কৰক।"

তাৰ পিছত মই হস্পিতালত দুদিন আছিলোঁ। অস্ত্ৰোপচাৰৰপৰা আশানুৰূপ ফল নেপালোঁ। তথাপি চকুৰ দৃষ্টি আগতকৈ অলপ ভাল হ'ল। বাহিৰলৈ এবাৰ চকু ফুৰাই মনত অলপ আশ্বাস পালোঁ। একেবাৰে স্পষ্ট নহ'লেও মোৰ আগৰ চিনাকি লণ্ডনৰ ৰাস্তাঘাট, ঘৰ, গাড়ী আৰু দোকান-বজাৰবোৰ দেখি মনলৈ আনন্দ আহিল। তথাপি মোৰ মনটো কুণ্ঠাৰ পাতল ছাঁই আৱৰি ৰাখিলে।

মই দুসপ্তাহ হস্পিতালত আছিলোঁ। ডাক্তৰৰ সামৰ্থ্য, নাৰ্চৰ সেৱা-শুশ্ৰূষা আৰু হস্পিতালৰ সা-সুবিধাবোৰক প্ৰশংসা নকৰি নোৱাৰোঁ। মই তাত এনে কেইগৰাকীমান নাৰ্চক দেখিলোঁ যি সকল সেৱা-শুশ্ৰূষাৰ প্ৰতিমূৰ্তি আছিল। তেওঁলোকৰ ওচৰত মই অশেষভাৱে কৃতজ্ঞ।

হস্পিতালৰপৰা অহাৰ পিছতো মই কেইদিনমান লণ্ডনত আছিলোঁ। ইয়াৰ ভিতৰত ডাঃ ষ্টলাৰ্ডৰ নিৰ্দেশৰ কথাও মই গভীৰভাৱে চিন্তা কৰিছিলোঁ। সেই খবৰটো শুনি মোৰ বন্ধু-বান্ধৱ আৰু আত্মীয়-স্বজন সকলোৱে সেই বিষয়ে মোক ভালকৈ চিন্তা কৰিবলৈ অনুৰোধ কৰিলে। ডাঃ মেনন আৰু লণ্ডনত থকা মোৰ বন্ধুসকলেও এই বিষয়ে দকৈ চিন্তা কৰিলে। দ্বিতীয় শল্যচিকিৎসাৰ গুণ-দোষবোৰ ভালকৈ চালি-জাৰি চাই শেষত তাক বাদ দিলোঁ।

চকু চিকিৎসাৰ সকলো কাম হৈ যোৱাৰ পিছত লণ্ডনত বেছি দিন থকাৰ প্ৰয়োজন নহ'ল। আগতে ভাবিছিলোঁ চিকিৎসা হৈ যোৱাৰ পিছত স্কটলেণ্ড আৰু ইউৰোপৰ দুই-এখন দেশ ভ্ৰমণ কৰিম কিন্তু পিছত সেই পৰিকল্পনাটো বাদ দিলোঁ আৰু স্বদেশলৈ ঘূৰি আহিবলৈ মনস্থ কৰিলোঁ। অস্ত্ৰোপচাৰৰ দ্বাৰা দৃষ্টিশক্তি যে আগতকৈ বৃদ্ধি হ'ল তাত অলপো সন্দেহ নাছিল, পিছত চচ্‌মা ব্যৱহাৰ কৰাত দৃষ্টি শক্তিৰ মাত্ৰা আৰু

অলপ বেছি হ'ল। মোৰ মৰমৰ লণ্ডনখনৰ নতুন ঘৰবাৰী, ইমাৰত, ৰাস্তা আদিয়ে যে মোক আকৰ্ষণ কৰিলে তাত অলপো সন্দেহ নাছিল কিন্তু তাতোকৈ বেছিকৈ আকৰ্ষণ কৰিলে তাৰ গণতান্ত্ৰিক শাসনে জনসাধাৰণলৈ অনা সুখ-সমৃদ্ধি আৰু আগতকৈ উন্নত জীৱন-স্তৰ। দেখিলোঁ জনসাধাৰণৰ জীৱনৰ স্তৰ ওখ হ'ল আৰু ডাঙৰ আৰু সৰুৰ মাজত থকা ব্যৱধানটো একেবাৰে নোহোৱা হ'ল। পৰিৱৰ্তনশীল পৰিস্থিতিত সুখী, তৃপ্ত আৰু প্ৰসন্ন ইংৰাজ জনসাধাৰণক দেখি তাৰ দ্বাৰা বাৰু কোন প্ৰভাৱিত নহ'ব ?

লণ্ডনৰপৰা পুনৰাগমন

1957 চনৰ 21 এপ্ৰিলত আমি বিমানেৰে স্বদেশলৈ ৰাওনা হ'লোঁ। কেইজনমান বন্ধু আমাক বিদায় দিবলৈ বিমান কোঠলৈ আহিছিল। সন্ধিয়া ছটা বজাত আমি প্ৰাগ পালোঁহি। তাত মোৰ কাৰণে অনেক ভাৰতীয় মানুহে অপেক্ষা কৰি আছিল। তেওঁলোকৰ লগত বিমানক্ষেত্ৰতে এঘণ্টা কটালোঁ আৰু সাতটা বজাত তাৰপৰা ৰাওনা হৈ মাজ নিশা ৰোম পালোঁহি। তাৰপৰা ৰাতিপুৱা ডেমাস্কচলৈ আহিলোঁ আৰু সাতটা বজাত আমাৰ বিমানখন তাৰপৰা বোম্বাই অভিমুখে ৰাওনা হ'ল। বিমানখন সমানভাৱে নগৈ হেন্দালদোপকৈ যোৱাত যাত্ৰীসকলৰ মনত ভয় সোমাল আৰু বিমান সেৱিকাই প্ৰাতঃভোজনৰ কাৰণে সকলো খাদ্য-সামগ্ৰী অনা সত্ত্বেও কোনেও খাবলৈ ইচ্ছা নকৰিলে আৰু মোৰো ইচ্ছা নহ'ল। অলপ নিছতে যেতিয়া বিমানখনৰ হেন্দোলনি নোহোৱা হ'ল, মানুহৰ মনলৈ শান্তি আহিল আৰু তেওঁলোকৰ লগতে নিশ্চিন্ত মনেৰে ময়ো প্ৰাতঃভোজন কৰিলোঁ। বিমানখন 20,000 ফুট ওপৰত উৰিছিল। বিমান-সেৱিকাৰ সহায়ত মই অতিক্ৰম কৰি অহা ঠাইবোৰৰ নাম জানিব পাৰিলোঁ। পাইলট আৰু নেভিগেটৰৰ নিৰ্ভৰযোগ্য দক্ষতাই অনেক সময়ত যাত্ৰীসকলৰ মনলৈ সাহস আৰু বিশ্বাস আনি দিয়ে। যি কি নহওক আঠ ঘণ্টাৰ পিছত 22 তাৰিখে চাৰে চাৰিটা বজাত আমি বোম্বাই পালোঁহি। বোম্বাই বিমানক্ষেত্ৰলৈ আমাক দেখা কৰিবলৈ অনেক বন্ধু-বান্ধৱ আহিছিল। বোম্বাইত আমি চাৰিদিন থাকিলোঁ। ভি এম নায়াৰৰ জোঁৱায়েক মাধৱদাস বোম্বাইত আছিল। মই আৰু কৰুণাকৰণ মেনন তেওঁৰ ঘৰতে থাকিলোঁ। দাস আৰু তেওঁৰ পত্নী কমলাৰ আন্তৰিকতাপূৰ্ণ আতিথ্যত আমি তেওঁৰ ঘৰত চাৰিদিন থাকিলোঁ। তেওঁলোকৰ সহৃদয় আতিথ্য পাহৰিব নোৱাৰোঁ।

26 এপ্ৰিলত বোম্বাইৰপৰা মাদ্ৰাজ পালোঁহি। ডাঃ পি. মেনন সেইদিনাই কোষিক্কোট্টলৈ উলটি গ'ল। মাদ্ৰাজত ভৰি দিয়েই জানিব পাৰিলোঁ দুৰ্নীতি, অন্যায় আৰু শৃঙ্খলাবদ্ধতাহীনতাই দেশখন ছাটি পেলাইছে আৰু চৰকাৰে সেইবোৰ বন্ধ কৰিবলৈ একো চেষ্টা কৰা নাই। চৰকাৰৰ সেই অৱহেলাৰ কাৰণে শ্ৰীকেলপ্পনে আনিশ্চিত কাললৈ অনশন ব্ৰত আৰম্ভ কৰিবলৈ থিৰাং কৰিছে বুলি শুনি মই মনত বৰ দুঃখ পালোঁ। স্বাৰ্থহীন আৰু ত্যাগী পুৰুষ কেলপ্পনৰ আদৰ্শ আৰু দেশপ্ৰেমৰ কাৰণে মোৰ অন্তৰঙ্গ বন্ধু হিচাপে তেওঁক লৈ গৰ্ব কৰিছিলোঁ। অনশন ব্ৰত ত্যাগ কৰিবলৈ মই তেওঁলৈ এখন চিঠি লিখিলোঁ। মোৰ চিঠিয়ে যে কিবা কাম দিব মই আশা কৰা নাছিলোঁ, তথাপি চিঠিখন লিখি আশ্বস্ত হ'লোঁ।

মাদ্ৰাজত এসপ্তাহ থকাৰ পিছত মে' মাহৰ দুই তাৰিখে মই আৰু কৰুণাকৰণ মেনন বিমানেৰে চিঙ্গাপুৰলৈ গ'লোঁ। মই মোৰ ছোৱালী লীলাৰ ঘৰত থাকিলোঁ। আগতেই উল্লেখ কৰিছিলোঁ—মোৰ জোঁৱাই তাৰ অধ্যাপক। মোৰ ল'ৰা উন্নীও তাতে থাকে। সি 'জাপানী এয়াৰ ৱেজ'ত চাকৰি কৰে। সিহঁতৰ বাহিৰেও মোৰ অনেক বন্ধু-বান্ধৱ চিঙ্গাপুৰত থাকে। উন্নীৰ পুতেক আৰু মোৰ নাতিৰ বয়স তেতিয়া তিনি বছৰ আছিল। চকু-চিকিৎসাৰ পিছত তাক চাবলৈ মোৰ বৰ হেঁপাহ আছিল। চিঙ্গাপুৰলৈ গৈ মই তাক প্ৰথমবাৰ দেখোঁ। তাক কোলাত লৈ মই যি আনন্দ পাইছিলোঁ তাক বৰ্ণনা কৰিব নোৱাৰোঁ।

মই এঘাৰ বছৰৰ আগতে চিঙ্গাপুৰ এৰিছিলোঁ। ইমানদিনৰ পিছত গৈ তাৰ মালয়ালীসকলৰপৰা মই যি মধুৰ আৰু আন্তৰিকতাপূৰ্ণ ব্যৱহাৰ পালোঁ তেওঁলোকৰ সেই ব্যৱহাৰে মোক মুগ্ধ কৰিলে।

এঘাৰ বছৰৰ পিছত যেতিয়া মই চিঙ্গাপুৰত পদাৰ্পণ কৰিছিলোঁ তেতিয়া চিঙ্গাপুৰৰ ইতিহাসত এটা নতুন অধ্যায় আৰম্ভ হৈছিল। চিঙ্গাপুৰ এখন পৃথক দেশ হ'ল। নতুন সংবিধান অনুসাৰে প্ৰথম নিৰ্বাচনত পি. এ. পি. দলটো জিকি দলটোৱে শাসনভাৰ হাতত ল'লে। মই তালৈ যোৱাৰ সময়ত নিৰ্বাচনত জয়লাভ কৰাৰ কাৰণে আনন্দ প্ৰকাশ কৰিবলৈ পি. এ. পি. দলটোৱে এখন ডাঙৰ সভাৰ আয়োজন কৰিছিল। চিঙ্গাপুৰৰ অনেক পৰিৱৰ্তন দেখি মই আশ্চৰ্য হৈ গ'লোঁ। পি. এ. পি. চৰকাৰে দেশৰ শাসনভাৰ লোৱাৰ লগে লগে তাত থকা প্ৰায় সকলো বৃটিচ নিজৰ দেশলৈ উলটি গ'ল।

মালয়াৰ পৰিস্থিতিও তেনেকুৱাই আছিল। সেই দেশখনেও স্বাধীনতা পালে। স্বাধীন হোৱাৰ পিছত মালয়াৰপৰা প্ৰায় সকলো বৃটিচ নিজৰ দেশলৈ ঘূৰি গ'ল তাৰ প্ৰধান শাসক এজন মনোনীত চুলতান হ'ল। সংবিধান মতে, তাত গণতান্ত্ৰিক শাসন আৰম্ভ হ'ল আৰু নিৰ্বাচিত সদস্যসকলক লৈ এখন সংসদ গঠন হ'ল। চুলতান নামমাত্ৰ শাসক হিচাপে থাকিল।

যেতিয়া ত্ৰিশ বছৰৰ আগতে মই মালয়ালৈ গৈছিলোঁ, এজন উকীল হিচাপে তাৰ আদালতত মোৰ নামটো পঞ্জীকৃত কৰিবলৈ যাওঁতে মই ভাৰতত এজন ৰাজনৈতিক বিপ্লৱী আছিলোঁ বুলি তাৰ বাৰ কমিটিয়ে তাৰ বিৰোধিতা কৰিছিল। কিন্তু এতিয়াৰ নতুন ৰাজনৈতিক পটভূমিত সেই বিৰোধিতা কিমান পুৰণি আৰু অন্যায় আছিল ! মই দেখিলোঁ সেই কালত মালয়াৰ যিবোৰ মানুহে চৰকাৰৰ বিৰুদ্ধাচৰণ কৰা ৰাজনৈতিক কাৰ্য-কলাপবোৰৰ বিপক্ষে আছিল, এতিয়া তেওঁলোকেই ৰাজনীতিত সক্ৰিয় অংশ গ্ৰহণ কৰি দেশৰ শাসনকাৰ্য চলাই আছে।

চিঙ্গাপুৰত যি কেইদিন আছিলোঁ, অনেক পুৰণা বন্ধু-বান্ধৱক লগ পাইছিলোঁ আৰু কেইবাখনো সভাত বক্তৃতা দিয়াৰ সুযোগ পাইছিলোঁ। তাতে থাকোঁতেই মোৰ কিতাপ

"বিলাতী বিশেষম"ৰ নতুন সংস্কৰণটোত অন্তৰ্ভুক্ত কৰিবলৈ পাঁচটা অধ্যায় লিখাৰ সুযোগ পাইছিলোঁ।

14 জুনত মই আৰু কৰুণাকৰণ মেনন দুয়ো ৰাতি দহটা বজাত চিঙ্গাপুৰ এৰি বিমানেৰে সাত ঘণ্টাৰ পিছত মাদ্ৰাজলৈ ঘূৰি আহিছিলোঁ। তাৰ পিছদিনাই মই কোষিক্কোট্টলৈ ঘূৰি আহোঁ।

চিঙ্গাপুৰত মই চচ্‌মাযোৰ বদলি কৰোঁ আৰু নতুন চচ্‌মাযোৰ পিন্ধি আগতকৈ বেছি ভালকৈ দেখিব পৰা হ'লোঁ। কোষিক্কোট্ট ৰেল-ষ্টেচনলৈ মোক অভ্যৰ্থনা কৰিবলৈ অহা বন্ধু-বান্ধৱ আৰু অন্যান্য লোকসকলক দেখি মই বৰ সন্তোষ পালোঁ। তেওঁলোকৰ কিছুমানৰ মুখবোৰ মই দুবছৰৰ আগতে দেখিছিলোঁ।

চাৰিমাহ ছুটী লৈ মই বিলাতলৈ গৈছিলোঁ। ছুটী শেষ হ'বলৈ তেতিয়াও দুসপ্তাহ বাকী আছিল। তাৰ ভিতৰতে মই পালঘাট আৰু অন্যান্য ঠাইবোৰলৈ গৈ মোৰ বন্ধু-বান্ধৱ আৰু অঙহী-বঙহীসকলক লগ পাই আহিলোঁ আৰু কোষিক্কোট্টলৈ ঘূৰি আহি 6 জুলাইত আকৌ কাৰ্যভাৰ গ্ৰহণ কৰিলোঁ।

পৰিৱৰ্তিত পৰিস্থিতিত

চকু-চিকিৎসাৰ কাৰণে লণ্ডনলৈ যোৱাৰ আগতে মোৰ চকুৰ দৃষ্টিশক্তি যিমান আছিল তাৰপৰা ঘূৰি অহাৰ পিছত দৃষ্টিশক্তিযে আগতকৈ বেছি হৈছিল তাত সন্দেহ নাছিল, কিন্তু তথাপি লিখোতে আৰু পঢ়োতে মোৰ অসুবিধা হৈছিল। তাৰ ফলত আগৰ নিচিনাকৈ আনৰ সহায় ল'বলগীয়া হৈছিল। অৱশ্যে, দৈনিক কামবোৰ কৰোঁতে বেছি কষ্ট হোৱা নাছিল। ইংলণ্ডৰপৰা ঘূৰি অহাৰ পিছত মোৰ ভৱিষ্যৎ কাৰ্যকলাপবোৰৰ কথা চিন্তা কৰোঁতে দেশৰ সলনি হোৱা পৰিস্থিতিয়ে মোক প্ৰোৰণা দিলে।

ৰাজনৈতিক পৰিৱেশৰ আমূল পৰিৱৰ্তন হৈছিল আৰু কেৰালাৰ শাসন সাম্যবাদী চৰকাৰে চলাইছিল। সাম্যবাদী চৰকাৰৰ লগত অন্যান্য ৰাজনৈতিক দলবোৰৰ সংঘৰ্ষ প্ৰায়েই হৈছিল। প্ৰথমতে চৰকাৰৰ 'শিক্ষা বিল'ৰ বিৰুদ্ধে আন্দোলন হয় আৰু অতি সোনকালেই সেই আন্দোলনে 'দেশব্যাপী আন্দোলন'ৰ ৰূপ ধাৰণ কৰে। সকলোৱে সাম্যবাদী চৰকাৰক ক্ষমতাচ্যুত কৰাৰ কথা আলোচনা কৰিবলৈ ধৰিলে। শেহত তাকেই লক্ষ্য হিচাপে লৈ সকলো বিপক্ষ দল একগোট হ'ল। সেই দলবোৰ চৰকাৰক কোনো প্ৰকাৰ সহানুভূতি দেখুৱাবলৈ প্ৰস্তুত নাছিল। সাম্যবাদী দলে দাবী কৰিলে সেই দলটো ৰাইজৰ সৰ্বাধিক ভোট পোৱা দল আৰু সেই কাৰণে যেতিয়ালৈকে ৰাজ্যৰ পৰিষদত বহুমত পাই থাকিব তেতিয়ালৈকে তেওঁলোকৰ শাসন চলি থাকিব। তেওঁলোকে এইটোও ক'লে যে নিৰ্বাচনত জিকি যিটো দলে শাসনৰ অধিকাৰ লাভ কৰিছে, সেইটো দলক বহিষ্কাৰ কৰাৰ আন্দোলন গণতন্ত্ৰৰ মৰ্যাদাৰ বিৰুদ্ধে। কিন্তু কংগ্ৰেছ আৰু অন্যান্য বিপক্ষ দলবোৰে ক'লে যিহেতু সাম্যবাদী দলৰ দুবছৰৰ শাসন অন্যায় আৰু দুৰ্নীতিৰে ভৰপূৰ, সেই চৰকাৰক উচ্ছেদ নকৰিলে কেৰালাত গণতন্ত্ৰৰ ভেটিটো কঁপি উঠিব। এই সংঘৰ্ষৰ ফলস্বৰূপে কেৰালাৰ জনসাধাৰণ দুভাগ হ'ল—এভাগ সাম্যবাদী দলৰ সপেক্ষে আৰু আন ভাগ তাৰ বিপক্ষে।

আন্দোলন দমাবলৈ সাম্যবাদী চৰকাৰে যি কঠোৰ নীতি অৱলম্বন কৰিলে তাৰ ফলত আন্দোলন আগতকৈ বেছি শক্তিশালীহে হ'ল। কেৰালাৰ সেই ৰাজনৈতিক গতি-বিধিয়ে ভাৰতৰ অন্য ৰাজ্য আৰু বিদেশী দেশবোৰৰ দৃষ্টি আকৰ্ষণ কৰিলে।

কেৰালাৰ ৰাজনৈতিক ক্ষেত্ৰ বিদ্বেষ আৰু সংঘৰ্ষৰ দ্বাৰা কলুষিত হৈছিল। কেৰালাৰ বাতৰি কাকতবোৰো সেই সংঘৰ্ষৰ মাজত সোমাল। বিপক্ষ দলবোৰে সাম্যবাদী চৰকাৰৰ অসৎ শাসন উচ্ছেদ কৰিবলৈ আন্দোলন আৰম্ভ কৰিলে। কেৰালাৰ বেয়া শাসনৰ ওপৰত ময়ো সন্তুষ্ট নাছিলোঁ আৰু সেই শাসনৰ যাতে সোনকালে অন্ত পৰে ময়ো তাকেই বিচাৰিছিলোঁ। কিন্তু সেই শাসনক উচ্ছেদ কৰিবলৈ কংগ্ৰেছ আৰু অন্যান্য বিপক্ষ

দলবোৰে যি পথ বাছি লেছিল সেই পথ উচিত আৰু সঙ্গত নাছিল কাৰণ মোৰ মতে, সেই পথ গণতান্ত্ৰিক ব্যৱস্থাৰ একেবাৰে পৰিপন্থী আছিল। মোৰ ভয় হৈছিল সাম্যবাদী চৰকাৰৰ কুশাসনৰ নিচিনাকৈ বিপক্ষ দলৰ উচ্ছেদ-সংগ্ৰামো গণতান্ত্ৰিক-ব্যৱস্থা ধ্বংস কৰাৰ আন এটা কাৰণ হৈ পৰিব পাৰে।

সেই ৰাজনৈতিক দল আৰু দলবোৰক সমৰ্থন কৰা বাতৰি-কাকতবোৰে সাম্য-বাদী চৰকাৰক উচ্ছদ কৰিবলৈ যি উত্তেজনাৰে সংগ্ৰাম আৰম্ভ কৰিলে তাৰ দ্বাৰা গণতান্ত্ৰিক ব্যৱস্থাৰো যে হানি হ'ব পাৰে সেই কথা চিন্তা নকৰিলে। মই সেই সময়ত কেৰালাৰ ৰাজনৈতিক গতি-বিধি এজন বিশেষ দৰ্শকৰ নিচিনাকৈ থিয় হৈ চাই থাকিলোঁ আৰু তেনেভাৱে নিৰ্বাক হৈ থকাৰ কাৰণে নিজকে দোষী বোধ কৰিলোঁ। শেহত 1959 চনৰ 29 জুলাইত মই 'মাতৃভূমি'ত তলত দিয়া প্ৰস্তাৱটো প্ৰকাশ কৰিলোঁ। সেই প্ৰস্তাৱটোত শ্ৰীকেলপ্পনৰো চহী আছিল। সেই প্ৰস্তাৱটো অন্যান্য বাতৰি-কাকতবোৰতো প্ৰকাশিত হৈছিল। প্ৰস্তাৱটোৰ উল্লেখযোগ্য অংশটো এনে ধৰণৰ আছিল ঃ-

"বৰ্তমান কেৰালাৰ ৰাজনৈতিক স্থিতি এনে বিশৃঙ্খল আৰু অনিশ্চিত যে এনে স্থিতি আগতে কেতিয়াও হোৱা নাছিল। নিয়ম আৰু শান্তি ৰাজ্যখনত ক'তো নাই। অনুশাসন আৰু নিয়মৰ ভেটি কঁপি উঠিছে। ছাত্ৰ-ছাত্ৰীসকলৰ মন পঢ়া-শুনাৰপৰা আঁতৰি গৈছে আৰু মানুহৰ নিজৰ কামৰ ওপৰত আস্থা নোহোৱা হৈছে। অসংযত কথা আৰু সংযমহীন কাম সভ্য মানুহৰ মৰ্যাদাৰ পৰিপন্থী। এতিয়া দুয়ো পক্ষৰ মানুহ লজ্জিত হ'বলগীয়া হৈছে আৰু নিৰপেক্ষসকলেও লাজ পাইছে। এতিয়া কেৰালাৰ এইটোৱেই অধঃপতন হ'বলৈ ধৰা অৱস্থা। ইয়াৰ বাবে দায়ী কোন বা ন্যায় কোন পক্ষৰ পিনে আছে সেই প্ৰশ্নৰ উত্তৰ আমি দিব নোখোজোঁ। এতিয়া কেৰালাত যি হানিকৰ ঘটনাবোৰ ঘটি আছে সেই ঘটনাবোৰ সদায় ঘটি থাকিলে দেশৰ ঘোৰ বিপদ অনিবাৰ্য আৰু সেই কাৰণে আমি নীৰৱে থাকিব নোৱাৰি এই কথাখিনি লিখিবলৈ বাধ্য হৈছোঁ। আগতে আমাৰ দিনত কেৰালাৰ অৱস্থা এনেকুৱা নাছিল। সেই কাৰণে এতিয়া ইয়াৰ যি দুঃখলগা অৱস্থা দেখিছোঁ সেই অৱস্থাই আমাৰ মনলৈ বৰ দুঃখ আৰু নিৰাশা আনিছে আৰু আমি মনত অলপো শান্তি পোৱা নাই। কিন্তু এনে অৱস্থা সদায় থাকিবনে? ইয়াক দূৰ কৰিবলৈ চৰকাৰ আৰু কেৰালাৰ জনসাধাৰণ বাধ্য নহয়নে ? কেৰালাত হৈ থকা অনীতি নিৰ্মূল কৰা তেওঁলোকৰ পৱিত্ৰ কৰ্তব্য নহয়নে আৰু জনসাধাৰণৰ ধৰ্মীয়বোধ সেই দিশলৈ আকৰ্ষিত কৰা অসম্ভৱনে ?"

আন্দোলন বেছিদিন চলিব নোৱাৰে এই আশাই মোৰ মনত সান্ত্বনা দিলে। ৰাজ্যখনত দিনে দিনে বাঢ়ি যোৱা অনীতি আৰু সাম্যবাদী চৰকাৰৰ দুৰ্বলতাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে কেৰালাত সাম্যবাদী চৰকাৰ সমাপ্ত কৰাৰ আৱশ্যকতা অনুভৱ কৰিলে। গতিকে 1957 চনৰ ছেপ্তেম্বৰত কেৰালাত ৰাষ্ট্ৰপতিৰ শাসন জাৰী হ'ল আৰু লগে লগে কেৰালাৰ বিধান সভা ভঙ্গ কৰা হ'ল। 1960 চনৰ ফেব্ৰুৱাৰীত নতুন নিৰ্বাচন

হ'ল আৰু নিৰ্বাচনৰ ফলাফল মতে কংগ্ৰেছ আৰু পি. এচ. পিয়ে যুটীয়াকৈ মন্ত্ৰীমণ্ডল গঠন কৰিলে। লগতে মুছলিম লীগেও সাহায্য কৰিলে।

চকু-চিকিৎসাৰ কাৰণে মই লণ্ডনলৈ যাওঁতে শ্ৰী ভি. এম. নায়াৰে মোৰ ঠাইত 'মাতৃভূমি'ৰ সম্পাদকৰ পদ গ্ৰহণ কৰিছিল। মই ঘূৰি অহাৰ পিছতো কিছুদিনলৈ তেওঁ সম্পাদক হৈ আছিল। তাৰ পিছত মই সম্পাদকৰ পদ গ্ৰহণ কৰাৰ পিছতো তেওঁ সম্পদকৰ অধিকাংশ কাম সমাধা কৰিছিল। এনেকৈ তেওঁ মাতৃভূমিৰ সম্পাদক হৈ থাকিল আৰু মই প্ৰধান সম্পাদক হ'লোঁ। ইয়াৰ পিছত 'মাতৃভূমি'ৰ যি খ্যাতি বৃদ্ধি হৈছিল তাৰ বাবে শ্ৰী ভি. এম. নায়াৰে দায়িত্ব বহন কৰিছিল।

'মাতৃভূমি'ৰ এই নতুন ব্যৱস্থাৰ কাৰণে মই আন ক্ষেত্ৰতে কাম কৰিবলৈ সুবিধা পালোঁ। আগতেই উল্লেখ কৰি আহিছোঁ যে মই ত্যাগপত্ৰ দি কেৰালা সাহিত্য একাডেমিৰ সভাপতি পদৰপৰা মুক্ত হৈছিলোঁ। যেতিয়া একাডেমিৰ সভাপতি মহাকবি বল্লতোলৰ মৃত্যু হয় নতুন চৰকাৰে মোক সেই পদ গ্ৰহণ কৰিবলৈ অনুৰোধ কৰে। একাডেমি সম্পূৰ্ণ স্বাধীন সংস্থা হ'ব লাগিব, তাৰ শাসন আৰু পৰিচালনাত চৰকাৰৰ কোনো অধিকাৰ নেথাকিব—এই নিয়মৰ ব্যতিক্ৰম হোৱাৰ কাৰণেই মই সভাপতি পদটো ত্যাগ কৰিছিলোঁ। মই আশা কৰিছিলোঁ নতুন চৰকাৰে মোৰ প্ৰস্তাৱ ভৱিষ্যতে নিশ্চয় মানি ল'ব আৰু সেই আশাতেই মই সভাপতিৰ পদটো আকৌ গ্ৰহণ কৰিলোঁ। সভাপতিৰ পদটো গ্ৰহণ কৰি মই চৰকাৰৰ স্বীকৃতিৰ কাৰণে অপেক্ষা কৰিলোঁ। কিন্তু কেইবামাহো পাৰ হৈ যোৱাৰ পিছতে চৰকাৰৰপৰা কোনো সঁহাৰি নেপালোঁ। মই 1961 চনৰ অক্টোবৰত একাডেমিৰ চতুৰ্থ বাৰ্ষিক সন্মিলনত সভাপতি হিচাপে মোৰ ভাষণত সেই কথা ব্যক্ত কৰিছিলোঁ। তাৰে কিছু অংশ তলত তুলি দিছোঁ।

"যদি একাডেমিক নিজৰ দায়িত্ব সুচাৰুৰূপে পালন কৰিবলৈ দিয়া হয় তেন্তে তাক এটা স্বতন্ত্ৰ সংস্থা কৰি ৰখা নিতান্ত আৱশ্যক। চৰকাৰে কেৰালা সাহিত্য একাডেমিক তাৰ যোগ্য স্থানত ৰাখিব লাগে আৰু যোগ্য সন্মান আৰু অধিকাৰ দিব লাগে।" 1956 চনত যেতিয়া একাডেমি স্থাপিত হৈছিল তেতিয়া ত্ৰিবাঙ্কুৰ-কোচিনৰ প্ৰধান সচিৱেও একে কথাকেই কৈছিল। 1954 চনত কেন্দ্ৰীয় সাহিত্য একাডেমিক সমাৰোহেৰে অভিষেক কৰোঁতে মৌলানা আবুল কালাম আজাদে কৈছিল, "একাডেমিক স্বতন্ত্ৰ অধিকাৰ আৰু আৰ্থিক সাহায্য দিয়া চৰকাৰৰ একান্ত কৰ্ত্তব্য। যেতিয়া একাডেমিক স্থাপন কৰা হয়, চৰকাৰে তাৰ ওপৰত কোনো নিয়ন্ত্ৰণ ৰাখিব নেলাগে। একাডেমিক স্বতন্ত্ৰীয় কৰিলেহে ই দক্ষতাৰে কাম সম্পাদন কৰিব পাৰিব। সেই কাৰণে এইটো নিতান্ত বাঞ্ছনীয় যে একাডেমি এটা স্বাধীন সংস্থা হ'ব লাগে। চৰকাৰে একাডেমিৰ পৰিচলনাৰ কাৰণে আৱশ্যকীয় টকা দিব কিন্তু একাডেমি চৰকাৰৰ নিৰ্দেশ মানিবলগীয়া এটা সংস্থা নহয়। এই কথাটো অকাডেমিৰ সদস্যসকলে, চৰকাৰে আৰু জনসাধাৰণে পাহৰা উচিত নহয়।"

মই পদ গ্ৰহণ কৰাৰ পিছত ছমাহ পাৰ হৈ গ'ল। ইতিমধ্যে মই একাডেমিৰ সংবিধান

সংশোধন কৰি তাৰ মান্যতাৰ কাৰণে চৰকাৰলৈ পঠালোঁ ; কিন্তু চৰকাৰৰপৰা তাৰ কোনো সঁহাৰি পোৱা নগ'ল আৰু সংবিধান সংশোধন পত্ৰখনো ঘূৰাই নপঠালে। অৰ্থাৎ একাডেমিৰ প্ৰতি চৰকাৰৰ অনাদৰ আৰু অৱহেলা আগৰদৰে চলি থাকিল।

যি কি নহওক সেই বছৰতেই একাডেমিৰ লগত মোৰ সম্বন্ধ সমাপ্ত হ'ল। এতিয়াও কেৰালা সাহিত্য একাডেমিয়ে যথোচিত পদ-মৰ্যাদা আৰু স্বাতন্ত্ৰ্য লাভ কৰা নাই।

লণ্ডনৰপৰা ঘূৰি অহাৰ পিছত মই কেইবাখনো কিতাপ লিখোঁ। সেই কেইখন হ'ল—"বিজয়ত্তিলেক্কু" (বিজয়ৰ অভিমুখে), "প্ৰভাত দীপ", "নাম মুত্ৰোট্টু" (আমাৰ অগ্ৰগতি), "নৱ ভাৰত শিল্পীকল" (নৱ ভাৰত শিল্পী — দ্বিতীয় ভাগ), "নাট্টিনুৰেটী" (দেশৰ কাৰণে), "জৱাহৰলাল নেহৰু", "মহাত্মা গান্ধী — দ্বিতীয় ভাগ", "মহাত্মা" (দুখন নাটক)।

পাঠকে মোক সুধিব পাৰে মোৰ চকুৰ দৃষ্টি কম হোৱা সত্ত্বেও মই ইমানবোৰ কিতাপ লিখিবলৈ কেনেকৈ সমৰ্থ হ'লোঁ ? তাৰ উত্তৰত কওঁ এই কামত মোৰ ছোৱালী লীলা, নাতিনী নলিনী আৰু মাতৃভূমিৰ সম্পাদক সমিতিৰ তত্ত্বমে মোক সকলো প্ৰকাৰে সহায় কৰিছিল। মই কৈ দিছিলোঁ আৰু তেওঁলোকৰ কোনোবা এজনীয়ে লিখিছিল। লিখাৰ পিছত মোক পঢ়ি শুনাইছিল আৰু ভুল থাকিলে লগে লগে সংশোধন কৰা হৈছিল। প্ৰত্যেকদিনে ৰাতিপুৱা তিনিঘণ্টা মোৰ কিতাপ লিখাৰ সময় আছিল। মই এখনৰ পিছত এখনকৈ কিতাপ লিখিছিলোঁ আৰু কেতিয়াবা দুখন আৰম্ভ কৰি দুয়োখন সলনাসলনি কৰি আগবাঢ়ি গৈ আছিলোঁ। এনেকৈ আঠ বছৰৰ ভিতৰত মই বাৰখন কিতাপ লিখিছিলোঁ। এই কিতাপকেইখন লেখোঁতে মোক কেইবাজনো মানুহে সহায় কৰিছিল। তেওঁলোকৰ ভিতৰত মধুকৰণ কৃষ্ণ কুৰুপ, পি. এম. বেণুগোপাল মাৰাৰ আৰু এন. এ. কৃষ্ণণ নায়াৰৰ নাম উল্লেখযোগ্য। লিখিবৰ সময়ত অনেক কিতাপ মই পঢ়িবলগীয়া হৈছিল আৰু সেইবোৰ মোক আনে পঢ়ি শুনাইছিল। আচলতে, মোৰ মনত থকা সকলো কথাৰপৰা লিখাটো সম্ভৱ নহৈছিল আৰু সেই কাৰণে কিছুমান কিতাপৰ নিৰ্বাচিত আৰু গুৰুত্বপূৰ্ণ অংশবোৰ মোক পঢ়ি শুনাইছিল।

মই অনেক সভা আৰু সমিতিত ভাগ ল'বলগীয়া হয় আৰু নিৰ্দিষ্ট সময়ত সভাত উপস্থিত হোৱাটো মোৰ অভ্যাস। সভাখন যিমানেই সৰু হওক, মই তাত কি বক্তৃতা দিম তাক আগতেই যুগুত কৰোঁ। মই আকাশবাণীতো ভাষণ দিওঁ। ভাষণ লিখি নি পঢ়াটো মোৰ পক্ষে সম্ভৱ নহয়। অৱশ্যে কি কম তাৰ সাৰাংশ লিখি লৈ যাওঁ আৰু নিৰ্ধাৰিত সময়ত মোৰ বক্তৃতা শেষ কৰোঁ।

যদিও বাতৰি-কাকত সম্বন্ধীয় কামবোৰ ভি. পি নায়াৰেই কৰে, কাৰ্যালয়ত অনেক বিশেষ ধৰণৰ কাম থাকে যিবোৰ মই কৰিবলগীয়া হয়। প্ৰত্যেকদিনৰ বাতৰি-কাকতবোৰৰ সাৰাংশ মোৰ সচিৱ শ্ৰীকুমাৰণে মোক পঢ়ি শুনায়। মই গুৰুত্বপূৰ্ণ চিঠিবোৰৰ উত্তৰ দিওঁ আৰু চিঠিবোৰৰ নিৰ্বাচন ময়েই কৰোঁ।

দুপৰীয়া খোৱাৰ পিছত এঘণ্টা সময় শুবৰ কাৰণে। সকলো বাদ দিলেও মই

দুপৰীয়া এঘণ্টা শোৱাটো কোনোমতেই বাদ দিব নোৱাৰোঁ। তাৰ পিছত কাৰ্যালয়লৈ গৈ ডেৰ ঘণ্টা কাম কৰোঁ। কেতিয়াবা মই সভা-সমিতিলৈ যাব লগা হয়। যিদিনা কোনো সভা-সমিতি নাথাকে, মই ঘৰলৈ ঘূৰি আহোঁ আৰু ঘৰত লীলা বা নলিনীয়ে মোৰ প্ৰিয় গ্ৰন্থবোৰ মোক পঢ়ি শুনায়। ৰাতি খোৱা-বোৱা কৰাৰ পিছত অলপ পৰ পঢ়ি মোৰ গীত শুনিবলৈ মন যায়। চাৰে নটা বজাত মই বিছনাত বাগৰ দিওঁ। বুঢ়া হ'লোঁ কিন্তু বাৰ্ধক্যৰ অনুভূতিবোৰ মোৰ মনলৈ এতিয়াও অহা নাই। ভোক নলগা, কথা পাহৰা আৰু টোপনি নহা আদি বাৰ্ধক্যৰ লক্ষণবোৰ ঈশ্বৰৰ কৃপাত এতিয়ালৈকে মোৰ শৰীৰত নাই।

সভা-সমিতিৰ কাৰণে বাহিৰলৈ গ'লে মোৰ ভাল লগা খাদ্য পালে আৰু যাওঁতে বাটত কষ্টভোগ নকৰিলে, মই আনন্দ পাওঁ। মাজে-সময়ে মই ভ্ৰমণ কৰিও ভাল পাওঁ।

দৃষ্টি দোষৰ কাৰণে অনিবাৰ্য অনেক কষ্ট আৰু অসুবিধাবোধ কৰিলেও মোৰ মনৰ উদ্যম আৰু আশা কেতিয়াও খীণ নহয়। লণ্ডনত চকু-চিকিৎসা কৰাৰ পিছত কিছুমান দিনলৈ মোৰ অলপ কষ্ট হৈছিল কিন্তু লাহে লাহে সেই কষ্ট অনুভৱ কৰা নাছিলোঁ। শেহত দৃষ্টিৰ ন্যূনতাৰ কথা মই একেবাৰেই পাহৰি গৈছিলোঁ। আমাৰ মানসিক অৱস্থা যেনেকুৱা তেনেভাৱেই আমি জগতখন দেখোঁ। অনেক মহত্বপূৰ্ণ কাম অন্ধৰ দ্বাৰা সম্পাদিত হয়।

"অন্ধ হ'লেও জীৱনটোক আনন্দপূৰ্ণ আৰু উপযোগী কৰিব পাৰি।" এই কথাষাৰ লৰ্ড ফ্ৰেয়চৰে কৈছিল। তেওঁ এনে এজন মহাপুৰুষ আছিল যি অন্ধৰ দুঃখ দূৰ কৰিবলৈ অশেষ চেষ্টা কৰিছিল। তেওঁ নিজেও অন্ধ আছিল। এনে এজন মহাপুৰুষৰ অনুভূতিবোৰ জানিবলৈ আৰু উপদেশবোৰ শুনিবলৈ মোৰ বৰ ইচ্ছা হয়। মই তেওঁলোকৰ অনেকৰ জীৱনী পঢ়িছোঁ। সেইবোৰৰ ভিতৰত হেলেন কেলাৰৰ জীৱনী অপূৰ্ব আৰু আটাইতকৈ আকৰ্ষক।

মই সদায় কামত ব্যস্ত থাকোঁ আৰু সেই কাৰণে মোৰ স্বাস্থ্য সদায় ভালে থাকে। দৃষ্টি হ্ৰাস হোৱাৰ পিছত জীৱনটোক সফল আৰু আনন্দপূৰ্ণ কৰি তোলাৰ পথ মই বিচাৰি আছোঁ। মোৰ এই চেষ্টা যে সফল নহ'ব সেইটো মই কেতিয়াও স্বীকাৰ নকৰোঁ। ঈশ্বৰৰ ওচৰত মোৰ প্ৰাৰ্থনা—মোৰ পৰিৱৰ্তিত জীৱনলৈ অহা অসহায় অৱস্থা যেন মোৰ দৈনিক কামবোৰৰ আগত বাধা হিচাপে থিয় নহয়।

ৰাজহুৱা জীৱনৰ দুটা দিশ

পঞ্চাশ বছৰৰো অধিক কাল মই কেৰালা আৰু তাৰ বাহিৰত ৰাজহুৱা জীৱনত ভাগ লৈছোঁ। মোৰ মানৱ-সেৱাৰ দুটা দিশ—তাৰ মধুৰতা আৰু কঠোৰতাৰ অভিজ্ঞতা মোৰ জীৱনত মই অনেক সঞ্চয় কৰিছোঁ।

ৰাজহুৱা জীৱনত প্ৰবৃত্ত হ'বলৈ মানুহক কি শক্তিয়ে প্ৰেৰণা দিয়ে—তাৰ আচল উত্তৰটো দিয়া টান। আগৰেপৰা মোৰ চৰকাৰী চাকৰি কৰাৰ ইচ্ছা একেবাৰেই নাছিল আৰু মই ৰাজহুৱা জীৱনত ভাগ ল'বলৈ সুবিধা দিয়া যি কোনো কামকে কৰিবলৈ প্ৰস্তুত আছিলোঁ। ছাত্ৰ জীৱনত দেশপ্ৰেমিক পুৰুষসকলৰ জীৱনী পঢ়ি বৰ ভাল পাইছিলোঁ। যি কোনো দেশৰেই হওক, স্বাধীনতা সংগ্ৰামৰ নেতাসকলৰ জীৱনী পঢ়ি মই উত্তেজিত হৈছিলোঁ। মেজিনি—যি ইটালীক এখন ৰাষ্ট্ৰ হিচাপে গঠন কৰাত নেতৃত্ব দিছিল ; ৱাচিংটন—যি আমেৰিকাক স্বাধীন কৰিছিল ; ডাঃ চনইযাৎচান্—যি মংচু বংশৰ কু-শাসনৰ কবলৰপৰা চীনক মুক্ত কৰিছিল ; ডি ভেলৰো যি আয়াৰ্লণ্ডত বৃটিচ শাসন সমাপ্ত কৰাইছিল ; অব্ৰাহাম লিঙ্কন—যি নিগ্ৰোসকলক পৰাধীনতাৰপৰা মুক্ত কৰাইছিল—আদি মহাপুৰুষসকলৰ জীৱনী মই অদমনীয় উৎসাহেৰে পঢ়িছিলোঁ। ৰাজহুৱা জীৱনত প্ৰবৃত্ত হ'বলৈ এওঁলোকৰ জীৱনীয়ে মোক ডাঙৰ সহায় কৰিছিল।

যেতিয়া মই কোষিক্কোট্টত ওকালতি কৰি আছিলোঁ সেই সময়তে হোমৰুল লীগৰ সচিৱৰ পদ গ্ৰহণ কৰিছিলোঁ। সেই জন-সম্পৰ্কৰ জীৱনটো — এটা ক্ষেত্ৰৰপৰা আনটো ক্ষেত্ৰলৈ গৈ থাকোঁতে অনেক দিনলৈকে আছিল। ক্ষেত্ৰ সলনি হোৱাৰ লগে লগে কাম কৰাৰ ৰীতিও সেই অনুসাৰে সলনি হৈছিল। তথাপিও নিজৰ ইচ্ছাৰ অনুকূলে মই ৰাইজৰ সেৱাত নিজকে নিয়োগ কৰিছিলোঁ। ক্ষেত্ৰ যেনেকুৱাই নাথাকক, বিৰোধিতাৰ সন্মুখীন নোহোৱাকৈ কোনো কাম কৰা অসম্ভৱ আছিল।

হোমৰুল আন্দোলনৰ সময়ত, নিম্ন বৰ্ণক সমৰ্থন কৰা মানুহবোৰৰ বিৰোধিতাৰ সন্মুখীন হ'বলগীয়া হৈছিলোঁ। ভৈকম সত্যাগ্ৰহ উচ্চবৰ্ণৰ হিন্দুৰ বিৰুদ্ধে আছিল। অসহযোগ আন্দোলনৰ সময়ত শক্তিশালী বৃটিচ চৰকাৰৰ বিপক্ষে সংগ্ৰাম কৰিবলগীয়া হৈছিল। বনুৱা সংগঠনৰ কাৰণে ধনী শ্ৰেণীৰ বিৰুদ্ধে সংঘৰ্ষ কৰিছিলোঁ। এই সকলো আন্দোলন আৰু সংঘৰ্ষত জনসাধাৰণৰ কল্যাণ আৰু অন্যায় নিৰ্মূল কৰাৰ অদমনীয় স্বাৰ্থহীন প্ৰচেষ্টা আছিল।

"য'ত সূৰ্য ডুব নাযায় তেনে এখন বিশাল আৰু শক্তিশালী বৃটিচ সাম্ৰাজ্যৰ বিৰুদ্ধে সংগ্ৰাম কৰাৰ অপচেষ্টা এই হোমৰুল মানুহবোৰৰ ! এই পগলাবোৰক কি বুলি কোৱা যায় ?" এনে ধৰণৰ কথা দেশীয় আন্দোলনৰ বিপক্ষে থকা মানুহবোৰে

কংগ্ৰেছ আৰু হোমৰুলৰ সদস্যসকলক পৰিহাস কৰি কৈছিল। সেই মানুহবোৰৰ লগত তৰ্কাতৰ্কি কৰাৰ কোনো প্ৰয়োজন নাছিল আৰু প্ৰয়োজনবোধ কৰাও নাছিলোঁ।

মানৱ-সেৱাৰ কামত লিপ্ত হৈ থাকোঁতে মই চাৰি প্ৰকাৰ প্ৰতিকূল অৱস্থাৰ সম্মুখীন হ'বলগীয়া হৈছিল। মই মোৰ পৰিয়াল আৰু বন্ধু-বান্ধৱসকলৰ আশাৰ স্থল আছিলোঁ। বিলাতৰপৰা ঘূৰি অহাৰ পিছত তেওঁলোকে মোৰপৰা অনেক আশা কৰিছিল। মই ৰাজহুৱা কামত লাগি যোৱাত তেওঁলোকৰ সকলো আশা অথলে গ'ল। মই ৰাজনীতিত নমা দেখি তেওঁলোক অসন্তুষ্টই হোৱা নাছিল চৰকাৰে তেওঁলোকক জুলুম কৰিব বুলি তেওঁলোকৰ ভয় হৈছিল। আনপিনে পইচাৰ অভাৱত সংসাৰ চলোৱা টান হৈছিল। তেতিয়া মোৰ মনৰ অৱস্থা কি হৈছিল, কি কষ্টত দিন কটাবলগীয়া হৈছিল সেই দিনবোৰৰ কথা মই কেতিয়াও পাহৰিব নোৱাৰোঁ। ছাত্ৰ জীৱনতো মই ঋণৰপৰা মুক্ত হ'ব পৰা নাছিলোঁ আৰু আজিও যে তাৰপৰা মুক্ত হৈছোঁ সেই কথা মই ডাঠি ক'ব নোৱাৰোঁ। সেই কালত মোৰ কোনো স্থায়ী আয় নাছিল কিন্তু খৰচ বন্ধ কৰিব নেৱাৰি মনলৈ হতাশা, নিৰাশা আৰু ঘোৰ অশান্তি আহিছিল। তেনে পৰিস্থিতিত জ্ঞান, পৰামৰ্শ বা উপদেশ কোনো কামত নাহিছিল আৰু কেতিয়াবা ভাবিছিলোঁ জীৱনটো তাতে শেষ হৈ যাওক। তথাপি মোৰ সেই দুখৰ দিনবোৰ কেনেকৈ পাৰ হৈ গৈছিল এতিয়া ভাবিলে আচৰিত হওঁ।

চৰকাৰ আৰু কিছুমান অধিকাৰীৰ নানা ধৰণৰ ধমকি আৰু সকীয়নিয়ে মোৰ মনত দুখ দিছিল। গ্ৰেপ্তাৰ হোৱা, পুলিচ ঘৰ খানাতালাচী কৰা, কিবা নহয় কিবা অপৰাধত মোৰ ওপৰত মোকৰ্দমা চলোৱা, আদালতত জৰিমনা কৰা আৰু জৰিমনা দিব নোৱাৰিলে ঘৰৰ বস্তু ক্ৰোক কৰা আদি নানা ভয়ে মোক প্ৰয়েই গ্ৰাস কৰিছিল আৰু দাৰুণ মানসিক কষ্ট দিছিল।

এৰনাটৰ কাজিয়াৰ সময়ত মোৰ সদায় গণত পৰিছিল মোক যি কোনো সময়তে গ্ৰেপ্তাৰ কৰিব ; কিন্তু গ্ৰেপ্তাৰ হোৱা নাছিলোঁ। তেনে অৱস্থাত মোৰ মনত সদায়েই এটা ভয় আছিল। তাতোকৈও কি কঠোৰ আৰু দুখপূৰ্ণ জীৱন মই জাপানীৰ জেলত কটাবলগীয়া হৈছিল এতিয়া ভাবিলেও গা শিয়ৰি উঠে। মোৰ নিজৰ দুঃখ-কষ্টতকৈ মোৰ কাৰণে পৰিয়ালে পোৱা দুখকষ্টবোৰে মোৰ মনত দাৰুণ পীড়া দিছিল।

এজন লোক-সেৱকৰ প্ৰতি জনসাধাৰণে ভুল বুজি দিয়া নিন্দা আৰু গৰিহণা মই অনেক পাইছিলোঁ আৰু তেতিয়া মনত অত্যন্ত দুখ পাইছিলোঁ, কিন্তু সহ্য কৰিছিলোঁ এই কাৰণেই যে ৰাইজৰ সেৱা কৰিবলৈ গ'লে কেতিয়াবা ডিঙিত মালা পিন্ধাৰ সুযোগ আহে আৰু কেতিয়াবা গালৈ দলিওৱা দলিচপৰাৰ আঘাত সহ্য কৰিব লগা হয়। আৰু কেতিয়াবা সৎ কাম কৰাৰ উদ্দেশ্য থাকিলে বা সৎ কাম কৰিলেও নিন্দা অপযশ মূৰ পাতি ল'ব লগা হয়। তেনে এটা উদাহৰণ ইয়াত উল্লেখ কৰিব পাৰোঁ। বিধান সভাৰ বহিষ্কাৰ জাৰী ৰাখিব লাগিব নে নেলাগে জানিবৰ কাৰণে এখন বিশেষ কমিটি নিযুক্ত কৰা হৈছিল। সেই সময়টো আছিল এৰনাটত হাঙ্গামা শেষ হোৱাৰ পিছত।

সেই কমিটিখনৰ সদস্য আছিল ডঃ আন্সাৰী, পণ্ডিত মতিলাল নেহৰু, হাকিম আজমল খান, ৰাজাগোপালাচাৰী, বিঠলভাই পেটেল আৰু কস্তুৰি ৰঙ্গয়্যঙ্কৰ। চৰকাৰে কমিটিৰ সদস্যসকলক মালবাৰত প্ৰৱেশ কৰাৰ অনুমতি দিয়া নাছিল। সেই কাৰণে তেওঁলোকে মালবাৰৰ কংগ্ৰেছ কৰ্মীসকলক ইৰোদত থাকিবলৈ ক'লে। সেই সম্বন্ধত মই অন্য বন্ধু-বান্ধৱৰ লগত ইৰোদলৈ গ'লোঁ। সেই সময়ত মই কেৰালা প্ৰান্তৰ কংগ্ৰেছৰ কমিটিৰ সচিৱ আছিলোঁ। মোৰ লগত যিসকল সদস্য গৈছিল তেওঁলোকৰ সৰহভাগেই মোৰ মত সমৰ্থন নকৰা মানুহ। কমিটিৰ ওচৰত নিজৰ কথা ব্যক্ত কৰোঁতে তেওঁলোকে মোৰ মত অগ্ৰাহ্য কৰিয়েই ক্ষান্ত নাছিল তাৰ বাহিৰেও মোক ব্যক্তিগতভাৱে গৰিহণাও দিছিল। এজন নিৰপৰাধীক তেনেভাৱে অযথা নিন্দা কৰা মোৰ সহ্য নহৈছিল আৰু মই মনত অত্যন্ত দুখ পাইছিলোঁ। "ভুলত তুমি অনেক ককৰ্থনাৰ পাত্ৰ হ'লা, কেশৱ মেনন"—বিঠলভাই পেটেলে কোৱা এই কথাষাৰ এতিয়াও মোৰ মনত আছে।

ইৰোদৰপৰা ঘূৰি অহাৰ সময়ত মই তৃতীয় শ্ৰেণীৰ ৰেলৰ ডবাত বহি কান্দিছিলোঁ। তাত মোক সহানুভূতি দেখুৱাবৰ কোনো নাছিল।

আমাৰ নিস্বাৰ্থ মনোভাব ঠিকভাৱে নুবুজি ভুল কৰি মানুহ আমাৰ বিৰুদ্ধে যায়। অৱশ্যে, এজন নিস্বাৰ্থ লোক-সেৱকে যে জনসাধাৰণৰপৰা সদায় মৰম আৰু সহানুভূতি পাব সেইটো সম্ভৱ নহয় আৰু অনেকে কেতিয়াবা অনেক পিছত পায়। এই কথাখিনি লিখি থাকোঁতে মোৰ মাডাম কামাৰ কথা মনত পৰিছে। তেওঁ নিজৰ দেশত স্বাধীনতাৰ কাৰণে গোটেই জীৱনটো উচৰ্গা কৰি বিদেশত অনেক কষ্ট ভোগ কৰিছিল। অনেক মানুহৰ মহান ত্যাগৰ কথা তেওঁলোকৰ মৃত্যুৰ পিছতহে মানুহে জানি প্ৰশংসা কৰাৰ উদাহৰণ ইতিহাসত আছে।

মানুহৰপৰা পোৱা প্ৰশংসা আৰু বিশ্বাসে এজন লোক-সেৱকক আনন্দ দিয়ে। প্ৰসিদ্ধ বক্তা শ্ৰীনিবাস শাস্ত্ৰীৰ বিষয়ে এটা কথা প্ৰচলিত আছে। এবাৰ তেওঁ কলিকতাৰ এখন সভাত বক্তৃতা দিছিল। বক্তৃতাৰ পিছত যেতিয়া তেওঁ আসনত বহিল শ্ৰোতাসকলৰ মাজৰপৰা এজন মানুহে তেওঁৰ ওচৰলৈ আহি ক'লে, " আপোনাৰ সুন্দৰ বক্তৃতা শুনি মই মুগ্ধ হৈছোঁ। এনেকুৱা বক্তৃতা শুনা ভাগ্যৰ কথা।" তেওঁৰ কথা শুনি শাস্ত্ৰীয়ে ক'লে, "এনেকুৱা প্ৰশংসা মই অনেক শুনিছোঁ কিন্তু অকৃত্ৰিম অভিনন্দনে মোক আনন্দ দিয়ে।" সেই মানুহজনৰ প্ৰশংসা যে আন্তৰিকতাপূৰ্ণ আৰু অকৃত্ৰিম আছিল শাস্ত্ৰীয়ে বুজিব পাৰিছিল।

ৰাজহুৱা জীৱনত মই অনেক কষ্ট পাইছোঁ কিন্তু লগতে ৰাইজৰ অনেক আদৰ-মৰমো পাইছোঁ। অতি বেছি প্ৰশংসা আৰু অতি বেছি গৰিহণা পাব পাৰি কিন্তু এই দুটাৰ দ্বাৰা কেতিয়াও পথভ্ৰষ্ট হ'ব নালাগে। ৰাইজৰ কামত নিজকে উচৰ্গা কৰা মানুহে অনেক ভাল আৰু অনেক বেয়া অভিজ্ঞতাৰ কাৰণে প্ৰস্তুত থাকিব লাগিব। তেওঁৰ অৱস্থা যুদ্ধক্ষেত্ৰলৈ যোৱা এজন সৈনিকৰ নিচিনা। তেওঁৰ ভৱিষ্যৎ নিশ্চিত নহয়— তেওঁ যুদ্ধত মৰিবও পাৰে বা জয়যুক্তও হ'ব পাৰে। "মই দেশৰ স্বাধীনতা আৰু

অখণ্ডতা ৰক্ষা কৰিম।" এইটো হ'ল এজন দেশ-প্ৰেমিকৰ মূলমন্ত্ৰ। ৰাইজৰ সেৱাত লাগি থকা এজন মানুহৰো সেই একে মূলমন্ত্ৰ হোৱা উচিত যে তেওঁ ৰাইজৰ ভালৰ কাৰণে সৰ্বস্ব ত্যাগ কৰিব। অন্যায়ৰ বিৰুদ্ধে সংঘৰ্ষ কৰাৰ সাহস, দুঃখ-কষ্টত জীয়াতু ভোগা মানুহক সহায় কৰাৰ হেঁপাহ আৰু ৰাইজৰ সুখ-সুবিধাবোৰ বৃদ্ধি কৰাৰ প্ৰবল ইচ্ছাই এজন জন-সেৱকক তেওঁৰ কৰ্মক্ষেত্ৰলৈ লৈ যায় আৰু সকলো বাধা-বিঘিনিৰ সম্মুখীন হ'বলৈ সাহস আৰু ক্ষমতা দিয়ে। যিমানেই তেওঁ সংঘৰ্ষৰ সম্মুখীন হয় সিমানেই তেওঁৰ সহন-শক্তি বেছি হয়। এনে ধৰণৰ মানুহ নেতৃত্ব-স্থানত উপনীত হ'লেও তেওঁৰ পৰোপকাৰ কৰাৰ স্পৃহা অক্ষুণ্ণ থাকে।

মোৰ জীৱনৰ এনে ধৰণৰ সকলো অভিজ্ঞতাৰ কথা মনত নাই। কিন্তু যিবোৰ আছে সেইবোৰে মোক অপাৰ আনন্দ দিয়ে। দুখও অনেক পাইছোঁ কিন্তু ৰাজহুৱা কামত ভাগ নোলোৱাহেঁতেন এতিয়া মনত যি সন্তোষ পাইছোঁ সেই সন্তোষ কেতিয়াও নেপালোঁহেঁতেন। জীৱনৰ সন্ধিয়া পৰত মানুহৰ সন্তোষেইতো পৰম শান্তি।

অশান্তিৰ উদ্বেগ

1966 চনৰ গণতন্ত্ৰ দিৱসত ভাৰতৰ ৰাষ্ট্ৰপতিয়ে মোক 'পদ্মভূষণ' উপাধি প্ৰদান কৰে। তাৰ আগতে তাৰ খবৰ পাইছিলোঁ। গণতন্ত্ৰ সিৱসৰ বিজ্ঞপ্তিত সেই খবৰ প্ৰকাশিত হয় আৰু লগে লগে মোৰ অনেক বন্ধু-বান্ধৱে অভিনন্দন জ্ঞাপন কৰে। তেওলোকৰ শুভেচ্ছা আৰু অভিনন্দনে মোক অভিভূত কৰিলে। দুমাহৰ পিছত সেই সম্বন্ধত আয়োজন কৰা আনুষ্ঠানিক সমাৰোহত ভাগ ল'বলৈ মই দিল্লীলৈ গ'লোঁ। মোৰ লগত মোৰ জী লীলা, নাতিনী নলিনী আৰু নাতি-জোঁৱাই দামোদৰ আছিল। ৰাষ্ট্ৰপতি ভৱনত আয়োজন কৰা সেই সৰল আৰু গাম্ভীৰ্যপূৰ্ণ সমাৰোহৰ দৃশ্য মোৰ দৃষ্টিহীনতাৰ কাৰণে দেখা সম্ভৱ নহৈছিল যদিও তাৰ গাম্ভীৰ্যপূৰ্ণ আৰু শুভেচ্ছা আৰু সদ্ভাৱেৰে ওতঃপ্ৰোত সেই পৰিৱেশ অনুভৱ কৰি মই মনত অনিৰ্বচনীয় আনন্দ পাইছিলোঁ।

আমি দিল্লীত এসপ্তাহ আছিলোঁ। তাৰ মাজতে মোৰ পুৰণি বন্ধু জেনেৰেল মোহন সিঙৰ আমন্ত্ৰণ পাই অমি চণ্ডীগড়লৈ গ'লোঁ। চণ্ডীগড়ত তেওঁৰ সহৃদয় আতিথ্য-সৎকাৰে আমাক মুগ্ধ কৰিলে। এ. এন. এৰ সময়ত মোৰ আৰু মোহন সিঙৰ যিবোৰ অভিজ্ঞতা হৈছিল সেইবোৰ স্মৰণ কৰিলোঁ। চিঙ্গাপুৰত ৰতন সিং মোহন সিঙৰ লগত আছিল ; আমি তেওঁকো লগ পালোঁ। ৰতন সিং মোহন সিঙৰ সচিৱ আছিল। পাছত তেওঁ পঞ্জাৱৰ মন্ত্ৰীসভাৰ সদস্য হৈছিল।

দিল্লীলৈ উলটি আহি মই কেইবাখনো অভিনন্দন সন্মিলনত ভাগ ল'লোঁ। তাৰ পিছতেই মোৰ অশাতী জন্ম দিন পৰিছিল। মোৰ আশীতম জন্মদিনত মোৰ বন্ধু-বান্ধৱ আৰু সংস্থাবোৰে মোক যি সন্মান আৰু উপহাৰ দিছিল সেইবোৰক মই এতিয়াও অমূল্য ৰত্ন হিচাপে সাঁচি থ'ছোঁ। সেই সময়ত মই বাৰে বাৰে চিন্তা কৰিছিলোঁ এই জীৱনটো কেনে ধৰণৰ এখন বিচিত্ৰ নাটক—এসময়ৰ অতি দুখলগা জীৱনৰ পিছত এতিয়া আন্তৰিকতাপূৰ্ণ স্বীকৃতি আৰু অভিনন্দন !

সেই বছৰত কোষিক্কোট্ট চহৰৰ শতবাৰ্ষিক সমাৰোহ বৰ ধুমধামেৰে পালন কৰা হৈছিল। অন্যান্য বন্ধু-বান্ধৱসকলৰ লগত ময়ো তাৰ আয়োজনত এমাহ ব্যস্ত আছিলোঁ। সমাৰোহটো সাফল্যমণ্ডিত হোৱাত মনত বৰ সন্তোষ পাইছিলোঁ। এই সফলতাত কোষিক্কোট্ট কলেজৰ ছাত্ৰ-ছাত্ৰীসকলে পূৰ্ণ সহযোগ দিছিল। শতবাৰ্ষিক সমাৰোহৰ এটা মুখ্য অংশ আছিল শোভাযাত্ৰাটো—য'ত কোষিক্কোট্টৰ ইতিহাসক বিচিত্ৰ বেশ অলঙ্কৰণে ৰূপায়িত কৰা হৈছিল। সেই সকলো কোষিক্কোট্ট কলেজৰ ছাত্ৰ-ছাত্ৰী সকলে কৰিছিল। তেওঁলোকৰ চেষ্টা আৰু সাফল্য অনুকৰণীয় আছিল।

সেই সময়ত কাসৰগোড়ৰ সম্বন্ধত কেৰালাত এটা ডাঙৰ হুলস্থূল লাগিছিল।

মহীশূৰ চৰকাৰে কাসৰগোড়ৰ কিছু অংশ নিজৰ ৰাজ্যত অন্তৰ্ভুক্ত কৰিবলৈ দাবী জনালে। সেই সময়ত সীমাৰ নামৰ ওপৰত মহীশূৰ আৰু মহাৰাষ্ট্ৰৰ মাজত তৰ্ক-বিতৰ্ক চলিছিল। এই বিষয়ে অনুসন্ধান কৰি এটা সিদ্ধান্ত গ্ৰহণ কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে এটা সংসদীয় আয়োগ নিযুক্ত কৰিলে। আয়োগৰ সভাপতি মহাজন উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ আছিল। কাসৰগোড়ৰ সমস্যাটোৰ সমাধানৰ ভাৰ সেই আয়োগৰ ওপৰত এৰি দিয়ে। সেইটো কিছুমান মানুহৰ দৃষ্টিত এটা ডাঙৰ অন্যায় আছিল। মোৰো সেই মত আছিল। সেই বিষয়ে আলোচনা কৰিবলৈ মই 1966 চনৰ নবেম্বৰত এৰ্ণাকুলমত এখন অখিল কেৰলীয় সন্মিলন আহ্বান কৰিলোঁ।

সন্মিলনত মত প্ৰকাশ কৰা হ'ল—সীমা-নিৰ্ধাৰণ এঘাৰ বছৰৰ আগতেই হৈছিল আৰু সেই কাৰণে দ্বিতীয়বাৰ সীমা নিৰ্ধাৰণ কৰা উচিত নহয়। সন্মিলনে এখন বিশেষ কমিটি গঠন কৰিলে—যিখন কমিটিয়ে কাসৰগোড় সমস্যাটোৰ সমাধান হোৱালৈকে তাৰ যথোচিত কাম কৰি থাকিব। কমিটিয়ে কেইবছৰমানলৈকে উৎসাহেৰে কাম কৰিছিল আৰু তাৰ সুফলো পাইছিল।

যেতিয়া সেই আন্দোলনে এটা বিশেষ ৰূপ ধাৰণ কৰিলে, ৰাজ্যখনত গণ্ডগোল আৰম্ভ হোৱাৰ লক্ষণ দেখা গ'ল। তাৰ গতি আৰু বিস্তাৰ অতি সোনকালে বৃদ্ধি হ'ল। স্বাধীনতা লাভৰ পিছত ৰাজ্যখনত সেইটোৱেই আটাইতকৈ ডাঙৰ আন্দোলন আছিল।

1947 চনৰ পিছত আমাৰ গণতন্ত্ৰ আৰু নানা ক্ষেত্ৰত দেশখনৰ প্ৰগতি দেখি অধিক সংখ্যক মানুহে ধৰি ল'লে ভাৰতে বিশ্বৰ দেশবোৰৰ নেতৃত্ব কৰিবলৈ ওলাইছে। ময়ো তেনে আশা পোষণ কৰিলোঁ। স্বাধীন ভাৰতৰ অনেক ঘটনাই সেই আশাত বল দিছিল। দেশত ডাঙৰ ডাঙৰ বান্ধ, বিকাশশীল ব্যৱসায়িক আৰু অনুসন্ধান কেন্দ্ৰ তথা নতুন নতুন বিশ্ববিদ্যালয় আদি নানা ঠাইত স্থাপিত হ'ল। আন্তঃৰাষ্ট্ৰীয় সমস্যাবোৰৰ সমাধানৰ কাৰণে ভাৰতৰ অভিমত জানিবৰ কাৰণে বিশ্বৰ নেতাসকলে ভাৰতক আমন্ত্ৰণ কৰিবলৈ আৰম্ভ কৰিলে আৰু আন্তঃৰাষ্ট্ৰীয় সন্মিলনত গুৰুত্বপূৰ্ণ প্ৰশ্নৰ সম্বন্ধত ভাৰতে কি সিদ্ধান্ত গ্ৰহণ কৰিব তাক জানিবৰ কাৰণে ডাঙৰ ডাঙৰ ৰাষ্ট্ৰনেতাসকল উৎসুক হ'ল। কংগ্ৰেছৰ ত্যাগপূৰ্ণ ইতিহাস আৰু জৱাহৰলাল নেহৰুৰ অসাধাৰণ নেতৃত্ব আৰু ব্যক্তিত্বৰ ফলত ভাৰত এতিয়ালৈকে এই স্তৰত উপনীত হৈছেহি। কিন্তু 1962 চনৰ পিছত ভাৰতৰ পৰিস্থিতি অলপ বেয়া হ'ল। সেই বছৰতে চীনে আমাৰ দেশক আকস্মিকভাৱে আক্ৰমণ কৰি আমাৰ অশেষ ক্ষতি কৰিলে। যদি চীনে সেই আক্ৰমণ জাৰী ৰাখিলেহেঁতেন ভাৰতৰ অৱস্থা কি হ'লহেঁতেন কোৱা কঠিন। স্বাধীনতাৰ পিছত আমাৰ লক্ষ্য কি আছিল আৰু জীৱনৰ মূলবোধৰ বিষয়ে আমাৰ ধাৰণা কি আছিল—এই সকলো কথা আমি পাহিৰ গ'লোঁ। ধৰ্মঘট কৰা, যাতায়াতৰ ব্যৱস্থাত বাধা উপস্থিত কৰা, চৰকাৰী সম্পত্তি নাশ কৰা আৰু লুটপাত কৰা আদি হীন আৰু বিপজ্জনক কামবোৰ দেশত হ'বলৈ ধৰিলে। ছাত্ৰবোৰৰ মনত দেশৰ ভৱিষ্যৎ

নষ্ট কৰাৰ ভাব উদ্ভৱ হ'ল—য'ত অনুশাসন আৰু শৃঙ্খলাবোধ একেবাৰে নোহোৱা হ'ল। দেশত গণ্ডগোল সৃষ্টি কৰা ৰাজনৈতিক দলবোৰে ছাত্ৰসকলক উদগনি দিলে। এনে কৰাৰ প্ৰধান উদ্দেশ্য আছিল ক্ষমতা লাভ।

মানুহৰ মনত আশঙ্কা হ'ল যে ভাষা আৰু ৰাজ্যৰ সীমাৰ নামত মূৰ দাঙি উঠা অৰাজকতাই দেশৰ একতা শিথিল কৰি দিব। দেশত এখন ৰাজ্যৰ মানুহৰ লগত আনখন ৰাজ্যৰ মানুহৰ সদ্ভাৱ নোহোৱা হ'ল আৰু তাৰ ফলত যে দেশৰ একতা আৰু অখণ্ডতা লুপ্ত হ'ব—সেই ডাঙৰ সত্যটো কিছুমান মানুহৰ চকুত নপৰা হ'ল। দেশত অনুশাসনৰ অভাৱ পৰিলক্ষিত হ'ল আনকি সংসদ আৰু ৰাজ্যৰ বিধান সভাবোৰতো সদস্যসকলে নীতি-নিয়ম আৰু শৃঙ্খলা নমনা হ'ল। এনেবোৰ অনিয়ম দেখি আমাৰ মনলৈ এটা ধাৰণা আহিল যে এনে এখন সংগঠন গঠন কৰা অনিবাৰ্য যি দেশবাসীৰ মনলৈ এটা নতুন বিচাৰ-ধাৰা আনিব পাৰিব।

এখন দেশৰ গৌৰৱ আৰু খ্যাতি তাৰ জনসাধাৰণৰ স্বভাৱৰ ওপৰত নিৰ্ভৰ কৰে। সেই স্বভাৱ লাভ কৰিবৰ কাৰণে প্ৰশিক্ষণৰ আৱশ্যক। কিন্তু সেই ধৰণৰ প্ৰশিক্ষণৰ কাৰণে আমাৰ স্বাধীনতা লাভৰ পিছতো কোনো চেষ্টা চলোৱা দেখা নাই। সেই উদ্দেশ্য পূৰ্ণ কৰিবৰ কাৰণে আমি 'নাগৰিক সঙ্ঘ' নামৰ এখন সংগঠন স্থাপন কৰিলোঁ। জ্ঞান লাভ ; স্বাধীন চিন্তা আৰু সম্মিলিত চেষ্টাৰ কাৰণে উৎসাহ বৃদ্ধি ; জাতি, ধৰ্ম আৰু সম্প্ৰদায়ৰ ওপৰত কোনো গুৰুত্ব নিদি সকলোৰে মাজত মিলা-প্ৰীতি আৰু সদ্ভাৱৰ সৃষ্টি ; দেশৰ সমস্যাবোৰ ভালকৈ বুজিব পৰা জ্ঞান আৰু সেইবোৰৰ সমাধানৰ উপায় চিন্তা ; আলচ কৰি কাম কৰা ; যোগ্য আৰু উত্তম নাগৰিক হ'বৰ কাৰণে আমাৰ যুৱকসকলক দিব লগা প্ৰেৰণা আৰু শান্তিৰ পথেই প্ৰগতিৰ একমাত্ৰ পথ বুলি ধৰি লোৱা মনোভাব পোষণ আদি সংঘৰ কাৰ্য পদ্ধতি আছিল। "নাগৰিক সংঘ"ৰ কাৰ্যকলাপবোৰৰ পৰিণাম জানিবলৈ অনেক সময় লাগিব। কিন্তু অলপো সন্দেহ নাই যে এই সংঘটো দেশৰ ভৱিষ্যৎ উজ্জ্বল কৰাত অমোঘ শক্তিস্বৰূপ হ'ব। এই বিশ্বাসে সংঘৰ সকলো সদস্য আৰু কৰ্মীক উৎসাহ আৰু উদগনি দিছে আৰু লক্ষ্য লাভ হোৱালৈকে সেই উৎসাহ আৰু উদগনি দি থাকিব।

সংস্থা আৰু সংগঠনবোৰ মানুহৰ নিচিনা। সেইবোৰত স্থায়িত্ব নাথাকে। সময় আৰু আৱশ্যকতা অনুসাৰে সংস্থাবোৰ গঠন কৰা হয় আৰু কিছুদিনৰ পিছত লক্ষ্যস্থানত উপনীত হৈ ভাঙি দিয়া হয় ; তাৰ পিছত তাৰ ঠাইত আন সংস্থা গঠন কৰা হয়। "নাগৰিক সঙঘ"ৰ চেষ্টাত যি আদৰ্শ কেৰালাই জন্ম ল'ব, তাকেই কল্পনা কৰি তাক বাস্তৱত ৰূপ দিবলৈ মই চেষ্টা কৰিছোঁ।

বুঢ়া বয়সৰ বৰ আৰু শাও

মই এই অধ্যায়টো মোৰ তেৰাশী বছৰ বয়সত লিখিছোঁ। সাধাৰণতে মানুহৰ চকুত মই এজন বুঢ়া মানুহ ; কিন্তু মই কওঁ সেই ধাৰণাটো মোৰ ক্ষেত্ৰত একেবাৰে ভুল। জীৱনৰ প্ৰত্যেকটো স্তৰতে নিজৰ বিশেষত্ব আছে—যেনেকৈ শৈশৱ কালৰ নিষ্কলঙ্ক, বাল্যকালৰ চপলতা, ডেকা কালৰ উগ্ৰভাব, আদহীয়া অৱস্থাৰ উচ্চাকাংক্ষা আৰু বুঢ়া বয়সৰ বাৰ্ধক্য। কিন্তু এই লক্ষণবোৰ সকলোৰে ক্ষেত্ৰত প্ৰযোজ্য নহয়। মোৰ দৃষ্টি প্ৰায় নাইকিয়া হ'লেও বুঢ়া বয়সৰ আন লক্ষণবোৰ মোৰ নাই। দাৰিদ্ৰ্য আৰু বাৰ্ধক্য মানুহৰ কাৰণে অসহনীয়। মানুহক নিৰাশ কৰিবলৈ এই দুটাৰ এটাই যথেষ্ট। যদি দুয়োটা থাকে, জীৱনটো নৰক হৈ পৰে। এনে নাৰকীয় জীৱন যাপন কৰা মানুহৰ অৱস্থা দেখি মই অন্তৰত দুঃখ পাওঁ। বিপদৰপৰা ৰক্ষা পাবলৈ আমি চেষ্টা কৰোঁ কিন্তু যেতিয়া ই আহি যায় তাৰ সম্মুখীন হ'বলৈ আমাৰ ধৈৰ্য হ'ব লাগিব। দীৰ্ঘ জীৱনৰ কঠোৰ অভিজ্ঞতাই মোক সেই ধৈৰ্য দিছে।

কাম কৰিবলৈ অনিচ্ছা আৰু অসামৰ্থ সাধাৰণতে বুঢ়া মানুহৰ হয়। কিন্তু মই এই দুয়োটাৰ হাতৰ মুঠিৰ বাহিৰত। এতিয়াও মোৰ কাম কৰিবলৈ বৰ ইচ্ছা হয় আৰু উৎসাহ পাওঁ। কিন্তু বেলেগ বেলেগ কাম হ'ব লাগে। প্ৰত্যেক দিনে মই তিনি-চাৰি ঘণ্টা লিখাৰ কামত ব্যস্ত থাকোঁ। সাধাৰণতে, প্ৰায় সদায় মই সভা-সমিতিত ভাগ লওঁ আৰু অনেক সংস্থাৰ লগত মোৰ সম্পৰ্ক আছে। প্ৰত্যেকটো সংস্থা আৰু সংগঠনৰ প্ৰকৃতি বেলেগ বেলেগ। সেই কাৰণে কাম কৰিবলৈ মোৰ অনিচ্ছা নহয়। কাম কৰোঁতে মই বেলেগ ধৰণৰ মানুহ পাওঁ—তেওঁলোক সলনি হৈ থাকে। শিক্ষিত আৰু অশিক্ষিত ; উচ্চ শ্ৰেণীৰ আৰু সাধাৰণ, ৰাজনীতিজ্ঞ আৰু ৰাজনীতি ভাল নোপোৱা ; শিল্পী আৰু সাহিত্যিক ; সমাজসেৱী আৰু সংগঠনমূলক কাম কৰোঁতা—আদি অনেক ধৰণৰ মানুহ আৰু বন্ধু-বান্ধৱৰ লগত মোৰ সম্পৰ্ক আছে। কিন্তু যেনে ধৰণৰ মানুহেই হওক, তেওঁলোকৰ লগত সময় কটাওঁতে মই অলপো মানসিক অশান্তি নেপাওঁ। মই তেওঁলোকক যিমান মৰম-স্নেহ দিওঁ, তেওঁলোকেও মোক তাকেই ঘূৰাই দিয়ে।

বাৰ্ধক্যৰ নিজৰ কিছুমান দোষ আছে। কাম কৰিবলৈ অনিচ্ছা সেইবোৰৰে এটা। মোৰ সমবয়সীয়া এজন বন্ধু এদিন মোক লগ ধৰিবলৈ আহিছিল। অতীজৰ অভিজ্ঞতাবোৰৰ বিষয়ে কৈ তেওঁ ভৰি দুটা আগলৈ মেলি আৰামী চকী এখনত বহিল আৰু মুখৰপৰা চুৰটৰ 'পাইপ'ডাল উলিয়াই হাতত লৈ মোক ক'লে, "বুইছা মেনন, মোক এতিয়া কি লাগে তুমি জানানে ? কওঁ শুনা। মই কোনো কাম নকৰিম, মুখত 'পাইপ'ডাল সুমুৱাই এনেকৈ ভৰি মেলি আৰামী চকীত বহি থাকিম আৰু মনটোক

তাৰ ইচ্ছামতে ঘূৰি ফুৰিবলৈ দিম। কেতিয়াবা কেতিয়াবা বন্ধু-বান্ধৱৰ লগত আলাপ কৰিম, সিমানেই। ইয়াতকৈ বেছি মোক একো নেলাগে।"

মই এনেকুৱা এলেহুৱা জীৱন কটাব নোৱাৰোঁ। জিৰণি ল'বলৈ ভাল পাওঁ আৰু অন্তৰঙ্গ বন্ধু-বান্ধৱৰ লগত আলাপ কৰিবলৈও ভাল পাওঁ। কিন্তু কোনো কাম-বন নকৰাকৈ এনেয়ে বহি থকা মই একেবাৰে পছন্দ নকৰোঁ। এটা কাম কৰাৰ পিছত আনটো কামত লগা মোৰ ওচৰত বিশ্ৰামৰ নিচিনা।

ভাগৰ লগা অনুভৱ কৰা বাৰ্ধক্যৰ আন এটা দোষ। আশী বছৰ বয়সৰ পিছত নিজকে পূৰা সক্ষম কৰি ৰখা কম মানুহৰ ভাগ্যতহে থাকে। অনেক দূৰ খোজকাঢ়িব পৰা, আহাৰ তৃপ্তিৰে খোৱা আৰু নিজৰ আশে-পাশে ঘটা ঘটনাবোৰৰ প্ৰতি সচেতন থকা সামৰ্থ্য সেই বয়সৰ কম মানুহৰহে থাকে। দৃষ্টিশক্তি নথকাৰ বাহিৰে উপৰোক্ত সকলো গুণ মোৰ আছে আৰু মই নিজকে স্বাস্থ্যৱান অনুভৱ কৰোঁ। সৰু সৰু কথাবোৰত মন বেয়া কৰা মোৰ অভ্যাস নাই আৰু মনলৈ ঘৃণা আৰু বিদ্বেষ কেতিয়াও আহিবলৈ নিদিওঁ। মই এনে ধৰণৰ কথা নকওঁ আৰু ক'বলৈ আনকো সুযোগ নিদিওঁ যি মোৰ মনত দুশ্চিন্তা, উত্তেজনা আৰু ক্ৰোধ উৎপন্ন কৰিব পাৰে। যি কি নহওক, এতিয়ালৈকে ঈশ্বৰৰ কৃপাত মোৰ স্বাস্থ্যৰ বিষয়ে কোনো অভিযোগ কৰিব লগা হোৱা নাই।

মই মৃত্যুৰ দুৱাৰডলিত থিয় হৈছোঁহি। সংসাৰৰ সকলোৰেপৰা বিদায় ল'বৰ সময় ওচৰ চাপি আহিছে। মই এনে এজন মানুহক চিনি পাওঁ যি মৃত্যুৰ কথা ভাবি সদায় দুখ কৰিছিল আৰু আনকি কেতিয়াবা তেওঁ কান্দিছিলও। এনে ধৰণৰ মানুহ নিশ্চয় অনেক আছে কিন্তু মোৰ তেনে চপলতা নাই। ঈশ্বৰে কৃপা কৰি মোক স্বাস্থ্যৱান দীৰ্ঘজীৱন দান কৰিছে। কেতিয়াবা এনে প্ৰাৰ্থনা কৰিবলৈ মন যায় ঈশ্বৰে যেন মোক আৰু কিছুদিন এই জগততে এই স্বাস্থ্য লৈ জীয়াই ৰাখে। কিন্তু লগে লগে মোৰ বিবেকে সোধে তোমাৰ এই অন্যায় মোহ কিয় ? ইয়ো সম্ভৱনে ?

কেইবাবছৰো আগতেই মই সক্ৰিয় ৰাজনীতিৰ ওপৰত বিৰক্ত হৈছিলোঁ কিন্তু সেইবুলি এইটো নহয় যে ৰাজনীতিৰ কথাবোৰলৈ এতিয়া মন নিদিওঁ। অৱস্থা অনুসাৰে আমি জীৱনৰ সমস্যাবোৰৰ প্ৰতি মনোনিৱেশ কৰোঁ। ৰাজনীতিৰ কামত লাগিবলৈ এতিয়া মোৰ আগৰ নিচিনা শক্তি নাই আৰু ৰাজনৈতিক দলবোৰৰ তৰ্কাতৰ্কি আৰু জয়-পৰাজয়ত হাত চাপৰি বজোৱাৰ প্ৰবৃত্তিও এতিয়া মোৰ নাই। বাৰ্ধক্যই আগৰ ঘটনাবোৰত থকা ভুল-ভ্ৰান্তি আৰু সত্যতাৰ ৰূপ এতিয়া স্পষ্টকৈ দেখাৰ সুযোগ দিয়ে। লগতে এইটোও জানিবলৈ সুযোগ দিয়ে মানুহৰ প্ৰশংসাত মুগ্ধ নহৈ কেনেকৈ ৰাইজৰ ভাল কাম কৰিব পাৰি। যিবোৰ অস্বাভাৱিক অৱস্থাই ডেকা আৰু আদহীয়াক অধীন কৰি ৰাখে বুঢ়া মানুহক নোৱাৰে। বুঢ়া মানুহে তেওঁলোকক উপদেশ দি তেওঁলোকক অস্বাভাৱিক অৱস্থাৰপৰা স্বাভাৱিক অৱস্থালৈ লৈ আহে।

নিষ্কলঙ্ক বিবেক, অবিচলিত বিচাৰবোধ, মনৰ স্থিৰতা আৰু প্ৰতিশোধ নোলোৱাৰ বাঞ্ছা আদি শ্ৰেষ্ঠ গুণবোৰে মানুহক লক্ষ্যস্থানলৈ লৈ যোৱাত সহায়তা কৰে।

সাধাৰণতে এই গুণবোৰ বাৰ্ধক্যত বৃদ্ধি হয়। বুঢ়া বয়সত নীৰলে এঠাইত বহি লেখিলে বা পঢ়িলে সময়ৰ সদ্ব্যৱহাৰ হয় আৰু মনতো আনন্দ পোৱা যায়। যদি কোনো জৰুৰী কাম নেথাকে আজিকালি মই তাকেই কৰোঁ। অৱশ্যে লেখিবলৈ বা পঢ়িবলৈ মই আনৰ ওপৰত নিৰ্ভৰ কৰিব লগা হয়। তেওঁলোকৰ ওপৰত মই কিমান কৃতজ্ঞ মোৰ বাহিৰে আন কোনেও নেজানে।

চাকৰিৰপৰা অৱসৰ লোৱা এজন মানুহে মোক কৈছিল, "গোটেই চাকৰি জীৱনটোত মোৰ কাৰ্যালয়ৰ নথি-পত্ৰবোৰ পঢ়াৰ বাহিৰে আন বাহিৰা ভাল কিতাপ পঢ়িবৰ সুযোগ পোৱা নাছিলোঁ। চাকৰিৰপৰা অৱসৰ ল'লে সেই সুযোগ পাম—সেই দিনটোলৈকে মই প্ৰতীক্ষা কৰি আছিলোঁ।"

বৃদ্ধা অৱস্থা জীৱনৰ এটা অঙ্গও। জ্ঞান অৰ্জন কৰা জীৱনৰ প্ৰধান লক্ষ্য। মানুহে জীৱনৰ অন্তিম মুহূৰ্তলৈকে জ্ঞান অৰ্জন কৰিব পাৰে। মোৰ বুঢ়া বয়সে জ্ঞান অৰ্জন কৰাত বাধা দিয়াৰ কোনো কাৰণ নাই বুলি মই অনুভৱ কৰোঁ। যদি কোনো ছাত্ৰ বা যুৱক মোৰপৰা কিবা শিকিবলৈ বা জানিবলৈ আহে মই সেই কামত লীন হৈ সকলো পাহৰি যাওঁ।

মই নিজৰ ক্ষমতাৰে বাৰ্ধক্যই আনিব খোজা ৰোগবোৰ নিবাৰণ কৰোঁ। যেনেকৈ শৰীৰ চৰ্চা, ব্যায়াম আদি কৰি স্বাস্থ্য ভালে ৰখা যায় তেনেকৈ কিতাপবোৰ আঁতি-গুৰি মাৰি অধ্যয়ন কৰাৰ ওপৰত উৎসাহ দিলে আৰু ভাল কথাবোৰ জানিবলৈ আগ্ৰহ প্ৰকাশ কৰাৰ অভ্যাস কৰিলে বুদ্ধিৰ বিকাশ হয় আৰু আত্মাক শান্তি দিব পাৰি। 'যেতিয়ালৈকে চাকিটো জ্বলি থাকে তেতিয়ালৈকে তেল দিব লাগে'—এই উপমাটোত জীৱনটোক জ্বলি থকা চাকিটোৰ লগত তুলনা কৰা হৈছে। তেনেকৈ দুৰ্বল শৰীৰক সেই অনুসাৰে পুষ্টিকৰ আহাৰ দিব লাগে আৰু ক্ষয় হ'ব ধৰা মনত আনন্দ দিয়া চিন্তাবোৰ সুমুৱাই দিব লাগে।

মই নিজৰ কামত মগ্ন থাকি জীৱনটো কটাবলৈ ইচ্ছা কৰোঁ। কিন্তু মানুহে নিজৰ ইচ্ছা অনুসাৰে জীৱনটো কটাব নোৱাৰে। এবাৰ এজন বন্ধুৱে কেনেধৰণৰ মৃত্যু মোৰ ভাল লাগে বুলি মোক প্ৰশ্ন কৰিছিল। মানুহৰ যেনেকৈ নিজৰ ভিন্ন ৰুচি থাকে মৃত্যুৰ সংক্ৰান্ততো তেওঁৰ ভিন্ন ৰুচি আছে।

যেতিয়া মই লণ্ডনত পঢ়ি আছিলোঁ, বাতৰি-কাকতত আত্মহত্যা কৰাৰ সংবাদ এটা প্ৰকাশ হোৱাত তাকে পঢ়ি এগৰাকী বয়সস্থা মহিলাই মোক সুধিছিল, "মিঃ মেনন, মই কোনো নদী বা সমুদ্ৰত ডুবি মৰিবলৈ ইচ্ছা কৰোঁ। পানীত পৰাৰ লগে লগে উশাহটো বন্ধ হওঁতে প্ৰথমতে অলপ কষ্ট পাম কিন্তু তাৰ পিছত সেই মৰণৰ কাৰণে আনন্দ পাম। সেই কাৰণে মই তেনে ধৰণৰ মৃত্যু পছন্দ কৰোঁ।"

আন এজন মানুহে মোক কৈছিল, " শুই থাকোঁতেই যদি মোৰ মৃত্যু হয় সেই মৃত্যু কিমান ভাল!" কিন্তু এনে ধৰণৰ মৃত্যু ভাল নোপোৱা মানুহো আছে।

মৃত্যুৰ সম্বন্ধে মোৰ ধাৰণা এনে ধৰণৰ ঃ বহুত দিন ৰোগ শয্যাত পৰি থাকি

নিজে কষ্ট ভুগি আৰু আনকো কষ্ট দি পিছত মৰা মই একেবাৰে ভাল নেপাওঁ। ঈশ্বৰক প্ৰাৰ্থনা কৰোঁ মোৰ যেন তেনে মৰণ নহয়। তেনে ধৰণৰ মৰণে আনৰ মনলৈ তিক্ততা আনি দিয়ে। আপোনজনক কষ্ট দিয়াৰ মই পক্ষপাতী নহওঁ। মোৰ ইচ্ছা মই যেন দুই-তিনি দিন ৰোগ শয্যাত পৰি থকাৰ পিছতেই মৃত্যু বৰণ কৰিব পাৰে। কিন্তু কোনে জানে মোৰ কপালত কি ধৰণৰ মৰণ লিখা আছে। অৱশ্যে মই ইচ্ছা কৰা ধৰণৰ মোৰ মৃত্যু হ'লে মই নাজানিম, মোৰ মৃত্যুৰ পিছতহে অঙহী-বঙহীসকলে জানিব মোৰ ইচ্ছা কিমান পূৰণ হ'ল।

জীৱনৰ সন্ধিয়াপৰৰ অনুভূতি

এই অধ্যায়টো লিখি থাকোঁতে এই কিতাপখনৰ প্ৰথম সংস্কৰণটো পঢ়া মোৰ এজন অন্তৰঙ্গ বন্ধুৰ মতটো মোৰ মনত পৰিছে। তেওঁ কৈছিল মোৰ দীৰ্ঘজীৱনৰ অভিজ্ঞতা ইয়াত যেন সন্নিৱিষ্ট কৰোঁ—যি ভাবী পুৰুষৰ মানুহৰ কাৰণে উপকাৰী হ'ব। কিন্তু মই কোনো উপদেশ দিব নোখোজোঁ। মাত্ৰ মোৰ যি ভাল লাগে অথবা মই যাক উচিত বুলি ভাবোঁ তাকেই ভৱিষ্যতবাণী হিচাপে ইয়াত উল্লেখ কৰিছোঁ।

যিসকল মানুহে মোৰ লগত জীৱন আৰম্ভ কৰিছিল তেওঁলোকৰ যিসকল এতিয়াও জীয়াই আছে, অধিকাংশই জীৱনৰ ওপৰত বিতুষ্ট হৈ দিন কটাইছে। মই তেনে ধৰণৰ এজন বন্ধুৰ ঘৰলৈ গৈ তেওঁক দেখি আচৰিত হৈছিলোঁ আৰু মনত বৰ দুখ পাইছিলোঁ। এসময়ত তেওঁ এজন ভাল খেলুৱৈ আছিল। ফুটবল খেলা আৰু ওখজাপ মৰাত তেওঁ নিপুণ আছিল। তদুপৰি তেওঁ অনেক দূৰ সাঁতুৰিবও পাৰিছিল। সেই মানুহজনক এতিয়া দুজন মানুহে ধৰি ভিতৰৰপৰা মোৰ ওচৰলৈ লৈ আহিছিল। তেওঁ কি আছিল আৰু এতিয়া কি হ'ল ? অলপ পৰ তেওঁৰ লগত পুৰণি কথাবোৰ পাতিলোঁ—নাটক, খেলা, সাতোঁৰ প্ৰতিযোগিতা, প্ৰদৰ্শনী, বাৰ্ষিক উৎসৱ সম্বন্ধীয় নানা কথা। জীৱনৰ সন্ধিয়াপৰত অতীজৰ মধুৰ স্মৃতিবোৰে মনত বিমল আনন্দ দিয়ে। যদি কোনোবাই সোধে সেইবোৰে 'কেৱল আনন্দই দিয়েনে আৰু সেইবোৰৰ কাৰণে দুঃখ বা অনুতাপ কৰিব লগীয়া নহয়নে' ? তাৰ উত্তৰত ক'ম—জীৱনটো সুখ আৰু দুখৰ সঙ্গমস্থল য'ত সুখৰ লগে লগে অনুতাপ, বেদনা, ভুল, আনৰ প্ৰৱঞ্চনাও থাকে। মোৰ অতীত জীৱনতো সেইবোৰ আছিল আৰু সকলোৰে জীৱনত থকাটো অৱশ্যম্ভাৱী।

কিন্তু মই ল'ৰা কালত যিবোৰ ভাল কিতাপ পঢ়িছিলোঁ আৰ যিসকল সাধু আৰু সৎলোকৰ সংস্পৰ্শত আহিছিলোঁ, সেই গ্ৰন্থ আৰু সৎলোকসকলে মোক নিশ্চয় সজ পথ দেখুৱাইছিল। সময়ে মোৰ কাৰণে গভীৰ খাল খানি দিছিল কিন্তু তথাপিও তেওঁলোকৰ বাণী আৰু কৰ্মৰ প্ৰভাৱ মোৰ গোটেই জীৱনত পৰি সেইবোৰে মোক আশ্বাস আৰু সান্ত্বনা দিছিল। সেইবোৰৰ স্মৃতি এতিয়াও মোৰ মনত উজ্জ্বল হৈ আছে। ভাল গ্ৰন্থবোৰ অধ্যয়নকৰি তাৰদ্বাৰা মই জীৱনত অনেক লাভৱান হৈছিলোঁ আৰু মুখস্থ কৰি থোৱা কেইজনমান শ্ৰেষ্ঠ কবিৰ বছা বছা কবিতাবোৰ আওৰাই এতিয়াও মই মনত মধুৰ আনন্দ পাওঁ। কিছুমান ব্যক্তিৰ অধ্যৱসায়, সহানশীলতা আৰু সুন্দৰ ব্যৱহাৰ মই নিজৰ কৰি ল'বলৈ চেষ্টা কৰিছিলোঁ। অৱশ্যে সেই ক্ষেত্ৰত আনক অনুকৰণ কৰি মই কিমান দূৰ সফল হৈছিলোঁ সেইটো কোৱা টান। তথাপিও সেই চেষ্টাই মোৰ জীৱনযাত্ৰাত মোক অনেক সহায়তা কৰিছিল। জীৱনী পঢ়িবলৈ মোৰ প্ৰবল

ইচ্ছা আছিল আৰু বিশেষকৈ যিসকল পুৰুষে কঠোৰ পৰিশ্ৰম কৰি নিজৰ অধ্যৱসায়ৰ বলত জীৱনৰ সকলো বাধা-বিঘিনি অতিক্ৰম কৰি সফল হৈছিল আৰু যিসকল পৰোপকাৰী আছিল তেওঁলোকৰ জীৱনীয়ে মোৰ জীৱনৰ ওপৰত গভীৰ প্ৰভাৱ বিস্তাৰ কৰিছিল।

মোৰ বিগত দিনবোৰত যিবোৰ ক্ষেত্ৰত মই গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিলোঁ সেইবোৰ ক্ষেত্ৰৰ সোঁৱৰণ মোৰ মনত স্পষ্ট হৈ আছে। অনেক ধৰণৰ মানুহ মোৰ ওচৰলৈ আহিছিল আৰু তেওঁলোক অহাৰ কাৰণ মোৰ সৰল ব্যৱহাৰেই আছিল নেকি মই ক'ব নোৱাৰোঁ। কিন্তু মানুহৰ মৰম আৰু প্ৰীতি স্বীকাৰ কৰি মই তাৰ প্ৰতিদান দিছিলোঁ। অৱশ্যে, মই গৰ্ব কৰিব নোৱাৰোঁ যে মোৰ কোনো শত্ৰু নাছিল বা মোৰ কাৰ্য-কলাপবোৰক কঠোৰভাৱে সমালোচনা কৰা কোনো নাছিল। কিন্তু মোৰ মত বা কথাক অপ্ৰীতিকৰভাৱে সমালোচনা কৰা শুনিলে মই অধীৰ নহৈছিলোঁ। আমি আমাৰ বিৰুদ্ধে সমালোচনাক অৱহেলা কৰা উচিত নহয়। আমি সেইবোৰক ভালদৰে বিশ্লেষণ কৰি তাৰ যুক্তিযুক্ততা বাহিৰ কৰা উচিত। তেনে কৰিলে আমাৰ অহঙ্কাৰ কম হ'ব আৰু আমি নিজৰ দোষবোৰ শুধৰাব পাৰিম।

আমি জীৱিকা উপাৰ্জন কৰা কামেই হওক বা আন কোনো কামেই হওক সদায় কিবা এটা কামত লাগি থাকোঁ। কিন্তু সদায় নিজৰ কামতেই লাগি থাকিব নেলাগে। আমি কৰিব পৰা অনেক জনহিতকৰ কাম আছে আৰু সেইবোৰ কৰি আনক উপকাৰ কৰিব লাগে। তেনে ধৰণৰ কাম বিচাৰি দূৰলৈ যাব নেলাগে কিয়নো নিজৰ চাৰিওপিনে এবাৰ চালেই সেই কামবোৰ চকুত পৰিব। আমাৰ চাৰিওপিনে খাবলৈ নোপোৱা, পিন্ধিবলৈ কাপোৰ আৰু থাকিবলৈ ঘৰ নোহোৱা অনেক মানুহ আছে। ৰোগত ভোগা আৰু চিকিৎসা নোপোৱা ৰুগীয়া মানুহৰ অভাৱ নাই। পঢ়া-শুনা কৰিবলৈ ধাউতি থকা অনেক ল'ৰা-ছোৱালীয়ে পইচাৰ অভাৱত স্কুলত ভৰ্তি হ'ব নোৱাৰে, আকস্মিক দুৰ্ঘটনাত নিজৰ মানুহ মৰিলে শোক-সন্তপ্ত ওচৰ-চুবুৰীয়া থাকে। এই ধৰণৰ সকলো মানুহক আমি সহায় কৰা উচিত। এজন মানুহৰ সকলো সময় সমাজ-সেৱাত লগাটো সম্ভৱ নহলেও কিছু সময় সমাজ-সেৱাৰ কাৰণে এৰিব লাগে।

এজন মানুহ বা কোনো এটা বিষয় সম্বন্ধে হঠাৎ নিজৰ মতটো প্ৰকাশ কৰিব নেলাগে। মন্তব্য কৰাৰ আগতে মানুহজনৰ বিষয়ে আঁতিগুৰি মাৰি পৰীক্ষা কৰি চাই এটা খাটাং মন্তব্য প্ৰকাশ কৰিব লাগে। তেনেকৈ কোনো এটা কথা সঁচানে মিছা তাক ভালকৈ পৰীক্ষা কৰি নিজৰ মত প্ৰকাশ কৰিব লাগে। আচলতে সূক্ষ্মভাৱে পৰীক্ষা বা বিচাৰ নকৰাকৈ কোনো মানুহৰ সম্বন্ধে বা কোনো কথাৰ বিষয়ে নিজৰ মত প্ৰকাশ কৰা উচিত নহয়।

মনৰ কথা ক'লে আনে আশ্বাস পায়। কিন্তু নিজৰ মনৰ কথা কৈ আনক দুখ দিয়াৰ অভিজ্ঞতাও মোৰ অনেক হৈছিল। সেই কাৰণে অনেক সময়ত শুদ্ধ বুলি

নিশ্চিত হ'লেও মোৰ মনৰ কথা প্ৰকাশ নকৰিছিলোঁ এই কাৰণেই যে তাৰ প্ৰতিক্ৰিয়া ভৱিষ্যতে তেওঁৰ কাৰণে হানিকৰ হ'ব পাৰে।

এবাৰ এজন সন্ন্যাসীৰ শিষ্য এজনে মোক সন্ন্যাসীজনৰ অদ্ভুত শক্তিৰ কথা কৈ আছিল আৰু মোৰ কাষতে বহি থকা মানুহ এজনে সেই কথাবোৰ শুনি সকলো কথা মিছা বুলি হাঁহি উৰুৱাই দিছিল। কিন্তু কোনো কোনো মানুহৰ যে অদ্ভুত শক্তি আছে সেইটো আমি অস্বীকাৰ কৰিব নোৱাৰোঁ কাৰণ আমি সেই বিষয়ে একো নেজানোঁ। গতিকে যি বিষয়ত আমাৰ সম্পূৰ্ণ জ্ঞান নাই সেই বিষয়ে কোনো কথা ডাঠি কোৱা উচিত নহয়।

আৰু এটা কথা মানিব লাগিব যে একেটা পৰিয়ালৰ মানুহৰ বিভিন্ন ৰুচি আৰু বিভিন্ন স্বভাৱ থাকিব পাৰে। বিশেষকৈ আধুনিক জনতখনৰ ৰীতি-নীতি আৰু ধৰণ-কৰণ ইমান সোনকালে সলনি হৈছে যে তাৰ লগত খোজ মিলাই যাওঁতে পৰিয়ালৰ এজনৰ ৰুচি আৰু কথা-বতৰা আন জনৰ ৰুচি আৰু কথা-বতৰাৰ লগত নিমিলিব পাৰে। কিন্তু এই ক্ষেত্ৰত পৰিয়ালৰ বয়সীয়াসকলে বৰ সহনশীল আৰু উদাৰ হ'ব লাগিব। আমি বয়সস্থসকলে জীৱনত অনেক ভোগ কৰিলোঁ আৰু সেই কাৰণে উঠি অহা ডেকা-গাভৰুসকলে যেন মনৰ হেপাহেৰে আনন্দ উপভোগ কৰিব পাৰে তাৰ প্ৰতি আমি উদাৰ হ'ব লাগে আৰু কেতিয়াও বাধা দিব নেলাগে। বাধা দিলে তেওঁলোকে বেয়া পাব আৰু তাৰ ফলত নিজৰ পৰিয়ালটোৰ ভিতৰতে অশান্তিৰ সৃষ্টি হ'ব পাৰে।

আমাৰ অভিৰুচিৰ বিৰুদ্ধে যদি কোনোবাই কিবা কয় লগে লগে তাক প্ৰতিবাদ কৰা উচিত নহয়। তাৰ সলনি মিচিকিয়া হাঁহি এটা মাৰি যুক্তি দেখুৱাই সেই উক্তিৰ বিৰোধিতা কৰিব পাৰি।

এতিয়া মই নিজৰ বিশ্বাসৰ বিষয়ে কওঁ। অনেক মানুহে নিজৰ ধৰ্ম সম্বন্ধীয় বিশ্বাসৰ কথা বাৰে বাৰে কৈ আনৰ মনত কষ্ট দিয়ে। এইটো এটা বৰ বেয়া স্বভাৱ আৰু সেই বেয়া স্বভাৱটো সকলোৱে এৰিব লাগে। তৰ্কাতৰ্কি কৰি যিকোনো মত সহজে অস্বীকাৰ কৰিব পাৰি কিন্তু তেনে কৰিলে মূৰ্খতা হ'ব। আনৰ বিশ্বাসক আমি নিন্দা কৰা উচিত নহয়। আমি নিজৰ বিশ্বাস মতে জীৱন কটাম আৰু আনে তেওঁলোকৰ বিশ্বাস অনুযায়ী জীৱন কটাওক এইটোৱেই আমাৰ মত আৰু বিচাৰবোধ হ'ব লাগে। আমি ভাবি দুঃখ কৰিব নেলাগে যে আমাৰ বিশ্বাস আনৰ মনত সুমুৱাব নোৱাৰিলোঁ। বিশ্বাসৰ মহত্ব সেই বিশ্বাস থকা মানুহৰ সংখ্যা অনুযায়ী বুজিব নোৱাৰি, সেই বিশ্বাসৰ মহত্ব তাৰ প্ৰতি মানুহৰ আন্তৰিকতা আৰু নিষ্ঠাৰপৰা বুজিব পাৰি। মন্দিৰলৈ গৈ অনেক মানুহে ধৰ্ম সম্বন্ধীয় বিশ্বাস প্ৰকট কৰে আৰু ভাবে যে তেওঁলোকে ডাঙৰ ধৰ্মৰ কাম কৰিলে। কিন্তু যি আচল ধাৰ্মিক, তেওঁ নিজৰ কৰ্মৰ যোগেদি ধৰ্মৰ প্ৰতি থকা তেওঁৰ অটল বিশ্বাস প্ৰকট কৰে। পৰোপকাৰ, দুখীয়া আৰু ৰোগীৰ প্ৰতি দয়া আৰু ৰাজহুৱা কামত অংশ গ্ৰহণ আদি কামবোৰ হ'ল মানৱধৰ্ম পালনৰ প্ৰকৃত মাধ্যম। এই সত্যতা সকলো মানুহে অনুভৱ কৰা উচিত।

প্ৰতিশোধ লোৱা মনোবৃত্তিয়ে আমাৰ মন কলঙ্কিত কৰে। যি উৎকৃষ্ট জীৱন যাপন কৰিব খোজে তেওঁ তেওঁৰ মনৰপৰা প্ৰতিশোধৰ চিন্তা একেবাৰে বহিষ্কাৰ কৰিব লাগিব। কেতিয়াবা নাজানি নুশুনি কোনো মানুহে আমাৰ ওপৰত দোষাৰোপ কৰে কিন্তু সেইবাবে আমি কেতিয়াও তাৰ পোটক তুলিব নেলাগে, কিয়নো তাৰদ্বাৰা দুয়ো পক্ষৰে আশাতীত ক্ষতি হোৱা নিশ্চিত। দুখৰ বিষয় যে অনেকে এই সত্যতা মানি নলয়।

এবাৰ এখন কাৰ্যালয়ত কিবা এটা বিষয়ত আলোচনা কৰিবলৈ আমন্ত্ৰণ কৰা কিছুমান মানুহৰ এখন বেঠক বহিছিল। সেই বৈঠকলৈ আমন্ত্ৰিত নোহোৱা অধিকাৰী এজনে আমন্ত্ৰিতসকলৰ আটাইতকৈ আগত থকা আসনখন গ্ৰহণ কৰাত তেওঁক তাৰপৰা উঠি যাবলৈ সচিবে অনুৰোধ কৰে। কিন্তু সচিবৰ সেই অনুৰোধ উপেক্ষা কৰাত তেওঁ সভাপতিক জনায় আৰু শেহত সভাপতিৰ নিৰ্দেশত অধিকাৰীজনে আসনখন এৰি দিয়ে। কিন্তু তেওঁক অপমান কৰাত সচিবজনৰ মনত প্ৰতিহিংসাৰ ভাব সোমাই যায় আৰু যেতিয়া তিনিবছৰৰ পিছত সচিবজনৰ কাৰ্যকাল শেষ হোৱাত তেওঁক দ্বিতীয় বাৰ লোৱাৰ কথা উঠে, উক্ত অধিকাৰীজনে তেওঁৰ পূৰা শক্তি নিয়োগ কৰি তেওঁক নিযুক্ত কৰিবলৈ নিদিলে। ভাবি চাওক, এই কামটো এজন সুযোগ্য ব্যক্তিৰ কাৰণে উচিত আছিল জানো ?

অনেক সময়ত কোনো এটা কাম আৰম্ভ কৰি সেই কামটো সমাপ্ত কৰিব নোৱৰাৰ চিন্তা বিশেষকৈ বয়সীয়া মানুহৰ মনলৈ আহে। মোৰ উপদেশ এই যে যিকোনো কাম ভালভাৱে কৰিবলৈ চেষ্টা কৰিলে সেই কামটো ভালভাৱে সমাপ্ত হবই। সামূহিক প্ৰচেষ্টাতো অনেক কাম সফলভাৱে শেষ হয়। ৰেল গাড়ী আৰু উৰা জাহাজৰ প্ৰগতি এজন মানুহৰ চেষ্টাত হোৱা নাই, অনেক মানুহৰ চেষ্টাৰ ফলতহে হৈছে। ভাৰতীয় ৰাষ্ট্ৰীয় কংগ্ৰেছ, স্কাউট, ৰোটেৰী ক্লাৱ আদি সংস্থাবোৰৰ উন্নতি আৰু বিকাশ সময়ে সময়ে অনেক মানুহৰ চেষ্টাত সম্ভৱ হৈছে। কোনো এখন কিতাপ লিখিবলৈ আৰম্ভ কৰি সেইখন শেষ হবনে নহয়, এটা সংস্থা স্থাপন কৰাৰ পিছত সেই সংস্থাটোৱে ভালদৰে কাম কৰিব পাৰিব নে নোৱাৰে বা মনৰ ইচ্ছা পূৰ্ণ হ'বনে নহয় এনেধৰণৰ চিন্তাবোৰ যে অনাৱশ্যক সেইটো মই জানো কিন্তু সেই চিন্তাবোৰ মনলৈ আহিবলৈ বাধা দিয়াৰ শক্তি মোৰ নাই।

আজি-কালি মই মাজে মাজে সপোন দেখোঁ। সেই বিষয়ে মই দুআষাৰ মান ক'ব খোজোঁ। পৰীক্ষা ওচৰ পালেহি কিন্তু সকলো পাঠ্যক্ৰম এতিয়াও অধ্যয়ন কৰা নহ'ল ; মোকৰ্দমাটো আদালতলৈ যাব কিন্তু তাৰ ওকালতিৰ কাৰণে এতিয়াও প্ৰস্তুত হোৱা নাই ; যাত্ৰাৰ দিন ওচৰ চাপিল কিন্তু তাৰ বাবে সাজু হোৱা নাই—এনে ধৰণৰ কোনো এটা বিষয়ত মই সপোন দেখোঁ। ইয়াৰ কি কাৰণ হ'ব পাৰে মই ভাবি-গুণি একো বিচাৰি নেপাওঁ। মনে মনে ভাবিলোঁ কোনো মনোবিজ্ঞান বিশেষজ্ঞলৈ লিখি তাৰ কাৰণটো জানি লওঁ। এনেতে এজন বন্ধুৱে মোক ক'লে যি কামটো আৰম্ভ হোৱাৰ পিছত অনেকদিনলৈকে পূৰা নহয় তেতিয়া মনলৈ অহা দুশ্চিন্তা আৰু

উৎকণ্ঠাবোৰে সপোনৰ আকাৰ লয়। হয়তো তেওঁ ঠিক কথাই কৈছিল। তথাপি নিজকে প্ৰবোধ দিবলৈ চেষ্টা কৰোঁ যে যিটো কাম আৰম্ভ কৰা হয় সেই কামটো শেষ নোহোৱা দেখি আমি ব্যাকুল হ'ব নেলাগে। আমি চেষ্টা কৰি থাকিব লাগে কিন্তু তাৰ ফল পামনে নেপাম তাৰ কাৰণে হাবাথুৰি খোৱাৰ কোনো প্ৰয়োজন নাই।

এই প্ৰসঙ্গতে মোৰ মনত পৰা এটা ডেকা ল'ৰাৰ কথা ক'ম। ল'ৰাটোৱে ৰেল-ষ্টেচনৰ প্লেটফৰ্মৰপৰা তাত পৰি থকা কল আৰু কমলাৰ বাকলি, লেতেৰা কাগজ, চুৰটৰ টুকুৰা আদি বস্তুবোৰ বুটলি পাচি এটাত ভৰাই লৈ যায় আৰু প্লেটফৰ্মখন মচে। এবাৰ সেইবোৰ নিয়াৰ অলপ পিছতে সেই বস্তুবোৰ আকৌ জমা হয় আৰু আকৌ সি বুটলি লৈ যায়। সি এটা সাধাৰণ কৰ্মচাৰী আছিল কিন্তু নিজৰ কৰিবলগীয়া কামবোৰ নিয়মিতভাৱে সম্পাদন কৰিছিল। সেই লেতেৰা বস্তুবোৰ কোনে আৰু কিয় পেলাইছিল তাৰ লগত তাৰ কোনো সম্বন্ধ নাছিল। তাৰ লক্ষ্য আছিল সেই বস্তুবোৰ সময়মতে তুলি নি প্লেটফৰ্মখন চফা কৰা যাতে যাত্ৰীসকলৰ কোনো অসুবিধা নহয়। সি তাৰ কৰ্তব্যৰ কথা জানিছিল আৰু হাঁহিমুখে কাৰো বিৰুদ্ধে অভিযোগ নকৰি কৰ্তব্য পালন কৰিছিল। আমিও সেই ল'ৰাজনৰ দৃষ্টান্ত অনুসৰণ কৰা উচিত আৰু তাকে কৰি সি যি আনন্দ পায় আমিও আমাৰ কৰ্তব্য কৰি সেই আনন্দ পাম।

বিচাৰৰ বেদীত

বুঢ়া বয়সত নিজৰ পৰিয়াল বা কামৰ লগত সম্বন্ধ থকা নানা চিন্তা মানুহৰ মনলৈ অহা নিতান্ত স্বাভাৱিক। মৃত্যুৰ পিছত কি হ'ব সেই চিন্তাও মানুহৰ মনলৈ আহে। কিন্তু এতিয়া মোৰ মনলৈ সেই চিন্তাবোৰ অহা নাই। মই এতিয়া মোৰ দেশৰ কাৰণে উৎকণ্ঠিত আৰু সেই উৎকণ্ঠা দিনে দিনে বাঢ়ি গৈছে। চাৰিওপিনে ঘটি থকা অপ্ৰিয় ঘটনা, অনুশাসনৰ অভাৱ আৰু মানুহৰ দুৰ্ব্যৱহাৰ আৰু শৃঙ্খলাহীনতা দেশৰ উন্নতিৰ ডাঙৰ প্ৰতিবন্ধক। নেহৰুৰ মৃত্যুৰ পিছত দেশৰ অৱস্থা অতি বেয়া হৈছে। আজি দেশত সেই শক্তিশালী নেতৃত্ব নাই যি ভৱিষ্যতে আহিব ধৰা নিৰাশা আৰু ভাঙোন বন্ধ কৰিব পাৰে। যোৱা এশবছৰ ধৰি এনে অৱস্থা আমাৰ দেশত বিদ্যমান কিন্তু আমি গম ধৰিব পৰা নাই।

মই দেশখনৰ চাৰিওপিনে এন্ধাৰ দেখিছোঁ আৰু পোহৰৰ মুখ দেখা নাই। বৈ বৈ মনলৈ ভয় আহিছে—মহাপুৰুষসকলৰ এই পৱিত্ৰ ভাৰতভূমিক লাহে লাহে ক্লান্তি আৰু অৱসাদে আবৰি ধৰিছে।

কিমান দিন জীয়াই থাকিব পাৰিলোঁ সেইটো প্ৰধান কথা নহয়, প্ৰধান কথা হ'ল কেনেকৈ জীয়াই আছোঁ। ধনী হোৱা বা অধিকাৰ লাভ কৰাৰ মোহ মোৰ কেতিয়াও নাছিল।

ধনৰ যে আৱশ্যক নহয় মই সেইটো স্বীকাৰ নকৰোঁ কিন্তু তাৰ বাবে লালায়িত নহওঁ। মই জানো নিজৰ আৱশ্যকতাবোৰ পূৰা কৰিবলৈ, নিজৰ মান-সন্মান ৰাখিবলৈ আৰু দুখীয়া মানুহক সহায় কৰিবলৈ ধনৰ একান্ত প্ৰয়োজন কিন্তু তাক সাঁচি থোৱাৰ মনোবৃত্তি মোৰ নাই আৰু নসঁচাৰ বাবে অনুতাপো নকৰোঁ।

মোৰ বন্ধুসকলৰ ভিতৰত ডাঙৰ আস্তিক আৰু কঠোৰ নাস্তিকো আছে। এই দুই শ্ৰেণীৰ বন্ধুৰ লগত বন্ধুত্ব বজাই ৰখাত মই কেতিয়াও অসুবিধা বোধ কৰা নাই। অৱশ্যে মোৰ নিজৰ সিদ্ধান্ত নিশ্চয় আছে। যেনেকৈ অন্যান্য বিষয়ত পৰিৱৰ্তন বিচাৰে আৰু সেই কাৰণে এতিয়া পৰিৱৰ্তন হ'ব পাৰে। মোক এতিয়া যি আশ্বাস আৰু শান্তি দিছে তাৰ ওপৰতেই মোৰ বিশ্বাস আছে।

মোক তিনিটা বস্তুৱে আনন্দ দিয়ে।

এনে কিছুমান ভাগ্যহীন মানুহ মোৰ ওচৰলৈ আহে যাৰ মন সুস্থ নহয় আৰু যি আন মানুহৰ অন্যায়ৰ কাৰণে দুঃখীত। তেওঁলোকক মই চিঠি লিখি দি বা অন্য প্ৰকাৰে সহায় কৰোঁ আৰু মনত বৰ আনন্দ পাওঁ।

ভাল কিতাপ পঢ়ি আৰু শুৱলা গীত শুনি মই মনত বৰ আনন্দ পাওঁ। ক'বলৈ

গ'লে মই আনন্দ নোপোৱা কোনো এটা দিনৰ কথা মোৰ মনত নপৰে। মৰমৰ বন্ধুবৰ্গৰ লগত কথা-বতৰা পাতি মই বৰ ভাল পাওঁ আৰু সেই বাৰ্তালাপে মোৰ মনত আনন্দ দিয়ে। মোৰ বন্ধুৰ সংখ্যা অনেক কিন্তু তেওঁলোকৰ মাত্ৰ কেইজনমানেহে মোৰ অন্তৰ স্পৰ্শ কৰে। সেই কেইজন বন্ধুৰ লগত আলাপ কৰি মই অপাৰ আনন্দ পাওঁ।

এই কিতাপখনৰ শেষ পৃষ্ঠা পালোহি আৰু মোৰ জীৱনৰো। তিৰাশী বছৰ বয়স যথেষ্ট সময়। কৰ্মতৎপৰতা, জীৱনত বিবিধ সুখৰ আস্বাদ লোৱাৰ ইচ্ছা আৰু নতুন কামত ব্যস্ত হোৱাৰ বাসনা মোৰ মনত এতিয়াও আছে। ঈশ্বৰে মোক এই বৰটো দিয়াৰ কাৰণে তেওঁৰ ওচৰত মই অশেষ কৃতজ্ঞ। মোৰ জীৱনত অনেক কটু অভিজ্ঞতা হৈছিল কিন্তু তাৰ কাৰণে জীৱনৰ প্ৰতি ঘৃণা বা মানুহৰ প্ৰতি অৱজ্ঞা মোৰ কেতিয়াও হোৱা নাই। মই এতিয়াও এই জগতখন মোৰ প্ৰিয় আত্মীয়-স্বজন আৰু বন্ধু-বান্ধৱেৰে ভৰপূৰ এখন ঘৰৰ নিচিনা লাগে। তেওঁলোকে ক'ৰপৰা আহিল, ক'লৈ যাব আৰু তেওঁলোকৰ উদ্দেশ্য কি? ... এই জীৱন আৰু তাৰ লগত সম্বন্ধ থকা প্ৰশ্নৰ উত্তৰ কি ?

মোৰ এই দীঘলীয়া জীৱনটোৰ সময়ত কিমান যে পৰিৱৰ্তন হ'ল! সামাজিক ব্যৱস্থা সলনি হ'ল, মানুহৰ মত আৰু ইচ্ছা বদলি হ'ল আৰু লগতে তেওঁলোকৰ আৱশ্যকতাবোৰো। মোৰ জীৱনৰ পৰিস্থিতিও সলনি হ'ল আৰু লগতে শৰীৰৰ অৱস্থাও। কিন্তু তথাপিও মই জীয়াই আছোঁ।

"মই কোন ?" এই প্ৰশ্নটোৰ উত্তৰ আগৰ নিচিনাকৈ এতিয়াও মই পোৱা নাই। সেই প্ৰশ্নৰ উত্তৰ নোপোৱাৰ কাৰণে মই সুস্থবোধ নকৰোঁ। জীৱনটোৰ শেষ সময়ত যি শান্তিৰ কাৰণে মই অপেক্ষা কৰি আছোঁ—তাক পাবলৈ সদায় চেষ্টা কৰি আছোঁ। কিন্তু জীৱনৰ অনেক গোপনীয় প্ৰশ্ন আৰু সংকীৰ্ণতাই মোক আচৰিত কৰি দিয়ে। যিবোৰ জানিব নোৱাৰি সেইবোৰ জানিবৰ কাৰণে মোৰ আকাঙক্ষাই কেতিয়াবা মোক বিবশ কৰে। আকাশলৈ চালেই অসংখ্য তৰা দেখিবলৈ পাওঁ কিন্তু সেইবোৰৰ সিফালেও চকুৰে মনিব নোৱৰা অসংখ্য তৰা আছে। আমি অন্তহীন সমুদ্ৰত জাহাজখন চলাই নিয়া নাবিকৰ নিচিনা। সাগৰৰ তলত থকা পাথৰ আৰু টিলাৰ পৰা দূৰত থাকি আমি জাহাজখন নিব লাগিব নহ'লে খুন্দা মাৰিলে জাহাজখন টুকুৰাটুকুৰ হ'ব। জীৱনৰ যাত্ৰাত আমাৰ অৱস্থাও তেনেকুৱাই।

মই জীৱনত অনেক ভুল কৰিছোঁ, সুবিধাবোৰৰ সদ্ব্যৱহাৰ কৰা নাই আৰু নভবা নিচিন্তাকৈ যিবোৰ কৰিছিলোঁ তাৰ বাবে এতিয়া অনুতাপ কৰিছোঁ। যদি ভৱিষ্যতে এটা নতুন জীৱন যাপন কৰোঁ মই আকৌ তেনে ভুল কৰিম। হয়তো আমাৰ উন্নতিৰ কাৰণে ভুল কৰাটো অৱশ্যকীয়। কোনে জানে ? অভিজ্ঞতা আমাৰ গুৰু।

মই এতিয়া লিখি থাকোঁতে ভালকৈ ৰাতিপুওৱা নাই, আকাশত এতিয়াও অসংখ্য তৰা তিৰবিৰাই আছে। সমুদ্ৰৰ ঘোৰ গৰ্জন আহি মোৰ কাণত পৰিছে। সেই সমুদ্ৰত

এটা টৌ মাৰ যোৱাৰ পিছত আন এটা টৌ উথলি উঠে। সেই ক্ৰম ক্ৰমাগত বৃদ্ধি হয়। কাউৰী, কুকুৰা আৰু চৰাই-চিৰিকতিবোৰে প্ৰভাতৰ আগমণক আনন্দেৰে অভ্যৰ্থনা কৰিছে। মানুহৰ আদৰ-সম্ভাষণ আৰু ৰাস্তাত বাহনবোৰৰ ঘৰ্ঘৰণিয়ে এটা নতুন দিনৰ কামৰ সূচনা দিছে। এনেকৈ দিন আৰু ৰাতি, নিদ্ৰা আৰু জাগৰণ আৰু সূৰ্যৰ অস্ত আৰু উদয়ৰ লগত কাল পাৰ হয় আৰু জীৱনটোও আগবাঢ়ি গৈ থাকে। মই বৰ আচৰিত হওঁ যে দেখি-শুনি মই ইমান অভিজ্ঞতা সঞ্চয় কৰিলোঁ। ইয়াৰ পিছতো জীৱনৰ প্ৰতি মোৰ মোহে মোক এৰি নিদিয়ে। ক'ব নোৱাৰোঁ ই মোক ক'লৈ লৈ যাব। মোৰ অদৃষ্টত কি আছে মই নেজানো ; কিন্তু যিয়েই নাথাকক, তলত উদ্ধৃত কৰা গীতাৰ শ্লোকটোৱে মোক সদায় আলোক প্ৰদান কৰে ঃ

"অভয়ং সত্ত্বসংশুদ্ধিৰ্জ্ঞানযোগব্যৱস্থিতঃ।
দানং দমশ্চ যজ্ঞশ্চ স্বাধ্যায়স্তপ আৰ্জ্জৱম ।।
অহিংসা সত্যমক্ৰোধস্ত্যাগ ঃ শান্তিৰপৈশুনম।
দয়া ভূতেষ লোলুপ্তং মাৰ্দৱং হীৰচাপলম ।।
তেজ ক্ষমা ধৃতি শৌচমদ্ৰোহো নাতিমানিতা।
ভৱন্তি সংপদং দৈৱীমভিজাতস্য ভাৰত ।।"

(হে অৰ্জুন ! নিৰ্ভয়, অস্তিত্বৰ পৱিত্ৰতা, আধ্যাত্মিক জ্ঞানৰ অধ্যয়ন-স্পৃহা, দান, আত্মদমন, উচৰ্গা, বেদ-অধ্যয়ন-আকাঙক্ষা, কৃচ্ছ্ৰ সাধন, সৰলতা, অহিংসা, সত্যতা, ক্ৰোধদমন, ত্যাগ, শান্তি, আনৰ দোষ আৰু ক্ষতিকৰণৰ প্ৰতি উদাসীন, সকলো প্ৰাণীৰ প্ৰতি দয়া, ক্ষমা, সহিষ্ণুতা, নিৰ্মলতা, কোমলতা, ঈৰ্ষাহীনতা আৰু মান-সন্মানৰ প্ৰতি বিতৃষ্ণা—এই দৈৱ গুণবোৰ দেৱতুল্য মানুহৰ গাত থাকে)।

Lasertypeset at Purbadesh Mudram, Guwahati-781 008
and printed at Tarang Printers, Delhi-110 092